सत्यमेव जयते

# ভাৰতৰ সংবিধান

# THE CONSTITUTION OF INDIA

অসমীয়া

Assamese

২০২৫

ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়
বিধান বিভাগ
চৰকাৰী ভাষা কোষ

GOVERNMENT OF INDIA
MINISTRY OF LAW AND JUSTICE
LEGISLATIVE DEPARTMENT
OFFICIAL LANGUAGES WING

सत्यमेव जयते

# ভাৰতৰ সংবিধান

[*চেপ্তেম্বৰ, ২০২৫ অনুসৰি*]

# THE CONSTITUTION OF INDIA

[*As on September, 2025*]

# 2025

ভাৰত চৰকাৰ

বিধি আৰু ন্যায় মন্ত্ৰালয়

বিধান বিভাগ, চৰকাৰী ভাষা কোষ

**GOVERNMENT OF INDIA**
**MINISTRY OF LAW AND JUSTICE**
**LEGISLATIVE DEPARTMENT, OFFICIAL LANGUAGE WING**

# PREFACE

*It is with great pride that we present the third edition of the Constitution of India in the Assamese language. This edition has been prepared by the National Translation Mission (NTM), Central Institute of Indian Languages (CIIL), Mysuru on behalf of the Official Languages Wing of the Legislative Department, Ministry of Law and Justice.*

*The translation of the Constitution of India into Assamese is a conscious step towards making available of the Constitution of India in the language which manifests the linguistic heritage of the country.*

*In this edition, the text of the Constitution of India has been brought up-to date by incorporating therein all the amendments up to the Constitution (One Hundred and Sixth Amendment) Act, 2023. The footnotes below the text indicate the Constitution Amendment Acts by which such amendments have been made. The Constitution (One Hundred Amendment) Act, 2015 has been provided in Appendix I. The Constitution (Application to Jammu and Kashmir) Order, 2019 and the declaration under article 370(3) of the Constitution have been provided respectively in Appendix II and Appendix III for reference.*

*We believe that this edition will serve as an invaluable resource for scholars, students and academicians as well as for those who have interest in Assamese language. This third edition of the Constitution of India in Assamese stands as a testament to India's rich linguistic legacy and our enduring commitment to the values of our Constitution.*

New Delhi
September, 2025

**Dr. Rajiv Mani**
Secretary to the Government of India

# পাতনি

ভাৰতৰ সংবিধানৰ অসমীয়া ভাষাৰ তৃতীয় সংস্কৰণটো আপোনালোকৰ মাজলৈ আগবঢ়াই দিবলৈ পাই আমি গৌৰৱ অনুভৱ কৰিছোঁ। এই সংস্কৰণটো বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ বিধান বিভাগৰ অধীনত থকা চৰকাৰী ভাষা কোষৰ হৈ ৰাষ্ট্ৰীয় অনুবাদ অভিযান (এনটিএম), ভাৰতীয় ভাষা সংস্থান (চিআইআইএল)এ প্ৰস্তুত কৰি উলিয়াইছে।

ভাৰতীয় সংবিধানখনি অসমীয়া ভাষালৈ অনুবাদ কৰাটো ভাৰতবৰ্ষৰ ভাষিক ঐতিহ্য বহন কৰি অহা ভাষাসমূহত আমাৰ সংবিধানখনিক উপলব্ধ কৰি তোলাৰ দিশত এক সচেতন পদক্ষেপ।

ভাৰতৰ সংবিধানৰ এই সংস্কৰণত সংবিধান (এশ ছয় সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩ পৰ্যন্ত সকলো সংশোধনী অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিটো পৃষ্ঠাৰ তলত দিয়া টীকাত সংবিধান সংশোধনী অধিনিয়মসমূহ আৰু সেইসমূহৰ তাৰিখ উল্লেখ কৰা হৈছে। সংবিধান (এশ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫ পৰিশিষ্ট I-ত উপলব্ধ কৰি তোলা হৈছে। সংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ২০১৯ আৰু অনুচ্ছেদ ৩৭০(৩)-ৰ অধীনৰ ঘোষণা সন্দৰ্ভৰ বাবে ক্ৰমে পৰিশিষ্ট II আৰু পৰিশিষ্ট III-ত উপলব্ধ কৰি তোলা হৈছে।

আমাৰ বিশ্বাস যে এই সংস্কৰণটো পণ্ডিত, শিক্ষাৰ্থী আৰু শিক্ষাবিদসকলৰ লগতে অসমীয়া ভাষাভাষীসকলৰ বাবে এক অমূল্য সম্পদৰূপে পৰিগণিত হ'ব। অসমীয়া ভাষাত ভাৰতৰ সংবিধানৰ এই তৃতীয় সংস্কৰণটোৱে ভাৰতবৰ্ষৰ চহকী ভাষিক পৰম্পৰাৰ লগতে সাংবিধানিক মূল্যবোধৰ প্ৰতি আমাৰ অটুট দায়বদ্ধতাৰে প্ৰমাণ দিয়ে।

নতুন দিল্লী
চেপ্তেম্বৰ, ২০২৫

**ড. ৰাজীৱ মণি**
সচিৱ, ভাৰত চৰকাৰ

# PREFACE

**(to the second edition)**

This is the second edition of Assamese version of the Constitution of India. In this edition, the text of the Constitution has been brought up-to-date by incorporating therein all the amendments up-to and including the Constitution (Seventy-eight) Act, 1999.

New Delhi
1.12.1999

**Dr. Subhash C. Jain**
Secretary to the Govt. of India

# পাতনি

**(দ্বিতীয় সংস্কৰণ)**

এইটো অসমীয়া ভাষাত ভাৰতৰ সংবিধানৰ দ্বিতীয়টো সংস্কৰণ। ভাৰতীয় সংবিধানৰ এই সংস্কৰণটিত, সংবিধান (সাতাশী সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৯ পৰ্যন্ত সকলো সংশোধনী অন্তৰ্ভুক্ত কৰা হৈছে।

নতুন দিল্লী
১.১২.১৯৯৯

**ড. সুভাষ চি. জৈন**
সচিৱ, ভাৰত চৰকাৰ

# Message

The Constitution of India is a comprehensive and detailed document which lays down the framework defining the political principles, structure of government and rights and duties of the citizens.

Assamese translation of the Constitution of India was brought out after its enactment in the year 1950. This work was accomplished by eminent scholars of Assamese and Law. An important component of their work was creation of new terminology in Assamese. The second edition of the Constitution in Assamese was published in December 1999 which included seventy-eight amendments along with the original Constitution.

The Government decided to update the Assamese translation of the Constitution along with the amendments that were enacted during the last twenty-six years. The task of translation and updating was assigned to National Translation Mission (NTM), Central Institute of Indian Languages (CIIL), Mysuru, as the Mission has been assisting various Ministries and Government agencies in various translation-related works.

It is a matter of great pleasure that this Assamese translation is being published incorporating the one hundred and sixth amendment. Adoption and creation of new terminology was inevitable even in this work of translation. Care has been taken that this new translation remains aligned with the existing one and is compatible for future Amendments.

As part of its mandate, NTM has been translating and publishing Knowledge Texts from English into all 22 languages listed in the VIII Schedule of the Constitution of India with a vision of making knowledge accessible to all by transcending language barriers.

It is my firm belief that this edition of the Constitution of India will strengthen the Assamese language and its users and also expand the spirit of law and justice.

**Prof. Shailendra Mohan**
Director, CIIL, Mysuru

# বাৰ্তা

ভাৰতীয় সংবিধান হৈছে এক বিস্তৃত আৰু বিশদ নথি যি ৰাজনৈতিক নীতি, চৰকাৰৰ গঠন-গাঁথনি আৰু নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্যৰ সংজ্ঞা নিৰ্ধাৰণৰ ৰূপৰেখা নিৰ্ধাৰণ কৰে।

১৯৫০ চনত ভাৰতৰ সংবিধান প্ৰণয়ন কৰাৰ পিছতে সেই সংবিধানৰ অসমীয়া অনুবাদ উপলব্ধ কৰি তোলা হৈছিল। বিশিষ্ট অসমীয়া পণ্ডিত আৰু আইনজ্ঞসকলে এই কাৰ্য সম্পন্ন কৰিছিল। তেওঁলোকৰ কামৰ এটা গুৰুত্বপূৰ্ণ উপাদান আছিল অসমীয়াত নতুন পৰিভাষাৰ সৃষ্টি। ১৯৯৯ চনৰ ডিচেম্বৰ মাহত সংবিধানৰ অসমীয়া ভাষাৰ দ্বিতীয়টি সংস্কৰণ প্ৰকাশ পাইছিল য'ত মূল সংবিধানৰ লগতে আঠসত্তৰটা সংশোধনী সন্নিবিষ্ট কৰা হৈছিল।

চৰকাৰে সংবিধানখনিৰ অসমীয়া সংস্কৰণটো বিগত ছাব্বিশটা বছৰত ভিতৰত প্ৰণয়ন কৰা সংশোধনীসমূহৰ সৈতে উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুবাদ আৰু উন্নীতকৰণৰ কাম ৰাষ্ট্ৰীয় অনুবাদ অভিযান (এনটিএম), ভাৰতীয় ভাষা সংস্থান (চিআইআইএল), মহীশূৰৰ হাতত অৰ্পণ কৰা হয়, কিয়নো ৰাষ্ট্ৰীয় অনুবাদ অভিযানে বিভিন্ন মন্ত্ৰালয় আৰু চৰকাৰী সংস্থাক অনুবাদ সম্পৰ্কীয় বিভিন্ন কামত সহায় কৰি আহিছে।

ভাৰতৰ সংবিধানৰ এশ ছয় সংখ্যক সংশোধনী পৰ্যন্ত সামৰি লোৱা এই অসমীয়া অনুবাদ প্ৰকাশ পোৱাটো অতি আনন্দৰ বিষয়। এই অনুবাদটো নতুন পৰিভাষা গ্ৰহণ আৰু সৃষ্টি অনিবাৰ্য আছিল। এই নতুন অনুবাদ যাতে পূৰ্বৰ অনুবাদৰ সৈতে সামঞ্জস্য থাকে আৰু ভৱিষ্যতৰ সংশোধনীৰ বাবে সুসম হয় তাৰ প্ৰতিও লক্ষ্য ৰখা হৈছে।

এনটিএম-এ নিজা মূল লক্ষ্য আৰু উদ্দেশ্যৰ অংশ হিচাপে ভাষাগত বাধাসমূহ অতিক্ৰমি সকলোৰে বাবে জ্ঞান সুলভ কৰি তোলাৰ লক্ষ্যৰে ইংৰাজীৰ পৰা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত তালিকাভুক্ত ২২ টা ভাষাৰ আটাইকেইটালৈ জ্ঞান-পাঠ্য অনুবাদ আৰু প্ৰকাশ কৰি আহিছে।

মোৰ দৃঢ় বিশ্বাস যে ভাৰতৰ সংবিধানৰ এই সংস্কৰণে কেৱল অসমীয়া ভাষাক সমৃদ্ধ কৰাই নহয়, অসমীয়া ভাষাভাষীসকলক শক্তিশালী কৰি তোলাৰ লগতে সকলোৰে মাজত আইন আৰু ন্যায়ৰ মনোভাৱো বিস্তাৰ কৰিব।

**প্ৰাধ্যাপক শৈলেন্দ্ৰ মোহন**
নিৰ্দেশক, চিআইআইএল, মহীশূৰ

# Translation and review experts
## (alphabetically arranged)

**BAHARUL ISLAM**
University of Science & Technology Meghalaya

**BHASKARJYOTI SARMA**
ABILAC
Guwahati

**BHUMIKA GOSWAMI**
Golaghat Law College
Golaghat

**BISWAJIT DAS**
Nowgong Girls' College
Nagaon

**DIGANTA KALITA**
Bimala Prasad Chaliha College
Kamrup

**NILUTPAL PHUKAN**
Advocate, Tinsukia & Dibrugarh Bar Association

**PRANJIT SAIKIA**
Doomdooma College
Tinsukia

**RANJIT BARUA**
Nowgong Girls' College
Nagaon

**SMRITI REKHA BHUYAN**
Guwahati College
Guwahati

**STUTI DEKA**
Gauhati University
Guwahati

**SUBHASISH MAHANTA**
Legislative Dept. Govt of Assam
Guwahati

# Translation Project Coordinators

**BISWADIP GOGOI**
National Translation Mission
Mysuru

**TARIQ KHAN**
National Translation Mission
Mysuru

**WINSTON CRUZ S.**
National Translation Mission
Mysuru

**Page Layout:** SEETHALAKSHMI M. L.
National Translation Mission, Mysuru

**Cover Design:** NANDAKUMAR L.
National Translation Mission, Mysuru

# ভাৰতৰ সংবিধান

## সূচীপত্ৰ

**প্ৰস্তাৱনা**


| অনুচ্ছেদসমূহ | | পৃষ্ঠা |
|---|---|---|
| | **প্ৰথম অংশ** | |
| | সংঘ আৰু ইয়াৰ ৰাজ্যক্ষেত্ৰ | |
| ১। | সংঘৰ নাম আৰু ৰাজ্যক্ষেত্ৰ | ২ |
| ২। | নতুন ৰাজ্যৰ অন্তৰ্ভুক্তি বা গঠন | ২ |
| [২ক। | চিকিমক সংঘত সংলগ্ন কৰা হ'ব – *বিলোপিত*] | ২ |
| ৩। | নতুন ৰাজ্যৰ গঠন আৰু বিদ্যমান ৰাজ্যৰ নাম, সীমা বা ৰাজ্যক্ষেত্ৰৰ সাল-সলনি | ২ |
| ৪। | প্ৰথম আৰু চতুৰ্থ অনুসূচী আৰু অনুপূৰক, আনুষংগিক আৰু পাৰিণামস্বৰূপ বিষয়ত সংশোধন কৰিবলৈ অনুচ্ছেদ ২ আৰু ৩-ৰ অধীনত প্ৰস্তুত কৰা বিধিসমূহ | ৩ |
| | **দ্বিতীয় অংশ** | |
| | নাগৰিকত্ব | |
| ৫। | এই সংবিধানৰ আৰম্ভণিৰ সময়ত নাগৰিকত্ব | ৪ |
| ৬। | পাকিস্তানৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ | ৪ |
| ৭। | পাকিস্তানলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ | ৪ |
| ৮। | ভাৰতত জন্ম হোৱা কিন্তু ভাৰতৰ বাহিৰত বসবাস কৰি থকা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ | ৫ |
| ৯। | স্বেচ্ছাই বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব অৰ্জন কৰা ব্যক্তিসকল নাগৰিক নহ'ব | ৫ |
| ১০। | নাগৰিকত্বৰ অধিকাৰ অব্যাহত ৰখা | ৫ |
| ১১। | সংসদে বিধিৰ দ্বাৰা নাগৰিকত্বৰ অধিকাৰ নিয়ন্ত্ৰণ কৰিব | ৫ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## তৃতীয় অংশ

## মৌলিক অধিকাৰ

*সাধাৰণ*

১২।	সংজ্ঞা	৬
১৩।	মৌলিক অধিকাৰসমূহৰ সৈতে অসংগতিপূৰ্ণ বা অৱজ্ঞাসূচক বিধিসমূহ	৬

*সমতাৰ অধিকাৰ*

১৪।	আইনৰ দৃষ্টিত সমতা	৬
১৫।	ধৰ্ম, বৰ্ণ, জাতি, লিংগ বা জন্মস্থানৰ ভিত্তিত বৈষম্যৰ নিষেধকৰণ	৬
১৬।	চৰকাৰী নিয়োগৰ ক্ষেত্ৰত সুযোগৰ সমতা	৮
১৭।	অস্পৃশ্যতাৰ বিলোপ সাধন	৯
১৮।	উপাধিৰ বিলোপ সাধন	৯

*স্বতন্ত্ৰতাৰ অধিকাৰ*

১৯।	বাক্-স্বাধীনতা বিষয়ক কিছুমান অধিকাৰৰ সংৰক্ষণ	৯
২০।	অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱাৰ ক্ষেত্ৰত সুৰক্ষা	১১
২১।	জীৱন আৰু ব্যক্তি স্বাধীনতাৰ সুৰক্ষা	১১
২১ক।	শিক্ষাৰ অধিকাৰ	১১
২২।	কিছুমান বিশেষ ক্ষেত্ৰত গ্ৰেপ্তাৰ আৰু আটক কৰাৰ পৰা সুৰক্ষা	১১

*শোষণৰ বিৰুদ্ধে অধিকাৰ*

২৩।	মানৱ সৰবৰাহ আৰু বলপূৰ্বক শ্ৰম নিষিদ্ধকৰণ	১৪
২৪।	কাৰখানা আদিত শিশুক নিয়োগ কৰা নিষেধাজ্ঞা	১৪

*ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ*

২৫।	বিৱেকৰ স্বাধীনতা আৰু ধৰ্মৰ মুক্তপালন, অনুশীলন আৰু প্ৰচাৰ	১৪
২৬।	ধৰ্মীয় কাম-কাজ পৰিচালনা কৰাৰ স্বাধীনতা	১৪
২৭।	যিকোনো বিশেষ ধৰ্মৰ প্ৰচাৰৰ বাবে কৰ আদায় দিয়াৰ ক্ষেত্ৰত স্বাধীনতা	১৫
২৮।	কিছুমান বিশেষ শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা বা ধৰ্মীয় উপাসনাত উপস্থিত থকাৰ স্বাধীনতা	১৫

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

*সংস্কৃতি আৰু শিক্ষা সম্বন্ধীয় অধিকাৰ*


২৯। সংখ্যালঘুসকলৰ স্বাৰ্থৰ সুৰক্ষা ১৫

৩০। সংখ্যালঘুসকলৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনাৰ অধিকাৰ ১৫

[৩১। সম্পত্তিৰ বাধ্যতামূলক অৰ্জন – *বিলোপিত*] ১৬


*কিছুমান আইনৰ সংৰক্ষণ*


৩১ক। সম্পদ অধিগ্ৰহণৰ ব্যৱস্থা কৰা আইন আদিৰ সংৰক্ষণ ১৬

৩১খ। কিছুমান অধিনিয়ম আৰু নিয়মৰ বৈধতা ১৮

৩১গ। কিছুমান নিৰ্দেশনামূলক নীতি কাৰ্যকৰী কৰা আইনসমূহৰ সংৰক্ষণ ১৮

[৩১ঘ। ৰাষ্ট্ৰ-বিৰোধী কাৰ্য্যকলাপ সম্বন্ধীয় বিধিৰ সংৰক্ষণ – *বিলোপিত*] ১৮


*সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ*


৩২। এই অংশৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ বলবৎকৰণৰ প্ৰতিকাৰ ১৯

৩৩। এই অংশই প্ৰদান কৰা অধিকাৰসমূহৰ প্ৰয়োগ কাৰ্যত ৰূপায়ণৰ ক্ষেত্ৰত পৰিৱৰ্তন কৰিবলৈ সংসদৰ ক্ষমতা ১৯

৩৪। সামৰিক আইন বলবৎ থকা অঞ্চলত এই অংশই প্ৰদান কৰা অধিকাৰসমূহৰ ওপৰত বাধা-নিষেধ ২০

৩৫। এই অংশৰ উপবন্ধাৱলী কাৰ্যকৰী কৰিবলৈ আইন প্ৰণয়ন ২০


## চতুৰ্থ অংশ

## ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ


৩৬। সংজ্ঞা ২১

৩৭। এই অংশত থকা নীতিসমূহৰ প্ৰয়োগ ২১

৩৮। জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ ৰাষ্ট্ৰই সামাজিক ব্যৱস্থাৰ নিশ্চিত কৰিব ২১

৩৯। ৰাষ্ট্ৰই পালন কৰিবলগীয়া নীতিসমূহৰ কিছুমান নীতি ২১

৩৯ক। সমন্যায় আৰু বিনামূলীয়া আইনী সাহায্য ২২

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


৪০। গাঁও পঞ্চায়তৰ গঠন ২২

৪১। নিৰ্দিষ্ট ক্ষেত্ৰত কামৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু চৰকাৰী সাহায্যলাভৰ অধিকাৰ ২২

৪২। শ্ৰমৰ ন্যায্য আৰু মানৱীয় অৱস্থা আৰু প্ৰসূতিৰ বাবে কামৰ পৰা সকাহৰ ব্যৱস্থা ২২

৪৩। শ্ৰমিকৰ বাবে উপযুক্ত মজুৰি আদিৰ বাবে ব্যৱস্থা ২২

৪৩ক। উদ্যোগ-পৰিচালনাত শ্ৰমিকৰ অংশগ্ৰহণ ২২

৪৩খ। সমবায় সমিতিসমূহৰ উন্নয়ন ২৩

৪৪। নাগৰিকৰ বাবে সমৰূপ-নাগৰিক-সংহিতা ২৩

৪৫। ছয় বছৰৰ তলৰ শিশুসকলৰ প্ৰাক্ শৈশৱকালীন যত্ন আৰু শিক্ষাৰ বাবে উপবন্ধ ২৩

৪৬। অনুসুচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ শৈক্ষিক আৰু আৰ্থিক প্ৰয়োজনৰ বাবে বিধান ২৩

৪৭। জনস্বাস্থ্য, পুষ্টিৰ মান আৰু জীৱিকাৰ মান উন্নয়নৰ বাবে ৰাষ্ট্ৰৰ কৰ্তব্য ২৩

৪৮। কৃষি আৰু পশুপালন ব্যৱস্থাপনা ২৩

৪৮ক। পৰিৱেশ সংৰক্ষণ আৰু উন্নতকৰণ, বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষা ২৩

৪৯। জাতীয় গুৰুত্ব থকা সম্পদ, স্থান আৰু কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণ ২৪

৫০। ন্যায়পালিকাক কাৰ্য্যপালিকাৰ পৰা পৃথকীকৰণ ২৪

৫১। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা উন্নতকৰণ ২৪


## চতুৰ্থ-ক অংশ

## মৌলিক কৰ্তব্যসমূহ


৫১ক। মৌলিক কৰ্তব্যসমূহ ২৫


## পঞ্চম অংশ

## সংঘ

## প্ৰথম অধ্যায় - কাৰ্য্যপালিকা

***ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি***


৫২। ভাৰতৰ ৰাষ্ট্ৰপতি ২৬

৫৩। সংঘৰ কাৰ্যবাহী ক্ষমতা ২৬

৫৪। ৰাষ্ট্ৰপতিৰ নিৰ্বাচন ২৬

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ৫৫। | ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি | ২৬ |
| ৫৬। | ৰাষ্ট্ৰপতি পদৰ কাৰ্যকাল | ২৭ |
| ৫৭। | পুনৰ নিৰ্বাচনৰ যোগ্যতা | ২৮ |
| ৫৮। | ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হোৱাৰ বাবে যোগ্যতা | ২৮ |
| ৫৯। | ৰাষ্ট্ৰপতি পদৰ চৰ্তসমূহ | ২৮ |
| ৬০। | ৰাষ্ট্ৰপতিৰ দ্বাৰা শপত বা অংগীকাৰ | ২৮ |
| ৬১। | ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ পদ্ধতি | ২৯ |
| ৬২। | ৰাষ্ট্ৰপতিৰ শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচন অনুস্থিত কৰাৰ সময় আৰু অস্থায়ী শূন্যস্থান পুৰণৰ বাবে নিৰ্বাচিত ব্যক্তিৰ কাৰ্যকাল | ২৯ |
| ৬৩। | ভাৰতৰ উপৰাষ্ট্ৰপতি | ২৯ |
| ৬৪। | ৰাজ্যসভাৰ *পদেন* সভাপতিগৰাকী উপৰাষ্ট্ৰপতি হ’ব | ২৯ |
| ৬৫। | ৰাষ্ট্ৰপতিৰ অনুপস্থিতিত বা অস্থায়ী খালী পদৰ স্থানত ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিব উপৰাষ্ট্ৰপতিয়ে | ৩০ |
| ৬৬। | উপৰাষ্ট্ৰপতিৰ নিৰ্বাচন | ৩০ |
| ৬৭। | উপৰাষ্ট্ৰপতিৰ কাৰ্যকাল | ৩১ |
| ৬৮। | উপৰাষ্ট্ৰপতিৰ খালী পদ পুৰণৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময় আৰু খালী পদৰ বাবে নিৰ্বাচিত ব্যক্তিৰ কাৰ্যকাল | ৩১ |
| ৬৯। | উপৰাষ্ট্ৰপতিৰ শপত আৰু অংগীকাৰ | ৩১ |
| ৭০। | অন্যান্য আকস্মিক পৰিস্থিতিত ৰাষ্ট্ৰপতিৰ কাৰ্য-পালন | ৩২ |
| ৭১। | ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ সৈতে জড়িত আৰু সম্পৰ্কিত বিষয়সমূহ | ৩২ |
| ৭২। | কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ ক্ষমাদান কৰিব পৰা আৰু নিলম্বন, ন্যূনতম বা লঘু কৰিব পৰা ক্ষমতা | ৩২ |
| ৭৩। | সংঘৰ কাৰ্যবাহী ক্ষমতাৰ বৰ্ধিতকৰণ | ৩৩ |


***মন্ত্ৰী পৰিষদ***


| | | |
|---|---|---|
| ৭৪। | ৰাষ্ট্ৰপতিক সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মন্ত্ৰীপৰিষদ | ৩৪ |
| ৭৫। | মন্ত্ৰীসকলৰ বাবে অন্যান্য উপবন্ধাৱলী | ৩৪ |


***ভাৰতৰ এটৰ্ণী জেনেৰেল***


| | | |
|---|---|---|
| ৭৬। | ভাৰতৰ এটৰ্ণী জেনেৰেল | ৩৫ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

*চৰকাৰী কাৰ্য্য পৰিচালনা*


৭৭। ভাৰত চৰকাৰৰ কাৰ্য্য পৰিচালনা ৩৫

৭৮। ৰাষ্ট্ৰপতিক তথ্য যোগানৰ সন্দৰ্ভত প্ৰধান মন্ত্ৰীৰ কৰ্তব্য


## দ্বিতীয় অধ্যায় - সংসদ

*সাধাৰণ*


৭৯। সংসদৰ গঠন ৩৬

৮০। ৰাজ্যসভাৰ গঠন ৩৬

৮১। লোকসভাৰ গঠন ৩৭

৮২। প্ৰত্যেক লোকপিয়লৰ পাছত পুনৰবিন্যাস ৩৮

৮৩। সংসদৰ সদনৰ কাৰ্যকাল ৩৯

৮৪। সংসদৰ সদস্য পদৰ বাবে অৰ্হতা ৩৯

৮৫। সংসদৰ অধিৱেশন, স্থগিতকৰণ আৰু ভংগ ৪০

৮৬। ৰাষ্ট্ৰপতিৰ সদনক সম্বোধন আৰু বাৰ্তা প্ৰেৰণৰ অধিকাৰ ৪০

৮৭। ৰাষ্ট্ৰপতিৰ দ্বাৰা বিশেষ অভিভাষণ ৪০

৮৮। সদনৰ সম্পৰ্কত মন্ত্ৰীবৰ্গ আৰু এটৰ্ণী জেনেৰেলৰ অধিকাৰ ৪০


*সংসদৰ পদাধিকাৰীসকল*


৮৯। ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতি ৪১

৯০। উপ-সভাপতিৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ ৪১

৯১। সভাপতি পদৰ কৰ্তব্যসমূহ পালন কৰিবলৈ অথবা সভাপতি ৰূপে কাৰ্য্য সম্পাদন কৰিবলৈ উপ-সভাপতি বা আন কোনো ব্যক্তিৰ ক্ষমতা ৪১

৯২। সভাপতি বা উপ-সভাপতিক পদৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত সভাপতি বা উপ-সভাপতিয়ে সভাপতিত্ব নকৰিব ৪১

৯৩। লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ ৪২

৯৪। লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ ৪২

৯৫। অধ্যক্ষ ৰূপে কাৰ্য্য চলাবলৈ বা সেই পদৰ কৰ্তব্য পালন কৰিবলৈ উপাধ্যক্ষ বা আন লোকৰ ক্ষমতা ৪২

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

৯৬। পদৰ পৰা অপসাৰণৰ বাবে কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত অধ্যক্ষ বা উপাধ্যক্ষই সভাপতিত্ব নকৰিব ৪৩
৯৭। সভাপতি আৰু উপ-সভাপতি আৰু অধ্যক্ষ আৰু উপাধ্যক্ষৰ বেতন আৰু ভাট্টা ৪৩
৯৮। সংসদৰ সচিবালয় ৪৩

*কাৰ্য্য পৰিচালনা*

৯৯। সদস্যসকলৰ দ্বাৰা শপত বা অংগীকাৰ ৪৪
১০০। সদনত ভোটদান, আসন খালী থকা সত্ত্বেও সদনৰ কাৰ্য্য কৰাৰ ক্ষমতা আৰু থূল ৪৪

*সদস্যসকলৰ অৰ্হতাহীনতা*

১০১। আসন খালী ৪৪
১০২। সদস্য পদৰ কাৰণে অৰ্হতাহীনতা ৪৬
১০৩। সদস্যসকলৰ অৰ্হতাহীনতা বিষয়ক প্ৰশ্নৰ ওপৰত সিদ্ধান্ত ৪৬
১০৪। অনুচ্ছেদ ৯৯-ৰ অধীনত শপত লোৱা বা অংগীকাৰ কৰাৰ পূৰ্বে বা যোগ্য নোহোৱাকৈ বা অযোগ্য হৈ সদস্যৰ স্থানত বহা আৰু ভোটদান কৰাৰ বাবে দণ্ড ৪৭

*সংসদ আৰু তাৰ সদস্যসকলৰ ক্ষমতা, বিশেষাধিকাৰ আৰু প্ৰতিৰক্ষণ*

১০৫। সংসদৰ দুয়োখন সদন আৰু তাৰ সদস্যসকলৰ আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ ইত্যাদি ৪৭
১০৬। সদস্যসকলৰ বেতন আৰু ভাট্টা ৪৮

*বিধান প্ৰক্ৰিয়া*

১০৭। বিধেয়ক উত্থাপন আৰু পাৰিতকৰণ সম্পৰ্কীয় উপবন্ধাৱলী ৪৮
১০৮। কোনো নিৰ্দিষ্ট ক্ষেত্ৰত উভয় সদনৰ যুটীয়া বৈঠক ৪৮
১০৯। ধন সম্পৰ্কীয় বিধেয়কৰ সন্দৰ্ভত বিশেষ প্ৰক্ৰিয়া ৪৯
১১০। ধন সম্পৰ্কীয় বিধেয়কৰ সংজ্ঞা ৫০
১১১। বিধেয়কত সন্মতি প্ৰদান ৫১

*বিত্তীয় বিষয় সম্পৰ্কীয় প্ৰক্ৰিয়া*

১১২। বাৰ্ষিক বিত্তীয় বিৱৰণ ৫১
১১৩। সংসদত প্ৰস্তাৱিত ব্যয় সম্পৰ্কীয় প্ৰক্ৰিয়া ৫২
১১৪। বিনিয়োজন বিধেয়ক ৫৩

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


১১৫। পৰিপূৰক, অতিৰিক্ত অথবা মাত্ৰাধিক অনুদান ৫৩
১১৬। লেখানুদান, ঋণ অনুদান, ব্যতিক্ৰমী অনুদান ৫৪
১১৭। বিত্তীয় বিধেয়ক সম্পৰ্কে বিশেষ উপবন্ধাৱলী ৫৪

*সাধাৰণ প্ৰক্ৰিয়া*

১১৮। প্ৰক্ৰিয়াৰ নিয়মাৱলী ৫৫
১১৯। সংসদৰ বিত্তীয় কাৰ্য্য সম্পৰ্কীয় প্ৰক্ৰিয়াৰ বিধিৰ দ্বাৰা বিনিয়ম ৫৫
১২০। সংসদত ব্যৱহাৰ কৰিবলগীয়া ভাষা ৫৬
১২১। সংসদত আলোচনাৰ ওপৰত প্ৰতিবন্ধকতা ৫৬
১২২। সংসদৰ কাৰ্য্যক্ৰমণিকা সম্পৰ্কত ন্যায়ালয়ে অনুসন্ধান নকৰিব ৫৬

## তৃতীয় অধ্যায় - ৰাষ্ট্ৰপতিৰ বিধায়িনী ক্ষমতা

১২৩। সংসদৰ বিৰতিকালত ৰাষ্ট্ৰপতিৰ অধ্যাদেশ ঘোষণা কৰাৰ ক্ষমতা ৫৬

## চতুৰ্থ অধ্যায় - কেন্দ্ৰীয় ন্যায়পালিকা

১২৪। উচ্চতম ন্যায়ালয়ৰ স্থাপন আৰু গঠন ৫৭
১২৪ক। ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগ ৫৮
১২৪খ। আয়োগৰ কাৰ্যাৱলী ৫৯
১২৪গ। সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা ৫৯
১২৫। ন্যায়াধীশসকলৰ বেতন আদি ৫৯
১২৬। ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশৰ নিযুক্তি ৬০
১২৭। *তদৰ্থ* ন্যায়াধীশৰ নিযুক্তি ৬০
১২৮। অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ উচ্চতম ন্যায়ালয়ৰ বৈঠকত উপস্থিতি ৬০
১২৯। উচ্চতম ন্যায়ালয় অভিলেখ ন্যায়ালয় হ'ব ৬১
১৩০। উচ্চতম ন্যায়ালয়ৰ স্থান ৬১
১৩১। উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰক্ষেত্ৰ ৬১
[১৩১ক। কেন্দ্ৰীয় অধিনিয়মৰ সাংবিধানিক বিধিমান্যতাৰ প্ৰশ্নৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ অনন্য ক্ষেত্ৰাধিকাৰ - *বিলোপিত* ৬১
১৩২। কিছুমান গোচৰত উচ্চ ন্যায়ালয়ৰ পৰা হোৱা আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল-সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ ৬১
১৩৩। উচ্চ ন্যায়ালয়ৰ পৰা দেৱানী বিষয়ক আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ ৬২
১৩৪। ফৌজদাৰী বিষয়ক আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ ৬২

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

১৩৪ক। উচ্চতম ন্যায়ালয়ত আপীলৰ বাবে প্ৰমাণ পত্ৰ ৬৩
১৩৫। বৰ্তমান বিধিৰ অধীনত থকা যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰয়োগযোগ্য ৬৩
১৩৬। আপীলৰ কাৰণে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা বিশেষ অনুমতি প্ৰদান ৬৩
১৩৭। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ন্যায়-নিৰ্ণয় অথবা আদেশৰ পুনৰ্বিৱেচনা ৬৩
১৩৮। উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ সম্প্ৰসাৰণ ৬৪
১৩৯। কিছুমান লেখ জাৰি কৰাৰ কাৰণে উচ্চতম ন্যায়ালয়ক ক্ষমতা প্ৰদান ৬৪
১৩৯ক। কোনো নিৰ্দ্দিষ্ট মোকৰ্দ্দমা হস্তান্তৰকৰণ ৬৪
১৪০। উচ্চতম ন্যায়ালয়ৰ আনুষংগিক ক্ষমতাসমূহ ৬৪
১৪১। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ঘোষিত বিধি সকলো ন্যায়ালয়ৰ বাবে অৱশ্য-পালনীয় হ'ব ৬৫
১৪২। উচ্চতম ন্যায়ালয়ৰ ডিক্ৰী আৰু আদেশ আৰু আবিষ্কাৰ আদি সম্বন্ধে আদেশৰ বলবৎকৰণ ৬৫
১৪৩। উচ্চতম ন্যায়ালয়ৰ লগত পৰামৰ্শ কৰিবলৈ ৰাষ্ট্ৰপতিৰ ক্ষমতা ৬৫
১৪৪। দেৱানী আৰু ন্যায়িক প্ৰাধিকাৰীসকলে উচ্চতম ন্যায়ালয়ৰ সহায়ক ৰূপে কাৰ্য্য কৰিব ৬৫
[১৪৪ক। বিধিৰ সাংবিধানিক বিধিমান্যতা সম্বন্ধীয় প্ৰশ্ন নিষ্পত্তিৰ বাবে বিশেষ উপবন্ধাৱলী - *বিলোপিত* ৬৫
১৪৫। ন্যায়ালয়ৰ নিয়ম আদি ৬৫
১৪৬। উচ্চতম ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকল আৰু ব্যয়সমূহ ৬৭
১৪৭। নিৰ্বচন ৬৮

## পঞ্চম অধ্যায় – ভাৰতৰ নিয়ন্ত্ৰক – মহালেখা পৰীক্ষক

১৪৮। ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক ৬৮
১৪৯। নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কৰ্তব্য আৰু ক্ষমতাসমূহ ৬৯
১৫০। ৰাজ্যবোৰৰ হিচাপৰ প্ৰপত্ৰ ৬৯
১৫১। হিচাপ-পৰীক্ষা প্ৰতিবেদন ৬৯

## ষষ্ঠ অংশ

## ৰাজ্যসমূহ

## প্ৰথম অধ্যায় – সাধাৰণ

১৫২। সংজ্ঞা ৭০

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## দ্বিতীয় অধ্যায় - কাৰ্য্যপালিকা

*ৰাজ্যপাল*


| | | |
|---|---|---|
| ১৫৩। | ৰাজ্যসমূহৰ ৰাজ্যপালসমূহ | ৭০ |
| ১৫৪। | ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা | ৭০ |
| ১৫৫। | ৰাজ্যপালৰ নিযুক্তি | ৭০ |
| ১৫৬। | ৰাজ্যপালৰ কাৰ্যকাল | ৭০ |
| ১৫৭। | ৰাজ্যপাল ৰূপে নিযুক্ত হোৱাৰ অৰ্হতাসমূহ | ৭১ |
| ১৫৮। | ৰাজ্যপাল পদৰ চৰ্তসমূহ | ৭১ |
| ১৫৯। | ৰাজ্যপালৰ শপত গ্ৰহণ বা অংগীকাৰ | ৭১ |
| ১৬০। | কিছুমান আকস্মিক ক্ষেত্ৰত ৰাজ্যপালৰ কাৰ্য পালন | ৭২ |
| ১৬১। | কিছুমান গোচৰত ক্ষমা আদি প্ৰদান কৰিবলৈ আৰু দণ্ডাদেশ নিলম্বিত, পৰিহাৰ বা লঘু কৰিবলৈ ৰাজ্যপালৰ ক্ষমতা | ৭২ |
| ১৬২। | ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতাৰ বিস্তৃতি | ৭২ |


*মন্ত্ৰী- পৰিষদ*


| | | |
|---|---|---|
| ১৬৩। | ৰাজ্যপালক সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মন্ত্ৰী-পৰিষদ | ৭২ |
| ১৬৪। | মন্ত্ৰীসকল সম্বন্ধীয় অন্যান্য উপবন্ধাৱলী | ৭২ |


*ৰাজ্যৰ মহাধিবক্তা*


| | | |
|---|---|---|
| ১৬৫। | ৰাজ্যৰ মহাধিবক্তা | ৭৪ |


*চৰকাৰৰ কাৰ্য্য পৰিচালনা*


| | | |
|---|---|---|
| ১৬৬। | ৰাজ্য চৰকাৰৰ কাৰ্য্য পৰিচালনা | ৭৪ |
| ১৬৭। | ৰাজ্যপালক তথ্য অৱগত কৰা আদি বিষয়ত মুখ্যমন্ত্ৰীৰ কৰ্তব্য | ৭৫ |


## তৃতীয় অধ্যায় - বিধানমণ্ডল

*সাধাৰণ*


| | | |
|---|---|---|
| ১৬৮। | ৰাজ্যসমূহত বিধানমণ্ডল গঠন | ৭৫ |
| ১৬৯। | ৰাজ্যসমূহত বিধান পৰিষদৰ বিলুপ্তি বা সৃষ্টি | ৭৬ |
| ১৭০। | বিধানসভাসমূহৰ গঠন | ৭৬ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

১৭১। বিধান পৰিষদৰ গঠন ৭৮
১৭২। ৰাজ্য বিধানমণ্ডলৰ ম্যাদ ৭৯
১৭৩। ৰাজ্যৰ বিধানমণ্ডলৰ সদস্য হ'বৰ বাবে অৰ্হতাসমূহ ৭৯
১৭৪। ৰাজ্যিক বিধানমণ্ডলৰ অধিবেশন, সত্ৰাৱসান আৰু ভংগ ৮০
১৭৫। সদনত নাইবা উভয় সদনত অভিভাষণ দিবলৈ আৰু বাণী পঠিয়াবলৈ ৰাজ্যপালৰ অধিকাৰ ৮০
১৭৬। ৰাজ্যপালৰ দ্বাৰা বিশেষ অভিভাষণ ৮০
১৭৭। সদন সম্পৰ্কত মন্ত্ৰীসকল আৰু মহাধিবক্তাৰ অধিকাৰ ৮১

*ৰাজ্যিক বিধানমণ্ডলৰ পদাধিকাৰীসকল*

১৭৮। বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ ৮১
১৭৯। অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ ৮১
১৮০। অধ্যক্ষৰূপে কাৰ্য্য চলাবলৈ বা সেই পদৰ কৰ্তব্য পালন কৰিবলৈ উপাধ্যক্ষ বা আন ব্যক্তিৰ ক্ষমতা ৮১
১৮১। পদৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত অধ্যক্ষ নাইবা উপাধ্যক্ষই সভাপতিত্ব নকৰিব ৮২
১৮২। বিধান পৰিষদৰ সভাপতি আৰু উপসভাপতি ৮২
১৮৩। সভাপতি আৰু উপ-সভাপতিৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ ৮২
১৮৪। সভাপতি পদৰ কৰ্তব্য পালন কৰিবলৈ নাইবা সভাপতিৰূপে কাৰ্য্য কৰিবলৈ উপসভাপতি বা অন্য ব্যক্তিৰ ক্ষমতা ৮২
১৮৫। পদৰ পৰা অপসাৰণৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত সভাপতি নাইবা উপসভাপতিয়ে সভাপতিত্ব নকৰিব ৮৩
১৮৬। অধ্যক্ষ, উপাধ্যক্ষ, সভাপতি আৰু উপসভাপতিৰ বেতন আৰু ভাট্টা ৮৩
১৮৭। ৰাজ্যৰ বিধানমণ্ডলৰ সচিবালয় ৮৩

*কাৰ্য্য পৰিচালনা*

১৮৮। সদস্যসকলৰ দ্বাৰা শপত গ্ৰহণ বা অংগীকাৰ ৮৪
১৮৯। সদনত ভোট দান, খালী আসন থকা সত্বেও কাৰ্য্য সম্পাদন কৰাৰ ক্ষেত্ৰত সদনসমূহৰ ক্ষমতা আৰু থূল ৮৪

*সদস্যসকলৰ অৰ্হতাহীনতা*

১৯০। আসন খালী ৮৫

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

১৯১। সদস্যপদৰ কাৰণে অৰ্হতাহীনতা ৮৬
১৯২। সদস্যসকলৰ অৰ্হতাহীনতা বিষয়ক প্ৰশ্নৰ সিদ্ধান্ত ৮৬
১৯৩। অনুচ্ছেদ ১৮৮-ৰ অধীনত শপত গ্ৰহণ বা অংগীকাৰ কৰাৰ পূৰ্বে অথবা যোগ্য নোহোৱাকৈ বা অযোগ্য হৈ সদস্যৰ স্থানত বহা আৰু ভোটদানৰ বাবে দণ্ড ৮৭

*ৰাজ্যিক বিধানমণ্ডলসমূহ আৰু তাৰ সদস্যসকলৰ বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ*

১৯৪। বিধানমণ্ডলৰ সদন আৰু সদস্য আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ ইত্যাদি ৮৭
১৯৫। সদস্যসকলৰ বেতন আৰু ভাট্টা ৮৮

*বিধান পৰিক্ৰমা*

১৯৬। বিধেয়ক উত্থাপন আৰু গ্ৰহণ সম্বন্ধীয় উপবন্ধাৱলী ৮৮
১৯৭। ধন সম্পৰ্কীয় বিধেয়কৰ বাহিৰে অন্য বিধেয়কৰ ক্ষেত্ৰত বিধান পৰিষদৰ ক্ষমতাৰ সীমাবদ্ধতা ৮৮
১৯৮। ধন সম্পৰ্কীয় বিধেয়ক সম্বন্ধে থকা বিশেষ ব্যৱস্থাৱলী ৮৯
১৯৯। "ধন সম্পৰ্কীয় বিধেয়ক"ৰ সংজ্ঞা ৯০
২০০। বিধেয়কত সন্মতি প্ৰদান ৯১
২০১। আলোচনাৰ বাবে সংৰক্ষিত বিধেয়কসমূহ ৯১

*বিত্ত বিষয়ক ব্যৱস্থাৱলী*

২০২। বাৰ্ষিক বিত্তীয় প্ৰতিৱেদন ৯২
২০৩। বিধানমণ্ডলত প্ৰাক্কলন সম্পৰ্কীয় ব্যৱস্থাৱলী ৯২
২০৪। বিনিয়োজন বিধেয়ক ৯৩
২০৫। অনুপূৰক, অতিৰিক্ত অথবা উপৰঞ্চি অনুদানসমূহ ৯৩
২০৬। লেখানুদান, ঋণ অনুদান আৰু ব্যতিক্ৰমী অনুদান ৯৪
২০৭। বিত্তীয় বিধেয়ক সম্পৰ্কে বিশেষ ব্যৱস্থাৱলী ৯৫

*সাধাৰণ কাৰ্যবিধি*

২০৮। কাৰ্যবিধিৰ নিয়মাৱলী ৯৫
২০৯। ৰাজ্যৰ বিধানমণ্ডলত বিধিৰ দ্বাৰা বিত্তীয় কাৰ্য্য সম্পৰ্কীয় প্ৰক্ৰিয়াৰ বিনিয়মন ৯৬

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ২১০। | বিধানমণ্ডলত প্ৰয়োগ হ'বলগীয়া ভাষা | ৯৬ |
| ২১১। | বিধানমণ্ডলত আলোচনাৰ ওপৰত থকা প্ৰতিবন্ধকতা | ৯৭ |
| ২১২। | আদালতে বিধানসভাৰ কাৰ্য্যবিধিৰ তদন্ত নকৰিব | ৯৭ |


## চতুৰ্থ অধ্যায় - ৰাজ্যপালৰ বিধায়িনী ক্ষমতা


| | | |
|---|---|---|
| ২১৩। | বিধানমণ্ডলৰ বিশ্ৰান্তিকালত ৰাজ্যপালৰ অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা | ৯৭ |


## পঞ্চম অধ্যায় - ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়সমূহ


| | | |
|---|---|---|
| ২১৪। | ৰাজ্যসমূহৰ বাবে উচ্চ ন্যায়ালয়সমূহ | ৯৯ |
| ২১৫। | উচ্চ ন্যায়ালয়সমূহ অভিলেখ ন্যায়ালয় হ'ব | ৯৯ |
| ২১৬। | উচ্চ ন্যায়ালয়সমূহৰ গঠন | ৯৯ |
| ২১৭। | উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নিযুক্তি আৰু পদৰ চৰ্তসমূহ | ৯৯ |
| ২১৮। | উচ্চতম ন্যায়ালয় সম্বন্ধীয় কিছুমান উপবন্ধ উচ্চ ন্যায়ালয়সমূহত প্ৰয়োগ | ১০১ |
| ২১৯। | উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ শপত বা অংগীকাৰ | ১০১ |
| ২২০। | স্থায়ী ন্যায়াধীশ হোৱাৰ পিচত বিধি-বৃত্তিৰ ওপৰত নিষেধাজ্ঞা | ১০১ |
| ২২১। | ন্যায়াধীশসকলৰ বেতন আদি | ১০১ |
| ২২২। | কোনো ন্যায়াধীশক এখন উচ্চ ন্যায়ালয়ৰ পৰা আন এখনলৈ বদলিকৰণ | ১০২ |
| ২২৩। | কাৰ্য্যকৰী মুখ্য ন্যায়াধীশৰ নিযুক্তি | ১০২ |
| ২২৪। | অতিৰিক্ত আৰু কাৰ্য্যকৰী ন্যায়াধীশৰ নিযুক্তি | ১০২ |
| ২২৪ক। | উচ্চ ন্যায়ালয়ৰ বৈঠকত অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নিযুক্তি | ১০৩ |
| ২২৫। | বৰ্তমানৰ উচ্চ ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ | ১০৪ |
| ২২৬। | কিছুমান লেখ জাৰি কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়সমূহৰ ক্ষমতা | ১০৪ |
| [২২৬ক। | অনুচ্ছেদ ২২৬-ৰ অধীনত চলি থকা কাৰ্য্যবিধিত কেন্দ্ৰীয় আইনসমূহৰ সাংবিধানিক বৈধতা বিবেচনা কৰা নহ'ব – *বিলোপিত*] | ১০৫ |
| ২২৭। | সকলো ন্যায়ালয়ৰ ওপৰত উচ্চ ন্যায়ালয়ৰ অধীক্ষণ ক্ষমতা | ১০৫ |
| ২২৮। | উচ্চ ন্যায়ালয়লৈ কেতবোৰ গোচৰৰ হস্তান্তৰ | ১০৬ |
| [২২৮ক। | ৰাজ্যিক আইনসমূহৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত প্ৰশ্নসমূহ নিষ্পত্তিৰ বাবে বিশেষ উপবন্ধাৱলী – *বিলোপিত*] | ১০৭ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

২২৯। উচ্চ ন্যায়ালয়ৰ পদাধিকাৰী, সেৱক আৰু ব্যয়সমূহ ১০৭
২৩০। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ উচ্চ ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ বিস্তাৰ ১০৭
২৩১। দুই বা ততোধিক ৰাজ্যৰ বাবে এখন উমৈহতীয়া উচ্চ ন্যায়ালয় স্থাপন ১০৮
[২৩২। অনুচ্ছেদ ২৩০, ২৩১ আৰু ২৩২ অনুচ্ছেদ ২৩০ আৰু ২৩১-ৰে প্ৰতিস্থাপিত ১০৮

## ষষ্ঠ অধ্যায় - অধীনস্থ ন্যায়ালয়সমূহ

২৩৩। জিলা ন্যায়াধীশসকলৰ নিযুক্তি ১০৮
২৩৩ক। কোনো জিলা ন্যায়াধীশৰ নিযুক্তি আৰু তেওঁলোকে দিয়া ৰায়দান আদিৰ বৈধতা ১০৯
২৩৪। ন্যায়িক সেৱাত জিলা ন্যায়াধীশৰ বাহিৰে অন্য লোকৰ নিযুক্তি ১০৯
২৩৫। অধীনস্থ ন্যায়ালয়সমূহৰ নিয়ন্ত্ৰণ ১১০
২৩৬। ব্যাখ্যা ১১০
২৩৭। কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ দণ্ডাধিকাৰীসকলৰ ক্ষেত্ৰত এই অধ্যায়ৰ উপবন্ধাৱলীৰ প্ৰয়োগ ১১০

## [সপ্তম অংশ - বিলোপিত]

[২৩৮। প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহ – *বিলোপিত।*] ১১১

## অষ্টম অংশ
## কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ

২৩৯। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰশাসন ১১২
২৩৯ক। নিৰ্দিষ্ট কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে স্থানীয় বিধানমণ্ডল বা মন্ত্ৰী-পৰিষদ বা দুয়োটাৰে গঠন ১১২
২৩৯কক। দিল্লীৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী ১১৩
২৩৯কখ। সাংবিধানিক যন্ত্ৰ বিফল হোৱাৰ ক্ষেত্ৰত উপবন্ধ ১১৫
২৩৯খ। বিধানমণ্ডলৰ সত্ৰাৱসানৰ সময়ত প্ৰশাসকৰ অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা ১১৬
২৪০। কোনো কোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে বিনিয়ম প্ৰণয়ন কৰিবলৈ ৰাষ্ট্ৰপতিৰ ক্ষমতা ১১৭
২৪১। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ কাৰণে উচ্চ ন্যায়ালয় ১১৮
[২৪২। কূৰ্গ – *বিলোপিত।*]

## নৱম অংশ
## পঞ্চায়ত

২৪৩। সংজ্ঞা ১১৯

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ২৪৩ক। | গাঁও সভা | ১১৯ |
| ২৪৩খ। | পঞ্চায়তসমূহৰ গঠন | ১১৯ |
| ২৪৩গ। | পঞ্চায়তসমূহৰ গাঁথনি | ১১৯ |
| ২৪৩ঘ। | আসনৰ সংৰক্ষণ | ১২১ |
| ২৪৩ঙ। | পঞ্চায়তসমূহৰ ম্যাদ ইত্যাদি | ১২২ |
| ২৪৩চ। | সদস্য পদৰ বাবে অৰ্হতাহীনতা | ১২২ |
| ২৪৩ছ। | পঞ্চায়তসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্বসমূহ | ১২৩ |
| ২৪৩জ। | পঞ্চায়তসমূহৰ দ্বাৰা কৰ আৰোপিত কৰাৰ ক্ষমতাৱলী আৰু ইয়াৰ নিধিসমূহ | ১২৩ |
| ২৪৩ঝ। | বিত্তীয় অৱস্থাৰ পুনৰীক্ষণৰ বাবে বিত্ত আয়োগ গঠন | ১২৩ |
| ২৪৩ঞ। | পঞ্চায়তসমূহৰ হিচাপ পৰীক্ষা | ১২৪ |
| ২৪৩ট। | পঞ্চায়তসমূহৰ নিৰ্বাচন | ১২৪ |
| ২৪৩ঠ। | কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰয়োগ | ১২৫ |
| ২৪৩ড। | এই অংশ কিছুমান অঞ্চলত প্ৰযোজ্য নহ’ব | ১২৫ |
| ২৪৩ঢ। | বিদ্যমান বিধি আৰু পঞ্চায়তৰ অবিৰত অৱস্থা | ১২৬ |
| ২৪৩ণ। | নিৰ্বাচন সম্বন্ধীয় বিষয়সমূহত ন্যায়ালয়সমূহৰ হস্তক্ষেপত প্ৰতিবন্ধকতা | ১২৬ |


## নৱম ক অংশ

## পৌৰসভা


| | | |
|---|---|---|
| ২৪৩ত। | সংজ্ঞা | ১২৭ |
| ২৪৩থ। | পৌৰসভাসমূহৰ গঠন | ১২৭ |
| ২৪৩দ। | পৌৰসভাসমূহৰ গাঁথনি | ১২৮ |
| ২৪৩ধ। | ৱাৰ্ড কমিটিসমূহৰ গঠন আৰু গাঁথনি | ১২৯ |
| ২৪৩ন। | আসনৰ সংৰক্ষণ | ১২৯ |
| ২৪৩প। | পৌৰসভাসমূহৰ ম্যাদ ইত্যাদি | ১৩০ |
| ২৪৩ফ। | সদস্য পদৰ বাবে অযোগ্যতা | ১৩১ |
| ২৪৩ব। | পৌৰসভাসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্ব ইত্যাদি | ১৩১ |
| ২৪৩ভ। | পৌৰসভাৰ দ্বাৰা কৰ আৰোপ কৰাৰ ক্ষমতা আৰু ইয়াৰ নিধিসমূহ | ১৩১ |
| ২৪৩ম। | বিত্ত আয়োগ | ১৩২ |

| অনুচ্ছেদসমূহ | | পৃষ্ঠা |
|---|---|---|
| ২৪৩য। | পৌৰসভাসমূহৰ হিচাপ পৰীক্ষা | ১৩২ |
| ২৪৩যক। | পৌৰসভাসমূহৰ নিৰ্বাচন | ১৩৩ |
| ২৪৩যখ। | কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰয়োগ | ১৩৩ |
| ২৪৩যগ। | এই অংশ কিছুমান ক্ষেত্ৰত প্ৰয়োগ নহ'ব | ১৩৩ |
| ২৪৩যঘ। | জিলা পৰিকল্পনা বাবে সমিতি | ১৩৩ |
| ২৪৩যঙ। | মহানগৰ পৰিকল্পনাৰ বাবে সমিতি | ১৩৪ |
| ২৪৩যচ। | বিদ্যমান বিধিসমূহ আৰু পৌৰসভাসমূহ অব্যাহত থাকিব | ১৩৬ |
| ২৪৩যছ। | নিৰ্বাচন সম্বন্ধীয় বিষয়সমূহত ন্যায়ালয়সমূহৰ হস্তক্ষেপত প্ৰতিবন্ধকতা | ১৩৬ |


**নৱম খ অংশ**

## সমবায় সমিতিসমূহ


| | | |
|---|---|---|
| ২৪৩যজ। | সংজ্ঞা | ১৩৭ |
| ২৪৩যঝ। | সমবায় সমিতিৰ ভুক্তকৰণ | ১৩৭ |
| ২৪৩যঞ। | বোৰ্ডৰ সদস্য আৰু পদাধিকাৰীসকলৰ সংখ্যা আৰু কাৰ্যকাল | ১৩৮ |
| ২৪৩যট। | বোৰ্ডৰ সদস্য নিৰ্বাচন | ১৩৯ |
| ২৪৩যঠ। | বোৰ্ডক অধিকাৰচ্যুত আৰু নিলম্বন আৰু অন্তৰ্ৱৰ্তীকালীন পৰিচালনা | ১৩৯ |
| ২৪৩যড। | সমবায় সমিতিসমূহৰ হিচাপ পৰীক্ষণ | ১৪০ |
| ২৪৩যঢ। | সাধাৰণ সভাৰ আহ্বান | ১৪০ |
| ২৪৩যণ। | সদস্যৰ তথ্যপ্ৰাপ্তিৰ অধিকাৰ | ১৪১ |
| ২৪৩যত। | কৰ-প্ৰবিৱৰণ | ১৪১ |
| ২৪৩যথ। | অপৰাধ আৰু শাস্তি | ১৪১ |
| ২৪৩যদ। | বহু-ৰাজ্যিক সমবায় সমিতিৰ ক্ষেত্ৰত প্ৰয়োগ | ১৪২ |
| ২৪৩যধ। | কেন্দ্ৰীয় শসিত অঞ্চলসমূহত প্ৰয়োগ | ১৪২ |
| ২৪৩যন। | বিদ্যমান বিধিসমূহ অব্যাহত থাকিব | ১৪২ |


**দশম অংশ**

## অনুসূচিত আৰু জনজাতি ক্ষেত্ৰসমূহ


| | | |
|---|---|---|
| ২৪৪। | অনুসূচীত অঞ্চল আৰু জনজাতীয় অঞ্চলসমূহৰ প্ৰশাসন | ১৪৩ |
| ২৪৪ক। | অসমৰ কিছুমান জনজাতীয় অঞ্চলক লৈ এখন স্বায়ত্তশাসিত ৰাজ্য গঠন আৰু ইয়াৰ বাবে স্থানীয় বিধানমণ্ডল বা মন্ত্ৰী পৰিষদ বা দুয়োটা গঠন | ১৪৩ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## একাদশ অংশ

## সংঘ আৰু ৰাজ্যসমূহৰ সম্বন্ধ

## প্ৰথম অধ্যায় - বিধায়িনী সম্বন্ধ

*বিধায়িনী ক্ষমতাৰ বিতৰণ*


| | | |
|---|---|---|
| ২৪৫। | সংসদ তথা ৰাজ্যৰ বিধানমণ্ডলসমূহৰ দ্বাৰা প্ৰণীত বিধিৰ পৰিসৰ | ১৪৫ |
| ২৪৬। | সংসদৰ দ্বাৰা আৰু ৰাজ্যৰ বিধানমণ্ডলসমূহৰ দ্বাৰা প্ৰণীত বিধিৰ বিষয়বস্তু | ১৪৫ |
| ২৪৬ক। | সামগ্ৰী আৰু সেৱা কৰ সম্পৰ্কে বিশেষ ব্যৱস্থা | ১৪৫ |
| ২৪৭। | কিছুমান অতিৰিক্ত ন্যায়ালয় স্থাপনৰ কাৰণে উপবন্ধ কৰিবলৈ সংসদৰ ক্ষমতা | ১৪৬ |
| ২৪৮। | আইন প্ৰণয়নৰ অৱশিষ্ট ক্ষমতা | ১৪৬ |
| ২৪৯। | ৰাষ্ট্ৰীয় স্বাৰ্থত ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত কোনো বিষয়ত সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা | ১৪৬ |
| ২৫০। | জৰুৰীকালীন অৱস্থা চলি থকা সময়ত ৰাজ্যিক সূচীভুক্ত যি কোনো বিষয়ত সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা | ১৪৭ |
| ২৫১। | অনুচ্ছেদ ২৪৯ আৰু ২৫০-ৰ অধীনত সংসদৰ দ্বাৰা সৃষ্ট বিধি আৰু ৰাজ্যিক বিধানমণ্ডলৰ দ্বাৰা সৃষ্ট বিধিৰ মাজত অসংগতি | ১৪৭ |
| ২৫২। | সন্মতিক্ৰমে দুই বা ততোধিক ৰাজ্যৰ কাৰণে সংসদৰ বিধি প্ৰণয়ন কৰাৰ ক্ষমতা আৰু তেনে বিধি আন যি কোনো ৰাজ্যৰ দ্বাৰা গ্ৰহণ | ১৪৭ |
| ২৫৩। | আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহ কাৰ্যকৰী কৰিবৰ অৰ্থে বিধান | ১৪৮ |
| ২৫৪। | সংসদৰ দ্বাৰা সৃষ্ট বিধি আৰু ৰাজ্যিক বিধানমণ্ডলসমূহৰ দ্বাৰা সৃষ্ট বিধিৰ মাজত অসংগতি | ১৪৮ |
| ২৫৫। | পৰামৰ্শ সম্পৰ্কে প্ৰয়োজনীয়তা আৰু পূৰ্বৰ মঞ্জুৰী কেৱল প্ৰক্ৰিয়াৰ বিষয় হিচাপে গণ্য হ'ব | ১৪৮ |


## দ্বিতীয় অধ্যায় - প্ৰশাসনীয় সম্বন্ধ

*সাধাৰণ*


| | | |
|---|---|---|
| ২৫৬। | ৰাজ্যসমূহ আৰু সংঘৰ বাধ্য-বাধকতা | ১৪৯ |
| ২৫৭। | কোনো কোনো বিষয়ত ৰাজ্যসমূহৰ ওপৰত সংঘৰ নিয়ন্ত্ৰণ | ১৪৯ |
| [২৫৭ক। | *সংঘৰ সশস্ত্ৰ বাহিনী বা অন্যান্য বাহিনী নিয়োগৰ দ্বাৰা ৰাজ্যসমূহলৈ সাহায্য। - বিলোপিত*] | ১৫০ |
| ২৫৮। | কোনো কোনো বিষয়ত ৰাজ্যৰ ওপৰত ক্ষমতা আদি প্ৰদান কৰিবলৈ সংঘৰ ক্ষমতা | ১৫০ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


২৫৮ক। সংঘৰ ওপৰত কাৰ্য ন্যস্ত কৰিবলৈ ৰাজ্যসমূহৰ ক্ষমতা ১৫০

[২৫৯। প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ সশস্ত্ৰ বাহিনী – *বিলোপিত।*] ১৫০

২৬০। ভাৰতৰ বাহিৰৰ ভূখণ্ড সম্পৰ্কে কেন্দ্ৰৰ ক্ষমতা ১৫০

২৬১। ৰাজহুৱা আইন, অভিলেখ আৰু ন্যায়িক কাৰ্য্যাৱলীসমূহ ১৫১

*জল সম্পৰ্কীয় বিবাদ*

২৬২। আন্তঃৰাজ্যিক নদী বা উপত্যকাৰ পানী সম্পৰ্কে বিবাদৰ বিচাৰ ১৫১

*ৰাজ্যসমূহৰ মাজত সমন্বয়*

২৬৩। আন্তঃৰাজ্যিক পৰিষদ সম্বন্ধে উপবন্ধাৱলী ১৫১

**দ্বাদশ অংশ**

বিত্ত, সম্পত্তি, সংবিদা আৰু বাদসমূহ

প্ৰথম অধ্যায় - বিত্ত

*সাধাৰণ*

২৬৪। ব্যাখ্যা ১৫২

২৬৫। বিধিৰ প্ৰাধিকাৰ ব্যতিৰেকে কৰ আৰোপিত হ'ব নোৱাৰিব ১৫২

২৬৬। ভাৰতৰ আৰু ৰাজ্যসমূহৰ একত্ৰীকৃত নিধি আৰু লোকলেখা ১৫২

২৬৭। আকস্মিকতা নিধি ১৫২

*সংঘ আৰু ৰাজ্যসমূহৰ মাজত ৰাজহৰ বিতৰণ*

২৬৮। কেন্দ্ৰই আৰোপ কৰা কিন্তু ৰাজ্যসমূহে সংগ্ৰহ আৰু ব্যয় কৰা শুল্ক ১৫৩

[২৬৮ক। সংঘই আৰোপ কৰা আৰু সংঘ আৰু ৰাজ্যসমূহে সংগ্ৰহ আৰু ব্যয় কৰা সেৱা কৰ – *বিলোপিত।*] ১৫৩

২৬৯। সংঘৰ দ্বাৰা আৰোপিত আৰু সংগৃহীত আৰু সংঘ আৰু ৰাজ্যসমূহৰ মাজত আবণ্টিত কৰসমূহ ১৫৪

২৬৯ক। আন্তঃৰাজ্যিক বেপাৰ-বাণিজ্যৰ অধীনত সামগ্ৰী আৰু সেৱা কৰৰ আৰোপ আৰু সংগ্ৰহ ১৫৪

২৭০। সংঘ আৰু ৰাজ্যসমূহৰ মাজত কৰ আৰোপণ আৰু বিতৰণ ১৫৫

২৭১। সংঘৰ উদ্দেশ্যৰ বাবে কিছুমান শুল্ক আৰু কৰৰ ওপৰত অতিৰিক্ত মাচুল ১৫৬

[২৭২। সংঘই ধাৰ্য আৰু সংগ্ৰহ কৰা আৰু সংঘ আৰু ৰাজ্যসমূহৰ মাজত বিতৰণ কৰিব পৰা কৰসমূহ - *বিলোপিত।*] ১৫৬

২৭৩। মৰাপাট আৰু মৰাপাটৰ পৰা উৎপন্ন বস্তুৰ ৰপ্তানি শুল্কৰ পৰিৱৰ্তে অনুদান ১৫৬

২৭৪। ৰাজ্যসমূহৰ স্বাৰ্থ নিহিত থকা কৰ সম্পৰ্কীয় বিধেয়কসমূহৰ বাবে ৰাষ্ট্ৰপতিৰ পূৰ্ব পৰামৰ্শ প্ৰয়োজনীয়তা ১৫৭

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

২৭৫। কিছুমান ৰাজ্যলৈ সংঘৰ পৰা অনুদান ১৫৭
২৭৬। পেছা, ব্যৱসায়, জীৱিকা আৰু নিয়োগৰ ওপৰত কৰ ১৫৮
২৭৭। ৰেহাই ১৫৯
[২৭৮। কিছুমান বিত্তীয় বিষয়ৰ সন্দৰ্ভত প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ সৈতে চুক্তি – *বিলোপিত।*] ১৫৯
২৭৯। "প্ৰকৃত আয়" আদিৰ গণনা ১৫৯
২৭৯ক। সামগ্ৰী আৰু সেৱা কৰ পৰিষদ ১৬০
২৮০। বিত্ত আয়োগ ১৬২
২৮১। বিত্ত আয়োগৰ পৰামৰ্শাৱলী ১৬৩

*বিবিধ বিত্তীয় উপবন্ধসমূহ*

২৮২। কেন্দ্ৰ বা ৰাজ্যৰ দ্বাৰা নিজৰ ৰাজহৰ পৰা কৰিবলগীয়া ব্যয় ১৬৩
২৮৩। একত্ৰীকৃত নিধি, আকস্মিকতা নিধি আৰু ৰাজহুৱা লেখাত জমা কৰা ধনৰ ৰক্ষেণাবেক্ষণ, ইত্যাদি ১৬৩
২৮৪। ৰাজহুৱা কৰ্মচাৰী আৰু আদালতে লাভ কৰা বাদী জমা ধন আৰু অন্যান্য ধনৰ জিম্মা ১৬৩
২৮৫। ৰাজ্যৰ কৰ আৰোপণৰ পৰা কেন্দ্ৰৰ সম্পত্তিৰ ৰেহাই ১৬৪
২৮৬। পণ্যৰ ক্ৰয় বা বিক্ৰয়ৰ ওপৰত কৰ আৰোপণ সম্পৰ্কত প্ৰতিবন্ধকতা ১৬৪
২৮৭। বিদ্যুতৰ ওপৰত কৰ ৰেহাই ১৬৪
২৮৮। কোনো কোনো ক্ষেত্ৰত পানী বা বিদ্যুতৰ সম্বন্ধত ৰাজ্যৰ দ্বাৰা আৰোপিত কৰৰ পৰা ৰেহাই ১৬৫
২৮৯। ৰাজ্যৰ আয় আৰু সম্পত্তিক সংঘৰ কৰ আৰোপণৰ পৰা ৰেহাই ১৬৫
২৯০। কিছুমান ব্যয় আৰু অৱসৰকালীন বেতন সম্পৰ্কীয় সমাযোজন ১৬৬
২৯০ক। কিছুমান দেৱস্বম পুঁজিলৈ বাৰ্ষিক ধন প্ৰদান ১৬৬
[২৯১। শাসকৰ ৰাজভাট্টা – *বিলোপিত।*] ১৬৭

## দ্বিতীয় অধ্যায় - ঋণ গ্ৰহণ

২৯২। ভাৰত চৰকাৰৰ দ্বাৰা ঋণ গ্ৰহণ ১৬৭
২৯৩। ৰাজ্যসমূহৰ দ্বাৰা ঋণ গ্ৰহণ ১৬৭

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## তৃতীয় অধ্যায় - সম্পত্তি, চুক্তি, অধিকাৰ দায়বদ্ধতা, বাধ্যবাধকতা আৰু বিবাদ


| | | |
|---|---|---|
| ২৯৪। | কিছুমান বিশেষ ক্ষেত্ৰত সম্পত্তি, সম্পদ, অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতাৰ উত্তৰাধিকাৰ | ১৬৭ |
| ২৯৫। | অন্যান্য বিষয়ত সম্পত্তি, সম্পদ, অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতাৰ উত্তৰাধিকাৰ | ১৬৮ |
| ২৯৬। | উত্তৰাধিকাৰ বা তামাদি বা সদিচ্ছাৰ দ্বাৰা জমা হোৱা সম্পত্তি | ১৬৮ |
| ২৯৭। | প্ৰাদেশিক জলভাগ বা মহাদেশীয় জলমগ্ন তীৰভূমিৰ ভিতৰত থকা মূল্যবান বস্তু আৰু অনন্য অৰ্থনৈতিক মণ্ডলৰ সম্পদৰাজি সংঘৰ হাতত ন্যস্ত হ’ব | ১৬৯ |
| ২৯৮। | বাণিজ্য আদি কৰাৰ ক্ষমতা | ১৬৯ |
| ২৯৯। | সংবিদাসমূহ | ১৭০ |
| ৩০০। | বাদসমূহ আৰু কাৰ্য্যক্ৰমণিকাসমূহ | ১৭০ |


## চতুৰ্থ অধ্যায় - সম্পত্তিৰ অধিকাৰ


| | | |
|---|---|---|
| ৩০০ক। | আইনৰ প্ৰাধিকাৰৰ ব্যতিৰেকে কোনো ব্যক্তি তেওঁৰ সম্পত্তিৰ পৰা বঞ্চিত নহ’ব | ১৭০ |


## ত্ৰয়োদশ অংশ

## ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদান


| | | |
|---|---|---|
| ৩০১। | বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ স্বতন্ত্ৰতা | ১৭১ |
| ৩০২। | বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানত প্ৰতিবন্ধকতা আৰোপ কৰাত সংসদৰ ক্ষমতা | ১৭১ |
| ৩০৩। | ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত সংঘ আৰু ৰাজ্যসমূহৰ বিধায়িনী ক্ষমতাৰ ওপৰত নিষেধাজ্ঞা | ১৭১ |
| ৩০৪। | ৰাজ্যসমূহৰ মাজত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ ওপৰত নিষেধাজ্ঞা | ১৭১ |
| ৩০৫। | প্ৰচলিত আইন আৰু ৰাজ্যিক একাধিপত্য আগবঢ়োৱা আইন সুৰক্ষা প্ৰদান | ১৭২ |
| ৩০৬। | *[প্ৰথম অনুসূচীৰ অংশ খ-ত উল্লিখিত কিছুমান ৰাজ্যৰ ব্যৱসায়, বাণিজ্যৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰাৰ ক্ষমতা – বিলোপিত]* | ১৭২ |
| ৩০৭। | অনুচ্ছেদ ৩০১-ৰ পৰা ৩০৪-ৰ উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ কৰ্তৃপক্ষৰ নিযুক্তি | ১৭২ |


## চতুৰ্দশ অংশ

## সংঘ আৰু ৰাজ্যসমূহৰ অধীনস্থ সেৱাসমূহ

## প্ৰথম অধ্যায় - সেৱাসমূহ


| | | |
|---|---|---|
| ৩০৮। | নিৰ্বচন | ১৭৩ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ৩০৯। | সংঘ বা ৰাজ্যত সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্ত | ১৭৩ |
| ৩১০। | কেন্দ্ৰ বা ৰাজ্যত সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ কাৰ্যকাল | ১৭৩ |
| ৩১১। | কেন্দ্ৰ বা কোনো ৰাজ্যৰ অধীনত অসামৰিক ক্ষমতাত নিয়োজিত ব্যক্তিসকলক চাকৰিৰ পৰা বৰ্খাস্ত, অপসাৰণ বা পদ হ্ৰাস | ১৭৪ |
| ৩১২। | সৰ্বভাৰতীয় সেৱাসমূহ | ১৭৫ |
| ৩১২ক। | বিশেষ কিছুমান সেৱাৰ বিষয়বস্তু আৰু সেৱাৰ চৰ্তসমূহ সলনি বা বাতিল কৰাৰ ক্ষেত্ৰত সংসদৰ ক্ষমতা | ১৭৫ |
| ৩১৩। | অন্তৰ্কালীন উপবন্ধাৱলী | ১৭৭ |
| [৩১৪। | বিশেষ কিছু সেৱাৰ বৰ্তমানৰ বিষয়াসকলৰ সুৰক্ষাৰ উপবন্ধ – *বিলোপিত।*] | ১৭৭ |


## দ্বিতীয় অধ্যায় - লোকসেৱা আয়োগসমূহ


| | | |
|---|---|---|
| ৩১৫। | সংঘ আৰু ৰাজ্যসমূহৰ বাবে লোকসেৱা আয়োগসমূহ | ১৭৭ |
| ৩১৬। | সদস্যসকলৰ নিযুক্তি আৰু কাৰ্যকাল | ১৭৭ |
| ৩১৭। | লোকসেৱা আয়োগৰ একোজন সদস্যৰ অপসাৰণ আৰু নিলম্বন | ১৭৯ |
| ৩১৮। | আয়োগৰ সদস্য আৰু কৰ্মচাৰীৰ সেৱাৰ চৰ্তসমূহৰ ক্ষেত্ৰত নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা | ১৭৯ |
| ৩১৯। | আয়োগৰ সদস্যসকলে এনে সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ পিছত আন কাৰ্যভাৰ গ্ৰহণ কৰাত নিষেধাজ্ঞা | ১৮০ |
| ৩২০। | লোকসেৱা আয়োগসমূহৰ কাৰ্যাৱলী | ১৮০ |
| ৩২১। | লোকসেৱা আয়োগৰ কাৰ্য্য সম্প্ৰসাৰণৰ ক্ষমতা | ১৮২ |
| ৩২২। | লোকসেৱা আয়োগৰ ব্যয় | ১৮২ |
| ৩২৩। | লোকসেৱা আয়োগৰ প্ৰতিবেদন | ১৮২ |


## **চতুৰ্দশ-ক অংশ**

## ন্যায়াধিকৰণ


| | | |
|---|---|---|
| ৩২৩ক। | প্ৰাশাসনিক ন্যায়াধিকৰণ | ১৮৩ |
| ৩২৩খ। | অন্যান্য বিষয়ৰ বাবে ন্যায়াধিকৰণ | ১৮৪ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## পঞ্চদশ অংশ

## নিৰ্বাচন


| | | |
|---|---|---|
| ৩২৪। | নিৰ্বাচনৰ নিৰীক্ষণ, পৰিচালনা আৰু নিয়ন্ত্ৰণ এখন নিৰ্বাচনী আয়োগৰ ওপৰত অৰ্পণ কৰা হ'ব | ১৮৬ |
| ৩২৫। | ধৰ্ম, বৰ্ণ, জাতি বা লিংগৰ ভিত্তিত কোনো ব্যক্তিয়েই ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ যোগ্যতা লাভ নকৰিব বা বিশেষভাৱে অন্তৰ্ভুক্ত হোৱাৰ দাবী কৰিব নোৱাৰিব | ১৮৭ |
| ৩২৬। | লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত অনুষ্ঠিত হ'ব | ১৮৭ |
| ৩২৭। | বিধানমণ্ডলৰ নিৰ্বাচন সম্পৰ্কত সংসদৰ বিধি প্ৰণয়নৰ ক্ষমতা | ১৮৭ |
| ৩২৮। | বিধানসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত উপবন্ধ প্ৰস্তুত কৰাত এখন ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতা | ১৮৮ |
| ৩২৯। | নিৰ্বাচনী বিষয়ৰ ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা হস্তক্ষেপৰ পৰা বাৰণ | ১৮৮ |
| [৩২৯ক। | প্ৰধানমন্ত্ৰী আৰু অধ্যক্ষৰ ক্ষেত্ৰত সংসদলৈ নিৰ্বাচন হোৱা সম্পৰ্কীয় বিশেষ উপবন্ধ - *বিলোপিত।*] | ১৮৮ |


## ষষ্ঠদশ অংশ

## কিছুমান শ্ৰেণী সম্পৰ্কে বিশেষ উপবন্ধাৱলী


| | | |
|---|---|---|
| ৩৩০। | লোকসভাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ | ১৮৯ |
| ৩৩০ক। | লোকসভাত মহিলাৰ বাবে আসন সংৰক্ষণ | ১৯০ |
| ৩৩১। | লোকসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব | ১৯০ |
| ৩৩২। | ৰাজ্যসমূহৰ বিধানসভাত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ | ১৯০ |
| ৩৩২ক। | ৰাজ্যসমূহৰ বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ | ১৯২ |
| ৩৩৩। | ৰাজ্যসমূহৰ বিধানসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব | ১৯২ |
| ৩৩৪। | এক নিৰ্দিষ্ট সময়ৰ পাছত, আসনৰ সংৰক্ষণ আৰু বিশেষ প্ৰতিনিধিত্ব বাতিল হ'ব | ১৯২ |
| ৩৩৪ক। | মহিলাৰ বাবে আসন সংৰক্ষণ কাৰ্যকৰী হ'ব | ১৯৩ |
| ৩৩৫। | সেৱা আৰু পদত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ দাবী | ১৯৩ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ৩৩৬। | কিছুমান সেৱাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ বাবে বিশেষ উপবন্ধ | ১৯৪ |
| ৩৩৭। | এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ বাবে শৈক্ষিক অনুদান সম্বন্ধত বিশেষ উপবন্ধ | ১৯৪ |
| ৩৩৮। | ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ | ১৯৫ |
| ৩৩৮-ক। | ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ | ১৯৬ |
| ৩৩৮-খ। | ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীসমূহৰ আয়োগ | ১৯৮ |
| ৩৩৯। | অনুসূচিত অঞ্চলসমূহৰ প্ৰশাসনৰ ওপৰত আৰু অনুসূচিত জনজাতিসমূহৰ কল্যাণৰ ক্ষেত্ৰত সংঘৰ নিয়ন্ত্ৰণ | ২০০ |
| ৩৪০। | পিছপৰা শ্ৰেণীসমূহৰ অৱস্থা অনুসন্ধানৰ বাবে আয়োগ নিযুক্তি | ২০০ |
| ৩৪১। | অনুসূচিত জাতি | ২০০ |
| ৩৪২। | অনুসূচীত জনজাতি | ২০১ |
| ৩৪২ক। | সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহ | ২০২ |


## সপ্তদশ অংশ

## চৰকাৰী ভাষা

### প্ৰথম অধ্যায় - সংঘৰ ভাষা


| | | |
|---|---|---|
| ৩৪৩। | সংঘৰ চৰকাৰী ভাষা | ২০৩ |
| ৩৪৪। | চৰকাৰী ভাষা সন্দৰ্ভত সংসদৰ আয়োগ আৰু সমিতি | ২০৩ |


### দ্বিতীয় অধ্যায়-আঞ্চলিক ভাষাসমূহ


| | | |
|---|---|---|
| ৩৪৫। | ৰাজ্যৰ চৰকাৰী ভাষা বা ভাষাসমূহ | ২০৪ |
| ৩৪৬। | ৰাজ্যসমূহৰ মাজত বা কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে চৰকাৰী ভাষা | ২০৪ |
| ৩৪৭। | কোনো ৰাজ্যৰ জনসাধাৰণৰ কোনো নিৰ্দিষ্ট অংশই কোৱা ভাষাৰ ক্ষেত্ৰত বিশেষ উপবন্ধ | ২০৫ |


### তৃতীয় অধ্যায় - উচ্চতম ন্যায়ালয়, উচ্চ ন্যায়ালয় আদিৰ ভাষা


| | | |
|---|---|---|
| ৩৪৮। | উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয় আৰু অধিনিয়ম, বিধেয়ক আদিত ব্যৱহাৰ হ'বলগীয়া ভাষা | ২০৫ |
| ৩৪৯। | ভাষাৰ সৈতে সম্পৰ্কিত কিছুমান বিধি প্ৰণয়নৰ বিশেষ প্ৰক্ৰিয়া | ২০৬ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**

## চতুৰ্থ অধ্যায় - বিশেষ নিৰ্দেশনাৱলী


| | | |
|---|---|---|
| ৩৫০। | অভিযোগৰ প্ৰতিকাৰৰ আৱেদনত ব্যৱহাৰ কৰিবলগীয়া ভাষা | ২০৬ |
| ৩৫০ক। | প্ৰাথমিক পৰ্যায়ত মাতৃভাষাত শিক্ষাদানৰ সুবিধা | ২০৬ |
| ৩৫০খ। | ভাষিক সংখ্যালঘুৰ বাবে বিশেষ বিষয়া | ২০৭ |
| ৩৫১। | হিন্দী ভাষাৰ উন্নয়নৰ বাবে নিৰ্দেশনা | ২০৭ |


## অষ্টাদশ অংশ

## জৰুৰীকালীন উপবন্ধসমূহ


| | | |
|---|---|---|
| ৩৫২। | জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা | ২০৮ |
| ৩৫৩। | জৰুৰীকালীন অৱস্থা উদ্‌ঘোষণাৰ প্ৰভাৱ | ২১০ |
| ৩৫৪। | জৰুৰীকালীন অৱস্থা কাৰ্যকৰী হৈ থকা সময়ত ৰাজহৰ বিতৰণ সম্পৰ্কত উপবন্ধাৱলীৰ প্ৰয়োগ | ২১১ |
| ৩৫৫। | বহিঃআক্ৰমণ আৰু আভ্যন্তৰীণ অশান্তিৰ পৰা ৰাজ্যসমূহক সুৰক্ষিত কৰিবৰ বাবে সংঘৰ কৰ্তব্য | ২১১ |
| ৩৫৬। | ৰাজ্যত সাংবিধানিক শৃংখলাৰ বিফলতাৰ ক্ষেত্ৰত থকা উপবন্ধাৱলী | ২১১ |
| ৩৫৭। | অনুচ্ছেদ ৩৫৬-ৰ অধীনত জাৰি কৰা উদ্‌ঘোষণাৰ অধীনত বিধায়িনী ক্ষমতাৰ প্ৰয়োগ | ২১৪ |
| ৩৫৮। | জৰুৰীকালীন অৱস্থাৰ সময়ত অনুচ্ছেদ ১৯-ৰ উপবন্ধাৱলীৰ নিলম্বন | ২১৫ |
| ৩৫৯। | জৰুৰীকালীন অৱস্থাত তৃতীয় অংশৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহৰ বলবৎকৰণ নিলম্বন | ২১৬ |
| [৩৫৯ক। | পঞ্জাৱ ৰাজ্যত এই অংশৰ প্ৰয়োগ – *বিলোপিত।*] | ২১৭ |
| ৩৬০। | বিত্তীয় জৰুৰীকালীন অৱস্থা সম্পৰ্কীয় উপবন্ধাৱলী | ২১৭ |


## ঊনবিংশ অংশ

## বিবিধ


| | | |
|---|---|---|
| ৩৬১। | ৰাষ্ট্ৰপতি, ৰাজ্যপাল আৰু ৰাজপ্ৰমুখৰ সুৰক্ষা | ২১৯ |
| ৩৬১ক। | সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলৰ কাৰ্য্যক্ৰমণিকা প্ৰকাশনত সুৰক্ষা | ২২০ |
| ৩৬১খ। | মাননীপ্ৰাপ্ত ৰাজনৈতিক পদবীত নিয়োগৰ ক্ষেত্ৰত অৰ্হতাহীনতা | ২২০ |
| [৩৬২। | দেশীয় ৰাজ্যসমূহৰ শাসকসকলৰ অধিকাৰ আৰু বিশেষাধিকাৰসমূহ – *বিলোপিত।*] | ২২১ |
| ৩৬৩। | কিছুমান সন্ধি, চুক্তি আদিৰ পৰা উদ্ভৱ হোৱা বিবাদৰ সম্পৰ্কত ন্যায়ালয়ৰ হস্তক্ষেপৰ ওপৰত বাধা আৰোপ | ২২১ |
| ৩৬৩ক। | ভাৰতীয় ৰাজ্যৰ শাসকসকলৰ প্ৰতি প্ৰদত্ত মান্যতাৰ অন্ত আৰু ৰাজকীয় ভাট্টাৰ বিলোপ | ২২১ |

| অনুচ্ছেদসমূহ | | পৃষ্ঠা |
|---|---|---|
| ৩৬৪। | প্ৰধান বন্দৰ আৰু বিমানকোঠ সম্পৰ্কে বিশেষ উপবন্ধাৱলী | ২২২ |
| ৩৬৫। | সংঘই দিয়া নিৰ্দেশনাৱলী পালন কৰিবলৈ বা কাৰ্য্যকৰী কৰিবলৈ ব্যৰ্থ হোৱাৰ ফল | ২২২ |
| ৩৬৬। | সংজ্ঞা | ২২২ |
| ৩৬৭। | নিৰ্বচন | ২২৭ |

## বিংশ অংশ

## সংবিধানৰ সংশোধন

| | | |
|---|---|---|
| ৩৬৮। | সংবিধান সংশোধনৰ বাবে সংসদৰ ক্ষমতা আৰু তাৰ প্ৰক্ৰিয়া | ২২৮ |

## একবিংশ অংশ

## অস্থায়ী, অন্তৰ্কালীন আৰু বিশেষ উপবন্ধাৱলী

| | | |
|---|---|---|
| ৩৬৯। | সমৱৰ্তী সূচীৰ বিষয়বস্তু হিচাপে ধৰি ৰাজ্যসূচীৰ কিছুমান বিষয়ত বিধি প্ৰণয়ন কৰিবলৈ সংসদক প্ৰদান কৰা অস্থায়ী ক্ষমতা | ২৩০ |
| ৩৭০। | জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সম্পৰ্কত অস্থায়ী উপবন্ধাৱলী | ২৩১ |
| ৩৭১। | মহাৰাষ্ট্ৰ আৰু গুজৰাট ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ | ২৩৩ |
| ৩৭১ক। | নগালেণ্ড ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ | ২৩৩ |
| ৩৭১খ। | অসম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ | ২৩৬ |
| ৩৭১গ। | মণিপুৰ ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ | ২৩৭ |
| ৩৭১ঘ। | অন্ধ্ৰপ্ৰদেশ ৰাজ্য বা তেলেংগানা ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৩৭ |
| ৩৭১ঙ। | অন্ধ্ৰপ্ৰদেশ ৰাজ্যত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন | ২৪১ |
| ৩৭১চ। | চিকিম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৪১ |
| ৩৭১ছ। | মিজোৰাম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৪৪ |
| ৩৭১জ। | অৰুণাচল প্ৰদেশ ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৪৪ |
| ৩৭১ঝ। | গোৱা ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৪৫ |
| ৩৭১ঞ। | কৰ্ণাটক ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী | ২৪৫ |
| ৩৭২। | বিদ্যমান বিধি বলবৎ কৰি ৰখা আৰু সেইবিলাকৰ অভিযোজন | ২৪৬ |
| ৩৭২ক। | বিধি অভিযোজন কৰিবৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা | ২৪৭ |

**অনুচ্ছেদসমূহ** **পৃষ্ঠা**


| | | |
|---|---|---|
| ৩৭৩। | কোনো কোনো ক্ষেত্ৰত প্ৰতিৰোধমূলক আটকাধীন ব্যক্তিৰ সম্পৰ্কত ৰাষ্ট্ৰপতিৰ আদেশ দিয়াৰ ক্ষমতা | ২৪৮ |
| ৩৭৪। | যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় বা সপৰিষদ মহামান্যৰ আগত বিচাৰাধীন হৈ থকা কাৰ্য্যক্ৰমণিকাৰ সম্পৰ্কত উপবন্ধাৱলী | ২৪৮ |
| ৩৭৫। | সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে ন্যায়ালয়, প্ৰাধিকাৰী আৰু পদাধিকাৰীয়ে কাৰ্য কৰিয়েই থাকিব | ২৪৯ |
| ৩৭৬। | উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সম্পৰ্কে উপবন্ধাৱলী | ২৪৯ |
| ৩৭৭। | ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক সম্পৰ্কে উপবন্ধাৱলী | ২৪৯ |
| ৩৭৮। | লোকসেৱা আয়োগ সম্পৰ্কে উপবন্ধাৱলী | ২৫০ |
| ৩৭৮ক। | অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ কাৰ্যকাল সম্পৰ্কে বিশেষ উপবন্ধ | ২৫০ |
| [৩৭৯। | অন্তৰ্বৰ্তীকালীন সংসদ আৰু ইয়াৰ অধ্যক্ষ আৰু উপাধ্যক্ষ সম্পৰ্কে উপবন্ধাৱলী – *বিলোপিত।*] | ২৫০ |
| [৩৮০। | ৰাষ্ট্ৰপতি সম্পৰ্কে উপবন্ধ - *বিলোপিত।*] | ২৫০ |
| [৩৮১। | ৰাষ্ট্ৰপতিৰ মন্ত্ৰী পৰিষদ - *বিলোপিত।*] | ২৫০ |
| [৩৮২। | প্ৰথম অনুসূচীৰ অংশ ক-ৰ ৰাজ্যসমূহৰ বাবে অন্তৰ্বৰ্তীকালীন বিধানমণ্ডল সম্পৰ্কে উপবন্ধাৱলী - *বিলোপিত।*] | ২৫০ |
| [৩৮৩। | ৰাজ্যসমূহৰ ৰাজ্যপালসমূহ সম্পৰ্কে উপবন্ধাৱলী - *বিলোপিত।*] | ২৫০ |
| [৩৮৪। | ৰাজ্যপালসমূহৰ মন্ত্ৰী পৰিষদ - *বিলোপিত।*] | ২৫১ |
| [৩৮৫। | প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ বাবে অন্তৰ্বৰ্তীকালীন বিধানমণ্ডল সম্পৰ্কে উপবন্ধাৱলী - *বিলোপিত।*] | ২৫১ |
| [৩৮৬। | প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ বাবে মন্ত্ৰী পৰিষদৰ সম্পৰ্কে উপবন্ধাৱলী - *বিলোপিত।*] | ২৫১ |
| [৩৮৭। | কিছুমান নিৰ্বাচনৰ উদ্দেশ্যে জনসংখ্যা নিৰ্ধাৰণ সম্পৰ্কে বিশেষ উপবন্ধাৱলী - *বিলোপিত।*] | ২৫১ |
| [৩৮৮। | ৰাজ্যসমূহৰ অন্তৰ্বৰ্তীকালীন সংসদ আৰু অন্তৰ্বৰ্তীকালীন বিধানমণ্ডলত নৈমিত্তিক খালী পদ পূৰণৰ উপবন্ধাৱলী - *বিলোপিত।*] | ২৫১ |
| [৩৮৯। | ডমিনিয়ন বিধানমণ্ডল আৰু প্ৰদেশ আৰু ভাৰতীয় ৰাজ্যসমূহৰ বিধানমণ্ডলত অমীমাংসিত বিধেয়ক সম্পৰ্কে উপবন্ধাৱলী - *বিলোপিত।*] | ২৫১ |

| অনুচ্ছেদসমূহ | | পৃষ্ঠা |
|---|---|---|
| [৩৯০। | সংবিধানৰ আৰম্ভণি হোৱা দিন আৰু ৩১ মাৰ্চ, ১৯৫০-ৰ মাজত প্ৰাপ্ত বা সংগ্ৰহ কৰা ধন বা ব্যয় - *বিলোপিত।*] | ২৫১ |
| [৩৯১। | কিছুমান আকস্মিক পৰিস্থিতিত প্ৰথম আৰু চতুৰ্থ অনুসূচী সংশোধন কৰাৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা - *বিলোপিত।*] | ২৫১ |
| ৩৯২। | জটিলতা দূৰীকৰণৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা | ২৫১ |


## দ্বাবিংশ ভাগ

## সংক্ষিপ্ত নাম, আৰম্ভণি, হিন্দীত প্ৰাধিকৃত পাঠ আৰু বাতিল


| | | |
|---|---|---|
| ৩৯৩। | সংক্ষিপ্ত নাম | ২৫২ |
| ৩৯৪। | প্ৰাৰম্ভণি | ২৫২ |
| ৩৯৪ক। | হিন্দী ভাষাত প্ৰাধিকৃত পাঠ | ২৫২ |
| ৩৯৫। | বাতিল | ২৫২ |


## অনুসূচীসমূহ

### প্ৰথম অনুসূচী


| | |
|---|---|
| ক। ৰাজ্যসমূহ | ২৫৩ |
| খ। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ | ২৬০ |


### দ্বিতীয় অনুসূচী


| | | |
|---|---|---|
| **অংশ-ক** | ৰাষ্ট্ৰপতি আৰু ৰাজ্যসমূহৰ ৰাজ্যপালসকলৰ সম্বন্ধে উপবন্ধাৱলী | ২৬৩ |
| **অংশ-খ** | [বিলোপিত] | ২৬৩ |
| **অংশ-গ** | লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতি আৰু কোনো ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতি সম্পৰ্কে উপবন্ধাৱলী | ২৬৪ |
| **অংশ-ঘ** | উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সম্পৰ্কে উপবন্ধাৱলী | ২৬৫ |
| **অংশ-ঙ** | ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক সম্বন্ধে উপবন্ধাৱলী | ২৬৮ |


### তৃতীয় অনুসূচী


| | | |
|---|---|---|
| | শপত বা অংগীকাৰৰ প্ৰপত্ৰ | ২৬৯ |

| অনুচ্ছেদসমূহ | | পৃষ্ঠা |
|---|---|---|
| **চতুৰ্থ অনুসূচী** | ৰাজ্যসভাত আসনসমূহৰ বণ্টন | ২৭৩ |
| **পঞ্চম অনুসূচী** | | |
| | অনুসূচিত ক্ষেত্ৰ আৰু অনুসূচিত জনজাতিসমূহৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ সম্পৰ্কে উপবন্ধাৱলী | ২৭৬ |
| | অংশ-ক - সাধাৰণ | ২৭৬ |
| | অংশ-খ - অনুসূচিত ক্ষেত্ৰ আৰু অনুসূচিত জনজাতিসমূহৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ | ২৭৬ |
| | অংশ-গ - অনুসূচিত ক্ষেত্ৰসমূহ | ২৭৮ |
| | অংশ-ঘ - অনুসূচীৰ সংশোধন | ২৭৯ |
| **ষষ্ঠ অনুসূচী** | অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যৰ জনজাতি ক্ষেত্ৰসমূহৰ প্ৰশাসন সম্পৰ্কীয় উপবন্ধাৱলী | ২৮০ |
| **সপ্তম অনুসূচী** | | ৩১০ |
| | সূচী-১ - সংঘ সূচী | ৩১০ |
| | সূচী-২ - ৰাজ্য সূচী | ৩১৭ |
| | সূচী-৩ - উমৈহতীয়া সূচী | ৩২১ |
| **অষ্টম অনুসূচী** | ভাষাসমূহ | ৩২৫ |
| **নৱম অনুসূচী** | কিছুমান অধিনিয়ম আৰু নিয়মৰ বৈধতা | ৩২৭ |
| **দশম অনুসূচী** | দল পৰিৱৰ্তনৰ আধাৰত অৰ্হতাহীনতাৰ উপবন্ধাৱলী | ৩৪৫ |
| **একাদশ অনুসূচী** | পঞ্চায়তসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্বসমূহ | ৩৪৯ |
| **দ্বাদশ অনুসূচী** | পৌৰসভাসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্ব ইত্যাদি | ৩৫০ |

## পৰিশিষ্ট

| | | |
|---|---|---|
| **পৰিশিষ্ট–I** | সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫ | ৩৫১ |
| **পৰিশিষ্ট–II** | সংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ২০১৯ | ৩৭০ |
| **পৰিশিষ্ট–III** | সংবিধানৰ অনুচ্ছেদ ৩৭০(৩)ৰ অধীনত ঘোষণা | ৩৭১ |

# ভাৰতৰ সংবিধান

## প্ৰস্তাৱনা

**আমি ভাৰতৰ লোকসমূহে** ভাৰতক এখন [1]**[সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্য]** ৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে:

সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক **ন্যায়;**

চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ **স্বাধীনতা;**

প্ৰতিষ্ঠা আৰু সুযোগৰ **সমতা** লাভ কৰিবলৈ;

আৰু তেওঁলোকৰ সকলোৰে মাজত

ব্যক্তিৰ মৰ্য্যাদা [2][তথা জাতীয় ঐক্য আৰু সংহতি] সুনিশ্চিতকাৰী **ভাতৃভাৱ** বৃদ্ধি কৰিবলৈ

নিষ্ঠা সহকাৰে সংকল্প কৰি **আমাৰ এই সংবিধান সভাত** আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত **ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজতে অৰ্পণ কৰিছোঁ।**

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬, ধাৰা ২-ৰ দ্বাৰা "সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা "জাতীয় ঐক্য"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# প্ৰথম অংশ

## সংঘ আৰু ইয়াৰ ৰাজ্যক্ষেত্ৰ

**১৷ সংঘৰ নাম আৰু ৰাজ্যক্ষেত্ৰ -** (১) ইণ্ডিয়া, অৰ্থাৎ ভাৰত, ৰাজ্যসমূহৰ এটা সংঘ হ'ব।

[১][(২) ৰাজ্য আৰু ৰাজ্যক্ষেত্ৰসমূহ প্ৰথম অনুসূচীত নিৰ্দিষ্ট কৰাৰ দৰেই হ'ব।]

(৩) ভাৰতৰ ৰাজ্যক্ষেত্ৰত থাকিব –

(ক) ৰাজ্যসমূহৰ ৰাজ্যক্ষেত্ৰ;

[২][(খ) প্ৰথম অনুসূচীত নিৰ্দিষ্ট কৰা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ; আৰু]

(গ) আৰ্জিত যিকোনো অন্য ৰাজ্যক্ষেত্ৰ সন্নিৱিষ্ট হ'ব।

**২৷ নতুন ৰাজ্যৰ অন্তৰ্ভুক্তি বা গঠন -** সংসদে যি চৰ্তাৱলী উচিত বিৱেচনা কৰে, সেইমতে বিধিৰ দ্বাৰা সংঘত নতুন ৰাজ্যৰ অন্তৰ্ভুক্তি কৰিব পাৰিব বা গঠন কৰিব পাৰিব।

[৩]**[২ক৷** *[চিকিমক সংঘত সংলগ্ন কৰা হ'ব] - সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫, ধাৰা ৫-ৰ দ্বাৰা বিলোপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*]

**৩৷ নতুন ৰাজ্যৰ গঠন আৰু বিদ্যমান ৰাজ্যৰ নাম, সীমা বা ৰাজ্যক্ষেত্ৰৰ সাল-সলনি -** সংসদে বিধিৰ দ্বাৰা –

(ক) কোনো কোনো ৰাজ্যৰ পৰা ৰাজ্যক্ষেত্ৰ বিলগ্ন কৰি আনি বা দুখন বা ততোধিক ৰাজ্য বা ৰাজ্যৰ অংশ লগ লগাই নাইবা কোনো ৰাজ্যক্ষেত্ৰক কোনো ৰাজ্যৰ অংশৰ লগত সংযোজন কৰি নতুন ৰাজ্য গঠন কৰিব পাৰে;

(খ) কোনো ৰাজ্যৰ সীমা বৃদ্ধি কৰিব পাৰে;

(গ) কোনো ৰাজ্যৰ সীমা হ্ৰাস কৰিব পাৰে ;

(ঘ) কোনো ৰাজ্যৰ সীমা পৰিবৰ্তন কৰিব পাৰে;

(ঙ) কোনো ৰাজ্যৰ নাম পৰিবৰ্তন কৰিব পাৰে:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (২)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা উপদফা (খ)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৩৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৪-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৩-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][কিন্তু, এই উদ্দেশ্যে যিকোনো বিধেয়ক, ৰাষ্ট্ৰপতিৰ পৰামৰ্শ অবিহনে আৰু যদি এনে বিধেয়কত সন্নিৰিষ্ট প্ৰস্তাৱৰ প্ৰভাৱ [2]*** কোনো ৰাজ্যৰ ৰাজ্যক্ষেত্ৰ, সীমা বা নামত পৰে, সেই সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে বিধেয়কখনৰ ওপৰত সংশ্লিষ্ট ৰাজ্যৰ বিধানমণ্ডললৈ মতামত ব্যক্ত কৰিবলৈ দিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত বা ৰাষ্ট্ৰপতিয়ে দিয়া অতিৰিক্ত সময়ৰ ভিতৰত যদি ৰাজ্যখনে নিজৰ মতামত প্ৰকাশ নকৰে, আৰু যেতিয়ালৈকে সেই নিৰ্দিষ্ট সময়ৰ অৱসান নহয়, তেতিয়ালৈকে সংসদৰ কোনো এখন সদনতে এনে বিধেয়ক উত্থাপন কৰিব নোৱাৰিব।]

[3][*ব্যাখ্যা* ১ – এই অনুচ্ছেদত, (ক)-ৰ পৰা (ঙ)-লৈকে দফাসমূহত “ৰাজ্য” শব্দই কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ অন্তৰ্ভুক্ত কৰিছে, কিন্তু তাৰ ব্যতিক্ৰমত, “ৰাজ্য” শব্দই কোনো কেন্দ্ৰীয় শাসিত অঞ্চলক অন্তৰ্ভুক্ত কৰা নাই।

*ব্যাখ্যা* ২ – দফা (ক)-ৰ দ্বাৰা সংসদৰ ওপৰত প্ৰদত্ত ক্ষমতাই যিকোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ কোনো অংশক কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লগত সংযোজন কৰি এখন নতুন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চল গঠন কৰা ক্ষমতা প্ৰদান কৰিছে।]

**৪। প্ৰথম আৰু চতুৰ্থ অনুসূচী আৰু অনুপূৰক, আনুষংগিক আৰু পৰিণামস্বৰূপ বিষয়ত সংশোধন কৰিবলৈ অনুচ্ছেদ ২ আৰু ৩-ৰ অধীনত প্ৰস্তুত কৰা বিধিসমূহ** - (১) অনুচ্ছেদ ২ বা অনুচ্ছেদ ৩-ত নিৰ্দিষ্ট কৰা যিকোনো বিধিত প্ৰথম অনুসূচী আৰু চতুৰ্থ অনুসূচী সংশোধনৰ বাবে এনে উপবন্ধাৱলী অন্তৰ্ভুক্ত হৈ থাকিব যিবোৰ অধিনিয়মৰ উপবন্ধাৱলীক কাৰ্যকৰিতা প্ৰদানৰ বাবে প্ৰয়োজনীয় হ’ব আৰু যিবোৰত অনুপূৰক, আনুষংগিক আৰু পাৰিণামস্বৰূপ উপবন্ধাৱলী অন্তৰ্ভুক্ত হৈ থাকিব (সংসদত আৰু বিধানমণ্ডলত বা এনে অধিনিয়মৰ দ্বাৰা প্ৰভাৱিত হোৱা ৰাজ্য বা ৰাজ্যসমূহৰ প্ৰতিনিধিত্বৰ উপবন্ধাৱলীকে ধৰি), যদিহে সংসদে প্ৰয়োজনবোধ কৰে।

(২) সংবিধানৰ অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যত ওপৰত উল্লিখিত এনে অধিনিয়মক সংশোধন হিচাপে গণ্য কৰা নহ’ব।

---

[1] সংবিধান (৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫-ৰ ধাৰা ২-ৰ দ্বাৰা ব্যতিক্ৰমৰ সলনি প্ৰতিস্থাপিত (২৪-১২-১৯৫৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ-ত নিৰ্দিষ্ট কৰা” শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৭-৮-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# দ্বিতীয় অংশ

## নাগৰিকত্ব

**৫। এই সংবিধানৰ প্ৰাৰম্ভণিৰ সময়ত নাগৰিকত্ব** - এই সংবিধানৰ প্ৰাৰম্ভণিত, যিসকল নাগৰিকে ভাৰতৰ ৰাজ্যক্ষেত্ৰত বাস কৰে আৰু –

(ক) যিসকলে ভাৰতৰ ৰাজ্যক্ষেত্ৰত জন্ম লাভ কৰিছিল; নাইবা

(খ) যাৰ পিতৃ বা মাতৃৰ যিকোনো এজনে ভাৰতৰ ৰাজ্যক্ষেত্ৰত জন্ম লাভ কৰিছিল; বা

(গ) সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যি অন্ততঃ পাঁচ বছৰ কাল ভাৰতৰ ৰাজ্যক্ষেত্ৰত সাধাৰণতে বাসিন্দা আছিল, এনে প্ৰত্যেক ব্যক্তিয়েই ভাৰতৰ নাগৰিক হ'ব।

**৬। পাকিস্তানৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ** - অনুচ্ছেদ ৫-ত যি কথাই উল্লেখ নাথাকক কিয়, বৰ্তমানে পাকিস্তানৰ অন্তৰ্গত হোৱা ৰাজ্যক্ষেত্ৰৰ পৰা ভাৰতৰ ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা যিকোনো ব্যক্তি এই সংবিধানৰ প্ৰাৰম্ভণিৰ সময়ত ভাৰতৰ নাগৰিক বুলি গণ্য কৰা হ'ব, যদিহে –

(ক) তেওঁ বা তেওঁৰ পিতৃ বা মাতৃৰ যিকোনো এজন বা ককা বা আইতাকৰ যিকোনো এজন ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫ (মূলতঃ প্ৰণয়ন কৰা ধৰণে)-ত ব্যাখ্যা থকা ধৰণে ভাৰতত জন্ম লাভ কৰিছিল; আৰু

(খ) (i) তেনে ক্ষেত্ৰত, যত এজন ব্যক্তিয়ে ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখৰ আগতে ভাৰতলৈ প্ৰব্ৰজন কৰিছিল আৰু প্ৰব্ৰজনৰ তাৰিখৰ পৰা তেওঁ ভাৰতৰ ৰাজ্যক্ষেত্ৰত সাধাৰণতে বাসিন্দা হৈ আছে; বা

ii) তেনে ক্ষেত্ৰত, য'ত এজন ব্যক্তিয়ে ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখে বা তাৰপিছত ভাৰতলৈ প্ৰব্ৰজন কৰিছিল, যদি তেওঁ সংবিধানৰ প্ৰাৰম্ভণিৰ আগতে ভাৰত ডমিনিয়নৰ চৰকাৰে ব্যৱস্থা কৰি দিয়া প্ৰপত্ৰত আৰু ৰীতিমতে সেই মৰ্মে কৰা আৱেদন অনুসৰি এই কামৰ বাবে উক্ত চৰকাৰৰ দ্বাৰা নিযুক্ত হোৱা কোনো পদাধিকাৰীয়ে তেওঁক ভাৰতৰ নাগৰিক হিচাপে পঞ্জীয়ন কৰিছে:

কিন্তু যদিহে, এজন ব্যক্তিয়ে আবেদন কৰা তাৰিখৰ ঠিক পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰত অন্ততঃ ছমাহ কাল বসবাস নকৰে, তেনে ব্যক্তি এনেভাবে পঞ্জীয়ন হ'ব নোৱাৰিব।

**৭। পাকিস্তানলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ** - অনুচ্ছেদ ৫ আৰু ৬-ত যি কথাই উল্লেখ নাথাকক কিয়, ১৯৪৭ চনৰ মাৰ্চ মাহৰ পহিলা তাৰিখৰ পিছত ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ পৰা বৰ্তমান পাকিস্থানৰ অন্তৰ্গত হোৱা ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা কোনো ব্যক্তিক ভাৰতৰ নাগৰিক বুলি গণ্য কৰা নহ'ব:

# ভাৰতৰ সংবিধান

## (দ্বিতীয় অংশ - নাগৰিকত্ব)

কিন্তু, এই অনুচ্ছেদৰ কোনো কথাই তেনে ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ’ব, যি বৰ্তমান পাকিস্থানৰ অন্তৰ্গত হোৱা কোনো ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰিও, যিকোনো অধিনিয়মৰ দ্বাৰা বা কৰ্তৃত্বৰ অধীনত জাৰি কৰা পুনৰ সংস্থাপন বা স্থায়ীভাবে ঘূৰি অহাৰ অনুমতিৰ অধীনত ভাৰতলৈ উভতি আহিছে, আৰু তেনে প্ৰত্যেকজন ব্যক্তিক অনুচ্ছেদ নং ৬-ৰ দফা (খ)-ৰ উদ্দেশ্যে ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখৰ পিচত ভাৰতৰ ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা বুলি গণ্য কৰা হ’ব।

**৮। ভাৰতত জন্ম হোৱা কিন্তু ভাৰতৰ বাহিৰত বসবাস কৰি থকা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ** - অনুচ্ছেদ ৫-ত যি কথাই উল্লেখ নাথাকক কিয়, এনে কোনো ব্যক্তি যি বা যাৰ পিতৃ বা মাতৃ বা পিতামহ বা আইতাকৰ যিকোনো এজন ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫ (মূলতঃ প্ৰণয়ন কৰা ধৰণে)-ত ব্যাখ্যা থকা ধৰণে ভাৰতৰ বাহিৰৰ যিকোনো দেশৰ সাধাৰণ বাসিন্দা হৈ আছে, তেওঁক ভাৰতৰ নাগৰিক বুলি গণ্য কৰা হ’ব, যদিহে এই সংবিধান প্ৰাৰম্ভণিৰ পূৰ্বে বা পিচতেই ভাৰত ডমিনিয়নৰ চৰকাৰ বা ভাৰত চৰকাৰে ব্যৱস্থা কৰা প্ৰপত্ৰ আৰু ৰীতিমতে ভাৰতৰ কূটনৈতিক বা বাণিজ্যিক প্ৰতিনিধিৰ ওচৰত তেওঁ কৰা আৱেদনক্ৰমে, যি দেশত তেওঁ সেই সময়ত বসতি কৰি থাকে, সেই দেশত ভাৰতৰ কূটনৈতিক বা বাণিজ্যিক প্ৰতিনিধিয়ে তেওঁক ভাৰতৰ নাগৰিক ৰূপে পঞ্জীভুক্ত কৰিছে।

**৯। স্বেচ্ছাই বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব অৰ্জন কৰা ব্যক্তিসকল নাগৰিক নহ’ব** - যদি কোনো ব্যক্তিয়ে স্বেচ্ছাই কোনো বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব অৰ্জন কৰে, তেনে ব্যক্তি অনুচ্ছেদ ৫-ৰ আধাৰত ভাৰতৰ নাগৰিক নহ’ব, বা অনুচ্ছেদ ৬ বা ৮-ৰ আধাৰত তেওঁ ভাৰতৰ নাগৰিক বুলি গণ্য নহ’ব।

**১০। নাগৰিকত্বৰ অধিকাৰ অব্যাহত ৰখা** - প্ৰতিগৰাকী ব্যক্তি, যি এই অংশৰ পূৰ্বৰ উপবন্ধাৱলীৰ যিকোনো উপবন্ধৰ অধীনত ভাৰতৰ নাগৰিক হয় বা নাগৰিক বুলি গণ্য কৰা হয়, এই উপবন্ধ সাপেক্ষে সদনে যি আইনেই গ্ৰহণ নকৰক কিয়, ভাৰতৰ নাগৰিক হৈ থাকিব।

**১১। সংসদে বিধিৰ দ্বাৰা নাগৰিকত্বৰ অধিকাৰ নিয়ন্ত্ৰণ কৰিব** - এই অংশৰ পূৰ্বৰ উপবন্ধাৱলীৰ কোনো কথাই নাগৰিকত্ব অৰ্জন আৰু সমাপ্তি আৰু নাগৰিকত্ব সম্বন্ধীয় অন্য সকলো বিষয়ত সংসদে যিকোনো উপবন্ধ প্ৰস্তুত কৰিব পৰা ক্ষমতা হ্ৰাস কৰিব নোৱাৰিব।

# তৃতীয় অংশ

## মৌলিক অধিকাৰ

*সাধাৰণ*

**১২। সংজ্ঞা** - এই অংশত, যদিহে প্ৰসংগত অন্য ধৰণে প্ৰয়োজন নহয়, "ৰাষ্ট্ৰ" শব্দই ভাৰত চৰকাৰ আৰু সংসদ আৰু ৰাজ্যসমূহৰ প্ৰতিখন চৰকাৰ আৰু বিধানমণ্ডল আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত অথবা ভাৰত চৰকাৰৰ নিয়ন্ত্ৰণাধীন সকলোবোৰ স্থানীয় বা অন্য সকলো কৰ্তৃপক্ষক বুজাব।

**১৩। মৌলিক অধিকাৰসমূহৰ সৈতে অসংগতিপূৰ্ণ বা অৱজ্ঞাসূচক বিধিসমূহ** - (১) এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ হৈ থকা সকলো বিধি যি পৰিসৰলৈকে এই অংশৰ উপবন্ধাৱলীৰ সৈতে অসংগতিপূৰ্ণ হয়, সেই অসামঞ্জস্যৰ পৰিসৰলৈকে বাতিল হ'ব।

(২) ৰাষ্ট্ৰই এই অংশই প্ৰদান কৰা অধিকাৰসমূহ হৰণ কৰা বা সংক্ষিপ্ত কৰা কোনো বিধি প্ৰণয়ন কৰিব নোৱাৰিব আৰু এই দফা উলংঘন কৰি প্ৰণয়ন কৰা যিকোনো বিধি সেই উলংঘনৰ বিস্তৃতি পৰ্য্যন্ত বাতিল হ'ব।

(৩) এই অংশত, যদিহে প্ৰসংগত অন্য ধৰণে প্ৰয়োজন নহয়, –

(ক) "বিধি" বুলিলে যিকোনো অধ্যাদেশ, আদেশ, উপবিধি, নিয়ম, নিয়মাৱলী, অধিসূচনা আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰত বিধিৰ বল থকা দস্তুৰ বা প্ৰথাও ইয়াৰ অন্তৰ্গত হ'ব;

(খ) "বলবৎকৃত বিধি"এ এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত আৰু বিধানমণ্ডল বা আন ক্ষমতাযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা প্ৰণয়ণ আৰু গৃহীত কৰা সকলো বিধি, যাক পূৰ্বে বাতিল কৰা হোৱা নাছিল সেইসমূহক অন্তৰ্ভুক্ত কৰিব, - যদিওবা এনে কোনো আইন বা ইয়াৰ কোনো অংশ সম্পূৰ্ণৰূপে বা বিশেষ ক্ষেত্ৰত সেই সময়ত কাৰ্যক্ষম হোৱা নাছিল।

[১][(৪) এই অনুচ্ছেদৰ কোনো কথাই অনুচ্ছেদ ৩৬৮-ৰ অধীনত কৰা হোৱা এই সংবিধানৰ কোনো সংশোধনীৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব।]

*সমতাৰ অধিকাৰ*

**১৪। আইনৰ দৃষ্টিত সমতা** - ৰাষ্ট্ৰই ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত কোনো ব্যক্তিকে আইনৰ দৃষ্টিত সমতাৰ পৰা বা আইনৰ সম সুৰক্ষাৰ পৰা বঞ্চিত নকৰিব।

**১৫। ধৰ্ম, বৰ্ণ, জাতি, লিংগ বা জন্মস্থানৰ ভিত্তিত বৈষম্যৰ নিষেধকৰণ** - (১) ৰাষ্ট্ৰই কেৱল ধৰ্ম, বৰ্ণ, জাতি, লিংগ, জন্মস্থান বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত কোনো নাগৰিকৰ বিৰুদ্ধে বৈষম্য কৰিব নোৱাৰিব।

(২) কোনো নাগৰিকে কেৱল ধৰ্ম, বৰ্ণ, জাতি, লিংগ, জন্মস্থান বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত, নিম্নোক্ত ক্ষেত্ৰত কোনো ধৰণৰ অক্ষমতা, দায়িত্ব, নিষেধাজ্ঞা বা চৰ্তৰ সন্মুখীন হ'ব নোৱাৰিব –

---

[১] সংবিধান (২৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) দোকান, ৰাজহুৱা ভোজনালয়, হোটেল আৰু যিকোনো ৰাজহুৱা আমোদ-প্ৰমোদৰ স্থানলৈ প্ৰবেশত; বা

(খ) ৰাষ্ট্ৰ-নিধিৰ পৰা সম্পূৰ্ণকৈ বা আংশিকভাৱে পৰিচালনা কৰা অথবা জনসাধাৰণৰ ব্যৱহাৰৰ কাৰণে উচৰ্গা কৰা কুঁৱা, পুখুৰী, গা-ধোৱা ঘাট, পথ, জনসমাগমৰ স্থানসমূহৰ ব্যৱহাৰৰ সম্পৰ্কত।

(৩) মহিলা আৰু শিশুৰ বাবে বিশেষ উপবন্ধ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এই অনুচ্ছেদৰ কোনো কথাই ৰাষ্ট্ৰক বাধা নিদিয়ে।

[১][(৪) এই অনুচ্ছেদ বা অনুচ্ছেদ ২৯-ৰ দফা (২)-ৰ কোনো কথাই সামাজিকভাৱে আৰু শিক্ষাৰ ফালৰ পৰা পিছপৰা শ্ৰেণীৰ নাগৰিকৰ উন্নতিৰ বাবে অথবা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ বাবে কোনো বিশেষ উপবন্ধ প্ৰণয়ন কৰাত ৰাষ্ট্ৰক বাধা নিদিব।]

[২][(৫)] এই অনুচ্ছেদ বা অনুচ্ছেদ ১৯-ৰ দফা (১)-ৰ উপ-দফা (ছ)-ৰ কোনো কথাই ৰাষ্ট্ৰক, আইন অনুসৰি, সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহ বা অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ নাগৰিকসকলৰ উন্নয়নৰ বাবে অনুচ্ছেদ ৩০-ৰ দফা (১)-ত উল্লেখ থকা সংখ্যালঘু শিক্ষানুষ্ঠানৰ বাহিৰে ব্যক্তিগত শিক্ষানুষ্ঠানক সামৰি ৰাষ্ট্ৰৰ পৰা অনুদানপ্ৰাপ্ত বা অনুদান নোপোৱা শিক্ষানুষ্ঠানত তেওঁলোকৰ নামভৰ্তিৰ বিষয়ত কোনো বিশেষ ব্যৱস্থা গ্ৰহণত বাধা দিব নোৱাৰিব ।

[৩][(৬) এই অনুচ্ছেদ বা অনুচ্ছেদ ১৯-ৰ দফা (১)-ৰ উপ-দফা (ছ) বা অনুচ্ছেদ ২৯-ৰ দফা (২)-এ ৰাষ্ট্ৰক -

(ক) দফা (৪) আৰু (৫)–ত উল্লেখ কৰা শ্ৰেণীসমূহৰ বাহিৰে যি কোনো অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ নাগৰিকসকলৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা প্ৰণয়ন কৰাৰ পৰা বিৰত নাৰাখিব; আৰু

(খ) দফা (৪) আৰু (৫)–ত উল্লেখ কৰা শ্ৰেণীসমূহৰ বাহিৰে যিকোনো অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ নাগৰিকসকলৰ উন্নতিৰ বাবে অনুচ্ছেদ ৩০-ৰ দফা (১)-ত নিৰ্দেশিত সংখ্যালঘু শিক্ষানুষ্ঠানৰ বাহিৰে, ৰাষ্ট্ৰৰ পৰা অনুদানপ্ৰাপ্ত বা অনুদান নোপোৱা ব্যক্তিগত শিক্ষানুষ্ঠানক সামৰি, নামভৰ্তিৰ সৈতে জড়িত যথাসম্ভৱ বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰা বিৰত নাৰাখিব, যি সংৰক্ষণৰ ক্ষেত্ৰত চলিত সংৰক্ষিত সংখ্যাতেই যোগ হ'ব আৰু প্ৰত্যেক শাখাৰ মুঠ আসনৰ সৰ্বাধিক ১০ শতাংশ হ'ব।

[১] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ২-ৰ দ্বাৰা সংযোজিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৯৩ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৫-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-১-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১০৩ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৯-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৪-১-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

*ব্যাখ্যা* - এই অনুচ্ছেদ আৰু অনুচ্ছেদ ১৬-ৰ ক্ষেত্ৰত "অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীসমূহে" পৰিয়ালৰ আয় আৰু অৰ্থনৈতিক অনগ্ৰসৰতাৰ অন্যান্য সংকেতৰ ভিত্তিত ৰাষ্ট্ৰই সময়ে সময়ে অধিসূচিত কৰিব পৰা শ্ৰেণীসমূহক বুজাব।

**১৬৷ চৰকাৰী নিয়োগৰ ক্ষেত্ৰত সুযোগৰ সমতা** - (১) ৰাষ্ট্ৰৰ অধীনস্থ কোনো পদত নিয়োগ বা নিযুক্তিৰ বিষয়ত সকলো নাগৰিকৰ বাবে সুযোগৰ সমতা থাকিব।

(২) কেৱল ধৰ্ম, বৰ্ণ, জাতি, লিংগ, বংশানুক্ৰম, জন্মস্থান, বাসস্থান বা ইয়াৰ যিকোনো এটাৰ ভিত্তিত ৰাষ্ট্ৰৰ অধীনস্থ যিকোনো নিয়োগ বা পদৰ বাবে কোনো নাগৰিকেই অযোগ্য নহ'ব বা তেনে ক্ষেত্ৰত বৈষম্যৰ সন্মুখীন নহ'ব।

(৩) এই অনুচ্ছেদৰ কোনো কথাই সংসদক নিয়োগ বা নিযুক্তিৰ পূৰ্বে কোনো এক শ্ৰেণী বা শ্ৰেণীসমূহৰ নিয়োগত বা কোনো পদত [১](ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ বা কোনো স্থানীয় বা অন্য কৰ্তৃপক্ষৰ অধীনত, সেই ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত বাস কৰাসকলৰ যিকোনো প্ৰয়োজনত) নিয়োগ বা নিযুক্তি সন্দৰ্ভত কোনো আইন প্ৰণয়নত বাধা দিব নোৱাৰিব ।

(৪) যদি ৰাষ্ট্ৰৰ মতে ৰাষ্ট্ৰৰ অধীনৰ সেৱাত পিছপৰা শ্ৰেণীৰ লোকৰ পৰ্যাপ্ত প্ৰতিনিধি নাথাকে, সেই শ্ৰেণীৰ নাগৰিকৰ বাবে, নিয়োগ বা পদৰ ক্ষেত্ৰত সংৰক্ষণৰ বাবে উপবন্ধাৱলী প্ৰস্তুত কৰাত এই অনুচ্ছেদৰ কোনো কথাই ৰাষ্ট্ৰক বাধা নিদিব।

[২][(৪ক) ৰাষ্ট্ৰৰ মতে কোনো অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ লোকসকলৰ যদি ৰাষ্ট্ৰৰ সেৱাসমূহৰ, কোনো এক শ্ৰেণীৰ বা শ্ৰেণীসমূহৰ পদত [৩][পদোন্নতিৰ বিষয়ত, জ্যেষ্ঠতাৰ সৈতে] উপযুক্ত পৰিমাণে প্ৰতিনিধিত্ব নাই, তেনেহ'লে তেওঁলোকৰ সপক্ষে সংৰক্ষণৰ বাবে কোনো উপবন্ধ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এই অনুচ্ছেদৰ কোনো কথাই ৰাষ্ট্ৰক বাধা নিদিব।]

[৪][(৪খ) এই অনুচ্ছেদৰ কোনো কথাই ৰাষ্ট্ৰক দফা (৪) বা দফা (৪ক)-ৰ অধীনত কৰা সংৰক্ষণৰ কোনো উপবন্ধ অনুসৰি সেই বছৰতে পূৰণ কৰাৰ বাবে সংৰক্ষিত এবছৰৰ কোনো পূৰণ নোহোৱা খালী পদক পৰৱৰ্তী কোনো এটা বছৰ বা বছৰবোৰত পূৰণ কৰাৰ বাবে এটা পৃথক শ্ৰেণী হিচাবে গণ্য কৰাৰ বাবে বাধা নিদিব আৰু এনে শ্ৰেণীৰ খালী পদসমূহ সেই বছৰৰ মুঠ খালী পদসমূহৰ ওপৰত পঞ্চাশ শতাংশ সংৰক্ষণৰ সীমা নিৰ্ধাৰণৰ বাবে সেইবোৰ পূৰণ কৰা বছৰৰ খালী পদসমূহৰ সৈতে বিবেচনা কৰা নহ'ব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম সূচীত উল্লেখ কৰা যিকোনো ৰাজ্য বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰৰ কোনো স্থানীয় বা অন্য কৰ্তৃপক্ষৰ অধীনত, সেই ৰাজ্যৰ ভিতৰত বাস কৰাৰ যিকোনো প্ৰয়োজন"ৰ বাবে প্ৰতিস্থাপিত (১-১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৫-ৰ দফা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-৬-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৮৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১, দফা ২-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি (পূৰ্বৱৰ্তীভাৱে) প্ৰতিস্থাপিত (১৭-৬-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৮১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০, দফা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৯-৬-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ভাৰতৰ সংবিধান

## (তৃতীয় অংশ - মৌলিক অধিকাৰ)

(৫) কোনো ধৰ্মমূলক বা সম্প্ৰদায়মূলক সংস্থাৰ কাৰ্য্যাৱলীৰ সম্পৰ্কত থকা কোনো পদবীধাৰী বা তাৰ পৰিচালক মণ্ডলীৰ কোনো সদস্যই কোনো এক বিশেষ ধৰ্ম মানিব বা কোনো এক বিশেষ সম্প্ৰদায়ৰহে হ'ব লাগিব বুলি উপবন্ধিত কৰা কোনো বিধিৰ প্ৰৱৰ্তনত এই অনুচ্ছেদৰ কোনো কথাই প্ৰভাৱ নেপেলাব ।

[1][(৬) এই অনুচ্ছেদৰ কোনো কথাই দফা (৪)-ত উল্লেখ কৰা শ্ৰেণীসমূহৰ বাহিৰে যি কোনো অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ নাগৰিকৰ নিয়োগ বা পদবীত চলিত আসন সংৰক্ষণৰ ব্যৱস্থাত যিকোনো সংৰক্ষণ বিষয়ক উপবন্ধ প্ৰণয়ন আৰু প্ৰত্যেক শ্ৰেণীৰ পদবীৰ ক্ষেত্ৰত সৰ্বাধিক ১০ শতাংশ কৰাৰ পৰা ৰাষ্ট্ৰক বিৰত নাৰাখিব।

**১৭। অস্পৃশ্যতাৰ বিলোপ সাধন** - "অস্পৃশ্যতা" বিলোপ কৰা হ'ল আৰু যি কোনো ৰূপতে ইয়াৰ আচৰণ নিষিদ্ধ কৰা হ'ল। অস্পৃশ্যতাৰ পৰা উদ্ভৱ হোৱা যিকোনো অক্ষমতাৰ বলবৎ কৰাটো বিধিমতে দণ্ডনীয় অপৰাধ হ'ব।

**১৮। উপাধিৰ বিলোপ সাধন** - (১) সৈনিক বা বিদ্যায়তনিক উপাধিৰ বাহিৰে ৰাষ্ট্ৰই কোনো উপাধি প্ৰদান নকৰিব।

(২) কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা ভাৰতৰ কোনো নাগৰিকে কোনো উপাধি গ্ৰহণ নকৰিব।

(৩) ভাৰতৰ নাগৰিক নোহোৱা কোনো ব্যক্তিয়ে ৰাষ্ট্ৰৰ অধীনত লাভজনক বা বিশ্বাসৰ কোনো পদ ধাৰণ কৰি থাকোতে ৰাষ্ট্ৰপতিৰ সন্মতি অবিহনে কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা কোনো উপাধি গ্ৰহণ নকৰিব।

(৪) ৰাষ্ট্ৰৰ অধীনত লাভজনক বা বিশ্বাসৰ পদ ধাৰণ কৰি থকা কোনো ব্যক্তিয়ে ৰাষ্ট্ৰপতিৰ সন্মতি অবিহনে কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা বা তাৰ অধীনত যিকোনো ধৰণৰ উপহাৰ, বানচ বা যিকোনো ধৰণৰ পদ গ্ৰহণ কৰিব নোৱাৰিব।

*স্বতন্ত্ৰতাৰ অধিকাৰ*

**১৯। বাক্-স্বাধীনতা বিষয়ক কিছুমান অধিকাৰৰ সংৰক্ষণ** - (১) সকলো নাগৰিকৰে এইসমূহ অধিকাৰ থাকিব -

ক) বাক্ আৰু মত প্ৰকাশৰ স্বাধীনতা;

খ) শান্তিপূৰ্ণভাৱে আৰু বিনা অস্ত্ৰেৰে সমৱেত হোৱাৰ স্বাধীনতা;

গ) সংস্থা বা সংঘ [2](বা সমবায় সমিতিসমূহ) গঠন কৰাৰ স্বাধীনতা;

ঘ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ সৰ্বত্ৰে অবাধ বিচৰণ কৰাৰ স্বাধীনতা;

---

[1] সংবিধান (১০৩ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৯-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৪-১-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৯৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১১-ৰ ধাৰা ২–ৰ দ্বাৰা অন্তঃস্থাপিত (৮-২-২০১২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

ঙ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো অংশত থকা-মেলা আৰু বসতি কৰাৰ স্বাধীনতা; [১][আৰু]

[২][(চ) * * * * *]

(ছ) যিকোনো বৃত্তি গ্ৰহণ কৰা, বা যিকোনো জীৱিকা, বেহা-বেপাৰ বা ব্যৱসায় চলোৱাৰ স্বাধীনতা।

[৩][(২) দফা (১)-ৰ উপ-দফা (ক)-ৰ কোনো কথাই বৰ্তমানৰ আইনৰ কোনো কাৰ্য্যকলাপত প্ৰভাৱ পেলাব নোৱাৰে, বা ৰাষ্ট্ৰক কোনো আইন প্ৰণয়নত বাধা দিব নোৱাৰে, যিহেতু এনে আইনে উক্ত উপ-দফাৰ দ্বাৰা প্ৰদান কৰা অধিকাৰৰ ব্যৱহাৰৰ ওপৰত [৪][ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা]ৰ স্বাৰ্থত, ৰাষ্ট্ৰৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, ৰাজহুৱা শৃংখলা, শালীনতা বা নৈতিকতা, বা আদালত অৱমাননা, মানহানি বা অপৰাধৰ বাবে উচটনি দিয়াৰ সম্পৰ্কত যুক্তিসংগত বাধা আৰোপ কৰে।]

(৩) উক্ত দফাৰ উপদফা (খ)-ৰ কোনো কথাই উক্ত উপদফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত, [৪][ভাৰতৰ প্ৰভুত্ব আৰু অখণ্ডতাৰ অথবা] সাৰ্বজনিক শৃংখলা, হিতৰ বাবে কোনো বৰ্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিসংগত বাধা আৰোপ কৰে সেই পৰ্যন্ত তাৰ প্ৰৱৰ্তনত প্ৰভাৱ নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাষ্ট্ৰক বাধা নিদিব।

(৪) উক্ত দফাৰ উপদফা (গ)-ৰ কোনো কথাই উক্ত উপদফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত, [৪][ভাৰতৰ প্ৰভুত্ব আৰু অখণ্ডতাৰ অথবা], সাৰ্বজনিক শৃংখলা বা সদাচাৰৰ হিতৰ বাবে, কোনো বৰ্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিসংগত বাধা আৰোপ কৰে, সেই পৰ্য্যন্ত তাৰ প্ৰৱৰ্তনত প্ৰভাৱ নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাষ্ট্ৰক বাধা নিদিব।

(৫) উক্ত দফাৰ [৫][উপদফা (ঘ) আৰু (ঙ)]-ৰ কোনো কথাই উক্ত উপদফাসমূহৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহৰ প্ৰয়োগৰ ওপৰত সৰ্বসাধাৰণ ৰাইজৰ হিতৰ বাবে নাইবা কোনো, অনুসূচিত জনজাতিৰ স্বাৰ্থ ৰক্ষাৰ বাবে, কোনো বৰ্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিসংগত বাধা আৰোপ কৰে, সেই পৰ্য্যন্ত তাৰ প্ৰৱৰ্তনত প্ৰভাৱ নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাষ্ট্ৰক বাধা নিদিব।

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধন) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা উপদফা (চ) বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৩-ৰ দ্বাৰা দফা (২)-ৰ সলনি প্ৰতিস্থাপিত (পূৰ্বৰ পৰাই কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২-ৰ দ্বাৰা "(ঘ), (ঙ) আৰু (চ) উপদফা"ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৬) উক্ত দফাৰ উপদফা (ছ)-ৰ কোনো কথাই উক্ত উপদফাৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত সৰ্বসাধাৰণ ৰাইজৰ হিতৰ বাবে, কোনো বৰ্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিসংগত বাধা আৰোপ কৰে, সেই পৰ্য্যন্ত তাৰ প্ৰৱৰ্তনত প্ৰভাৱ নেপেলাব, অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাষ্ট্ৰক বাধা নিদিব, আৰু বিশেষকৈ [1][উক্ত উপদফাৰ কোনো কথাই –

(i) কোনো বৃত্তিগত বা কাৰিকৰী অৰ্হতাৰ সৈতে জড়িত যিকোনো বৃত্তি, বাণিজ্য বা ব্যৱসায় চলোৱা; অথবা

(ii) ৰাষ্ট্ৰৰ দ্বাৰা অথবা ৰাষ্ট্ৰৰ মালিকনাধীন বা নিয়ন্ত্ৰণাধীন কোনো নিগমৰ দ্বাৰা, নাগৰিকসকলক সম্পূৰ্ণভাৱে বা আংশিকভাৱে বাদ দিয়েই হওক বা অন্যধৰণেৰেই হওক, কোনো বেপাৰ, কাৰবাৰ, উদ্যোগ বা সেৱা চলোৱাৰ সম্বন্ধে – কোনো বৰ্তমান বিধিয়ে যি পৰ্যন্ত সম্বন্ধ ৰাখিছে, সেই পৰ্যন্ত তাৰ প্ৰৱৰ্তনৰ ওপৰত প্ৰভাৱ নেপেলাব অথবা এনে সম্বন্ধীয় কোনো বিধি প্ৰণয়নত ৰাষ্ট্ৰক বাধা নিদিব।]

**২০। অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱাৰ ক্ষেত্ৰত সুৰক্ষা** - (১) কোনো ব্যক্তিয়ে অপৰাধ বুলি অভিহিত কোনো কাৰ্য্য কৰাৰ সময়ত বলবৎ থকা বিধিৰ উলংঘনৰ কাৰণৰ বাহিৰে আন একো অপৰাধত দোষী সাব্যস্ত হ'ব নোৱাৰিব, নতুবা অপৰাধটো কৰাৰ সময়ত বলবৎ থকা বিধিৰ অধীনত যিমানখিনি শাস্তি বিহিব পৰা গ'লহেঁতেন তাতকৈ গুৰুতৰ শাস্তিৰ দ্বাৰা দণ্ডনীয় হ'ব নোৱাৰিব।

(২) একেটা অপৰাধৰ বাবে কোনো ব্যক্তি একাধিকবাৰ অভিযুক্ত আৰু দণ্ডিত হ'ব নোৱাৰিব।

(৩) যি কোনো অপৰাধত অভিযুক্ত কোনো ব্যক্তিকে নিজৰ বিৰুদ্ধে সাক্ষী হ'বলৈ বাধ্য কৰাব নোৱাৰিব।

**২১। জীৱন আৰু ব্যক্তি স্বাধীনতাৰ সুৰক্ষা** - বিধিৰ দ্বাৰা স্থাপিত কোনো প্ৰক্ৰিয়া ব্যতিৰেকে কোনো ব্যক্তি জীৱন আৰু ব্যক্তি স্বাধীনতাৰ পৰা বঞ্চিত হ'ব নোৱাৰিব।

[2]**[২১ক। শিক্ষাৰ অধিকাৰ** - ৰাষ্ট্ৰই আইন অনুসৰি নিৰ্ধাৰণ কৰিব পৰা ধৰণে ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।

**২২। কিছুমান বিশেষ ক্ষেত্ৰত গ্ৰেপ্তাৰ আৰু আটক কৰাৰ পৰা সুৰক্ষা** - (১) গ্ৰেপ্তাৰ হোৱা কোনো ব্যক্তিক যিমান সোনকালে পাৰি গ্ৰেপ্তাৰৰ কাৰণ অৱগত নকৰাকৈ জিম্মাত ৰখা নহ'ব আৰু তেওঁৰ পছন্দৰ আইনজ্ঞৰ পৰামৰ্শ লোৱাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা নহ'ব, আৰু তেওঁক প্ৰতিৰক্ষামূলক অধিকাৰৰ পৰাও বঞ্চিত কৰা নহ'ব।

---

[1] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৩-ৰ দ্বাৰা কেইটামান শব্দৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৮৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-২০১০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) গ্ৰেপ্তাৰ হোৱা আৰু হাজোতত আৱদ্ধ প্ৰত্যেক ব্যক্তিক, গ্ৰেপ্তাৰকৰণৰ ঠাইৰ পৰা দণ্ডাধীশৰ ন্যায়ালয়লৈ লৈ যাওঁতে আৱশ্যক হোৱা সময়খিনি বাদ দি, এনে বন্দীকৰণৰ চৌবিশ ঘণ্টাৰ ভিতৰত নিকটতম দণ্ডাধীশৰ ন্যায়ালয়ত হাজিৰ কৰাব লাগিব; আৰু এনে কোনো ব্যক্তিক দণ্ডাধীশৰ বিনা অনুমতিত উক্ত কালতকৈ অধিক সময় হাজোতত আবদ্ধ কৰি ৰাখিব নোৱাৰিব।

(৩) দফা (১) আৰু (২)-ৰ কোনো কথাই –

(ক) যিকোনো ব্যক্তিৰ প্ৰতি যি আপাততঃ বিদেশী শত্ৰু; বা

(খ) প্ৰতিৰোধমূলক আটকৰ ব্যৱস্থা থকা যিকোনো আইন অনুসৰি গ্ৰেপ্তাৰ বা আটক কৰা যিকোনো ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ’ব।

*(৪) প্ৰতিৰোধমূলক আটকৰ ব্যৱস্থা থকা কোনো আইনে কোনো ব্যক্তিক তিনিমাহতকৈ অধিক সময়ৰ বাবে আটক কৰাৰ অনুমতি নিদিয়ে, যদিহে -

(ক) উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বা পূৰ্বে ন্যায়াধীশ হৈ থকা বা ন্যায়াধীশ নিযুক্ত হ’বৰ কাৰণে অৰ্হতা থকা ব্যক্তিসকলৰে গঠিত উপদেষ্টা বোৰ্ডে উক্ত তিনিমাহ সময়ৰ সমাপ্তিৰ পূৰ্বে, নিজৰ বিৱেচনা অনুসৰি তেনে আটকৰ পৰ্য্যাপ্ত কাৰণ আছে বুলি প্ৰতিবেদন দিয়া নাই:

---

* দফা (৪) সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ৩-ৰ দ্বাৰা তলত দিয়া ধৰণে প্ৰতিস্থাপিত (তাৰিখৰ এতিয়াও জাননী দিয়া নাই) -

“(৪) প্ৰতিৰোধমূলক আটকৰ ব্যৱস্থা থকা কোনো আইনেই কোনো ব্যক্তিক দুমাহতকৈ অধিক সময়ৰ বাবে আটক কৰিবলৈ অনুমোদন নিদিব যদিহে উপযুক্ত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শ অনুসৰি গঠন কৰা এখন পৰামৰ্শদাতা ব’ৰ্ডে উক্ত দুমাহৰ সময়সীমা শেষ হোৱাৰ আগতেই প্ৰতিবেদন দিছে যে এনেধৰণে আটক কৰাৰ বাবে পৰ্যাপ্ত কাৰণ আছে:

কিন্তু, এখন পৰামৰ্শদাতা বোৰ্ডত এজন অধ্যক্ষ আৰু কমেও আন দুজন সদস্য থাকিব লাগিব, আৰু অধ্যক্ষজন উপযুক্ত উচ্চ ন্যায়ালয়ৰ এজন সেৱাৰত ন্যায়াধীশ হ’ব আৰু আন সদস্যসকল যিকোনো উচ্চ ন্যায়ালয়ৰ কাৰ্যৰত বা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ হ’ব লাগিব:

অধিকন্তু, এই দফাটোৰ কোনো কথাই দফা (৭)-ৰ উপদফা (ক)-ৰ অধীনত সংসদে প্ৰণয়ণ কৰা যিকোনো আইনে নিৰ্ধাৰণ কৰা সৰ্বোচ্চ সময়সীমাৰ বাহিৰত কোনো ব্যক্তিক আটক কৰাৰ অনুমতি নিদিয়ে।

*ব্যাখ্যা* - এই দফাত “উপযুক্ত উচ্চ ন্যায়ালয়”ৰ অৰ্থ হ’ল,—

ক) ভাৰত চৰকাৰ বা সেই চৰকাৰৰ অধীনস্থ কোনো বিষয়া বা কৰ্তৃপক্ষই দিয়া আটকৰ আদেশ অনুসৰি কোনো ব্যক্তিক আটক কৰাৰ ক্ষেত্ৰত, কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীৰ উচ্চ ন্যায়ালয়;

খ) যিকোনো ৰাজ্যৰ চৰকাৰে (কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাহিৰে) দিয়া আটকৰ আদেশ অনুসৰি কোনো ব্যক্তিক আটক কৰাৰ ক্ষেত্ৰত, সেই ৰাজ্যৰ উচ্চ ন্যায়ালয়; আৰু

গ) কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসক বা এজন বিষয়া বা সেই প্ৰশাসকৰ অধীনস্থ কোনো বিষয়া বা কৰ্তৃপক্ষই দিয়া আটকৰ আদেশ অনুসৰি কোনো ব্যক্তিক আটক কৰাৰ ক্ষেত্ৰত, সংসদৰ দ্বাৰা নিৰ্ধাৰিত যিকোনো অধিনিয়মৰ দ্বাৰা বা তাৰ অধীনত নিৰ্দিষ্ট কৰা উচ্চ ন্যায়ালয়।”

কিন্তু, দফা (৭)-ৰ উপদফা (খ)-ৰ অধীনত সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ দ্বাৰা বিহিত অধিকতম সময়ৰ পিচত কোনো ব্যক্তিকে আটক কৰি ৰাখিবলৈ এই উপদফাৰ কোনো কথাই কৰ্তৃত্ব প্ৰদান নকৰিব; অথবা

(খ) দফা (৭)-ৰ উপদফা (ক) আৰু (খ)-ৰ অধীনত সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী অনুযায়ী এনে ব্যক্তিক আটক কৰা হৈছে।

(৫) প্ৰতিৰোধমূলক আটকৰ কাৰণে প্ৰণীত কোনো বিধিৰ অধীনত দিয়া আদেশ অনুসৰি যেতিয়া কোনো ব্যক্তিক আটক কৰা হয়, তেতিয়া উক্ত আদেশ দিয়া কৰ্তৃপক্ষই যথা শীঘ্ৰে তেনে আটকাধীন ব্যক্তিক কি কাৰণত উক্ত আদেশ দিয়া হৈছে সেয়া জনাই দিব আৰু উক্ত আদেশৰ বিৰুদ্ধে প্ৰতিনিধিত্ব দিবলৈ তেওঁক শীঘ্ৰাতিশীঘ্ৰে সুযোগ দিব।

(৬) দফা (৫)-ৰ কোনো কথাই সেই দফাত উল্লেখ কৰা ধৰণৰ কোনো আদেশ দিয়া কৰ্তৃপক্ষই এনে তথ্য প্ৰকাশ কৰাৰ প্ৰয়োজন নহ'ব যিবোৰ তথ্য প্ৰকাশ কৰাটো এনে কৰ্তৃপক্ষই জনস্বাৰ্থৰ বিৰুদ্ধে বুলি বিবেচনা কৰে।

(৭) সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰে -

*(ক) দফা (৪)-ৰ উপদফা (ক)-ৰ উপবন্ধাৱলী অনুসৰি, পৰামৰ্শদাতা বোৰ্ডৰ মতামত নোলোৱাকৈ প্ৰতিৰোধমূলক আটকৰ ব্যৱস্থা কৰা যিকোনো আইন অনুসৰি কি পৰিস্থিতিত, আৰু কোন শ্ৰেণী বা গোচৰৰ শ্ৰেণীত, কোনো ব্যক্তিক তিনিমাহতকৈ অধিক সময়ৰ বাবে আটক কৰিব পাৰি;

**(খ) কি অধিকতম কালৰ কাৰণে কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ গোচৰত যিকোনো ব্যক্তিক প্ৰতিৰোধমূলক আটকৰ বাবে বিধানিত কোনো বিধিৰ অধীনত আটক কৰিব পাৰিব সেই অধিকতম কাল; আৰু

***(গ) দফা (৪)-ৰ উপদফা ****(ক)-ৰ অধীনত কৰিবলগীয়া তদন্তৰ ক্ষেত্ৰত উপদেষ্টা বোৰ্ডৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া।

---

* সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ৩(খ)(i)-ৰ দ্বাৰা উপদফা (৪) বিলোপিত (তাৰিখৰ জাননী জাৰি কৰা হ'ব)।

** উক্ত অধিনিয়মৰ দফা ৩(খ)(ii)-ৰ দ্বাৰা উপদফা (খ)-ক উপদফা (ক) ৰূপে পুনঃক্ৰমাংকিত (তাৰিখৰ জাননী জাৰি কৰা হ'ব)।

*** উক্ত অধিনিয়মৰ দফা ৩(খ)(iii)-ৰ দ্বাৰা উপদফা (গ)-ক উপদফা (খ) ৰূপে পুনঃক্ৰমাংকিত (তাৰিখৰ জাননী জাৰি কৰা হ'ব)।

**** উক্ত অধিনিয়মৰ ধাৰা ৩(খ)(iii)-ৰ দ্বাৰা দফা (৪)-ৰ উপদফা (ক)-ক 'দফা (৪)' ৰূপে প্ৰতিস্থাপিত (তাৰিখৰ জাননী জাৰি কৰা হ'ব)।

(তৃতীয় অংশ - মৌলিক অধিকাৰ)

*শোষণৰ বিৰুদ্ধে অধিকাৰ*

**২৩। মানৱ সৰবৰাহ আৰু বলপূৰ্বক শ্ৰম নিষিদ্ধকৰণ** - (১) মানৱ সৰবৰাহ আৰু "ভিক্ষাৰী" আৰু অন্যান্য অনুৰূপ প্ৰকাৰৰ বলপূৰ্বকভাৱে কৰোৱা শ্ৰমৰ নিষেধ কৰা হৈছে, আৰু এই উপবন্ধ কোনো উলংঘন বিধি অনুযায়ী দণ্ডনীয় অপৰাধ হ'ব।

(২) এই অনুচ্ছেদৰ কোনো কথাই ৰাজহুৱা উদ্দেশ্যৰ বাবে বাধ্যতামূলক সেৱা আৰোপ কৰাত ৰাষ্ট্ৰক নিবাৰণ নকৰিব আৰু এনে সেৱা আৰোপত ৰাষ্ট্ৰই কেৱল ধৰ্ম, জাতি, বৰ্ণ বা শ্ৰেণী অথবা ইয়াৰ কোনো এটাৰ হেতুকে কোনো বৈষম্য নাথাকিব।

**২৪। কাৰখানা আদিত শিশুক নিয়োগ কৰা নিষেধাজ্ঞা** - চৈধ্য বছৰৰ কম বয়সৰ কোনো ল'ৰা-ছোৱালীকে কোনো কাৰখানা বা খনিৰ চাকৰিত বা আন কোনো বিপদজনক চাকৰিত নিযুক্ত নকৰিব।

*ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ*

**২৫। বিৱেকৰ স্বাধীনতা আৰু ধৰ্মৰ মুক্তপালন, অনুশীলন আৰু প্ৰচাৰ** - (১) সাৰ্বজনিক শৃংখলা, সদাচাৰ আৰু স্বাস্থ্য আৰু এই অংশৰ অন্যান্য উপবন্ধাৱলী সাপেক্ষে বিৱেকৰ স্বাধীনতা পাবলৈ আৰু মুক্তভাৱে ধৰ্মৰ পালন, অনুশীলন আৰু প্ৰচাৰৰ অধিকাৰ পাবলৈ সকলো ব্যক্তিৰে সমানে অধিকাৰ থাকিব।

(২) এই অনুচ্ছেদৰ কোনো কথাই কোনো বৰ্তমান বিধিৰ প্ৰৱৰ্তনত প্ৰভাৱ নেপেলাব বা ৰাষ্ট্ৰক এনে কোনো বিধি প্ৰস্তুত কৰাৰ পৰা নিবাৰণ নকৰিব যি বিধিয়ে –

(ক) ধৰ্মাচৰণৰ লগত সম্বন্ধ থকা কোনো আৰ্থিক, বিত্তীয়, ৰাজনৈতিক বা অন্যান্য ধৰ্মনিৰপেক্ষ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ বা নিষিদ্ধ কৰে;

(খ) সামাজিক কল্যাণ আৰু সংস্কাৰৰ অৰ্থে প্ৰদান কৰে বা হিন্দুৰ সাৰ্বজনিক প্ৰকাৰৰ ধৰ্মমূলক প্ৰতিষ্ঠানসমূহ সকলো শ্ৰেণীৰ বা সম্প্ৰদায়ৰ হিন্দু সকলৰ নিমিত্তে উন্মুক্ত কৰি দিয়ে।

ব্যাখ্যা ১ - কিৰ্পাণ ধাৰণ কৰা আৰু লগত লৈ ফুৰাটো শিখ ধৰ্ম মানি চলাৰ অন্তৰ্গত বুলি গণ্য কৰা হ'ব।

ব্যাখ্যা ২ - দফা (২)-ৰ উপ-দফা (খ)-ত হিন্দুৰ উল্লেখক শিখ, জৈন বা বৌদ্ধ ধৰ্ম স্বীকাৰ কৰা ব্যক্তিৰ উল্লেখ অন্তৰ্ভুক্ত কৰা বুলি ধৰি লোৱা হ'ব আৰু হিন্দু ধৰ্মীয় প্ৰতিষ্ঠানৰ উল্লেখ সেই অনুসৰি ব্যাখ্যা কৰা হ'ব।

**২৬। ধৰ্মীয় কাম-কাজ পৰিচালনা কৰাৰ স্বাধীনতা** - সাৰ্বজনিক শৃংখলা, সদাচাৰ আৰু স্বাস্থ্যৰ সাপেক্ষে প্ৰত্যেক ধৰ্মীয় সম্প্ৰদায়ৰ বা তাৰ কোনো শাখাৰ অধিকাৰ থাকিব -

ক) ধৰ্মীয় বা দাতব্য উদ্দেশ্য প্ৰতিষ্ঠান স্থাপন আৰু পৰিচালনা কৰিবলৈ;

খ) ধৰ্মৰ বিষয়ত নিজৰ কাৰ্য্য পৰিচালনা কৰিবলৈ;

গ) অস্থাৱৰ আৰু স্থাৱৰ সম্পত্তি অৰ্জন কৰিবলৈ আৰু তাৰ মালিকীস্বত্ব লাভ কৰিবলৈ; আৰু

ঘ) বিধি অনুযায়ী এনে সম্পত্তিৰ পৰিচালনা কৰিবলৈ।

**২৭। যিকোনো বিশেষ ধৰ্মৰ প্ৰচাৰৰ বাবে কৰ আদায় দিয়াৰ ক্ষেত্ৰত স্বাধীনতা** - যিবোৰ কৰ কোনো বিশেষ ধৰ্ম বা ধৰ্মীয় সম্প্ৰদায়ৰ বিকাশ আৰু ৰক্ষণাবেক্ষণৰ অৰ্থে ব্যয় কৰাৰ কাৰণে নিৰ্দিষ্টভাৱে বিনিয়োগ কৰা হয়, সেইবিলাক কৰ শোধাবলৈ কোনো ব্যক্তিকে বাধ্য কৰিব নোৱাৰিব।

**২৮। কিছুমান বিশেষ শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা বা ধৰ্মীয় উপাসনাত উপস্থিত থকাৰ স্বাধীনতা** - (১) ৰাষ্ট্ৰ নিধিৰ পৰা সম্পূৰ্ণৰূপে পৰিচালনা কৰা কোনো শিক্ষা প্ৰতিষ্ঠানতে ধৰ্মীয় শিক্ষা দিয়া নহ'ব।

(২) ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত কিন্তু ধৰ্ম-শিক্ষাৰ আৱশ্যকতাৰ কথা থকা কোনো ধৰ্মীয় ন্যাস বা ন্যাসৰ অধীনত স্থাপিত হোৱা শিক্ষা প্ৰতিষ্ঠানত দফা (১)-ৰ কোনো কথা প্ৰযোজ্য নহ'ব।

(৩) ৰাষ্ট্ৰই স্বীকৃতি দিয়া বা ৰাষ্ট্ৰ নিধিৰ পৰা সাহায্য পোৱা কোনো ধৰ্মীয় শিক্ষা প্ৰতিষ্ঠানত অধ্যয়ন কৰা কোনো ব্যক্তিয়ে এনে প্ৰতিষ্ঠানত দিয়া ধৰ্ম শিক্ষা বা এনে প্ৰতিষ্ঠানত অথবা তাৰ লগত সংলগ্ন কোনো স্থানত অনুষ্ঠিত ধৰ্মীয় উপাসনাত ভাগ লোৱাটো আৱশ্যক বুলি ধৰা নহ'ব যদিহে এনে ব্যক্তি বা যদি সেই ব্যক্তি নাবালক হয়, তেন্তে তেওঁৰ অভিভাৱকে ইয়াৰ বাবে সন্মতি নিদিয়ে।

*সংস্কৃতি আৰু শিক্ষা সম্বন্ধীয় অধিকাৰ*

**২৯। সংখ্যালঘুসকলৰ স্বাৰ্থৰ সুৰক্ষা** - (১) সুকীয়া ভাষা, লিপি বা সংস্কৃতি থকা আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰ বা তাৰ কোনো অংশত বাস কৰা নাগৰিকৰ যিকোনো শ্ৰেণীৰ সেইবোৰ সংৰক্ষণ কৰাৰ অধিকাৰ থাকিব।

(২) ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত হোৱা বা ৰাষ্ট্ৰ নিধিৰ পৰা সাহায্য পোৱা কোনো শিক্ষা প্ৰতিষ্ঠানত কেৱল ধৰ্ম, জাতি, বৰ্ণ, ভাষা বা তাৰ কোনোটোৰ ভিত্তিত কোনো নাগৰিকক প্ৰবেশত বাধা দিব নোৱাৰিব।

**৩০। সংখ্যালঘুসকলৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনাৰ অধিকাৰ** - (১) ধৰ্মৰ ভিত্তিতেই হওক বা ভাষাৰ ভিত্তিতেই হওক সকলো সংখ্যালঘু সম্প্ৰদায়ৰ নিজৰ পচন্দৰ শিক্ষা প্ৰতিষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ থাকিব।

[1][(১ক) দফা (১)-ত উল্লিখিত কোনো সংখ্যালঘুৰ দ্বাৰা স্থাপিত আৰু পৰিচালিত কোনো শিক্ষানুষ্ঠানৰ কোনো সম্পত্তিৰ বাধ্যতামূলক অধিগ্ৰহণৰ বাবে বিধি প্ৰণয়ন কৰোতে ৰাষ্ট্ৰই এইটো সুনিশ্চিত কৰিব লাগিব যে এনে সম্পত্তি অধিগ্ৰহণৰ বাবে এনে বিধিৰ দ্বাৰা নিৰ্দিষ্ট কৰা বা তাৰ অধীনত ধাৰ্য্য কৰা ধনৰ পৰিমাণ এনে হ'ব যাতে সেই দফাটোৰ অধীনত নিশ্চিত কৰা অধিকাৰক বাধা বা বাতিল নকৰে।]

(২) ৰাষ্ট্ৰই শিক্ষা প্ৰতিষ্ঠানসমূহলৈ সাহায্য মঞ্জুৰী দিওঁতে কোনো প্ৰতিষ্ঠানৰ বিৰুদ্ধে এনে আধাৰৰ ওপৰত বিভেদ নকৰিব যে সেই প্ৰতিষ্ঠান, ধৰ্মৰ ভিত্তিতেই হওক বা ভাষাৰ ভিত্তিতেই হওক, কোনো সংখ্যালঘুৰ দ্বাৰা পৰিচালিত হওক।

[2]* * * *

**৩১।** [*সম্পত্তিৰ বাধ্যতামূলক অৰ্জন*] *সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৬-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

[3]*[কিছুমান আইনৰ সংৰক্ষণ]*

[4][**৩১ক। সম্পদ অধিগ্ৰহণৰ ব্যৱস্থা কৰা আইন আদিৰ সংৰক্ষণ** - [5][(১) ১৩ নং অনুচ্ছেদত থকা যিকোনো কথাৰ সত্বেও, কোনো আইনে -

(ক) ৰাষ্ট্ৰই কোনো সম্পদ বা তাত থকা কোনো অধিকাৰ অধিগ্ৰহণ কৰা বা এনে কোনো অধিকাৰ নিৰ্বাপন বা পৰিৱৰ্তন কৰা; অথবা

(খ) ৰাষ্ট্ৰৰ দ্বাৰা জনকল্যাণৰ হকেই হওক বা সেই সম্পত্তিৰ উচিত পৰিচালনাৰ কাৰণেই হওক,

(গ) দুই বা ততোধিক নিগম জনকল্যাণৰ কাৰণেই হওক বা নিগমসমূহৰ যি কোনো এখনৰ পৰিচালনা সুনিশ্চিত কৰাৰ কাৰণেই হওক, একত্ৰীকৰণ কৰা, বা

(ঘ) নিগমসমূহৰ পৰিচালন এজেণ্ট, সচিব আৰু কোষাধ্যক্ষ, নিগমৰ পৰিচালন সঞ্চালক, পৰিচালক বা প্ৰবন্ধকসকলৰ কোনো অধিকাৰৰ অথবা তাৰ অংশীদাৰসকলৰ কোনো ভোটাধিকাৰৰ বিলোপ সাধন বা পৰিৱৰ্তন, বা

---

[1] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা উপশিৰোনাম "সম্পত্তিৰ অধিকাৰ" বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭ ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰে পৰা কাৰ্যকৰী হোৱাকৈ)

[5] সংবিধান (৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫-ৰ ধাৰা ৩-ৰ দ্বাৰা দফা (ক)ৰ সলনি প্ৰতিস্থাপিত (পূৰ্বৰে পৰা কাৰ্যকৰী হোৱাকৈ)

(ঙ) কোনো খনিজ বা খনিজ তেলৰ সন্ধান বা লাভ কৰাৰ উদ্দেশ্যে কোনো চুক্তি, পট্টা বা অনুজ্ঞাপত্ৰৰ দ্বাৰা জমা হোৱা কোনো অধিকাৰ নিৰ্বাপন বা পৰিৱৰ্তন কৰা, বা এনে কোনো চুক্তি, পট্টা বা অনুজ্ঞাপত্ৰৰ অকাল সমাপ্ত বা বাতিল কৰা, আদি

[১][অনুচ্ছেদ ১৪ বা অনুচ্ছেদ ১৯] দ্বাৰা প্ৰদান কৰা যিকোনো অধিকাৰৰ সৈতে অসংগতিপূৰ্ণ বা কাঢ়ি লোৱা বা সংক্ষিপ্ত কৰাৰ ভিত্তিত বাতিল বুলি গণ্য কৰা হ'ব:]

কিন্তু, য'ত এনেকুৱা বিধি ৰাষ্ট্ৰৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত হয়, তাত এই অনুচ্ছেদৰ উপবন্ধাৱলী প্ৰয়োগ নহ'ব যদিহে এনেকুৱা বিধি ৰাষ্ট্ৰপতিৰ বিৱেচনাৰ্থে সংৰক্ষিত হৈ তেওঁৰ অনুমতি লাভ নকৰে:]

[২][কিন্তু, যদি কোনো আইনে যিকোনো সম্পদ ৰাষ্ট্ৰই অধিগ্ৰহণৰ বাবে কোনো ব্যৱস্থা কৰে আৰু য'ত ইয়াত অন্তৰ্ভুক্ত যিকোনো ভূমি কোনো ব্যক্তিৰ ব্যক্তিগত খেতিৰ অধীনত থাকে, তাত তেওঁৰ ক্ষেত্ৰত প্ৰযোজ্য সাম্প্ৰতিকভাৱে বলবৎ থকা যিকোনো বিধিৰ অধীনত থকা সৰ্বোচ্চ সীমাৰ ভিতৰত পৰা এনে ভূমিৰ যিকোনো ভাগ অথবা তাত অৱস্থিত বা তাৰ লগত সংলগ্ন কোনো ঘৰ বা কোনো নিৰ্মাণ অৰ্জন কৰাটো ৰাষ্ট্ৰৰ বাবে বিধিসন্মত নহ'ব, যদিহে এনে মাটি, অট্টালিকা বা গঠন অধিগ্ৰহণৰ সৈতে জড়িত আইনত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা নাই, যাৰ নিৰিখ ইয়াৰ বজাৰ মূল্যতকৈ কম নহয়।]

(২) এই অনুচ্ছেদত --

[৩][(ক) কোনো স্থানীয় ক্ষেত্ৰৰ প্ৰসংগত "সম্পদ" বুলিলে সেই ঠাইত থকা ভূ-ধাৰণ সম্বন্ধীয় বৰ্তমান বিধিত এই পদৰ বা ইয়াৰ স্থানীয় প্ৰতিশব্দৰ যি অৰ্থ বুজায় সেই অৰ্থকে বহন কৰিব; আৰু

(i) কোনো *জাগীৰ, ইনাম* বা *মুআফী* বা আন কোনো অনুৰূপ অনুদান আৰু [৪][তামিলনাডু] আৰু কেৰেলা ৰাজ্যত যিকোনো *জন্মন* অধিকাৰ;

(ii) ৰায়তী বন্দোবস্ত অধীনত থকা যিকোনো ভূমি;

(iii) কৃষিৰ প্ৰয়োজনৰ বাবে অথবা পতিত ভূমি, বন ভূমি, চৰণীয়া ভূমি বা ভূমিৰ কৃষক, কৃষি বনুৱা আৰু গাঁৱৰ শিল্পীসকলে দখল কৰা গৃহনিৰ্মাণ বা অন্য নিৰ্মাণ স্থানক ধৰি কৃষিৰ বা তেনে সম্বন্ধীয় প্ৰয়োজনসমূহৰ বাবে ধাৰণ কৰা বা পট্টন দিয়া ভূমিও ইয়াৰ অন্তৰ্ভুক্ত হ'ব;]

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৭-ৰ দ্বাৰা "অনুচ্ছেদ ১৪, অনুচ্ছেদ ১৯ বা অনুচ্ছেদ ৩১"ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (১৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৪ৰ ধাৰা ২(i)-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৬৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২(ii)-ৰ দ্বাৰা উপধাৰা (ক)-ৰ বাবে প্ৰতিস্থাপিত (পূৰ্বৰে পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] মাদ্ৰাজ ৰাজ্য (নাম পৰিবৰ্তন) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৫৩)-ৰ ধাৰা ৪-ৰ দ্বাৰা "মাদ্ৰাজ" শব্দৰ সলনি প্ৰতিস্থাপিত (১৪-১-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(তৃতীয় অংশ - মৌলিক অধিকাৰ)

(খ) কোনো সম্পদৰ সম্বন্ধত "অধিকাৰসমূহ" বুলিলে স্বত্বাধিকাৰী, উপ-স্বত্বাধিকাৰী, স্বত্বাধিকাৰীৰ অধীন, কাৰ্যকালধাৰী, [1][*ৰায়ত, ৰায়তাধীন*] বা অন্য মধ্যৱৰ্তীৰ ওপৰত ন্যস্ত ভূমি-ৰাজহ সম্পৰ্কত থকা যিকোনো অধিকাৰ বা বিশেষাধিকাৰো ইয়াৰ অন্তৰ্ভুক্ত হ'ব।]

[2][**৩১খ। কিছুমান অধিনিয়ম আৰু নিয়মৰ বৈধতা** - অনুচ্ছেদ ৩১ক-ত সন্নিবিষ্ট উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, নৱম অনুসূচীত উল্লিখিত অধিনিয়ম আৰু নিয়মসমূহৰ কোনো খনেই বা তাৰ উপবন্ধাৱলীৰ কোনোটোৱেই এনে অধিনিয়ম, নিয়ম বা এই অংশৰ যিকোনো উপবন্ধাৱলীৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহৰ কোনোটোৰ লগত অসংগতিপূৰ্ণ হোৱাৰ কাৰণত বা এনে অধিকাৰৰ কোনো এটা হৰণ কৰা বা সংক্ষিপ্ত কৰাৰ কাৰণত বাতিল হ'লে বা কেতিয়াবা বাতিল হোৱা বুলি গণ্য কৰা নহ'ব, আৰু ইয়াৰ প্ৰতিকূলে কোনো ন্যায়ালয় বা ন্যায়াধিকৰণৰ নিৰ্ণয়, ডিক্ৰী বা আদেশ থাকিলেও, উক্ত আইন আৰু নিয়মাৱলীৰ প্ৰত্যেকখনেই তাক বাতিল বা সংশোধন কৰিব পৰা কোনো ক্ষমতাশীল বিধানমণ্ডলৰ ক্ষমতা সাপেক্ষে বলবৎ হৈ চলি থাকিব।]

[3][**৩১গ। কিছুমান নিৰ্দেশনামূলক নীতি কাৰ্যকৰী কৰা আইনসমূহৰ সংৰক্ষণ** - অনুচ্ছেদ ১৩-ত যি কথাই উল্লেখ নাথাকক কিয়, [4][চতুৰ্থ অংশত উল্লেখ কৰা সকলো বা যিকোনো নীতি] সুৰক্ষিত কৰাৰ দিশত ৰাষ্ট্ৰৰ নীতি কাৰ্যকৰী কৰা কোনো আইনক বাতিল বুলি গণ্য কৰা নহ'ব, এই ভিত্তিত যে ই ইয়াৰ সৈতে অসংগতিপূৰ্ণ, বা হৰণ কৰে বা [5][অনুচ্ছেদ ১৪ বা অনুচ্ছেদ ১৯;] দ্বাৰা প্ৰদান কৰা যিকোনো অধিকাৰ সংক্ষিপ্ত কৰে আৰু [6][এনে নীতি কাৰ্যকৰী কৰাৰ বাবে বুলি ঘোষণা কৰা কোনো আইনক এনে নীতি কাৰ্যকৰী নকৰাৰ ভিত্তিত কোনো আদালতত প্ৰশ্ন উত্থাপন কৰা নহ'ব]

কিন্তু, যেতিয়া তেনে বিধি কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কৰা হয়, তেতিয়া এই অনুচ্ছেদৰ উপবন্ধাৱলী তাত প্ৰয়োগ নহ'ব, যদিহে তেনে বিধি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে সংৰক্ষিত হোৱাৰ পাচত তেখেতৰ সন্মতি প্ৰাপ্ত নহয়।]

[7]**৩১ঘ।** *[ৰাষ্ট্ৰ-বিৰোধী কাৰ্য্যকলাপ সম্বন্ধীয় বিধিৰ সংৰক্ষণ] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ দ্বাৰা ধাৰা ২-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)*।

---

[1] সংবিধান (৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰে পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

[3] সংবিধান (২৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৪-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪-ৰ দ্বাৰা "অনুচ্ছেদ ৩৯-ৰ দফা (খ) বা দফা (গ)-ত নিৰ্দিষ্ট কৰা নীতিসমূহ"-ৰ বাবে প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। *মিণাৰ্ভা মিলছ লিমিটেড আৰু অন্যান্যসকল বনাম ভাৰত গণৰাজ্য আৰু অন্যান্যসকল*, এআইআৰ ১৯৮০ এছচি ১৭৮৯-ত উচ্চতম ন্যায়ালয়ে ধাৰা ৪-ক অমান্য ঘোষণা কৰিছে।

[5] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৮-ৰ দ্বাৰা "অনুচ্ছেদ ১৪, অনুচ্ছেদ ১৯ বা অনুচ্ছেদ ৩১"ৰ বাবে প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] উচ্চতম ন্যায়ালয়ে *কেশৱানন্দ ভাৰতী বনাম কেৰেলা ৰাজ্য*, এআইআৰ ১৯৭৩ এছচি ১৪৬১-ত 'ইটালিক'ত থকা শব্দকেইটা কাটি পেলাইছে।

[7] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## (তৃতীয় অংশ - মৌলিক অধিকাৰ)

*সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ*

**৩২৷ এই অংশৰ দ্বাৰা প্ৰদান কৰা অধিকাৰ বলবৎকৰণৰ প্ৰতিকাৰ** - (১) এই অংশৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহ বলবৎ কৰাৰ কাৰণে উপযুক্ত কাৰ্য্যক্ৰমণিকাৰ দ্বাৰা উচ্চতম ন্যায়ালয়লৈ আৱেদন কৰাৰ অধিকাৰৰ নিশ্চিতি প্ৰদান কৰা হৈছে।

(২) এই অংশৰ দ্বাৰা প্ৰদত্ত যিকোনো অধিকাৰ বলবৎ কৰাৰ কাৰণে নিৰ্দেশ বা আদেশ অথবা লেখসমূহ, যেনে বন্দী প্ৰত্যক্ষীকৰণ, পৰমাধিদেশ, নিষেধাজ্ঞা, অধিকাৰ পৃচ্ছা আৰু উৎপ্ৰেষণ লেখ আদি প্ৰকৃতিৰ লেখসমূহৰ যিটোৱেই উপযুক্ত হয়, সেইটোৱেই উচ্চতম ন্যায়ালয়ৰ জাৰি কৰাৰ ক্ষমতা থাকিব।

(৩) দফা (১) আৰু (২)-ৰ দ্বাৰা উচ্চতম ন্যায়ালয়ক প্ৰদান কৰা ক্ষমতাসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ নপৰাকৈ সংসদে বিধিৰ দ্বাৰা আন যিকোনো ন্যায়ালয়কে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ ভিতৰত দফা (২)-ৰ অধীনত উচ্চতম ন্যায়ালয়ে প্ৰয়োগ কৰিব পৰা সকলো ক্ষমতা বা তাৰ যিকোনো এটা প্ৰয়োগ কৰিবলৈ ক্ষমতা দিব পাৰে।

(৪) সংবিধানৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ নকৰালৈকে, এই অনুচ্ছেদৰ দ্বাৰা সুনিশ্চিত অধিকাৰ নিলম্বিত কৰিব নোৱাৰিব।

[১]**৩২ক৷** [*অনুচ্ছেদ ৩২-ৰ অধীনৰ কাৰ্যক্ৰমণিকাত ৰাজ্যিক বিধিসমূহৰ সাংবিধানিক বৈধতা মানি লোৱা নহ'ব৷] - সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম,* ১৯৭৬-*ৰ ধাৰা ৩-ৰ দ্বাৰা বিলোপিত* (১৩-৪-১৯৭৮-*ৰ পৰা পৰা কাৰ্যকৰী হোৱাকৈ*)।

[২]**[৩৩৷ এই অংশই প্ৰদান কৰা অধিকাৰসমূহৰ প্ৰয়োগ কাৰ্যত ৰূপায়ণৰ ক্ষেত্ৰত পৰিৱৰ্তন কৰিবলৈ সংসদৰ ক্ষমতা** - সংসদে আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰে যে এই অংশই প্ৰদান কৰা যিকোনো অধিকাৰৰ কিমানখিনি -

(ক) সশস্ত্ৰ বাহিনীসমূহৰ সদস্যসকলৰ প্ৰতি; বা

(খ) জন-শৃংখলা ৰক্ষাৰ দায়িত্বত থকা বাহিনীৰ সদস্যসকলৰ প্ৰতি; বা

(গ) চোৰাংচোৱা বা চোৰাংচোৱা প্ৰতিৰোধৰ বাবে ৰাষ্ট্ৰই প্ৰতিষ্ঠা কৰা কোনো সংস্থা বা আন সংগঠনত নিযুক্ত বিষয়াসকলৰ প্ৰতি; বা

(ঘ) দফা (ক)-ৰ পৰা (গ)-লৈকে নিৰ্দেশিত কোনো বাহিনী, সংস্থা বা সংগঠনৰ প্ৰয়োজনৰ বাবে প্ৰতিষ্ঠা কৰা টেলিসংযোগ ব্যৱস্থা বা তাৰ সম্বন্ধত নিয়োজিত ব্যক্তিসকলৰ প্ৰতি;

তেওঁলোকৰ কৰ্তব্যৰ সঠিক পালন আৰু তেওঁলোকৰ মাজত অনুশাসন বজাই ৰখাটো নিশ্চিত কৰিবলৈ নিষিদ্ধ বা ৰদ কৰা হ'ব।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৫০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৩-ৰ সলনি প্ৰতিস্থাপিত (১১-৯-১৯৮৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩৪। সামৰিক আইন বলবৎ থকা অঞ্চলত এই অংশই প্ৰদান কৰা অধিকাৰসমূহৰ ওপৰত বাধা-নিষেধ** - এই অংশৰ পূৰ্বৰ উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে সংঘ বা ৰাষ্ট্ৰ বা আন কোনো ব্যক্তিৰ সেৱাত থকা যিকোনো ব্যক্তিক ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত সামৰিক আইন বলবৎ থকা এটা অঞ্চলত শান্তি-শৃংখলা বজাই ৰখা বা পুনৰুদ্ধাৰৰ সৈতে জড়িত যিকোনো কাৰ্য্যৰ বাবে আইনৰ জৰিয়তে ক্ষতিপুৰণ দিব পাৰে বা এনে অঞ্চলত সামৰিক আইন অনুসৰি প্ৰদান কৰা যিকোনো শাস্তি, জব্দ কৰাৰ নিৰ্দেশ বা অন্যান্য কাৰ্য্যৰ বৈধতা প্ৰদান কৰিব পাৰে।

**৩৫। এই অংশৰ উপবন্ধাৱলী কাৰ্যকৰী কৰিবলৈ আইন প্ৰণয়ন** - সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

ক) নিম্নোক্ত বিষয়ত বিধি প্ৰণয়ন কৰিবলৈ সংসদৰ ক্ষমতা থাকিব আৰু ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতা নাথাকিব -

i) সংসদে প্ৰণয়ন কৰা বিধিৰ দ্বাৰা অনুচ্ছেদ ১৬-ৰ দফা (৩), অনুচ্ছেদ ৩২-ৰ দফা (৩), অনুচ্ছেদ ৩৩ আৰু অনুচ্ছেদ ৩৪-ৰ যিকোনো বিষয় সম্পৰ্কত;

ii) এই অংশত অপৰাধ বুলি ঘোষিত কাৰ্য্যাৱলীৰ বাবে শাস্তি বিহিত কৰিবলৈ;

আৰু এই সংবিধানৰ প্ৰাৰম্ভণিৰ পিচত সংসদে যথাসম্ভৱ শীঘ্ৰে উপদফা (২)-ত নিৰ্দেশিত কাৰ্য্যবোৰৰ বাবে শাস্তি বিহিত কৰিবলৈ বিধি প্ৰস্তুত কৰিব;

খ) এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ থকা আৰু দফা (ক)-ৰ উপদফা (i)-ত নিৰ্দেশিত বিষয়বোৰৰ যিকোনো এটাৰ লগত সম্বন্ধ থকা অথবা সেই দফাৰ উপদফা (ii)-ত নিৰ্দেশিত কাৰ্য্যৰ বাবে শাস্তিৰ বিধান দিয়া কোনো বিধি, তাত থকা নিদানসমূহৰ আৰু অনুচ্ছেদ ৩৭২-ৰ অধীনত কৰা যিকোনো অভিযোজন আৰু পৰিৱৰ্তন সাপেক্ষে সংসদে পৰিৱৰ্তিত, বিলুপ্তকৰণ বা সংশোধিত নকৰা পৰ্য্যন্ত বলবৎ হৈয়েই থাকিব।

*ব্যাখ্যা* - এই অনুচ্ছেদত “বলবৎ হৈ থকা বিধি” এই বাক্যাংশৰ অৰ্থ অনুচ্ছেদ ৩৭২-ত থকা উক্ত বাক্যাংশৰ অৰ্থৰ সৈতে একে।

# চতুৰ্থ অংশ

## ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ

**৩৬। সংজ্ঞা** - প্ৰসংগ ক্ৰমে আন অৰ্থৰ প্ৰয়োজন নহ'লে এই অংশত থকা "ৰাষ্ট্ৰ" শব্দৰ অৰ্থ তৃতীয় অংশত থকা উক্ত শব্দৰ অৰ্থৰে সৈতে একে হ'ব।

**৩৭। এই অংশত থকা নীতিসমূহৰ প্ৰয়োগ** - এই অংশত থকা নীতিসমূহ কোনো ন্যায়ালয়ৰ দ্বাৰা বলবৎ কৰিব নোৱাৰিব কিন্তু ইয়াত উল্লেখ কৰা নীতিবোৰ দেশ শাসনৰ বাবে মূল কথা হ'ব আৰু বিধি প্ৰস্তুত কৰোতে নীতিসমূহ প্ৰয়োগ কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য হ'ব।

**৩৮। জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ ৰাষ্ট্ৰই সামাজিক ব্যৱস্থাৰ নিশ্চিত কৰিব** - [১][(১)] ৰাষ্ট্ৰীয় জীৱনৰ সকলোবোৰ সংস্থাকে অনুপ্ৰাণিত কৰা সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ন্যায় থকা সমাজ ব্যৱস্থা এটা যথা সম্ভৱ ফলদায়কভাবে স্থাপন আৰু সংৰক্ষণ কৰি লোক-কল্যাণৰ উন্নতিৰ অৰ্থে ৰাষ্ট্ৰই প্ৰয়াস কৰিব।

[২][(২) ৰাষ্ট্ৰই বিশেষকৈ আয়ৰ অসমতা কম কৰিবলৈ প্ৰয়াস কৰিব, আৰু অকল ব্যক্তিসকলৰ মাজতেই নহয় বৰং বেলেগ বেলেগ ক্ষেত্ৰত বাস কৰা আৰু বেলেগ বেলেগ ব্যৱসায় কৰা ব্যক্তিসকলৰ সমষ্টিসমূহৰ মাজতো প্ৰতিষ্ঠা, সা-সুবিধা তথা সুযোগৰ অসমতা নোহোৱা কৰিবলৈ প্ৰযত্ন কৰিব।]

**৩৯। ৰাষ্ট্ৰই পালন কৰিবলগীয়া নীতিসমূহৰ কিছুমান নীতি** - ৰাষ্ট্ৰই নিজৰ নীতি বিশেষকৈ এনেভাবে নিৰ্দেশিত কৰিব যাৰ দ্বাৰা -

(ক) জীৱিকাৰ পৰ্য্যাপ্ত উপায় লাভৰ কাৰণে পুৰুষ আৰু মহিলা সকলো নাগৰিকৰে সমান অধিকাৰ থাকিব;

(খ) ৰাজহুৱা সম্পদৰ মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণ যাতে এনেভাৱে বণ্টিত হয় যাৰ দ্বাৰা সৰ্বোত্তম ৰূপে সামূহিক হিত সাধন হয়;

(গ) আৰ্থিক ব্যৱস্থাৰ পৰিচালনাৰ পৰিণামত যাতে ধন-সম্পত্তি আৰু উৎপাদনৰ উপায় যাতে সৰ্ব-সাধাৰণৰ হিতৰ বিপৰীতে প্ৰয়োগ নহয়;

(ঘ) পুৰুষ আৰু মহিলা উভয়ৰ বাবেই সমান কামৰ বাবে যাতে সমান দৰমহা হয়;

(ঙ) পুৰুষ-মহিলাকে ধৰি সকলো শ্ৰমিকৰ স্বাস্থ্য আৰু শক্তি আৰু শিশুৰ যাতে অপব্যৱহাৰ নহয় কোনো নাগৰিকে আৰ্থিক আৱশ্যকতাৰ কাৰণে যাতে তেওঁলোকৰ বয়স বা শক্তিৰ অনুপযোগী জীৱিকাৰ পথ অৱলম্বন কৰিবলৈ বাধ্য নহয়;

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৯-ৰ দ্বাৰা অনুচ্ছেদ ৩৮ দফা (১) ৰূপে পুনঃক্ৰমাংকিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][(চ) শিশুসকলক সুস্থ ধৰণৰে আৰু স্বতন্ত্ৰ তথা মৰ্য্যাদাপূৰ্ণ পৰিবেশত বিকাশ লাভৰ বাবে সুযোগ-সুবিধা দিয়া হয় আৰু যাতে শিশু তথা যুৱকসকলক শোষণ আৰু নৈতিক তথা আৰ্থিক অৱহেলাৰ পৰা সুৰক্ষা প্ৰদান কৰা হয়।

[২][**৩৯ক। সমন্যায় আৰু বিনামূলীয়া আইনী সাহায্য** - বিধি-ব্যৱস্থাৰ প্ৰৱৰ্তনৰ দ্বাৰা সমান সুযোগৰ ভিত্তিত ন্যায় উপলব্ধ কৰিব আৰু বিশেষকৈ যাতে আৰ্থিক বা আন কোনো অযোগ্যতাৰ কাৰণত কোনো নাগৰিক ন্যায় লাভ কৰাৰ সুযোগৰ পৰা বঞ্চিত নহয় তাক সুনিশ্চিত কৰিবলৈ উপযুক্ত বিধান বা আঁচনিৰ দ্বাৰা বা আন কোনো প্ৰকাৰে বিনামূলীয়া সাহায্যৰ ব্যৱস্থা কৰাতো ৰাষ্ট্ৰই সুনিশ্চিত কৰিব।]

**৪০। গাঁও পঞ্চায়তৰ গঠন** - ৰাষ্ট্ৰই গাঁও পঞ্চায়ত গঠন কৰিবলৈ দিহা কৰিব আৰু সেইবোৰক স্বায়ত্ত শাসনৰ গোট হিচাপে কাম কৰাৰ বাবে যোগ্য কৰি তুলিবলৈ প্ৰয়োজনীয় ক্ষমতা আৰু অধিকাৰ প্ৰদান কৰিব।

**৪১। নিৰ্দিষ্ট ক্ষেত্ৰত কামৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ আৰু চৰকাৰী সাহায্যলাভৰ অধিকাৰ** - ৰাষ্ট্ৰই নিজৰ আৰ্থিক সামৰ্থ্য আৰু বিকাশৰ পৰিসীমাৰ ভিতৰত কাম কৰাৰ অধিকাৰ, শিক্ষা পোৱাৰ অধিকাৰ আৰু নিবনুৱা, বৃদ্ধকাল, ৰুগ্নতা, অংগ বিকলতা আৰু অনুপযুক্ত অৱস্থা আদি ক্ষেত্ৰত ৰাষ্ট্ৰীয় সাহায্যৰ অধিকাৰ লাভ কৰাৰ বাবে উপযুক্ত উপবন্ধৰ ব্যৱস্থা কৰিব।

**৪২। শ্ৰমৰ ন্যায্য আৰু মানৱীয় অৱস্থা আৰু প্ৰসূতিৰ বাবে কামৰ পৰা সকাহৰ ব্যৱস্থা** - শ্ৰমৰ ন্যায্য আৰু মানৱীয় অৱস্থা আৰু প্ৰসূতিৰ বাবে কামৰ পৰা সকাহৰ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আৰু প্ৰসূতি মংগলৰ কাৰণে ৰাষ্ট্ৰই উপবন্ধ প্ৰস্তুত কৰিব।

**৪৩। শ্ৰমিকৰ বাবে উপযুক্ত মজুৰি আদিৰ বাবে ব্যৱস্থা** - ৰাষ্ট্ৰই উপযুক্ত বিধান বা আৰ্থিক সংগঠনৰ দ্বাৰা অথবা আন কোনো প্ৰকাৰে কৃষিকাৰ্য কৰা, উদ্যোগত কাম কৰা বা আন প্ৰকাৰৰ সকলো বনুৱাৰ বাবে কাম, জীৱন-নিৰ্বাহৰ মজুৰী, উপযোগী জীৱন-যাপনৰ মান আৰু বিশ্ৰামৰ সম্পূৰ্ণ উপভোগ সুনিশ্চিত কৰি কামৰ চৰ্তসমূহ তথা সামাজিক আৰু সাংস্কৃতিক সুবিধাসমূহ লাভ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব, বিশেষকৈ গ্ৰাম্য অঞ্চলত ব্যক্তিগত অথবা সমবায় ভিত্তিত কুটীৰ উদ্যোগৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰই প্ৰয়াস কৰিব।

[৩][**৪৩ক। উদ্যোগ-পৰিচালনাত শ্ৰমিকৰ অংশগ্ৰহণ** - ৰাষ্ট্ৰই উপযুক্ত বিধানৰ দ্বাৰা বা আন কোনো প্ৰকাৰে কোনো উদ্যোগৰ কামত নিয়োজিত কোনো সংস্থা, প্ৰতিষ্ঠান বা অন্য সংগঠনৰ পৰিচালনাত কৰ্মীসকলৰ অংশ গ্ৰহণ সুনিশ্চিত কৰিবলৈ ব্যৱস্থা কৰিব।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৭-ৰ দ্বাৰা দফা (চ)-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৮-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৯-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][**৪৩খ। সমবায় সমিতিসমূহৰ উন্নয়ন** - ৰাষ্ট্ৰই সমবায় সমিতিসমূহৰ স্বেচ্ছামূলক গঠন, স্বতন্ত্ৰ-কাৰ্যনিৰ্বাহ, গণতান্ত্ৰিক নিয়ন্ত্ৰণ, আৰু পেছাদাৰী ব্যৱস্থাপনাৰ উন্নয়নৰ বাবে চেষ্টা কৰিব।]

**৪৪। নাগৰিকৰ বাবে সমৰূপ-নাগৰিক-সংহিতা** - ভাৰতবৰ্ষৰ নাগৰিকসকলৰ কাৰণে যাতে এখন সমৰূপ-নাগৰিক- সংহিতা উপলব্ধ হয় তাৰ বাবে ৰাষ্ট্ৰই প্ৰয়াস কৰিব।

[২][**৪৫। ছয় বছৰৰ তলৰ শিশুসকলৰ প্ৰাক্ শৈশৱকালীন যত্ন আৰু শিক্ষাৰ বাবে উপবন্ধ** - এই সংবিধানৰ প্ৰাৰম্ভণিৰ দহ বছৰৰ ভিতৰত সকলোবোৰ ল'ৰা-ছোৱালীৰ কাৰণে তেওঁলোকৰ বয়স চৈধ্য বছৰ পূৰ্ণ নোহোৱা পৰ্য্যন্ত, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দানৰ দিহা কৰিবলৈ ৰাষ্ট্ৰই প্ৰয়াস কৰিব।]

**৪৬। অনুসুচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ শৈক্ষিক আৰু আৰ্থিক প্ৰয়োজনৰ বাবে বিধান** - ৰাষ্ট্ৰই বিশেষ মনোযোগেৰে দুৰ্বল শ্ৰেণীৰ লোকসকলৰ বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ শিক্ষামূলক আৰু আৰ্থিক সম্বন্ধীয় উন্নয়ন সাধন কৰিব আৰু তেওঁলোকক সামাজিক অন্যায় আৰু সকলো ধৰণৰ শোষণৰ পৰা সুৰক্ষিত কৰিব।

**৪৭। জনস্বাস্থ্য, পুষ্টিৰ মান আৰু জীৱিকাৰ মান উন্নয়নৰ বাবে ৰাষ্ট্ৰৰ কৰ্তব্য** - ৰাষ্ট্ৰই ইয়াৰ জনসাধাৰণৰ পৰিপুষ্টি আৰু জীৱন-যাপনৰ মান উন্নীত কৰা আৰু জন-স্বাস্থ্যৰ উন্নতি কৰা প্ৰাথমিক কৰ্তব্যৰ অন্তৰ্ভুক্ত বুলি মানি ল'ব আৰু বিশেষকৈ ঔষধমূলক প্ৰয়োজনৰ বাহিৰে নিচাযুক্ত পানীয় আৰু স্বাস্থ্যৰ হানিকৰ ভেষজৰ ব্যৱহাৰ প্ৰতিৰোধ কৰিবলৈ প্ৰয়াস কৰিব।

**৪৮। কৃষি আৰু পশুপালন ব্যৱস্থাপনা** - ৰাষ্ট্ৰই আধুনিক আৰু বিজ্ঞানসন্মত প্ৰণালীৰে কৃষি আৰু পশুপালনৰ ব্যৱস্থাপনা কৰিবলৈ প্ৰয়াস কৰিব; বিশেষকৈ গাইগৰুৰ লগতে পোৱালী আৰু অন্যান্য খীৰতি পশুৰ সংৰক্ষণ আৰু উন্নতকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব।

[৩][**৪৮ক। পৰিৱেশ সংৰক্ষণ আৰু উন্নতকৰণ, বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষা** - ৰাষ্ট্ৰই পৰিৱেশৰ সংৰক্ষণ, উন্নয়নকৰণ, আৰু দেশৰ বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।]

---

[১] সংবিধান (৯৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১১-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-২-২০১২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৮৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০২-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৪৫-ৰ সলনি প্ৰতিস্থাপিত (১-৪-২০১০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১০-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৪৯৷ জাতীয় গুৰুত্ব থকা সম্পদ, স্থান আৰু কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণ** - [১][সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত] ৰাষ্ট্ৰীয় গুৰুত্বসম্পন্ন বুলি [১][ঘোষিত] কলাত্মক বা ঐতিহাসিক কাৰণত উল্লেখযোগ্য প্ৰত্যেক স্মাৰক বা স্থান বা সম্পদ আদি প্ৰদূষিত কৰা কৰা, লুণ্ঠন কৰা, বিকৃতকৰণ, বিনাশ, অপসাৰণ, নষ্ট কৰা অথবা ৰপ্তানিৰ পৰা ৰক্ষা কৰাটো ৰাষ্ট্ৰৰ কৰ্তব্য হ'ব।

**৫০৷ ন্যায়পালিকাক কাৰ্য্যপালিকাৰ পৰা পৃথকীকৰণ** - ৰাষ্ট্ৰৰ লোকসেৱাসমূহত কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰিবলৈ ৰাষ্ট্ৰই পদক্ষেপ গ্ৰহণ কৰিব।

**৫১৷ আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা উন্নতকৰণ** - ৰাষ্ট্ৰই তলত দিয়াসমূহৰ বাবে প্ৰয়াস কৰিব -

(ক) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা উন্নত কৰা;

(খ) ৰাষ্ট্ৰসমূহৰ মাজত ন্যায্য আৰু সন্মানজনক সম্পৰ্ক ৰক্ষা কৰা;

(গ) সংগঠিত লোকসমাজৰ মাজত পাৰস্পৰিক আচৰণৰ ক্ষেত্ৰত থকা আন্তঃৰাষ্ট্ৰীয় বিধি আৰু সন্ধিসমূহৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি কৰা; আৰু

(ঘ) মধ্যস্থতাৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় বিবাদ নিষ্পত্তি কৰাত উৎসাহ দিয়া।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৭-ৰ দ্বাৰা "সংসদে বিধিৰ দ্বাৰা ঘোষিত"ৰ পৰিৱৰ্তে প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][চতুৰ্থ-ক অংশ

# মৌলিক কৰ্তব্যসমূহ

**৫১ক। মৌলিক কৰ্তব্যসমূহ** - ভাৰতৰ প্ৰত্যেক নাগৰিকৰ কৰ্তব্য হ'ব -

(ক) এই সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক শ্ৰদ্ধা কৰা;

(খ) স্বাধীনতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা;

(গ) ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা;

(ঘ) দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা;

(ঙ) ভাৰতৰ সকলো লোকৰ মাজত, ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিক্ৰম কৰি সম্প্ৰীতি আৰু সামূহিক ভ্ৰাতৃত্বভাব বৃদ্ধি কৰা; নাৰীৰ মৰ্য্যাদা হানিকৰ আচৰণ ত্যাগ কৰা;

(চ) আমাৰ মিশ্ৰিত সাংস্কৃতিৰ মূল্যৱান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা;

(ছ) বন, হ্ৰদ, নদী আৰু বন্যজীৱক ধৰি প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰা, তাৰ উন্নতি সাধন কৰা, তথা সকলো জীৱৰ প্ৰতি দয়াভাব ৰখা;

(জ) বৈজ্ঞানিক দৃষ্টিকোণ, মানৱতাবোধ আৰু অনুসন্ধিৎসু তথা সংস্কাৰৰ মনোভাবৰ বিকাশ সাধন কৰা;

(ঝ) ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য্য পৰিহাৰ কৰা ;

(ঞ) ব্যক্তিগত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই প্ৰয়াস আৰু সফলতাৰ উচ্চতৰ পৰ্য্যায়লৈ নিৰন্তৰ আগুৱাই যায়।]

[2][(ট) ছয়ৰ পৰা চৌধ বছৰলৈ প্ৰত্যেকজন শিশুৰ অভিভাৱকে তেওঁৰ শিশুৰ বাবে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰি দিব লাগে।]

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১১-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৮৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১০-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-২০১০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# পঞ্চম অংশ

## সংঘ

## প্ৰথম অধ্যায় - কাৰ্য্যপালিকা

*ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি*

**৫২৷ ভাৰতৰ ৰাষ্ট্ৰপতি** - ভাৰতৰ এগৰাকী ৰাষ্ট্ৰপতি থাকিব।

**৫৩৷ সংঘৰ কাৰ্যবাহী ক্ষমতা** - (১) সংঘৰ কাৰ্য্যবাহী ক্ষমতা ৰাষ্ট্ৰপতিৰ ওপৰত ন্যস্ত হ'ব আৰু এই সংবিধান অনুসৰি তেওঁৰ দ্বাৰা পোনপটীয়াকৈ বা তেওঁৰ অধীনস্থ পদাধিকাৰীসকলৰ জৰিয়তে এই ক্ষমতা প্ৰয়োগ হ'ব।

(২) পূৰ্বৱৰ্তী উপবন্ধৰ ব্যাপকতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নপৰাকৈ কেন্দ্ৰৰ প্ৰতিৰক্ষা বাহিনীৰ সৰ্বোচ্চ ক্ষমতা ৰাষ্ট্ৰপতিৰ ওপৰত ন্যস্ত হ'ব আৰু তাৰ প্ৰয়োগ বিধিৰ দ্বাৰাই কাৰ্যকৰী হ'ব।

(৩) এই অনুচ্ছেদত থকা কোনো কথাই –

(ক) বৰ্তমান বিধিৰ দ্বাৰা কোনো ৰাজ্যৰ চৰকাৰৰ ওপৰত বা আন কৰ্তৃপক্ষৰ ওপৰত অৰ্পিত কোনো কাৰ্য ৰাষ্ট্ৰপতিলৈ হস্তান্তৰিত কৰিছে বুলি গণ্য কৰা নহ'ব; অথবা

(খ) ৰাষ্ট্ৰপতিৰ বাহিৰে আন কৰ্তৃপক্ষৰ ওপৰত বিধিৰ দ্বাৰা কাৰ্য অৰ্পণ কৰাৰ পৰা সংসদক বাৰণ কৰিব নোৱাৰিব।

**৫৪৷ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন**-ৰাষ্ট্ৰপতি এক নিৰ্বাচক মণ্ডলীৰ দ্বাৰা নিৰ্বাচিত হ'ব, যি মণ্ডলীত থাকিব-

(ক) সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্যসকল, আৰু –

(খ) ৰাজ্যসমূহৰ বিধানমণ্ডলীৰ নিৰ্বাচিত সদস্যসকলক লৈ গঠিত এক নিৰ্বাচক মণ্ডলী।

[১][*ব্যাখ্যা* – এই অনুচ্ছেদ আৰু অনুচ্ছেদ ৫৫-ত, “ৰাজ্য”ই দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল *পুডুচেৰীক অন্তৰ্ভুক্ত কৰে।]

**৫৫৷ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি** - (১) যিমানদূৰ সম্ভৱ হয়, ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিত্বৰ সংখ্যাৰ সমতা থাকিব।

(২) ৰাজ্যসমূহৰ মাজত এনে সমতা আৰু প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰৰ মাজত সমতুল্যতা স্থাপন কৰাৰ নিমিত্তে এনে নিৰ্বাচনত সংসদৰ আৰু প্ৰত্যেক ৰাজ্যৰ বিধানসভাৰ প্ৰতিজন নিৰ্বাচিত সদস্যই দিবলৈ যোগ্য হোৱা ভোটৰ সংখ্যা তলত দিয়া প্ৰকাৰে নিৰ্ধাৰিত হ'ব:

(ক) এখন ৰাজ্যৰ জনসংখ্যাক তাৰ বিধানসভাৰ নিৰ্বাচিত সদস্যসকলৰ মুঠ সংখ্যাৰ দ্বাৰা ভাগ কৰি পোৱা ভাগফলত এক হাজাৰৰ যিমান গুণিতক থাকে, সেই ৰাজ্যৰ বিধানসভাৰ প্ৰত্যেক নিৰ্বাচিত সদস্যই সিমান সংখ্যক ভোট পাব;

---

[১] সংবিধান (১৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৬-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

* পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪) ধাৰা ৩ অনুসৰি বৰ্তমানে পুডুচেৰী হৈছে (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

(খ) উক্ত এক হাজাৰৰ গুণিতক লোৱাৰ পিচত যদি ভাগশেষ পাঁচশতকৈ অধিক হয় তেন্তে উপদফা (ক)-ত উল্লিখিত প্ৰত্যেক সদস্যৰ ভোট আৰু এটা বাঢ়িব;

(গ) উপদফা (ক) আৰু (খ)-ৰ অধীনত ৰাজ্যসমূহৰ বিধানসভাৰ সদস্যসকলৰ বাবে নিৰ্ধাৰিত কৰা মুঠ ভোটৰ সংখ্যাক সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্যসকলৰ মুঠ সংখ্যাৰে ভাগ কৰিলে যি ভাগফল পোৱা যাব, সংসদৰ যিকোনো এখন সদনৰ প্ৰতিজন নিৰ্বাচিত সদস্যয়ো সিমান সংখ্যক ভোট লাভ কৰিব; এক দ্বিতীয়াংশৰ অধিক হোৱা ভগ্নাংশসমূহ এক বুলি গণনা কৰিব লাগিব আৰু আনবোৰ ভগ্নাংশ উপেক্ষিত হ'ব।

(৩) ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অনুসৰি একক হস্তান্তৰযোগ্য ভোটৰ দ্বাৰা হ'ব আৰু এনে নিৰ্বাচনত ভোটদান গোপন বেলটৰ দ্বাৰা হ'ব।

[1][*ব্যাখ্যা* – এই অনুচ্ছেদত "জনসংখ্যা" পদে শেহতীয়া লোকপিয়লত প্ৰকাশিত নিশ্চিত আৰু প্ৰাসংগিক জনসংখ্যাক বুজাইছে:

কিন্তু, এই ব্যাখ্যাত প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত হোৱা শেহতীয়া লোকপিয়লৰ প্ৰতি থকা নিৰ্দেশে, [2](২০২৬) চনৰ পিচত অনুষ্ঠিত প্ৰথম লোকপিয়লৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত নোহোৱা পৰ্যন্ত, ১৯৭১ চনৰ লোকপিয়লৰ প্ৰতি কৰা নিৰ্দেশ বুলি বুজোৱা হ'ব।]

**৫৬। ৰাষ্ট্ৰপতি পদৰ কাৰ্যকাল** - (১) ৰাষ্ট্ৰপতিয়ে তেওঁৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰকাল পদত অধিস্থিত থাকিব পাৰিব:

কিন্তু,

(ক) ৰাষ্ট্ৰপতিয়ে নিজেহাতে উপৰাষ্ট্ৰপতিলৈ পত্ৰ লিখি পদত্যাগ কৰিব পাৰে;

(খ) সংবিধান অৱমাননাৰ কাৰণত অনুচ্ছেদ ৬১-ত উল্লেখ থকা নীতিৰে মহাভিযোগৰ দ্বাৰা ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰিত কৰিব পৰা যাব;

(গ) ৰাষ্ট্ৰপতিয়ে কাৰ্যকালৰ অৱসান হোৱা সত্ত্বেও তেওঁৰ উত্তৰাধিকাৰীয়ে পদ গ্ৰহণ নকৰা পৰ্য্যন্ত পদত অধিস্থিত হৈ থাকিব।

(২) দফা (১)-ৰ ব্যতিক্ৰম অনুসৰি দফা (ক)-ৰ অধীনত উপৰাষ্ট্ৰপতিক সম্বোধিত কোনো পদত্যাগৰ কথা তেওঁ লোকসভাৰ অধ্যক্ষক অনতিপলমে জনাব।

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১২-ৰ দ্বাৰা *ব্যাখ্যা*ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ২-ৰ দ্বাৰা '২০০০'ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(পঞ্চম অংশ - সংঘ)

**৫৭। পুনৰ নিৰ্বাচনৰ যোগ্যতা** - ৰাষ্ট্ৰপতি পদত অধিস্থিত বা যি ইতিমধ্যে অধিস্থিত হৈছিল, সেই ব্যক্তি সংবিধানৰ অন্য উপবন্ধাৱলী সাপেক্ষে সেই পদত পুনৰ নিৰ্বাচনৰ বাবে যোগ্য হ'ব।

**৫৮। ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হোৱাৰ বাবে যোগ্যতা** - (১) কোনো ব্যক্তি ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচনৰ যোগ্য নহ'ব, যদিহে তেওঁ –

(ক) ভাৰতৰ নাগৰিক নহয়,

(খ) পয়ত্ৰিশ বছৰ বয়স পূৰ্ণ হোৱা নাই, আৰু

(গ) লোকসভাৰ সদস্যৰূপে নিৰ্বাচনৰ কাৰণে অৰ্হতা সম্পন্ন নহয়।

(২) ভাৰত চৰকাৰ বা কোনো ৰাজ্য চৰকাৰৰ অধীনত অথবা উক্ত তেনে চৰকাৰসমূহৰ কোনো এখনৰ নিয়ন্ত্ৰণাধীন কোনো স্থানীয় বা অন্যান্য কৰ্তৃপক্ষৰ অধীনত লাভজনক পদত অধিস্থিত হৈ থকা কোনো ব্যক্তি ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচনৰ কাৰণে যোগ্য নহ'ব।

*ব্যাখ্যা* – এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে কোনো ব্যক্তি কেৱল সংঘৰ ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতি বা কোনো ৰাজ্যৰ ৰাজ্যপাল [১]*** অথবা সংঘৰ বা কোনো ৰাজ্যৰ মন্ত্ৰী হোৱাৰ হেতুকেই তেওঁ কোনো লাভৰ পদ ধাৰণ কৰিছে বুলি গণ্য কৰা নহ'ব।

**৫৯। ৰাষ্ট্ৰপতি পদৰ চৰ্তসমূহ** - (১) ৰাষ্ট্ৰপতি সংসদৰ কোনো এখন সদন বা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো এখন সদনৰ সদস্য হ'ব নোৱাৰিব আৰু সংসদৰ কোনো এখন সদন বা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো এখন সদনৰ সদস্য যদি ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়, তেন্তে যি তাৰিখত তেওঁ ৰাষ্ট্ৰপতি পদত অধিস্থিত হয়, সেই তাৰিখৰ পৰা সেই সদনত তেওঁৰ আসন ৰিক্ত হৈছে বুলি গণ্য কৰা হ'ব।

(২) ৰাষ্ট্ৰপতিয়ে আন কোনো লাভজনক পদত নাথাকিব।

(৩) ৰাষ্ট্ৰপতিয়ে বাস কৰা ভৱনৰ বাবদ ভাৰা অবিহনেই বাস কৰিব পাৰিব আৰু সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰা দৰমহা, ভাট্টা আৰু বিশেষাধিকাৰ লাভ কৰিব আৰু সেই নিমিত্তে উপবন্ধ প্ৰস্তুত নকৰা পৰ্য্যন্ত দ্বিতীয় অনুসূচিত নিৰ্দিষ্ট কৰা অনুসৰি দৰমহা, ভাট্টা আৰু বিশেষাধিকাৰ লাভ কৰি থাকিব।

(৪) ৰাষ্ট্ৰপতিৰ কাৰ্য্যকালৰ ভিতৰত তেওঁৰ দৰমহা আৰু ভাট্টা হ্ৰাস নহ'ব।

**৬০। ৰাষ্ট্ৰপতিৰ দ্বাৰা শপত বা অংগীকাৰ** - প্ৰত্যেক ৰাষ্ট্ৰপতিয়ে আৰু ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰত্যেক ব্যক্তি বা ৰাষ্ট্ৰপতিৰ দায়িত্বভাৰ লোৱা প্ৰত্যেক ব্যক্তিয়ে নিজ পদত অধিস্থিত হোৱাৰ পূৰ্বে ভাৰতৰ মুখ্য ন্যায়াধীশ, অথবা তেওঁৰ অনুপস্থিতিত উচ্চতম ন্যায়ালয়ৰ সেই সময়ৰ জ্যেষ্ঠতম ন্যায়াধীশগৰাকীৰ উপস্থিতিত তলত দিয়া প্ৰপত্ৰত শপত ল'ব বা অংগীকাৰ কৰিব আৰু তাত নিজৰ নাম লিখি চহী কৰিব, অৰ্থাৎ -

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ বা উপ-ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

“মই, অমুকে ঈশ্বৰৰ নামত শপত লওঁ / সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ যে মই শ্ৰদ্ধাপূৰ্বক ভাৰতৰ ৰাষ্ট্ৰপতি পদত কাৰ্যনিৰ্বাহ (বা ৰাষ্ট্ৰপতিৰ কাৰ্য পালন) কৰিম আৰু মোৰ পূৰ্ণ সামৰ্থ্যৰে সংবিধান আৰু বিধিৰ ৰক্ষণাৰেক্ষণ, সংৰক্ষণ আৰু প্ৰতিৰক্ষা কৰিম আৰু ভাৰতৰ জনসাধাৰণৰ সেৱা আৰু কল্যাণৰ অৰ্থে আত্মনিয়োগ কৰিম।”

**৬১। ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ পদ্ধতি** - (১) সংবিধান অৱমাননা কৰাৰ কাৰণে যেতিয়া ৰাষ্ট্ৰপতিৰ ওপৰত মহাভিযোগ কৰিবলগীয়া হয়, তেতিয়া সংসদৰ যিকোনো এখন সদনত সেই অভিযোগ উত্থাপন কৰিব পাৰিব।

(২) যদিহে –

(ক) সদনৰ মুঠ সদস্য সংখ্যাৰ কমেও এক-চতুৰ্থাংশই চহী কৰি অন্ততঃ চৈধ্য দিনৰ পূৰ্বে প্ৰস্তাৱ গ্ৰহণ কৰাৰ সিদ্ধান্ত জনাই দিয়া লিখিত সূচনাৰ পাচত উপস্থাপিত কোনো সংকল্পত এনে অভিযোগ কৰাৰ প্ৰস্তাৱ সন্নিবিষ্ট নাথাকে, আৰু

(খ) সদনৰ মুঠ সদস্য সংখ্যাৰ কমেও দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা তেনে প্ৰস্তাৱ গৃহীত নহয় তেন্তে এনে আৰোপ গ্ৰহণযোগ্য নহ’ব।

(৩) যেতিয়া সংসদৰ যিকোনো এখন সদনে এনে ধৰণে অভিযোগ কৰে তেতিয়া আনখন সদনে অভিযোগটো অনুসন্ধান কৰিব বা কাৰোবাৰ দ্বাৰা অনুসন্ধান কৰোৱাব আৰু এনে অনুসন্ধানত উপস্থিত থকাৰ বাবে আৰু প্ৰতিনিধিত্ব কৰোৱাৰ বাবে ৰাষ্ট্ৰপতিৰ অধিকাৰ থাকিব।

(৪) যদি অনুসন্ধানৰ ফলস্বৰূপে অভিযোগৰ অনুসন্ধান কৰা বা কৰোৱা সদনৰ মুঠ সদস্য সংখ্যাৰ ন্যূনতম দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে হোৱা অভিযোগ প্ৰমাণিত হ’ল বুলি ঘোষণা কৰি প্ৰস্তাৱ গৃহীত হয়, তেন্তে এনে প্ৰস্তাৱৰ ফলত যি তাৰিখে প্ৰস্তাৱটো গৃহীত হয় সেই তাৰিখৰ পৰা ৰাষ্ট্ৰপতি তেওঁৰ পদৰ পৰা অপসাৰিত হ’ব।

**৬২। ৰাষ্ট্ৰপতিৰ শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচন অনুস্থিত কৰাৰ সময় আৰু অস্থায়ী শূন্যস্থান পুৰণৰ বাবে নিৰ্বাচিত ব্যক্তিৰ কাৰ্যকাল** - (১) ৰাষ্ট্ৰপতিৰ কাৰ্যকাল সমাপ্তৰ হোৱাৰ পূৰ্বেই এই শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

(২) মৃত্যু, পদত্যাগ বা পদৰ পৰা অপসাৰণ বা আন প্ৰকাৰে হোৱা ৰাষ্ট্ৰপতিৰ পদৰ শূন্যস্থান পুৰণ কৰিবৰ কাৰণে খালী হোৱা তাৰিখৰ পাচত যথা সম্ভৱ শীঘ্ৰে আৰু সেই তাৰিখৰ পৰা কোনো প্ৰকাৰে ছমাহৰ পাচলৈ নোযোৱাকৈ নিৰ্বাচন পাতিব লাগিব; আৰু শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচিত ব্যক্তিজন অনুচ্ছেদ ৫৬-ৰ নিয়মাৱলী সাপেক্ষে, নিজ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ সম্পূৰ্ণ কালৰ বাবে পদত থকাৰ যোগ্য হ’ব।

**৬৩। ভাৰতৰ উপৰাষ্ট্ৰপতি** - ভাৰতৰ এগৰাকী উপৰাষ্ট্ৰপতি থাকিব।

**৬৪। ৰাজ্যসভাৰ *পদেন* সভাপতিগৰাকী উপৰাষ্ট্ৰপতি হ’ব** - উপৰাষ্ট্ৰপতি ৰাজ্যসভাৰ *পদেন* সভাপতি হ’ব আৰু তেওঁ অন্য কোনো লাভজনক পদত অধিষ্ঠিত হৈ থাকিব নোৱাৰিব:

কিন্তু, যি কালছোৱাত অনুচ্ছেদ ৬৫-ৰ অধীনত উপৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতি স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰে অথবা ৰাষ্ট্ৰপতিৰ কাৰ্য পালন কৰে, সেই কালছোৱাত তেওঁ ৰাজ্যসভাৰ সভাপতি পদৰ কৰ্তব্যসমূহ সম্পন্ন কৰিব নোৱাৰিব আৰু অনুচ্ছেদ ৯৭-ৰ অধীনত ৰাজ্যসভাৰ সভাপতিৰ প্ৰাপ্য কোনো বেতন বা ভাট্টা পাবলৈ যোগ্য নহ'ব।

**৬৫। ৰাষ্ট্ৰপতিৰ অনুপস্থিতিত বা অস্থায়ী খালী পদৰ স্থানত ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিব উপৰাষ্ট্ৰপতিয়ে** - (১) মৃত্যু, পদত্যাগ বা পদৰ পৰা অপসাৰণ বা আন প্ৰকাৰে ৰাষ্ট্ৰপতিৰ পদ খালী হ'লে, সেই খালী স্থান পুৰণ কৰিবলৈ এই অধ্যায়ৰ উপবন্ধাৱলী অনুসৰি নিৰ্বাচিত হোৱা বা নতুন ৰাষ্ট্ৰপতিয়ে নিজ পদ গ্ৰহণ কৰা তাৰিখ পৰ্য্যন্ত উপৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰূপে কাৰ্য্য চলাব।

(২) অনুপস্থিতি, অসুস্থতা বা আন কোনো কাৰণত যেতিয়া ৰাষ্ট্ৰপতিয়ে তেওঁৰ পদত কাৰ্যনিৰ্বাহ কৰিবলৈ অসমৰ্থ হয় তেতিয়া তেওঁ কাৰ্যভাৰ পুনৰ গ্ৰহণ কৰাৰ তাৰিখ পৰ্য্যন্ত উপৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ পদত কাৰ্যনিৰ্বাহ কৰিব।

(৩) ৰাষ্ট্ৰপতিৰূপে ৰূপে কাৰ্য্য চলোৱা অথবা ৰাষ্ট্ৰপতিৰ পদত কাৰ্য নিৰ্বাহ কৰা কালছোৱাত আৰু সেই কালছোৱাত উপৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ সকলো ক্ষমতা আৰু সুৰক্ষা পাব আৰু সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰা দৰমহা, ভাট্টা আৰু বিশেষাধিকাৰ লাভ কৰিব আৰু সেই বিষয়ে এনে ধৰণৰ উপবন্ধ প্ৰস্তুত নকৰা পৰ্য্যন্ত দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট দৰমহা, ভাট্টা আৰু বিশেষাধিকাৰ লাভ কৰাৰ যোগ্য হ'ব।

**৬৬। উপৰাষ্ট্ৰপতিৰ নিৰ্বাচন** - (১) [১][সংসদৰ উভয় সদনৰ সদস্যসকলেৰে গঠিত নিৰ্বাচক-মণ্ডলীৰ সদস্য সকলে] আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অনুসৰি একক হস্তান্তৰযোগ্য ভোটৰ দ্বাৰা উপৰাষ্ট্ৰপতিক নিৰ্বাচিত কৰিব আৰু এনে নিৰ্বাচনত গোপন বেলটৰ দ্বাৰা ভোটদান হ'ব।

(২) উপৰাষ্ট্ৰপতি সংসদৰ কোনো সদনৰ অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ সদস্য হ'ব নোৱাৰিব আৰু যদি সংসদৰ কোনো সদনৰ অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ সদস্য উপৰাষ্ট্ৰপতি নিৰ্বাচিত হয়, তেনেহ'লে যি তাৰিখত তেওঁ উপৰাষ্ট্ৰপতিৰূপে নিজ পদ গ্ৰহণ কৰে সেই তাৰিখৰ পৰা সেই সদনত তেওঁৰ আসন খালী হোৱা বুলি গণ্য হ'ব।

(৩) কোনো ব্যক্তি উপৰাষ্ট্ৰপতিৰূপে নিৰ্বাচনৰ বাবে যোগ্য নহ'ব, যদিহে তেওঁ –

(ক) ভাৰতৰ নাগৰিক নহয়;

(খ) পয়ত্ৰিশ বছৰ বয়স পূৰ্ণ হোৱা নাই; আৰু

---

[১] সংবিধান (১১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬১-ৰ ধাৰা ২-ৰ দ্বাৰা "যুটীয়া বৈঠকত সমবেত সংসদৰ উভয় সদনৰ সদস্যসকল"ৰ সলনি প্ৰতিস্থাপিত (১৯-১২-১৯৬১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

(গ) ৰাজ্যসভাৰ সদস্যৰূপে নিৰ্বাচনৰ কাৰণে অৰ্হতাসম্পন্ন নহয়।

(৪) ভাৰত চৰকাৰৰ বা কোনো ৰাজ্য চৰকাৰৰ অধীনত অথবা উক্ত চৰকাৰসমূহৰ কোনো এখনৰ নিয়ন্ত্ৰণাধীন কোনো স্থানীয় বা অন্যান্য কৰ্তৃপক্ষৰ অধীনত লাভজনক পদত অধিস্থিত হৈ থকা কোনো ব্যক্তি উপৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচনৰ কাৰণে যোগ্য নহ'ব।

*ব্যাখ্যা* – এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে কোনো ব্যক্তি কেৱল ভাৰতৰ ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতি অথবা কোনো ৰাজ্যৰ ৰাজ্যপাল [১]*** অথবা কেন্দ্ৰৰ বা কোনো ৰাজ্যৰ মন্ত্ৰী হোৱাৰ হেতুকেই তেওঁ কোনো লাভজনক পদত আছে বুলি গণ্য কৰা নহ'ব।

**৬৭। উপৰাষ্ট্ৰপতিৰ কাৰ্যকাল** - উপৰাষ্ট্ৰপতিয়ে তেওঁৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ কাল পৰ্যন্ত পদত অধিস্থিত হৈ থাকিব পাৰিব:

কিন্তু, -

(ক) ৰাষ্ট্ৰপতিলৈ সম্বোধন নিজ হাতে লিখা পত্ৰৰ জৰিয়তে উপৰাষ্ট্ৰপতিয়ে তেওঁ পদত্যাগ কৰিব পাৰে;

(খ) ৰাজ্যসভাৰ তৎকালীন সমূহ সদস্যৰ অধিকাংশৰ দ্বাৰা গৃহীত আৰু লোকসভাৰ দ্বাৰা স্বীকৃত এটা প্ৰস্তাৱৰ দ্বাৰাই উপৰাষ্ট্ৰপতিক তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব পৰা যাব; কিন্তু সেই প্ৰস্তাৱ উপস্থাপন কৰাৰ অভিপ্ৰায় জনাই অন্ততঃ ১৪ দিনৰ পূৰ্বে নজনালে এই দফাৰ প্ৰয়োজনৰ বাবে কোনো প্ৰস্তাৱ উপস্থাপন কৰিব নোৱাৰিব।

(গ) উপৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যকাল অৱসান হোৱা সত্ত্বেও তেওঁৰ উত্তৰাধিকাৰীজনে তেওঁৰ পদ গ্ৰহণ নকৰা পৰ্য্যন্ত সেই পদত অধিস্থিত থাকিব।

**৬৮। উপৰাষ্ট্ৰপতিৰ খালী পদ পুৰণৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময় আৰু খালী পদৰ বাবে নিৰ্বাচিত ব্যক্তিৰ কাৰ্যকাল** - (১) উপৰাষ্ট্ৰপতিৰ কাৰ্যকাল সমাপ্তৰ হোৱাৰ পূৰ্বেই এই শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

(২) মৃত্যু, পদত্যাগ বা পদৰ পৰা অপসাৰণ বা আন প্ৰকাৰে হোৱা উপৰাষ্ট্ৰপতিৰ পদৰ শূন্যস্থান পুৰণ কৰিবৰ কাৰণে খালী হোৱা তাৰিখৰ পাচত যথাসম্ভৱ শীঘ্ৰে নিৰ্বাচন পাতিব লাগিব আৰু শূন্যস্থান পুৰণ কৰিবলৈ নিৰ্বাচিত ব্যক্তিজন অনুচ্ছেদ ৬৭-ৰ নিয়মাৱলী সাপেক্ষে নিজ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰৰ সম্পূৰ্ণ কালৰ বাবে সেই পদত অধিস্থিত হৈ থাকিব।

**৬৯। উপৰাষ্ট্ৰপতিৰ শপত আৰু অংগীকাৰ** - প্ৰত্যেক উপৰাষ্ট্ৰপতিয়ে নিজ পদ গ্ৰহণ কৰাৰ পূৰ্বে ৰাষ্ট্ৰপতি বা সেই মৰ্মে তেওঁৰ দ্বাৰা নিযুক্ত আন কোনো ব্যক্তিৰ আগত তলত দিয়া প্ৰপত্ৰত শপত ল'ব বা অংগীকাৰ কৰিব -

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ বা উপ-ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

"মই, অমুকে $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত শ্ৰদ্ধা আৰু নিষ্ঠা প্ৰদৰ্শন কৰিম আৰু যি পদ মই গ্ৰহণ কৰিবলৈ ওলাইছোঁ সেই পদৰ কৰ্তব্য শ্ৰদ্ধাৰে পালন কৰিম।"

**৭০। অন্যান্য আকস্মিক পৰিস্থিতিত ৰাষ্ট্ৰপতিৰ কাৰ্য-পালন** - এই অধ্যায়ত সন্নিৱিষ্ট নোহোৱা কোনো আকস্মিকতাত ৰাষ্ট্ৰপতিৰ কাৰ্যসমূহ পালনৰ অৰ্থে সংসদে যি ধৰণে বিবেচনা কৰে তেনে উপবন্ধ প্ৰস্তুত কৰিব পাৰিব।

[১]**[৭১। ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ সৈতে জড়িত আৰু সম্পৰ্কিত বিষয়সমূহ** - (১) ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পৰা উদ্ভৱ হোৱা অথবা তাৰ লগত জড়িত থকা সকলো সন্দেহ-বিবাদ উচ্চতম ন্যায়ালয়ে তদন্ত কৰিব, সিদ্ধান্ত গ্ৰহণ কৰিব আৰু উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(২) যদি ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰূপে কোনো ব্যক্তিৰ নিৰ্বাচন উচ্চতম ন্যায়ালয়ে বাতিল হোৱা বুলি ঘোষণা কৰে, তেনেহ'লে ৰাষ্ট্ৰপতি বা স্থান বিশেষে উপৰাষ্ট্ৰপতিৰ পদৰ ক্ষমতা আৰু কৰ্তব্যৰ প্ৰয়োগ আৰু পালন কৰোতে উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ তাৰিখত বা তাৰ পূৰ্বে তেনে ব্যক্তিয়ে কৰা কাৰ্য্যসমূহ সেই ঘোষণাৰ হেতুকে অবৈধ বুলি গণ্য কৰা নহ'ব।

(৩) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে সংসদে বিধিৰ দ্বাৰা ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰ নিৰ্বাচন সম্বন্ধীয় বা তাৰ লগত জড়িত যিকোনো বিষয় কাৰ্যকৰী কৰিব পাৰে।

(৪) নিৰ্বাচকমণ্ডলীৰ যদি কোনো সদস্যপদ যিকোনো কাৰণত খালী হৈ থাকে তেন্তে তাকে লৈ ৰাষ্ট্ৰপতি বা উপৰাষ্ট্ৰপতিৰূপে কোনো ব্যক্তিৰ নিৰ্বাচনৰ বিৰুদ্ধে এনে আধাৰৰ ওপৰত আপত্তি কৰিব নোৱাৰিব।

**৭২। কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ ক্ষমাদান কৰিব পৰা আৰু নিলম্বন, ন্যূনতম বা লঘু কৰিব পৰা ক্ষমতা** - (১) কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱা কোনো ব্যক্তিক ৰাষ্ট্ৰপতিয়ে শাস্তিৰ পৰা ৰেহাই, ক্ষমা কৰিব পাৰে অথবা অপৰাধ সংঘটিত কৰা ব্যক্তিক নিলম্বন, শাস্তি স্থগিত বা লঘু কৰিব পাৰে -

(ক) যিবোৰ ক্ষেত্ৰত সামৰিক ন্যায়ালয়ৰ দ্বাৰা দণ্ড বা দণ্ডাদেশ দিয়া হয় সেই সকলোবোৰ ক্ষেত্ৰত;

---

[১] সংবিধান (৩৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰতিস্থাপিত (১০-৮-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১০-ৰ দ্বাৰা পুনৰ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) সংঘৰ কাৰ্যবাহী ক্ষমতাত থকা বিধি বিষয়ক ঘটনাবোৰৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত যিবোৰ শাস্তি বা দণ্ডাদেশ প্ৰদান কৰা হয় এনে বিষয় সম্বন্ধীয় কোনো বিধিৰ বিৰুদ্ধে কৰা অপৰাধৰ কাৰণে দিয়া হয়, সেই সকলোবোৰ ক্ষেত্ৰত;

(গ) যিবোৰ ক্ষেত্ৰত মৃত্যুদণ্ডৰ দণ্ডাদেশ দিয়া হয়, সেই সকলোবোৰ ক্ষেত্ৰত।

(২) দফা (১)-ৰ উপদফা (ক)-ৰ কোনো কথাই সেনা ন্যায়ালয়ৰ দ্বাৰা বিহিত দণ্ডাদেশৰ নিলম্বন, হ্ৰাসকৰণ বা লঘুকৰণৰ নিমিত্তে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কোনো পদাধিকাৰীৰ ওপৰত বিধিৰ দ্বাৰা অৰ্পিত ক্ষমতাত প্ৰভাৱ পেলাব নোৱাৰিব।

(৩) দফা (১)-ৰ উপদফা (গ)-ৰ কোনো কথাই সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত কোনো ৰাজ্যৰ ৰাজ্যপালৰ [১]*** দ্বাৰা প্ৰয়োগ কৰিবলগীয়া মৃত্যু দণ্ডাদেশৰ নিলম্বন, হ্ৰাসকৰণ বা লঘুকৰণ ক্ষমতাৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰিব।

**৭৩। সংঘৰ কাৰ্যবাহী ক্ষমতাৰ বৰ্ধিতকৰণ** - (১) এই সংবিধানৰ উপবন্ধাৱলীৰ অধীনত সংঘৰ কাৰ্যবাহী ক্ষমতা বৃদ্ধি হ'ব -

(ক) যিবিলাক বিষয়ৰ ক্ষেত্ৰত সংসদৰ বিধি প্ৰস্তুত কৰিবৰ ক্ষমতা আছে; আৰু

(খ) কোনো সন্ধি বা চুক্তিৰ বলত যিবিলাক অধিকাৰ, কৰ্তৃত্ব আৰু ক্ষেত্ৰাধিকাৰ ভাৰত চৰকাৰৰ দ্বাৰা প্ৰযোজ্য হয়, তেনেবিলাক অধিকাৰ, কৰ্তৃত্ব আৰু ক্ষেত্ৰাধিকাৰ পৰ্য্যন্ত বিস্তাৰিত হ'ব:

কিন্তু, এই সংবিধান অথবা সংসদে প্ৰণয়ন কৰা কোনো বিধিত স্পষ্টকৈ উল্লেখ থকাৰ বাহিৰে আন কোনো প্ৰকাৰে উপদফা (ক)-ত উল্লিখিত কাৰ্যবাহী ক্ষমতা [২]*** কোনো ৰাজ্যত সেই ৰাজ্যৰ বিধানমণ্ডলৰ যিবোৰ বিষয়ত বিধি প্ৰস্তুত কৰিবৰ ক্ষমতা আছে, সেই বিষয়বিলাককৈ বিস্তাৰিত নহ'ব।

(২) সংসদৰ দ্বাৰা অন্য প্ৰকাৰে বিধিবদ্ধ নোহোৱা পৰ্য্যন্ত এই অনুচ্ছেদত যি কথাই উল্লেখ নাথাকক কিয়, ৰাজ্য আৰু ৰাজ্যৰ কোনো পদাধিকাৰী বা কৰ্তৃপক্ষই সেই বিষয়সমূহত, যিবোৰত সংসদৰ সেই ৰাজ্যৰ বাবে বিধি প্ৰস্তুত কৰাৰ ক্ষমতা আছে, তেনে বিষয়ৰ সন্দৰ্ভত, এনে ধৰণৰ কাৰ্যবাহী ক্ষমতাৰ প্ৰয়োগ কৰিব পাৰিব, যাৰ প্ৰয়োগ সেই ৰাজ্য বা তাৰ পদাধিকাৰী বা কৰ্তৃপক্ষই এই সংবিধান গৃহীত হোৱাৰ পূৰ্বে প্ৰয়োগ কৰিব পাৰিছিল।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ (ক) অথবা অংশ (খ)-ত নিৰ্দিষ্ট" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

*মন্ত্ৰী পৰিষদ*

**৭৪। ৰাষ্ট্ৰপতিক সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মন্ত্ৰীপৰিষদ -** [১][(১) ৰাষ্ট্ৰপতিক কাৰ্য সম্পাদনত সহায় কৰিবলৈ আৰু মন্ত্ৰণা দিবলৈ প্ৰধানমন্ত্ৰীক মুখ্য কৰি এক মন্ত্ৰী-পৰিষদ থাকিব আৰু ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যসমূহ পালন কৰোতে তেনে মন্ত্ৰণা অনুসাৰে কাৰ্য্য কৰিব:]

[২][কিন্তু, ৰাষ্ট্ৰপতিয়ে মন্ত্ৰী-পৰিষদক তেনে মন্ত্ৰণা সাধাৰণভাৱে বা অন্যভাৱে পুনঃবিৱেচনা কৰিবলৈ দিব পাৰে, আৰু এনে পুনৰ্বিৱেচনাৰ পাচত দিয়া মন্ত্ৰণা অনুসৰি ৰাষ্ট্ৰপতিয়ে কাৰ্য্য কৰিব।]

(২) মন্ত্ৰীসকলে ৰাষ্ট্ৰপতিক প্ৰদান কৰা পৰামৰ্শসমূহৰ (দিয়ক বা নিদিয়ক) বিষয়ে কোনো প্ৰশ্নৰ কোনো ন্যায়ালয়তে তদন্ত হ'ব নোৱাৰে।

**৭৫। মন্ত্ৰীসকলৰ বাবে অন্যান্য উপবন্ধাৱলী -** (১) প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত হ'ব আৰু অন্যান্য মন্ত্ৰীসকল প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত হ'ব।

[৩][(১ক) প্ৰধানমন্ত্ৰীসহ মন্ত্ৰীপৰিষদৰ মুঠ মন্ত্ৰীৰ সংখ্যা লোকসভাৰ মুঠ সদস্যৰ ১৫%-ৰ অধিক হ'ব নোৱাৰিব।

(১খ) কোনো ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত সংসদৰ যি কোনো সদনৰ কোনো সদস্যক যদি দশম অনুসূচীৰ পেৰেগ্ৰাফ ২-ৰ অধীনত অযোগ্য ঘোষণা কৰা হৈছে, তেনেহ'লে দফা (১)-ৰ অধীনত তেওঁ অযোগ্য হোৱা দিনৰ পৰা আৰম্ভ কৰি সদস্য হিচাপে কাৰ্যকাল শেষ হোৱা দিনলৈ বা এনে কাৰ্যকাল শেষ হোৱাৰ আগতে যদি সংসদৰ যিকোনো সদনৰ নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰে, তেওঁ নিৰ্বাচিত হোৱা বুলি ঘোষিত হোৱা দিনলৈ, যিটোৱেই আগতে হয়, মন্ত্ৰী হিচাপে নিয়োগৰ বাবে অযোগ্য হ'ব।

(২) ৰাষ্ট্ৰপতিৰ সন্তুষ্টি পৰ্যন্ত মন্ত্ৰীসকলৰ কাৰ্যকাল বাহাল থাকিব।

(৩) মন্ত্ৰী-পৰিষদ সমূহীয়াভাৱে লোকসভাৰ ওচৰত উত্তৰদায়ী হ'ব।

(৪) কোনো মন্ত্ৰীয়ে নিজ পদ গ্ৰহণ কৰাৰ পূৰ্বে ৰাষ্ট্ৰপতিয়ে তৃতীয় অনুসূচীত এই প্ৰয়োজনৰ বাবে দিয়া প্ৰপত্ৰ অনুসৰি তেওঁক তেওঁৰ পদৰ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰোৱাব।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৩-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১১-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১-২০০৪–ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৫) কোনো মন্ত্ৰী যদি একে লেঠাৰিয়ে ছমাহ কালৰ কাৰণে সংসদৰ কোনো এখন সদনত সদস্য হৈ নাথাকে, সেই কালছোৱাৰ অন্ত পৰিলে তেওঁৰ মন্ত্ৰীত্ব নাথাকিব।

(৬) সময়ে সময়ে সংসদে বিধিৰ দ্বাৰা মন্ত্ৰীসকলৰ বেতন আৰু ভাট্টা নিৰ্ধাৰণ কৰিব আৰু সংসদে পুনৰ নিৰ্ধাৰণ নকৰা পৰ্য্যন্ত এই বেতন আৰু ভাট্টা দ্বিতীয় অনুসূচী অনুসৰি নিৰ্ণিত হ'ব।

*ভাৰতৰ এটৰ্ণী জেনেৰেল*

**৭৬। ভাৰতৰ এটৰ্ণী জেনেৰেল** - (১) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হোৱাৰ অৰ্হতাসম্পন্ন এজন ব্যক্তিক ৰাষ্ট্ৰপতিয়ে ভাৰতৰ এটৰ্ণী জেনেৰেল হিচাপে নিযুক্তি দিব।

(২) ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে নিৰ্দেশিত কৰা বা ন্যস্ত কৰা বিধি সম্পৰ্কীয় বিষয়ত ভাৰত চৰকাৰক মন্ত্ৰণা দিয়া আৰু বিধিগত লক্ষণ থকা আন তেনে কৰ্তব্য পালন কৰা আৰু এই সংবিধান অথবা আন কোনো সেই সময়ত বলবৎ থকা বিধিৰ দ্বাৰা বা অধীনত তেওঁৰ ওপৰত অৰ্পণ কৰা কাৰ্য পালন কৰাটো এটৰ্ণী জেনেৰেলৰ কৰ্তব্য হ'ব।

(৩) নিজ কৰ্তব্য পালনৰ নিমিত্তে ভাৰতৰ ৰাজ্যক্ষেত্ৰত থকা সকলো ন্যায়ালয়তে এটৰ্ণী জেনেৰেলৰ শুনানী গ্ৰহণ কৰাৰ অধিকাৰ থাকিব।

(৪) ৰাষ্ট্ৰপতিৰ সন্তুষ্টিৰ ওপৰত এটৰ্ণী জেনেৰেলৰ কাৰ্যকাল নিৰ্ভৰ কৰিব আৰু ৰাষ্ট্ৰপতিয়ে যিদৰে নিৰ্ধাৰণ কৰে সেইমতে পাৰিশ্ৰমিক লাভ কৰিব।

*চৰকাৰী কাৰ্য্য পৰিচালনা*

**৭৭। ভাৰত চৰকাৰৰ কাৰ্য্য পৰিচালনা** - (১) ভাৰত চৰকাৰৰ সকলোবোৰ প্ৰশাসনীয় কাৰ্য ৰাষ্ট্ৰপতিৰ নামত হোৱা বুলি অভিব্যক্ত হ'ব।

(২) ৰাষ্ট্ৰপতিৰ নামত দিয়া আৰু নিষ্পন্ন হোৱা আদেশ আৰু অন্যান্য নিৰ্দেশনাসমূহ ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰস্তুত কৰা নিয়মাৱলীত [১]নিৰ্দিষ্ট ৰীতিৰে প্ৰমাণীকৃত হ'ব আৰু এনে প্ৰকাৰে প্ৰমাণীকৃত আদেশ বা নিৰ্দেশনাৰ মান্যতা সম্পৰ্কে তেনে আদেশ বা নিৰ্দেশনা ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰস্তুত বা নিষ্পাদিত হোৱা নাই বুলি আপত্তি দৰ্শাব নোৱাৰিব ।

(৩) ভাৰত চৰকাৰৰ কাৰ্য্য অধিক সুবিধাজনকভাৱে সম্পাদন কৰাৰ অৰ্থে আৰু উক্ত কাৰ্য্য মন্ত্ৰীসকলৰ মাজত ভগাই দিয়াৰ কাৰণে ৰাষ্ট্ৰপতিয়ে নিয়মাৱলী প্ৰস্তুত কৰিব।

[২](৪) * * * *

---

[১] অধিসূচনা নং এচ.অ'. ২২৯৭, তাৰিখ ৩ নবেম্বৰ, ১৯৫৮, ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ ২, ধাৰা ৩(ii), পৃষ্ঠা ১৩১৫ চাওক, সময়ে সময়ে সংশোধন হোৱা অনুসৰি।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৪-ৰ দ্বাৰা দফা (৪) অন্তঃস্থাপিত (৩-১-১৯৭৭ ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৭৮। ৰাষ্ট্ৰপতিক তথ্য যোগানৰ সন্দৰ্ভত প্ৰধান মন্ত্ৰীৰ কৰ্তব্য** - প্ৰধানমন্ত্ৰীৰ কৰ্তব্য হ'ব -

(ক) মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা সংঘৰ সকলো প্ৰশাসনীয় বিষয়ক আৰু বিধানমণ্ডলৰ প্ৰস্তাৱসমূহ ৰাষ্ট্ৰপতিক জনোৱা;

(খ) ৰাষ্ট্ৰপতিয়ে জানিব খোজা সংঘৰ প্ৰশাসনীয় কাৰ্য্য সম্বন্ধীয় আৰু বিধি প্ৰণয়নৰ প্ৰস্তাৱ সম্বন্ধীয় তেনে কোনো সংবাদ ৰাষ্ট্ৰপতিক যোগোৱা; আৰু

(গ) কোনো এজন মন্ত্ৰীয়ে সিদ্ধান্ত গ্ৰহণ কৰা, কিন্তু মন্ত্ৰী পৰিষদে বিচাৰ নকৰা, কোনো বিষয় ৰাষ্ট্ৰপতিয়ে আৱশ্যক বুলি ভাবিলে মন্ত্ৰী-পৰিষদৰ বিচাৰাৰ্থে দাখিল কৰা।

## দ্বিতীয় অধ্যায় - সংসদ

*সাধাৰণ*

**৭৯। সংসদৰ গঠন** - সংঘৰ বাবে সদন থাকিব যি ৰাষ্ট্ৰপতি আৰু যথাক্ৰমে ৰাজ্যসভা আৰু লোকসভা নামৰ দুখন সদনেৰে গঠিত হ'ব।

**৮০। ৰাজ্যসভাৰ গঠন** - (১) [১][[২]*** ৰাজ্যসভা] গঠিত হ'ব –

(ক) দফা (৩)-ৰ উপবন্ধাৱলী অনুযায়ী ৰাষ্ট্ৰপতিৰ দ্বাৰা মনোনীত বাৰ জন সদস্য; আৰু

(খ) ৰাজ্যসমূহৰ [৩][আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ] সৰ্বাধিক দুশ আঠত্ৰিশজন প্ৰতিনিধি।

(২) ৰাজ্যসভাত ৰাজ্যসমূহৰ [২][আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ] প্ৰতিনিধিবৰ্গৰ দ্বাৰা পূৰণ কৰিবলগীয়া আসনৰ বিতৰণ চতুৰ্থ অনুসূচীত সেই মৰ্মে সন্নিৱিষ্ট কৰা উপবন্ধাৱলী অনুযায়ী হ'ব।

(৩) দফা (১)-ৰ উপদফা (ক)-ৰ অধীনত ৰাষ্ট্ৰপতিয়ে মনোনীত কৰিবলগীয়া সদস্যসকল নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধে বিশেষ জ্ঞান বা ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তি হ'ব লাগিব, যেনে –

সাহিত্য, বিজ্ঞান, কলা আৰু সমাজ-সেৱা।

---

[১] সংবিধান (৩৫ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৭৪, ধাৰা ৩-ৰ দ্বাৰা "ৰাজ্যসভা"ৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৫-ৰ দ্বাৰা "দশম অনুসূচীৰ পেৰাগ্ৰাফ ৪-ৰ উপবন্ধাৱলী সাপেক্ষে" শব্দসমূহ বিলোপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ দ্বাৰা সংযোজিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৪) ৰাজ্যসভাৰ কাৰণে [১]*** প্ৰত্যেকখন ৰাজ্যৰ প্ৰতিনিধি সেই ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচিত সদস্যসমূহৰ দ্বাৰা আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অনুসাৰে একক হস্তান্তৰযোগ্য ভোটৰ দ্বাৰা নিৰ্বাচিত হ’ব।

(৫) ৰাজ্যসভাৰ কাৰণে [২][কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ] প্ৰতিনিধি বৰ্গক সংসদে বিধিৰ দ্বাৰা যি ৰীতি নিৰ্ধাৰণ কৰি দিয়ে সেই ৰীতিৰে বাছি লোৱা হ’ব।

[৩]**[৮১। লোকসভাৰ গঠন** - (১) [৪][অনুচ্ছেদ ৩৩১-ৰ উপবন্ধাৱলী অনুসৰি [৫]***] লোকসভা গঠন হ’ব-

(ক) ৰাজ্যসমূহৰ প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত সৰ্বাধিক [৬][পাঁচশ ত্ৰিশজন সদস্য] আৰু

(খ) সংসদে বিধিৰ দ্বাৰা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰা সৰ্বাধিক [৭][২০ জন] সদস্য

(২) দফা (১)-ৰ উপদফা (ক)-ৰ প্ৰয়োজনৰ বাবে –

(ক) প্ৰত্যেক ৰাজ্যৰ কাৰণে লোকসভাৰ আসনৰ সংখ্যা এনে ধৰণেৰে বিতৰণ কৰা হ’ব যাতে সেই সংখ্যা আৰু ৰাজ্যখনৰ জনসংখ্যাৰ মাজৰ অনুপাত সকলো ৰাজ্যৰ বাবে যথাসাধ্য একে হয়; আৰু

(খ) প্ৰত্যেকখন ৰাজ্যকে এনে ধৰণেৰে প্ৰাদেশিক নিৰ্বাচন সমষ্টিত ভাগ কৰা হ’ব যাতে প্ৰত্যেক সমষ্টিৰ জনসংখ্যা আৰু তাৰ বাবে আবণ্টিত আসনৰ সংখ্যাৰ মাজৰ অনুপাত সমস্ত ৰাজ্যতে যথাসাধ্য একে হয়:

[৮][কিন্তু, কোনো ৰাজ্যৰ জনসংখ্যা ষাঠিলাখৰ অধিক নোহোৱা পৰ্য্যন্ত সেই ৰাজ্যৰ বাবে লোকসভাৰ আসন আবণ্টনৰ প্ৰয়োজনৰ বাবে এই দফাৰ উপদফা (ক)-ৰ উপবন্ধাৱলী প্ৰযোজ্য নহ’ব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ দ্বাৰা আৰু “প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ-ত নিৰ্দিষ্ট” শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা “প্ৰথম অনুসূচীৰ অংশ গ-ত নিৰ্দিষ্ট কৰা ৰাজ্যসমূহ”ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৪-ৰ দ্বাৰা অনুচ্ছেদ ৮১ আৰু ৮২-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৩৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৪ ধাৰা ৪-ৰ দ্বাৰা “৩৩১ অনুচ্ছেদৰ উপবন্ধাৱলী সাপেক্ষ”ৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৫-ৰ দ্বাৰা “আৰু দশম অনুসূচীৰ পেৰেগ্ৰাফ ৪” শব্দ আৰু সংখ্যাৱলী বিলোপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] গোৱা দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮) ধাৰা ৬৩-ৰ দ্বাৰা “পঁচিশ গৰাকী সদস্য”ৰ সলনি প্ৰতিস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] সংবিধান (৩১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ ধাৰা ২-ৰ দ্বাৰা “পঁচিশ গৰাকী সদস্য”-ৰ সলনি প্ৰতিস্থাপিত (১৭-১০-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৮] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৩) এই অনুচ্ছেদত “জনসংখ্যা” শব্দই শেহতীয়া লোকপিয়লত নিশ্চিত কৰি প্ৰকাশ কৰা জনসংখ্যাক বুজাব।

[১][কিন্তু, শেহতীয়া লোকপিয়লৰ আধাৰত, এই দফাত উল্লিখিত সংখ্যাসমূহ [২][২০২৬] চনৰ পিচত অনুষ্ঠিত প্ৰথম লোকপিয়লত উল্লেখ হ’বলগীয়া সংখ্যা প্ৰকাশিত নোহোৱা পৰ্য্যন্ত এই অনুসৰি [৩]অৰ্থ কৰা হ’ব, -

(i) দফা (২)-ৰ উপদফা (ক) আৰু সেই দফাৰ ব্যতিক্ৰমসমূহৰ প্ৰয়োজনত ১৯৭১ চনৰ প্ৰসংগ অনুসৰি;

(ii) দফা (২)-ৰ উপদফা (ক)-ৰ প্ৰয়োজনত [৪][২০০১] চনৰ প্ৰসংগ অনুসৰি।]]

**৮২। প্ৰত্যেক লোকপিয়লৰ পাছত পুনৰবিন্যাস** - প্ৰত্যেক লোকপিয়লৰ সমাপ্তিৰ অন্তত লোকসভাত ৰাজ্যসমূহৰ আসন আবণ্টন আৰু প্ৰত্যেক ৰাজ্যক প্ৰাদেশিক নিৰ্বাচন সমষ্টিত বিভাজনৰ, সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰা কৰ্তৃপক্ষ আৰু ৰীতিৰ দ্বাৰা পুনৰবিন্যাস কৰা হ’ব:

কিন্তু, এনে পুনৰবিন্যাসে সেই সময়ত থকা সদন ভংগ নোহোৱা পৰ্য্যন্ত লোকসভাত থকা প্ৰতিনিধিৰ ওপৰত প্ৰভাৱ নেপেলাব:

[৫][অধিকন্তু, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিয়া তাৰিখৰ পৰাহে এনে পুনৰবিন্যাস কাৰ্য্যকৰী হ’ব আৰু এনে পুনৰবিন্যাস কাৰ্য্যকৰী নোহোৱা পৰ্য্যন্ত সদনলৈ হ’বলগীয়া কোনো নিৰ্বাচন এনে পুনৰবিন্যাসৰ পূৰ্বে থকা প্ৰাদেশিক সমষ্টিসমূহৰ ভিত্তিত অনুষ্ঠিত হ’ব পাৰিব:

তাৰোপৰি, [৬][২০২৬] চনৰ পাচত অনুষ্ঠিত প্ৰথম লোকপিয়লত উল্লেখ হ’বলগীয়া সংখ্যাসমূহ প্ৰকাশ নকৰা পৰ্য্যন্ত, এইসমূহ এই অনুচ্ছেদৰ অধীনত [৭][পুনৰ নিৰ্ধাৰণৰ প্ৰয়োজন নহ’ব, -

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৫-ৰ দ্বাৰা সংযোজিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৩-ৰ দ্বাৰা “২০০০”ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা কেইটামান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৮৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা “১৯৯১”ৰ সলনি প্ৰতিস্থাপিত (২২-৬-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৬-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধানৰ (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৪-ৰ দ্বাৰা “২০০০”ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] উক্ত অধিনিয়মৰ ধাৰা ৪-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(i) ১৯৭১ চনৰ লোকপিয়লৰ আধাৰত লোকসভাত ৰাজ্যসমূহলৈ আসনৰ সংখ্যা পুনৰ নিৰ্ধাৰণ আৰু

(ii) প্ৰত্যেক ৰাজ্যৰ প্ৰাদেশিক নিৰ্বাচনী সমষ্টিসমূহৰ বিভাজন [১][২০০১] চনৰ লোকপিয়লৰ আধাৰত।]]

**৮৩। সংসদৰ সদনৰ কাৰ্যকাল** - (১) ৰাজ্যসভা ভংগ নহ'ব, কিন্তু ইয়াৰ যথাসম্ভৱ নিকটতম এক তৃতীয়াংশ সদস্যই, সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা সেই মৰ্মে কৰা উপবন্ধাৱলী অনুসৰি, প্ৰত্যেক দ্বিতীয় বছৰৰ সমাপ্তিত যথাসম্ভৱ শীঘ্ৰে অৱসৰ গ্ৰহণ কৰিব।

(২) আগতীয়াকৈ ভংগ নহ'লে লোকসভা ইয়াৰ প্ৰথম বৈঠকৰ বাবে নিৰ্ধাৰিত তাৰিখৰ পৰা [২][পাঁচ বছৰ] কালৰ কাৰণে বৰ্তি থাকিব আৰু ইয়াতকৈ অধিক কাল নেথাকিব আৰু [২][পাঁচ বছৰ]ৰ উক্ত কালৰ সমাপ্তিত লোকসভা ভংগ হ'ব:

কিন্তু, যেতিয়া কোনো সংকটকালীন অৱস্থাৰ উদ্‌ঘোষণা কাৰ্যকৰী হৈ থাকে তেতিয়া এবাৰত এবছৰ কাল অতিক্ৰম নকৰাকৈ আৰু কোনো প্ৰকাৰে উক্ত উদ্‌ঘোষণাৰ কাৰ্যকালৰ সমাপ্তিৰ পিচত ছমাহতকৈ অধিক বৃদ্ধি নকৰাকৈ সংসদে বিধিৰ দ্বাৰা উক্ত সময় বৃদ্ধি কৰিব পাৰে।

**৮৪। সংসদৰ সদস্য পদৰ বাবে অৰ্হতা** - কোনো ব্যক্তি সংসদৰ কোনো আসন পূৰণ কৰিবৰ কাৰণে যোগ্য নহ'ব, যদিহে তেওঁ -

[৩][(ক) ভাৰতৰ নাগৰিক নহয়, আৰু নিৰ্বাচন আয়োগৰ দ্বাৰা এই নিমিত্তে কৰ্তৃত্বসম্পন্ন কোনো ব্যক্তিৰ আগত তৃতীয় অনুসূচীত এই প্ৰয়োজনৰ বাবে দিয়া প্ৰপত্ৰ অনুসাৰে শপত গ্ৰহণ বা অংগীকাৰ নকৰে আৰু তাত হস্তাক্ষৰ নকৰে;]

(খ) ৰাজ্যসভাৰ আসনৰ ক্ষেত্ৰত ন্যূনতম ত্ৰিশ বছৰ আৰু লোকসভাৰ আসনৰ ক্ষেত্ৰত ন্যূনতম পঁচিশ বছৰ বয়স প্ৰাপ্ত নহয়; আৰু

(গ) সংসদৰ দ্বাৰা প্ৰস্তুত কোনো বিধিৰ দ্বাৰা বা বিধিৰ অধীনত এই মৰ্মে নিৰ্দিষ্ট কৰি দিয়া তেনে অন্যান্য অৰ্হতাসম্পন্ন নহয়।

---

[১] সংবিধান (৮৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৩-ৰ দ্বাৰা "১৯৯১"-ৰ সলনি প্ৰতিস্থাপিত (২২-৬-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৭-ৰ দ্বাৰা "পাঁচ বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৩-ৰ দ্বাৰা "ছবছৰ"-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৩-ৰ দ্বাৰা দফা (ক)-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(পঞ্চম অংশ - সংঘ)

[1][**৮৫৷ সংসদৰ অধিৱেশন, স্থগিতকৰণ আৰু ভংগ** - (১) ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে সংসদৰ উভয় সদনকে, তেওঁ যি সময়ত আৰু স্থানত উচিত বুলি ভাবে তেনে সময়ত আৰু স্থানত, বৈঠকৰ বাবে আহ্বান কৰিব, কিন্তু ইয়াৰ কোনো অধিবেশনৰ অন্তিম বৈঠক আৰু তাৰ পৰৱৰ্তী অধিবেশনৰ প্ৰথম বৈঠকৰ বাবে নিৰ্দিষ্ট কৰা তাৰিখৰ মাজৰ ব্যৱধান ছমাহ হ'ব নোৱাৰিব।

(২) ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে –

(ক) উভয় সদন বা যিকোনো সদনৰ অধিৱেশন আহ্বান কৰিব পাৰে;

(খ) লোকসভা ভংগ কৰিব পাৰে।]

**৮৬৷ ৰাষ্ট্ৰপতিৰ সদনক সম্বোধন আৰু বাৰ্তা প্ৰেৰণৰ অধিকাৰ** - (১) ৰাষ্ট্ৰপতিয়ে সংসদৰ যিকোনো এখন সদন বা একেলগে সমবেত হোৱা উভয় সদনতে অভিভাষণ দিব পাৰে আৰু সেই উদ্দেশ্যে সদস্যসকলৰ উপস্থিতি বিচাৰিব পাৰে।

(২) সংসদত তৎকালীন বিৱেচনাধীন কোনো বিধেয়কৰ বিষয়েই হওক বা আন বিষয়েই হওক, ৰাষ্ট্ৰপতিয়ে সংসদৰ যিকোনো এখন সদনলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে আৰু যিখন সদনলৈ সেই বাৰ্তা প্ৰেৰণ কৰা হয়, সেই সদনে যিমান শীঘ্ৰে সুবিধা হয় সিমান শীঘ্ৰে সেই বাৰ্তা অনুযায়ী বিৱেচনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি ব্যৱস্থা গ্ৰহণ কৰিব।

**৮৭৷ ৰাষ্ট্ৰপতিৰ দ্বাৰা বিশেষ অভিভাষণ** - (১) [2][লোকসভাৰ বাবে হোৱা প্ৰত্যেকটো সাধাৰণ নিৰ্বাচনৰ পাচত বহা প্ৰথম অধিবেশনৰ আৰম্ভণিতে আৰু প্ৰত্যেক বছৰৰ প্ৰথম অধিবেশনৰ] আৰম্ভণিতে একেলগে সমবেত হোৱা সংসদৰ উভয় সদনত ৰাষ্ট্ৰপতিয়ে অভিভাষণ দিব পাৰে আৰু সংসদ আহ্বান কৰাৰ কাৰণসমূহ সংসদক জনাব পাৰে।

(২) যিকোনো সদনৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীৰ নিয়মৰ দ্বাৰা এনে অভিভাষণত নিৰ্দেশিত বিষয়সমূহৰ আলোচনাৰ উদ্দেশ্য সময় প্ৰদানৰ বাবে উপবন্ধ প্ৰস্তুত কৰিব লাগিব [3]***।

**৮৮৷ সদনৰ সম্পৰ্কত মন্ত্ৰীবৰ্গ আৰু এটৰ্ণী জেনেৰেলৰ অধিকাৰ** - যিকোনো এখন সদনত, দুয়োখন সদনৰ যুটীয়া বৈঠকত আৰু সংসদৰ যি কমিটিৰ সদস্য হিচাপে তেওঁৰ নাম দিয়া হয়, সেই কমিটিৰ প্ৰত্যেকজন মন্ত্ৰী আৰু ভাৰতৰ এটৰ্ণী জেনেৰেলৰ বক্তব্য ৰখা বা আন প্ৰকাৰে কাৰ্যক্ৰমণিকাত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব, কিন্তু এই অনুচ্ছেদৰ অধীনত তেওঁৰ ভোট দিয়াৰ অধিকাৰ নাথাকিব।

---

[1] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৬-ৰ দ্বাৰা অনুচ্ছেদ ৮৫-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৭-ৰ দ্বাৰা "প্ৰত্যেক সত্ৰ"-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ৭-ৰ দ্বাৰা "আৰু সদনৰ আন কাৰ্য্যৰ ওপৰত এনে আলোচনাৰ পূৰ্বৱৰ্তিতাৰ কাৰণে" এই শব্দসমূহ বিলোপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(পঞ্চম অংশ - সংঘ)

*সংসদৰ পদাধিকাৰীসকল*

**৮৯৷ ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতি** - (১) ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ৰাজ্যসভাৰ পদেন সভাপতি হ'ব।

(২) ৰাজ্যসভাই, যথা সম্ভৱ শীঘ্ৰে ৰাজ্যসভাৰ সদস্য এজনক সভাৰ উপ-সভাপতি ৰূপে বাছনি কৰিব আৰু উপ-সভাপতিৰ পদ যেতিয়াই খালী হয় তেতিয়াই আন এজন সদস্যক ইয়াৰ উপ-সভাপতি ৰূপে বাছনি কৰিব।

**৯০৷ উপ-সভাপতিৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ** - ৰাজ্যসভাৰ উপ-সভাপতিৰ পদত অধিষ্ঠিত সদস্যজনে –

(ক) যদি তেওঁৰ ৰাজ্যসভাৰ সদস্য পদ নোহোৱা হয় তেনেহ'লে তেওঁৰ পদ খালী কৰি দিব;

(খ) যিকোনো সময়তে সভাপতিক সম্বোধন কৰি নিজ হাতে লিখি পদত্যাগ কৰিব পাৰে; আৰু

(গ) ৰাজ্যসভাৰ তৎকালীন সমূহ সদস্যৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা গৃহীত কোনো প্ৰস্তাৱৰ দ্বাৰা তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰিব:

যদিও, প্ৰস্তাৱটো উপস্থাপন কৰাৰ অভিপ্ৰায় জনাই অন্ততঃ চৈধ্য দিনৰ আগতে সূচনা নিদিয়াকৈ দফা (গ)-ৰ প্ৰয়োজনত তেনে কোনো প্ৰস্তাৱ উপস্থাপন কৰিব নোৱাৰিব।

**৯১৷ সভাপতি পদৰ কৰ্তব্যসমূহ পালন কৰিবলৈ অথবা সভাপতি ৰূপে কাৰ্য্য সম্পাদন কৰিবলৈ উপ-সভাপতি বা আন কোনো ব্যক্তিৰ ক্ষমতা** - (১) যেতিয়া সভাপতিৰ পদ খালী হৈ থাকে বা যি সময়ছোৱাত উপ-ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতি ৰূপে কাৰ্য্যনিৰ্বাহ কৰে কিম্বা ৰাষ্ট্ৰপতিৰ কাৰ্য্য পালন কৰে তেতিয়া সভাপতি পদৰ কৰ্তব্যসমূহ উপ-সভাপতিয়ে পালন কৰিব আৰু যদি উপ-সভাপতিৰ পদটোও খালী হৈ থাকে তেতিয়া ৰাষ্ট্ৰপতিয়ে সেই প্ৰয়োজনৰ নিমিত্তে নিযুক্ত কৰা ৰাজ্যসভাৰ যিকোনো সদস্যই সভাপতি পদৰ কৰ্তব্যসমূহ পালন কৰিব।

(২) ৰাজ্যসভাৰ কোনো বৈঠকত সভাপতি অনুপস্থিত থাকিলে উপ-সভাপতিয়ে বা তেৰোঁ যদি অনুপস্থিত থাকে তেনেহ'লে ৰাজ্যসভাৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীৰ দ্বাৰা নিৰ্ধাৰিত আন কোনো ব্যক্তিয়ে বা যদি এনে কোনো ব্যক্তি উপস্থিত নাথাকে তেনেহ'লে ৰাজ্যসভাৰ দ্বাৰা যথা নিৰ্ধাৰিত কোনো ব্যক্তিয়ে সভাপতি ৰূপে কাৰ্য্যনিৰ্বাহ কৰিব।

**৯২৷ সভাপতি বা উপ-সভাপতিক পদৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত সভাপতি বা উপ-সভাপতিয়ে সভাপতিত্ব নকৰিব** - (১) ৰাজ্যসভাৰ কোনো বৈঠকত যেতিয়া উপ-ৰাষ্ট্ৰপতিক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া সভাপতি, বা উপ-সভাপতিক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া উপ-সভাপতি উপস্থিত থাকিলেও সভাপতিত্ব নকৰিব, আৰু সভাপতি বা উপ-সভাপতি অনুপস্থিত থকা বৈঠকত অনুচ্ছেদ ৯১-ৰ দফা (২)-ৰ উপবন্ধাৱলী যেনেকৈ প্ৰযোজ্য হয়, এনে প্ৰত্যেক বৈঠকৰ সম্পৰ্কতো সেই উপবন্ধাৱলী তেনেকৈয়ে প্ৰযোজ্য হ'ব।

(২) উপ-ৰাষ্ট্ৰপতিক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত ৰাজ্যসভাত কথা ক'বলৈ কিম্বা আন প্ৰকাৰে ইয়াৰ কাৰ্য্যক্ৰমণিকাত অংশগ্ৰহণ কৰিবলৈ সভাপতিৰ ক্ষমতা থাকিব, কিন্তু অনুচ্ছেদ ১০০-ত যি কথাই উল্লেখ নাথাকক কিয়, এনে প্ৰস্তাৱ কিম্বা এনে কাৰ্য্যক্ৰমণিকাৰ কালত আন কোনো বিষয়ত ভোট দিবলৈ তেওঁৰ অধিকাৰ নাথাকিব।

**৯৩। লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ** - লোকসভাই যথা সম্ভৱ শীঘ্ৰে সদনৰ দুজন সদস্যক যথাক্ৰমে ইয়াৰ অধ্যক্ষ আৰু উপাধ্যক্ষ ৰূপে বাছনি কৰিব, আৰু যেতিয়াই অধ্যক্ষ বা উপাধ্যক্ষৰ পদ খালী হয়, তেতিয়াই সদনে প্ৰয়োজন অনুসৰি আন এজন সদস্যক অধ্যক্ষ বা উপাধ্যক্ষ ৰূপে বাছনি কৰিব।

**৯৪। লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ** - লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ পদত অধিষ্ঠিত হৈ থকা সদস্যই –

(ক) যদি তেওঁৰ লোকসভাৰ সদস্য পদ নোহোৱা হয় তেনেহ'লে তেওঁৰ পদ খালী কৰি দিব।

(খ) যদি তেওঁ অধ্যক্ষ হয় তেনেহ'লে উপাধ্যক্ষলৈ, আৰু যদি উপাধ্যক্ষ হয় তেনেহ'লে অধ্যক্ষলৈ সম্বোধন কৰি যিকোনো সময়তে নিজ হাতে লিখি পদত্যাগ কৰিব পাৰে, আৰু

(গ) লোকসভাৰ তৎকালীন সমূহ সদস্যৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা গৃহীত কোনো প্ৰস্তাৱৰ দ্বাৰা তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰিব:

কিন্তু, প্ৰস্তাৱটো উপস্থাপন কৰাৰ অভিপ্ৰায় জনাই অন্ততঃ চৈধ্য দিনৰ আগতে সূচনা নিদিয়াকৈ দফা (গ)-ৰ প্ৰয়োজনত তেনে কোনো প্ৰস্তাৱ উপস্থাপন কৰিব নোৱাৰিব:

অধিকন্তু, যেতিয়া লোকসভা ভংগ হয় তেতিয়া পৰৱৰ্তী লোকসভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হোৱাৰ ঠিক পূৰ্ব কাললৈকে অধ্যক্ষই তেওঁৰ পদ খালী নকৰিব।

**৯৫। অধ্যক্ষ ৰূপে কাৰ্য্য চলাবলৈ বা সেই পদৰ কৰ্তব্য পালন কৰিবলৈ উপাধ্যক্ষ বা আন লোকৰ ক্ষমতা** - (১) যেতিয়া অধ্যক্ষৰ পদ খালী হয় তেতিয়া সেই পদৰ কৰ্তব্যসমূহ উপাধ্যক্ষই বা যদি উপাধ্যক্ষৰ পদো খালী হয় তেতিয়া ৰাষ্ট্ৰপতিয়ে সেই উদ্দেশ্যে নিযুক্ত কৰা লোকসভাৰ আন কোনো সদস্যই পালন কৰিব।

(২) লোকসভাৰ কোনো বৈঠকত অধ্যক্ষ অনুপস্থিত থাকিলে উপাধ্যক্ষই বা তেৰোঁ যদি অনুপস্থিত থাকে তেনেহ'লে সদনৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীৰ দ্বাৰা নিৰ্ধাৰিত আন কোনো ব্যক্তিয়ে, বা যদি এনে কোনো ব্যক্তি উপস্থিত নেথাকে তেনেহ'লে সদনৰ দ্বাৰা যথা নিৰ্ধাৰিত আন কোনো ব্যক্তিয়ে অধ্যক্ষ ৰূপে কাৰ্য্যনিৰ্বাহ কৰিব।

**৯৬৷ পদৰ পৰা অপসাৰণৰ বাবে কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত অধ্যক্ষ বা উপাধ্যক্ষই সভাপতিত্ব নকৰিব** - (১) লোকসভাৰ কোনো বৈঠকত যেতিয়া অধ্যক্ষক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া অধ্যক্ষই, বা যেতিয়া উপাধ্যক্ষক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া উপাধ্যক্ষই উপস্থিত থাকিলেও সভাপতিত্ব নকৰিব, আৰু অধ্যক্ষ বা উপাধ্যক্ষ অনুপস্থিত থকা বৈঠকত অনুচ্ছেদ ৯৫-ৰ দফা (২)-ৰ উপবন্ধাৱলী যেনেকৈ প্ৰযোজ্য হয়, এনে প্ৰত্যেক বৈঠকৰ সম্পৰ্কতো সেই উপবন্ধাৱলী তেনেকৈয়ে প্ৰযোজ্য হ'ব।

(২) অধ্যক্ষক তেওঁৰ পদৰ পৰা অপসাৰণ কৰাৰ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত লোকসভাত কথা ক'বলৈ বা আন প্ৰকাৰে ইয়াৰ কাৰ্যক্ৰমণিকাত অংশগ্ৰহণ কৰিবলৈ অধ্যক্ষৰ অধিকাৰ থাকিব, কিন্তু অনুচ্ছেদ ১০০-ত যি কথাই উল্লেখ নাথাকক কিয়, এনে প্ৰস্তাৱ কিম্বা কাৰ্য্যক্ৰমণিকাৰ কালত আন কোনো বিষয়ত কেৱল প্ৰথমবাৰৰ বাবে তেওঁৰ ভোটদানৰ অধিকাৰ থাকিব; কিন্তু ভোটৰ সমতাৰ ক্ষেত্ৰত এনে অধিকাৰ নাথাকিব।

**৯৭৷ সভাপতি আৰু উপ-সভাপতি আৰু অধ্যক্ষ আৰু উপাধ্যক্ষৰ বেতন আৰু ভাট্টা** - ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতিক আৰু লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষক সংসদে বিধিৰ দ্বাৰা যথাক্ৰমে নিৰ্ধাৰণ কৰা অনুসৰি বেতন আৰু ভাট্টাসমূহ দিয়া হ'ব আৰ সেই মৰ্মে উপবন্ধাৱলী প্ৰস্তুত নকৰালৈকে দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা বেতন আৰু ভাট্টাসমূহ দিয়া হ'ব।

**৯৮৷ সংসদৰ সচিবালয়** - (১) সংসদৰ প্ৰত্যেক সদনৰে পৃথক সচিবালয় কৰ্মচাৰী থাকিব:

কিন্তু, এই দফাৰ কোনো কথাই সংসদৰ উভয় সদনৰ নিমিত্তে উমৈহতীয়া পদ সৃষ্টি কৰাৰ পৰা বাৰণ কৰা হৈছে বুলি অৰ্থ প্ৰকাশ নকৰিব।

(২) সংসদে বিধিৰ দ্বাৰা সংসদৰ যিকোনো সদনৰ সচিবালয়ৰ কৰ্মচাৰীসকলৰ নিযুক্তি আৰু নিযুক্তিপ্ৰাপ্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্তসমূহ বিনিয়ম কৰিব পাৰে।

(৩) সংসদৰ দ্বাৰা দফা (২)-ৰ অধীনত উপবন্ধাৱলী প্ৰস্তুত নকৰা পৰ্যন্ত ৰাষ্ট্ৰপতিয়ে ক্ষেত্ৰবিশেষে লোকসভাৰ অধ্যক্ষ বা ৰাজ্যসভাৰ সভাপতিৰ সৈতে পৰামৰ্শ কৰি লোকসভাৰ বা ৰাজ্যসভাৰ সচিবালয়ৰ কৰ্মচাৰীবৃন্দৰ নিযুক্তি আৰু নিযুক্তিপ্ৰাপ্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্তসমূহ বিনিয়ম কৰি নিয়মাৱলী প্ৰস্তুত কৰিব পাৰিব আৰু উক্ত দফাৰ অধীনত প্ৰস্তুত কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, সেই নিয়মাৱলী প্ৰযোজ্য হ'ব।

## (পঞ্চম অংশ - সংঘ)

*কাৰ্য্য পৰিচালনা*

**৯৯। সদস্যসকলৰ দ্বাৰা শপত বা অংগীকাৰ** - সংসদৰ প্ৰতিখন সদনৰ প্ৰত্যেক সদস্যই নিজ আসন গ্ৰহণ কৰাৰ পূৰ্বে ৰাষ্ট্ৰপতিৰ উপস্থিতিত, বা সেই মৰ্মে তেওঁৰ দ্বাৰা নিযুক্ত কোনো ব্যক্তিৰ উপস্থিতিত, তৃতীয় অনুসূচীত সেই অৰ্থে প্ৰদান কৰা প্ৰপত্ৰ অনুযায়ী শপত ল'ব বা অংগীকাৰ কৰিব আৰু তাত স্বাক্ষৰ কৰিব।

**১০০। সদনত ভোটদান, আসন খালী থকা সত্বেও সদনৰ কাৰ্য্য কৰাৰ ক্ষমতা আৰু থূল** - (১) এই সংবিধানে অন্য ধৰণে উপবন্ধিত কৰাৰ বাহিৰে কোনো সদনৰ কোনো বৈঠকত বা দুয়োখন সদনৰ যুটীয়া বৈঠকত উত্থাপিত সকলো প্ৰশ্ন, অধ্যক্ষ অথবা সভাপতি বা অধ্যক্ষ ৰূপে কাৰ্য্য নিৰ্বাহ কৰা ব্যক্তিৰ বাহিৰে উপস্থিত থকা আৰু ভোট দিয়া সদস্য সকলৰ সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা নিৰ্ধাৰিত কৰা হ'ব।

সভাপতি বা অধ্যক্ষই, অথবা সেই ৰূপে কাৰ্য্য নিৰ্বাহ কৰা ব্যক্তিয়ে প্ৰথমবাৰ ভোট দিব নোৱাৰিব, কিন্তু ভোটৰ সমতাৰ ক্ষেত্ৰত তেওঁ এটা নিৰ্ণায়ক ভোট পাব আৰু সেইটো প্ৰয়োগ কৰিব।

(২) কোনো সদস্য পদৰ খালী থকা সত্বেও সংসদৰ যিকোনো সদনৰে ইয়াৰ কাৰ্য্য চলাই নিবলৈ ক্ষমতা থাকিব আৰু অধিকাৰহীন কোনো ব্যক্তি কাৰ্য্যক্ৰমণিকাত উপস্থিত আছিল বা ভোট দিছিল বা আন প্ৰকাৰে তাত অংশগ্ৰহণ কৰিছিল বুলি পিচত ধৰা পৰিলেও সংসদৰ কাৰ্য্যক্ৰমণিকা মান্য হ'ব।

[১][(৩) সংসদে বিধিৰ দ্বাৰা অন্যথা উপবন্ধিত নকৰিলে, সংসদৰ যিকোনো সদনৰ কোনো বৈঠক অনুষ্ঠিত কৰিবৰ কাৰণে সেই সদনৰ সদস্যসকলৰ মুঠ সংখ্যাৰ এক দশমাংশৰে থূল হ'ব।

(৪) কোনো সদনৰ কোনো বৈঠকত কোনো সময়ত যদি থূল নহয়, তেনেহ'লে থূল হৈ নুঠা পৰ্যন্ত বৈঠক স্থগিত ৰখাটো বা নিলম্বিত কৰাটো সভাপতিৰ বা অধ্যক্ষৰ অথবা সেই ৰূপে কাৰ্য্য নিৰ্বাহ কৰা ব্যক্তিৰ কৰ্তব্য হ'ব।]

*সদস্যসকলৰ অৰ্হতাহীনতা*

**১০১। আসন খালী** - (১) কোনো ব্যক্তিয়েই সংসদৰ উভয় সদনৰ সদস্য হ'ব নোৱাৰিব আৰু কোনো ব্যক্তি উভয় সদনৰ সদস্য হ'লে যিকোনো এখন সদনত তেওঁৰ আসন খালী কৰাৰ কাৰণে সংসদে বিধিৰ দ্বাৰা উপবন্ধিত কৰিব।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ১৮-ৰ দ্বাৰা দফা (৩) আৰু (৪) বিলোপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৫-ৰ দ্বাৰা এই সংশোধনী বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) কোনো ব্যক্তি সংসদ আৰু [১]*** কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো এখন সদন - দুয়োখনৰে সদস্য হ'ব নোৱাৰিব আৰু কোনো ব্যক্তিক যদি সংসদ আৰু [২][কোনো ৰাজ্যৰ] বিধানমণ্ডলৰ কোনোখন সদনৰ সদস্য হিচাপে বাছনি কৰা হয় তেনেহ'লে ৰাষ্ট্ৰপতিয়ে প্ৰণয়ন কৰা [*]নিয়ম অনুসৰি নিৰ্দিষ্ট কৰা কালছোৱাৰ সমাপ্তিত যদিহে তেওঁ ইতিপূৰ্বে ৰাজ্যৰ বিধানমণ্ডলত তেওঁৰ আসনৰ পৰা পদত্যাগ কৰা নাই সেই ব্যক্তিৰ সংসদৰ আসন খালী হ'ব।

(৩) যদি সংসদৰ কোনোখন সদনৰ সদস্য –

[৩][(ক) অনুচ্ছেদ ১০২-ৰ দফা (১) বা দফা (২)]-ত উল্লিখিত অৰ্হতাহীনতাৰ কোনোটোৰ অধীনস্থ হয়, বা –

[৪][(খ) সভাপতি বা অধ্যক্ষক সম্বোধন কৰি নিজ হাতে লিখি তেওঁৰ আসনৰ পৰা পদত্যাগ কৰে আৰু সভাপতি বা অধ্যক্ষৰ দ্বাৰা তেওঁৰ পদত্যাগ গৃহীত হয়, যিটোৰেই প্ৰযোজ্য হয়,]

তেতিয়া তেওঁৰ আসন খালী হ'ব:

[৫][কিন্তু, উপদফা (খ)-ত উল্লিখিত কোনো পদত্যাগৰ ক্ষেত্ৰত, যদি প্ৰাপ্ত সংবাদৰ পৰা বা আন প্ৰকাৰে আৰু উপযুক্ত বুলি বিবেচনা কৰা তেনে কোনো তদন্তৰ পিচত, সভাপতি বা অধ্যক্ষ, যিটোৰেই প্ৰযোজ্য হয়, তেনে পদত্যাগ স্বেচ্ছাকৃত বা প্ৰকৃত নহয় বুলি সন্তুষ্ট হয়, তেনেহ'লে তেওঁ তেনে পদত্যাগ গ্ৰহণ নকৰিব।]

(৪) যদি সংসদৰ যিকোনো সদনৰ কোনো সদস্যই অনুমতি নোলোৱাকৈ ষাঠি দিন ধৰি সদনৰ সকলোবোৰ বৈঠকত অনুপস্থিত থাকে তেনেহ'লে তেওঁৰ আসন খালী হোৱা বুলি সদনে ঘোষণা কৰিব পাৰিব:

কিন্তু, উক্ত ষাঠি দিনৰ কালছোৱাৰ সংগণনা কৰোঁতে যি কালছোৱাত সদনৰ সত্ৰাৱসান হয় বা একে লেঠাৰিয়ে চাৰি দিনতকৈও অধিক কাল সদন স্থগিত হয়, সেই কালছোৱা লেখত ধৰা নহ'ব।

---

[১] সংবিধান (৭ সখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ "অংশ ক বা অংশ খ-ত নিৰ্দিষ্ট" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "এনে ৰাজ্যৰ" সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] আইন মন্ত্ৰালয়ৰ অধিসূচনা নং এফ ৪৬/৫০ চি তাৰিখ ২৬ জানুৱাৰী, ১৯৫০-ৰ লগত ভাৰত ৰাজপত্ৰ অসাধাৰণ, ৬৭৮ পৃষ্ঠাত প্ৰকাশিত "সমকালীন সদস্যতা প্ৰতিষেধ নিয়মাৱলী" চাওক।

[৩] সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ ধাৰা ২-ৰ দ্বাৰা "অনুচ্ছেদ ১০২-ৰ দফা (১)"-ৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৩৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৪-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰতিস্থাপিত (১৯-৫-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৯-৫-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১০২৷ সদস্য পদৰ কাৰণে অৰ্হতাহীনতা** - (১) কোনো ব্যক্তি সংসদৰ কোনোখন সদনৰ সদস্যৰূপে বাছনি পাবলৈ বা সদস্য হ'বৰ কাৰণে অযোগ্য হ'ব –

[১][(ক) যদি তেওঁ সংসদে বিধিৰ দ্বাৰা পদধাৰীক অযোগ্য নহয় বুলি ঘোষণা কৰা পদৰ বাহিৰে, ভাৰত চৰকাৰৰ বা কোনো ৰাজ্য চৰকাৰৰ অধীনত কোনো লাভজনক পদৰী ধাৰণ কৰি থাকে;]

(খ) যদি তেওঁ বিকৃত মানসিক অৱস্থাৰ হয় আৰু কোনো উপযুক্ত ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত হয়;

(গ) যদি তেওঁ দেউলীয়া অৱস্থাৰ পৰা মুক্ত নহয়;

(ঘ) যদি তেওঁ ভাৰতৰ নাগৰিক নহয়, বা কোনো বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব স্বেচ্ছাই আহৰণ কৰিছে বা কোনো বিদেশী ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ বা নিষ্ঠা স্বীকাৰ কৰিছে;

(ঙ) যদি তেওঁক সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ দ্বাৰা বা অধীনত তেনেদৰে অযোগ্য ঘোষণা কৰা হৈছে।

[২][*ব্যাখ্যা* – এই দফাৰ প্ৰয়োজনৰ বাবে] কোনো ব্যক্তিক সংঘৰ বা কোনো ৰাজ্যৰ মন্ত্ৰী হ'লেই ভাৰত চৰকাৰ অথবা কোনো ৰাজ্য চৰকাৰৰ অধীনত লাভজনক পদৰী ধাৰণ কৰা বুলি গণ্য কৰা নহ'ব।

[৩][(২) কোনো ব্যক্তি সংসদৰ যিকোনো সদনৰ সদস্য হ'বলৈ অযোগ্য হ'ব যদিহে তেওঁ দশম অনুসূচীৰ অধীনত এনেদৰে অযোগ্য হয়।]

[৪]**[১০৩৷ সদস্যসকলৰ অৰ্হতাহীনতা বিষয়ক প্ৰশ্নৰ ওপৰত সিদ্ধান্ত** - (১) যদি সংসদৰ কোনো সদনৰ সদস্য অনুচ্ছেদ ১০২-ৰ দফা (১)-ত উল্লিখিত অৰ্হতাহীনতাৰ কোনোটোৰ অধীনস্থ হোৱা বা নোহোৱা সম্পৰ্কে কোনো প্ৰশ্ন উঠে তেনেহ'লে সেই প্ৰশ্ন ৰাষ্ট্ৰপতিৰ সিদ্ধান্তৰ কাৰণে প্ৰেৰণ কৰা হ'ব আৰু ৰাষ্ট্ৰপতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬, ধাৰা ১৯-ৰ দ্বাৰা প্ৰতিস্থাপিত অনুসৰি এইদৰে পঢ়িব লাগিব "(ক) যদি তেওঁ ভাৰত চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰৰ অধীনত এনে কোনো লাভজনক পদৰীত অধিষ্ঠিত হয় যিটোৰ ধাৰকক সংসদে অধিনিয়মৰ দ্বাৰা অযোগ্য ঘোষণা কৰিছে" (তাৰিখৰ জাননী দিয়া হোৱা নাই)। এই সংশোধনী সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ৪৫-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

[২] সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ ধাৰা ৩-ৰ দ্বাৰা "(২) এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে"ৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬, ধাৰা ২০-ৰ দ্বাৰা অনুচ্ছেদ ১০৩-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ১৪-ৰ দ্বাৰা অনুচ্ছেদ ১০৩-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) এনে কোনো প্ৰশ্নৰ ওপৰত সিদ্ধান্ত দিয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়োগৰ অভিমত ল'ব আৰু এনে অভিমত অনুসৰি কাৰ্য কৰিব।]

**১০৪। অনুচ্ছেদ ৯৯-ৰ অধীনত শপত লোৱা বা অংগীকাৰ কৰাৰ পূৰ্বে বা যোগ্য নোহোৱাকৈ বা অযোগ্য হৈ সদস্যৰ স্থানত বহা আৰু ভোটদান কৰাৰ বাবে দণ্ড** - যদি কোনো ব্যক্তিয়ে অনুচ্ছেদ ৯৯-ৰ প্ৰয়োজনীয়তাসমূহ পূৰ্ণ কৰাৰ পূৰ্বে সংসদৰ যিকোনো সদনৰ সদস্য ৰূপে বহে বা ভোটদান কৰে অথবা যেতিয়া তেওঁ সংসদৰ যিকোনো সদনৰ সদস্যৰ বাবে যোগ্য নহয় বা অযোগ্য হয় বুলি জানিও, অথবা সংসদৰ দ্বাৰা প্ৰস্তুত কোনো বিধিৰ উপবন্ধাৱলীৰ দ্বাৰা তেওঁক তেনেদৰে বহিবলৈ বা ভোটদান কৰিবলৈ নিষেধ কৰা হোৱা বুলি জানিও তেনে কৰে, তেনেহ'লে তেওঁ তেনেকৈ বহা বা ভোটদান কৰা প্ৰত্যেক দিনৰ বাবে পাঁচশ টকাৰ দণ্ডৰে দণ্ডনীয় হ'ব আৰু সেই টকা সংঘক দিবলগীয়া ঋণ হিচাপে আদায় কৰা হ'ব।

*সংসদ আৰু তাৰ সদস্যসকলৰ ক্ষমতা, বিশেষাধিকাৰ আৰু প্ৰতিৰক্ষণ*

**১০৫। সংসদৰ দুয়োখন সদন আৰু তাৰ সদস্যসকলৰ আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ ইত্যাদি** - (১) এই সংবিধানৰ উপবন্ধাৱলী আৰু সংসদৰ প্ৰক্ৰিয়া নিয়ন্ত্ৰিত কৰা নিয়মাৱলী আৰু স্থায়ী আদেশসমূহৰ সাপেক্ষে, সংসদত বাক্-স্বাধীনতা থাকিব।

(২) সংসদ বা তাৰ কোনো সমিতিত কোৱা কোনো কথা বা প্ৰদান কৰা কোনো ভোটৰ সম্পৰ্কত সংসদৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো ন্যায়ালয়ত কোনো কাৰ্যক্ৰমণিকা নচলিব আৰু সংসদৰ যিকোনো সদনৰ প্ৰাধিকাৰৰ দ্বাৰা বা অধীনত কোনো প্ৰতিবেদন, পত্ৰ, ভোট বা কাৰ্যক্ৰমণিকা প্ৰকাশনৰ সম্পৰ্কতো কোনো ব্যক্তি দায়ী নহ'ব।

[১][(৩) অন্যান্য বিষয়ত সংসদৰ প্ৰত্যেক সদনৰ আৰু প্ৰত্যেক সদনৰ সদস্যসকলৰ আৰু ইয়াৰ সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ সংসদে বিধিৰ দ্বাৰা সময়ে সময়ে সংজ্ঞায়িত কৰি দিয়া অনুসৰি হ'ব; আৰু তেনে প্ৰকাৰে সংজ্ঞায়িত নোহোৱা পৰ্য্যন্ত [২][সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৫ কাৰ্যকৰী হোৱাৰ ঠিক পূৰ্বে সেই সদনৰ আৰু তাৰ সদস্যসকলৰ তথা সমিতিসমূহৰ যিবিলাক ক্ষমতা, বিশেষাধিকাৰ আৰু প্ৰতিৰক্ষণ থাকে সেইসমূহেই হ'ব।]]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬, ধাৰা ২১-ৰ দ্বাৰা প্ৰতিস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ৪৫-ৰ দ্বাৰা এই অনুচ্ছেদ বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৭৮-ৰ ধাৰা ১৫-ৰ দ্বাৰা কিছুমান শব্দ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৪) এই সংবিধানৰ আধাৰত যিসকল ব্যক্তিয়ে সংসদৰ কোনো সদনত বা তাৰ কোনো সমিতিত কথা ক'বৰ বা আন প্ৰকাৰে তাৰ কাৰ্যক্ৰমণিকাত অংশ গ্ৰহণ কৰিবৰ অধিকাৰ লাভ কৰে, তেনে ব্যক্তিৰ ক্ষেত্ৰত সংসদৰ সদস্যসকলৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাৰ দৰে ধাৰা (১), (২) আৰু (৩)-ৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব।

**১০৬। সদস্যসকলৰ বেতন আৰু ভাট্টা** - সংসদে বিধিৰ দ্বাৰা সময়ে সময়ে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি বেতন আৰু ভাট্টা লাভ কৰিবলৈ আৰু সেই ক্ষেত্ৰত তেনে উপবন্ধাৱলী প্ৰস্তুত নোহোৱা পৰ্য্যন্ত এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত ডমিনিয়নৰ সংবিধান সভাৰ সদস্যসকলৰ ক্ষেত্ৰত প্ৰযোজ্য নিৰিখত আৰু চৰ্ত অনুসৰি ভাট্টা লাভ কৰিবলৈ সংসদৰ যিকোনো সদনৰ সদস্যসকলৰ অধিকাৰ থাকিব।

*বিধান প্ৰক্ৰিয়া*

**১০৭। বিধেয়ক উত্থাপন আৰু পাৰিতকৰণ সম্পৰ্কীয় উপবন্ধাৱলী** - (১) ধন সম্পৰ্কীয় বিধেয়ক আৰু অন্যান্য বিত্তীয় বিধেয়কৰ ক্ষেত্ৰত থকা অনুচ্ছেদ ১০৯ আৰু ১১৭-ৰ উপবন্ধাৱলী সাপেক্ষে, কোনো বিধেয়কৰ প্ৰথম উত্থাপন সংসদৰ যি কোনো সদনতে হ'ব পাৰে।

(২) অনুচ্ছেদ ১০৮ আৰু ১০৯-ৰ উপবন্ধাৱলী সাপেক্ষে, উভয় সদনৰ দ্বাৰা বিনা সংশোধনীৰে অথবা উভয় সদনৰ দ্বাৰা কেৱল যথা স্বীকৃত সংশোধনীসহ স্বীকৃত নোহোৱা পৰ্য্যন্ত, কোনো বিধেয়ক সংসদৰ সদন দুখনৰ দ্বাৰা পাৰিত হোৱা বুলি গণ্য নহ'ব।

(৩) সংসদত বিবেচনাধীন কোনো বিধেয়ক সদন দুখনৰ সত্ৰাৱসান হোৱা হেতু তামাদি নহ'ব।

(৪) ৰাজ্যসভাত বিবেচনাধীন হৈ থকা কিন্তু লোকসভাৰ দ্বাৰা পাৰিত নোহোৱা কোনো বিধেয়ক লোকসভা ভংগ হ'লে তামাদি নহ'ব।

(৫) লোকসভাৰ বিবেচনাধীন বা লোকসভাৰ দ্বাৰা পাৰিত হৈ ৰাজ্যসভাত বিবেচনাধীন হৈ থকা কোনো বিধেয়ক, অনুচ্ছেদ ১০৮-ৰ উপবন্ধাৱলী সাপেক্ষে, লোকসভা ভংগ হ'লে তামাদি নহ'ব।

**১০৮। কোনো নিৰ্দিষ্ট ক্ষেত্ৰত উভয় সদনৰ যুটীয়া বৈঠক** - (১) যদি কোনো বিধেয়ক এখন সদনৰ দ্বাৰা পাৰিত হৈ আনখন সদনলৈ প্ৰেৰিত হোৱাৰ পিচত –

(ক) আনখন সদনৰ দ্বাৰা বিধেয়কখন অগ্ৰাহ্য কৰা হয়; বা

(খ) বিধেয়কখনত কৰিবলগীয়া সংশোধন সম্পৰ্কে দুয়োখন সদন চূড়ান্তভাৱে দ্বিমত হয়; বা

(গ) আনখন সদনৰ দ্বাৰা বিধেয়কখন প্ৰাপ্তিৰ তাৰিখৰ পৰা বিধেয়কখন পাৰিত নোহোৱাকৈয়ে ছয় মাহতকৈও অধিক কাল অতিবাহিত হয়;

তেনেহ'লে ৰাষ্ট্ৰপতিয়ে লোকসভা ভংগ হোৱা হেতুকে বিধেয়কখন তামাদি নহ'লে বিধেয়কৰ ওপৰত পৰ্যালোচনা আৰু ভোটদান কৰাৰ উদ্দেশ্যে যুটীয়া বৈঠকত সন্মিলিত হ'বৰ কাৰণে উভয় সদনক, যদি বৈঠকত থাকে তেনেহ'লে বাৰ্তাৰ দ্বাৰা আৰু যদি বৈঠকত নাথাকে তেনেহ'লে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা, আহ্বান কৰিবলৈ তেওঁৰ অভিপ্ৰায় অধিসূচিত কৰিব পাৰে:

কিন্তু, এই দফাৰ কোনো কথা ধন সম্পৰ্কীয় বিধেয়কত প্ৰযোজ্য নহ'ব।

(২) দফা (১)-ত যথা নিৰ্দেশিত ছমাহৰ কালছোৱা গণনা কৰোঁতে যি কালছোৱাত উক্ত দফাৰ উপদফা (গ)-ত নিৰ্দেশিত সদনৰ সত্ৰাৱসান হয় বা একে লেঠাৰিয়ে চাৰি দিনতকৈও অধিক সদন স্থগিত ৰখা হয়, সেই কালছোৱা লেখত লোৱা নহ'ব।

(৩) যেতিয়া ৰাষ্ট্ৰপতিয়ে দফা (১)-ৰ অধীনত যুটীয়া বৈঠকত মিলিত হ'বৰ কাৰণে সদন দুখনক আহ্বান কৰাৰ অভিপ্ৰায় অধিসূচিত কৰে, তেতিয়া কোনোখন সদনেই বিধেয়কখনৰ কাৰ্য্যক্ৰমণিকাৰ ক্ষেত্ৰত অধিক আগ নাবাঢ়িব; কিন্তু ৰাষ্ট্ৰপতিয়ে তেওঁৰ অধিসূচনাৰ তাৰিখৰ পিচত যি কোনো সময়তে অধিসূচনাত নিৰ্দিষ্ট কৰা উদ্দেশ্যৰ বাবে যুটীয়া বৈঠকত মিলিত হ'বৰ কাৰণে সদন দুখনক আহ্বান কৰিব পাৰে আৰু যদি তেওঁ তেনে কৰে তেন্তে সদন দুখন সেই অনুসৰি মিলিত হ'ব।

(৪) যদি দুয়োখন সদনৰ যুটীয়া বৈঠকত, বিধেয়কখনৰ কোনো সংশোধনী থাকিলে সেই যুটীয়া বৈঠকত স্বীকৃত হোৱা এনে সংশোধনীসহ, বিধেয়কখন উভয় সদনৰ উপস্থিত থকা আৰু ভোটদান কৰা সদস্যসকলৰ মুঠ সংখ্যাৰ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা পাৰিত হয়, তেনেহ'লে এই সংবিধানৰ প্ৰয়োজন অনুসৰি সেই বিধেয়কখন উভয় সদনৰ দ্বাৰা পাৰিত হোৱা বুলি গণ্য কৰা হ'ব:

কিন্তু, যুটীয়া বৈঠকত -

(ক) যদি বিধেয়কখন এখন সদনৰ দ্বাৰা সংশোধনসহ পাৰিত নহয় আৰু যিখন সদনত ইয়াৰ প্ৰথম উত্থাপন হৈছিল সেই সদনলৈ পুনঃপ্ৰেৰিত নহয়, তেনেহ'লে বিধেয়কখনৰ অনুমোদনত পলম হোৱাৰ বাবে আৱশ্যক হৈ উঠা সংশোধনীৰ (যদিহে থাকে) বাহিৰে বিধেয়কত আন কোনো সংশোধনী প্ৰস্তাৱিত নহ'ব;

(খ) যদি বিধেয়কখন সেই প্ৰকাৰে পাৰিত হয় আৰু পুনঃপ্ৰেৰিত হয়, তেনেহ'লে কেৱল পূৰ্ব্বোক্ত প্ৰকাৰৰ সংশোধনী আৰু সদন দুখন সন্মত হ'ব নোৱাৰা বিষয়ৰ সৈতে প্ৰাসংগিক আন এনে সংশোধনীহে বিধেয়কখনত প্ৰস্তাৱিত হ'ব;

আৰু এই দফাৰ অধীনত কোনবোৰ সংশোধন গ্ৰাহ্য হ'ব সেই সম্পৰ্কে বৈঠকত অধ্যক্ষতা কৰা ব্যক্তিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৫) যুটীয়া বৈঠকত মিলিত হোৱাৰ কাৰণে সদন দুখনক আহ্বান কৰাৰ অভিপ্ৰায় ৰাষ্ট্ৰপতিয়ে অধিসূচিত কৰাৰ পিচত লোকসভা ভংগই ব্যাহত কৰা সত্বেও এই অনুচ্ছেদৰ অধীনত যুটীয়া বৈঠক হ'ব পাৰে আৰু তাত কোনো বিধেয়ক পাৰিত হ'ব পাৰে।

**১০৯। ধন সম্পৰ্কীয় বিধেয়কৰ সন্দৰ্ভত বিশেষ প্ৰক্ৰিয়া** - (১) ধন সম্পৰ্কীয় বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰা নহ'ব।

(২) লোকসভাই এখন ধন সম্পৰ্কীয় বিধেয়ক পাৰিত কৰাৰ পিচত সেইখন চুপাৰিছৰ অৰ্থে ৰাজ্যসভালৈ প্ৰেৰণ কৰা হ'ব আৰু ৰাজ্যসভাই বিধেয়কখন প্ৰাপ্ত কৰা তাৰিখৰ চৈধ্য দিনৰ ভিতৰত নিজৰ চুপাৰিছসহ বিধেয়কখন লোকসভালৈ ঘূৰাই পঠাব আৰু তেতিয়া লোকসভাই ৰাজ্যসভাৰ চুপাৰিছসমূহৰ সকলোবোৰ বা যিকোনো গ্ৰহণ বা প্ৰত্যাখ্যান কৰিব পাৰে।

(৩) যদি লোকসভাই ৰাজ্যসভাৰ চুপাৰিছসমূহৰ কোনোটো গ্ৰহণ কৰে, তেনেহ'লে ৰাজ্যসভাই চুপাৰিছ কৰা আৰু লোকসভাই গ্ৰহণ কৰা সংশোধনীসহ ধন সম্পৰ্কীয় বিধেয়কখন উভয় সদনৰ দ্বাৰা পাৰিত হৈছে বুলি গণ্য হ'ব।

(৪) যদি লোকসভাই ৰাজ্যসভাৰ চুপাৰিছসমূহৰ কোনোটো গ্ৰহণ নকৰে, তেনেহ'লে ৰাজ্যসভাই চুপাৰিছ কৰা কোনো সংশোধন অবিহনে লোকসভাই যি ৰূপত ইয়াক পাৰিত কৰে, সেই ৰূপতে ধন সম্পৰ্কীয় বিধেয়কখন উভয় সদনৰ দ্বাৰা পাৰিত হৈছে বুলি গণ্য হ'ব।

(৫) যদি লোকসভাৰ দ্বাৰা পাৰিত কৰা তথা ৰাজ্যসভালৈ চুপাৰিছৰ অৰ্থে প্ৰেৰিত কৰা ধন সম্পৰ্কীয় বিধেয়কখন চৈধ্য দিনৰ উক্ত সময়ৰ ভিতৰত লোকসভালৈ পুনৰ প্ৰেৰিত নহয়, তেনেহ'লে উক্ত সময়ৰ সমাপ্তিত যি ৰূপত লোকসভাৰ দ্বাৰা ইয়াক পাৰিত কৰা হৈছিল, সেই ৰূপতেই ই উভয় সদনৰ দ্বাৰা পাৰিত হোৱা বুলি গণ্য হ'ব।

**১১০। ধন সম্পৰ্কীয় বিধেয়কৰ সংজ্ঞা** - (১) এই অধ্যায়ৰ প্ৰয়োজনৰ কাৰণে কোনো বিধেয়কক ধন সম্পৰ্কীয়  বিধেয়ক বুলি গণ্য কৰা হ'ব যদি ইয়াত কেৱল নিম্নলিখিত বিষয়সমূহৰ সকলোবোৰ বা যিকোনোটোৰ লগত সম্পৰ্কিত উপবন্ধাৱলী অন্তৰ্ভুক্ত হৈ থাকে, যেনে -

(ক) কোনো কৰৰ আৰোপণ, বিলোপন, হ্ৰাসকৰণ, পৰিৱৰ্তন বা নিয়ম;

(খ) ভাৰত চৰকাৰৰ দ্বাৰা ধনৰ ঋণ গ্ৰহণ বা কোনো নিশ্চিতি প্ৰদান কৰাৰ নিয়ম বা ভাৰত চৰকাৰৰ দ্বাৰা লোৱা বা ল'ব খোজা কোনো বিত্তীয় বাধ্য-বাধকতা সম্পৰ্কত বিধিৰ সংশোধন;

(গ) ভাৰতৰ একত্ৰীকৃত নিধি বা আকস্মিকতা নিধিৰ তত্বাৱধানত থকা, এনে কোনো নিধিলৈ ধন আদায় দিয়া বা তাৰ পৰা ধন উলিওৱা;

(ঘ) ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ধনৰ বিনিয়োজন;

(ঙ) কোনো ব্যয় ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় বুলি ঘোষণা কৰা বা এনে কোনো ব্যয়ৰ পৰিমাণ বৃদ্ধি কৰা;

(চ) ভাৰতৰ একত্ৰীকৃত নিধি বা ভাৰতৰ ৰাজহুৱা হিচাপৰ বাবদ ধন প্ৰাপ্ত কৰা বা এনে ধনৰ তত্বাৱধানত থকা বা নিৰ্গমন বা সংঘ বা ৰাজ্যৰ হিচাপ-পৰীক্ষণ, বা

(ছ) (ক)-ৰ পৰা (চ)-লৈকে এই উপদফাকেইটাত নিৰ্দিষ্ট বিষয়সমূহৰ যিকোনো এটাৰ আনুষংগিক কোনো বিষয়।

(২) কেৱল জৰিমনা বা আন আৰ্থিক দণ্ড আৰোপনৰ অৰ্থে বা অনুজ্ঞা প্ৰাপ্তিৰ অথবা সেৱাৰ বাবে মাচুল দাবী কৰা বা দিয়াৰ বাবে ব্যৱস্থা কৰিছে বুলিয়েই বা কেৱল কোনো স্থানীয় প্ৰাধিকাৰী বা নিকায়ৰ দ্বাৰা স্থানীয় প্ৰয়োজনৰ কাৰণে কোনো কৰৰ আৰোপন, বিলোপন, পৰিহাৰ, পৰিৱৰ্তন বা নিয়মৰ ব্যৱস্থা কৰিছে বুলিয়েই কোনো বিধেয়ক ধন সম্পৰ্কীয় বিধেয়ক বুলি গণ্য নহ'ব।

(৩) কোনো বিধেয়ক ধন সম্পৰ্কীয় বিধেয়ক হয়নে নহয় সেই সম্পৰ্কে কোনো প্ৰশ্নৰ উদ্ভৱ হ'লে সেই বিষয়ত লোকসভাৰ অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৪) অনুচ্ছেদ ১০৯-ৰ অধীনত ৰাজ্যসভালৈ প্ৰেৰণ কৰোঁতে আৰু অনুচ্ছেদ ১১১-ৰ অধীনত ৰাষ্ট্ৰপতিৰ সন্মতি লাভৰ বাবে প্ৰেৰণ কৰোঁতে প্ৰত্যেক ধন সম্পৰ্কীয় বিধেয়কৰ ওপৰত সেইখন ধন সম্পৰ্কীয় বিধেয়ক বুলি লোকসভাৰ অধ্যক্ষৰ স্বাক্ষৰসহ প্ৰমাণপত্ৰ সংলগ্ন কৰিব লাগিব।

**১১১। বিধেয়কত সন্মতি প্ৰদান** - সংসদৰ দুয়োখন সদনৰ দ্বাৰা কোনো বিধেয়ক পাৰিত হ'লে সেই বিধেয়কখন ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা হ'ব, আৰু ৰাষ্ট্ৰপতিয়ে তেওঁ সেই বিধেয়কত সন্মতি দিছে, নতুবা তাত সন্মতি দিয়াৰ পৰা বিৰত আছে বুলি ঘোষণা কৰিব:

কিন্তু, সন্মতিৰ কাৰণে বিধেয়কখন প্ৰেৰণ কৰাৰ পিচত ৰাষ্ট্ৰপতিয়ে যদিহে ই ধন সম্পৰ্কীয় বিধেয়ক নহয়, তেনেহ'লে সেই বিধেয়ক বা তাৰ কোনো বিশেষ উপবন্ধাৱলীৰ পুনৰ বিচাৰ কৰিবলৈ আৰু বিশেষকৈ তেওঁৰ নিজ বাণীত চুপাৰিছ কৰি দিয়া তেনে কোনো সংশোধন উত্থাপন কৰাৰ বাঞ্ছনীয়তাৰ বিচাৰ কৰিবলৈ অনুৰোধ কৰি বাণীসহ যথাসম্ভৱ শীঘ্ৰে বিধেয়কখন সদন দুখনলৈ ঘূৰাই পঠাব পাৰে আৰু যেতিয়া বিধেয়কখন তেনেকৈ ঘূৰাই পঠোৱা হয় তেতিয়া সদন দুখনে সেই অনুসাৰে বিধেয়কখনৰ পুনৰ বিচাৰ কৰিব আৰু যদি বিধেয়কখন সংশোধনসহ বা বিনা সংশোধনেৰে সদন দুখনৰ দ্বাৰা পুনৰ পাৰিত হয় আৰু সন্মতিৰ কাৰণে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা হয়, তেনেহ'লে ৰাষ্ট্ৰপতিয়ে তাত সন্মতি দিয়াৰ পৰা বিৰত থকিব নোৱাৰিব।

*বিত্তীয় বিষয় সম্পৰ্কীয় প্ৰক্ৰিয়া*

**১১২। বাৰ্ষিক বিত্তীয় বিৱৰণ** - (১) প্ৰত্যেক বিত্তীয় বছৰৰ ক্ষেত্ৰত এই ভাগত “বাৰ্ষিক বিত্তীয় বিৱৰণ” নামে উল্লিখিত সেই বছৰৰ নিমিত্তে ভাৰত চৰকাৰৰ প্ৰস্তাৱিত আয় আৰু ব্যয়ৰ এক বিৱৰণ ৰাষ্ট্ৰপতিয়ে সংসদৰ উভয় সদনতে উত্থাপনৰ ব্যৱস্থা কৰিব।

(২) বাৰ্ষিক বিত্তীয় বিৱৰণত প্ৰস্তাৱিত ব্যয় সুকীয়াকৈ সন্নিৱিষ্টকৰণ -

(ক) এই সংবিধানৰ দ্বাৰা ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় বুলি বৰ্ণিত হোৱা ব্যয় পূৰণৰ বাবে প্ৰয়োজনীয় ধনৰাশি; আৰু

(খ) ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ব্যয় কৰিবলৈ প্ৰস্তাৱিত অন্য ব্যয় পূৰণৰ কাৰণে প্ৰয়োজনীয় ধনৰাশি পৃথককৈ দেখুৱাব আৰু ৰাজস্ব হিচাপৰ ব্যয় আন ব্যয়ৰ পৰা প্ৰভেদ কৰি দেখুৱাব।

(৩) নিম্নোক্ত ব্যয়সমূহ ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় হ'ব -

(ক) ৰাষ্ট্ৰপতিৰ পাৰিশ্ৰমিক আৰু ভাট্টাসমূহ আৰু তেওঁৰ পদ সম্পৰ্কীয় অন্যান্য ব্যয়;

(খ) ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতি আৰু লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ বেতন আৰু ভাট্টাসমূহ;

(গ) সুত, ঋণ পৰিশোধ নিধি মাচুল আৰু বিমোচন মাচুল অন্তৰ্গত কৰি ভাৰত চৰকাৰৰ দায়িত্বাধীন ঋণ মাচুলসমূহ আৰু ধাৰ গ্ৰহণ আৰু ঋণ মাচুল আৰু ঋণ বিমোচন সম্পৰ্কীয় অন্য ব্যয়সমূহ;

(ঘ) (i) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক বা ন্যায়াধীশসকলৰ ক্ষেত্ৰত দিবলগীয়া বেতন, ভাট্টা আৰু অৱসৰ-বেতন;

(ii) যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশসকলক বা ন্যায়াধীশসকলৰ ক্ষেত্ৰত দিবলগীয়া অৱসৰ-বেতন;

(iii) যি উচ্চ ন্যায়ালয়ে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ অন্তৰ্ভুক্ত কোনো ক্ষেত্ৰ সম্পৰ্কে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে অথবা এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যিকোনো সময়ত [১][ভাৰত ডমিনিয়নৰ কোনো ৰাজ্যপাল-শাসিত প্ৰদেশৰ] অন্তৰ্ভুক্ত কোনো ক্ষেত্ৰ সম্পৰ্কে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিছিল, সেই উচ্চ ন্যায়ালয়সমূহৰ ন্যায়াধীশসকলক বা ন্যায়াধীশসকলৰ ক্ষেত্ৰত দিবলগীয়া অৱসৰ-বেতন;

(ঙ) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক বা তেওঁৰ ক্ষেত্ৰত দিবলগীয়া বেতন, ভাট্টা আৰু অৱসৰ-বেতন;

(চ) কোনো ন্যায়ালয় অথবা মধ্যস্থ-ন্যায়াধিকৰণৰ কোনো ন্যায়নিৰ্ণয়, ডিক্ৰী বা ৰায়ৰ সন্তুষ্টিৰ অৰ্থে প্ৰয়োজনীয় কোনো ধনৰাশি;

(ছ) এই সংবিধানৰ দ্বাৰা অথবা সংসদে বিধিৰ দ্বাৰা এনেভাৱে আৰোপিত হ'ব বুলি ঘোষণা কৰা আন কোনো ব্যয়।

**১১৩। সংসদত প্ৰস্তাৱিত ব্যয় সম্পৰ্কীয় প্ৰক্ৰিয়া** - (১) ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় সম্পৰ্কীয় যিখিনি প্ৰস্তাৱিত ব্যয় থাকে সেইখিনি সংসদৰ ভোটৰ উপস্থাপন কৰা নহ'ব, কিন্তু এই দফাৰ কোনো কথাই সেই প্ৰস্তাৱিত ব্যয়সমূহৰ কোনোটো সংসদৰ যিকোনো সদনত আলোচনা কৰাৰ পৰা নিবাৰণ কৰা বুলি বুজোৱা নহ'ব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ ক অংশত নিৰ্দেশিত ৰাজ্য সম্পৰ্কিত কোনো প্ৰদেশ"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)

(২) উক্ত প্ৰস্তাৱিত ব্যয়ৰ যিমানখিনি অন্য ব্যয় সম্পৰ্কীয় হয় সেই পৰিমাণে অনুদানৰ বাবে দাবীৰ ৰূপত লোকসভাত দাঙি ধৰিব আৰু যিকোনো দাবীত অনুমতি দিবলৈ বা অনুমতি অস্বীকাৰ কৰিবলৈ অথবা তাত নিৰ্দিষ্ট ৰাশিৰ হ্ৰাসকৰণ সাপেক্ষে কোনো দাবীত অনুমতি দিবলৈ লোকসভাৰ ক্ষমতা থাকিব।

(৩) ৰাষ্ট্ৰপতিৰ চুপাৰিছ অবিহনে কোনো অনুদানৰ দাবী কৰা নহ'ব।

**১১৪। বিনিয়োজন বিধেয়ক** – (১) লোকসভাই অনুচ্ছেদ ১১৩-ৰ অধীনত অনুদানসমূহ মঞ্জুৰী দিয়াৰ পিচত যথা শীঘ্ৰে নিম্নোক্ত ব্যয়সমূহ পূৰণাৰ্থে আৱশ্যক হোৱা সকলো ধন ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা বিনিয়োজন কৰাৰ বিধান কৰি বিধেয়ক উত্থাপন কৰিব -

(ক) লোকসভাৰ দ্বাৰা এনেকৈ মঞ্জুৰী দিয়া অনুদানসমূহ; আৰু

(খ) ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয়, কিন্তু কোনো ক্ষেত্ৰতে সংসদত পূৰ্বে দাঙি ধৰা বিবৰণত দৰ্শোৱা ৰাশিতকৈ অধিক হ'ব নোৱাৰিব।

(২) সংসদৰ কোনো সদনতে এনে বিধেয়কৰ ওপৰত এনে সংশোধন প্ৰস্তাৱ কৰিব নোৱাৰিব যাৰ ফলত এনেকৈ মঞ্জুৰী দিয়া কোনো অনুদানৰ ধন ৰাশিৰ হেৰফেৰ অথবা লক্ষ্যৰ পৰিৱৰ্তন অথবা ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত কোনো ব্যয়ৰ ৰাশিৰ হেৰফেৰ হয়, আৰু এই দফাৰ অধীনত কোনো সংশোধন অগ্ৰাহ্য হয় নে নহয় সেই বিষয়ে পদাধিষ্ঠিত ব্যক্তিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৩) অনুচ্ছেদ ১১৫ আৰু ১১৬-ৰ উপবন্ধাৱলী সাপেক্ষে এই অনুচ্ছেদৰ উপবন্ধাৱলী অনুসৰি পাৰিত বিধিৰ দ্বাৰা কৰা বিনিয়োজনৰ অধীন ব্যতিৰেকে ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা কোনো ধন উলিয়াব নোৱাৰিব।

**১১৫। পৰিপূৰক, অতিৰিক্ত অথবা মাত্ৰাধিক অনুদান** - (১) ৰাষ্ট্ৰপতিয়ে –

(ক) যদি অনুচ্ছেদ ১১৪-ৰ উপবন্ধাৱলী অনুসৰি কৰা কোনো বিধিৰ দ্বাৰা চলিত বিত্তীয় বছৰত কোনো বিশেষ সেৱাৰ কাৰণে ব্যয় কৰিবলৈ প্ৰাধিকৃত ধনৰাশি সেই বছৰৰ প্ৰয়োজনৰ বাবে পৰ্য্যাপ্ত নহয় অথবা যেতিয়া চলিত বিত্তীয় বছৰত উক্ত বছৰৰ বাৰ্ষিক বিত্তীয় বিৱৰণত অবিবেচিত কোনো নতুন সেৱাৰ কাৰণে পৰিপুৰক বা মাত্ৰাধিক ব্যয়ৰ আৱশ্যকতা উদ্ভৱ হয়, অথবা

(খ) যদি কোনো বিত্তীয় বছৰত কোনো নতুন সেৱাৰ কাৰণে সেই সেৱাত উক্ত বছৰৰ অনুদানৰ ৰাশিতকৈ অতিৰিক্ত ধন ব্যয় কৰা হয়,

সেই ব্যয়ৰ প্ৰস্তাৱিত ৰাশি দৰ্শাই স্থান বিশেষে সংসদৰ উভয় সদনত আন এটা বিৱৰণ দাখিল কৰোৱাব অথবা লোকসভাত এনে মাত্ৰাধিক্যৰ দাবী উত্থাপন কৰোৱাব।

(২) বাৰ্ষিক বিত্তীয় বিৱৰণ আৰু তাত বৰ্ণিত ব্যয় অথবা অনুদানৰ কোনো দাবী আৰু ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা এনে কোনো ব্যয় বা অনুদান পূৰণৰ নিমিত্তে ধনৰ বিনিয়োজন প্ৰাধিকৃত কৰিবলৈ প্ৰস্তুত কৰিবলগীয়া বিধিৰ সম্পৰ্কত অনুচ্ছেদ ১১২, ১১৩ আৰু ১১৪-ৰ উপবন্ধাৱলী যেনেকৈ প্ৰযোজ্য হয়, এনে কোনো বিৱৰণ আৰু ব্যয় বা দাবী সম্পৰ্কত তথা ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা এনে ব্যয় অথবা এনে দাবী সম্বন্ধীয় অনুদান পূৰণৰ নিমিত্তে ধনৰ বিনিয়োজন প্ৰাধিকৃত কৰাৰ অৰ্থে প্ৰস্তুত কৰা কোনো বিধিৰ সম্পৰ্কতো সেই উপবন্ধাৱলী তেনেকৈয়ে প্ৰযোজ্য হ'ব।

**১১৬। লেখানুদান, ঋণ অনুদান, ব্যতিক্ৰমী অনুদান** - (১) এই অধ্যায়ৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, নিম্নলিখিত বিষয়ত লোকসভাৰ ক্ষমতা থাকিব –

(ক) প্ৰস্তাৱিত ব্যয় সম্পৰ্কে কোনো অগ্ৰিম অনুদানত ভোটদানৰ কাৰণে অনুচ্ছেদ ১১৩-ত বিহিত প্ৰক্ৰিয়া আৰু সেই ব্যয়ৰ সম্পৰ্কত অনুচ্ছেদ ১১৪-ৰ উপবন্ধাৱলী অনুযায়ী বিধি পাৰিত হোৱাৰ সাপেক্ষে কোনো বিত্তীয় বছৰৰ এটা অংশৰ কাৰণে তেনে অনুদান দিবলৈ;

(খ) যেতিয়া সেৱাৰ গুৰুত্ব বা অনিশ্চিত প্ৰকৃতিৰ কাৰণে বছৰেকীয়া বিত্তীয় বিৱৰণীত সাধাৰণতে দিয়া বিস্তৃত কথাৰে দাবী বৰ্ণনা কৰিব নোৱাৰে তেতিয়া ভাৰতৰ সম্পদ ৰাজিৰ ওপৰত অপ্ৰত্যাশিত দাবী পূৰণৰ অৰ্থে অনুদান দিবলৈ;

(গ) কোনো বিত্তীয় বছৰৰ চলিত সেৱাৰ অংগীভূত নোহোৱা ব্যতিক্ৰম অনুদান দিবলৈ,

আৰু উপৰোক্ত অনুদানসমূহ যি প্ৰয়োজনৰ বাবে দিয়া হয় তাৰবাবে ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ধন উলিওৱাৰ কাৰণে বিধিৰ দ্বাৰা প্ৰাধিকৃত কৰিবলৈ সংসদৰ ক্ষমতা থাকিব।

(২) বাৰ্ষিক বিত্তীয় বিৱৰণত উল্লিখিত ব্যয়ৰ ক্ষেত্ৰত অনুদান দিয়াৰ সম্পৰ্কে আৰু তেনে ব্যয় পূৰণাৰ্থে ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ধন বিনিয়োজনৰ প্ৰাধিকাৰ দিয়াৰ অৰ্থে বিধি প্ৰণয়নৰ সম্পৰ্কত অনুচ্ছেদ ১১৩ আৰু ১১৪-ৰ উপবন্ধাৱলীৰ যি প্ৰভাৱ হয় দফা (১)ৰ অধীনত দিয়া কোনো অনুদান আৰু সেই দফাৰ অধীনত প্ৰণয়ন কৰিবলগীয়া কোনো বিধিৰ সম্পৰ্কতো তাৰ সেই একেই প্ৰভাৱ হ'ব।

**১১৭। বিত্তীয় বিধেয়ক সম্পৰ্কে বিশেষ উপবন্ধাৱলী** - (১) অনুচ্ছেদ ১১০-ৰ দফা (১)ৰ (ক)-ৰ পৰা (চ)-লৈকে উপদফাসমূহত নিৰ্দিষ্ট কোনো বিষয়ৰ অৰ্থে উপবন্ধিত কৰা কোনো বিধেয়ক অথবা সংশোধন ৰাষ্ট্ৰপতিৰ চুপাৰিছ অবিহনে উত্থাপন অথবা প্ৰস্তাৱ কৰিব নোৱাৰিব; আৰু এনে উপবন্ধ থকা কোনো বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰিব নোৱাৰিব:

কিন্তু, কোনো কৰ হ্ৰাস বা বিলোপৰ অৰ্থে ব্যৱস্থা কৰা কোনো সংশোধন প্ৰস্তাৱ উত্থাপন কৰিবলৈ এই দফাৰ অধীনত চুপাৰিছৰ প্ৰয়োজন নহ'ব।

(২) কেৱল কোনো জৰিমনা বা আন আৰ্থিক দণ্ড আৰোপৰ অৰ্থে বা অনুজ্ঞা-পত্ৰৰ বাবে অথবা সেৱাৰ বাবে মাচুল দাবী কৰা বা দিয়াৰ বাবে উপবন্ধ কৰিছে বুলিয়েই বা কেৱল কোনো স্থানীয় প্ৰাধিকাৰী বা নিকায়ৰ দ্বাৰা স্থানীয় প্ৰয়োজনৰ বাবে কোনো কৰৰ আৰোপণ, বিলোপন, হ্ৰাসকৰণ, পৰিৱৰ্তন বা বিনিয়মনৰ উপবন্ধ কৰিছে বুলিয়েই কোনো বিধেয়ক বা সংশোধন উপৰোক্ত বিষয়সমূহৰ কোনোটোৰ বাবে উপবন্ধিত কৰা বুলি গণ্য কৰা নহ'ব।

(৩) কোনো বিধেয়ক অধিনিয়মিত আৰু প্ৰৱৰ্তিত হ'লে যদি ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ব্যয় কৰিব লগা হয় তেনেহ'লে তেনে বিধেয়ক বিচাৰৰ কাৰণে ৰাষ্ট্ৰপতিয়ে সদনলৈ চুপাৰিছ নকৰিলে, সংসদৰ কোনো সদনৰ দ্বাৰা তাক পাৰিত কৰিব নোৱাৰিব।

*সাধাৰণ প্ৰক্ৰিয়া*

**১১৮। প্ৰক্ৰিয়াৰ নিয়মাৱলী** - (১) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে সংসদৰ প্ৰত্যেক সদনে নিজ প্ৰক্ৰিয়া* আৰু কাৰ্য্য পৰিচালনাৰ বিনিয়মনৰ নিমিত্তে নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে।

(২) দফা (১)-ৰ অধীনত নিয়মাৱলী প্ৰস্তুত নকৰা পৰ্য্যন্ত, এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত ডমিনিয়নৰ বিধান মণ্ডলৰ ক্ষেত্ৰত বলবৎ থকা প্ৰক্ৰিয়াৰ নিয়মাৱলী আৰু স্থায়ী আদেশসমূহ, স্থান বিশেষে ৰাজ্যসভাৰ সভাপতি অথবা লোকসভাৰ অধ্যক্ষই তাত কৰা তেনে সংশোধন আৰু অভিযোজন সাপেক্ষে সংসদৰ সম্পৰ্কতো প্ৰযোজ্য হ'ব।

(৩) ৰাজ্যসভাৰ সভাপতি আৰু লোকসভাৰ অধ্যক্ষৰ সৈতে পৰামৰ্শ কৰাৰ পাচত ৰাষ্ট্ৰপতিয়ে উভয় সদনৰ যুটীয়া বৈঠক সম্পৰ্কীয় আৰু দুয়োখন সদনৰ মাজত পৰস্পৰ যোগাযোগ সম্পৰ্কীয় প্ৰক্ৰিয়াৰ নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে।

(৪) দুয়োখন সদনৰ যুটীয়া বৈঠকত লোকসভাৰ অধ্যক্ষ অথবা তেওঁৰ অনুপস্থিতিত দফা (৩)-ৰ অধীনত প্ৰস্তুত প্ৰক্ৰিয়াৰ নিয়মাৱলী অনুসাৰে নিৰ্ধাৰিত কোনো ব্যক্তিয়ে অধ্যক্ষতা কৰিব।

**১১৯। সংসদৰ বিত্তীয় কাৰ্য্য সম্পৰ্কীয় প্ৰক্ৰিয়াৰ বিধিৰ দ্বাৰা বিনিয়ম** - বিত্তীয় কাৰ্য্যসমূহ ঠিক সময়ত সমাপ্ত কৰাৰ প্ৰয়োজনীয়তাৰ বাবে কোনো বিত্তীয় বিষয়ৰ সম্পৰ্কত অথবা ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ধনৰ বিনিয়োজন কৰা কোনো বিধেয়কৰ সম্পৰ্কত সংসদে বিধিৰ দ্বাৰা ইয়াৰ প্ৰত্যেক সদনৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-পৰিচালনা বিনিয়মিত কৰিব পাৰে আৰু এনেকৈ কৰা কোনো বিধিৰ কোনো উপবন্ধ সংসদৰ কোনো সদনে অনুচ্ছেদ ১১৮-ৰ দফা (১)ৰ অধীনত কৰা কোনো নিয়ম অথবা সেই অনুচ্ছেদৰ দফা (২)-ৰ অধীনত সংসদৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা কোনো নিয়ম বা স্থায়ী আদেশৰ সৈতে যদি অসামঞ্জস্যপূৰ্ণ হয়, তেনেহ'লে যি পৰ্য্যন্ত এনে অসামঞ্জস্যপূৰ্ণ হয়, সেই পৰ্য্যন্ত সেই উপবন্ধই বাহাল থাকিব।

---

* সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২২-ৰ দ্বাৰা "(সদনৰ এখন সভাৰ বাবে প্ৰয়োজনীয় থূলসহ" বন্ধনী আৰু শব্দসমূহ অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)। এই সংশোধনী সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ৪৫-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১২০। সংসদত ব্যৱহাৰ কৰিবলগীয়া ভাষা** - (১) সপ্তদশ অংশত যি কথাই উল্লেখ নাথাকক কিয়, অনুচ্ছেদ ৩৪৮-ৰ উপবন্ধাৱলী সাপেক্ষে সংসদৰ কাৰ্য্য হিন্দী অথবা ইংৰাজীত সম্পাদন কৰিব লাগিব:

কিন্তু, ৰাজ্যসভাৰ সভাপতি বা লোকসভাৰ অধ্যক্ষই, যিদৰেই প্ৰযোজ্য, অথবা তেনে স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰা ব্যক্তিয়ে হিন্দী অথবা ইংৰাজীত পৰ্য্যাপ্তৰূপে নিজকে অভিব্যক্ত কৰিব নোৱাৰা কোনো সদস্যক তেওঁৰ মাতৃভাষাৰে সদনক সম্বোধন কৰিবলৈ অনুমতি দিব পাৰে।

(২) সংসদে বিধিৰ দ্বাৰা অন্যধৰণে বিধানিত নকৰিলে, এই সংবিধানৰ প্ৰাৰম্ভণিৰ পৰা পোন্ধৰ বছৰ কাল সমাপ্তিৰ পাচত এই অনুচ্ছেদত “বা ইংৰাজীত” এই শব্দ দুটা লোপ হোৱাৰ নিচিনাকৈ এই অনুচ্ছেদ প্ৰযোজ্য হ’ব।

**১২১। সংসদত আলোচনাৰ ওপৰত প্ৰতিবন্ধকতা** - ইয়াৰ পিচত বিধানিত কৰা অনুসৰি কোনো ন্যায়াধীশক অপসাৰণ কৰিবৰ কাৰণে প্ৰাৰ্থনা কৰি ৰাষ্ট্ৰপতিক আৱেদন জনোৱা প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাৰ বাহিৰে উচ্চতম ন্যায়ালয় বা উচ্চ ন্যায়ালয়ৰ কোনো ন্যায়াধীশে নিজ কৰ্তব্য পালন কৰোঁতে কৰা আচৰণ সম্পৰ্কে সংসদত কোনো আলোচনা হ’ব নোৱাৰিব।

**১২২। সংসদৰ কাৰ্য্যক্ৰমণিকা সম্পৰ্কত ন্যায়ালয়ে অনুসন্ধান নকৰিব** - (১) প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অনিয়মৰ কোনো অভিযোগৰ ভিত্তিত সংসদৰ কোনো কাৰ্য্যক্ৰমণিকাৰ মান্যতাত কোনো আপত্তি দৰ্শাব নোৱাৰিব।

(২) সংসদৰ এনে কোনো পদাধিকাৰী বা সদস্য যাৰ ওপৰত এই সংবিধানৰ দ্বাৰা অথবা অধীনত সংসদৰ প্ৰক্ৰিয়াৰ বা কাৰ্য্য-পৰিচালনাৰ বিনিয়মন কৰিবলৈ অথবা শৃংখলা ৰক্ষা কৰিবলৈ ক্ষমতা ন্যস্ত কৰা হয়, তেওঁ সেই ক্ষমতাসমূহ নিজে প্ৰয়োগ কৰাৰ সম্পৰ্কত কোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ অধীন নহ’ব।

## তৃতীয় অধ্যায় – ৰাষ্ট্ৰপতিৰ বিধায়িনী ক্ষমতা

**১২৩। সংসদৰ বিৰতিকালত ৰাষ্ট্ৰপতিৰ অধ্যাদেশ ঘোষণা কৰাৰ ক্ষমতা** - (১) সংসদৰ উভয় সদনৰ অধিবেশন চলি থকা সময়ৰ বাহিৰে যদি কোনো সময়ত ততালিকে কাৰ্য্য কৰিবলৈ প্ৰয়োজন হোৱা পৰিস্থিতি বিদ্যমান বুলি ৰাষ্ট্ৰপতি পতিয়ন যায়, তেনেহ’লে তেওঁ সেই পৰিস্থিতিত আৱশ্যকীয় বুলি প্ৰতীয়মান হোৱা কোনো অধ্যাদেশ ঘোষণা কৰিব পাৰে।

(২) এই অনুচ্ছেদৰ অধীনত ঘোষণা কৰা অধ্যাদেশৰ শক্তি আৰু প্ৰভাৱ সংসদৰ কোনো আইনৰ সৈতে একে হ’ব, কিন্তু এনে প্ৰত্যেক অধ্যাদেশ –

(ক) সংসদৰ উভয় সদনত উত্থাপন কৰা হ’ব আৰু সংসদ পুনঃসমবেত হোৱাৰ ছয় সপ্তাহৰ অন্তত অথবা, যদি সেই কাল সমাপ্তিৰ পূৰ্বে উভয় সদনে ইয়াক অগ্ৰাহ্য কৰি প্ৰস্তাৱ পাৰিত কৰে, তেন্তে তেনে প্ৰস্তাৱৰ দ্বিতীয়টো পাৰিত হ’লেই প্ৰচলনৰ সমাপ্তি ঘটিব; আৰু

(খ) ৰাষ্ট্ৰপতিয়ে যিকোনো সময়তে প্ৰত্যাহাৰ কৰিব পাৰিব।

*ব্যাখ্যা* – যেতিয়া সংসদৰ দুয়োখন সদন পৃথক পৃথক তাৰিখত পুনঃসমবেত হ'বৰ কাৰণে আমন্ত্ৰণ কৰা হয়, তেতিয়া এই দফাৰ প্ৰয়োজনাৰ্থে ছয় সপ্তাহ কাল সেই তাৰিখ দুটাৰ পিচৰ তাৰিখটোৰ পৰা গণনা কৰা হ'ব।

(৩) এই অনুচ্ছেদৰ অধীনৰ কোনো অধ্যাদেশে যদি আৰু যি পৰ্যন্ত এনে কোনো উপবন্ধ কৰে, যি এই সংবিধানৰ অধীনত সংসদে অধিনিয়মিত কৰিবলৈ উপযুক্ত নহয়, তেনেহ'লে সেই অধ্যাদেশ কাৰ্যকৰী নহ'ব।

[১](৪) * * * * *

## চতুৰ্থ অধ্যায় – কেন্দ্ৰীয় ন্যায়পালিকা

**১২৪। উচ্চতম ন্যায়ালয়ৰ স্থাপন আৰু গঠন** - (১) ভাৰতৰ এজন মুখ্য ন্যায়াধীশ আৰু যেতিয়ালৈকে সংসদে বিধিৰ দ্বাৰা আৰু বেছি সংখ্যা নিৰ্ধাৰণ নকৰে তেতিয়ালৈকে অনধিক [*][সাতজন] আন ন্যায়াধীশেৰে ভাৰতৰ এখন উচ্চতম ন্যায়ালয় গঠিত হ'ব।

(২) ৰাষ্ট্ৰপতিয়ে নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ প্ৰতিজন ন্যায়াধীশক নিযুক্ত কৰিব [২][অনুচ্ছেদ ১২৪ক-ত উল্লেখ কৰা ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগৰ পৰামৰ্শ অনুসৰি] আৰু তেওঁৰ পয়ষষ্ঠি বছৰ বয়স নোহোৱালৈকে পদত অধিষ্ঠিত হৈ থাকিব:

[৩][* * * * *]

[৪][কিন্তু]

(ক) কোনো ন্যায়াধীশে নিজ হাতে লিখি ৰাষ্ট্ৰপতিক সম্বোধন কৰি, তেওঁৰ পদ ত্যাগ কৰিব পাৰে;

(খ) দফা (৪)-ত বিধানিত ৰীতিৰে কোনো ন্যায়াধীশক তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব পৰা যাব।

---

[১] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্ববৰ্তী প্ৰভাৱসহ), আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৬-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] উচ্চতম ন্যায়ালয় (ন্যায়াধীশৰ সংখ্যা) সংশোধনী অধিনিয়ম ২০১৯ (২০১৯-ৰ ৩৭)-ৰ ধাৰা ২-ৰ দ্বাৰা এতিয়া "তেত্ৰিছ" কৰা হৈছে (৯-৮-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪–ৰ ধাৰা ২-ৰ দ্বাৰা "উচ্চতম ন্যায়ালয় আৰু ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়সমূহৰ যিসকল ন্যায়াধীশৰ লগত ৰাষ্ট্ৰপতিয়ে সেই প্ৰয়োজনত আৱশ্যক বিবেচনা কৰে, সেইসকলৰ লগত পৰামৰ্শ কৰাৰ পাছত" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭।

[৩] উপৰোক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা প্ৰথম ব্যতিক্ৰমটো বাতিল কৰা হৈছে৷ এই ব্যতিক্ৰমটো এনে ধৰণৰ আছিল -

"কিন্তু, মুখ্য ন্যায়াধীশৰ বাহিৰে আন ন্যায়াধীশৰ নিযুক্তিৰ বিষয়ত ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে সদায় পৰামৰ্শ কৰিব৷" এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭৷

[৪] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা "অধিকন্তু"-ৰ সলনি প্ৰতিস্থাপিত। এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭।

[1][(২ক) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ বয়স এনে প্ৰাধিকাৰীৰ দ্বাৰা আৰু এনে ৰীতি অনুসাৰে নিৰ্ধাৰিত কৰা হ'ব যিটো সংসদে বিধিৰ দ্বাৰা বিধানিত কৰিব।]

(৩) কোনো ব্যক্তি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হ'বলৈ যোগ্য নহ'ব যদিহে তেওঁ ভাৰতৰ নাগৰিক নহয় আৰু তেওঁ –

(ক) এখন উচ্চ ন্যায়ালয়ত অথবা দুখন বা ততোধিক তেনে ন্যায়ালয়ত একে লেঠাৰিয়ে অতি কমেও পাঁচ বছৰ ন্যায়াধীশ ৰূপে দায়িত্ব পালন কৰা নাছিল, অথবা

(খ) এখন উচ্চ ন্যায়ালয়ত অথবা দুখন বা ততোধিক তেনে ন্যায়ালয়ত একে লেঠাৰিয়ে অতি কমেও দহ বছৰ অধিবক্তা ৰূপে দায়িত্ব পালন কৰা নাছিল, অথবা

(গ) ৰাষ্ট্ৰপতিৰ বোধেৰে এজন প্ৰখ্যাত আইনজ্ঞ নহয়।

*ব্যাখ্যা* ১। - এই দফাত "উচ্চ ন্যায়ালয়" বুলিলে যি উচ্চ ন্যায়ালয়ে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো অংশত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিছে অথবা এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যি সময়ত প্ৰয়োগ কৰিছিল তেনে উচ্চ ন্যায়ালয়ক বুজাব।

*ব্যাখ্যা* ২। - এই দফাৰ প্ৰয়োজনৰ নিমিত্তে কোনো ব্যক্তিৰ অধিবক্তা হৈ থকা কালছোৱা সংগণনা কৰোতে তেওঁ অধিবক্তা হোৱাৰ পিচত জিলা ন্যায়াধীশতকৈ নিম্ন স্তৰৰ নোহোৱা ন্যায়িক পদ ধাৰণ কৰা কালছোৱাকো অন্তৰ্ভুক্ত কৰা হ'ব।

(৪) প্ৰমাণিত অশোভনীয় আচৰণ আৰু অসমৰ্থতাৰ বাবে অপসাৰণ কৰিবৰ নিমিত্তে সংসদৰ প্ৰত্যেক সদনৰ মুঠ সদস্য সংখ্যাৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা আৰু তেনে সদনত উপস্থিত আৰু ভোটদান কৰা সদস্য সংখ্যাৰ দুই-তৃতীয়াংশতকৈ কম নোহোৱা সংখ্যাগৰিষ্ঠৰ দ্বাৰা সমৰ্থিত আৱেদন ৰাষ্ট্ৰপতিৰ ওচৰত সেই একে অধিবেশনতে প্ৰদান কৰাৰ পিচত ৰাষ্ট্ৰপতিয়ে আদেশ নিদিলে উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশক তেওঁৰ পদৰ পৰা অপসাৰণ কৰিব নোৱাৰিব।

(৫) দফা (৪)-ৰ অধীনত কোনো সমৰ্থিত আৱেদন উপস্থাপন কৰিবৰ কাৰণে আৰু কোনো ন্যায়াধীশৰ অশোভনীয় আচৰণ আৰু অসমৰ্থতা অনুসন্ধান আৰু প্ৰমাণিত কৰাৰ প্ৰক্ৰিয়া সংসদে বিধিৰ দ্বাৰা বিনিয়ম কৰিব পাৰে।

(৬) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে নিযুক্ত প্ৰত্যেক ব্যক্তিয়ে তেওঁৰ পদ গ্ৰহণ কৰাৰ পূৰ্বে ৰাষ্ট্ৰপতিৰ অথবা তেওঁৰ দ্বাৰা সেই মৰ্মে নিযুক্ত কোনো ব্যক্তিৰ আগত তৃতীয় অনুসূচীত এই প্ৰয়োজনৰ নিমিত্তে দিয়া প্ৰপত্ৰ অনুসাৰে শপত ল'ব অথবা অংগীকাৰ কৰিব আৰু তাত হস্তাক্ষৰ কৰিব।

(৭) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে পদত অধিষ্ঠিত কোনো ব্যক্তিয়ে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত কোনো ন্যায়ালয়ত বা কোনো প্ৰাধিকাৰীৰ আগত ওকালতি বা কাৰ্য্য কৰিব নোৱাৰিব।

[2][**১২৪ক। ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগ** - (১) নিম্নলিখিতসকলক লৈ ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগ নামৰ এখন আয়োগ থাকিব –

---

[1] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪, ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭।

(ক) ভাৰতৰ মুখ্য ন্যায়াধীশ, সভাপতি, *পদেন;*

(খ) উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰৱৰ্তী দুজন জ্যেষ্ঠ ন্যায়াধীশ, সদস্য, *পদেন;*

(গ) কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী - সদস্য, *পদেন;*

(ঘ) প্ৰধানমন্ত্ৰী, ভাৰতৰ মুখ্য ন্যায়াধীশ আৰু লোকসভাৰ বিৰোধী দলপতি বা তেখেতৰ অবৰ্তমানত লোকসভাৰ সৰ্ববৃহৎ বিৰোধী দলৰ দলপতিৰে গঠিত এখন সমিতিয়ে মনোনীত কৰা দুজন প্ৰসিদ্ধ ব্যক্তি – সদস্য:

কিন্তু এজন প্ৰসিদ্ধ ব্যক্তি অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী, সংখ্যালঘু, বা মহিলাৰ মাজৰ পৰা মনোনীত হ'ব লাগিব:

অধিকন্তু, এজন প্ৰসিদ্ধ ব্যক্তি তিনি বছৰ কালৰ বাবে মনোনীত হ'ব আৰু পুনৰ মনোনয়নৰ বাবে যোগ্য নহ'ব।

(২) ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগৰ কোনো পদ খালী আছে বা আয়োগৰ গঠনত কোনো ত্ৰুটি আছে বুলি ইয়াৰ কোনো কাৰ্য বা কাৰ্যবিৰৰণী সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপিত নহ'ব বা অবৈধ বিৱেচিত নহ'ব।

**১২৪খ। আয়োগৰ কাৰ্যাৱলী** - ৰাষ্ট্ৰীয় ন্যায়িক নিয়োগ আয়োগৰ এইটো দায়িত্ব হ'ব যে

(ক) ভাৰতৰ মুখ্য ন্যায়াধীশ, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ, উচ্চ ন্যায়ালয়সমূহৰ মুখ্য ন্যায়াধীশ আৰু উচ্চ ন্যায়ালয়ৰ অন্য ন্যায়াধীশ নিয়োগৰ বাবে ব্যক্তিৰ চুপাৰিছ কৰা;

(খ) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্য ন্যায়াধীশসকলক এখন উচ্চ ন্যায়ালয়ৰ পৰা আন কোনো উচ্চ ন্যায়ালয়লৈ বদলিৰ চুপাৰিছ কৰা; আৰু

(গ) এনেদৰে চুপাৰিছ কৰা সক্ষমতা আৰু ন্যায়পৰায়ণতা সুনিশ্চিত কৰা।

**১২৪গ। সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা** - সংসদে, আইনৰ দ্বাৰা, ভাৰতৰ মুখ্য ন্যায়াধীশ আৰু উচ্চতম ন্যায়ালয়ৰ অন্য ন্যায়াধীশসকলৰ আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্য ন্যায়াধীশসকলক নিয়োগৰ প্ৰক্ৰিয়া বিনিয়মিত কৰিব আৰু আয়োগৰ কাৰ্যাৱলী, নিয়োগৰ বাবে ব্যক্তিৰ বাছনিৰ প্ৰক্ৰিয়া আৰু সংসদে প্ৰয়োজনীয় বুলি ভবা আন যি কোনো বিষয়ত কৰা কাৰ্যসম্পাদন প্ৰক্ৰিয়া বিধিৰ দ্বাৰা সবল কৰিব।]

**১২৫। ন্যায়াধীশসকলৰ বেতন আদি** - [১][(১) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক এনে বেতন দিয়া হ'ব যি সংসদে, বিধিৰ দ্বাৰা, অৱধাৰণ কৰে আৰু যেতিয়ালৈকে এই মৰ্মে এনে প্ৰকাৰৰ উপবন্ধ কৰা নহয়, তেতিয়ালৈকে এনে বেতন দিয়া হ'ব যি দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা হৈছে।]

(২) প্ৰত্যেকজন ন্যায়াধীশ এনে বিশেষাধিকাৰৰ আৰু ভাট্টাৰ, তথা অনুপস্থিতি ছুটী আৰু অৱসৰ-বেতনৰ সম্বন্ধত এনে অধিকাৰৰ গৰাকী হ'ব যি সংসদে কৰা বিধিৰ দ্বাৰা বা অধীনত সময়ে সময়ে নিৰ্ধাৰণ কৰা হয়, আৰু এনেকৈ নিৰ্ধাৰিত নোহোৱা পৰ্য্যন্ত এনে বিশেষাধিকাৰ, ভাট্টা আৰু অধিকাৰৰ গৰাকী হ'ব, যিসমূহ দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা হৈছে:

---

[১] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, কোনো ন্যায়াধীশৰ নিযুক্তিৰ পিছত তেওঁৰ প্ৰতিকূলে তেওঁৰ কোনো বিশেষাধিকাৰ বা ভাট্টা নাইবা তেওঁৰ অনুপস্থিতি ছুটী আৰু অৱসৰ-বেতন সম্বন্ধীয় অধিকাৰৰ কোনো পৰিৱৰ্তন কৰিব নোৱাৰিব।

**১২৬। ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশৰ নিযুক্তি** - যেতিয়া ভাৰতৰ মুখ্য ন্যায়াধীশৰ পদ খালী হয় অথবা যেতিয়া মুখ্য ন্যায়াধীশে অনুপস্থিতি বা অন্য কোনো কাৰণত তেওঁৰ নিজ পদৰ কৰ্তব্য পালন কৰিবলৈ অসমৰ্থ হয় তেতিয়া ৰাষ্ট্ৰপতিয়ে সেই প্ৰয়োজনৰ বাবে নিযুক্ত কৰা সেই ন্যায়ালয়ৰ আন ন্যায়াধীশসকলৰ এজনে সেই পদৰ কৰ্তব্যসমূহ পালন কৰিব।

**১২৭। *তদৰ্থ* ন্যায়াধীশৰ নিযুক্তি** - (১) যদি কোনো সময়ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ উক্ত ন্যায়ালয়ৰ সত্ৰ বহুৱাবলৈ বা চলাই থাকিবলৈ থূল গঠন নহয়, [1][ভাৰতৰ মুখ্য ন্যায়াধীশে ৰাষ্ট্ৰপতিৰ পূৰ্ব সন্মতি ক্ৰমে আগবঢ়োৱা প্ৰসংগ নিৰ্দেশৰ ভিত্তিত ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগে] তেতিয়া ভাৰতৰ মুখ্য ন্যায়াধীশে ৰাষ্ট্ৰপতিৰ পূৰ্বসন্মতি ক্ৰমে আৰু সংশ্লিষ্ট উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগত পৰামৰ্শ কৰাৰ পাচত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হোৱাৰ যথাৰীতি অৰ্হতা সম্পন্ন আৰু ভাৰতৰ মুখ্য ন্যায়াধীশে মনোনীত কৰা কোনো উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশক উচ্চতম ন্যায়ালয়ৰ বৈঠকত, যিখিনি সময়ৰ বাবে আৱশ্যক তাৰবাবে, *তদৰ্থ* ন্যায়াধীশ স্বৰূপে উপস্থিত থকাৰ কাৰণে লিখিতভাৱে অনুৰোধ কৰিব পাৰে।

(২) এনেকৈ মনোনীত ন্যায়াধীশৰ কৰ্তব্য হ'ব তেওঁ নিজ পদৰ আন কৰ্তব্যতকৈয়ো অগ্ৰাধিকাৰ দি উচ্চতম ন্যায়ালয়ৰ বৈঠকত তেওঁৰ উপস্থিতিৰ প্ৰয়োজন হোৱা সময়ত আৰু কালছোৱাত উপস্থিত হোৱা, আৰু যেতিয়া তেওঁ এনেকৈ উপস্থিত থাকে তেতিয়া তেওঁ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সকলো ক্ষেত্ৰাধিকাৰ, ক্ষমতা আৰু বিশেষাধিকাৰ লাভ কৰিব আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ কৰ্তব্য পালন কৰিব।

**১২৮। অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ উচ্চতম ন্যায়ালয়ৰ বৈঠকত উপস্থিতি** - এই অধ্যায়ত যিকোনো কথা থকা সত্ত্বেও [2][ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগে] যিকোনো সময়তে, ৰাষ্ট্ৰপতিৰ পূৰ্ব সন্মতিক্ৰমে, উচ্চতম ন্যায়ালয়ৰ বা যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশৰ পদত অধিষ্ঠিত হৈ থকা [3][অথবা কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ পদ ধাৰণ কৰি অহা আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হ'বলৈ অৰ্হতাসম্পন্ন] যিকোনো ব্যক্তিক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে আসন গ্ৰহণ আৰু কাৰ্য্য কৰিবলৈ অনুৰোধ কৰিব পাৰিব, আৰু এনেকৈ অনুৰোধ কৰা তেনে প্ৰত্যেক ব্যক্তিয়েই তেনেকৈ আসন গ্ৰহণ আৰু কাৰ্য্য সম্পাদন কৰা কালত এনে ভাট্টাৰ গৰাকী হ'ব যি ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰে, আৰু তেওঁ সেই ন্যায়ালয়ৰ ন্যায়াধীশৰ সকলো ক্ষেত্ৰাধিকাৰ, ক্ষমতা আৰু বিশেষাধিকাৰ লাভ কৰিব, কিন্তু অন্যথা সেই ন্যায়ালয়ৰ ন্যায়াধীশ বুলি গণ্য নহ'ব:

---

[1] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪, ধাৰা ৪-ৰ দ্বাৰা "ৰাষ্ট্ৰপতিৰ পূৰ্ব অনুমোদন সাপেক্ষে ভাৰতৰ মুখ্য ন্যায়াধীশে" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭।

[2] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা "ভাৰতৰ মুখ্য ন্যায়াধীশে" শব্দসমূহৰ পৰিৱৰ্তে প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্ট এডভোকেট অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰত উচ্চতম ন্যায়ালয়ে ১৬-১০-২০১৫ তাৰিখে বাতিল কৰিছে, এআইআৰ ২০১৬ এছচি ১১৭।

[3] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, উপৰোক্ত তেনেকুৱা কোনো ব্যক্তিয়ে তেনে কৰিবলৈ সন্মত নহ'লে এই অনুচ্ছেদৰ কোনো কথাই তেওঁক সেই ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে আসন গ্ৰহণ আৰু কাৰ্য্য কৰিবলৈ বাধ্য কৰোৱা বুলি নুবুজাব।

**১২৯। উচ্চতম ন্যায়ালয় অভিলেখ ন্যায়ালয় হ'ব** - উচ্চতম ন্যায়ালয় এখন অভিলেখ ন্যায়ালয় হ'ব আৰু নিজৰ অৱমাননাৰ নিমিত্তে দণ্ড দিয়াৰ ক্ষমতাকে ধৰি এনে ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

**১৩০। উচ্চতম ন্যায়ালয়ৰ স্থান** - উচ্চতম ন্যায়ালয় দিল্লীত অথবা ৰাষ্ট্ৰপতিৰ অনুমোদন লৈ মুখ্য ন্যায়াধীশে সময়ে সময়ে নিৰ্দিষ্ট কৰা এনে কোনো স্থান বা স্থানসমূহত বহিব।

**১৩১। উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰক্ষেত্ৰ** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে আন কোনো ন্যায়ালয়ক বহিৰ্ভূত কৰি নিম্নলিখিত যিকোনো বিবাদৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ মূল ক্ষেত্ৰাধিকাৰ থাকিব –

(ক) ভাৰত চৰকাৰ আৰু এখন বা ততোধিক ৰাজ্যৰ মাজত; অথবা

(খ) ভাৰত চৰকাৰ আৰু কোনো ৰাজ্য বা ৰাজ্যসমূহ আৰু এখন বা ততোধিক আন ৰাজ্যসমূহৰ মাজত; অথবা

(গ) দুই বা ততোধিক ৰাজ্যসমূহৰ মাজত হোৱা বিবাদৰ ওপৰত;

যদিহে আৰু যি পৰ্য্যন্ত সেই বিবাদত এনে প্ৰশ্ন (লাগিলে বিধিৰেই হওক বা তথ্যৰেই হওক) জড়িত হয় যাৰ ওপৰত বিধিগত অধিকাৰৰ অস্তিত্ব বা ব্যাপ্তি নিৰ্ভৰ কৰে:

[1][কিন্তু, উক্ত ক্ষেত্ৰাধিকাৰ, কোনো সন্ধি, চুক্তি, প্ৰসংবিদা, বচন-পত্ৰ, চনদ অথবা তেনে বা অন্যান্য নথিৰ পৰা যিবিলাক এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে সম্পাদন বা নিষ্পাদিত হয় আৰু এনে প্ৰাৰম্ভণিৰ পিচতো প্ৰৱৰ্তিত হৈ থাকে অথবা যিবিলাক উক্ত ক্ষেত্ৰাধিকাৰ তেনে বিবাদলৈ ব্যাপ্ত হ'ব নোৱাৰিব বুলি বিধানিত হৈ থাকে, সেইসমূহৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদলৈ ব্যাপ্ত হ'ব নোৱাৰিব।]

[2][**১৩১ক।** *কেন্দ্ৰীয় অধিনিয়মৰ সাংবিধানিক বিধিমান্যতাৰ প্ৰশ্নৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ অনন্য ক্ষেত্ৰাধিকাৰ] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৪-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**১৩২। কিছুমান গোচৰত উচ্চ ন্যায়ালয়ৰ পৰা হোৱা আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল-সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ** - (১) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো উচ্চ ন্যায়ালয়ে কোনো দেৱানী বা ফৌজদাৰী অথবা আন কাৰ্য্যক্ৰমণিকাতেই হওক দিয়া কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী বা চূড়ান্ত আদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰিব, [3][যদি সেই উচ্চ ন্যায়ালয়ে অনুচ্ছেদ ১৩৪ক-ৰ অধীনত] সেই গোচৰত এই সংবিধানৰ ব্যাখ্যা সম্পৰ্কত কোনো যথাৰ্থ বিধিগত প্ৰশ্ন জড়িত আছে বুলি প্ৰমাণপত্ৰ দিয়ে।

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৫-ৰ দ্বাৰা ব্যতিক্ৰমৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৭-ৰ দ্বাৰা "যদিহে উচ্চ ন্যায়ালয়ে প্ৰমাণিত কৰে"ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১](২) * * * * *

(৩) যি ক্ষেত্ৰত এনে প্ৰমাণপত্ৰ দিয়া হয় [২]*** তেনে ক্ষেত্ৰত গোচৰৰ সেই পক্ষই উপৰোক্ত কোনো প্ৰশ্নৰ ভুল সিদ্ধান্ত হোৱাৰ আধাৰত [২]*** উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰিব।

*ব্যাখ্যা* – এই অনুচ্ছেদৰ প্ৰয়োজনাৰ্থে “চূড়ান্ত আদেশ” বোলা কথাষাৰে এনে বিচাৰ্য্য বিষয়ৰ নিৰ্ণয় কৰা আদেশকো অন্তৰ্ভুক্ত কৰিছে যি আৱেদনকাৰীৰ অনুকূলে সিদ্ধান্ত হ’লে গোচৰটো চূড়ান্ত নিষ্পত্তিৰ অৰ্থে পৰ্য্যাপ্ত হ’ব।

**১৩৩৷ উচ্চ ন্যায়ালয়ৰ পৰা দেৱানী বিষয়ক আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ** - [৩][(১) ভাৰত ৰাজ্যক্ষেত্ৰৰ ভিতৰত কোনো উচ্চ ন্যায়ালয়ৰ কোনো দেৱানী কাৰ্য্যক্ৰমণিকাৰ ওপৰত দিয়া কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী বা চূড়ান্ত আদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰিব, [৪][যদিহে উচ্চ ন্যায়ালয়ে অনুচ্ছেদ ১৩৪ক-ৰ অধীনত প্ৰমাণিত কৰে যে -]

(ক) গোচৰটোত সাৰ্বজনিক গুৰুত্বৰ কোনো বিধিগত প্ৰশ্ন জড়িত আছে, আৰু

(খ) উচ্চ ন্যায়ালয়ৰ বিৱেচনামতে সেই প্ৰশ্নটো উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিষ্পত্তি হোৱাটো আৱশ্যক।]

(২) অনুচ্ছেদ ১৩২-ত যি কথাই উল্লেখ নাথাকক কিয়, দফা (১)-ৰ অধীনত উচ্চতম ন্যায়ালয়ত আপীল কৰা কোনো পক্ষই এনে আৱেদনৰ এটা ভিত্তি হিচাপে অনুৰোধ কৰিব পাৰে যে এই সংবিধানৰ ব্যাখ্যাৰ বিষয়ে কোনো গুৰুত্বপূৰ্ণ বিধিগত প্ৰশ্নৰ ভুলভাৱে সিদ্ধান্ত লোৱা হৈছে।

(৩) এই অনুচ্ছেদত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা আনধৰণে বিধানিত নকৰিলে কোনো উচ্চ ন্যায়ালয়ৰ এজন মাত্ৰ ন্যায়াধীশৰ ন্যায়-নিৰ্ণয়, ডিক্ৰী বা চূড়ান্ত আদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত কোনো আপীল কৰিব নোৱাৰিব।

**১৩৪৷ ফৌজদাৰী বিষয়ক আপীলত উচ্চতম ন্যায়ালয়ৰ আপীল সম্বন্ধীয় ক্ষেত্ৰাধিকাৰ** - (১) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো উচ্চ ন্যায়ালয়ৰ কোনো ফৌজদাৰী কাৰ্য্যক্ৰমণিকাত দিয়া হোৱা কোনো ন্যায়-নিৰ্ণয়, চূড়ান্ত আদেশ বা দণ্ডাদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰিব, যদি উচ্চ ন্যায়ালয়ে –

(ক) আপীলত অভিযুক্ত ব্যক্তিৰ দোষ মুক্তিৰ আদেশ সলনি কৰে আৰু তেওঁক মৃত্যুদণ্ডৰ আদেশ দিয়ে; অথবা

(খ) ইয়াৰ প্ৰাধিকাৰৰ অধীনস্থ কোনো ন্যায়ালয়ৰ পৰা নিজৰ দ্বাৰা বিচাৰৰ অৰ্থে কোনো গোচৰ উঠাই আনে আৰু এনে বিচাৰত অভিযুক্ত ব্যক্তিক দোষী সাব্যস্ত কৰে আৰু মৃত্যুদণ্ডৰ আদেশ দিয়ে; অথবা

(গ) [৫][অনুচ্ছেদ ১৩৪ক-ৰ অধীনত প্ৰমাণিত কৰে] যে গোচৰটো উচ্চতম ন্যায়ালয়ত আপীলৰ যোগ্য:

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৭-ৰ দ্বাৰা দফা (২)-ৰ সলনি “যদিহে উচ্চ ন্যায়ালয়ে প্ৰমাণিত কৰে”ৰে প্ৰতিস্থাপিত, (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ১৭-ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ বিলোপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৩০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (২৭-২-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ১৮-ৰ দ্বাৰা “যদিহে উচ্চ ন্যায়ালয়ে প্ৰমাণিত কৰে”ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] উক্ত অধিনিয়মৰ ধাৰা ১৯-ৰ দ্বাৰা “প্ৰমাণিত কৰে”ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, সেই অৰ্থে অনুচ্ছেদ ১৪৫ ৰ দফা (১)-ত কৰা এনে উপবন্ধাৱলী সাপেক্ষে আৰু উচ্চ ন্যায়ালয়ে নিৰ্ধাৰিত কৰা বা প্ৰয়োজনীয় বুলি ধৰা এনে চৰ্তসমূহ সাপেক্ষে উপদফা (গ)-ৰ অধীনত আপীল খাটিব।

(২) সংসদে বিধিৰ দ্বাৰা এনে বিধিত যথা নিৰ্দিষ্ট কৰা চৰ্তাৱলী আৰু সীমাবদ্ধতা সাপেক্ষে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো উচ্চ ন্যায়ালয়ৰ কোনো ফৌজদাৰী কাৰ্য্যক্ৰমণিকাত দিয়া হোৱা কোনো ন্যায়-নিৰ্ণয়, চূড়ান্ত আদেশ বা দণ্ডাদেশৰ বিৰুদ্ধে আপীল গ্ৰহণ কৰিবলৈ আৰু শুনানী ল'বলৈ উচ্চতম ন্যায়ালয়ক যিকোনো অধিকাৰৰ ক্ষমতা প্ৰদান কৰিব পাৰে।

[1][**১৩৪ক। উচ্চতম ন্যায়ালয়ত আপীলৰ বাবে প্ৰমাণ পত্ৰ** - অনুচ্ছেদ ১৩২-ৰ দফা (১) বা অনুচ্ছেদ ১৩৩-ৰ দফা (১) অথবা অনুচ্ছেদ ১৩৪-ৰ দফা (১)-ত উল্লিখিত কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী, চূড়ান্ত আদেশ বা দণ্ডাদেশ পাৰিত কৰা বা দিয়া প্ৰত্যেক উচ্চ ন্যায়ালয়ে, –

(ক) যদি তেনে কৰাটো উপযুক্ত বুলি ভাবে তেনেহ'লে স্বপ্ৰণোদিতভাৱে; আৰু

(খ) যদি এনে ন্যায়-নিৰ্ণয়, ডিক্ৰী, চূড়ান্ত আদেশ বা দণ্ডাদেশ পাৰিত কৰাৰ বা দিয়াৰ ঠিক পিচতেই অসন্তুষ্ট পক্ষৰ দ্বাৰা বা হকে কোনো মৌখিক আবেদন কৰে, তেনেহ'লে –

এনে ন্যায়-নিৰ্ণয়, ডিক্ৰী, চূড়ান্ত আদেশ বা দণ্ডাদেশ পাৰিত কৰা বা দিয়াৰ পিচতে যথাশীঘ্ৰে অনুচ্ছেদ ১৩২-ৰ দফা (১) বা অনুচ্ছেদ ১৩৩-ৰ দফা (১) অথবা, অনুচ্ছেদ ১৩৪-ৰ দফা (১)-ৰ উপদফা (গ)-ৰ যিটোৱেই প্ৰযোজ্য, উল্লিখিত ধৰণৰ প্ৰমাণপত্ৰ সেই মোকৰ্দমাত দিব পাৰিবনে নোৱাৰিব তাৰ নিৰ্ণয় কৰিব।]

**১৩৫। বৰ্তমান বিধিৰ অধীনত থকা যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰয়োগযোগ্য** - সংসদে বিধিৰ দ্বাৰা অন্যথা বিধানিত নকৰালৈকে, অনুচ্ছেদ ১৩৩ বা অনুচ্ছেদ ১৩৪-ৰ উপবন্ধাৱলী প্ৰয়োগ নোহোৱা কোনো বিষয় সম্বন্ধেও উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা থাকিব, যদিহে সেই বিষয় সম্পৰ্কে ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা কোনো প্ৰচলিত বিধিৰ অধীনত এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ দ্বাৰা প্ৰয়োগযোগ্য আছিল।

**১৩৬। আপীলৰ কাৰণে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা বিশেষ অনুমতি প্ৰদান** - (১) এই অধ্যায়ত যি কথাই উল্লেখ নাথাকক কিয়, ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত থকা কোনো ন্যায়ালয় বা ন্যায়াধিকৰণৰ দ্বাৰা কোনো বাদ বা বিষয়ত দিয়া হোৱা বা বিহা কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী, নিৰ্ধাৰণ, দণ্ডাদেশ বা আদেশৰ বিৰুদ্ধে আপীল কৰিবলৈ উচ্চতম ন্যায়ালয়ে স্ববিবেচনাৰে বিশেষ অনুমতি মঞ্জুৰ কৰিব পাৰিব।

(২) দফা (১)-ত থকা কোনো কথাই সামৰিক বাহিনী সম্পৰ্কীয় কোনো বিধিৰ দ্বাৰা বা অধীনত গঠিত কোনো ন্যায়ালয় বা ন্যায়াধিকৰণৰ দ্বাৰা দিয়া হোৱা বা বিহা কোনো ন্যায়-নিৰ্ণয়, নিৰ্ধাৰণ, দণ্ডাদেশ বা আদেশত প্ৰয়োগ নহ'ব।

**১৩৭। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ন্যায়-নিৰ্ণয় অথবা আদেশৰ পুনৰ্বিৰেচনা** - সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী বা অনুচ্ছেদ ১৪৫-ৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী সাপেক্ষে, নিজে ঘোষণা কৰা কোনো ন্যায়-নিৰ্ণয় অথবা দিয়া আদেশৰ পুনৰ্বিৰেচনা কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ ক্ষমতা থাকিব।

---

[1] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২০-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১৩৮। উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ সম্প্ৰসাৰণ** - (১) সংঘ-সূচীত থকা যিকোনো বিষয় সম্পৰ্কে সংসদে বিধিৰ দ্বাৰা যিদৰে প্ৰদান কৰে উচ্চতম ন্যায়ালয়ৰ সেইদৰে অধিকতৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা থাকিব।

(২) যিকোনো বিষয়ৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ এনেকুৱা অধিকতৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা থাকিব যিবিলাক ভাৰত চৰকাৰ আৰু কোনো ৰাজ্যৰ চৰকাৰে বিশেষ চুক্তিৰ দ্বাৰা প্ৰদান কৰে, যদিহে সংসদে এনে ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰয়োগ কৰিবলৈ বিধিৰ দ্বাৰা বিধানিত কৰে।

**১৩৯। কিছুমান লেখ জাৰি কৰাৰ কাৰণে উচ্চতম ন্যায়ালয়ক ক্ষমতা প্ৰদান** - অনুচ্ছেদ ৩২-ৰ দফা (২)-ত উল্লিখিত প্ৰয়োজনসমূহৰ বাহিৰে অন্য যিকোনো প্ৰয়োজনৰ কাৰণে সংসদে বিধিৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ ওপৰত নিৰ্দেশ, আদেশ বা বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, নিষেধাজ্ঞা, অধিকাৰ পৃচ্ছা আৰু উৎপ্ৰেষণ প্ৰকৃতিৰ লেখসমূহক সামৰি যিকোনো এটা লেখ জাৰি কৰিবলৈ ক্ষমতা প্ৰদান কৰিব পাৰে।

[১]**[১৩৯ক। কোনো নিৰ্দিষ্ট মোকৰ্দ্দমা হস্তান্তৰকৰণ** - [২][(১) যেতিয়া একে বা প্ৰায় একে বিধি সম্বন্ধীয় প্ৰশ্ন জড়িত মোকৰ্দমা উচ্চতম ন্যায়ালয়ত আৰু এক বা ততোধিক উচ্চ ন্যায়ালয়ত অথবা দুই বা ততোধিক উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থাকে আৰু ভাৰতৰ এটৰ্ণী জেনেৰেল বা সেই গোচৰসমূহৰ কোনো এটা পক্ষৰ আৱেদনক্ৰমে বা স্বপ্ৰণোদিতভাৱে উচ্চতম ন্যায়ালয় এই বুলি সন্তুষ্ট হয় যে সেই প্ৰশ্নবোৰ সাৰ্বজনিক গুৰুত্বপূৰ্ণ প্ৰশ্ন, তেতিয়া উচ্চতম ন্যায়ালয়ে উচ্চ ন্যায়ালয়ত বা উচ্চ ন্যায়ালয়সমূহত বিচাৰাধীন হৈ থকা সেই মোকৰ্দমা বা মোকৰ্দমাসমূহ তাৰ পৰা প্ৰত্যাহাৰ কৰি নিজে সকলোবোৰ মোকৰ্দমা নিষ্পত্তি কৰিব পাৰে:

কিন্তু, উচ্চতম ন্যায়ালয়ে উক্ত বিধি সম্বন্ধীয় প্ৰশ্ন নিৰ্ধাৰণৰ পিচত এনেকৈ প্ৰত্যাহাৰ কৰা কোনো মোকৰ্দমা উচ্চতম ন্যায়ালয়ৰ ন্যায়-নিৰ্ণয়ৰ এটা প্ৰতিলিপিসহ যি উচ্চ ন্যায়ালয়ৰ পৰা মোকৰ্দমা প্ৰত্যাহাৰ কৰা হৈছিল সেই উচ্চ ন্যায়ালয়লৈ ঘূৰাই পঠাব পাৰে আৰু সেইটোৰ প্ৰাপ্তিৰ পিচত উচ্চ ন্যায়ালয়ে সেই ন্যায়-নিৰ্ণয় অনুসৰি মোকৰ্দমাটো নিষ্পত্তি কৰিব।]

(২) উচ্চতম ন্যায়ালয়ে যদি ন্যায় বিচাৰৰ উদ্দেশ্যে তেনে কৰাটো সমীচীন বুলি ভাবে, তেনেহ'লে কোনো উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা কোনো মোকৰ্দমা, আপীল বা আন কাৰ্যক্ৰমণিকা আন কোনো উচ্চ ন্যায়ালয়লৈ হস্তান্তৰ কৰিব পাৰে।]

**১৪০। উচ্চতম ন্যায়ালয়ৰ আনুষংগিক ক্ষমতাসমূহ** - সংসদে উচ্চতম ন্যায়ালয়ৰ ওপৰত এই সংবিধানৰ উপবন্ধাৱলীৰ কোনোটোৰ লগত অসামঞ্জস্যপূৰ্ণ নোহোৱা এনেবিলাক পৰিপূৰক ক্ষমতা প্ৰদান কৰিবলৈ বিধিৰ দ্বাৰা উপবন্ধিত কৰিব পাৰে যিবিলাক এই সংবিধানৰ দ্বাৰা বা অধীনত উচ্চতম ন্যায়ালয়ৰ ওপৰত প্ৰদত্ত ক্ষেত্ৰাধিকাৰ অধিক কাৰ্য্যকৰীৰূপে প্ৰয়োগ কৰিবলৈ ন্যায়ালয়ক সমৰ্থবান কৰিবৰ কাৰণে আৱশ্যকীয় বা বাঞ্চনীয় বুলি প্ৰতীয়মান হয়।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২১-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(পঞ্চম অংশ - সংঘ)

**১৪১। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ঘোষিত বিধি সকলো ন্যায়ালয়ৰ বাবে অৱশ্য-পালনীয় হ'ব** - উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ঘোষিত বিধি ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত সকলো ন্যায়ালয়ৰ বাবে অৱশ্য-পালনীয় হ'ব।

**১৪২। উচ্চতম ন্যায়ালয়ৰ ডিক্ৰী আৰু আদেশ আৰু আবিষ্কাৰ আদি সম্বন্ধে আদেশৰ বলবৎকৰণ** - (১) উচ্চতম ন্যায়ালয়ে ইয়াৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰোতে এনে ডিক্ৰী বা আদেশ দিব পাৰে যিটো ইয়াৰ বিচাৰাধীন হৈ থকা কোনো বাদ বা বিষয়ৰ সম্পূৰ্ণ ন্যায় কৰিবলৈ আৱশ্যক হয়, আৰু এনেকৈ পাৰিত কোনো ডিক্ৰী অথবা এনেকৈ দিয়া কোনো আদেশ ভাৰতৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰতে, সংসদে প্ৰস্তুত কৰা কোনো বিধিৰ দ্বাৰা বা অধীনত যথাবিহিত ৰীতিৰে আৰু সেই অৰ্থে সেইদৰে উপবন্ধিত নকৰালৈকে ৰাষ্ট্ৰপতিৰ আদেশৰ[১] দ্বাৰা যথাবিহিত কৰা ৰীতিৰে প্ৰৱৰ্তন হ'ব।

(২) এই বিষয়ে সংসদে কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে ভাৰতৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰৰ সম্পৰ্কত কোনো ব্যক্তিক হাজিৰ কৰোৱা, কোনো দলিল আৱিষ্কাৰ বা দাখিল কৰোৱা অথবা ইয়াৰ নিজৰ অৱমাননাৰ অনুসন্ধান কৰোৱা বা দণ্ড দিয়াৰ প্ৰয়োজনৰ বাবে যি কোনো আদেশ দিবলৈ উচ্চতম ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

**১৪৩। উচ্চতম ন্যায়ালয়ৰ লগত পৰামৰ্শ কৰিবলৈ ৰাষ্ট্ৰপতিৰ ক্ষমতা** - (১) যদি কোনো সময়ত এইটো ৰাষ্ট্ৰপতিৰ প্ৰতীয়মান হয় যে বিধি বা তথ্যৰ এনে এটা প্ৰশ্ন আহিছে বা অহাৰ সম্ভাৱনা আছে যিটো এনে প্ৰকৃতি বা এনেকুৱা সাৰ্বজনিক গুৰুত্বৰ হয় যে সেই প্ৰশ্নৰ ওপৰত উচ্চতম ন্যায়ালয়ৰ অভিমত লোৱাটো সমীচীন, তেনেহ'লে ৰাষ্ট্ৰপতিয়ে সেই প্ৰশ্নটো বিচাৰৰ বাবে সেই ন্যায়ালয়লৈ পঠিয়াব পাৰে আৰু ন্যায়ালয়ে, যথোচিত বুলি ভবা মতে লোৱা শুনানীৰ পিচত, সেই প্ৰশ্নৰ ওপৰত দিয়া ইয়াৰ অভিমত ৰাষ্ট্ৰপতিক জনাব পাৰে।

(২) অনুচ্ছেদ ১৩১-ৰ ব্যতিক্ৰমত [২]*** যিয়েই নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে [৩][উক্ত ব্যতিক্ৰম]-ত উল্লিখিত ধৰণৰ বিবাদ উচ্চতম ন্যায়ালয়ৰ অভিমতৰ অৰ্থে পঠিয়াব পাৰে আৰু উচ্চতম ন্যায়ালয়ে যথোচিত বুলি ভবা মতে লোৱা শুনানীৰ পিচত সেই প্ৰশ্নৰ ওপৰত ইয়াৰ অভিমত ৰাষ্ট্ৰপতিক জনাব লাগিব।

**১৪৪। দেৱানী আৰু ন্যায়িক প্ৰাধিকাৰীসকলে উচ্চতম ন্যায়ালয়ৰ সহায়ক ৰূপে কাৰ্য্য কৰিব** - ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ দেৱানী আৰু ন্যায়িক সকলো প্ৰাধিকাৰীয়ে উচ্চতম ন্যায়ালয়ৰ সহায়ক ৰূপে কাৰ্য্য কৰিব।

[৪][**১৪৪ক।** [*বিধিৰ সাংবিধানিক বিধিমান্যতা সম্বন্ধীয় প্ৰশ্ন নিষ্পত্তিৰ বাবে বিশেষ উপবন্ধাৱলী] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৫-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*]

**১৪৫। ন্যায়ালয়ৰ নিয়ম আদি** - (১) সংসদে প্ৰণয়ণ কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, উচ্চতম ন্যায়ালয়ে সময়ে সময়ে, ৰাষ্ট্ৰপতিৰ অনুমোদন লৈ তলত দিয়াসমূহ অন্তৰ্ভুক্ত কৰি সাধাৰণতঃ ন্যায়ালয়ৰ কাৰ্য্যপ্ৰণালী আৰু প্ৰক্ৰিয়া নিয়ন্ত্ৰণৰ অৰ্থে নিয়মাৱলী প্ৰস্তুত কৰিব পাৰিব –

(ক) ন্যায়ালয়ত ওকালতি কৰা ব্যক্তিসকলৰ সম্পৰ্কে নিয়মাৱলী;

---

[১] উচ্চতম ন্যায়ালয় (ডিক্ৰী আৰু আদেশ) বলবৎকৰণ আদেশ, ১৯৫৪ (চি.অ'. ৪৭) চাওক।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "দফা (i)-ত" শব্দসমূহ, বন্ধনী আৰু সংখ্যা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "উপৰোক্ত ধাৰাত" কথাখিনিৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) আপীলৰ শুনানীৰ অৰ্থে প্ৰক্ৰিয়াৰ নিয়মাৱলী আৰু ন্যায়ালয়ত আপীল দাখিল কৰাৰ সময়কে ধৰি আপীল সম্বন্ধীয় অন্য বিষয়বোৰৰ সম্পৰ্কে নিয়মাৱলী;

(গ) তৃতীয় অংশৰ দ্বাৰা প্ৰদত্ত যিকোনো অধিকাৰ বলবৎ কৰাৰ নিমিত্তে ন্যায়ালয়ত কাৰ্য্যক্ৰমণিকা সম্পৰ্কে নিয়মাৱলী;

[১][(গগ) [২][অনুচ্ছেদ ১৩৯ক]ৰ অধীনত ন্যায়ালয়ৰ কাৰ্য্যক্ৰমণিকা সম্পৰ্কে নিয়মাৱলী;]

(ঘ) অনুচ্ছেদ ১৩৪-ৰ দফা (১)-ৰ উপদফা (গ)-ৰ অধীনত আপীল গ্ৰহণ কৰা সম্পৰ্কে নিয়মাৱলী;

(ঙ) ন্যায়ালয়ৰ দ্বাৰা প্ৰদত্ত কোনো ন্যায়-নিৰ্ণয় বা আদেশ, যি চৰ্ত সাপেক্ষে পুনৰ্বিবেচিত হ'ব পাৰে সেই চৰ্তসমূহৰ সম্পৰ্কে নিয়মাৱলী, আৰু তেনে পুনৰ্বিৱেচনাৰ বাবে কিমান সময়ৰ ভিতৰত ন্যায়ালয়ত আবেদন দাখিল কৰিব লাগিব তাক সামৰি তেনে পুনৰ্বিৱেচনাৰ প্ৰক্ৰিয়া সম্পৰ্কে নিয়মাৱলী;

(চ) ন্যায়ালয়ৰ কোনো কাৰ্য্যক্ৰমণিকা আৰু প্ৰাসংগিক খৰচ সম্পৰ্কে আৰু ন্যায়ালয়ত কাৰ্য্যক্ৰমণিকা সম্বন্ধে ল'বলগীয়া মাচুল সম্পৰ্কে নিয়মাৱলী;

(ছ) জামিন মঞ্জুৰ কৰা সম্পৰ্কে নিয়মাৱলী;

(জ) কাৰ্য্যক্ৰমণিকা বন্ধ ৰখাৰ সম্পৰ্কে নিয়মাৱলী;

(ঝ) ন্যায়ালয়ৰ অভিমতত অনৰ্থক বা বিৰক্তিকৰ বা বিলম্বৰ উদ্দেশ্যে অনা কোনো আপীলৰ সংক্ষিপ্ত নিৰ্ধাৰণ বিধানিত কৰা নিয়মাৱলী;

(ঞ) অনুচ্ছেদ ৩১৭ৰ দফা (১)-ত উল্লিখিত তদন্তৰ প্ৰক্ৰিয়া সম্পৰ্কে নিয়মাৱলী;

(২) [৩][[৪]*** দফা (৩)-ৰ উপবন্ধাৱলী সাপেক্ষে] এই অনুচ্ছেদৰ অধীনত প্ৰস্তুত নিয়মাৱলীয়ে কোনো প্ৰয়োজনৰ বাবে বহিব লগা ন্যায়াধীশৰ ন্যূনতম সংখ্যা স্থিৰ কৰিব পাৰিব আৰু একক ন্যায়াধীশ আৰু খণ্ড ন্যায়ালয়সমূহৰ ক্ষমতাৰ বাবেও উপবন্ধিত কৰিব পাৰিব।

(৩) এই সংবিধানৰ ব্যাখ্যা সম্পৰ্কে গুৰুত্বপূৰ্ণ বিধিগত প্ৰশ্ন জড়িত কোনো গোচৰ সম্পৰ্কে সিদ্ধান্তৰ উদ্দেশ্যে অথবা অনুচ্ছেদ ১৪৩-ৰ অধীনত কৰা কোনো নিৰ্দেশ শুনানীৰ উদ্দেশ্যে ন্যায়াধীশ [৫][[৪]***ন্যূনতম সংখ্যা] পাঁচজন হ'ব লাগিব:

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৬-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৬-ৰ দ্বাৰা "অনুচ্ছেদ ১৩১ক আৰু ১৩৯ক"-ৰ সলনি প্ৰতিস্থাপিত (১৩-৪-১৯৭৮-পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৬-ৰ দ্বাৰা "দফা (৩)-ৰ উপবন্ধাৱলী"-ৰ সলনি প্ৰতিস্থাপিত (১-২-১৯৭৭-পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৬-ৰ দ্বাৰা কিছুমান শব্দ বিলোপিত (১৩-৪-১৯৭৮-পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৬-ৰ দ্বাৰা "ন্যূনতম সংখ্যা"-ৰ সলনি প্ৰতিস্থাপিত (১-২-১৯৭৭-পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, যি স্থলত অনুচ্ছেদ ১৩২-ৰ বাহিৰে এই অধ্যায়ৰ অন্য কোনো উপবন্ধাৱলীৰ অধীনত কোনো আপীলৰ শুনানী গ্ৰহণ কৰা ন্যায়ালয় পাঁচজনতকৈ কম সংখ্যক ন্যায়াধীশেৰে গঠিত হয়, আৰু আপীলৰ শুনানী গ্ৰহণ কৰি থাকোঁতে উক্ত আপীলত এই সংবিধানৰ নিৰ্বচন সম্পৰ্কে গুৰুত্বপূৰ্ণ বিধিগত প্ৰশ্ন জড়িত আছে বুলি ন্যায়ালয় সন্তুষ্ট হয়, যাৰ নিৰ্ধাৰণ আপীল নিষ্পত্তিৰ কাৰণে আৱশ্যকীয়, তেনেস্থলত এনে ন্যায়ালয়ে এনে প্ৰশ্ন জড়িত থকা কোনো গোচৰ ব্যাখ্যা কৰাৰ উদ্দেশ্যে এই দফাৰ দ্বাৰা প্ৰয়োজন অনুসৰি গঠিত হোৱা ন্যায়ালয়লৈ অভিমতৰ কাৰণে সেই প্ৰশ্নটো পঠিয়াব আৰু অভিমত লাভ কৰিলে সেই অভিমত অনুসৰি আপীলটো নিষ্পত্তি কৰিব।

(৪) মুক্ত ন্যায়ালয়ৰ বাহিৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা কোনো ন্যায়-নিৰ্ণয় প্ৰদত্ত নহ'ব, আৰু মুক্ত ন্যায়ালয়ত প্ৰদত্ত অভিমত ব্যতিৰেকে অনুচ্ছেদ ১৪৩-ৰ অধীনত কোনো প্ৰতিবেদন দিয়া নহ'ব।

(৫) গোচৰৰ শুনানীত উপস্থিত থকা ন্যায়াধীশসকলৰ সংখ্যাগৰিষ্ঠৰ সন্মতি নহ'লে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা কোনো ন্যায়-নিৰ্ণয় আৰু এনে কোনো অভিমত প্ৰদান কৰা নহ'ব, কিন্তু এই দফাৰ কোনো কথাই সহমত নোহোৱা কোনো ন্যায়াধীশক অসন্মতিমূলক ন্যায়-নিৰ্ণয় বা অভিমত প্ৰদান কৰাৰ পৰা নিবাৰণ কৰা বুলি গণ্য কৰা নহ'ব।

**১৪৬। উচ্চতম ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকল আৰু ব্যয়সমূহ** - (১) উচ্চতম ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকলৰ নিযুক্তি ভাৰতৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা অথবা তেওঁৰ নিৰ্দেশক্ৰমে সেই ন্যায়ালয়ৰ অন্য কোনো ন্যায়াধীশ বা পদাধিকাৰীৰ দ্বাৰা সম্পন্ন কৰিব লাগিব:

কিন্তু, ৰাষ্ট্ৰপতিয়ে নিয়মৰ দ্বাৰা এইটো কৰিব পাৰে যে এনেক্ষেত্ৰত ন্যায়ালয়ৰ লগত পূৰ্বৰে পৰা সম্পৰ্কিত হৈ নথকা কোনো ব্যক্তিক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ লগত পৰামৰ্শ ব্যতিৰেকে ন্যায়ালয়ৰ লগত সংযুক্ত কোনো পদত নিযুক্ত নকৰিব।

(২) সংসদে প্ৰস্তুত কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, উচ্চতম ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকলৰ সেৱাৰ চৰ্তসমূহ ভাৰতৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা অথবা সেই প্ৰয়োজনৰ বাবে নিয়মাৱলী প্ৰস্তুত কৰিবলৈ মুখ্য ন্যায়াধীশৰ দ্বাৰা প্ৰাধিকৃত সেই ন্যায়ালয়ৰ অন্য কোনো ন্যায়াধীশ বা পদাধিকাৰীৰ দ্বাৰা প্ৰস্তুত নিয়মাৱলীৰ দ্বাৰা যথাবিহিত অনুসৰি হ'ব:

কিন্তু, এই দফাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ যি পৰ্য্যন্ত দৰমহা, ভাট্টা, ছুটী বা অৱসৰ-বেতনৰ লগত সম্পৰ্ক থাকে সেই পৰ্য্যন্ত ৰাষ্ট্ৰপতিৰ অনুমোদনৰ আৱশ্যক হ'ব।

(৩) ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকলক বা তেওঁলোকৰ সম্পৰ্কত দিবলগীয়া সকলো দৰমহা, ভাট্টা আৰু অৱসৰ-বেতনক সামৰি উচ্চতম ন্যায়ালয়ৰ প্ৰশাসনীয় ব্যয়সমূহ ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত হ'ব, আৰু সেই ন্যায়ালয়ে গ্ৰহণ কৰা কোনো মাচুল বা অন্যান্য ধন সেই নিধিৰ অংশ হ'ব।

**১৪৭। নিৰ্বচন** - এই অধ্যায়ত আৰু ষষ্ঠ অংশৰ পঞ্চম অধ্যায়ত এই সংবিধানৰ ব্যাখ্যা সম্পৰ্কে কোনো গুৰুত্বপূৰ্ণ বিধিগত প্ৰশ্নৰ প্ৰতি থকা নিৰ্দেশে ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫-ৰ (সেই আইনৰ সংশোধন আৰু পৰিপূৰণ কৰা কোনো অধিনিয়মক সামৰি) অথবা পৰিষদৰ আদেশ বা তাৰ অধীনত প্ৰস্তুত কৰা কোনো আদেশৰ অথবা ভাৰতীয় স্বাধীনতা অধিনিয়ম, ১৯৪৭-ৰ বা তাৰ অধীনত প্ৰস্তুত কোনো আদেশ, নিৰ্বচন সম্পৰ্কে কোনো গুৰুত্বপূৰ্ণ বিধিগত প্ৰশ্নৰ প্ৰতি থকা নিৰ্দেশকো সামৰি লোৱা বুলি গণ্য কৰা হ'ব।

## পঞ্চম অধ্যায় - ভাৰতৰ নিয়ন্ত্ৰক - মহালেখা পৰীক্ষক

**১৪৮। ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক** - (১) ৰাষ্ট্ৰপতিয়ে নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা নিযুক্ত কৰা ভাৰতৰ এজন নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক থাকিব আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এজন যি ৰীতিৰে আৰু যি কাৰণত তেওঁৰ পদৰ পৰা অপসাৰিত হয়, সেই অনুৰূপ ৰীতিৰে আৰু কাৰণতহে তেওঁক পদৰ পৰা অপসাৰিত কৰিব পৰা যাব।

(২) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক ৰূপে নিযুক্ত হোৱা প্ৰত্যেক ব্যক্তিয়ে পদত অধিষ্ঠিত হোৱাৰ আগেয়ে, ৰাষ্ট্ৰপতিৰ সন্মুখত অথবা সেই উপলক্ষে তেওঁৰ দ্বাৰা নিযুক্ত কৰা কোনো ব্যক্তিৰ সন্মুখত তৃতীয় অনুসূচীত এই উদ্দেশ্যে দিয়া হোৱা প্ৰপত্ৰ অনুসৰি শপত ল'ব বা অংগীকাৰ কৰিব আৰু তাত স্বাক্ষৰ কৰিব।

(৩) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বেতন আৰু সেৱাৰ আন আন চৰ্তসমূহ সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰা অনুসৰি হ'ব আৰু এনেভাবে নিৰ্ধাৰিত নোহোৱালৈকে দ্বিতীয় অনুসূচীত নিৰ্ধাৰিত কৰা ধৰণৰ হ'ব:

কিন্তু নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক এজনৰ বেতন নাইবা তেওঁৰ অনুপস্থিতিৰ ছুটী, অৱসৰ-বেতন অথবা অৱসৰ গ্ৰহণৰ বয়সৰ অধিকাৰসমূহ তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্ৰতিকুল হোৱাকৈ পৰিৱৰ্তন কৰা নহ'ব।

(৪) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকজন তেওঁৰ পদত অধিষ্ঠিত হৈ নাথাকিলেও ভাৰত চৰকাৰ অথবা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত অন্য কোনো পদ গ্ৰহণ কৰাৰ যোগ্য নহ'ব।

(৫) এই সংবিধান আৰু সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে ভাৰতৰ হিচাপ-পৰীক্ষা আৰু হিচাপ বিভাগত কৰ্মৰত ব্যক্তিসকলৰ সেৱাৰ চৰ্তসমূহ আৰু নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰশাসনীয় ক্ষমতা, নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰাৰ পাচত ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰস্তুত নিয়মাৱলীৰ দ্বাৰা যথাবিহিত অনুসাৰে হ'ব।

(৬) সেই কাৰ্যালয়ত কৰ্মৰত ব্যক্তিসকলৰ বা তেওঁলোকৰ ক্ষেত্ৰত দিবলগীয়া বেতন, ভাট্টা আৰু অৱসৰ-বেতনক অন্তৰ্ভুক্ত কৰি নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কাৰ্যালয়ৰ প্ৰশাসনীয় ব্যয়সমূহ ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা প্ৰদান কৰা হ'ব।

**১৪৯। নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কৰ্তব্য আৰু ক্ষমতাসমূহ** - নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে সংঘ আৰু ৰাজ্যৰ আৰু আন কোনো প্ৰাধিকাৰী বা নিকায়ৰ হিচাপ সম্বন্ধে সংসদৰ দ্বাৰা প্ৰস্তুত কোনো বিধিৰ দ্বাৰা বা অধীনত যেনে বিহিত কৰা হৈছে তেনে কৰ্তব্য পালন আৰু ক্ষমতা প্ৰয়োগ কৰিব আৰু সেই উপলক্ষে এনে বিধানিত নকৰালৈকে সংঘৰ আৰু ৰাজ্যবোৰৰ হিচাপ সম্বন্ধে এনে কৰ্তব্য পালন আৰু ক্ষমতা প্ৰয়োগ কৰিব যিবিলাক এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যথাক্ৰমে ভাৰত ডমিনিয়ন আৰু প্ৰদেশসমূহৰ হিচাপ সম্পৰ্কে ভাৰতৰ মহালেখা-পৰীক্ষকৰ ওপৰত প্ৰদত্ত কৰা হৈছিল বা তেওঁৰ দ্বাৰা প্ৰযোজ্য আছিল।

[১][**১৫০। ৰাজ্যবোৰৰ হিচাপৰ প্ৰপত্ৰ** - সংঘ আৰু ৰাজ্যসমূহৰ হিচাপসমূহ এনে প্ৰপত্ৰত ৰখা হ'ব যি প্ৰপত্ৰ ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা-পৰীক্ষকৰ [২][পৰামৰ্শ অনুসৰি] ৰাষ্ট্ৰপতিয়ে বিহিত কৰে।]

**১৫১। হিচাপ-পৰীক্ষা প্ৰতিবেদন** - (১) সংঘৰ হিচাপ সম্পৰ্কে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদন ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হ'ব আৰু তেওঁ সংসদৰ উভয় সদনৰ আগত সেইবিলাক উপস্থাপন কৰোৱাব।

(২) কোনো ৰাজ্যৰ হিচাপ সম্পৰ্কে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদন ৰাজ্যৰ ৰাজ্যপালৰ [৩]*** ওচৰত দাখিল কৰা হ'ব, আৰু তেওঁ সেই ৰাজ্যৰ বিধানমণ্ডলৰ আগত সেইসমূহ উপস্থাপন কৰোৱাব।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৭-ৰ দ্বাৰা অনুচ্ছেদ ১৫০-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২২-ৰ দ্বাৰা "পৰামৰ্শমতে"ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "অথবা ৰাজপ্ৰমুখ" কথাখিনি বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ষষ্ঠ অংশ

## ৰাজ্যসমূহ[১]***

### প্ৰথম অধ্যায় – সাধাৰণ

**১৫২৷ সংজ্ঞা** - প্ৰসংগক্ৰমে অন্যধৰণে আৱশ্যক নহ'লে, এই অংশত 'ৰাজ্য' বুলিলে [২][জম্মু আৰু কাশ্মীৰ ৰাজ্য অন্তৰ্গত নহয়।]

### দ্বিতীয় অধ্যায় – কাৰ্য্যপালিকা

*ৰাজ্যপাল*

**১৫৩৷ ৰাজ্যসমূহৰ ৰাজ্যপালসমূহ** - প্ৰতিখন ৰাজ্যৰ কাৰণে একোজন ৰাজ্যপাল থাকিব:

[৩][কিন্তু, এই অনুচ্ছেদৰ কোনো কথাই একেজন ব্যক্তিকে দুই বা ততোধিক ৰাজ্যৰ বাবে ৰাজ্যপাল নিযুক্ত কৰাত বাধা নিদিয়ে।]

**১৫৪৷ ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা** - (১) ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা ৰাজ্যপালৰ ওপৰত ন্যস্ত হ'ব আৰু সংবিধান অনুসৰি তেওঁৰ দ্বাৰা পোনপটীয়াকৈ নাইবা তেওঁৰ অধীনস্থ পদাধিকাৰীসকলৰ জৰিয়তে এই ক্ষমতা প্ৰয়োগ হ'ব।

(২) এই অনুচ্ছেদত থকা কোনো কথাই –

(ক) কোনো বৰ্তমান বিধিৰ দ্বাৰা অন্য কোনো প্ৰাধিকাৰীক অৰ্পণ কৰা কাৰ্যক ৰাজ্যপাললৈ হস্তান্তৰ কৰা বুলি গণ্য কৰা নহ'ব; অথবা

(খ) ৰাজ্যপালৰ অধীনস্থ কোনো প্ৰাধিকাৰীৰ ওপৰত বিধিৰ দ্বাৰা কাৰ্য অৰ্পণ কৰাৰ পৰা সংসদক নাইবা ৰাজ্যৰ বিধানমণ্ডলক নিবাৰণ কৰিব নোৱাৰিব।

**১৫৫৷ ৰাজ্যপালৰ নিযুক্তি** - কোনো ৰাজ্যৰ ৰাজ্যপাল ৰাষ্ট্ৰপতিৰ নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা নিযুক্ত হ'ব।

**১৫৬৷ ৰাজ্যপালৰ কাৰ্যকাল** - (১) ৰাষ্ট্ৰপতিৰ সন্তুষ্টি পৰ্য্যন্ত ৰাজ্যপাল পদত অধিষ্ঠিত থাকিব।

(২) ৰাজ্যপালে নিজ হস্তাক্ষৰৰ দ্বাৰা ৰাষ্ট্ৰপতিক সম্বোধন কৰি পদত্যাগ কৰিব পাৰে।

(৩) এই অনুচ্ছেদৰ পূৰ্বৰ উপবন্ধাৱলী সাপেক্ষে পদ গ্ৰহণ কৰা তাৰিখৰ পৰা পাঁচ বছৰ কাল ৰাজ্যপাল পদত অধিষ্ঠিত থাকিব:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক-ত" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক-ত নিৰূপিত কৰা ৰাজ্য বুজাব"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৬-ৰ দ্বাৰা সংযোজিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, নিজ পদৰ কাল অন্ত হোৱা সত্বেও তেওঁৰ উত্তৰাধিকাৰীয়ে পদ গ্ৰহণ নকৰা পৰ্য্যন্ত তেওঁ ৰাজ্যপাল পদত অধিষ্ঠিত হৈ থাকিব।

**১৫৭। ৰাজ্যপাল ৰূপে নিযুক্ত হোৱাৰ অৰ্হতাসমূহ** - ভাৰতৰ নাগৰিক নহ'লে আৰু পয়ত্ৰিশ বছৰ বয়স পূৰ্ণ নহ'লে কোনো ব্যক্তি ৰাজ্যপাল ৰূপে নিযুক্ত হোৱাৰ যোগ্য হ'ব নোৱাৰিব।

**১৫৮। ৰাজ্যপাল পদৰ চৰ্তসমূহ** - (১) ৰাজ্যপাল সংসদৰ কোনো সদন নাইবা প্ৰথম অনুসূচীত নিৰ্দিষ্ট কৰা যিকোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ সদস্য হ'ব নোৱাৰিব আৰু যদি সংসদৰ কোনো সদন নাইবা তেনেকুৱা ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ সদস্যক ৰাজ্যপাল নিযুক্ত কৰা হয় তেনেহ'লে যি তাৰিখে তেওঁ ৰাজ্যপাল ৰূপে পদ গ্ৰহণ কৰে সেই তাৰিখেই তেওঁ সেই সদনত তেওঁৰ স্থান ৰিক্ত কৰি দিছে বুলি গণ্য কৰা হ'ব।

(২) ৰাজ্যপালে অন্য কোনো লাভজনক পদত অধিষ্ঠিত নহ'ব।

(৩) ৰাজ্যপাল ভাড়াবিহীন চৰকাৰী আবাস ব্যৱহাৰ কৰাৰ অধিকাৰী হ'ব আৰু বিধিৰ দ্বাৰা সংসদে যথা নিৰ্ধাৰিত কৰি দিয়া পাৰিশ্ৰমিক, ভাট্টা আৰু বিশেষাধিকাৰ পোৱাৰ অধিকাৰী হ'ব আৰু সেই নিমিত্তে তেনেভাৱে উপবন্ধ প্ৰস্তুত নকৰালৈকে দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা অনুসৰি পাৰিশ্ৰমিক, ভাট্টা আৰু বিশেষাধিকাৰৰ অধিকাৰী হ'ব।

[১][(৩ক) যেতিয়া একেজন ব্যক্তিকে দুই বা ততোধিক ৰাজ্যৰ ৰাজ্যপাল নিযুক্ত কৰা হয়, তেতিয়া ৰাজ্যপালজনক দিবলগীয়া পাৰিশ্ৰমিক, আৰু ভাট্টা ৰাজ্যসমূহৰ মাজত এনে অনুপাতত আবণ্টিত হ'ব যিটো ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্ধাৰণ কৰি দিয়ে।]

(৪) ৰাজ্যপালৰ কাৰ্যকালৰ ভিতৰত তেওঁৰ পাৰিশ্ৰমিক আৰু ভাট্টা হ্ৰাস হ'ব নোৱাৰিব।

**১৫৯। ৰাজ্যপালৰ শপত গ্ৰহণ বা অংগীকাৰ** - প্ৰত্যেক ৰাজ্যপালে নাইবা ৰাজ্যপালৰ কাৰ্য সম্পাদন কৰা প্ৰত্যেক ব্যক্তিয়ে নিজ পদ গ্ৰহণ কৰাৰ পূৰ্বে ৰাজ্যখনৰ সম্পৰ্কত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অথবা তেওঁৰ অনুপস্থিতিত সেই ন্যায়ালয়ৰ সেইসময়ৰ জ্যেষ্ঠতম ন্যায়াধীশজনৰ উপস্থিতিত তলত দিয়া প্ৰপত্ৰত শপত ল'ব বা অংগীকাৰ কৰিব আৰু স্বাক্ষৰ কৰিব; অৰ্থাৎ

"মই অমুকে ঈশ্বৰৰ নামত শপত লওঁ / সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ যে মই শ্ৰদ্ধাপূৰ্বক ---------------------- (*ৰাজ্যৰ নাম*) ৰাজ্যপালৰ পদ পালন কৰিম (নাইবা ৰাজ্যপালৰ কাৰ্য সম্পাদন কৰিম) আৰু সামৰ্থ্যৰ পূৰ্ণ প্ৰয়োগ সহকাৰে সংবিধান আৰু বিধিৰ ৰক্ষণাবেক্ষণ, সংৰক্ষণ আৰু প্ৰতিৰক্ষা কৰিম আৰু --------------- (*ৰাজ্যৰ নাম*)ৰ জনসাধাৰণৰ সেৱা আৰু কল্যাণৰ অৰ্থে আত্মনিয়োগ কৰিম"।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১৬০৷ কিছুমান আকস্মিক ক্ষেত্ৰত ৰাজ্যপালৰ কাৰ্য পালন** - এই অধ্যায়ত উপবন্ধিত নকৰা যিকোনো আকস্মিকতাত কোনো ৰাজ্যৰ ৰাজ্যপালৰ কাৰ্যসমূহ পালন কৰাৰ কাৰণে ৰাষ্ট্ৰপতিয়ে যেনে উচিত বিবেচনা কৰে তেনেকৈ উপবন্ধিত কৰিব পাৰিব।

**১৬১৷ কিছুমান গোচৰত ক্ষমা আদি প্ৰদান কৰিবলৈ আৰু দণ্ডাদেশ নিলম্বিত, পৰিহাৰ বা লঘু কৰিবলৈ ৰাজ্যপালৰ ক্ষমতা** - ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা বিস্তৃত হোৱা কোনো বিষয় সম্পৰ্কীয় বিধিৰ বিৰুদ্ধে কৰা কোনো অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱা ব্যক্তিৰ দণ্ডৰ ক্ষমা, বিলম্বন, বিৰাম বা পৰিহাৰ কৰিবলৈ বা কোনো দণ্ডাদেশৰ নিলম্বন, পৰিহাৰ বা লঘু কৰিবলৈ সেই ৰাজ্যৰ ৰাজ্যপালৰ ক্ষমতা থাকিব।

**১৬২৷ ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতাৰ বিস্তৃতি** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে এখন ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা এনেসমূহ বিষয়লৈ সম্প্ৰসাৰিত হ'ব যিসমূহ বিষয়ৰ ক্ষেত্ৰত সেই ৰাজ্যৰ বিধানমণ্ডলৰ বিধি প্ৰণয়ন ক্ষমতা থাকে:

কিন্তু, যি বিষয়সমূহৰ ক্ষেত্ৰত ৰাজ্যৰ বিধানমণ্ডল আৰু সংসদৰ বিধি প্ৰণয়নৰ ক্ষমতা থাকে তেনে যিকোনো বিষয়ত ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা এই সংবিধানৰ দ্বাৰা অথবা সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ দ্বাৰা সংঘৰ বা তাৰ প্ৰাধিকাৰীসমূহৰ ওপৰত স্পষ্টভাৱে প্ৰদত্ত কাৰ্য্যবাহী ক্ষমতাৰ অধীনস্থ আৰু তাৰ দ্বাৰা পৰিসীমিত হ'ব।

*মন্ত্ৰী-পৰিষদ*

**১৬৩৷ ৰাজ্যপালক সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মন্ত্ৰী-পৰিষদ** - (১) এই সংবিধানৰ দ্বাৰা বা অধীনত ৰাজ্যপালে স্ববিবেচনাৰে সম্পাদন কৰিবৰ বাবে আৱশ্যক হোৱা তেওঁৰ কাৰ্যসমূহ বা তাৰ কোনোটোৰ ব্যতিৰেকে ৰাজ্যপালক কাৰ্য সম্পাদন কৰাত সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মুখ্যমন্ত্ৰীক গুৰিয়াল স্বৰূপে লৈ এখন মন্ত্ৰী-পৰিষদ থাকিব।

(২) যদি এই সংবিধানৰ দ্বাৰা বা অধীনত ৰাজ্যপালে কোনো বিষয়ত স্ববিবেচনাৰে কাৰ্য্য কৰিবলৈ আৱশ্যক হয় নে নহয় সেই সম্বন্ধে প্ৰশ্ন উঠে, তেনেহ'লে সেই বিষয়ে স্ববিবেচনাৰে কৰা ৰাজ্যপালৰ সিদ্ধান্তই চূড়ান্ত হ'ব আৰু ৰাজ্যপালে স্ববিবেচনাৰে কাৰ্য্য কৰা উচিত আছিল বা নাছিল এইক্ষেত্ৰত ৰাজ্যপালে কৰা যিকোনো কামৰ মান্যতা সম্বন্ধে কোনো আপত্তি নেখাটিব।

(৩) মন্ত্ৰীসকলে ৰাজ্যপালক কিবা পৰামৰ্শ দিছিলনে, আৰু যদি দিছিল কি দিছিল সেই সম্পৰ্কে কোনো ন্যায়ালয়ত তদন্ত কৰিব নোৱাৰিব।

**১৬৪৷ মন্ত্ৰীসকল সম্বন্ধীয় অন্যান্য উপবন্ধাৱলী** - (১) মুখ্যমন্ত্ৰীক ৰাজ্যপালে নিযুক্ত কৰিব আৰু মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী ৰাজ্যপালে অন্যান্য মন্ত্ৰীসকলক নিযুক্ত কৰিব আৰু মন্ত্ৰীসকলে ৰাজ্যপালৰ সন্তুষ্টি পৰ্য্যন্ত পদত অধিষ্ঠিত থাকিব:

কিন্তু, [1][ছত্তিছগড়, ঝাৰখণ্ড], মধ্যপ্ৰদেশ আৰু [2][ওড়িষা] এই তিনিখন ৰাজ্যত জনজাতিৰ কল্যাণৰ দায়িত্ব বহনৰ কাৰণে এজন মন্ত্ৰী থাকিব আৰু তেওঁ নিজ কাৰ্য্যভাৰৰ উপৰিও অনুসূচিত জাতি আৰু অনুন্নত সম্প্ৰদায়ৰ কল্যাণ বা অন্য কামৰ দায়িত্ব বহন কৰিব পাৰিব।

[3][(১ক) কোনো ৰাজ্যৰ মুখ্যমন্ত্ৰীসহ মন্ত্ৰী-পৰিষদৰ মুঠ সদস্য সংখ্যা সেই ৰাজ্যৰ বিধানসভাৰ মুঠ সদস্য সংখ্যাৰ ১৫%-তকৈ অধিক হ'ব নোৱাৰিব:

কিন্তু, কোনো ৰাজ্যৰ মুখ্যমন্ত্ৰীসহ মুঠ মন্ত্ৰীৰ সংখ্যা ১২ জনতকৈ কম হ'ব নালাগিব।

অধিকন্তু, কোনো ৰাজ্যৰ মুখ্যমন্ত্ৰীসহ মন্ত্ৰী-পৰিষদৰ মুঠ সদস্য সংখ্যা যদি, সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩ আৰম্ভ হোৱা সময়ত পূৰ্বোক্ত ১৫%-তকৈ বা প্ৰথম দফাত নিৰ্দিষ্ট কৰি দিয়াতকৈ অধিক আছিল, এনেক্ষেত্ৰত সেই ৰাজ্যৰ মুঠ মন্ত্ৰীৰ সংখ্যা ৰাষ্ট্ৰপতিয়ে চৰকাৰী অধিসূচনাৰ দ্বাৰা স্থিৰ কৰি দিয়া তাৰিখ[4]ৰ পৰা ৬ মাহৰ ভিতৰত এই দফাত থকা ব্যৱস্থামতে কৰিব লাগিব।

(১খ) কোনো ৰাজ্যৰ বিধানসভা বা বিধান পৰিষদ থকা কোনো ৰাজ্যৰ কোনো বিধানমণ্ডলৰ যিকোনো সদনৰ, কোনো ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত কোনো সদস্য যদি দশম অনুসূচীৰ পেৰেগ্ৰাফ ২-ৰ অধীনত সদনৰ সদস্য হিচাপে অযোগ্য ঘোষিত হৈছে, তেনেহ'লে দফা (১)-ৰ অধীনত তেওঁক অযোগ্য হোৱা দিনৰ পৰা আৰম্ভ কৰি সদস্য হিচাপে কাৰ্যকাল শেষ হোৱা দিনলৈ বা এনে কাৰ্যকাল শেষ হোৱাৰ আগতে যদি ৰাজ্যৰ বিধানসভা বা বিধান পৰিষদ থকা ৰাজ্যৰ যিকোনো সদনৰ নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰে, তেওঁ নিৰ্বাচিত হোৱা বুলি ঘোষিত হোৱা দিনলৈ, যিটোৱেই আগতে হয়, মন্ত্ৰী হিচাপে নিয়োগৰ বাবে অযোগ্য হ'ব।]

(২) মন্ত্ৰী-পৰিষদ সামূহিকভাৱে ৰাজ্যৰ বিধানসভাৰ ওচৰত দায়বদ্ধ হ'ব।

(৩) মন্ত্ৰী এজনে পদ গ্ৰহণ কৰাৰ পূৰ্বে তৃতীয় অনুসূচীত এই প্ৰয়োজনত দিয়া হোৱা প্ৰপত্ৰসমূহ অনুসৰি ৰাজ্যপালে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰোৱাব।

---

[1] সংবিধান (৯৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৬-ৰ, ধাৰা ২-ৰ দ্বাৰা "বিহাৰ"-ৰ সলনি প্ৰতিস্থাপিত (১২-৬-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উৰিষ্যা (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০১১ (২০১১ৰ ১৫), ধাৰা ৪-ৰ দ্বাৰা "উৰিষ্যা"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২০১১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ, ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] ৭-১-২০০৪, অধিসূচনা সংখ্যা এছ.অ'. ২১(ঙ)-ৰ দ্বাৰা, তাৰিখ ৭-১-২০০৪।

(৪) কোনো মন্ত্ৰী একেৰাহে ছমাহ কাল ৰাজ্যৰ বিধানমণ্ডলৰ সদস্য নহ'লে উক্ত কাল শেষ হোৱাৰ পিচত তেওঁ মন্ত্ৰী হৈ নাথাকিব।

(৫) মন্ত্ৰীসকলৰ বেতন আৰু ভাট্টা ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা সময়ে সময়ে স্থিৰ কৰা অনুযায়ী আৰু বিধানমণ্ডলে তেনেকৈ স্থিৰ নকৰা পৰ্য্যন্ত দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰাৰ দৰে হ'ব।

*ৰাজ্যৰ মহাধিবক্তা*

**১৬৫। ৰাজ্যৰ মহাধিবক্তা** - (১) প্ৰত্যেক ৰাজ্যৰ ৰাজ্যপালে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত হোৱাৰ অৰ্হতাসম্পন্ন কোনো এজন ব্যক্তিক ৰাজ্যৰ মহাধিবক্তা ৰূপে নিযুক্ত কৰিব।

(২) ৰাজ্যখনৰ চৰকাৰক এনে বিধি সম্বন্ধীয় বিষয়ত পৰামৰ্শ দিয়া আৰু বিধিগত প্ৰকৃতিৰ এনে অন্যান্য কৰ্তব্য পালন কৰা যিবিলাক ৰাজ্যপালৰ দ্বাৰা সময়ে সময়ে তেওঁলৈ প্ৰেৰণ বা অৰ্পণ কৰা হয় আৰু এই সংবিধান অথবা সেই সময়ত বলবৎ হৈ থকা আন কোনো বিধিৰ দ্বাৰা বা অধীনত তেওঁৰ ওপৰত ন্যস্ত কাৰ্যসমূহ সম্পাদন কৰাটো মহাধিবক্তাৰ কৰ্তব্য হ'ব।

(৩) ৰাজ্যপালৰ সন্তুষ্টি পৰ্য্যন্ত মহাধিবক্তা সেই পদত অধিষ্ঠিত হৈ থাকিব আৰু ৰাজ্যপালৰ দ্বাৰা নিৰ্ধাৰিত পাৰিশ্ৰমিক লাভ কৰিব।

*চৰকাৰৰ কাৰ্য্য পৰিচালনা*

**১৬৬। ৰাজ্য চৰকাৰৰ কাৰ্য্য পৰিচালনা** - (১) কোনো ৰাজ্য চৰকাৰৰ সকলো কাৰ্য্যবাহী কাৰ্য্য ৰাজ্যপালৰ নামত হোৱা বুলি অভিব্যক্ত হ'ব।

(২) ৰাজ্যপালৰ নামত প্ৰস্তুত আৰু নিষ্পাদিত সকলো আদেশ আৰু অন্যান্য নিৰ্দেশনা ৰাজ্যপালে প্ৰস্তুত কৰিবলগীয়া নিয়মাৱলীত নিৰ্দিষ্ট ৰীতিমতে যথাৰ্থ হ'ব লাগিব, আৰু তেনেকৈ প্ৰমাণীকৃত কৰা আদেশ বা নিৰ্দেশনাৰ মান্যতাৰ বিৰুদ্ধে এই আধাৰৰ ওপৰত কোনো আপত্তি নাখাটিব যে সেইটো ৰাজ্যপালৰ দ্বাৰা প্ৰস্তুত বা নিষ্পাদিত আদেশ বা নিৰ্দেশনা নহয়।

(৩) ৰাজ্যৰ চৰকাৰৰ কাৰ্য্য অধিক সুবিধাজনকভাৱে সম্পাদনৰ বাবে আৰু এই সংবিধানৰ দ্বাৰা বা অধীনত ৰাজ্যপালে স্ববিবেচনাৰে কাম কৰিবলৈ আৱশ্যক নোহোৱা উক্ত কাৰ্য্যসমূহ মন্ত্ৰীসকলৰ মাজত বণ্টন কৰিবলৈ ৰাজ্যপালে নিয়মাৱলী প্ৰস্তুত কৰিব।

[১](৪) * * * * *

**১৬৭। ৰাজ্যপালক তথ্য অৱগত কৰা আদি বিষয়ত মুখ্যমন্ত্ৰীৰ কৰ্তব্য** - প্ৰত্যেকখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ কৰ্তব্য হ'ব –

(ক) ৰাজ্যৰ কাৰ্য্য প্ৰশাসন সম্বন্ধীয় আৰু বিধি প্ৰণয়নৰ প্ৰস্তাৱ সম্বন্ধীয় মন্ত্ৰী-পৰিষদৰ সকলো সিদ্ধান্ত ৰাজ্যৰ ৰাজ্যপালক অৱগত কৰা;

(খ) ৰাজ্যপালে জানিব খোজা ৰাজ্যৰ প্ৰশাসন সম্বন্ধীয় কাৰ্য্য আৰু বিধি প্ৰণয়নৰ প্ৰস্তাৱ সম্বন্ধীয় তেনে কোনো তথ্য ৰাজ্যপালক অৱগত কৰা;

(গ) কোনো এজন মন্ত্ৰীয়ে সিদ্ধান্ত লোৱা কিন্তু মন্ত্ৰী-পৰিষদে বিচাৰ নকৰা কোনো বিষয় ৰাজ্যপালে আৱশ্যক বুলি ভাবিলে মন্ত্ৰী-পৰিষদৰ বিচাৰৰ বাবে দাখিল কৰা।

## তৃতীয় অধ্যায় – বিধানমণ্ডল

*সাধাৰণ*

**১৬৮। ৰাজ্যসমূহত বিধানমণ্ডল গঠন** - (১) প্ৰত্যেক ৰাজ্যৰ বাবে একোখন বিধানমণ্ডল থাকিব আৰু ই গঠিত হ'ব ৰাজ্যপাল আৰু,

(ক) ৰাজ্যসমূহৰ ভিতৰত [২]***[৩][অন্ধ্ৰপ্ৰদেশ], বিহাৰ, [৪]***[৫][মধ্যপ্ৰদেশ], [৬]***[৭][মহাৰাষ্ট্ৰ], [৮][কৰ্ণাটক], [৯]***

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৮-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৩-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] অন্ধ্ৰ প্ৰদেশ বিধান সভা (বিলুপ্তকৰণ) অধিনিয়ম, ১৯৮৫ (১৯৮৫-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা "অন্ধ্ৰপ্ৰদেশ" শব্দ বিলোপিত (১-৬-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] অন্ধ্ৰপ্ৰদেশ বিধান পৰিষদ অধিনিয়ম, ২০05 (২০০৬-ৰ ১)-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৩০-৩-২০০৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ২০-ৰ দ্বাৰা "বোম্বে" শব্দটো বিলোপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬, ধাৰা ৮-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] তামিলনাডু বিধান পৰিষদ (বিলুপ্তকৰণ) অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৪০)-ৰ ধাৰা ৪-ৰ দ্বাৰা "তামিলনাডু" শব্দটো বিলোপিত (১-১১-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ২০-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৮] মহীশূৰ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৩ (১৯৭৩-ৰ ৩১)-ৰ ধাৰা ৪-ৰ দ্বাৰা "মহীশূৰ" শব্দটো প্ৰতিস্থাপিত (১-১১-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), পিছত সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৮(১)-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৯] পঞ্জাৱ বিধান পৰিষদ (বিলুপ্তকৰণ) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৪৬)-ৰ ধাৰা ৪-ৰ দ্বাৰা "পঞ্জাৱ" শব্দটো বিলোপিত (৭-১১-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][[2][তামিলনাডু, টেলেংগানা]] [3][আৰু উত্তৰ প্ৰদেশ], এই কেইখন ৰাজ্যত দুখনকৈ সদনেৰে,

(খ) আন ৰাজ্যবোৰত এখন সদনেৰে।

(২) যি ৰাজ্যৰ বিধানমণ্ডলৰ দুখন সদন থাকে তাৰে এখন বিধান পৰিষদ আৰু আনখন বিধানসভা বুলি জ্ঞাত হ'ব আৰু যি ৰাজ্যত কেৱল এখন সদন থাকে সেইখন বিধানসভা বুলি জ্ঞাত হ'ব।

**১৬৯৷ ৰাজ্যসমূহত বিধান পৰিষদৰ বিলুপ্তি বা সৃষ্টি** - (১) অনুচ্ছেদ ১৬৮-ত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা এনে বিধান পৰিষদ থকা ৰাজ্যৰ বিধান পৰিষদ উঠাই দিবলৈ নাইবা তেনে পৰিষদ নথকা ৰাজ্যত তেনেকুৱা পৰিষদ গঠন কৰিবলৈ বিধানিত কৰিব পাৰে যদিহে বিধানসভাত মুঠ সদস্য সংখ্যাৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা আৰু সভাত উপস্থিত থকা তথা ভোটদান কৰা সদস্যসকলৰ ন্যূনতম দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠৰ দ্বাৰা এই উদ্দেশ্যে সিদ্ধান্ত পাৰিত হয়।

(২) দফা (১)-ত নিৰ্দেশিত কোনো বিধিত এই সংবিধানৰ সংশোধনৰ কাৰণে এনে উপবন্ধাৱলী অন্তৰ্ভুক্ত হ'ব যিবিলাক সেই বিধিৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ আৱশ্যক হয় আৰু এনে পৰিপূৰক, প্ৰাসংগিক আৰু আনুষংগিক উপবন্ধাৱলীও অন্তৰ্ভুক্ত হ'ব পাৰে যিবিলাক সংসদে আৱশ্যকীয় বুলি গণ্য কৰে।

(৩) অনুচ্ছেদ ৩৬৮-ৰ প্ৰয়োজন অনুসৰি উপৰোক্ত তেনে কোনো বিধি এই সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহ'ব।

[4]**[১৭০৷ বিধানসভাসমূহৰ গঠন** - (১) অনুচ্ছেদ ৩৩৩-ৰ উপবন্ধাৱলীৰ অধীনত প্ৰত্যেক ৰাজ্যৰ বিধানসভা, ৰাজ্যখনত থকা প্ৰাদেশিক আঞ্চলিক সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত সৰ্বাধিক পাঁচশ আৰু ন্যূনতম ষাঠিজন সদস্যৰে গঠিত হ'ব।

(২) দফা (১)-ৰ প্ৰয়োজন অনুসৰি প্ৰত্যেক ৰাজ্যকে এনেধৰণেৰে প্ৰাদেশিক আঞ্চলিক সমষ্টিসমূহত বিভাজন কৰা হ'ব যাতে প্ৰত্যেক সমষ্টিৰ জনসংখ্যা আৰু তাৰ বাবে আবণ্টিত আসনৰ সংখ্যাৰ মাজৰ অনুপাত সমগ্ৰ ৰাজ্যতে যথাসম্ভৱ একে হয়।

---

[1] তামিলনাডু বিধান পৰিষদ অধিনিয়ম, ২০১০ (২০১০-ৰ ১৬)-ৰ ধাৰা ৩-ৰ দ্বাৰা "তামিলনাডু" শব্দটো অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)।

[2] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ৯৬-ৰ দ্বাৰা "তামিলনাডু"-ৰ সলনি প্ৰতিস্থাপিত (১-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] পশ্চিমবংগ বিধান পৰিষদ (বিলুপ্তকৰণ) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ২০)-ৰ ধাৰা ৪-ৰ দ্বাৰা "উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগ"-ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৯-ৰ দ্বাৰা অনুচ্ছেদ ১৭০-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][*ব্যাখ্যা* – এই দফাত "জনসংখ্যা" শব্দটোৱে এনে অন্তিম পূৰ্ববৰ্তী লোকপিয়লত নিশ্চিত কৰা জনসংখ্যাক বুজাব যাৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত হৈছে:

কিন্তু, এই স্পষ্টীকৰণত প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত হোৱা অন্তিম পূৰ্ববৰ্তী লোকপিয়লৰ প্ৰতি থকা নিৰ্দেশে, [২][২০২৬] চনৰ পিচত অনুষ্ঠিত প্ৰথম লোকপিয়লৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত নোহোৱা পৰ্য্যন্ত, [৩][২০০১] চনৰ লোকপিয়লৰ প্ৰতি কৰা নিৰ্দেশ বুলি অৰ্থ কৰা হ'ব।]

(৩) প্ৰত্যেক লোকপিয়লৰ সমাপ্তিৰ অন্তত প্ৰত্যেক ৰাজ্যৰ বিধানসভাত আসনৰ মুঠ সংখ্যাৰ আৰু প্ৰত্যেক ৰাজ্যকে প্ৰাদেশিক আঞ্চলিক সমষ্টিলৈ বিভাজনৰ পুনৰ্বিন্যাস এনে প্ৰাধিকাৰীৰ দ্বাৰা আৰু এনে ৰীতি অনুসৰি কৰা হ'ব – যিটো সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰে:

কিন্তু, এনে পুনৰ্বিন্যাসে সেই সময়ৰ বিদ্যমান বিধানসভা ভংগ নোহোৱা পৰ্য্যন্ত বিধানসভাত থকা প্ৰতিনিধিত্বৰ ওপৰত প্ৰভাৱ নেপেলাব:

[৪][অধিকন্তু, এনে পুনৰ্বিন্যাস ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা যথা নিৰ্দিষ্ট কৰা তাৰিখৰ পৰাহে প্ৰযোজ্য হ'ব আৰু এনে পুনৰ্বিন্যাস প্ৰযোজ্য নোহোৱা পৰ্য্যন্ত, তেনে পুনৰ্বিন্যাসৰ পূৰ্বে বিদ্যমান প্ৰাদেশিক আঞ্চলিক সমষ্টিৰ ভিত্তিত বিধানসভাৰ কোনো নিৰ্বাচন হ'ব পাৰিব:

কিন্তু, যেতিয়ালৈকে [২][২০২৬] চনৰ পিচত অনুষ্ঠিত প্ৰথম লোকপিয়লৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত নহয়, এইসমূহ এই ধাৰাৰ অধীনত [৫][পুনৰ্বিন্যাস কৰাৰ আৰশ্যক নহ'ব -

(i.) ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত প্ৰত্যেক ৰাজ্যৰ বিধানসভাৰ আসনৰ মুঠ সংখ্যাৰ পুনৰ্বিন্যাস; আৰু

(ii.) [৩][২০০১] চনৰ লোকপিয়লৰ ভিত্তিত তেনে ৰাজ্যক আঞ্চলিক সমষ্টিলৈ পুনৰ্বিন্যাস।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৯-ৰ দ্বাৰা ব্যাখ্যাৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৫-ৰ দ্বাৰা "২০০০"-ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৮৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩ৰ ধাৰা ৪-ৰ দ্বাৰা "১৯৯১"-ৰ সলনি প্ৰতিস্থাপিত (২২-৬-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৫-ৰ দ্বাৰা "১৯৯১"-ৰ সংখ্যাসমূহ মূল সংখ্যাসমূহ "১৯৭১"-ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২৯-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৫-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ষষ্ঠ অংশ - ৰাজ্যসমূহ)

**১৭১। বিধান পৰিষদৰ গঠন** - (১) বিধান পৰিষদ থকা ৰাজ্যৰ বিধান পৰিষদৰ মুঠ সদস্যৰ সংখ্যা উক্ত ৰাজ্যৰ বিধানসভাৰ মুঠ সদস্য সংখ্যাৰ [1][এক-তৃতীয়াংশৰ] বেছি নহ'ব:

কিন্তু, কোনো ৰাজ্যৰ বিধান পৰিষদৰ মুঠ সদস্য সংখ্যা কোনো অৱস্থাতে চল্লিশৰ কম নহ'ব।

(২) সংসদে বিধিৰ দ্বাৰা অন্যথা বিধানিত নকৰা পৰ্য্যন্ত কোনো ৰাজ্যৰ বিধান পৰিষদৰ গঠন দফা (৩)-ত যথা বিধানিত কৰা অনুসৰি হ'ব।

(৩) কোনো ৰাজ্যৰ বিধান পৰিষদৰ মুঠ সদস্য সংখ্যা --

(ক) যিমানদূৰ সম্ভৱ, এক-তৃতীয়াংশ পৌৰসভা, জিলা-মণ্ডলীসমূহ আৰু সংসদে বিধিৰ দ্বাৰা নিৰূপণ কৰা মতে ৰাজ্যৰ তেনেকুৱা অন্যান্য স্থানীয় প্ৰাধিকাৰীৰ সদস্য সকলেৰে গঠিত নিৰ্বাচক পৰিষদৰ দ্বাৰা নিৰ্বাচিত কৰা হ'ব;

(খ) যিমানদূৰ সম্ভৱ, এক-দ্বাদশাংশ ৰাজ্যত বাস কৰা এনে ব্যক্তিৰে গঠিত নিৰ্বাচক পৰিষদৰ দ্বাৰা নিৰ্বাচিত কৰা হ'ব যি ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো বিশ্ববিদ্যালয়ৰ পৰা স্নাতক হৈ অন্ততঃ তিনি বছৰ থাকে অথবা অন্ততঃ তিনি বছৰ এনে অৰ্হতাসম্পন্ন হৈ থাকে যি অৰ্হতা সংসদে কোনো বিধিৰ দ্বাৰা বা অধীনত এনে কোনো বিশ্ববিদ্যালয়ৰ স্নাতকৰ সমতুল্য বুলি বিহিত কৰে;

(গ) যিমানদূৰ সম্ভৱ, এক-দ্বাদশাংশ এনে ব্যক্তিৰে গঠিত নিৰ্বাচক পৰিষদৰ দ্বাৰা নিৰ্বাচন কৰা হ'ব যি সংসদে কোনো বিধিৰ দ্বাৰা বা অধীনত বিহিত কৰা অনুযায়ী ৰাজ্যত থকা অন্ততঃ মাধ্যমিক বিদ্যালয় স্তৰৰ শিক্ষানুষ্ঠানত শিক্ষাদানত কমেও তিনি বছৰ কাল নিয়োজিত হৈ থাকে;

(ঘ) যিমানদূৰ সম্ভৱ, এক-তৃতীয়াংশ বিধানসভাৰ সদস্যসকলৰ দ্বাৰা, বিধানসভাৰ সদস্য নোহোৱা ব্যক্তিৰ মাজৰ পৰা নিৰ্বাচন কৰা হ'ব;

(ঙ) অৱশিষ্টসকল দফা (৫)-ৰ উপবন্ধাৱলী অনুসৰি ৰাজ্যপালৰ দ্বাৰা মনোনীত হ'ব।

(৪) দফা (৩)-ৰ উপদফা (ক), (খ) আৰু (গ)-ৰ অধীনত নিৰ্বাচিত হ'বলগীয়া সদস্যসকলক সংসদে প্ৰস্তুত কৰা কোনো বিধিৰ দ্বাৰা বা অধীনত বিহিত কৰা এনেকুৱা আঞ্চলিক সমষ্টিত বাছনি কৰা হ'ব আৰু উপৰোক্ত উপদফা আৰু উক্ত দফাৰ উপদফা (ঘ)-ৰ অধীনত হ'বলগীয়া নিৰ্বাচন আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অনুসৰি একক হস্তান্তৰযোগ্য ভোটৰ দ্বাৰা হ'ব।

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১০-ৰ দ্বাৰা "এক চতুৰ্থাংশ"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৫) দফা (৩)-ৰ উপদফা (ঙ)-ৰ অধীনত ৰাজ্যপালে মনোনীত কৰিবলগীয়া ব্যক্তিসকল তলত উল্লেখ কৰা বিষয় সম্বন্ধে বিশেষ জ্ঞান আৰু কাৰ্য্যকৰী অভিজ্ঞতাসম্পন্ন হ'ব লাগিব, যথা:

সাহিত্য, বিজ্ঞান, কলা, সমবায় আন্দোলন আৰু সমাজ-সেৱা।

**১৭২। ৰাজ্য বিধানমণ্ডলৰ ম্যাদ** - (১) আগতে ভংগ নকৰিলে প্ৰত্যেক ৰাজ্যৰ প্ৰত্যেক বিধানসভা প্ৰথম অধিবেশনৰ কাৰণে নিযুক্ত কৰা তাৰিখৰ পৰা [1][পাঁচ বছৰ]ৰ কাৰণে চলি থাকিব, ইয়াতকৈ অধিক কাল নহয়; আৰু উক্ত [1][পাঁচ বছৰ] কালৰ সমাপ্তিত বিধানসভা ভংগ হ'ব:

কিন্তু, জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থকাৰ সময়ত সংসদে বিধিৰ দ্বাৰা একেলগে এবছৰতকৈ কম বৃদ্ধি কৰিব পাৰিব আৰু ঘোষণা শেষ হোৱাৰ পিচত যিকোনো ক্ষেত্ৰতে ছমাহতকৈ অধিক বৃদ্ধি কৰিব নোৱাৰিব।

(২) কোনো ৰাজ্যৰ বিধান পৰিষদ ভংগ নহ'ব, কিন্তু প্ৰতি দ্বিতীয় বছৰৰ অন্তত যথাশীঘ্ৰে সংসদে বিধিৰ দ্বাৰা এই উদ্দেশ্যে প্ৰস্তুত কৰা উপবন্ধাৱলী অনুসৰি পৰিষদৰ যথা সম্ভৱ নিকটতম এক-তৃতীয়াংশ সদস্যই অৱসৰ গ্ৰহণ কৰিব।

**১৭৩। ৰাজ্যৰ বিধানমণ্ডলৰ সদস্য হ'বৰ বাবে অৰ্হতাসমূহ** - কোনো ব্যক্তি ৰাজ্যৰ বিধানমণ্ডলৰ আসন পূৰণৰ কাৰণে নিৰ্বাচিত হ'বলৈ যোগ্য নহ'ব যদিহে তেওঁ -

[2][(ক) ভাৰতৰ নাগৰিক নহয়, আৰু নিৰ্বাচন আয়োগৰ দ্বাৰা এই নিমিত্তে প্ৰাধিকৃত কোনো ব্যক্তিৰ আগত তৃতীয় অনুসূচীত এই প্ৰয়োজনৰ বাবে দিয়া প্ৰপত্ৰ অনুসৰি শপত গ্ৰহণ বা অংগীকাৰ নকৰে আৰু হস্তাক্ষৰ নিদিয়ে;]

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩০-ৰ দ্বাৰা "পাঁচ বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৪-ৰ দ্বাৰা "ছবছৰ"-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (৬-৯-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৪-ৰ দ্বাৰা দফা (ক)-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) বিধানসভাৰ আসনৰ ক্ষেত্ৰত ন্যূনতম পঁচিশ বছৰ আৰু বিধান পৰিষদৰ আসনৰ ক্ষেত্ৰত ন্যূনতম ত্ৰিশ বছৰ বয়স প্ৰাপ্ত নহয়; আৰু

(গ) সংসদৰ দ্বাৰা প্ৰস্তুত কোনো বিধিৰ দ্বাৰা বা অধীনত এই মৰ্মে বিহিত কৰি দিয়া অন্যান্য তেনে অৰ্হতা নাথাকে।

[1][**১৭৪। ৰাজ্যিক বিধানমণ্ডলৰ অধিবেশন, সত্ৰাৱসান আৰু ভংগ** - (১) ৰাজ্যপালে সময়ে সময়ে ৰাজ্যিক বিধানমণ্ডলৰ সদনক বা প্ৰত্যেক সদনকে, তেওঁ যি সময়ত আৰু স্থানত উচিত বুলি ভাবে তেনে সময়ত আৰু স্থানত বৈঠকৰ বাবে আহ্বান কৰিব, কিন্তু ইয়াৰ কোনো অধিবেশনৰ অন্তিম বৈঠক আৰু তাৰ পৰৱৰ্তী অধিবেশনৰ প্ৰথম বৈঠকৰ বাবে নিৰ্দিষ্ট তাৰিখৰ মাজৰ ব্যৱধান ছমাহ হ'ব নোৱাৰিব।

(২) ৰাজ্যপালে সময়ে সময়ে –

(ক) সদনৰ বা যিকোনো সদনৰ সত্ৰাৱসান কৰিব পাৰে;

(খ) বিধানসভা ভংগ কৰিব পাৰে।]

**১৭৫। সদনত নাইবা উভয় সদনত অভিভাষণ দিবলৈ আৰু বাণী পঠিয়াবলৈ ৰাজ্যপালৰ অধিকাৰ** - (১) ৰাজ্যপালে বিধানসভাত অভিভাষণ দিব নাইবা বিধান পৰিষদ থকা ৰাজ্যৰ বিধান-মণ্ডলৰ যিকোনো সদনত নাইবা একত্ৰে সমবেত উভয় সদনত অভিভাষণ দিব পাৰে আৰু সেই উদ্দেশ্যে সদস্যসকলৰ উপস্থিতি বিচাৰিব পাৰে।

(২) বিধান-মণ্ডলত সেইসময়ত বিবেচনাধীন হৈ থকা কোনো বিধেয়কৰ সম্বন্ধেই হওক নাইবা আন বিষয়েই হওক ৰাজ্যপালে ৰাজ্যৰ বিধানমণ্ডলৰ সদনলৈ বা উভয় সদনলৈ বাণী প্ৰেৰণ কৰিব পাৰে আৰু যি সদনলৈ কোনো বাণী এনে প্ৰকাৰে প্ৰেৰিত হয়, সেই সদনে সুবিধা অনুসৰি সেই বাণীত বিচাৰৰ বাবে আৱশ্যকীয় যিকোনো বিষয়ৰ বিচাৰ কৰিব।

**১৭৬। ৰাজ্যপালৰ দ্বাৰা বিশেষ অভিভাষণ** - (১) [2][বিধানসভাৰ বাবে হোৱা প্ৰত্যেকটো সাধাৰণ নিৰ্বাচনৰ পিচত বহা প্ৰথম অধিবেশনৰ প্ৰাৰম্ভণিতে আৰু প্ৰত্যেক বছৰৰ প্ৰথম অধিবেশনৰ] প্ৰাৰম্ভণিতে ৰাজ্যপালে বিধানসভাত অথবা কোনো ৰাজ্যৰ বিধান পৰিষদ থাকিলে, একেলগে সমবেত হোৱা উভয় সদনত অভিভাষণ দিব আৰু বিধানমণ্ডল আহ্বান কৰাৰ কাৰণসমূহ বিধানমণ্ডলক জনাব।

(২) সদনৰ বা যিকোনো সদনৰ প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰা নিয়মাৱলীৰ দ্বাৰা এনে অভিভাষণত নিৰ্দেশিত বিষয়সমূহৰ আলোচনাৰ বাবে সময় ৰাখিবৰ কাৰণে [3]*** উপবন্ধিত কৰিব লাগিব।

---

[1] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ৮-ৰ দ্বাৰা অনুচ্ছেদ ১৭৪-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৯-ৰ দ্বাৰা "প্ৰত্যেক অধিবেশন"-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ৯-ৰ দ্বাৰা "আৰু সদনৰ অন্য কাৰ্য্যৰ ওপৰত এনে আলোচনাৰ পূৰ্বৱৰ্তিতাৰ বাবে" এই শব্দসমূহ বিলোপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১৭৭। সদন সম্পৰ্কত মন্ত্ৰীসকল আৰু মহাধিবক্তাৰ অধিকাৰ** - কোনো ৰাজ্যৰ প্ৰত্যেক মন্ত্ৰী আৰু মহাধিবক্তাৰ ৰাজ্যৰ বিধানসভাত আৰু বিধান পৰিষদ থকা ৰাজ্যৰ উভয় সদনত কথা কোৱাৰ আৰু অন্যথা কাৰ্য্যক্ৰমণিকাত অংশগ্ৰহণ কৰা আৰু বিধানমণ্ডলৰ যিকোনো সমিতিৰ সদস্য হিচাপে তেওঁৰ নাম থাকিলে তাত কথা কোৱা আৰু অন্যথা তাৰ কাৰ্য্যক্ৰমণিকাত অংশগ্ৰহণ কৰাৰ অধিকাৰ থাকিব, কিন্তু এই অনুচ্ছেদৰ বলত ভোটদানৰ অধিকাৰ নাথাকিব।

*ৰাজ্যিক বিধানমণ্ডলৰ পদাধিকাৰীসকল*

**১৭৮। বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ** - ৰাজ্যৰ বিধানসভাই যথাসম্ভৱ শীঘ্ৰে সভাৰ দুজন সদস্যক যথাক্ৰমে অধ্যক্ষ আৰু উপাধ্যক্ষ ৰূপে বাছি ল'ব আৰু যেতিয়াই অধ্যক্ষ নাইবা উপাধ্যক্ষৰ পদ খালী হয় তেতিয়াই সভাই আন এজন সদস্যক অধ্যক্ষ নাইবা উপাধ্যক্ষ ৰূপে, যিটোৱেই প্ৰযোজ্য, বাছি ল'ব।

**১৭৯। অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ খালী, পদত্যাগ আৰু পদৰ পৰা অপসাৰণ** - বিধানসভাৰ অধ্যক্ষ নাইবা উপাধ্যক্ষ ৰূপে পদত অধিষ্ঠিত হৈ থকা কোনো সদস্যই -

(ক) যদি তেওঁৰ বিধানসভাৰ সদস্য পদ নোহোৱা হয় তেনেহ'লে নিজৰ পদ খালী কৰি দিব;

(খ) যদি তেওঁ অধ্যক্ষ হয় তেনেহ'লে উপাধ্যক্ষলৈ আৰু যদি উপাধ্যক্ষ হয় তেনেহ'লে অধ্যক্ষলৈ সম্বোধন কৰি যিকোনো সময়তে নিজহাতে লিখি নিজৰ পদ ত্যাগ কৰিব পাৰে; আৰু

(গ) বিধানসভাৰ সেইসময়ৰ সমূহ সদস্যৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা পাৰিত কোনো প্ৰস্তাৱৰ দ্বাৰা তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰিব:

কিন্তু, প্ৰস্তাৱটো উপস্থাপন কৰাৰ অভিপ্ৰায় জনাই অন্ততঃ চৈধ্য দিনৰ সূচনা নিদিয়াকৈ দফা (গ)-ৰ প্ৰয়োজনৰ বাবে তেনে কোনো প্ৰস্তাৱ উপস্থাপন কৰিব নোৱাৰিব:

অধিকন্তু, বিধানসভা যেতিয়াই ভংগ হয় তেতিয়াই ভংগৰ পৰৱৰ্তী বিধানসভাৰ প্ৰথম বৈঠক বহাৰ ঠিক পূৰ্বলৈকে অধ্যক্ষই তেওঁৰ পদ খালী নকৰিব।

**১৮০। অধ্যক্ষৰূপে কাৰ্য্য চলাবলৈ বা সেই পদৰ কৰ্তব্য পালন কৰিবলৈ উপাধ্যক্ষ বা আন ব্যক্তিৰ ক্ষমতা** - (১) যেতিয়াই অধ্যক্ষৰ পদ খালী হয় তেতিয়াই সেই পদৰ কৰ্তব্যসমূহ উপাধ্যক্ষই, বা যদি উপাধ্যক্ষৰ পদো খালী হয় তেতিয়া ৰাজ্যপালে সেই উদ্দেশ্যে নিযুক্ত কৰা বিধানসভাৰ আন কোনো সদস্যই পালন কৰিব।

(২) বিধানসভাৰ কোনো বৈঠকত অধ্যক্ষৰ অনুপস্থিতিত উপাধ্যক্ষই আৰু যদি তেওঁ অনুপস্থিত থাকে তেনেহ'লে সভাৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীৰ দ্বাৰা নিৰ্ধাৰিত কোনো ব্যক্তিয়ে অথবা যদি তেনেকুৱা ব্যক্তিও উপস্থিত নাথাকে তেনেহ'লে সভাৰ দ্বাৰা নিৰ্ধাৰিত কোনো অন্য ব্যক্তিয়ে অধ্যক্ষ ৰূপে কাৰ্য্য কৰিব।

**১৮১। পদৰ পৰা অপসাৰণ কৰাৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত অধ্যক্ষ নাইবা উপাধ্যক্ষই সভাপতিত্ব নকৰিব** - (১) বিধানসভাৰ কোনো বৈঠকত যেতিয়া অধ্যক্ষক পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া অধ্যক্ষই অথবা যেতিয়া উপাধ্যক্ষক পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া উপাধ্যক্ষই উপস্থিত থাকিলেও বৈঠকত সভাপতিত্ব নকৰিব আৰু অধ্যক্ষ নাইবা উপাধ্যক্ষ, যিয়েই প্ৰযোজ্য, অনুপস্থিত থকা বৈঠকত অনুচ্ছেদ ১৮০-ৰ দফা (২)-ৰ উপবন্ধাৱলী যিদৰে প্ৰযোজ্য হয় এনে প্ৰত্যেক বৈঠকৰ সম্পৰ্কতো সেই উপবন্ধাৱলী সেইদৰেই প্ৰযোজ্য হ'ব।

(২) বিধানসভাত অধ্যক্ষক পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত বিধানসভাত কথা ক'বলৈ আৰু অন্যথা সভাৰ কাৰ্য্যক্ৰমণিকাত অংশ গ্ৰহণ কৰিবলৈ তেওঁৰ অধিকাৰ থাকিব আৰু অনুচ্ছেদ ১৮৯-ত যি কথাই নাথাকক কিয়, তেনে প্ৰস্তাৱত বা তেনে কাৰ্য্যক্ৰমণিকাৰ কালত অন্য যিকোনো বিষয়ত মাত্ৰ প্ৰথমবাৰহে ভোটদানৰ অধিকাৰ থাকিব, কিন্তু ভোটৰ সমতাৰ ক্ষেত্ৰত সেই অধিকাৰ নাথাকিব।

**১৮২। বিধান পৰিষদৰ সভাপতি আৰু উপসভাপতি** - বিধান পৰিষদ থকা প্ৰত্যেক ৰাজ্যৰ বিধান পৰিষদে যথাসম্ভৱ শীঘ্ৰে পৰিষদৰ দুজন সদস্যক যথাক্ৰমে সভাপতি আৰু উপসভাপতি ৰূপে বাছনি কৰিব আৰু যেতিয়াই সভাপতি নাইবা উপসভাপতিৰ পদ খালী হয়, তেতিয়াই পৰিষদে আন এজন সদস্যক সভাপতি নাইবা উপসভাপতিৰূপে, যিটোৱেই প্ৰযোজ্য, বাছনি কৰিব।

**১৮৩। সভাপতি আৰু উপ-সভাপতিৰ পদ** খালী, **পদত্যাগ আৰু পদৰ পৰা অপসাৰণ** - বিধান পৰিষদৰ সভাপতি বা উপসভাপতি ৰূপে পদত অধিষ্ঠিত হৈ থকা কোনো সদস্যই –

(ক) যদি তেওঁৰ পৰিষদৰ সদস্য পদ নোহোৱা হয় তেনেহ'লে নিজৰ পদ খালী কৰি দিব;

(খ) যদি তেনে সদস্যজন সভাপতি হয় তেনেহ'লে উপসভাপতিলৈ আৰু যদি তেনে সদস্যজন উপসভাপতি হয় তেনেহ'লে সভাপতিলৈ সম্বোধন কৰি যিকোনো সময়তে নিজ হাতে লিখি নিজৰ পদ ত্যাগ কৰিব পাৰে; আৰু

(গ) পৰিষদৰ সেইসময়ৰ সমূহ সদস্যৰ সংখ্যাগৰিষ্ঠৰ দ্বাৰা পাৰিত কোনো প্ৰস্তাৱৰ দ্বাৰা তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰিব:

কিন্তু, প্ৰস্তাৱটো উপস্থাপন কৰাৰ অভিপ্ৰায় জনাই অন্ততঃ চৈধ্য দিনৰ সূচনা নিদিয়াকৈ দফা (গ)-ৰ প্ৰয়োজনৰ বাবে তেনে কোনো প্ৰস্তাৱ উপস্থাপন কৰিব নোৱাৰিব।

**১৮৪। সভাপতি পদৰ কৰ্তব্য পালন কৰিবলৈ নাইবা সভাপতিৰূপে কাৰ্য্য কৰিবলৈ উপসভাপতি বা অন্য ব্যক্তিৰ ক্ষমতা** - (১) যেতিয়া সভাপতিৰ পদ খালী হয় তেতিয়া উপসভাপতিৰ দ্বাৰা আৰু যদি উপসভাপতিৰ পদো খালী হয় তেনেহ'লে পৰিষদৰ এনে এজন সদস্যৰ দ্বাৰা সভাপতি পদৰ কৰ্তব্য পালন কৰা হ'ব যাক ৰাজ্যপালে সেই প্ৰয়োজনৰ বাবে নিযুক্তি দিয়ে।

(২) পৰিষদৰ কোনো বৈঠকত সভাপতিৰ অনুপস্থিতিত উপসভাপতিয়ে আৰু যদি তেৰোঁ অনুপস্থিত থাকে তেনেহ'লে পৰিষদৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীৰ দ্বাৰা নিৰ্ধাৰিত কোনো ব্যক্তিয়ে অথবা যদি তেনেকুৱা ব্যক্তিও উপস্থিত নাথাকে তেনেহ'লে পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কোনো অন্য ব্যক্তিয়ে সভাপতি ৰূপে কাৰ্য্য কৰিব।

**১৮৫। পদৰ পৰা অপসাৰণৰ প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত সভাপতি নাইবা উপসভাপতিয়ে সভাপতিত্ব নকৰিব** - (১) বিধান পৰিষদৰ কোনো বৈঠকত যেতিয়া সভাপতিক পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া সভাপতিয়ে অথবা যেতিয়া উপসভাপতিক পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থাকে তেতিয়া উপসভাপতিয়ে উপস্থিত থাকিলেও বিধান পৰিষদৰ কোনো বৈঠকত সভাপতিত্ব নকৰিব আৰু সভাপতি নাইবা উপসভাপতি, যিটোৱেই প্ৰযোজ্য, অনুপস্থিত থকা বৈঠকত অনুচ্ছেদ ১৮৪-ৰ দফা (২)-ৰ উপবন্ধাৱলী যিদৰে প্ৰযোজ্য হয়, এনে প্ৰত্যেক বৈঠকৰ সম্পৰ্কতো সেই উপবন্ধাৱলী তেনেদৰে প্ৰযোজ্য হ'ব।

(২) বিধান পৰিষদত তেওঁৰ পদৰ পৰা অপসাৰণ কৰিবলৈ কোনো প্ৰস্তাৱ বিচাৰাধীন হৈ থকা কালত পৰিষদত কথা ক'বলৈ আৰু অন্যথা সভাৰ কাৰ্য্যক্ৰমণিকাত অংশ গ্ৰহণ কৰিবলৈ সভাপতিৰ অধিকাৰ থাকিব আৰু অনুচ্ছেদ ১৮৯-ত যি কথাই উল্লেখ নাথাকক কিয়, তেনে প্ৰস্তাৱত বা তেনে কাৰ্য্যক্ৰমণিকাৰ কালত অন্য যিকোনো বিষয়ত মাত্ৰ প্ৰথমবাৰহে ভোটদানৰ অধিকাৰ থাকিব, কিন্তু ভোটৰ সমতাৰ ক্ষেত্ৰত সেই অধিকাৰ নাথাকিব।

**১৮৬। অধ্যক্ষ, উপাধ্যক্ষ, সভাপতি আৰু উপসভাপতিৰ বেতন আৰু ভাট্টা** - বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষক আৰু বিধান পৰিষদৰ সভাপতি আৰু উপসভাপতিক ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা যথাক্ৰমে নিৰ্দিষ্ট কৰা অনুসৰি বেতন আৰু ভাট্টাসমূহ দিয়া হ'ব আৰু সেই মৰ্মে উপবন্ধ প্ৰস্তুত নকৰালৈকে দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা বেতন আৰু ভাট্টাসমূহ দিয়া হ'ব।

**১৮৭। ৰাজ্যৰ বিধানমণ্ডলৰ সচিবালয়** - (১) ৰাজ্যৰ বিধানমণ্ডলৰ প্ৰত্যেক সদনৰে পৃথক সচিবালয় কৰ্মচাৰী থাকিব:

কিন্তু, বিধান পৰিষদ থকা ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষেত্ৰত এই দফাৰ কোনো কথাই এনেকুৱা বিধানমণ্ডলৰ উভয় সদনৰ কাৰণে উমৈহতীয়া পদ সৃষ্টি কৰাত বাধা আৰোপ কৰা বুলি নুবুজাব।

(২) ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা ৰাজ্যৰ বিধানমণ্ডলৰ এখন নাইবা উভয় সদনৰে সচিবালয় কৰ্মচাৰীবৃন্দৰ নিযুক্তি আৰু তাত নিযুক্তিপ্ৰাপ্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্তসমূহ বিনিয়ম কৰিব পাৰিব।

(৩) দফা (২)-ৰ অধীনত যেতিয়ালৈকে ৰাজ্যৰ বিধানমণ্ডলে উপবন্ধ প্ৰস্তুত নকৰে তেতিয়ালৈকে ৰাজ্যপালে স্থান বিশেষে বিধানসভাৰ অধ্যক্ষৰ লগত নাইবা বিধান পৰিষদৰ সভাপতিৰ লগত পৰামৰ্শ কৰাৰ পিচত বিধানসভা নাইবা পৰিষদৰ সচিবালয় কৰ্মচাৰীবৃন্দৰ নিযুক্তি আৰু নিযুক্তিপ্ৰাপ্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্তসমূহ বিনিয়ম কৰি নিয়ম প্ৰস্তুত কৰিব পাৰে আৰু তেনেকুৱাকৈ প্ৰস্তুত কৰা যিকোনো নিয়ম উক্ত দফাৰ অধীনত প্ৰস্তুত যিকোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে প্ৰযোজ্য হ'ব।

*কাৰ্য্য পৰিচালনা*

**১৮৮। সদস্যসকলৰ দ্বাৰা শপত গ্ৰহণ বা অংগীকাৰ** - ৰাজ্যৰ বিধানসভা নাইবা বিধান পৰিষদৰ প্ৰত্যেক সদস্যই নিজৰ আসন গ্ৰহণ কৰাৰ পূৰ্বে ৰাজ্যপাল বা তেওঁৰ দ্বাৰা সেই উদেশ্যে নিযুক্ত অন্য কোনো ব্যক্তিৰ সম্মুখত তৃতীয় অনুসূচীত এই প্ৰয়োজনাৰ্থে দিয়া হোৱা প্ৰপত্ৰ অনুসৰি শপত ল'ব বা অংগীকাৰ কৰিব আৰু তাত হস্তাক্ষৰ কৰিব।

**১৮৯। সদনত ভোট দান, খালী আসন থকা সত্ত্বেও কাৰ্য্য সম্পাদন কৰাৰ ক্ষেত্ৰত সদনসমূহৰ ক্ষমতা আৰু থূল** - (১) এই সংবিধানত অন্যথা উপবন্ধিত কৰা অৱস্থাৰ ব্যতিৰেকে কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ কোনো বৈঠকত সকলো প্ৰশ্নৰ নিৰ্ধাৰণ অধ্যক্ষ বা সভাপতি বা তেনেদৰে কাৰ্য্য সম্পাদন কৰা ব্যক্তিৰ বাহিৰে, উপস্থিত থকা আৰু ভোটদান কৰা সদস্য সকলৰ সংখ্যাগৰিষ্ঠৰ ভোটৰ দ্বাৰা নিৰ্ণিত হ'ব।

অধ্যক্ষই নাইবা সভাপতিয়ে বা তেনেদৰে কাৰ্য্য সম্পাদন কৰা ব্যক্তিৰ প্ৰথমবাৰ ভোটদানৰ অধিকাৰ নাথাকিব, কিন্তু ভোটৰ সমতাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভোট পাব আৰু তাক প্ৰয়োগ কৰিব।

(২) কোনো সদস্য পদ খালী হৈ থকা সত্ত্বেও ৰাজ্যৰ বিধানমণ্ডলৰ যিকোনো সদনৰে ইয়াৰ কাৰ্য্য চলাই নিবলৈ ক্ষমতা থাকিব আৰু অধিকাৰহীন কোনো ব্যক্তি কাৰ্য্যক্ৰমণিকাত উপস্থিত আছিল বা ভোট দিছিল বা আন প্ৰকাৰে তাত অংশগ্ৰহণ কৰিছিল বুলি পিচত ধৰা পৰিলেও ৰাজ্যৰ বিধানমণ্ডলৰ কাৰ্য্যক্ৰমণিকা মান্য হ'ব।

[১](৩) যেতিয়ালৈকে ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা অন্যথা বিধানিত নকৰে তেতিয়ালৈকে ৰাজ্যৰ বিধানমণ্ডলৰ একোখন সদনৰ বৈঠক অনুষ্ঠিত কৰিবলৈ আৱশ্যকীয় থূল দহজন সদস্য বা সদনৰ মুঠ সদস্য সংখ্যাৰ এক-দশমাংশৰ যিটোৱেই অধিক, সেইটোৱেই হ'ব।

(৪) যদি কোনো সময়ত ৰাজ্যৰ বিধানসভা অথবা বিধান পৰিষদৰ কোনো বৈঠকত থূল নহয় তেনেহ'লে সদন স্থগিত কৰা অথবা থূল নোহোৱালৈকে বৈঠক নিলম্বিত কৰাটো অধ্যক্ষ বা সভাপতি বা সেইৰূপে কাৰ্য্য সম্পাদন কৰা ব্যক্তিৰ কৰ্তব্য হ'ব।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩১-ৰ দ্বাৰা বিলোপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৫-ৰ দ্বাৰা এই সংশোধনী বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

*সদস্যসকলৰ অৰ্হতাহীনতা*

**১৯০। আসন খালী** - (১) কোনো ব্যক্তিয়েই ৰাজ্যৰ বিধানমণ্ডলৰ উভয় সদনৰ সদস্য হ'ব নোৱাৰিব আৰু কোনো ব্যক্তি উভয় সদনৰ সদস্য হ'লে এখন বা আনখন সদনত তেওঁৰ আসন খালী কৰাৰ কাৰণে ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা উপবন্ধিত কৰিব।

(২) কোনো ব্যক্তি প্ৰথম অনুসূচীত নিৰ্দিষ্ট কৰা দুখন বা ততোধিক ৰাজ্যৰ বিধানমণ্ডলৰ সদস্য হ'ব নোৱাৰিব আৰু যদি কোনো ব্যক্তিক তেনে দুখন বা ততোধিক ৰাজ্যৰ বিধানমণ্ডলৰ সদস্য ৰূপে বাছনি কৰা হয়, তেনেহ'লে ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰস্তুত নিয়মাৱলীত[১] নিৰ্দিষ্ট কালছোৱাৰ সমাপ্তিত তেনে সকলো বিধানমণ্ডলত সেই ব্যক্তিৰ আসন খালী হ'ব, যদিহে তেওঁ ইতিপূৰ্বে এখন ৰাজ্যৰ বাহিৰে আন সকলো ৰাজ্যৰ বিধানমণ্ডলসমূহত তেওঁৰ আসন ত্যাগ নকৰে।

(৩) যদি কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ কোনো সদস্য -

(ক) [২][অনুচ্ছেদ ১৯১-ৰ দফা (১) বা দফা (২)]-ত উল্লিখিত অৰ্হতাহীনতাসমূহৰ কোনোটোৰ ভিতৰত পৰে; বা

[৩][(খ) অধ্যক্ষ বা সভাপতিক, যিটোৱেই প্ৰযোজ্য, সম্বোধন কৰি নিজ হাতে লিখি পদ ত্যাগ কৰিব পাৰে আৰু অধ্যক্ষ বা সভাপতিৰ, যিটোৱেই প্ৰযোজ্য, তেওঁৰ পদত্যাগ গৃহীত কৰা হয়,] তেনেহ'লে তেওঁৰ আসন তেতিয়াই খালী হ'ব:

[৪][কিন্তু, উপদফা (খ)-ত উল্লিখিত কোনো পদত্যাগৰ ক্ষেত্ৰত যদিহে তেওঁ পোৱা সংবাদৰ পৰা বা আন প্ৰকাৰে আৰু তেওঁ উপযুক্ত বুলি বিৱেচনা কৰা তেনে কোনো তদন্তৰ পিচত, অধ্যক্ষ বা সভাপতি, যিটোৱেই প্ৰযোজ্য, এই বুলি সন্তুষ্ট হয় যে তেনে পদত্যাগ স্বেচ্ছাকৃত বা প্ৰকৃত নহয়, তেনেহ'লে তেওঁ তেনে পদত্যাগ গ্ৰহণ নকৰিব।]

(৪) যদি কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনোখন সদনৰ কোনো সদস্য সদনৰ অনুমতি নোলোৱাকৈ ষাঠি দিন পৰ্যন্ত সদনৰ সকলোবোৰ বৈঠকত অনুপস্থিত থাকে তেনেহ'লে সদনে তেওঁৰ আসন খালী হোৱা বুলি ঘোষণা কৰিব পাৰিব:

কিন্তু, ষাঠি দিনৰ উক্ত ম্যাদ গণনা কৰোঁতে যি কালছোৱাত সদনৰ সত্ৰাৱসান হয় বা একে লেঠাৰিয়ে চাৰি দিনতকৈও অধিক সদন স্থগিত হয় সেই কালছোৱা লেখত লোৱা নহ'ব।

---

[১] "সমসাময়িক সদস্য পদ প্ৰতিষেধ নিয়মাৱলী, ১৯৫০", আইন মন্ত্ৰালয়ৰ অধিসূচনা, এফ. ৪৬/৫০-গ, ২৬ জানুৱাৰী, ১৯৫০, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, পৃষ্ঠা ৬৭৮ চাওক।

[২] সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ ধাৰা ৪-ৰ দ্বাৰা "অনুচ্ছেদ ১৯১-ৰ দফা (১)" শব্দ, সংখ্যা আৰু বন্ধনীৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৩৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৪-ৰ ধাৰা ৩-ৰ দ্বাৰা প্ৰতিস্থাপিত (১৯-৫-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৯-৫-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**১৯১। সদস্যপদৰ কাৰণে অৰ্হতাহীনতা** - (১) কোনো ব্যক্তি কোনো ৰাজ্যৰ বিধানসভা নাইবা বিধান পৰিষদৰ সদস্যৰূপে বাছনি হ'বলৈ বা সদস্য হ'বৰ কাৰণে অযোগ্য হ'ব –

[১](ক) যদি তেওঁ ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা পদধাৰীক অযোগ্য নহয় বুলি ঘোষণা কৰা পদৰ বাহিৰে, ভাৰত চৰকাৰৰ অথবা প্ৰথম অনুসূচীত নিৰ্দিষ্ট কৰা কোনো ৰাজ্য চৰকাৰৰ অধীনত কোনো লাভজনক পদৰীত অধিষ্ঠিত হৈ থাকে;

(খ) যদি তেওঁ বিকৃত মানসিক অৱস্থাৰ হয় আৰু কোনো উপযুক্ত ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত হয়;

(গ) যদি তেওঁ দেউলীয়া অৱস্থাৰ পৰা মুক্ত নহয়;

(ঘ) যদি তেওঁ ভাৰতৰ নাগৰিক নহয়, বা কোনো বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব স্বেচ্ছাই আহৰণ কৰিছে বা কোনো বিদেশী ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ বা নিষ্ঠা স্বীকাৰ কৰিছে;

(ঙ) যদি তেওঁক সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ দ্বাৰা বা অধীনত তেনেদৰে অযোগ্য ঘোষণা কৰা হৈছে।

[২][*ব্যাখ্যা* – এই দফাৰ প্ৰয়োজনৰ বাবে] কোনো ব্যক্তিক সংঘৰ বা কোনো ৰাজ্যৰ মন্ত্ৰী হ'লেই ভাৰত চৰকাৰৰ অথবা কোনো ৰাজ্য চৰকাৰৰ অধীনত লাভজনক পদৰী ধাৰণ কৰা বুলি গণ্য কৰা নহ'ব।

[৩][(২) কোনো ব্যক্তি ৰাজ্যৰ বিধানসভাৰ বা বিধান পৰিষদৰ সদস্য হ'বলৈ অযোগ্য হ'ব যদিহে তেওঁ দশম অনুসূচীৰ অধীনত এনেদৰে অযোগ্য হয়।]

[৪][**১৯২। সদস্যসকলৰ অৰ্হতাহীনতা বিষয়ক প্ৰশ্নৰ সিদ্ধান্ত** - (১) যদি কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনোখন সদনৰ কোনো সদস্য অনুচ্ছেদ ১৯১ৰ দফা (১)-ত উল্লিখিত অৰ্হতাহীনতাসমূহৰ কোনোটোৰ ভিতৰত পৰে বা নপৰে, সেই সম্পৰ্কে কোনো প্ৰশ্ন উত্থাপন হয় তেনেহ'লে প্ৰশ্নটো ৰাজ্যপালৰ সিদ্ধান্তৰ কাৰণে পঠোৱা হ'ব আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩২-ৰ দ্বাৰা প্ৰতিস্থাপিত, নিম্নলিখিত ধৰণে পঢ়া হ'ব "(ক) যদি তেওঁ ভাৰত চৰকাৰৰ অধীনত বা প্ৰথম অনুসূচীত নিৰ্ধাৰিত যিকোনো ৰাজ্য চৰকাৰৰ অধীনত এনে কোনো লাভৰ পদত অধিষ্ঠিত হয় যি পদৰ ধাৰকক আইনে অযোগ্য ঘোষণা কৰে" (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৫-ৰ দ্বাৰা এই সংশোধনী বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ ধাৰা ৫-ৰ দ্বাৰা "(২) এই অনুচ্ছেদৰ উদ্দেশ্যৰ বাবে"-ৰ সলনি প্ৰতিস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৩-ৰ দ্বাৰা অনুচ্ছেদ ১৯২-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৫-ৰ দ্বাৰা ১৯২-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) এনে কোনো প্ৰশ্নৰ বিষয়ে সিদ্ধান্ত দিয়াৰ পূৰ্বে ৰাজ্যপালে নিৰ্বাচন আয়োগৰ অভিমত ল'ব আৰু এনে অভিমত অনুসাৰে কাৰ্য্য কৰিব।]

**১৯৩৷ অনুচ্ছেদ ১৮৮-ৰ অধীনত শপত গ্ৰহণ বা অংগীকাৰ কৰাৰ পূৰ্বে অথবা যোগ্য নোহোৱাকৈ বা অযোগ্য হৈ সদস্যৰ স্থানত বহা আৰু ভোটদানৰ বাবে দণ্ড** - যদি কোনো ব্যক্তিয়ে অনুচ্ছেদ ১৮৮-ৰ প্ৰয়োজনীয়তাসমূহ পূৰ্ণ কৰাৰ পূৰ্বে ৰাজ্যৰ বিধানসভা বা বিধান পৰিষদৰ সদস্য ৰূপে বহে বা ভোটদান কৰে অথবা যেতিয়া তেওঁ তাৰ সদস্য পদৰ বাবে যোগ্য নহয় বা অযোগ্য হয় বুলি জানিও, অথবা সংসদৰ দ্বাৰা বা ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰস্তুত কোনো বিধিৰ উপবন্ধাৱলীৰ দ্বাৰা তেওঁক তেনেকৈ বহিবলৈ বা ভোটদান কৰিবলৈ নিষিদ্ধ কৰা হোৱা বুলি জানিও তেনে কৰে, তেনেহ'লে তেওঁ তেনেকৈ বহা বা ভোটদান কৰা প্ৰত্যেক দিনৰ বাবে পাঁচশ টকাৰ দণ্ডৰে দণ্ডনীয় হ'ব আৰু সেই টকা সংঘক দিবলগীয়া ঋণ হিচাপে আদায় কৰা হ'ব।

*ৰাজ্যিক বিধানমণ্ডলসমূহ আৰু তাৰ সদস্যসকলৰ বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ*

**১৯৪৷ বিধানমণ্ডলৰ সদন আৰু সদস্য আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ ইত্যাদি** - (১) এই সংবিধানৰ উপবন্ধাৱলী, আৰু বিধানমণ্ডলৰ প্ৰক্ৰিয়া নিয়ন্ত্ৰিত কৰা নিয়মাৱলী আৰু স্থায়ী আদেশসমূহৰ সাপেক্ষে প্ৰত্যেক ৰাজ্যৰ বিধানমণ্ডলত বাক্-স্বাধীনতা থাকিব।

(২) বিধানমণ্ডলত বা তাৰ কোনো সমিতিত কোৱা কোনো কথা বা প্ৰদান কৰা কোনো ভোটৰ সম্পৰ্কত ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো ন্যায়ালয়ত কোনো কাৰ্যক্ৰমণিকা নচলিব আৰু এনে বিধানমণ্ডলৰ কোনো সদনৰ প্ৰাধিকাৰৰ দ্বাৰা বা অধীনত কোনো প্ৰতিবেদন, পত্ৰ, ভোট বা কাৰ্য্যক্ৰমণিকা প্ৰকাশৰ সম্পৰ্কতো কোনো ব্যক্তি দায়ী নহ'ব।

[১][(৩) অন্যান্য বিষয়ত ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ আৰু এনে বিধানমণ্ডলৰ কোনো সদনৰ সদস্যসকলৰ আৰু ইয়াৰ সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ বিধানমণ্ডলে সময়ে সময়ে বিধিৰ দ্বাৰা সংজ্ঞায়িত কৰি দিয়া অনুসৰি হ'ব;

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৪-ৰ দ্বাৰা প্ৰতিস্থাপিত, নিম্নলিখিত ধৰণে পঢ়িব:

"(৩) অন্যান্য ক্ষেত্ৰত, এখন ৰাজ্যৰ বিধানমণ্ডলৰ সদন, আৰু এনে বিধানমণ্ডলৰ এখন সদনৰ সদস্য আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ এনেধৰণৰ হ'ব যিসমূহ সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৪ আৰম্ভ হোৱাৰ সময়ত আছিল, আৰু যদি সেই সদন বিধানসভা হয়, তেন্তে ইয়াৰ সদস্যসমূহ আৰু সমিতিসমূহৰ বাবে লোকসভাই নিৰ্ধাৰিত কৰা অনুসৰি, আৰু যদি এনে সদন বিধান পৰিষদ হয়, তেন্তে ইয়াৰ সদস্যসমূহ আৰু সমিতিসমূহৰ বাবে ৰাজ্যসভাই নিৰ্ধাৰিত কৰা অনুসৰি হ'ব।" (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৫-ৰ দ্বাৰা এই সংশোধনী বিলোপিত (১৯-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][আৰু তেনে প্ৰকাৰে সংজ্ঞায়িত নোহোৱা পৰ্য্যন্ত [সংবিধান ৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৬ কাৰ্যকৰী হোৱাৰ ঠিক পূৰ্বে সেই সদনৰ আৰু তাৰ সদস্যসকল আৰু সমিতিসমূহৰ যিবিলাক ক্ষমতা, বিশেষাধিকাৰ আৰু নিষ্কৃতি থাকে সেইসমূহেই হ'ব।]

(৪) এই সংবিধানৰ আধাৰত যিসকল ব্যক্তিয়ে ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনত বা তাৰ কোনো সমিতিত কথা কোৱা বা আন প্ৰকাৰে তাৰ কাৰ্যক্ৰমণিকাত অংশগ্ৰহণ কৰিবৰ অধিকাৰ লাভ কৰে, তেনে ব্যক্তিৰ ক্ষেত্ৰত সেই বিধানমণ্ডলৰ সদস্যসকলৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাৰ দৰে ধাৰা (১), (২) আৰু (৩)-ৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব।

**১৯৫। সদস্যসকলৰ বেতন আৰু ভাট্টা** - কোনো এখন ৰাজ্যৰ বিধানসভা আৰু বিধান পৰিষদসমূহৰ সদস্যসকলৰ বেতন আৰু ভাট্টা, ৰাজ্যখনৰ বিধানমণ্ডলে আইনৰ দ্বাৰা, সময়ে সময়ে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি লাভ কৰাৰ অধিকাৰ থাকিব, যেতিয়ালৈকে এইক্ষেত্ৰত কোনো উপবন্ধ প্ৰস্তুত কৰা নহয়, সংশ্লিষ্ট প্ৰদেশৰ বিধানসভাৰ সদস্যসকলৰ বাবে এই সংবিধান আৰম্ভ হোৱাৰ প্ৰাক মূহুৰ্তত প্ৰযোজ্য হৈ থকা হাৰত আৰু চৰ্তত এনে বেতন আৰু ভাট্টা লাভ কৰাৰ অধিকাৰ থাকিব।

*বিধান পৰিক্ৰমা*

**১৯৬। বিধেয়ক উত্থাপন আৰু গ্ৰহণ সম্বন্ধীয় উপবন্ধাৱলী** - (১) ধন সম্পৰ্কীয় বিধেয়কসমূহ আৰু অন্যান্য বিত্তীয় বিধেয়কসমূহৰ ক্ষেত্ৰত অনুচ্ছেদ ১৯৮ আৰু ২০৭-ত থকা উপবন্ধাৱলী সাপেক্ষে, যিকোনো এখন বিধেয়ক বিধান পৰিষদ থকা ৰাজ্যৰ বিধানমণ্ডলৰ যিকোনো এখন সদনত উত্থাপন কৰিব পৰা যাব।

(২) অনুচ্ছেদ ১৯৭ আৰু ১৯৮-ৰ উপবন্ধাৱলী সাপেক্ষে, এখন বিধেয়ক তেতিয়ালৈকে বিধান পৰিষদ থকা এখন ৰাজ্যৰ বিধানসভাৰ সদনসমূহে গ্ৰহণ কৰা বুলি গণ্য কৰা নহ'ব যেতিয়ালৈকে সংশোধনী অবিহনে বা কেৱল এনেকুৱা সংশোধনীৰ সৈতে যিবোৰৰ ক্ষেত্ৰত উভয় সদনে সহমত পোষণ কৰিছে, এই সন্দৰ্ভত উভয় সদনে সন্মতি প্ৰদান নকৰে।

(৩) সদন বা সদনসমূহৰ সত্ৰাৱসানৰ কাৰণে কোনো এখন ৰাজ্যৰ বিধানমণ্ডলত স্থগিত হৈ থকা এখন বিধেয়ক তামাদি হৈ নাযায়।

(৪) এখন ৰাজ্যৰ বিধান পৰিষদত স্থগিত হৈ থকা এখন বিধেয়ক যিখনক বিধানসভাই অনুমোদন জনোৱা নাই, তেনে বিধেয়ক বিধানসভা ভংগ হ'লেই তামাদি হৈ নাযায়।

(৫) কোনো ৰাজ্যৰ বিধানসভাত স্থগিত হৈ থকা অথবা বিধানসভাৰ দ্বাৰা অনুমোদিত হোৱাৰ পিচত বিধান পৰিষদত বিবেচনাধীন হৈ থকা কোনো বিধেয়ক বিধানসভা ভংগ হ'লে তামাদি হৈ যাব।

**১৯৭। ধন সম্পৰ্কীয় বিধেয়কৰ বাহিৰে অন্য বিধেয়কৰ ক্ষেত্ৰত বিধান পৰিষদৰ ক্ষমতাৰ সীমাবদ্ধতা** - (১) বিধান পৰিষদ থকা ৰাজ্যৰ বিধানসভাৰ দ্বাৰা কোনো বিধেয়ক অনুমোদন হোৱাৰ পিচত আৰু বিধান পৰিষদলৈ প্ৰেৰণ কৰাৰ পিছত যদি –

---

[1] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৬-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) বিধেয়কখন পৰিষদৰ দ্বাৰা অগ্ৰাহ্য হয়; বা

(খ) বিধেয়কখন পৰিষদত উত্থাপন কৰা তাৰিখৰ পৰা বিধেয়কখনত অনুমোদন নজনোৱাকৈ তিনি মাহতকৈ অধিক সময় অতিবাহিত হয়; বা

(গ) বিধেয়কখন এনে কিছুমান সংশোধনীৰ দ্বাৰা অনুমোদন জনোৱা হয়, যিসমূহ সংশোধনীত বিধানসভা একমত নহয়;

বিধানসভাই, এই ব্যৱস্থা নিয়ন্ত্ৰণৰ নিয়ম সাপেক্ষে, একে বা পৰৱৰ্তী যিকোনো এখন অধিবেশনত বিধান পৰিষদে পৰামৰ্শ আগবঢ়োৱা বা সন্মতি প্ৰদান কৰা, কোনো সংশোধনী গ্ৰহণ কৰি বা নকৰি পুনৰ সেই বিধেয়কখনক অনুমোদন জনাব পাৰে আৰু তাৰ পিছত সেই বিধেয়কখনত অনুমোদন জনাবৰ বাবে বিধান পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে।

২) বিধানসভাৰ দ্বাৰা বিধেয়কখন দ্বিতীয়বাৰ এনেদৰে অনুমোদন জনাই আৰু বিধান পৰিষদলৈ প্ৰেৰণ কৰাৰ পিছত যদি –

(ক) বিধেয়কখন পৰিষদৰ দ্বাৰা অগ্ৰাহ্য হয়; বা

(খ) বিধেয়কখন পৰিষদত উত্থাপন কৰা তাৰিখৰ পৰা বিধেয়কখনত অনুমোদন নজনোৱাকৈ এমাহতকৈ অধিক সময় অতিবাহিত হয়; বা

(গ) বিধেয়কখন এনে কিছুমান সংশোধনীসহ অনুমোদন জনোৱা হয়, যিসমূহ সংশোধনীৰ সৈতে বিধানসভা একমত নহয়;

তেতিয়া এই বিধেয়কখন ৰাজ্যখনৰ বিধানমণ্ডলে এনে সংশোধনীৰ সৈতে, যিবিলাক বিধান পৰিষদে পৰামৰ্শ দিছে আৰু বিধানসভা সন্মত হৈছে, যদিহে কোনো সংশোধনী থাকে, বিধানসভাৰ দ্বাৰা দ্বিতীয়বাৰৰ বাবে পাৰিত কৰা ৰূপত অনুমোদিত হোৱা বুলি গণ্য কৰা হ'ব।

(৩) এই অনুচ্ছেদৰ কোনো কথা ধন সম্পৰ্কীয় বিধেয়কৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

**১৯৮। ধন সম্পৰ্কীয় বিধেয়ক সম্বন্ধে থকা বিশেষ ব্যৱস্থাৱলী** - (১) ধন সম্পৰ্কীয় বিধেয়ক বিধান পৰিষদত উত্থাপন কৰিব নোৱাৰিব।

(২) বিধান পৰিষদ থকা ৰাজ্যৰ বিধানসভাৰ দ্বাৰা এখন ধন সম্পৰ্কীয় বিধেয়ক অনুমোদনৰ পিছত সেইখন বিধান পৰিষদৰ পৰামৰ্শৰ বাবে প্ৰেৰণ কৰিব আৰু বিধান পৰিষদে সেই বিধেয়কখন লাভ কৰাৰ পৰা চৌধ্য দিনৰ ভিতৰত সেই বিধেয়কখন নিজৰ পৰামৰ্শাৱলীৰ সৈতে, যদি কোনো পৰামৰ্শ আছে, বিধানসভালৈ ঘূৰাই পঠাব আৰু তেনে ক্ষেত্ৰত বিধানসভাই বিধানমণ্ডলৰ সকলোবোৰ বা কোনো পৰামৰ্শাৱলী গ্ৰহণ বা অগ্ৰাহ্য কৰিব পাৰে।

(৩) যদিহে বিধান পৰিষদে আগবঢ়োৱা পৰামৰ্শসমূহৰ ভিতৰত যিকোনো এটা পৰামৰ্শ বিধানসভাই গ্ৰহণ কৰে, তেতিয়া বিধান পৰিষদে আগবঢ়োৱা আৰু বিধানসভাই গ্ৰহণ কৰা সংশোধনীসমূহৰ সৈতে সেই ধন সম্পৰ্কীয় বিধেয়কখন উভয় সদনে অনুমোদন কৰিছে বুলি গণ্য কৰা হ'ব।

(৪) যদি বিধান পৰিষদে আগবঢ়োৱা পৰামৰ্শাৱলীৰ কোনোটোয়েই বিধানসভাই গ্ৰহণ নকৰে, তেতিয়াও বিধান পৰিষদে আগবঢ়োৱা কোনো এটা সংশোধনীৰ অবিহনেই,

সেই ধন সম্পৰ্কীয় বিধেয়কখন যিটো ৰূপত বিধানসভাই অনুমোদন জনাইছিল সেই ৰূপতে উভয় সদনে অনুমোদন জনোৱা বুলি গণ্য কৰা হ'ব ।

(৫) যদিহে এখন ধন সম্পৰ্কীয় বিধেয়ক বিধানসভাই অনুমোদন জনায় আৰু বিধান পৰিষদৰ পৰামৰ্শাৱলীৰ বাবে প্ৰেৰণ কৰাৰ পিছত উল্লিখিত চৈধ্য দিনৰ পিছতো সেইখন বিধানসভালৈ ঘূৰাই নপঠাই, তেন্তে সেই সময় উকলি যোৱাৰ পিছত বিধেয়কখনক বিধানসভাই অনুমোদন জনোৱা ৰূপতে উভয় সদনে অনুমোদন জনোৱা বুলি গণ্য কৰা হয়।

**১৯৯। "ধন সম্পৰ্কীয় বিধেয়ক"ৰ সংজ্ঞা** - (১) এই অধ্যায়ৰ সন্দৰ্ভত, এখন বিধেয়কক ধন সম্পৰ্কীয় বিধেয়ক হিচাপে গণ্য কৰা হ'ব যদিহে কেৱল ইয়াত নিম্নোল্লিখিত বিষয়সমূহৰ সকলোবোৰ বা কোনো এটাৰ লগত সম্বন্ধ থকা উপবন্ধাৱলী সন্নিবিষ্ট হৈ থাকে, যেনে –

(ক) কোনো কৰৰ আৰোপণ, বিলুপ্তিকৰণ, হ্ৰাসকৰণ, পৰিৱৰ্তন আৰু নিয়ন্ত্ৰণ;

(খ) ৰাজ্যৰ দ্বাৰা ঋণ গ্ৰহণ বা কোনো নিশ্চিতি প্ৰদানৰ নিয়মাৱলী, অথবা ৰাজ্যৰ দ্বাৰা লোৱা বা ল'ব খোজা কোনো বিত্তীয় বাধ্যবাধকতা সম্বন্ধীয় বিধিৰ সংশোধন;

(গ) ৰাজ্যৰ একত্ৰীকৃত নিধি অথবা আকস্মিকতা নিধিৰ দায়িত্ব, এনে কোনো নিধিত ধন জমা দিয়া বা তাৰ পৰা ধন উলিওৱা;

(ঘ) ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ধনৰ বিনিয়োজন;

(ঙ) কোনো ব্যয় ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় বুলি ঘোষণা কৰা অথবা তেনে কোনো ব্যয়ৰ ৰাশি বৃদ্ধি কৰা;

(চ) ৰাজ্যৰ একত্ৰীকৃত নিধি বা ৰাজ্যৰ ৰাজহুৱা জমা ধনৰ প্ৰাপ্তি অথবা তেনে ধনৰ দায়িত্ব বা তেনে ধন মুকলি কৰা; বা

(ছ) (ক)-ৰ পৰা (চ) উপদফাত নিৰ্দিষ্ট কৰা বিষয়সমূহৰ কোনো এটাৰ আনুষংগিক কোনো বিষয়।

(২) কেৱল জৰিমণা বা আন আৰ্থিক দণ্ড আৰোপণৰ অৰ্থে বা অনুজ্ঞা প্ৰাপ্তিৰ বাবে অথবা কৃত সেৱাৰ বাবে মাচুল দাবী কৰাৰ বা দিয়াৰ বাবে বিধান কৰিছে বুলিয়েই বা কেৱল কোনো স্থানীয় প্ৰাধিকাৰী বা নিকায়ৰ দ্বাৰা স্থানীয় প্ৰয়োজনৰ কাৰণে কোনো কৰৰ আৰোপণ, বিলুপ্তিকৰণ, পৰিহাৰ, পৰিৱৰ্তন বা নিয়ন্ত্ৰণৰ বিধান কৰিছে বুলিয়েই কোনো বিধেয়কক ধন সম্পৰ্কীয় বিধেয়ক বুলি গণ্য নহ'ব।

(৩) বিধান পৰিষদ থকা কোনো ৰাজ্যৰ বিধানমণ্ডলত উত্থাপিত কোনো বিধেয়ক ধন সম্পৰ্কীয় বিধেয়ক হয়নে নহয় সেই সম্পৰ্কে কোনো প্ৰশ্নৰ উদ্ভৱ হ'লে সেই বিষয়ত তেনে ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৪) অনুচ্ছেদ ১৯৮-ৰ অধীনত বিধান পৰিষদলৈ প্ৰেৰণ কৰা প্ৰত্যেকখন ধন সম্পৰ্কীয় বিধেয়কৰ ওপৰত সেই ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষৰ অনুমোদন আৰু অনুচ্ছেদ ২০০-ৰ অধীনত ৰাজ্যপালৰ ওচৰত সন্মতি লাভৰ বাবে দাখিল কৰা সেই বিধেয়কখন ধন সম্পৰ্কীয় বিধেয়ক বুলি সেই ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষৰ স্বাক্ষৰিত প্ৰমাণ পত্ৰ দ্বাৰা সত্যাপন কৰা হ'ব লাগিব।

**২০০। বিধেয়কত সন্মতি প্ৰদান** - যেতিয়া কোনো ৰাজ্যৰ বিধানসভাৰ দ্বাৰা বা বিধান পৰিষদ থকা ৰাজ্যৰ বিধানমণ্ডলৰ উভয় সদনৰ দ্বাৰা কোনো বিধেয়ক অনুমোদন কৰা হয়, তেতিয়া বিধেয়কখন ৰাজ্যপালৰ ওচৰত দাখিল কৰা হ'ব আৰু ৰাজ্যপালে তেওঁ বিধেয়কখনত সন্মতি দিছে বুলি বা তাত সন্মতি দিয়াৰ পৰা বিৰত আছে বুলি অথবা ৰাষ্ট্ৰপতিৰ বিচাৰাৰ্থে বিধেয়কখন ৰাখি থোৱা বুলি ঘোষণা কৰিব:

কিন্তু, সন্মতিৰ বাবে বিধেয়কখন দাখিল কৰাৰ পিছত, যদিহে সেইখন ধন সম্পৰ্কীয় বিধেয়ক নহয়, যথাসম্ভৱ শীঘ্ৰে ৰাজ্যপালে সদন বা সদনসমূহক সেই বিধেয়কখন বা তাৰ কোনো বিশেষ উপবন্ধ পুনৰ বিৱেচনা কৰিবলৈ আৰু, বিশেষকৈ, তেওঁৰ বাৰ্তাৰ যোগেদি পৰামৰ্শ আগবঢ়োৱা সংশোধনীসমূহ উত্থাপন কৰাৰ বাঞ্ছনীয়তাৰ ওপৰত বিৱেচনা কৰাৰ অনুৰোধ জনোৱা এক বাৰ্তাৰ সৈতে ঘূৰাই পঠাব আৰু, যেতিয়া এখন বিধেয়ক এইদৰে ঘূৰাই পঠোৱা হয়, সদন বা সদনসমূহে সেইদৰে বিধেয়কখন পুনৰ বিৱেচনা কৰিব পাৰে, আৰু যদি পুনৰবাৰ সদন বা সদনসমূহে সংশোধনীসমূহৰ সৈতে বা সেইসমূহৰ অবিহনে বিধেয়কখন অনুমোদন জনায় আৰু ৰাজ্যপালৰ সন্মতিৰ বাবে দাখিল কৰে, তেন্তে ৰাজ্যপালে এইবাৰ সন্মতি প্ৰদানৰ পৰা বিৰত নাথাকিব:

অধিকন্তু, ৰাজ্যপালৰ বিৱেচনা অনুসৰি এনে কোনো বিধেয়ক যদিহে আইনলৈ ৰূপান্তৰিত হয় আৰু এই আইনে সংবিধানৰ দ্বাৰা স্থাপিত উচ্চ ন্যায়ালয়ৰ ক্ষমতাৰ সংকুচিত কৰাৰ লগতে উচ্চ ন্যায়ালয়ৰ মৰ্যাদা সংকটাপন্ন কৰিব তেনে বিধেয়কৰ ওপৰত ৰাজ্যপালে সন্মতি প্ৰদান নকৰিব আৰু ৰাষ্ট্ৰপতিৰ বিৱেচনাৰ বাবে সংৰক্ষিত কৰি ৰাখিব।

**২০১। আলোচনাৰ বাবে সংৰক্ষিত বিধেয়কসমূহ** - যেতিয়া কোনো বিধেয়ক ৰাজ্যপালৰ দ্বাৰা ৰাষ্ট্ৰপতিৰ বিৱেচনাৰ বাবে সংৰক্ষিত কৰা হয়, তেতিয়া ৰাষ্ট্ৰপতিয়ে তেওঁ বিধেয়কখনত সন্মতি প্ৰদান কৰিছে বা তেওঁ সন্মতি প্ৰদান কৰাৰ পৰা বিৰত আছে বুলি ঘোষণা কৰিব:

কিন্তু, যদি বিধেয়কখন ধন সম্পৰ্কীয় বিধেয়ক নহয়, তেনেহ'লে অনুচ্ছেদ ২০০-ৰ প্ৰথম ব্যতিক্ৰমত উল্লেখ কৰা বাৰ্তাৰ সৈতে ৰাজ্যিক বিধানসভাৰ সদন বা সদনসমূহলৈ, যিটোৱেই প্ৰযোজ্য, বিধেয়কখন ঘূৰাই পঠাবলৈ ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালক নিৰ্দেশ দিব পাৰে আৰু যেতিয়া বিধেয়কখন এনেদৰে ঘূৰাই পঠোৱা হ'ব তেতিয়া সদন বা সদনে সেই বাৰ্তা লাভ কৰাৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত সেই অনুসৰি পুনৰ বিৱেচনা কৰিব আৰু যদিহে ইয়াক পুনৰ সংশোধনীৰ

সৈতে বা সংশোধনীৰ অবিহনে সদন বা সদনসমূহে গৃহীত কৰে, তেনেহ’লে বিবেচনাৰ বাবে পুনৰ ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হ’ব।

*বিত্ত বিষয়ক ব্যৱস্থাৱলী*

**২০২। বাৰ্ষিক বিত্তীয় প্ৰতিবেদন** - (১) ৰাজ্যপালে প্ৰতিটো বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যিক বিধানসভাৰ সদন বা সদনসমূহৰ সমুখত সেই বছৰৰ ৰাজ্যখনৰ প্ৰাক্কলিত আয় আৰু ব্যয়ৰ প্ৰতিবেদন দাখিল কৰিব লাগিব, এই অংশত ইয়াক “বাৰ্ষিক বিত্তীয় প্ৰতিবেদন” বুলি অভিহিত কৰা হ’ব।

(২) বাৰ্ষিক বিত্তীয় প্ৰতিবেদনত অন্তৰ্ভুক্ত ব্যয়ৰ প্ৰাক্কলনসমূহ পৃথকভাৱে দেখুৱাব লাগিব -

(ক) এই সংবিধানৰ দ্বাৰা ধাৰ্য কৰা প্ৰয়োজনীয় ব্যয়সমূহ হ’ব ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয়; আৰু

(খ) অন্যান্য ব্যয় পূৰণৰ কাৰণে ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ব্যয় কৰিবলৈ প্ৰয়োজনীয় ধনৰাশিৰ প্ৰস্তাৱ,

আৰু ৰাজহ জমাৰ ব্যয় অন্যান্য ব্যয়ৰ পৰা পৃথক কৰি দেখুৱাব।

(৩) নিম্নলিখিত ব্যয়সমূহ প্ৰত্যেক ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় হ’ব–

(ক) ৰাজ্যপালৰ পাৰিশ্ৰমিক আৰু ভাট্টাসমূহ আৰু তেওঁৰ কাৰ্যালয় সম্পৰ্কীয় অন্যান্য ব্যয়;

(খ) বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ আৰু বিধান পৰিষদ থকা ৰাজ্যৰ ক্ষেত্ৰত বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ বেতন আৰু ভাট্টাসমূহ;

(গ) ঋণ মাচুল, ঋণ পৰিশোধ-নিধি মাচুল আৰু বিমোচন মাচুলকে ধৰি ৰাজ্যৰ ওপৰত দায়িত্ব থকা ঋণ- মাচুলসমূহ আৰু ঋণ গ্ৰহণ আৰু ঋণ-সেৱা আৰু ঋণ বিমোচন সম্পৰ্কীয় অন্যান্য ব্যয়সমূহ;

(ঘ) কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ বেতন আৰু ভাট্টা সম্বন্ধীয় ব্যয়;

(ঙ) কোনো ন্যায়ালয় বা মধ্যস্থ-ন্যায়াধিকৰণৰ কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী বা ব্যয়ৰ তুষ্টিৰ অৰ্থে প্ৰয়োজনীয় কোনো ধনৰাশি;

(চ) এই সংবিধানৰ দ্বাৰা বা ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা এনেভাৱে আৰোপিত হ’ব বুলি ঘোষিত আন কোনো ব্যয়।

**২০৩। বিধানমণ্ডলত প্ৰাক্কলন সম্পৰ্কীয় ব্যৱস্থাৱলী** - (১) প্ৰাক্কলনত কোনো ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয় সম্পৰ্কীয় যিখিনি ব্যয় থাকে সেইখিনি বিধানসভাত ভোটৰ কাৰণে আগবঢ়োৱা নহ’ব, কিন্তু এই দফাৰ কোনো কথাই সেই প্ৰাক্কলনসমূহৰ কোনোটোকে

বিধানমণ্ডলত আলোচনা কৰাৰ পৰা বিৰত কৰা নুবুজাব।

(২) উক্ত প্ৰাক্কলনৰ যিমানখিনি অন্য ব্যয় সম্পৰ্কীয় বিষয় থাকিব সেয়া বিধানসভাৰ সমুখত দাবীৰ ৰূপত উপস্থাপন কৰা হ'ব আৰু বিধানসভাই এনে কোনো দাবীৰ ওপৰত সন্মতি প্ৰদান কৰা বা সন্মতি প্ৰদানৰ পৰা বিৰত থকা বা উল্লিখিত ৰাশিক হ্ৰাস কৰি অনুমোদন জনোৱাৰ ক্ষমতা থাকিব।

(৩) ৰাজ্যপালৰ অনুমোদনৰ অবিহনে কোনো অনুদানৰ দাবী উত্থাপন কৰা নহ'ব।

**২০৪। বিনিয়োজন বিধেয়ক** - (১) বিধানসভাৰ দ্বাৰা অনুচ্ছেদ ২০৩-ৰ অধীনত অনুদানসমূহ মঞ্জুৰী দিয়াৰ পিচত যথা শীঘ্ৰে নিম্নোক্ত ব্যয়সমূহ পূৰণাৰ্থে আৱশ্যক হোৱা সকলো ধন ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা বিনিয়োজন কৰাৰ বিধান কৰি বিধেয়ক উত্থাপিত কৰিব -

(ক) বিধানসভাৰ দ্বাৰা তেনেদৰে মঞ্জুৰী দিয়া অনুদানসমূহ; আৰু

(খ) ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত ব্যয়, কিন্তু কোনো স্থলতে সদন অথবা সদনসমূহৰ আগত পূৰ্বতে দাঙি ধৰা প্ৰতিৱেদনত উল্লিখিত ৰাশিতকৈ এই ব্যয় অধিক হ'ব নোৱাৰিব।

(২) ৰাজ্যৰ বিধানমণ্ডলৰ সদন বা যিকোনো এটা সদনত এনে বিধেয়কৰ ওপৰত এনে সংশোধনী প্ৰস্তাৱ ল'ব নোৱাৰিব যাৰ ফলত এই প্ৰকাৰে উল্লেখ কৰা কোনো অনুদানৰ ৰাশিৰ হেৰফেৰ অথবা লক্ষ্যৰ পৰিৱৰ্তন অথবা ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত কোনো ব্যয়ৰ ৰাশিৰ হেৰফেৰ হয়, আৰু এই দফাৰ অধীনত কোনো সংশোধন অগ্ৰাহ্য হয় নে নহয় সেই বিষয়ে অধ্যক্ষতা কৰা ব্যক্তিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(৩) অনুচ্ছেদ ২০৫ আৰু ২০৬-ৰ উপবন্ধাৱলীৰ অধীনত এই উপবন্ধ অনুসৰি গৃহীত আইনৰ দ্বাৰা কৰা ব্যয়ৰ বাহিৰে ৰাজ্যৰ একত্ৰীকৃত পুঁজিৰ পৰা কোনো ধন উলিয়াব নোৱাৰিব।

**২০৫। অনুপূৰক, অতিৰিক্ত অথবা উপৰঞ্চি অনুদানসমূহ** - (১) ৰাজ্যপালে –

(ক) যদি অনুচ্ছেদ ২০৪-ৰ উপবন্ধাৱলী অনুসৰি কৰা কোনো আইনৰ দ্বাৰা চলিত বিত্তীয় বৰ্ষৰ বাবে কোনো বিশেষ সেৱাৰ ক্ষেত্ৰত ব্যয় কৰিবলৈ অনুমোদিত ধনৰাশি সেই বছৰৰ উদ্দেশ্যৰ বাবে পৰ্যাপ্ত নহয় বা যেতিয়া চলিত বিত্তীয় বৰ্ষৰ ভিতৰত নতুন সেৱাৰ ওপৰত অনুপূৰক বা অতিৰিক্ত ব্যয়ৰ প্ৰয়োজন হয়, যিটো সেই বছৰৰ বাৰ্ষিক বিত্তীয় প্ৰতিৱেদনত পৰিকল্পনা কৰা হোৱা নাই, বা

(খ) যদি কোনো বিত্তীয় বৰ্ষৰ ভিতৰত সেই সেৱা আৰু সেই বছৰৰ বাবে অনুমোদিত ধনৰ অধিক ধন কোনো সেৱাৰ বাবে ব্যয় কৰা হৈছে,

তেন্তে, ৰাজ্যৰ বিধানমণ্ডলৰ সদনত নাইবা সদনসমূহৰ আগত সেই ব্যয়ৰ প্ৰাক্কলিত ৰাশি দেখুৱাই আন এটা বিৱৰণ দিয়াব অথবা যথাস্থিতি সেই ৰাজ্যৰ বিধানসভাত তেনেকুৱা অতিৰিক্ততাৰ দাবী উত্থাপন কৰোৱাব।

(২) বাৰ্ষিক বিত্তীয় প্ৰতিৱেদন আৰু তাত উল্লিখিত ব্যয় অথবা অনুদানৰ কোনো দাবী আৰু ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা এনেকুৱা কোনো ব্যয় বা অনুদান পূৰণৰ কাৰণে ধনৰ বিনিয়োজনৰ কৰ্তৃত্ব প্ৰদানৰ বাবে প্ৰণয়ন কৰিবলগীয়া বিধিৰ সম্পৰ্কত অনুচ্ছেদ ২০২, ২০৩ আৰু ২০৪-ৰ উপবন্ধাৱলী যিদৰে প্ৰযোজ্য হয়, এনেকুৱা কোনো বিৱৰণ আৰু ব্যয় বা দাবীৰ সম্পৰ্কত আৰু ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা এনেকুৱা ব্যয় অথবা এনেকুৱা দাবী সম্পৰ্কীয় অনুদান পূৰণৰ কাৰণে ধনৰ বিনিয়োজনৰ কৰ্তৃত্ব প্ৰাদান কৰাৰ অৰ্থে প্ৰণয়ন কৰিবলগীয়া কোনো বিধিৰ সম্পৰ্কতো সেই উপবন্ধাৱলী তেনেকৈয়ে প্ৰযোজ্য হ'ব।

**২০৬। লেখানুদান, ঋণ অনুদান আৰু ব্যতিক্ৰমী অনুদান** - (১) এই অধ্যায়ৰ পূৰ্ববৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, কোনো ৰাজ্যৰ বিধানসভাৰ ক্ষমতা থাকিব –

(ক) তেনে অনুদানত ভোটদানৰ কাৰণে অনুচ্ছেদ ২০৩-ত বিহিত প্ৰক্ৰিয়া আৰু সেই ব্যয়ৰ সম্পৰ্কত অনুচ্ছেদ ২০৪-ৰ উপবন্ধাৱলী অনুযায়ী বিধি অনুমোদন হোৱাৰ সাপেক্ষে কোনো বিত্তীয় বছৰৰ এছোৱাৰ কাৰণে প্ৰাক্কলিত ব্যয়ৰ সম্বন্ধত অগ্ৰিম কোনো অনুদান দিবলৈ;

(খ) যেতিয়া কোনো সেৱাৰ গুৰুত্ব বা অনিৰ্দিষ্ট ধৰণৰ দাবীৰ কাৰণে বছৰেকীয়া বিত্তীয় বিৱৰণত সাধাৰণতে দিয়া বিতং বিৱৰণীৰে দাবী উত্থাপন কৰিব নোৱাৰে তেতিয়া ৰাজ্যৰ সম্পদৰাজিৰ ওপৰত অপ্ৰত্যাশিত দাবী পূৰণৰ অৰ্থে অনুদান দিবলৈ;

(গ) কোনো বিত্তীয় বছৰৰ চলিত সেৱাৰ অন্তৰ্ভুক্ত নোহোৱা ব্যতিক্ৰমী অনুদান দিবলৈ বিধিগতভাৱে ৰাজ্যৰ বিধানসভাৰ ক্ষমতা থাকিব, আৰু উপৰোক্ত অনুদানসমূহ যি প্ৰয়োজনৰ বাবে দিয়া হয় তাৰবাবে ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ধন উলিওৱাৰ কাৰণে বিধিৰ দ্বাৰা প্ৰাধিকৃত কৰিবলৈ ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতা থাকিব।

(২) বাৰ্ষিক বিত্তীয় প্ৰতিৱেদনত উল্লিখিত ব্যয়ৰ সম্পৰ্কত অনুদান দিয়া সম্পৰ্কে আৰু তেনে ব্যয় পূৰণাৰ্থে ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ধন বিনিয়োজনৰ অনুমোদন দিয়াৰ অৰ্থে বিধি প্ৰণয়নৰ সম্পৰ্কত অনুচ্ছেদ ২০৩ আৰু ২০৪-ৰ উপবন্ধাৱলীৰ যি প্ৰভাৱ থাকে, দফা (১)-ৰ অধীনত দিয়া কোনো অনুদান আৰু সেই দফাৰ অধীনত প্ৰণয়ন কৰিবলগীয়া কোনো বিধিৰ সম্পৰ্কতো তাৰ একেই প্ৰভাৱ থাকিব।

**২০৭। বিত্তীয় বিধেয়ক সম্পৰ্কে বিশেষ ব্যৱস্থাৱলী** - (১) অনুচ্ছেদ ১৯৯-ৰ দফা (১)-ৰ উপদফা (ক)-ৰ পৰা (চ)-লৈকে উল্লেখ কৰা কোনো বিষয় উপবন্ধ কৰা কোনো বিধেয়ক বা সংশোধনী ৰাজ্যপালৰ অনুমোদন অবিহনে উত্থাপন বা প্ৰস্তাৱ কৰা নহ'ব, আৰু এনে উপবন্ধ কৰা বিধেয়ক বিধান পৰিষদত দাখিল কৰা নহ'ব:

কিন্তু, কোনো কৰ হ্ৰাস বা বিলুপ্ত কৰাৰ সংশোধনী প্ৰস্তাৱৰ বাবে এই দফাৰ অধীনত কোনো অনুমোদনৰ প্ৰয়োজন নহ'ব।

(২) কোনো বিধেয়ক বা সংশোধনীয়ে পূৰ্বতে উল্লেখ কৰা কোনো বিষয়ৰ বাবে কেৱল এই কাৰণেহে ব্যৱস্থা কৰা বুলি গণ্য কৰা নহ'ব যে ই জৰিমনা বা অন্যান্য আৰ্থিক শাস্তি বিধানৰ বাবে, বা অনুজ্ঞাপত্ৰৰ বাবে মাচুল দাবী বা পৰিশোধ কৰিব বিচাৰে, বা সেৱাৰ বিনিময়ত প্ৰদান কৰা মাচুল, বা যাৰ কাৰণে ই স্থানীয় উদ্দেশ্যৰ বাবে যিকোনো স্থানীয় কৰ্তৃপক্ষ বা সংস্থাই যিকোনো কৰ আৰোপ, বিলোপ, ৰেহাই, পৰিৱৰ্তন বা নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰে।

(৩) কোনো বিধেয়ক অধিনিয়মিত আৰু প্ৰৱৰ্তিত হ'লে যদি ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা কোনো ব্যয় কৰিবলগীয়া হয়, তেনেহ'লে তেনে বিধেয়ক বিচাৰৰ কাৰণে ৰাজ্যপালে সদনলৈ আলোচনাৰ বাবে পৰামৰ্শ আগনবঢ়ালে ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনৰ দ্বাৰা তাক অনুমোদন জনাব নোৱাৰিব।

*সাধাৰণ কাৰ্যবিধি*

**২০৮। কাৰ্যবিধিৰ নিয়মাৱলী** - (১) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো সদনে নিজ কাৰ্যবিধি* আৰু কাৰ্য্য পৰিচালনাৰ বিনিয়মনৰ নিমিত্তে নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে।

(২) দফা (১)-ৰ অধীনত নিয়ম প্ৰণয়ন নোহোৱালৈকে সংশ্লিষ্ট প্ৰদেশৰ বিধানসভাৰ সম্পৰ্কে এই সংবিধান আৰম্ভ হোৱাৰ ঠিক আগতে বলবৎ হোৱা কাৰ্য্যবিধিৰ নিয়ম আৰু স্থায়ী আদেশ এনে পৰিৱৰ্তনৰ অধীনত ৰাজ্যৰ বিধানসভাৰ সম্পৰ্কত কাৰ্যকৰী হ'ব আৰু পৰিস্থিতি অনুসৰি, বিধানসভাৰ অধ্যক্ষ বা বিধান পৰিষদৰ অধ্যক্ষই তাত সালসলনি আৰু অভিযোজন কৰিব পাৰিব।

(৩) বিধান পৰিষদ থকা কোনো ৰাজ্যত বিধানসভাৰ অধ্যক্ষ আৰু বিধান পৰিষদৰ সভাপতিৰ লগত পৰামৰ্শ সাপেক্ষে ৰাজ্যপালে দুয়োখন সদনৰ মাজত পৰস্পৰ যোগাযোগ সম্পৰ্কীয় প্ৰক্ৰিয়াৰ নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে।

---

* সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৫-ৰ দ্বাৰা "(সদনৰ এখন সভা গঠন কৰিবলৈ থুলসহ)" বন্ধনী আৰু শব্দসমূহ অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)। সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৫-ৰ দ্বাৰা এই সংশোধনী বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**২০৯। ৰাজ্যৰ বিধানমণ্ডলত বিধিৰ দ্বাৰা বিত্তীয় কাৰ্য্য সম্পৰ্কীয় প্ৰক্ৰিয়াৰ বিনিয়মন** - বিত্তীয় কাৰ্য্যসমূহ সময়মতে সমাপ্ত কৰাৰ প্ৰয়োজনীয়তাৰ বাবে বিত্তীয় বিষয়ৰ সম্পৰ্কত বা ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ধনৰ বিনিয়োজনৰ বাবে কোনো বিধেয়কৰ সম্পৰ্কত এখন ৰাজ্যৰ বিধানমণ্ডল বিধিৰ দ্বাৰা ৰাজ্যৰ বিধানমণ্ডলৰ সদনৰ বা সদনসমূহৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিনিয়মিত কৰিব পাৰে, আৰু এনেকৈ কৰা কোনো বিধিৰ কোনো উপবন্ধ যদি ৰাজ্যৰ বিধানমণ্ডলৰ সদন বা যিকোনো এখন সদনে অনুচ্ছেদ ২০৮-ৰ দফা (১)-ৰ অধীনত কৰা কোনো নিয়মৰ লগত অথবা সেই অনুচ্ছেদৰ দফা (২)-ৰ অধীনত ৰাজ্যৰ বিধানমণ্ডলৰ সম্পৰ্কত প্ৰযোজ্য হোৱা কোনো নিয়ম বা স্থায়ী আদেশৰ লগত সংগতিহীন হয়, তেনেহ'লে যি পৰ্য্যন্ত সংগতিহীন হয়, সেই পৰ্য্যন্ত এনে উপবন্ধই বৰ্তি থাকিব।

**২১০। বিধানমণ্ডলত প্ৰয়োগ হ'বলগীয়া ভাষা** - (১) সপ্তদশ অংশত যি কথাই উল্লেখ নাথাকক কিয়, অনুচ্ছেদ ৩৪৮-ৰ উপবন্ধাৱলী সাপেক্ষে কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কাৰ্য্য চৰকাৰী ভাষা বা ৰাজ্যত প্ৰচলিত ভাষা অথবা হিন্দী বা ইংৰাজীত সম্পাদন কৰিব লাগিব:

কিন্তু, স্থানবিশেষে বিধানসভাৰ অধ্যক্ষই বা বিধান পৰিষদৰ সভাপতিয়ে অথবা তেনে দায়িত্বত নিয়োজিত ব্যক্তিয়ে এনে যিকোনো সদস্যক, যি পূৰ্বোক্ত ভাষাসমূহত নিজক পৰ্য্যাপ্তৰূপে প্ৰকাশ কৰিব নোৱাৰে, তেওঁৰ মাতৃভাষাৰে সদনক সম্বোধন কৰিবলৈ অনুমতি দিব পাৰে।

(২) যদিহে কোনো ৰাজ্যৰ বিধানসভাই আইনৰ দ্বাৰা অন্যধৰণে নিৰ্ধাৰণ নকৰে, এই সংবিধান বলবৎ হোৱাৰ পৰা পোন্ধৰ বছৰ কাল সমাপ্তিৰ পাছত এই অনুচ্ছেদত "বা ইংৰাজীত" এই শব্দ দুটা লুপ্ত হোৱাৰ দৰে এই অনুচ্ছেদ প্ৰযোজ্য হ'ব।

[১][কিন্তু, [২][হিমাচল প্ৰদেশ, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্যৰ বিধানসভা]-ৰ সম্পৰ্কত এই দফাটো এনেদৰে কাৰ্যকৰী হ'ব যে ইয়াত থকা "পোন্ধৰ বছৰ" শব্দসমূহৰ বাবে "পঁচিশ বছৰ" শব্দসমূহেৰে প্ৰতিস্থাপন কৰা হৈছে:]

[৩][অধিকন্তু, [৪][[৫][অৰুণাচল প্ৰদেশ, গোৱা আৰু মিজোৰাম] ৰাজ্যসমূহৰ বিধানসভাসমূহ]-ৰ

---

[১] হিমাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৭০ (১৯৭০-ৰ ৫৩)-ৰ ধাৰা ৪৬-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উত্তৰ পূৰ্বাঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা "হিমাচল প্ৰদেশ ৰাজ্যৰ বিধানমণ্ডল"-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] অৰুণাচল প্ৰদেশ অধিনিয়ম, ১৯৮৬, (১৯৮৬-ৰ ৬৯)-ৰ ধাৰা ৪২-ৰ দ্বাৰা "মিজোৰাম ৰাজ্যৰ বিধানমণ্ডল"-ৰ সলনি প্ৰতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] গোৱা, দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭, (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৬৩-ৰ দ্বাৰা "অৰুণাচল প্ৰদেশ আৰু মিজোৰাম"-ৰ সলনি প্ৰতিষ্ঠাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

সম্পৰ্কত এই ধাৰাটো এনেদৰে কাৰ্যকৰী হ'ব যেন ইয়াত থকা ‘‘পোন্ধৰ বছৰ’’ শব্দটোৰ সলনি ‘‘চল্লিশ বছৰ’’ শব্দটো ব্যৱহাৰ কৰা হৈছে।]

**২১১। বিধানমণ্ডলত আলোচনাৰ ওপৰত থকা প্ৰতিবন্ধকতা** - কোনো ৰাজ্যৰ বিধানমণ্ডলত উচ্চতম ন্যায়ালয় বা কোনো উচ্চ ন্যায়ালয়ৰ কৰ্তব্যৰত কোনো ন্যায়াধীশৰ নিজা কৰ্তব্য পালন কৰাৰ ক্ষেত্ৰত কৰা আচৰণ সম্পৰ্কে কোনো আলোচনা হ'ব নোৱাৰিব।

**২১২। আদালতে বিধানসভাৰ কাৰ্য্যবিধিৰ তদন্ত নকৰিব** - (১) অনিয়মৰ অভিযোগ আনি ৰাজ্যৰ বিধানমণ্ডলৰ কাৰ্যক্ৰমণিকাৰ বৈধতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিব নোৱাৰিব।

(২) কোনো ৰাজ্যৰ বিধানমণ্ডলৰ এনে কোনো পদাধিকাৰী বা কোনো সদস্য যাৰ ওপৰত এই সংবিধানৰ দ্বাৰা অথবা অধীনত বিধানমণ্ডলৰ প্ৰক্ৰিয়াৰ বা কাৰ্য্য-পৰিচালনা নিয়ন্ত্ৰণ কৰিবলৈ অথবা শৃংখলা ৰক্ষা কৰিবলৈ ক্ষমতা ন্যস্ত কৰা হয়, তেওঁ সেই ক্ষমতাবিলাক নিজে প্ৰয়োগ কৰাৰ সম্পৰ্কত কোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ অধীন নহ'ব।

## চতুৰ্থ অধ্যায় - ৰাজ্যপালৰ বিধায়িনী ক্ষমতা

**২১৩। বিধানমণ্ডলৰ বিশ্ৰান্তিকালত ৰাজ্যপালৰ অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা** - (১) বিধানসভাৰ অধিবেশন চলি থকা সময় বা বিধান পৰিষদ থকা ৰাজ্যৰ উভয় সদনৰ অধিবেশন চলি থকা সময়ৰ বাহিৰে যদি কোনো সময়ত ততালিকে কাৰ্য্য কৰিবলৈ প্ৰয়োজন হোৱা পৰিস্থিতি বিদ্যমান বুলি ৰাজ্যপাল পতিয়ন যায়, তেনেহ'লে তেওঁ এনে অধ্যাদেশ জাৰি কৰিব পাৰে যি তেনেকুৱা পৰিস্থিতিত আৱশ্যকীয় বুলি প্ৰতীয়মান হয়:

কিন্তু ৰাজ্যপালে, ৰাষ্ট্ৰপতিৰ নিৰ্দেশ অবিহনে, এনে কোনো অধ্যাদেশ জাৰি কৰিব নোৱাৰিব যদিহে -

(ক) এই সংবিধানৰ অধীনত একেধৰণৰ উপবন্ধাৱলী থকা বিধেয়ক বিধানসভাত উত্থাপন কৰিবলৈ ৰাষ্ট্ৰপতিৰ পূৰ্বৰ সন্মতিৰ প্ৰয়োজন হ'ব; বা

(খ) তেনেকুৱা উপবন্ধাৱলী সন্নিবিষ্ট কোনো বিধেয়ক ৰাষ্ট্ৰপতিৰ বিচাৰাৰ্থে সংৰক্ষণ কৰা আৱশ্যক বুলি তেওঁ বিবেচনা কৰে; বা

(গ) ৰাজ্যিক বিধানসভাৰ যিকোনো আইন য'ত একেধৰণৰ উপবন্ধাৱলী থাকে, সেই আইনখন ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে সংৰক্ষিত নোহোৱালৈকে আৰু ৰাষ্ট্ৰপতিৰ সন্মতি লাভ নকৰালৈকে এই সংবিধানৰ অধীনত অবৈধ হ'ব।

(২) এই অনুচ্ছেদৰ অধীনত জাৰি কৰা অধ্যাদেশৰ ক্ষমতা আৰু প্ৰভাৱ ৰাজ্যপালে সন্মতি দিয়া ৰাজ্যিক বিধানসভাৰ আইনৰ দৰেই হ'ব, কিন্তু তেনেকুৱা প্ৰত্যেক অধ্যাদেশ –

(ক) ৰাজ্যৰ বিধানসভাৰ আগত বা বিধান পৰিষদ থকা ৰাজ্যৰ উভয় সদনৰ আগত দাঙি ধৰা হ'ব আৰু বিধানমণ্ডল পুনঃসমবেত হোৱাৰ ছয় সপ্তাহৰ সমাপ্তিত বা সেই সময়সীমাৰ সমাপ্তিৰ পূৰ্বে যদি বিধানসভাৰ দ্বাৰা ইয়াক অনুমোদন কৰি কোনো প্ৰস্তাৱ গ্ৰহণ কৰে আৰু বিধান পৰিষদে, যদি আছে, সেই প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰে বা, পৰিবেশ অনুসৰি, পৰিষদৰ দ্বাৰা প্ৰস্তাৱ অনুমোদন হোৱাৰ লগে লগে সেই অধ্যাদেশৰ কাৰ্যকৰিতাৰ সমাপ্তি ঘটিব; আৰু

(খ) ৰাজ্যপালে যিকোনো সময়তে প্ৰত্যাহাৰ কৰিব পাৰে।

*ব্যাখ্যা* – যেতিয়া বিধান পৰিষদ থকা ৰাজ্যৰ বিধানমণ্ডলৰ সদনসমূহ ভিন ভিন তাৰিখত পুনঃসমবেত হ'বলৈ তলব কৰা হয় এই ধাৰাৰ প্ৰয়োজনৰ কাৰণে ছয় সপ্তাহ সময়সীমাৰ গণনা সেই তাৰিখসমূহৰ পিচৰটো তাৰিখৰ পৰা কৰা হ'ব।

(৩) এই অনুচ্ছেদৰ অধীনত জাৰি কৰা কোনো অধ্যাদেশে যদি আৰু যি পৰ্য্যন্ত এনে কোনো উপবন্ধৰ সৃষ্টি কৰে যিটো ৰাজ্যপালে সন্মতি দিয়া ৰাজ্যিক বিধানসভাৰ কোনো আইন অনুসৰি প্ৰণয়ন হ'লে বৈধ নহ'লহেঁতেন, তেন্তে সেয়া বাতিল হ'ব:

কিন্তু, উমৈহতীয়া সূচীত তালিকাভুক্ত কোনো বিষয় সম্পৰ্কীয় সংসদৰ কোনো আইন বা প্ৰচলিত কোনো বিধিৰ বিৰুদ্ধ হোৱা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ আইনৰ প্ৰভাৱ সম্পৰ্কীয় এই সংবিধানৰ উপবন্ধাৱলীৰ প্ৰয়োজনাৰ্থে, ৰাষ্ট্ৰপতিৰ পৰামৰ্শ অনুসৰি এই অনুচ্ছেদৰ অধীনত জাৰি কোনো অধ্যাদেশ ৰাষ্ট্ৰপতিৰ বিচাৰাৰ্থে আৰু তেওঁৰ সন্মতিৰ বাবে সংৰক্ষিত হ'ব আৰু ৰাজ্যসমূহৰ বিধানসভাৰ আইন বুলি গণ্য কৰা হ'ব।

[১](৪) * * * *

---

[১] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৩-ৰ দ্বাৰা দফা (৪) অন্তঃস্থাপিত (পূৰ্বৰে পৰা প্ৰযোজ্য হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৭-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## পঞ্চম অধ্যায় - ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়সমূহ

**২১৪। ৰাজ্যসমূহৰ বাবে উচ্চ ন্যায়ালয়সমূহ** - [১]*** প্ৰত্যেক ৰাজ্যৰ বাবে একোখন উচ্চ ন্যায়ালয় থাকিব।

[২](২)* * * *

[২](৩)* * * *

**২১৫। উচ্চ ন্যায়ালয়সমূহ অভিলেখ ন্যায়ালয় হ'ব** - প্ৰত্যেক উচ্চ ন্যায়ালয় অভিলেখ ন্যায়ালয় হ'ব আৰু ন্যায়ালয়ক অৱমাননা কৰাৰ কাৰণে দণ্ড দিয়া ক্ষমতাকে অন্তৰ্ভুক্ত কৰি এনে ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

**২১৬। উচ্চ ন্যায়ালয়সমূহৰ গঠন** - প্ৰত্যেক উচ্চ ন্যায়ালয় এজন মুখ্য ন্যায়াধীশ আৰু ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে আৱশ্যক বিবেচনা কৰি নিযুক্ত কৰা ধৰণে অন্য ন্যায়াধীশসকলৰ দ্বাৰা গঠিত হ'ব।

[৩]* * * * *

**২১৭। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নিযুক্তি আৰু পদৰ চৰ্তসমূহ** - (১) উচ্চ ন্যায়ালয়ৰ প্ৰত্যেকজন ন্যায়াধীশক [৪][অনুচ্ছেদ ১২৪ক-ত নিৰ্দেশিত ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগৰ চুপাৰিছ ক্ৰমে] আৰু মুখ্য ন্যায়াধীশৰ বাহিৰে উচ্চ ন্যায়ালয়ৰ আন ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্যৰ ৰাজ্যপাল, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ চুপাৰিছ ক্ৰমে ৰাষ্ট্ৰপতিয়ে স্ব-হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা নিযুক্ত কৰিব [৫][অতিৰিক্ত বা কাৰ্যবাহী ন্যায়াধীশৰ ক্ষেত্ৰত অনুচ্ছেদ ২২৪-ত উল্লিখিত ধৰণে আৰু আন যিকোনো ক্ষেত্ৰত তেওঁ [৬][বাষষ্ঠি বছৰ] বয়স নোহোৱা পৰ্যন্ত ধাৰণ কৰিব:]]

কিন্তু, -

(ক) কোনো ন্যায়াধীশে ৰাষ্ট্ৰপতিক সম্বোধিত স্বাক্ষৰিত পত্ৰৰ দ্বাৰা নিজৰ পদ ত্যাগ কৰিব পাৰে;

(খ) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশক পদৰ পৰা অপসাৰিত কৰিবৰ কাৰণে এই

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "(১)" বন্ধনী আৰু সংখ্যা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা দফা (২) আৰু (৩) বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১১-ৰ দ্বাৰা ব্যতিক্ৰম বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪-ৰ ধাৰা ৬-ৰ দ্বাৰা "ভাৰতৰ মুখ্য ন্যায়াধীশ, ৰাজ্যৰ ৰাজ্যপাল, আৰু মুখ্য ন্যায়াধীশ ব্যতিৰেকে আন ন্যায়াধীশৰ নিযুক্তিৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি"-ৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধন ছুপ্ৰিম কোৰ্ট এডভোকেটছ অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে বাতিল কৰিছে, তাৰিখ ১৬-১০-২০১৫, এআইআৰ ২০১৬ এছচি ১১৭।

[৫] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১২-ৰ দ্বাৰা "৬০ বছৰ বয়স নোহোৱা পৰ্যন্ত ধাৰণ কৰিব" বাক্যাংশ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধান (১৫ সংখ্যক সংশোধন) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৪(ক)-ৰ দ্বাৰা "৬০ বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

সংবিধানৰ অনুচ্ছেদ ১২৪-ৰ দফা (৪)-ত উল্লেখিত ৰীতিৰে ৰাষ্ট্ৰপতিৰ দ্বাৰা কোনো ন্যায়াধীশক নিজৰ পদৰ পৰা অপসাৰিত কৰিব পাৰিব ;

(গ) কোনো ন্যায়াধীশক ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্ত কৰিলে অথবা ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত আন কোনো উচ্চ ন্যায়ালয়লৈ বদলি কৰিলে সেই ন্যায়াধীশৰ পদ খালী হ'ব।

(২) কোনো ব্যক্তি কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে নিযুক্ত হ'বলৈ যোগ্য নহ'ব যদিহে তেওঁ ভাৰতৰ নাগৰিক নহয় আৰু

(ক) ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰত অন্ততঃ দহ বছৰ ন্যায়িক পদ ধাৰণ নকৰে, অথবা

(খ) কোনো উচ্চ ন্যায়ালয়ত [১]*** অথবা তেনেকুৱা দুই বা ততোধিক তেনে ন্যায়ালয়ত একেলেথাৰিয়ে অন্ততঃ দহ বছৰ কাল অধিবক্তা ৰূপে কাৰ্যনিৰ্বাহ নকৰে।[২]***

[২](গ) * * * * *

*ব্যাখ্যা* - এই দফাৰ প্ৰয়োজনাৰ্থে –

[৩][(ক) কোনো ব্যক্তিয়ে ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰত ন্যায়িক পদ ধাৰণ কৰি থকা সময়সীমাৰ গণনা কৰোতে, তেনে ন্যায়িক পদ ধাৰণ কৰাৰ পিছত যি সময়সীমাৰ বাবে তেওঁ কোনো উচ্চ ন্যায়ালয়ৰ অধিবক্তা হৈ থাকে বা কোনো ন্যায়াধিকৰণৰ সদস্যৰ পদ ধাৰণ কৰে অথবা সংঘ বা ৰাজ্যৰ অধীনত বিধিৰ বিশেষ জ্ঞানৰ প্ৰয়োজন হোৱা কোনো পদ ধাৰণ কৰে সেই সময়ো তাৰ অন্তৰ্গত হ'ব।]

[৪][কক] কোনো ব্যক্তি উচ্চ ন্যায়ালয়ৰ অধিবক্তা হৈ থকা সময়সীমা গণনা কৰোতে, অধিবক্তা হোৱাৰ পিছত যি সময়সীমাৰ বাবে তেওঁ [৫][ন্যায়িক পদ ধাৰণ কৰে বা কোনো ন্যায়াধিকৰণৰ সদস্যৰ পদ ধাৰণ কৰে অথবা সংঘ বা ৰাজ্যৰ অধীনত বিধিৰ বিশেষ জ্ঞানৰ প্ৰয়োজন হোৱা কোনো পদ ধাৰণ কৰে] সেই সময়ো তাৰ অন্তৰ্গত হ'ব;

(খ) কোনো ব্যক্তিয়ে ভাৰতৰ ৰাজ্যক্ষেত্ৰত ন্যায়িক পদ ধাৰণ কৰি থকা অথবা কোনো উচ্চ ন্যায়ালয়ৰ অধিবক্তা হৈ থকা সময়ৰ গণনা কৰোতে সেই ব্যক্তিয়ে ১৯৪৭ চনৰ ১৫ আগষ্টৰ পূৰ্বে, ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫-ত সংজ্ঞায়িত ভাৰতত সমাবিষ্ট কোনো ক্ষেত্ৰত

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীত নিৰ্দিষ্ট কোনো ৰাজ্যৰ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৬-ৰ দ্বাৰা "অথবা" শব্দটো আৰু উপ-দফা (গ) অন্তঃস্থাপিত (৩-১-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৮-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৮-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ২৮-ৰ দ্বাৰা দফা (ক) দফা (কক) ৰূপে পুনঃক্ৰমাংকিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৬-ৰ দ্বাৰা প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যথাস্থিতি ন্যায়িক পদ ধাৰণ কৰা অথবা এনেকুৱা কোনো ক্ষেত্ৰত কোনো উচ্চ ন্যায়ালয়ৰ অধিবক্তা হৈ থকা কোনো সময়ো তাৰ অন্তৰ্গত হ'ব।

[1](৩) যদি উচ্চ ন্যায়ালয়ৰ কোনো ন্যায়াধীশৰ বয়সৰ সম্পৰ্কত কোনো প্ৰশ্নৰ উদ্ভৱ হয়, তেনেহ'লে ৰাষ্ট্ৰপতিয়ে ভাৰতৰ মুখ্য ন্যায়াধীশৰ লগত আলোচনা কৰি সেই প্ৰশ্নৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব আৰু ৰাষ্ট্ৰপতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।]

**২১৮। উচ্চতম ন্যায়ালয় সম্বন্ধীয় কিছুমান উপবন্ধ উচ্চ ন্যায়ালয়সমূহত প্ৰয়োগ** - অনুচ্ছেদ ১২৪-ৰ দফা (৪) আৰু (৫)-ৰ উপবন্ধাৱলীত উচ্চতম ন্যায়ালয়ৰ প্ৰতি থকা নিৰ্দেশৰ পৰিৱৰ্তে উচ্চ ন্যায়ালয়ৰ প্ৰতি থকা নিৰ্দেশ বুলি লৈ সেই উপবন্ধাৱলী উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰত প্ৰয়োগ হোৱাৰ দৰে উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰতো প্ৰয়োগ হ'ব।

**২১৯। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ শপত বা অংগীকাৰ** - কোনো [2]*** উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্ত হোৱা প্ৰত্যেক ব্যক্তিয়ে নিজৰ পদ গ্ৰহণ কৰাৰ পূৰ্বে সেই ৰাজ্যৰ ৰাজ্যপালৰ অথবা তেওঁৰ দ্বাৰা সেই উদ্দেশ্যে নিযুক্ত কোনো ব্যক্তিৰ সমুখত তৃতীয় অনুসূচীত এই প্ৰয়োজনৰ কাৰণে দিয়া হোৱা প্ৰপত্ৰ অনুসৰি শপত ল'ব বা অংগীকাৰ কৰিব আৰু তাত স্বাক্ষৰ কৰিব।

[3][**২২০। স্থায়ী ন্যায়াধীশ হোৱাৰ পিচত বিধি-বৃত্তিৰ ওপৰত নিষেধাজ্ঞা** - এই সংবিধান বলবৎ হোৱাৰ পাছত এখন উচ্চ ন্যায়ালয়ৰ স্থায়ী ন্যায়াধীশৰ পদ ধাৰণ কৰা কোনো ব্যক্তিয়ে, উচ্চতম ন্যায়ালয় বা আন উচ্চ ন্যায়ালয়সমূহৰ বাহিৰে ভাৰতৰ কোনো ন্যায়ালয়ত বা কোনো প্ৰাধিকাৰীৰ আগত ওকালতি বা কাৰ্য্য কৰিব নোৱাৰিব।

*ব্যাখ্যা* – এই অনুচ্ছেদত "উচ্চ ন্যায়ালয়" বুলিলে সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ বলবৎ হোৱাৰ [4]পূৰ্বে বিদ্যমান প্ৰথম অনুসূচীৰ 'খ' অংশত নিৰ্দিষ্ট কোনো ৰাজ্যৰ কোনো উচ্চ ন্যায়ালয়ক অন্তৰ্ভুক্ত নকৰে।]

**২২১। ন্যায়াধীশসকলৰ বেতন আদি** - [5][(১) প্ৰত্যেক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক সংসদে উপবন্ধৰ দ্বাৰা নিৰ্ধাৰিত কৰা ধৰণে বেতন দিয়া হ'ব আৰু যেতিয়ালৈকে এনে প্ৰকাৰৰ উপবন্ধ কৰা নহয়, তেতিয়ালৈকে দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰা ধৰণে বেতন দিয়া হ'ব।]

---

[1] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৪(খ)-ৰ দ্বাৰা (পূৰ্বৰ পৰা প্ৰযোজ্য হোৱাকৈ) অন্তঃস্থাপিত।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "কোনো ৰাজ্যত" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ১৩-ৰ দ্বাৰা প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] ১ নবেম্বৰ, ১৯৫৬ চন।

[5] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ৩-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) প্ৰতিজন ন্যায়াধীশে অনুপস্থিতিৰ ছুটী আৰু পেঞ্চনৰ ক্ষেত্ৰত সংসদে বা আইনৰ অধীনত সময়ে সময়ে নিৰ্ধাৰণ কৰা ধৰণে ভাট্টা আৰু এনে অধিকাৰৰ অধিকাৰী হ'ব, আৰু সেয়া নিৰ্ধাৰণ নোহোৱালৈকে, দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট কৰি থোৱা ধৰণে ভাট্টা আৰু অধিকাৰ লাভ কৰিব:

কিন্তু, কোনো ন্যায়াধীশৰ অনুপস্থিতিৰ ছুটী বা অৱসৰ বেতন সম্পৰ্কীয় তেওঁৰ অধিকাৰসমূহৰ নিযুক্তিৰ পিছত তেওঁৰ প্ৰতিকূলে কোনো পৰিৱৰ্তন কৰা নহ'ব।

**২২২। কোনো ন্যায়াধীশক এখন উচ্চ ন্যায়ালয়ৰ পৰা আন এখনলৈ বদলিকৰণ** - (১) ৰাষ্ট্ৰপতিয়ে [1][অনুচ্ছেদ ১২৪ক-ত নিৰ্দেশিত ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগৰ পৰামৰ্শক্ৰমে] এজন ন্যায়াধীশক এখন উচ্চ ন্যায়ালয়ৰ পৰা আন যিকোনো উচ্চ ন্যায়ালয়[2]***লৈ বদলি কৰিব পাৰে।

[3][(২) যেতিয়া কোনো এজন ন্যায়াধীশক এনেদৰে বদলি কৰা হয় বা কৰা হৈ যায় তেতিয়া সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ বলবৎ হোৱাৰ পাছত তেওঁ আন এখন উচ্চ ন্যায়ালয়ত ন্যায়াধীশৰূপে সেৱা আগবঢ়োৱা সময়চোৱাত লাভ কৰা বেতনৰ উপৰি সংসদে আইনৰ দ্বাৰা নিৰ্ধাৰিত কৰি দিয়া ক্ষতিপূৰণমূলক ভাট্টা আৰু এনেদৰে নিৰ্ধাৰিত নোহোৱা পৰ্য্যন্ত ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিয়া ক্ষতিপূৰণমূলক ভাট্টাৰ অধিকাৰী হ'ব।]

**২২৩। কাৰ্য্যকৰী মুখ্য ন্যায়াধীশৰ নিযুক্তি** - যেতিয়া কোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পদ খালী হয় বা যেতিয়া অনুপস্থিতি বা অন্য কোনো কাৰণত কোনো মুখ্য ন্যায়াধীশৰ পদৰ কৰ্তব্যসমূহ পালন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া সেই পদৰ কৰ্তব্যসমূহ ৰাষ্ট্ৰপতিয়ে সেই প্ৰয়োজনৰ বাবে নিযুক্তি দিয়া সেই ন্যায়ালয়ৰ আন ন্যায়াধীশসকলৰ মাজৰ এজন ন্যায়াধীশৰ দ্বাৰা পালন কৰা হ'ব।

[4][**২২৪। অতিৰিক্ত আৰু কাৰ্য্যকৰী ন্যায়াধীশৰ নিযুক্তি** - (১) যদি কোনো উচ্চ ন্যায়ালয়ৰ কাৰ্য্য সাময়িকভাৱে হোৱা বৃদ্ধিৰ কাৰণে বা তাত কাম বাকী ৰৈ যোৱাৰ কাৰণে, ৰাষ্ট্ৰপতিয়ে

---

[1] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪-ৰ ধাৰা ৭-ৰ দ্বাৰা "ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি"-ৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী *ছুপ্ৰিম কোৰ্ট এডভোকেটছ অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ* গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে বাতিল কৰিছে, তাৰিখ - ১৬-১০-২০১৫, এআইআৰ ২০১৬ এছচি ১১৭।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৪-ৰ দ্বাৰা "ভাৰতৰ চাৰিসীমাৰ ভিতৰত" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৪-ৰ দ্বাৰা মূল দফা (২) বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৫-ৰ দ্বাৰা অনুচ্ছেদ ২২৪-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

আদালতৰ ন্যায়াধীশৰ সংখ্যা আপাততঃ বৃদ্ধি কৰা উচিত বুলি বিৱেচনা কৰে, [১][ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগৰ সৈতে আলোচনামৰ্মে] যথাৰীতি অৰ্হতাসম্পন্ন ব্যক্তিক দুবছৰৰ অনধিক নিৰ্দিষ্ট সময়ৰ বাবে সেই ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে নিযুক্ত কৰিব পাৰে।

(২) যেতিয়া কোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বাহিৰে আন কোনো ন্যায়াধীশৰ অনুপস্থিতিৰ কাৰণে বা আন কোনো কাৰণবশতঃ তেওঁৰ পদৰ কৰ্তব্যসমূহ পালন কৰিবলৈ অসমৰ্থ হয় অথবা মুখ্য ন্যায়াধীশৰূপে অস্থায়ীভাৱে কাৰ্য্য কৰিবলৈ তেওঁ নিযুক্ত হয়, [১][তেতিয়া ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগৰ সৈতে আলোচনামৰ্মে] যথাৰীতি অৰ্হতাসম্পন্ন কোনো ব্যক্তিক স্থায়ী ন্যায়াধীশজনে তেওঁৰ কৰ্তব্য পুনৰ গ্ৰহণ নকৰা পৰ্য্যন্ত সেই ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে কাৰ্য্য কৰিবলৈ নিযুক্ত কৰিব পাৰে।

(৩) কোনো উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত বা কাৰ্য্যকৰী ন্যায়াধীশ ৰূপে নিযুক্ত কোনো ব্যক্তিয়ে [২][বাষষ্ঠি বছৰ] বয়স প্ৰাপ্ত হোৱাৰ পাছত পদত অধিস্থিত হৈ থাকিব নোৱাৰিব।

[৩][**২২৪ক। উচ্চ ন্যায়ালয়ৰ বৈঠকত অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নিযুক্তি** - এই অধ্যায়ত যি কথাই উল্লেখ নাথাকক কিয়, [৪][ৰাষ্ট্ৰীয় ন্যায়িক নিযুক্তি আয়োগে ৰাষ্ট্ৰপতিৰ পূৰ্ব অনুমতি সাপেক্ষে কোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ প্ৰসংগ নিৰ্দেশ অনুসৰি] সেই উচ্চ ন্যায়ালয় বা আন কোনো উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ পদ ধাৰণ কৰি অহা আৰু যিকোনো ব্যক্তিক সেই ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে অধিস্থিত হ'বলৈ আৰু কাৰ্য্য কৰিবলৈ অনুৰোধ কৰিব পাৰিব, আৰু এনেকৈ অনুৰোধ কৰা তেনে প্ৰত্যেক ব্যক্তিয়েই তেনেকৈ অধিস্থিত হোৱা আৰু কাৰ্য্য কৰা কালত এনে ভাট্টাৰ অধিকাৰ লাভ কৰিব যি ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্ধাৰিত কৰে, আৰু তেওঁ সেই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ সকলো ক্ষেত্ৰাধিকাৰ, ক্ষমতা আৰু বিশেষাধিকাৰ লাভ কৰিব, কিন্তু অন্যথা তেওঁ সেই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বুলি গণ্য নহ'ব:

কিন্তু, উপৰোক্ত তেনে কোনো ব্যক্তিয়ে তেনে কৰিবলৈ সন্মত নহ'লে, এই অনুচ্ছেদৰ কোনো কথাই তেওঁক সেই ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে অধিস্থিত হ'বলৈ আৰু কাৰ্য্য কৰিবলৈ বাধ্য কৰোৱা বুলি নুবুজাব।]

---

[১] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪-ৰ ধাৰা ৮-ৰ দ্বাৰা "ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰিব পাৰে"-ৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্ট *এডভোকেটছ অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ* গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে বাতিল কৰিছে, তাৰিখ - ১৬-১০-২০১৫, এআইআৰ ২০১৬ এছচি ১১৭।

[২] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৬-ৰ দ্বাৰা "ষাঠি বছৰ" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪-ৰ ধাৰা ৯-ৰ দ্বাৰা "ৰাষ্ট্ৰপতিৰ পূৰ্ব অনুমতি সাপেক্ষে কোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে যি কোনো সময়ত"ৰ সলনি প্ৰতিস্থাপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী ছুপ্ৰিম কোৰ্টত *এডভোকেটছ অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ* গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে বাতিল কৰিছে, তাৰিখ - ১৬-১০-২০১৫, এআইআৰ ২০১৬ এছচি ১১৭।

**২২৫৷ বৰ্তমানৰ উচ্চ ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ** - এই সংবিধানৰ উপবন্ধাৱলী আৰু এই সংবিধানে সেই বিধানসভাক প্ৰদান কৰা ক্ষমতাৰ ভিত্তিত কৰা বিধানসভাৰ যিকোনো উপযুক্ত আইনৰ উপবন্ধাৱলীৰ অধীনত, উচ্চ ন্যায়ালয়ৰ প্ৰচলিত অধিকাৰক্ষেত্ৰ আৰু তাত প্ৰশাসিত আইন, আৰু বৰ্তিত যিকোনো উচ্চ ন্যায়ালয়, আদালতত ন্যায় প্ৰদানৰ বাবে ন্যায়াধীশসকলৰ নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা আৰু আদালতৰ বৈঠক আৰু ইয়াৰ সদস্যসকলৰ বৈঠকসমূহ, একক বা যুটীয়া বৈঠক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতাকে ধৰি, ইয়াৰ ন্যায়াধীশসকলৰ নিজ নিজ ক্ষমতাসমূহ এই সংবিধানৰ প্ৰাৰম্ভণিৰ পূৰ্বে যিদৰে আছিল সেই একেদৰেই হ'ব:

[১][যদিহে এই সংবিধান বলবৎ হোৱাৰ লগে লগে ৰাজহ সম্পৰ্কীয় কোনো বিষয় বা ইয়াৰ সংগ্ৰহৰ ক্ষেত্ৰত নিৰ্দেশ দিয়া বা কৰা যিকোনো কাৰ্য্যৰ ক্ষেত্ৰত যিকোনো উচ্চ ন্যায়ালয়ৰ মূল অধিকাৰক্ষেত্ৰৰ প্ৰয়োগ এই সংবিধান বলবৎ হোৱাৰ ঠিক আগতেই কোনো ধৰণৰ বাধাৰ আওতাত আছিল, তেনে অধিকাৰক্ষেত্ৰৰ প্ৰয়োগ পৰৱৰ্তী সময়ত কৰিব পৰা নাযাব।]

[২][**২২৬৷ কিছুমান লেখ জাৰি কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়সমূহৰ ক্ষমতা** - (১) অনুচ্ছেদ ৩২ [৩]***-ত যি কথাই উল্লেখ নাথাকক কিয়, প্ৰত্যেক উচ্চ ন্যায়ালয়ে যি ৰাজ্যক্ষেত্ৰৰ সম্পৰ্কত নিজ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে সেই ৰাজ্যক্ষেত্ৰৰ সংবিধানৰ তৃতীয় অংশৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহৰ যিকোনো এটা বলবৎ কৰাৰ কাৰণে আৰু অন্য যিকোনো প্ৰয়োজনৰ কাৰণে সেই ৰাজ্যক্ষেত্ৰৰ ভিতৰত কোনো ব্যক্তি বা প্ৰাধিকাৰীলৈ বা উপযুক্ত ক্ষেত্ৰত কোনো চৰকাৰৰ প্ৰতি নিৰ্দেশ, আদেশ অথবা [৪][বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, অধিকাৰ-পৃচ্ছা আৰু উৎপ্ৰেষণ লেখৰ প্ৰকৃতিৰ লেখ অন্তৰ্গত কৰি লেখসমূহ অথবা তাৰ যিকোনো এটা জাৰি কৰিব পৰা ক্ষমতা থাকিব।]

(২) কোনো চৰকাৰ, প্ৰাধিকাৰী বা ব্যক্তিৰ প্ৰতি নিৰ্দেশ, আদেশ বা লেখ জাৰি কৰিবলৈ দফা (১)-ৰ দ্বাৰা প্ৰদত্ত ক্ষমতা, এনে ক্ষমতা প্ৰয়োগ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণৰ কাৰণ পূৰ্ণতঃ বা অংশতঃ যি ৰাজ্যক্ষেত্ৰৰ ভিতৰত উদ্ভৱ হয়, তেনে ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৭-ৰ দ্বাৰা বিলোপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮, ধাৰা ২৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৮-ৰ দ্বাৰা অনুচ্ছেদ ২২৬-ৰ সলনি প্ৰতিস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৭-ৰ দ্বাৰা "কিন্তু অনুচ্ছেদ ১৩১ক আৰু ২২৬ক-ৰ উপবন্ধাৱলী সাপেক্ষে" শব্দসমূহ, সংখ্যাসমূহ আৰু অক্ষৰসমূহ বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩০-ৰ দ্বাৰা "*বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, অধিকাৰ-পৃচ্ছা আৰু উৎপ্ৰেষণ লেখৰ প্ৰকৃতিৰ লেখ বা যিকোনো এটা*'ৰে আৰম্ভ হোৱা আৰু "*এনে অবৈধতাৰ ফলত ন্যায় যথেষ্ট বিফল হৈছে*'ৰে শেষ হোৱা অংশটোৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

যিকোনো উচ্চ ন্যায়ালয়ৰ দ্বাৰাও এয়া প্ৰয়োগ কৰিব পাৰিব – লাগিলে এনে চৰকাৰ বা প্ৰাধিকাৰীৰ স্থান বা এনে ব্যক্তিৰ বাসস্থান সেই ৰাজ্যক্ষেত্ৰৰ ভিতৰত নহওকেই।

[1](৩) য'ত কোনো পক্ষৰ বিৰুদ্ধে অন্তৰ্বৰ্তীকালীন আদেশ দিয়া হৈছে, সেয়া নিষেধাজ্ঞা বা স্থগিতাদেশৰ দ্বাৰা বা অন্য কোনো পদ্ধতিৰে হওক, দফা (১)-ৰ অধীনত আবেদনৰ সৈতে জড়িত যিকোনো কাৰ্য্যবিধিত হওক, -

(ক) এনে আবেদনৰ প্ৰতিলিপি আৰু এনে অন্তৰ্বৰ্তীকালীন আদেশৰ বাবে কৰা আবেদনৰ সমৰ্থনত সকলো নথিপত্ৰ এনে পক্ষক প্ৰদান কৰা; আৰু

(খ) তেনে পক্ষক শুনানীৰ সুযোগ দিয়া;

তেনে আদেশ বাতিল কৰাৰ বাবে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰে আৰু এনে আবেদনৰ প্ৰতিলিপি যি পক্ষত এনে আদেশ দিয়া হৈছে বা সেই পক্ষৰ আৱেদনকাৰীক দিয়ে, উচ্চ ন্যায়ালয়ে এনে আৱেদন লাভ কৰাৰ দুসপ্তাহৰ ভিতৰত নিষ্পত্তি কৰিব লাগিব বা এনে আৱেদনৰ প্ৰতিলিপি দাখিল কৰা তাৰিখৰ পৰা, যিটো পিছৰ, বা য'ত উচ্চ ন্যায়ালয় সেই সময়সীমাৰ শেষ দিনটোত বন্ধ হয়, তাৰ পিছদিনা ম্যাদ উকলি যোৱাৰ আগতে উচ্চ ন্যায়ালয় খোলা থকা সময়ৰ; আৰু যদি আৱেদনখন এনেদৰে নিষ্পত্তি কৰা নহয়, তেন্তে সেই সময়সীমা শেষ হোৱাৰ লগে লগে বা ক্ষেত্ৰত উক্ত পিছদিনা শেষ হোৱাৰ লগে লগে অন্তৰ্বৰ্তীকালীন আদেশৰ ম্যাদ উকলি যাব।

[2](৪) এই অনুচ্ছেদৰ দ্বাৰা উচ্চ ন্যায়ালয়ৰ ওপৰত প্ৰদত্ত ক্ষমতাৰ দ্বাৰা অনুচ্ছেদ ৩২-ৰ দফা (২)-ৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ ওপৰত প্ৰদত্ত ক্ষমতা হ্ৰাস কৰা নহ'ব।]

[3][**২২৬ক।** *অনুচ্ছেদ ২২৬-ৰ অধীনত চলি থকা কাৰ্য্যবিধিত কেন্দ্ৰীয় আইনসমূহৰ সাংবিধানিক বৈধতা বিৰেচনা কৰা নহ'ব।*] - *সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৮-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**২২৭। সকলো ন্যায়ালয়ৰ ওপৰত উচ্চ ন্যায়ালয়ৰ অধীক্ষণ ক্ষমতা** - [4][(১) প্ৰত্যেক উচ্চ ন্যায়ালয়ে যি ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে তাৰ সৰ্বত্ৰ সকলো ন্যায়ালয়ৰ আৰু ন্যায়াধিকৰণ অধীক্ষণ কৰিব।]

---

[1] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩০-ৰ দ্বাৰা দফা (৩), দফা (৪), দফা (৫) আৰু দফা (৬)-ৰ সলনি প্ৰতিস্থাপিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩০-ৰ দ্বাৰা দফা (৭)-ক দফা (৪) ৰূপে পুনঃক্ৰমাংকিত (১-৮-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩৯-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪০-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩১-ৰ দ্বাৰা দফা (১)-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) ওপৰৰ উপবন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ উচ্চ ন্যায়ালয়ে –

(ক) তেনেকুৱা ন্যায়ালয়সমূহৰ পৰা বিৱৰণ বিচাৰিব পাৰে;

(খ) তেনেকুৱা ন্যায়ালয়সমূহৰ কাৰ্য্যপ্ৰণালী আৰু কাৰ্য্যক্ৰমণিকা নিয়ন্ত্ৰণৰ বাবে সাধাৰণ নিয়মাৱলী প্ৰস্তুত আৰু জাৰি কৰিব পাৰে আৰু প্ৰপত্ৰ জাৰি কৰিব পাৰে; আৰু –

(গ) তেনেকুৱা ন্যায়ালয়সমূহৰ যিকোনো পদাধিকাৰীসকলে ৰাখিবলগীয়া হিচাপ-বহী, প্ৰবিষ্টি আৰু হিচাপসমূহৰ প্ৰপত্ৰ জাৰি কৰিব পাৰে।

(৩) উচ্চ ন্যায়ালয়ে শ্বেৰিফ আৰু এনে আদালতৰ সকলো কেৰাণী আৰু বিষয়া আৰু তাত কৰ্মৰত এটৰ্ণী, অধিবক্তা আৰু আবেদনকাৰীক প্ৰদান কৰিবলগীয়া মাচুলৰ তালিকাও নিৰ্ধাৰণ কৰিব পাৰে:

কিন্তু, দফা (২) বা দফা (৩)-ৰ অধীনত প্ৰস্তুত কৰা কোনো নিয়মাৱলী অথবা নিৰ্দিষ্ট কোনো প্ৰপত্ৰ বা স্থিৰীকৃত কোনো তালিকা সেই সময়ত বলবৎ থকা কোনো বিধিৰ উপবন্ধৰ লগত সংগতিহীন হ'ব নোৱাৰিব আৰু ইয়াৰ কাৰণে ৰাজ্যপালৰ পূৰ্ব অনুমোদনৰ আৱশ্যক হ'ব।

(৪) এই অনুচ্ছেদৰ কোনো কথাই উচ্চ ন্যায়ালয়ক সশস্ত্ৰ বাহিনী সম্বন্ধীয় বিধিৰ দ্বাৰা বা অধীনত গঠিত কোনো ন্যায়ালয় বা ন্যায়াধিকৰণ অধীক্ষণৰ ক্ষমতা অৰ্পণ কৰা বুলি গণ্য নহ'ব।

[১](৫)* * * * *

**২২৮। উচ্চ ন্যায়ালয়লৈ কেতবোৰ গোচৰৰ হস্তান্তৰ** - যদি উচ্চ ন্যায়ালয়ে সন্তুষ্ট হয় যে ইয়াৰ অধীনস্থ যিকোনো আদালতত বিচাৰাধীন যিকোনো গোচৰৰ লগত এই সংবিধানৰ ব্যাখ্যাৰ সৈতে আইনী প্ৰসংগৰ প্ৰশ্ন জড়িত হৈ আছে, যাৰ নিৰ্ণয় গোচৰটো নিষ্পত্তিৰ বাবে প্ৰয়োজনীয়, [২][তেন্তে ই প্ৰত্যাহাৰ কৰিব আৰু [৩]*** -]

(ক) নিজে গোচৰটো নিষ্পত্তি কৰিব পাৰে, অথবা

(খ) উক্ত বিধি সম্পৰ্কীয় প্ৰশ্ন নিৰ্ধাৰণ কৰিব পাৰে আৰু তেনেকুৱা প্ৰশ্নৰ ওপৰত দিয়া নিজৰ ন্যায়-নিৰ্ণয়ৰ এটা প্ৰতিলিপি সহ সেই গোচৰটো যি ন্যায়ালয়ৰ পৰা প্ৰত্যাহাৰ কৰিছিল সেই ন্যায়ালয়লৈ ঘূৰাই পঠিয়াব পাৰে আৰু উক্ত ন্যায়ালয়ে সেই গোচৰটো পোৱাৰ পিচত তেনে ন্যায়-নিৰ্ণয় অনুসৰণ কৰি গোচৰটো নিষ্পত্তিৰ বাবে আগবাঢ়িব পাৰে।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪০-ৰ দ্বাৰা দফা (৫) অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩১-ৰ দ্বাৰা প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪১-ৰ দ্বাৰা "তেন্তে ই প্ৰত্যাহাৰ কৰিব পাৰে"-ৰ সলনি প্ৰতিষ্ঠাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ৯-ৰ দ্বাৰা "১৩১ক-ৰ উপবন্ধাৱলী সাপেক্ষে" শব্দ, সংখ্যা আৰু অক্ষৰ বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][**২২৮ক।** *ৰাজ্যিক আইনসমূহৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত প্ৰশ্নসমূহ নিষ্পত্তিৰ বাবে বিশেষ উপবন্ধাৱলী।] – [সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ১০-ৰ দ্বাৰা বিলোপিত* (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)]।

**২২৯। উচ্চ ন্যায়ালয়ৰ পদাধিকাৰী, সেৱক আৰু ব্যয়সমূহ** - (১) উচ্চ ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকৰ নিযুক্তি সেই ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অথবা তেওঁৰ দ্বাৰা যথা নিৰ্দেশিত সেই ন্যায়ালয়ৰ আন কোনো ন্যায়াধীশ বা পদাধিকাৰীৰ দ্বাৰা কৰা হ'ব:

কিন্তু, সেই ৰাজ্যৰ ৰাজ্যপালে [2]*** নিয়মৰ দ্বাৰা এইটো নিশ্চিত কৰিব পাৰে যে নিয়ম অনুসৰি নিৰ্দিষ্ট কিছু ক্ষেত্ৰত ন্যায়ালয়ৰ লগত জড়িত নথকা কোনো ব্যক্তিক ৰাজ্যিক লোকসেৱা আয়োগৰ লগত পৰামৰ্শ নকৰাকৈ ন্যায়ালয় সম্বন্ধীয় কোনো পদত নিযুক্ত কৰিব নোৱাৰিব।

(২) ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে কোনো এখন উচ্চ ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকলৰ সেৱাৰ চৰ্তাৱলী সেই ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা অথবা মুখ্য ন্যায়াধীশে সেই প্ৰয়োজনৰ কাৰণে নিয়মাৱলী প্ৰস্তুত কৰিবলৈ প্ৰাধিকৃত কৰা সেই ন্যায়ালয়ৰ আন কোনো ন্যায়াধীশ বা পদাধিকাৰীৰ দ্বাৰা প্ৰস্তুত নিয়মাৱলীৰ দ্বাৰা বিহিত কৰাৰ দৰে হ'ব:

কিন্তু, এই দফাৰ অধীনত বেতন, ভাট্টা, ছুটী বা অৱসৰ বেতন সম্বন্ধে প্ৰস্তুত কৰা নিয়মসমূহৰ বাবে [2]*** সেই ৰাজ্যৰ ৰাজ্যপালৰ অনুমোদনৰ আৱশ্যক হ'ব।

(৩) ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকলক বা তেওঁলোকৰ ক্ষেত্ৰত দিবলগীয়া সকলো দৰমহা, ভাট্টা আৰু অৱসৰ বেতনসমূহক সামৰি কোনো উচ্চ ন্যায়ালয়ৰ প্ৰশাসনীয় ব্যয়সমূহ ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত আৰোপিত হ'ব, আৰু সেই ন্যায়ালয়ৰ দ্বাৰা গ্ৰহণ কৰা যিকোনো মাচুল বা অন্যান্য ধন সেই নিধিৰ অংশ হ'ব।

[3][**২৩০। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ উচ্চ ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ বিস্তাৰ** - (১) সংসদে বিধিৰ দ্বাৰা কোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চললৈ বিস্তাৰ কৰিব অথবা কোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা বহিৰ্ভূত কৰিব পাৰে।

(২) যেতিয়া কোনো ৰাজ্যৰ উচ্চ ন্যায়ালয়ে কোনো কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে তেতিয়া -

(ক) এই সংবিধানৰ কোনো নিয়মে সেই ৰাজ্যৰ বিধানমণ্ডলক সেই ক্ষেত্ৰাধিকাৰৰ বিস্তাৰ, সংকোচন বা বিলোপ কৰিবলৈ ক্ষমতা প্ৰদান কৰা নুবুজাব; আৰু

(খ) অনুচ্ছেদ ২২৭-ত ৰাজ্যপালৰ প্ৰতি থকা নিৰ্দেশসমূহে, সেই ৰাজ্যক্ষেত্ৰত অৱস্থিত অধীনস্থ ন্যায়ালয়সমূহৰ বাবে থকা কোনো নিয়মাৱলী, প্ৰপত্ৰ বা তালিকাসমূহৰ সম্বন্ধত

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪২-ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬, ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "য'ত উচ্চ ন্যায়ালয়ৰ মুখ্য স্থান থাকে" এই শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ১৬-ৰ দ্বাৰা অনুচ্ছেদ ২৩০, ২৩১, ২৩২-ৰ সলনি প্ৰতিষ্ঠাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

ৰাষ্ট্ৰপতিৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজাব।

**২৩১৷ দুই বা ততোধিক ৰাজ্যৰ বাবে এখন উমৈহতীয়া উচ্চ ন্যায়ালয় স্থাপন** - (১) এই অধ্যায়ৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা দুই বা ততোধিক ৰাজ্যৰ বাবে অথবা দুই বা ততোধিক ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে এখন উমৈহতীয়া উচ্চ ন্যায়ালয় স্থাপন কৰিব পাৰে।

(২) এনেকুৱা যিকোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰত, -

[1](ক) * * * * *

(খ) অনুচ্ছেদ ২২৭-ত ৰাজ্যপালৰ প্ৰতি থকা নিৰ্দেশে অধীনস্থ ন্যায়ালয়সমূহৰ বাবে থকা কোনো নিয়মাৱলী, প্ৰপত্ৰ বা তালিকাসমূহৰ ক্ষেত্ৰত যি ৰাজ্যত সেই অধীনস্থ ন্যায়ালয়সমূহ অৱস্থিত সেই ৰাজ্যৰ ৰাজ্যপালৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজাব; আৰু

(গ) অনুচ্ছেদ ২১৯ আৰু ২২৯-ত ৰাজ্যৰ প্ৰতি থকা পৰামৰ্শই যি ৰাজ্যত উচ্চ ন্যায়ালয়খনৰ মুখ্য স্থান থাকে সেই ৰাজ্যৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজাব:

কিন্তু, যদি এনে মুখ্য স্থান কোনো কেন্দ্ৰীয় শাসিত অঞ্চলত হয়, তেনেহ'লে অনুচ্ছেদ ২১৯ আৰু ২২৯-ত ৰাজ্যপাল, লোকসেৱা আয়োগ, বিধানমণ্ডল আৰু ৰাজ্যৰ একত্ৰীকৃত নিধিৰ প্ৰতি থকা নিৰ্দেশে ক্ৰমে ৰাষ্ট্ৰপতি, সংঘ, লোকসেৱা আয়োগ, সংসদ আৰু ভাৰতৰ প্ৰতিনিধিৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজাব।]

[**২৩২৷ নিৰ্বচন** – সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৬-ৰ দ্বাৰা অনুচ্ছেদ ২৩০, ২৩১ আৰু ২৩২ অনুচ্ছেদ ২৩০ আৰু ২৩১-ৰে প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## ষষ্ঠ অধ্যায় – অধীনস্থ ন্যায়ালয়সমূহ

**২৩৩৷ জিলা ন্যায়াধীশসকলৰ নিযুক্তি** - (১) কোনো ৰাজ্যত জিলা ন্যায়াধীশ হ'বলগীয়া ব্যক্তিসকলৰ নিযুক্তি আৰু পদোন্নতি সেই ৰাজ্যৰ ক্ষেত্ৰাধিকাৰক সামৰি লোৱা উচ্চ ন্যায়ালয়ৰ সৈতে পৰামৰ্শ কৰি ৰাজ্যখনৰ ৰাজ্যপালৰ দ্বাৰা কৰা হ'ব।

---

[1] সংবিধান (৯৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৪-ৰ ধাৰা ১০-ৰ দ্বাৰা উপধাৰা (ক) বিলোপিত (১৩-৪-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই সংশোধনী *উচ্চতম ন্যায়ালয় এডভোকেটছ অন ৰেকৰ্ড এছছিয়েছন আৰু অন্যান্য বনাম ভাৰত সংঘ* গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে বাতিল কৰিছে, তাৰিখ - ১৬-১০-২০১৫, এআইআৰ ২০১৬ এছচি ১১৭। সংশোধনীৰ পূৰ্বে উপ-ধাৰা (ক) তলত দিয়াৰ দৰে আছিল –

"(ক) অনুচ্ছেদ ২১৭-ৰ সন্দৰ্ভত, সেই ৰাজ্যৰ ৰাজ্যপালক উচ্চ ন্যায়ালয়ে যিবোৰ ৰাজ্যৰ ক্ষেত্ৰত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰে, সেইবোৰ সকলো ৰাজ্যৰ গৱৰ্ণৰৰ উল্লেখ হিচাপে ব্যাখ্যা কৰা হ'ব।"

(২) ইতিমধ্যে সংঘ বা ৰাজ্যৰ সেৱাত নথকা কোনো ব্যক্তি যদি ন্যূনতম সাত বছৰ অধিবক্তা বা উকীল হৈ থাকে আৰু নিযুক্তিৰ বাবে উচ্চ ন্যায়ালয়ৰ দ্বাৰা কোনো চুপাৰিছ প্ৰাপ্ত হয়, তেনেহ'লে জিলা ন্যায়াধীশ নিযুক্তিৰ বাবে যোগ্য হ'ব।

[1][**২৩৩ক। কোনো জিলা ন্যায়াধীশৰ নিযুক্তি আৰু তেওঁলোকে দিয়া ৰায়দান আদিৰ বৈধতা** - কোনো ন্যায়ালয়ৰ কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী বা আদেশ থকা সত্ত্বেও, –

(ক) (i) ইতিমধ্যে কোনো ৰাজ্যৰ ন্যায়িক সেৱাত থকা কোনো ব্যক্তিক বা ন্যূনতম সাত বছৰ কাল অধিবক্তা বা উকীল হৈ থকা কোনো ব্যক্তিক সেই ৰাজ্যৰ জিলা ন্যায়াধীশ নিযুক্ত কৰা নহ'ব, আৰু

(ii) জিলা ন্যায়াধীশ ৰূপে কোনো ব্যক্তিৰ পদস্থাপনা, পদোন্নতি বা বদলিকৰণ, যিবিলাক সংবিধান (২০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৬-ৰ আৰম্ভণিৰ পূৰ্বৰ যিকোনো সময়ত, অনুচ্ছেদ ২৩৩ বা অনুচ্ছেদ ২৩৫-ৰ উপবন্ধাৱলী মানি নচলাকৈ কৰা হৈছে, তেনে নিযুক্তি, পদস্থাপনা, পদোন্নতি অথবা স্থানান্তৰণ উক্ত উপবন্ধাৱলী অনুসৰি নোহোৱা কাৰণেই অবৈধ বা বাতিল কৰা বুলি বা কেতিয়াও অবৈধ বা বাতিল হোৱা বুলি গণ্য কৰা নহ'ব;

(খ) অনুচ্ছেদ ২৩৩ বা অনুচ্ছেদ ২৩৫-ৰ উপবন্ধাৱলী মানি নচলাকৈ যিকোনো ৰাজ্যত জিলা ন্যায়াধীশ ৰূপে নিযুক্ত, পদস্থাপিত, পদোন্নীত বা বদলি হোৱা কোনো ব্যক্তিৰ দ্বাৰা বা আগত, সংবিধান (২০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৬-ৰ আৰম্ভণিৰ পূৰ্বে প্ৰয়োগ কৰা কোনো ক্ষেত্ৰাধিকাৰ, দিয়া বা জাৰি কৰা কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী, দণ্ডাদেশ বা আদেশ তথা কৰা হোৱা কোনো কাৰ্য্য বা হাতত লোৱা কোনো কাৰ্য্যক্ৰমণিকা কেৱল এই তথ্যৰ কাৰণেই অবৈধ বা বিধিসন্মত নোহোৱা বুলি বা কেতিয়াবা অবৈধ বা অবিধিমান্য হোৱা বুলি গণ্য কৰা নহ'ব।

**২৩৪। ন্যায়িক সেৱাত জিলা ন্যায়াধীশৰ বাহিৰে অন্য লোকৰ নিযুক্তি** - জিলা ন্যায়াধীশৰ বাহিৰে অন্য ব্যক্তিক ৰাজ্যৰ ন্যায়িক সেৱাত নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্যৰ লোকসেৱা আয়োগ আৰু তেনে ৰাজ্যৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা উচ্চ ন্যায়ালয়ৰ লগত পৰামৰ্শ কৰাৰ পিচত ৰাজ্যপালৰ দ্বাৰা তেওঁ সেই উদ্দেশ্যে প্ৰস্তুত কৰা নিয়মাৱলী অনুসাৰে হ'ব।

---

[1] সংবিধান (২০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২২-১২-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**২৩৫। অধীনস্থ ন্যায়ালয়সমূহৰ নিয়ন্ত্ৰণ** - কোনো ৰাজ্যৰ ন্যায়িক সেৱাৰ অন্তৰ্ভুক্ত আৰু জিলা ন্যায়াধীশৰ অধীনস্থ কোনো পদ ধাৰণ কৰা ব্যক্তিসকলৰ নিযুক্তি, পদোন্নতি আৰু ছুটী মঞ্জুৰীকে আদি কৰি জিলা ন্যায়ালয়সমূহৰ আৰু সেইসমূহৰ অধীনস্থ ন্যায়ালয়সমূহৰ নিয়ন্ত্ৰণ উচ্চ ন্যায়ালয়ৰ ওপৰত ন্যস্ত হ'ব, কিন্তু এই অনুচ্ছেদৰ কোনো কথাই এনেকুৱা কোনো ব্যক্তিৰ পৰা তেওঁ সেৱাৰ চৰ্ত বিনিয়মন কৰা বিধিৰ অধীনত পোৱা আপীল কৰাৰ কোনো অধিকাৰ হৰণ কৰা বুলি বা তেনেকুৱা বিধিৰ অধীনত বিহিত তেওঁৰ সেৱাৰ চৰ্তসমূহৰ বাহিৰে তেওঁৰ লগত লেন-দেন কৰিবলৈ উচ্চ ন্যায়ালয়ক প্ৰাধিকাৰ দিয়াটো নুবুজাব।

**২৩৬। ব্যাখ্যা** - এই অধ্যায়ত -

(ক) "জিলা ন্যায়াধীশ" বুলিলে নগৰ দেৱানী ন্যায়ালয়ৰ ন্যায়াধীশ, অতিৰিক্ত জিলা ন্যায়াধীশ, যুটীয়া জিলা ন্যায়াধীশ, সহকাৰী জিলা ন্যায়াধীশ, লঘুবাদ-ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, মুখ্য প্ৰেচিডেন্সী দণ্ডাধিকাৰী, অতিৰিক্ত মুখ্য প্ৰেচিডেন্সী দণ্ডাধিকাৰী, সত্ৰ ন্যায়াধীশ, অতিৰিক্ত সত্ৰ ন্যায়াধীশ ইয়াৰ অন্তৰ্গত হ'ব;

(খ) "ন্যায়িক সেৱা" বুলিলে জিলা ন্যায়াধীশৰ পদ আৰু জিলা ন্যায়াধীশৰ পদতকৈ নিম্নস্তৰৰ অন্য দেৱানী ন্যায়িক পদসমূহ পূৰণ কৰিবলৈ উপযুক্ত ব্যক্তিসকলেৰে বিশেষভাৱে গঠিত সেৱাক বুজাব।

**২৩৭। কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ দণ্ডাধিকাৰীসকলৰ ক্ষেত্ৰত এই অধ্যায়ৰ উপবন্ধাৱলীৰ প্ৰয়োগ** - ৰাজ্যপালে ৰাজহুৱা অধিসূচনাৰ জৰিয়তে নিৰ্দেশ দিব পাৰে যে এই অধ্যায়ৰ পূৰ্বৰ উপবন্ধাৱলী আৰু ইয়াৰ অধীনত নিৰ্ধাৰণ কৰা যিকোনো নিয়মসমূহ, তেওঁ নিযুক্তি দিয়া তাৰিখৰ পৰা কাৰ্যকৰী হ'ব, ৰাজ্যখনৰ যিকোনো শ্ৰেণী বা শ্ৰেণীৰ দণ্ডাধীশৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, যিহেতু ই ৰাজ্যৰ ন্যায়িক সেৱাত নিযুক্তি দিয়া ব্যক্তিৰ সম্পৰ্কত প্ৰযোজ্য আৰু অধিসূচনাত উল্লেখ কৰা ব্যতিক্ৰম আৰু পৰিৱৰ্তন সাপেক্ষ।

# *সপ্তম অংশ

## [প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহ]

* সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# অষ্টম অংশ

## [1][কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ]

[2][**২৩৯। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰশাসন** - (১) সংসদৰ দ্বাৰা প্ৰণয়ন কৰা বিধিৰ জৰিয়তে, অন্যথা বিধানিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰত্যেকটো কেন্দ্ৰীয় শাসিত অঞ্চল ৰাষ্ট্ৰপতিৰ দ্বাৰা, তেওঁ যি পৰ্য্যন্ত উচিত বুলি ভাবে সেই পৰ্য্যন্ত তেওঁৰ দ্বাৰা আৰু তেওঁ নিৰ্দিষ্ট কৰি দিয়া পদৱীৰে নিযুক্ত কোনো প্ৰশাসকৰ যোগেদি শাসিত হ'ব।

(২) ষষ্ঠ অংশত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে কোনো ৰাজ্যৰ ৰাজ্যপালক পাৰ্শ্বৱৰ্তী কোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসক নিযুক্ত কৰিব পাৰে আৰু যেতিয়া এনেদৰে কোনো ৰাজ্যপাল নিযুক্ত হয়, তেতিয়া তেওঁ এনে প্ৰশাসক ৰূপে তেওঁৰ কাৰ্যসমূহ তেওঁৰ মন্ত্ৰী-পৰিষদৰ পৰা স্বতন্ত্ৰভাৱে পালন কৰিব।

[3]*[**২৩৯ক। নিৰ্দিষ্ট কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে স্থানীয় বিধানমণ্ডল বা মন্ত্ৰী-পৰিষদ বা দুয়োটাৰে গঠন** - (১) সংসদে বিধিৰ দ্বাৰা [4][কেন্দ্ৰীয় শাসিত অঞ্চল [5][পুডুচেৰী]]ৰ বাবে –

(ক) কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানমণ্ডল ৰূপে কাৰ্য কৰিব লাগিলে নিৰ্বাচিতই হওক অথবা আংশিকভাৱে মনোনীত আৰু আংশিকভাৱে নিৰ্বাচিতই হওক, এক নিকায় গঠন কৰিব পাৰে, অথবা

(খ) এক মন্ত্ৰী-পৰিষদ গঠন কৰিব পাৰে,

অথবা দুয়োটাকে প্ৰত্যেক ক্ষেত্ৰতে বিধিৰ দ্বাৰা নিৰ্দিষ্ট কৰা অনুসৰি গাঁথনি, ক্ষমতা আৰু কাৰ্যসমূহৰ সৈতে সৃষ্টি কৰিব পাৰে।

(২) এই সংবিধান সংশোধন কৰা বা সংশোধন কৰাৰ প্ৰভাৱ থকা কোনো উপবন্ধ থাকিলেও, দফা (১)-ত উল্লেখ কৰা কোনো আইনকে অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যে এই সংবিধানৰ সংশোধনী বুলি গণ্য কৰা নহ'ব।]

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৭-ৰ দ্বাৰা শীৰ্ষক "প্ৰথম অনুসূচীৰ অংশ গ-ৰ ৰাজ্যসমূহ"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ১৭-ৰ দ্বাৰা অনুচ্ছেদ ২৩৯-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২৮-১২-১৯৬২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

* জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ১৩-ৰ দ্বাৰা অনুচ্ছেদ ২৩৯ক জম্মু আৰু কাশ্মীৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবেও প্ৰযোজ্য কৰা হৈছে (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] গোৱা, দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৬৩-ৰ দ্বাৰা "গোৱা, দমন, দিউ আৰু পণ্ডিচেৰী যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চল"-ৰ সলনি প্ৰতিস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪), ধাৰা ৪-ৰ দ্বাৰা 'পণ্ডিচেৰী'-ৰ সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][**২৩৯কক৷ দিল্লীৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - (১) সংবিধান (৬৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯১-ৰ আৰম্ভণিৰ তাৰিখৰ পৰা দিল্লী কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ বুলি অভিহিত হ'ব (ইয়াৰ পিচত এই অংশত ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ বুলি নিৰ্দেশিত) আৰু অনুচ্ছেদ ২৩৯-ৰ অধীনত নিযুক্ত ইয়াৰ প্ৰশাসকক উপৰাজ্যপাল হিচাবে অভিহিত কৰা হ'ব।

(২) (ক) ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰখনৰ বাবে এখন বিধানসভা থাকিব আৰু ইয়াৰ আসনসমূহ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰত থকা প্ৰাদেশিক নিৰ্বাচন-সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত হোৱা সদস্যসকলৰ দ্বাৰা পূৰণ কৰা হ'ব।

(খ) বিধানসভাত আসনৰ মুঠ সংখ্যা, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰখনৰ প্ৰাদেশিক নিৰ্বাচন-সমষ্টিসমূহৰ বিভাজন (এনে বিভাজনৰ কাৰণে ভিত্তিসমূহ অন্তৰ্গত কৰি) আৰু বিধানসভাৰ কাৰ্য্যকৰণৰ সম্পৰ্কত আন সকলো বিষয় সংসদৰ দ্বাৰা প্ৰণীত কৰা বিধিৰ দ্বাৰা বিনিয়মিত কৰা হ'ব।

[2][(খক) ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ কৰা হ'ব।

(খখ) ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভাত অনুসূচিত জাতিৰ বাবে সংৰক্ষিত স্থানত যথাযোগ্যভাৱে এক-তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।

(খগ) ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভাৰ মুঠ আসনৰ এক-তৃতীয়াংশ আসন প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে (অনুসূচিত জাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনসমূহক সামৰি) সংসদে বিধিৰ দ্বাৰা নিৰ্ধাৰণ কৰা অনুসৰি মহিলাৰ বাবে সংৰক্ষিত হ'ব।]

(গ) অনুচ্ছেদ ৩২৪-ৰ পৰা ৩২৭ আৰু অনুচ্ছেদ ৩২৯-ৰ উপবন্ধাৱলী, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ বিধানসভা আৰু তাৰ সদস্যসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, যিদৰে সেইবোৰ যথাক্ৰমে কোনো ৰাজ্য, ৰাজ্যৰ বিধানসভা আৰু ইয়াৰ সদস্যসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হয়; আৰু অনুচ্ছেদ ৩২৬ আৰু ৩২৯-ত উদ্ধৃত "উপযুক্ত বিধানমণ্ডল"ক সংসদ হিচাপে উদ্ধৃত কৰা বুলি গণ্য কৰা হ'ব।

---

[1] সংবিধান (৬৯ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৯১-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ২৩৯কক আৰু ২৩৯কখ অন্তঃস্থাপিত (১-২-১৯৯২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধানৰ (১০৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)।

(৩) (ক) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, ৰাজ্যিক সূচীৰ প্ৰৱিষ্টি ১, ২ আৰু ১৮ আৰু সেই সূচীৰ প্ৰৱিষ্টি ৬৪, ৬৫ আৰু ৬৬ যি পৰ্য্যন্ত সেইবোৰ উক্ত প্ৰৱিষ্টি ১, ২ আৰু ১৮-ৰ সম্পৰ্কীয় হয় তাৰ ব্যতিৰেকে ৰাজ্য সূচী আৰু উমৈহতীয়া সূচীত সন্নিবিষ্ট যিকোনো বিষয়ৰ সম্পৰ্কত যি পৰ্য্যন্ত এনে কোনো বিষয় কেন্দ্ৰীয় শাসিত অঞ্চলত প্ৰযোজ্য হ'ব, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ সম্পূৰ্ণ বা কোনো অংশৰ বাবে বিধি প্ৰণয়ন কৰিবলৈ বিধানসভাৰ ক্ষমতা থাকিব।

(খ) উপধাৰা (ক)-ৰ কোনো কথাই কোনো কেন্দ্ৰীয় শাসিত অঞ্চল বা ইয়াৰ কোনো অংশৰ বাবে কোনো বিষয় সম্পৰ্কত বিধি প্ৰণয়ন কৰিবলৈ এই সংবিধানৰ অধীনত সংসদৰ ক্ষমতাৰ হ্ৰাস নকৰিব।

(গ) কোনো বিষয় সম্পৰ্কত বিধানসভাৰ দ্বাৰা প্ৰণীত বিধিৰ কোনো উপবন্ধ সেই বিষয় সম্পৰ্কত সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ কোনো উপবন্ধৰ প্ৰতিকূল হ'লে বিধানসভাৰ দ্বাৰা প্ৰণীত বিধি পূৰ্বে বা পিচতেই অনুমোদন কৰা হওক, বা বিধানসভাৰ দ্বাৰা প্ৰণীত বিধি ভিন্ন, কোনো পূৰ্বৰ বিধিৰ কোনো উপবন্ধৰ যদি প্ৰতিকূল হয়, তেতিয়া উভয় ক্ষেত্ৰতে, সংসদৰ দ্বাৰা প্ৰণীত বিধি বা ক্ষেত্ৰবিশেষে এনে পূৰ্বৰ বিধি বাহাল থাকিব আৰু বিধানসভাৰ দ্বাৰা প্ৰণীত বিধিৰ বিৰোধ সম্পূৰ্ণৰূপে বাতিল হ'ব:

কিন্তু, বিধানসভাৰ দ্বাৰা প্ৰণীত এনে কোনো বিধি যদি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ কাৰণে সংৰক্ষিত কৰা হৈছে আৰু তেওঁৰ সম্মতি পাইছে, এনে বিধি ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰত বহাল থাকিব:

অধিকন্তু, এই উপধাৰাৰ কোনো কথাই, বিধানসভাৰ দ্বাৰা এনেদৰে প্ৰণীত বিধিৰ পৰিবৰ্ধন, সংশোধন, পৰিবৰ্তন বা ৰদ কৰা বিধি অন্তৰ্গত কৰি একেই বিষয়ৰ সম্বন্ধত কোনো সময়ত কোনো বিধি আইনলৈ ৰূপান্তৰিত কৰাৰ পৰা সংসদক বাৰণ নকৰিব।

(৪) উপৰাজ্যপালক, যি পৰ্য্যন্ত তেওঁ কোনো বিধিৰ দ্বাৰা বা অধীনত তেওঁৰ স্ববিবেচনা অনুসৰি কাৰ্য্য সম্পাদন কৰাটো প্ৰয়োজন, তাৰ ব্যতিৰেকে যি বিষয়ৰ ক্ষেত্ৰত বিধানসভাৰ বিধি প্ৰণয়ন কৰিবলৈ ক্ষমতা থাকে, সেই বিষয়ৰ ক্ষেত্ৰত তেওঁৰ কাৰ্যসমূহৰ প্ৰয়োগত সহায় কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ মুখ্যমন্ত্ৰীক প্ৰমুখ্য কৰি, বিধানসভাৰ সদস্যসকলৰ মুঠ সংখ্যাৰ সৰ্বাধিক দহ শতাংশ সদস্যৰে গঠিত এখন মন্ত্ৰী পৰিষদ থাকিব:

কিন্তু, কোনো বিষয়ত উপৰাজ্যপাল আৰু তেওঁৰ মন্ত্ৰীসকলৰ মাজত মতভেদ হ'লে, উপৰাজ্যপালে ইয়াৰ ওপৰত সিদ্ধান্ত গ্ৰহণৰ কাৰণে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰিব আৰু ৰাষ্ট্ৰপতিয়ে তাৰ ওপৰত দিয়া সিদ্ধান্ত অনুসৰি কাৰ্য্য কৰিব আৰু এনে সিদ্ধান্ত বিবেচনাধীন হৈ থকাৰ সময়ত বিষয়টো জৰুৰী আৰু তাৎক্ষণিক কাৰ্য্যব্যৱস্থা লোৱাটো তেওঁৰ বাবে আৱশ্যকীয় বুলি গণ্য কৰিলে, তেনেক্ষেত্ৰত প্ৰয়োজনীয় কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ বা তেনে নিৰ্দেশ দিবলৈ উপৰাজ্যপালৰ ক্ষমতা থাকিব।

(৫) মুখ্যমন্ত্ৰী ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত হ'ব আৰু আন মন্ত্ৰীবৰ্গ মুখ্যমন্ত্ৰীৰ পৰামৰ্শ ক্ৰমে ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তি হ'ব আৰু মন্ত্ৰীবৰ্গই ৰাষ্ট্ৰপতিৰ সন্তুষ্টি পৰ্য্যন্ত পদ ধাৰণ কৰিব।

(৬) মন্ত্ৰী পৰিষদ বিধানসভাৰ প্ৰতি সামূহিকভাৱে দায়বদ্ধ হ'ব।

[১][(৭) (ক)] সংসদে, বিধিৰ দ্বাৰা পূৰ্বৱৰ্তী ধাৰাসমূহত সন্নিবিষ্ট উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ বা অনুপূৰণ কৰিবলৈ আৰু ইয়াৰ আনুষাংগিক বা পৰিণামমূলক সকলো বিষয়ৰ বাবে উপবন্ধাৱলী কৰিব পাৰে।

[২][(খ)] অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যৰ বাবে উপধাৰা (ক)-ত নিৰ্দেশিত হোৱা এনে যিকোনো বিধি এই সংবিধানৰ কোনো সংশোধন বুলি গণ্য কৰা নহ'ব তথাপিও ইয়াত কোনো উপবন্ধ সন্নিৱিষ্ট আছে যি এই সংবিধান সংশোধন কৰিছে বা সংশোধন কৰাৰ প্ৰভাৱ আছে। ]

(৮) অনুচ্ছেদ ২৩৯খ-ৰ উপবন্ধাৱলী, যিমানদূৰ সম্ভৱ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ, উপৰাজ্যপাল আৰু বিধানসভাৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব যিদৰে সেইবোৰ [৩]পুডচেৰী কেন্দ্ৰীয় শাসিত অঞ্চল, ইয়াৰ প্ৰশাসক আৰু বিধানসভাৰ ক্ষেত্ৰত যথাক্ৰমে প্ৰয়োগ হয়; আৰু সেই অনুচ্ছেদত "অনুচ্ছেদ ২৩৯-ৰ দফা (১)"-ৰ প্ৰতি কৰা কোনো নিৰ্দেশক, ক্ষেত্ৰবিশেষে এই অনুচ্ছেদ বা অনুচ্ছেদ ২৩৯কখ-ৰ প্ৰতি নিৰ্দেশ বুলি গণ্য কৰা হ'ব।]

**২৩৯কখ। সাংবিধানিক যন্ত্ৰ বিফল হোৱাৰ ক্ষেত্ৰত উপবন্ধ** - উপৰাজ্যপালৰ পৰা কোনো প্ৰতিবেদনৰ প্ৰাপ্তিত বা অন্যথা যদি ৰাষ্ট্ৰপতি সন্তুষ্ট হয় -

(ক) যে এনে এক পৰিস্থিতিৰ উদ্ভৱ হৈছে য'ত ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ প্ৰশাসন অনুচ্ছেদ ২৩৯কক বা সেই অনুচ্ছেদ অনুসৰি প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী অনুসৰি চলাব নোৱাৰি; বা

(খ) যে ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ উপযুক্ত প্ৰশাসনৰ বাবে এনে কৰাতো আৱশ্যক বা সমিচীন,

ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা অনুচ্ছেদ ২৩৯কক-ৰ যিকোনো উপবন্ধ বা সেই অনুচ্ছেদ অনুসৰি প্ৰণীত কোনো বিধিৰ সকলো বা যি কোনো উপবন্ধৰ প্ৰৱৰ্তন, এনে সময়ৰ বাবে আৰু এনে বিধিত নিৰ্দিষ্ট কৰা এনে চৰ্তাৱলী সাপেক্ষে স্থগিত ৰাখিব পাৰে আৰু এনে আনুষংগিক আৰু

---

[১] সংবিধান (৭০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ৩-ৰ দ্বাৰা "(৭)"ৰ সলনি প্ৰতিস্থাপিত (২১-১২-১৯৯১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (২১-১২-১৯৯১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] পণ্ডিচেৰী (নাম পৰিবৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪) ধাৰা ৪-ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

পৰিণামমূলক ব্যৱস্থা কৰিব পাৰে যি, অনুচ্ছেদ ২৩৯ আৰু অনুচ্ছেদ ২৩৯কক-ৰ উপবন্ধাৱলী অনুসৰি ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰখন শাসন কৰাৰ বাবে আৱশ্যক আৰু সমীচীন বুলি তেওঁৰ প্ৰতীয়মান হয়।]

[1][**২৩৯খ৷ বিধানমণ্ডলৰ সত্ৰাৱসানৰ সময়ত প্ৰশাসকৰ অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা** - (১) [2][কেন্দ্ৰীয় শাসিত অঞ্চল [3][পুডুচেৰীৰ] বিধানমণ্ডলৰ অধিবেশন চলি থকা সময়ৰ বাহিৰে যি কোনো সময়ত যদি বিশেষ পৰিস্থিতিৰ উদ্ভৱ হয় আৰু তৎকালীন ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈছে বুলি যদি প্ৰশাসক পতিয়ন যায়, তেনে ক্ষেত্ৰত তেওঁ প্ৰয়োজনীয় অধ্যাদেশ জাৰি কৰিব পাৰে।

কিন্তু, ৰাষ্ট্ৰপতিৰ নিৰ্দেশনা অবিহনে প্ৰশাসকে এনে ধৰণৰ অধ্যাদেশ জাৰি কৰিব নোৱাৰে।

অধিকন্তু, যেতিয়া উক্ত বিধানমণ্ডল ভংগ হয়, অথবা অনুচ্ছেদ ২৩৯ক-ৰ দফা (১)-ত উল্লিখিত এনে কোনো বিধিৰ অধীনত লোৱা কাৰ্য্য ব্যৱস্থাৰ ফলত উক্ত বিধানমণ্ডলৰ কাম-কাজ নিলম্বিত হৈ থাকে, প্ৰশাসকে এনে পৰিস্থিতিত কোনো অধ্যাদেশ জাৰি কৰিব নোৱাৰে।

(২) ৰাষ্ট্ৰপতিৰ আদেশ অনুসৰি এই অনুচ্ছেদৰ অধীনত জাৰি কৰা কোনো অধ্যাদেশ, অনুচ্ছেদ ২৩৯ক-ৰ দফা (১)-ত উল্লিখিত এনে কোনো বিধিত সেই মৰ্মে সন্নিবিষ্ট উপবন্ধাৱলী মানি চলাৰ পিছত যথাযথভাৱে প্ৰণয়ন কৰা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ আইন বুলি গণ্য কৰা হ'ব, কিন্তু এনে প্ৰতিখন অধ্যাদেশ -

(ক) কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানমণ্ডলত দাখিল কৰিব লাগিব আৰু বিধানমণ্ডল পুনৰ সমবেত হোৱাৰ ছয় সপ্তাহৰ অন্তত অথবা যদি সেই কাল অন্ত হোৱাৰ পূৰ্বে বিধানমণ্ডলৰ দ্বাৰা সেই অধ্যাদেশ অননুমোদন কৰি কোনো প্ৰস্তাৱ পাৰিত কৰা হয়, তেনেহ'লে তেনে প্ৰস্তাৱ পাৰিত হ'লেই ইয়াৰ প্ৰৱৰ্তন নোহোৱা হ'ব; আৰু

(খ) ৰাষ্ট্ৰপতিৰ পৰা সেই মৰ্মে নিৰ্দেশনা প্ৰাপ্ত হোৱাৰ পিছত প্ৰশাসকৰ দ্বাৰা প্ৰত্যাহাৰ হ'ব পাৰে।

(৩) যদি আৰু যি পৰ্য্যন্ত, এই অনুচ্ছেদৰ অধীনত জাৰি কৰা কোনো অধ্যাদেশত এনে কোনো উপবন্ধ কৰে যিটো অনুচ্ছেদ ২৩৯ক-ৰ দফা (১)-ত উল্লিখিত এনে কোনো বিধি সন্দৰ্ভত সন্নিৱিষ্ট

---

[1] সংবিধান (২৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১, ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৩০-১২-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] গোৱা, দমন আৰু ডিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৬৩-ৰ দ্বাৰা "২৩৯ক অনুচ্ছেদৰ দফা (১)-ত থকা এটা কেন্দ্ৰীয় শাসিত অঞ্চল"-ৰ সলনি প্ৰতিস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম ২০০৬ (২০০৬-ৰ ৪৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা 'পণ্ডিচেৰী'-ৰ সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা বলবৎ হোৱাকৈ)।

উপবন্ধাৱলী মানি চলি কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানমণ্ডলে কোনো আইন প্ৰস্তুত কৰে আৰু যদি যিকোনো উপবন্ধ বৈধ হৈ নাথাকে, তেনেহ'লে সেইক্ষেত্ৰত এই অধ্যাদেশ বাতিল হ'ব।]

[১](৪) * * * *

[২][**২৪০। কোনো কোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে বিনিয়ম প্ৰণয়ন কৰিবলৈ ৰাষ্ট্ৰপতিৰ ক্ষমতা** - (১) ৰাষ্ট্ৰপতিয়ে তলত উল্লেখ কৰা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ শান্তি, প্ৰগতি আৰু সু-শাসনৰ বাবে বিধি প্ৰণয়ন কৰিব পাৰে -

(ক) আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ;

[৩][(খ) লাক্ষাদ্বীপ;]

[৪][(গ) দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ;]

[৫][(ঘ) ****;]

[৬][(ঙ) [৭][পুডুচেৰী];]

[৮](চ) * * *

[৯](ছ) * * *

[১০][কিন্তু, অনুচ্ছেদ ২৩৯ক-ৰ অধীনত পুডুচেৰীৰ বিধানমণ্ডলৰ কাম-কাজ চলাবলৈ যদি কোনো নিকায় গঠন কৰা হয়, তেন্তে ৰাষ্ট্ৰপতিয়ে উক্ত নিকায়ৰ প্ৰথম বৈঠকৰ দিনৰ পৰা কাৰ্যকৰী হোৱাকৈ সেই কেন্দ্ৰীয় শাসিত অঞ্চলৰ শান্তি, প্ৰগতি আৰু সু-শাসনৰ বাবে কোনো বিধি প্ৰণয়ন নকৰিব।]

---

[১] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৭৫, ধাৰা ৪-ৰ দ্বাৰা দফা (৪) অন্তঃস্থাপিত (পূৰ্বৰে পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩২-ৰ দ্বাৰা এই সংশোধনীটো বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৭-ৰ দ্বাৰা অনুচ্ছেদ ২৪০-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদীৱি দ্বীপপুঞ্জ (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৩ (১৯৭৩-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি (খ)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-৭৩-ৰ পৰা পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ (কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ একত্ৰীকৰণ) অধিনিয়ম ২০১৯ (২০১৯-ৰ ৪৪)-ৰ ধাৰা ৪(ক)-ৰ দ্বাৰা প্ৰৱিষ্টি (গ)-ৰ সলনি প্ৰতিস্থাপিত (২৬-১-২০২০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), যিটো সংবিধান (১০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬১-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১১-৮-১৯৬১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ (কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ একত্ৰীকৰণ) অধিনিয়ম ২০১৯ (২০১৯-ৰ ৪৪)-ৰ ধাৰা ৪(খ)-ৰ দ্বাৰা বিলোপিত (২৬-১-২০২০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধান (১৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৮-১৯৬২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা 'পণ্ডিচেৰী' সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৮] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা মিজোৰামৰ সৈতে সম্পৰ্কিত প্ৰৱিষ্টি (চ) বিলোপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৯] অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম ১৯৮৬ (১৯৮৬-ৰ ৬৯)-ৰ ধাৰা ৪২-ৰ দ্বাৰা অৰুণাচল প্ৰদেশ সৈতে সম্পৰ্কিত প্ৰৱিষ্টি (ছ) বিলোপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১০] সংবিধান (১৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (২৮-১২-১৯৬২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][অধিকন্তু, যেতিয়াই কেন্দ্ৰীয় শাসিত অঞ্চল [2][পুডুচেৰী]ৰ বাবে বিধানসভা হিচাপে কাম কৰা নিকায়টো ভংগ কৰা হয়, বা সেই বিধানসভা হিচাপে কাম কৰা নিকায়ৰ কাম-কাজসমূহ ২৩৯এ অনুচ্ছেদৰ দফা (১)-ত উল্লেখ কৰা যিকোনো আইন অনুসৰি নিলম্বন কৰা হয়, তেতিয়া ৰাষ্ট্ৰপতিয়ে এনে ভংগ বা নিলম্বনৰ সময়ছোৱাত সেই কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ শান্তি, প্ৰগতি আৰু সুশাসনৰ বাবে নিয়ম প্ৰণয়ন কৰিব পাৰে।]

(২) এনেদৰে প্ৰণয়ন কৰা যিকোনো নিয়মে সংসদৰ দ্বাৰা প্ৰণয়ন কৰা যিকোনো আইন বা [3][আন যিকোনো বিধি]ক, যিবিলাক সেই সময়ত সেই কেন্দ্ৰীয় শাসিত অঞ্চলটোত প্ৰযোজ্য হৈ থাকে তাক ৰদ বা সংশোধন কৰিব পাৰে আৰু যিখন আইন ৰাষ্ট্ৰপতিয়ে জাৰি কৰিলে সংসদৰ আইনৰ দৰেই বলবৎ আৰু প্ৰভাৱ পৰিব সেই ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

**২৪১। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ কাৰণে উচ্চ ন্যায়ালয় -** (১) সংসদে বিধিৰ দ্বাৰা কোনো [4][কেন্দ্ৰীয় শাসিত অঞ্চল] কাৰণে উচ্চ ন্যায়ালয় গঠন কৰিব পাৰে বা এই সংবিধানৰ সকলো বা যিকোনো প্ৰয়োজনৰ কাৰণে [5][তেনে কোনো ৰাজ্যক্ষেত্ৰত] থকা কোনো ন্যায়ালয়ক উচ্চ ন্যায়ালয় বুলি ঘোষণা কৰিব পাৰে।

(২) সংসদে বিধিৰ দ্বাৰা বিধানিত কৰিব পৰা তেনেকুৱা সাল-সলনি বা ব্যতিক্ৰমসমূহৰ ক্ষেত্ৰত ষষ্ঠ অংশৰ পঞ্চম অধ্যায়ৰ উপবন্ধাৱলী অনুচ্ছেদ ২৪১-ত নিৰ্দেশিত উচ্চ ন্যায়ালয় সম্বন্ধে প্ৰয়োগ হোৱাৰ দৰে দফা (১)-ত নিৰ্দেশিত প্ৰত্যেক উচ্চ ন্যায়ালয় সম্বন্ধেও প্ৰয়োগ হ'ব।

[6][(৩) এই সংবিধানৰ উপবন্ধাৱলী আৰু এই সংবিধানৰ দ্বাৰা বা অধীনত সমুচিত বিধানমণ্ডলক অৰ্পণ কৰা ক্ষমতাৰ আধাৰত সেই বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী অধীনত সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ আৰম্ভণিৰ ঠিক পূৰ্বে যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা প্ৰত্যেক উচ্চ ন্যায়ালয়ে এনে আৰম্ভণিৰ পিচতো সেই কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ক্ষেত্ৰত এনে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিয়েই থাকিব।

(৪) এই অনুচ্ছেদৰ কোনো কথাই কোনো ৰাজ্যৰ কোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰক, কোনো কেন্দ্ৰীয় শাসিত অঞ্চল বা তাৰ কোনো অংশলৈ বিস্তাৰ কৰিবলৈ বা তাৰপৰা বহিৰ্ভূত কৰিবলৈ সংসদৰ ক্ষমতাৰ হ্ৰাস নকৰিব।]

**২৪২।** [*কূৰ্গ*] *সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

---

[1] সংবিধান (২৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-২-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা "পণ্ডিচেৰী"-ৰ সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (২৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৪-ৰ দ্বাৰা "যিকোনো প্ৰচলিত বিধি"-ৰ সলনি প্ৰতিস্থাপিত (১৫-২-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ গ অংশত নিৰ্ধাৰিত ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা 'তেনে কোনো ৰাজ্য'-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা দফা (৩) আৰু (৪)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][নৱম অংশ

## পঞ্চায়ত

**২৪৩। সংজ্ঞা** - এই অংশত, প্ৰসংগত অন্যথা প্ৰয়োজন নহ'লে –

(ক) "জিলা" মানে কোনো ৰাজ্যৰ এখন জিলা;

(খ) "গাঁও সভা" মানে গাঁও স্তৰত পঞ্চায়ত ক্ষেত্ৰৰ ভিতৰত অন্তৰ্ভূক্ত কোনো গাঁওৰ লগত জড়িত নিৰ্বাচনী তালিকাত পঞ্জীয়নভুক্ত ব্যক্তিৰে গঠিত নিকায়;

(গ) "মধ্যৱৰ্তী স্তৰ" মানে এই ভাগৰ প্ৰয়োজনাৰ্থে মধ্যৱৰ্তী স্তৰ বুলি কোনো ৰাজ্যৰ ৰাজ্যপালে অধিসূচনাৰ দ্বাৰা সুনিৰ্দিষ্ট কৰা গাঁও বা জিলা স্তৰসমূহৰ মাজৰ কোনো স্তৰ;

(ঘ) "পঞ্চায়ত" মানে গ্ৰামীণ ক্ষেত্ৰৰ বাবে অনুচ্ছেদ ২৪৩খ-ৰ অধীনত গঠিত স্বায়ত্ত শাসনৰ (যি নামেৰেই অভিহিত হওক) কোনো সংস্থা;

(ঙ) "পঞ্চায়ত ক্ষেত্ৰ" হ'ল পঞ্চায়তৰ ভূখণ্ড;

(চ) "জনসংখ্যা" হ'ল বিগত লোকপিয়লত নিৰ্ধাৰিত জনসংখ্যা, যাৰ প্ৰাসংগিক পৰিসংখ্যা প্ৰকাশ কৰা হৈছে;

(ছ) "গাঁও"-ৰ অৰ্থ হ'ল এই অংশৰ উদ্দেশ্যে ৰাজ্যপালে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা গাঁও বুলি নিৰ্দিষ্ট কৰা গাঁও য'ত এনেদৰে নিৰ্দিষ্ট কৰা গাঁওসমূহৰ একোটা গোটো অন্তৰ্ভুক্ত কৰা হৈছে।

**২৪৩ক। গাঁও সভা** - গাঁও সভাই গাঁও স্তৰত এনে ক্ষমতাৱলী প্ৰয়োগ আৰু এনে কাৰ্য পালন কৰিব পাৰিব যাক বিধিৰ দ্বাৰা কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধানিত কৰে।

**২৪৩খ। পঞ্চায়তসমূহৰ গঠন** - প্ৰত্যেক ৰাজ্যৰ গাওঁত, মধ্যৱৰ্তী আৰু জিলা স্তৰত এই অংশৰ উপবন্ধাৱলী অনুসাৰে পঞ্চায়তসমূহ গঠন কৰা হ'ব।

(২) দফা (১)-ত যি কথাই উল্লেখ নাথাকক কিয়, মধ্যৱৰ্তী স্তৰত পঞ্চায়তসমূহ বিশ লাখতকৈ অধিক জনসংখ্যা নথকা কোনো ৰাজ্যত গঠন কৰা নহ'ব।

**২৪৩গ। পঞ্চায়তসমূহৰ গাঁথনি** - (১) এই অংশৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা পঞ্চায়তসমূহৰ গাঁথনি সম্পৰ্কত উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰিব:

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ঘ-ৰ ভূখণ্ড আৰু সেই অনুসূচীত উল্লেখ নকৰা অন্যান্য ভূখণ্ড"-ৰ সৈতে জড়িত মূল নৱম অংশটো বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পৰৱৰ্তী সময়ত সংবিধান (৭৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৪-৪-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অংশ - পঞ্চায়ত)

কিন্তু, যিকোনো স্তৰত পঞ্চায়তৰ ভূখণ্ডৰ জনসংখ্যা আৰু এনে নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰিবলগীয়া এনে পঞ্চায়তৰ আসনসমূহৰ সংখ্যাৰ মাজৰ অনুপাত যিমানদূৰ সম্ভৱ সমগ্ৰ ৰাজ্যখনত একেই হ'ব।

(২) পঞ্চায়তৰ সকলো আসন পঞ্চায়ত এলেকাৰ ভূখণ্ডীয় সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত ব্যক্তিসকলে পূৰণ কৰিব আৰু ইয়াৰ বাবে প্ৰতিটো পঞ্চায়ত অঞ্চলক এনেদৰে ভূখণ্ডীয় সমষ্টিত ভাগ কৰা হ'ব যাতে প্ৰতিটো সমষ্টিৰ জনসংখ্যা আৰু ইয়াৰ বাবে আবণ্টিত আসনসমূহ হ'ব সংখ্যাৰ মাজৰ অনুপাত যিমান পাৰি, সমগ্ৰ পঞ্চায়ত অঞ্চলত একে হ'ব।

(৩) কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব পাৰে –

(ক) গাঁও স্তৰত পঞ্চায়তসমূহৰ, মধ্যৱৰ্তী স্তৰৰ পঞ্চায়তসমূহৰ বা যিবোৰ ৰাজ্যত মধ্যৱৰ্তী স্তৰত পঞ্চায়তসমূহ নাই, তেনে ক্ষেত্ৰত জিলা স্তৰত পঞ্চায়তসমূহৰ সভাপতিসকলৰ;

(খ) মধ্যৱৰ্তী স্তৰত পঞ্চায়তসমূহ, জিলা স্তৰৰ পঞ্চায়তসমূহৰ অধ্যক্ষসকলৰ;

(গ) লোকসভাৰ এনে সদস্যসকলৰ আৰু ৰাজ্যৰ বিধানসভাৰ সদস্যসকল যি সেই নিৰ্বাচন সমষ্টি প্ৰতিনিধিত্ব কৰিছে য'ত গাঁও স্তৰৰ পৰা ভিন্ন স্তৰত কোনো পঞ্চায়ত ক্ষেত্ৰ সম্পূৰ্ণভাৱে বা আংশিকভাৱে অন্তৰ্ভূক্ত হয় এনে পঞ্চায়তত;

(ঘ) ৰাজ্যসভাৰ সদস্য আৰু ৰাজ্যিক বিধান পৰিষদৰ সদস্য, য'ত তেওঁলোক ভোটাৰ হিচাপে পঞ্জীয়ন কৰা হৈ আছে —

(i) মধ্যৱৰ্তী স্তৰৰ কোনো পঞ্চায়ত ক্ষেত্ৰৰ ভিতৰত, মধ্যৱৰ্তী স্তৰৰ কোনো পঞ্চায়তত;

(ii) জিলা স্তৰৰ কোনো পঞ্চায়ত ক্ষেত্ৰৰ ভিতৰত, জিলা স্তৰৰ পঞ্চায়তত;

প্ৰতিনিধিত্ব বাবে উপবন্ধিত কৰিব পাৰিব।

(৪) পঞ্চায়ত অঞ্চলৰ সমষ্টিৰ পৰা পোনপটীয়া নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত হওক বা নহওক পঞ্চায়তৰ সভাপতি আৰু পঞ্চায়তৰ অন্যান্য সদস্যসকলে পঞ্চায়তৰ সভাত ভোটদানৰ অধিকাৰ থাকিব।

(৫) সভাপতিগৰাকী —

(ক) গাঁও স্তৰত কোনো পঞ্চায়তৰ সভাপতি এনে ৰীতিৰে নিৰ্বাচিত হ'ব যিদৰে কোনো ৰাজ্যৰ বিধানমণ্ডল, বিধিৰ দ্বাৰা বিধানিত কৰা হৈছে; আৰু

(খ) মধ্যৱৰ্তী স্তৰ বা জিলা স্তৰত কোনো পঞ্চায়তৰ সভাপতিৰ নিৰ্বাচন ইয়াৰ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজৰ পৰা কৰিব।

(নৱম অংশ - পঞ্চায়ত)

**২৪৩ঘ। আসনৰ সংৰক্ষণ** - (১) প্ৰত্যেক পঞ্চায়তত -

(ক) অনুসূচিত জাতিসমূহৰ বাবে; আৰু

(খ) অনুসূচিত জনজাতিসমূহৰ বাবে,

আসনসমূহ সংৰক্ষিত থাকিব আৰু এনেদৰে সংৰক্ষিত আসনসমূহৰ সংখ্যাৰ অনুপাত, সেই পঞ্চায়তত প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰিবলগীয়া আসনসমূহৰ মুঠ সংখ্যা যথা সম্ভৱ তেনে হ'ব, যি সেই পঞ্চায়ত ক্ষেত্ৰৰ অনুসূচিত জাতিসমূহৰ বা সেই পঞ্চায়ত ক্ষেত্ৰৰ অনুসূচিত জনজাতিসমূহৰ জনসংখ্যাৰ অনুপাত সেই ক্ষেত্ৰৰ মুঠ জনসংখ্যাৰ সৈতে আছে আৰু এনে আসনসমূহ কোনো পঞ্চায়তৰ ভিন ভিন নিৰ্বাচন সমষ্টি সমূহত চক্ৰানুসাৰে আবণ্টন কৰিব পাৰিব।

(২) দফা (১)-ৰ অধীনত সংৰক্ষিত আসনসমূহৰ মুঠ সংখ্যাৰ ন্যূনতম এক-তৃতীয়াংশ আসন অনুসূচিত জাতি সমূহ বা অনুসূচিত জনজাতিসমূহৰ মহিলাৰ বাবে, যিটোৱেই প্ৰযোজ্য, সংৰক্ষিত থাকিব।

(৩) প্ৰত্যেক পঞ্চায়তত প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰিবলগীয়া আসনসমূহৰ মুঠ সংখ্যাৰ ন্যূনতম এক-তৃতীয়াংশ আসন (অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ মহিলাসকলৰ বাবে সংৰক্ষিত আসনসমূহৰ সংখ্যা অন্তৰ্ভুক্ত কৰি) মহিলাসকলৰ বাবে সংৰক্ষিত থাকিব আৰু এনে আসনসমূহ কোনো পঞ্চায়তৰ ভিন ভিন নিৰ্বাচন সমষ্টিসমূহত চক্ৰানুসাৰে আবণ্টন কৰিব পাৰিব।

(৪) গাঁও বা কোনো আন স্তৰৰ পঞ্চায়তসমূহত সভাপতিসকলৰ পদ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি আৰু মহিলাসকলৰ বাবে এনে ৰীতিত সংৰক্ষিত থাকিব, যাক কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা বিধানিত কৰে;

কিন্তু, এখন ৰাজ্যৰ প্ৰতিটো স্তৰৰ পঞ্চায়তসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসকলৰ বাবে সংৰক্ষিত সভাপতি পদৰ সংখ্যা, যিমান পাৰি, প্ৰতিটো স্তৰৰ পঞ্চায়তসমূহত এনে পদৰ মুঠ সংখ্যাৰ সৈতে এনে ধৰণৰ অনুপাতত হ'ব লাগিব যাতে ৰাজ্যখনৰ জনসংখ্যা আৰু ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ অনুপাতে অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত হৈ থাকে:

অধিকন্তু, প্ৰত্যেক স্তৰৰ পঞ্চায়তসমূহৰ সভাপতিসকলৰ পদসমূহৰ মুঠ সংখ্যাৰ ন্যূনতম এক-তৃতীয়াংশ পদ মহিলাৰ বাবে সংৰক্ষিত থাকিব:

তাৰোপৰি, এই দফাৰ অধীনত সংৰক্ষিত পদসমূহৰ সংখ্যা প্ৰত্যেক স্তৰত ভিন ভিন পঞ্চায়তসমূহত চক্ৰানুসাৰে আবণ্টন কৰিব পাৰিব।

(৫) দফা (১) আৰু (২)-ৰ অধীনত আসনসমূহৰ সংৰক্ষণ আৰু দফা (৪)-ৰ অধীনত সভাপতিসকলৰ পদসমূহৰ সংৰক্ষণ (মহিলাৰ বাবে আৰক্ষণৰ ব্যতিৰেকে) অনুচ্ছেদ ৩৩৪-ত নিৰ্দিষ্ট কৰি থোৱা সময়ৰ সমাপ্তিৰ পিছত কাৰ্যকৰী হৈ নাথাকিব।

(৬) এই অংশৰ কোনো কথাই কোনো ৰাজ্যৰ বিধানমণ্ডলক অনুন্নত শ্ৰেণীৰ নাগৰিকসকলৰ সপক্ষে কোনো পঞ্চায়তৰ কোনো স্তৰৰ আসনসমূহৰ বা পঞ্চায়তসমূহৰ সভাপতিসকলৰ পদসমূহৰ আৰক্ষণৰ বাবে কোনো উপবন্ধ কৰাৰ পৰা বাধা দিব নোৱাৰে।

(নৱম অংশ - পঞ্চায়ত)

**২৪৩ঙ। পঞ্চায়তসমূহৰ ম্যাদ ইত্যাদি** - (১) প্ৰত্যেক পঞ্চায়ত যদি সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত সোনকালেই ভংগ নহয়, তেন্তে ইয়াৰ প্ৰথম সভাৰ তাৰিখৰ পৰা পৰবৰ্তী পাঁচ বছৰ পৰ্য্যন্ত চলি থাকিব, কিন্তু ইয়াতকৈ অধিক নহয়।

(২) সেই সময়ত বলবৎ থকা কোনো বিধিৰ কোনো সংশোধনেই এনে সংশোধনীৰ ঠিক আগতে কাম কৰি থকা কোনো স্তৰত পঞ্চায়তখন ভংগ কৰাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব নোৱাৰিব, যেতিয়ালৈকে দফা (১)-ত উল্লেখ কৰা কাৰ্যকাল শেষ নহয়।

(৩) কোনো পঞ্চায়ত গঠন কৰাৰ বাবে নিৰ্বাচন –

(ক) দফা (১)-ত উল্লিখিত ইয়াৰ ম্যাদৰ সমাপ্তিৰ পূৰ্বে;

(খ) ইয়াক ভংগ কৰা তাৰিখৰ পৰা ছয় মাহ সময় সমাপ্তিৰ পূৰ্বে সম্পূৰ্ণ কৰা হ'ব:

কিন্তু ভংগ হোৱা পঞ্চায়তৰ বাকী থকা সময়ছোৱা ছমাহতকৈ কম হয়, তেনে সময়ৰ বাবে পঞ্চায়ত গঠন কৰিবলৈ এই ধাৰা অনুসৰি কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নহ'ব।

(৪) যদি কোনো এখন পঞ্চায়ত ভংগ হোৱাৰ পিছত তাৰ স্থানত অন্য এখন পঞ্চায়ত গঠিত হয়, তেনেহ'লে সেই পঞ্চায়তখনে বাকী থকা সময়ছোৱাৰ বাবেহে কাৰ্যনিৰ্বাহ কৰিব, যিমানখিনি সময় ইতিমধ্যে ভংগ হোৱা পঞ্চায়তখন ভংগ নোহোৱা হ'লে দফা (১)-ৰ অধীনত কাৰ্যনিৰ্বাহ কৰিলেহেতেন।

**২৪৩চ। সদস্য পদৰ বাবে অৰ্হতাহীনতা** - (১) কোনো ব্যক্তি কোনো পঞ্চায়তৰ সদস্য বাছনি কৰাৰ কাৰণে আৰু সদস্য হোৱাৰ বাবে অযোগ্য হ'ব, -

(ক) যদিহে সংশ্লিষ্ট ৰাজ্যৰ বিধানমণ্ডলৰ নিৰ্বাচনসমূহৰ প্ৰয়োজনাৰ্থে সেই সময়ত বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা অধীনত অযোগ্য ঘোষণা কৰা হয়:

কিন্তু, কোনো ব্যক্তিক তেওঁৰ বয়স পঁচিশ বছৰৰ কম হোৱাৰ বাবে অযোগ্য ঘোষিত নহ'ব যদিহে তেওঁৰ বয়স একৈশ বছৰ হৈছে;

(খ) যদিহে তেওঁক ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ দ্বাৰা বা অধীনত অযোগ্য ঘোষণা কৰা হয়।

(২) যদিহে কোনো পঞ্চায়তৰ কোনো সদস্য দফা (১)-ত উল্লিখিত কোনো অযোগ্যতাৰ অধীন হয় নে নহয় এনে প্ৰশ্ন উত্থাপিত হয় তেতিয়া সেই প্ৰশ্ন, এনে প্ৰাধিকাৰীক আৰু এনে ৰীতিৰে সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ব, যিটো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা বিধানিত কৰিছে।

## (নৱম অংশ - পঞ্চায়ত)

**২৪৩ছ। পঞ্চায়তসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্বসমূহ** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা পঞ্চায়তসমূহক এনে ক্ষমতাৱলী আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰিব, যিটো স্বায়ত্ত শাসনৰ সংস্থা হিচাবে কাৰ্য্য সম্পাদন কৰাৰ বাবে আৱশ্যকীয় হয় আৰু এনে বিধিত পঞ্চায়তসমূহৰ সকলো স্তৰত সুনিৰ্দিষ্ট কৰা হৈছে, এনে চৰ্তসমূহ সাপেক্ষে নিম্নলিখিতসমূহৰ ক্ষেত্ৰত ক্ষমতাৱলী আৰু দায়িত্বসমূহ অৰ্পণ কৰিবলৈ উপবন্ধ প্ৰস্তুত কৰিব পাৰিব -

(ক) আৰ্থিক বিকাশ আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনাসমূহৰ প্ৰস্তুতি;

(খ) একাদশ অনুসূচীত তালিকাভুক্ত বিষয়সমূহৰ সৈতে জড়িত আঁচনিসমূহকে ধৰি তেওঁলোকৰ ওপৰত ন্যস্ত কৰা অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বাবে আঁচনি ৰূপায়ণ।

**২৪৩জ। পঞ্চায়তসমূহৰ দ্বাৰা কৰ আৰোপিত কৰাৰ ক্ষমতাৱলী আৰু ইয়াৰ নিধিসমূহ** - কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, -

(ক) এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহ গ্ৰহণ, সংগ্ৰহণ আৰু বিনিয়োজন কৰাৰ বাবে কোনো পঞ্চায়তক, এনে প্ৰক্ৰিয়া অনুসাৰে আৰু এনে পৰিসীমাৰ সাপেক্ষে, প্ৰাধিকৃত কৰিব পাৰিব;

(খ) ৰাজ্য চৰকাৰৰ দ্বাৰা আহৰিত আৰু সংগৃহীত এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহ কোনো পঞ্চায়তক, এনে প্ৰয়োজনাৰ্থে আৰু এনে চৰ্ত আৰু পৰিসীমাৰ সাপেক্ষে ন্যস্ত কৰিব পাৰিব;

(গ) ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা পঞ্চায়তৰ বাবে এনে সহায়ক অনুদান দিয়াৰ বাবে বিধি প্ৰস্তুত কৰিব পাৰিব; আৰু

(ঘ) পঞ্চায়তসমূহৰ দ্বাৰা বা ইয়াৰ হকে যথাক্ৰমে গ্ৰহণ কৰা সকলো ধন জমা কৰাৰ বাবে এনে নিধিসমূহৰ গঠন কৰিবলৈ আৰু এনে নিধিৰ পৰা এনে ধন উলিয়াবৰ বাবেও বিধি প্ৰস্তুত কৰিব পাৰিব,

যিদৰে বিধিত সুনিৰ্দিষ্ট কৰা হৈছে।

**২৪৩ঝ। বিত্তীয় অৱস্থাৰ পুনৰীক্ষণৰ বাবে বিত্ত আয়োগ গঠন** - (১) এখন ৰাজ্যৰ ৰাজ্যপালে, সংবিধান (৭৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ আৰম্ভণিৰ পৰা এবছৰ ভিতৰত যথাশীঘ্ৰে, আৰু তাৰপিচত প্ৰত্যেক পাঁচ বছৰৰ সমাপ্তিৰ পিচত, বিত্ত আয়োগ গঠন কৰিব, যি পঞ্চায়তসমূহৰ বিত্তীয় অৱস্থাৰ পুনৰীক্ষণ কৰিব, আৰু যি –

(ক) (i) ৰাজ্য আৰু পঞ্চায়তসমূহৰ মাজত কোনো ৰাজ্যৰ দ্বাৰা আহৰিত কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহৰ সঠিক বিতৰণ, যাক এই অংশৰ অধীনত ইয়াৰ মাজত বিভাজিত কৰিব পৰা যায়, আৰু সকলো স্তৰৰ পঞ্চায়তসমূহৰ মাজত এনে আয়ৰ নিজ নিজ অংশ আবণ্টন;

(ii) এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহৰ নিৰ্ধাৰণৰ, যিসমূহ পঞ্চায়তসমূহত ন্যস্ত কৰিব পৰা যায় বা ইয়াৰ দ্বাৰা বিনিয়োজিত কৰিব পৰা যায়;

(iii) ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা পঞ্চায়তসমূহৰ বাবে আগবঢ়োৱা সহায়ক অনুদান;

(খ) পঞ্চায়তসমূহৰ বিত্তীয়, অৱস্থাৰ উন্নয়নৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ;

(গ) পঞ্চায়তসমূহৰ বিত্তীয় সুস্থিৰতা ৰক্ষাৰ স্বাৰ্থত ৰাজ্যপালে বিত্ত আয়োগক প্ৰদান কৰা যিকোনো পৰামৰ্শাৱলী।

(২) ৰাজ্যৰ বিধানসভাই বিধিৰ দ্বাৰা আয়োগৰ গঠন কৰা, ইয়াৰ সদস্য নিযুক্তিৰ বাবে প্ৰয়োজনীয় অৰ্হতা আৰু তেওঁলোকৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰিব পাৰে।

(৩) আয়োগে নিজৰ ব্যৱস্থাৱলী নিৰ্ধাৰিত কৰিব আৰু নিজৰ কাৰ্যসমূহ পালনত ইয়াৰ এনে ক্ষমতাৱলী থাকিব যাক ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা তেওঁলোকক প্ৰদান কৰিব।

(৪) এই অনুচ্ছেদত আয়োগে দিয়া প্ৰতিটো পৰামৰ্শৰ লগতে ইয়াৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰা প্ৰতিবেদন ৰাজ্যপালে ৰাজ্যিক বিধানসভাৰ সন্মুখত উত্থাপন কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিব।

**২৪৩ঞ। পঞ্চায়তসমূহৰ হিচাপ পৰীক্ষা** - কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা পঞ্চায়তসমূহৰ দ্বাৰা এনে হিচাপ-পত্ৰসমূহ ৰখা আৰু এনে হিচাপ-পত্ৰসমূহৰ পৰীক্ষা কৰাৰ বিষয়ত উপবন্ধাৱলী প্ৰস্তুত কৰিব পাৰিব।

**২৪৩ট। পঞ্চায়তসমূহৰ নিৰ্বাচন** - (১) পঞ্চায়তসমূহৰ বাবে অনুষ্ঠিত সকলো নিৰ্বাচনৰ কাৰণে ভোটাৰ তালিকা প্ৰস্তুত কৰা আৰু সেই সকলো নিৰ্বাচনৰ পৰিচালনা, নিৰীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ ৰাজ্যপালৰ দ্বাৰা নিয়োজিত কোনো এজন ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰে গঠিত এক ৰাজ্যিক নিৰ্বাচন আয়োগত ন্যস্ত থাকিব।

(২) ৰাজ্যৰ বিধানসভাই প্ৰণয়ন কৰা যিকোনো আইনৰ উপবন্ধাৱলীৰ অধীনত ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্ত আৰু কাৰ্যকাল এনেকুৱা হ'ব যিদৰে ৰাজ্যপালে নিয়মৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰে:

কিন্তু, ৰাজ্যিক নিৰ্বাচন আয়ুক্তক তেওঁৰ পদৰ পৰা সেই ৰীতি আৰু সেই কাৰণসমূহৰ দ্বাৰাহে অপসাৰিত কৰিব পাৰিব, যি ৰীতি আৰু যি কাৰণসমূহৰ যোগেদি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশক অপসাৰিত কৰা হয়, অন্যথা নহয়, আৰু ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্তাৱলীত তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ বাবে প্ৰতিকূলে পৰিৱৰ্তন কৰা নহ'ব।

(৩) ৰাজ্যিক নিৰ্বাচন আয়োগৰ দ্বাৰা কৰা অনুৰোধ মৰ্মে কোনো ৰাজ্যৰ ৰাজ্যপালে ৰাজ্যৰ নিৰ্বাচন আয়োগক দফা (১)-ত উল্লেখ কৰা কাৰ্যসমূহ সম্পাদনৰ বাবে প্ৰয়োজনীয় সংখ্যক কৰ্মচাৰীবৃন্দৰ ব্যৱস্থা কৰাব।

(৪) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা পঞ্চায়তসমূহৰ নিৰ্বাচনৰ সম্পৰ্কত বা সংক্ৰান্তত সকলো বিষয়ৰ সম্বন্ধত নিয়মাৱলী প্ৰস্তুত কৰিব পাৰিব।

**২৪৩ঠ। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰয়োগ** - এই অংশৰ উপবন্ধাৱলী কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰযোজ্য হ'ব আৰু কোনো কেন্দ্ৰীয় শাসিত অঞ্চলত ইয়াৰ প্ৰয়োগ, অনুচ্ছেদ ২৩৯-ৰ অধীনত নিযুক্ত কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকক কোনো ৰাজ্যৰ ৰাজ্যপালে দিয়া নিৰ্দেশৰ দৰে আৰু এনে কেন্দ্ৰীয় শাসিত অঞ্চলৰ সম্পৰ্কত, য'ত বিধানসভা আছে, সেই বিধানসভাৰ প্ৰতি থকা নিৰ্দেশৰ দৰে কাৰ্যকৰী হ'ব:

কিন্তু, ৰাষ্ট্ৰপতিয়ে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা এই নিৰ্দেশ দিব পাৰিব যে এই অংশৰ উপবন্ধাৱলী কোনো কেন্দ্ৰীয় শাসিত অঞ্চলত বা ইয়াৰ কোনো অংশত এনে ব্যতিক্ৰম বা সংশোধন সাপেক্ষে প্ৰয়োগ হ'ব যাক তেওঁ এই অধিসূচনাত সুনিৰ্দিষ্ট কৰিব।

**২৪৩ড। এই অংশ কিছুমান অঞ্চলত প্ৰযোজ্য নহ'ব** - (১) এই অংশৰ কোনো কথা অনুচ্ছেদ ২৪৪-ৰ দফা (১)-ত উল্লিখিত অনুসূচিত অঞ্চলসমূহত আৰু ইয়াৰ দফা (২)-ত উল্লিখিত জনজাতি অঞ্চলসমূহত প্ৰয়োগ নহ'ব।

(২) এই অংশৰ কোনো কথাই নিম্নোক্তবোৰত প্ৰয়োগ নহ'ব, অৰ্থাৎ

(ক) নগালেণ্ড, মেঘালয় আৰু মিজোৰাম ৰাজ্যত;

(খ) মণিপুৰ ৰাজ্যৰ এনে পাৰ্বত্য ক্ষেত্ৰসমূহত য'ত সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত জিলা পৰিষদ বিদ্যমান।

(৩) এই অংশত থকা –

(ক) জিলা পৰ্যায়ৰ পঞ্চায়তসমূহৰ সৈতে জড়িত উপবন্ধাৱলী, পশ্চিমবংগ ৰাজ্যৰ দাৰ্জিলিং জিলাৰ পাহাৰীয়া অঞ্চলসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব যাৰ বাবে সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত দাৰ্জিলিং গোৰ্খা পাৰ্বত্য পৰিষদ বিদ্যমান।

(খ) কোনো কথাই এই বিধিৰ অধীনত গঠিত দাৰ্জিলিং গোৰ্খা পাৰ্বত্য পৰিষদৰ কাৰ্য আৰু ক্ষমতাসমূহৰ ওপৰত প্ৰভাৱ পেলোৱা বুলি অৰ্থ নকৰিব।

(নৱম অংশ - পঞ্চায়ত)

[১][(তক) অনুসূচিত জাতিৰ বাবে আসন সংৰক্ষণ সম্পৰ্কীয় ২৪৩ঘ অনুচ্ছেদৰ কোনো কথাই অৰুণাচল প্ৰদেশ ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।]

(৪) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়,

(ক) দফা (২)-ৰ উপদফা (ক)-ত নিৰ্দিষ্ট কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, এই অংশৰ বিস্তাৰ দফা (১)-ত নিৰ্দিষ্ট কৰা ক্ষেত্ৰসমূহৰ ব্যতিৰেকে, যদি কিবা থাকে, সেই ৰাজ্যত সেই ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিব যদিহে সেই ৰাজ্যৰ বিধানসভাই মুঠ সদস্য সংখ্যাৰ সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা এক প্ৰস্তাৱ গ্ৰহণ কৰে আৰু সেই সদনত উপস্থিত থকা আৰু ভোটদান কৰা সদস্যসমূহৰ ন্যূনতম দুই-তৃতীয়াংশৰ সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা পাৰিত কৰে;

(খ) সংসদে আইন অনুসৰি এই অংশৰ উপবন্ধাৱলী দফা (১)-ত উল্লেখ কৰা অনুসূচিত অঞ্চল আৰু জনজাতীয় অঞ্চলসমূহলৈ সম্প্ৰসাৰিত কৰিব পাৰে, যদিহে এনে ব্যতিক্ৰম আৰু পৰিৱৰ্তনসমূহ এনে আইনত নিৰ্দিষ্ট কৰা হয় আৰু এনে কোনো আইনক অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যে এই সংবিধানৰ সংশোধনী বুলি গণ্য কৰা নহয়।

**২৪৩ঢ। বিদ্যমান বিধি আৰু পঞ্চায়তৰ অবিৰত অৱস্থা** - এই অংশত যি কথাই উল্লেখ নাথাকক কিয়, সংবিধান (৭৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ আৰম্ভণি হোৱাৰ পূৰ্বে কোনো ৰাজ্যত বলবৎ থকা পঞ্চায়তসমূহৰ সৈতে সম্পৰ্কিত কোনো বিধিৰ কোনো উপবন্ধ, যি এই অংশৰ উপবন্ধাৱলীৰ সৈতে বিসংগতিপূৰ্ণ হয়, যিকোনো উপযুক্ত বিধানমণ্ডলৰ দ্বাৰা বা আন উপযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা ইয়াক সংশোধিত বা বিলোপ নকৰা পৰ্য্যন্ত বা এনে আৰম্ভণিৰ পৰা এবছৰ সমাপ্ত নোহোৱা পৰ্য্যন্ত, ইয়াৰ যিটোৱেই পূৰ্বে হয়, সেইটোৱেই বলবৎ থাকিব :

কিন্তু, এনে আৰম্ভণিৰ সূচনাৰ ঠিক পূৰ্বে প্ৰচলিত সকলো পঞ্চায়ত যদিহে, সেই ৰাজ্যৰ বিধানসভাৰ দ্বাৰা বা বিধান পৰিষদ থকা কোনো ৰাজ্যৰ ক্ষেত্ৰত, সেই ৰাজ্যৰ বিধানমণ্ডলৰ প্ৰত্যেক সদনৰ দ্বাৰা অনুমদিত হয়, যদিহে সেই মৰ্মে কোনো প্ৰস্তাৱৰ দ্বাৰা প্ৰথমতেই ভংগ কৰি দিয়া নহয়, তেতিয়া ইয়াৰ ম্যাদ সমাপ্তি পৰ্য্যন্ত চলি থাকিব।

**২৪৩ণ। নিৰ্বাচন সম্বন্ধীয় বিষয়সমূহত ন্যায়ালয়সমূহৰ হস্তক্ষেপত প্ৰতিবন্ধকতা** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, -

(ক) অনুচ্ছেদ ২৪৩ট-ৰ অধীনত প্ৰণীত বা প্ৰস্তুত বুলি উল্লেখিত কোনো এনে বিধিৰ বিধিমান্যতা, যি নিৰ্বাচন সমষ্টিৰ পুনঃনিৰ্ধাৰণ বা এনে নিৰ্বাচন সমষ্টিসমূহৰ আসনৰ আবণ্টনৰ সৈতে সম্বন্ধিত হয়, কোনো ন্যায়ালয়ত প্ৰশ্নাধীন নহ'ব;

(খ) এনে কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা নিৰ্বাচনী আৱেদনৰ বাহিৰে আৰু ৰাজ্যিক বিধানসভাই প্ৰণয়ন কৰা কোনো আইনৰ দ্বাৰা বা আইনৰ অধীনত প্ৰদান কৰা ধৰণে কোনো পঞ্চায়তৰ নিৰ্বাচনক লৈ প্ৰশ্ন উত্থাপন কৰা নহ'ব।

---

[১] সংবিধান (৮৩ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৮-৯-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][নৱম ক অংশ

## পৌৰসভা

**২৪৩ত। সংজ্ঞা** - এই অংশত, প্ৰসংগক্ৰমে অন্যভাৱে প্ৰয়োজন নহ’লে, -

(ক) “সমিতি” মানে অনুচ্ছেদ ২৪৩ধ-ৰ অধীনত গঠিত এখন সমিতি;

(খ) “জিলা” মানে কোনো ৰাজ্যৰ এখন জিলা;

(গ) “মহানগৰ ক্ষেত্ৰ” মানে দহ লাখ বা ততোধিক জনসংখ্যা থকা এনে ক্ষেত্ৰ য’ত এখন বা অধিক জিলা সন্নিবিষ্ট হয় আৰু যি দুই বা অধিক পৌৰসভা বা পঞ্চায়ত বা আন সংলগ্ন ক্ষেত্ৰসমূহৰে গঠিত হয় আৰু যাক ৰাজ্যপালে এই অংশৰ প্ৰয়োজনাৰ্থে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা মহানগৰ ক্ষেত্ৰ বুলি নিৰ্দিষ্ট কৰি দিয়ে;

(ঘ) “পৌৰ ক্ষেত্ৰ” মানে ৰাজ্যপালৰ দ্বাৰা অধিসূচিত কোনো পৌৰসভাৰ প্ৰাদেশিক ক্ষেত্ৰ;

(ঙ) “পৌৰসভা” মানে অনুচ্ছেদ ২৪৩খৰ অধীনত গঠিত স্বায়ত্ত শাসনৰ কোনো সংস্থা;

(চ) “পঞ্চায়ত” মানে ২৪৩খ-ৰ অধীনত গঠিত কোনো পঞ্চায়ত;

(ছ) “জনসংখ্যা” হ’ল বিগত লোকপিয়লত নিৰ্ধাৰণ কৰা জনসংখ্যা যাৰ প্ৰাসংগিক তথ্য প্ৰকাশ কৰা হৈছে।

**২৪৩থ। পৌৰসভাসমূহৰ গঠন** - (১) এই অংশৰ উপবন্ধাৱলী অনুসৰি, প্ৰত্যেক ৰাজ্যত এইসমূহ গঠন কৰা হ’ব -

(ক) নগৰ পঞ্চায়ত (যি নামেৰেই জ্ঞাত হওক) কোনো সঞ্চৰণ ক্ষেত্ৰৰ বাবে, অৰ্থাৎ গ্ৰামীণ অঞ্চলৰ পৰা নগৰীয়া অঞ্চললৈ সঞ্চৰণ ক্ষেত্ৰ;

(খ) কোনো ক্ষুদ্ৰতম নগৰীয়া ক্ষেত্ৰৰ বাবে পৌৰ পৰিষদ; আৰু

(গ) কোনো বৃহত্তৰ নগৰীয়া ক্ষেত্ৰৰ বাবে পৌৰ নিগম,

---

[1] সংবিধান (৭৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ২-ৰ দ্বাৰা “নৱম ক অংশ” অন্তঃস্থাপিত (১-৬-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, এই দফাৰ অধীনত কোনো পৌৰসভা এনে নগৰীয়া ক্ষেত্ৰ বা তাৰ কোনো অংশত গঠন কৰিব পৰা নাযাব যিটো ৰাজ্যপালে, ক্ষেত্ৰটোৰ আয়তন আৰু সেই ক্ষেত্ৰত কোনো ঔদ্যোগিক সংস্থাপনৰ দ্বাৰা দিয়া বা দিয়াৰ বাবে প্ৰস্তাৱিত পৌৰ সেৱাসমূহ আৰু তেওঁ উপযুক্ত বুলি গণ্য কৰা তেনে আন কোনো বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি, ৰাজহুৱা অধিসূচনাৰ দ্বাৰা ঔদ্যোগিক নগৰ বুলি নিৰ্ধাৰিত কৰে।

(২) এই অনুচ্ছেদত "সঞ্চৰণ ক্ষেত্ৰ" "ক্ষুদ্ৰতম নগৰীয়া ক্ষেত্ৰ" বা "বৃহত্তৰ নগৰীয়া ক্ষেত্ৰ"ই এনে ক্ষেত্ৰক বুজাব যিসমূহ ৰাজ্যপালে এই অংশৰ প্ৰয়োজনাৰ্থে সেই ক্ষেত্ৰৰ জনসংখ্যা, ইয়াত জনসংখ্যাৰ ঘনত্ব, স্থানীয় প্ৰশাসনৰ বাবে আহৰণ কৰা ৰাজহ, অ-কৃষি কাৰ্য্যকলাপত কৰ্মসংস্থাপনৰ শতকৰা হাৰ, আৰ্থিক গুৰুত্ব বা এনে আন বিষয়, যিটো তেওঁ উপযুক্ত বুলি গণ্য কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজহুৱা অধিসূচনাৰ দ্বাৰা নিৰ্ধাৰিত কৰে।

**২৪৩দ। পৌৰসভাসমূহৰ গাঁথনি** - (১) দফা (২)-ত উল্লেখ কৰা ব্যতিৰেকে, কোনো পৌৰসভাৰ সকলো আসন পৌৰ ক্ষেত্ৰৰ ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত হোৱা ব্যক্তিসকলৰ দ্বাৰা পূৰণ কৰা হ'ব আৰু এই প্ৰয়োজনাৰ্থে, প্ৰত্যেক পৌৰ ক্ষেত্ৰক ক্ষেত্ৰীয় নিৰ্বাচন সমষ্টিত বিভাজিত কৰা হ'ব যি ৱাৰ্ড নামেৰে পৰিচিত হ'ব।

(২) কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, -

(ক) এখন পৌৰসভাত প্ৰতিনিধিত্বৰ বাবে –

(i) পৌৰ প্ৰশাসনৰ বিশেষ জ্ঞান থকা বা অভিজ্ঞতা থকা ব্যক্তিসকল;

(ii) কোনো পৌৰ ক্ষেত্ৰ সম্পূৰ্ণভাৱে বা আংশিকভাৱে সন্নিবিষ্ট হৈ থকা নিৰ্বাচন সমষ্টিক প্ৰতিনিধিত্ব কৰা লোকসভাৰ সদস্য বৰ্গ বা ৰাজ্যিক বিধানসভাৰ সদস্য বৰ্গ;

(iii) পৌৰ ক্ষেত্ৰৰ ভিতৰত ভোটাৰ হিচাবে পঞ্জীভুক্ত ৰাজ্যসভাৰ এনে সদস্যসকল আৰু ৰাজ্যৰ বিধান পৰিষদৰ এনে সদস্যসকল;

(iv) অনুচ্ছেদ ২৪৩ধ-ৰ দফা (৫)-ৰ অধীনত গঠিত সমিতিসমূহৰ সভাপতিসকলৰ প্ৰতিনিধিত্বৰ বাবে উপবন্ধাৱলী প্ৰস্তুত কৰিব পাৰিব:

কিন্তু, দফা (ঝ)-ত উল্লেখ ব্যক্তিসকলৰ পৌৰসভাৰ অধিবেশনত ভোট দিয়াৰ অধিকাৰ নাথাকিব;

(খ) কোনো পৌৰসভাৰ অধ্যক্ষৰ নিৰ্বাচন ৰীতি বিধানিত কৰিব পাৰিব।

**২৪৩ধ। ৱাৰ্ড কমিটিসমূহৰ গঠন আৰু গাঁথনি** - (১) তিনি লাখ বা অধিক জনসংখ্যা থকা কোনো পৌৰসভা অঞ্চল ক্ষেত্ৰৰ ভিতৰত এটা বা অধিক ৱাৰ্ডসমূহেৰে গঠিত ৱাৰ্ড সমিতিসমূহ গঠন কৰা হ'ব।

(২) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, -

(ক) ৱাৰ্ড সমিতিৰ গঠন আৰু ইয়াৰ ভূ-ক্ষেত্ৰৰ সম্পৰ্কত;

(খ) যি ৰীতিৰে ৱাৰ্ড সমিতিত আসন পূৰণ কৰা হ'ব, সেই ৰীতিৰ সম্পৰ্কত উপবন্ধ প্ৰস্তুত কৰিব পাৰিব।

(৩) ৱাৰ্ড সমিতিৰ প্ৰাদেশিক ক্ষেত্ৰৰ ভিতৰত কোনো ৱাৰ্ডৰ প্ৰতিনিধিত্ব কৰা কোনো পৌৰসভাৰ সদস্য সেই সমিতিৰ সদস্য হ'ব।

(৪) য'ত কোনো ৱাৰ্ড সমিতি –

(ক) এটা ৱাৰ্ড, পৌৰসভাত সেই ৱাৰ্ডক প্ৰতিনিধিত্ব কৰা সদস্য; বা

(খ) দুই বা অধিক ৱাৰ্ডৰে গঠিত, পৌৰসভাত এনে ৱাৰ্ডসমূহক প্ৰতিনিধিত্ব কৰা সদস্যসকলৰ মাজৰ পৰা এজন সদস্য যাক সেই ৱাৰ্ড সমিতিৰ সদস্যসকলৰ দ্বাৰা নিৰ্বাচিত কৰা হ'ব,

সেই সমিতিৰ অধ্যক্ষ হ'ব।

(৫) এই অনুচ্ছেদৰ কোনো কথাই কোনো ৰাজ্যৰ বিধানমণ্ডলক ৱাৰ্ড সমিতিসমূহৰ উপৰিও সমিতিসমূহ গঠন কৰাৰ বাবে কোনো উপবন্ধ প্ৰস্তুত কৰাৰ পৰা বাৰণ কৰা বুলি গণ্য কৰা নহ'ব।

**২৪৩ন। আসনৰ সংৰক্ষণ** - (১) প্ৰত্যেক পৌৰসভাত অনুসূচিত জাতিসমূহ আৰু অনুসূচিত জনজাতিসমূহৰ বাবে আসন সংৰক্ষিত থাকিব আৰু এনেদৰে সংৰক্ষিত আসনসমূহৰ সংখ্যাৰ অনুপাত, সেই পৌৰসভাত প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰিবলগীয়া আসনসমূহৰ মুঠ সংখ্যাৰ যথাসম্ভৱ একে হ'ব যি সেই পৌৰসভাৰ ক্ষেত্ৰত অনুসূচিত জাতিসমূহ বা সেই পৌৰসভা ক্ষেত্ৰৰ অনুসূচিত জনজাতিসমূহৰ জনসংখ্যা অনুপাত সেই ক্ষেত্ৰৰ মুঠ জনসংখ্যাৰ সৈতে আছে আৰু এনে আসন কোনো পৌৰসভাৰ ভিন ভিন নিৰ্বাচন সমষ্টিসমূহত চক্ৰানুক্ৰমে আবণ্টিত কৰিব পাৰিব।

(২) দফা (১)-ৰ অধীনত সংৰক্ষিত আসনসমূহৰ মুঠ সংখ্যাৰ অন্যূন এক-তৃতীয়াংশ আসন অনুসূচিত জাতিসমূহ আৰু অনুসূচিত জনজাতিসমূহৰ মহিলাৰ বাবে সংৰক্ষিত থাকিব।

(৩) প্ৰত্যেক পৌৰসভাত প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰিবলগীয়া আসনসমূহৰ মুঠ সংখ্যাৰ ন্যূনতম এক-তৃতীয়াংশ আসন (অনুসূচিত জাতিসমূহ আৰু অনুসূচিত জনজাতিসমূহৰ মহিলাসকলৰ বাবে আসনসমূহৰ সংখ্যা অন্তৰ্ভুক্ত কৰি) মহিলাসকলৰ বাবে সংৰক্ষিত থাকিব আৰু এনে আসন কোনো পৌৰসভাৰ ভিন ভিন নিৰ্বাচন সমষ্টিসমূহত চক্ৰানুক্ৰমে আবণ্টিত কৰিব পাৰিব।

(৪) পৌৰসভাত অধ্যক্ষসমূহৰ পদ, অনুসূচিত জাতিসমূহ, অনুসূচিত জনজাতিসমূহ আৰু মহিলাসকলৰ বাবে এনে ৰীতিৰে সংৰক্ষিত কৰা হ'ব যাক ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা বিধানিত কৰিব।

(৫) দফা (১) আৰু দফা (২)-ৰ অধীনত আসনসমূহৰ সংৰক্ষণ আৰু দফা (৪)-ৰ অধীনত অধ্যক্ষৰ পদসমূহৰ সংৰক্ষণ (মহিলাসকলৰ বাবে আৰক্ষণৰ ব্যতিৰেকে) অনুচ্ছেদ ৩৩৪-ত নিৰ্দিষ্ট সময়ৰ সমাপ্তিত কাৰ্যকৰী হৈ নাথাকিব।

(৬) এই অংশৰ কোনো কথাই কোনো ৰাজ্যৰ বিধানমণ্ডলক অনুন্নত শ্ৰেণীৰ নাগৰিকসকলৰ কোনো শ্ৰেণীৰ হকে কোনো পৌৰসভাত আসনসমূহ বা পৌৰসভাসমূহত অধ্যক্ষসকলৰ পদৰ সংক্ষণৰ বাবে কোনো উপবন্ধ প্ৰস্তুত কৰাৰ পৰা বাৰণ নকৰিব।

**২৪৩প। পৌৰসভাসমূহৰ ম্যাদ ইত্যাদি** - (১) প্ৰত্যেক পৌৰসভা যদিহে সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত প্ৰথমতেই ভংগ কৰি দিয়া নহয়, তেন্তে ইয়াৰ প্ৰথম অধিবেশনৰ বাবে নিৰ্ধাৰিত তাৰিখৰ পৰা পাঁচ বছৰ পৰ্য্যন্ত চলি থাকিব, কিন্তু ইয়াতকৈ অধিক নহ'ব:

কিন্তু কোনো পৌৰসভা ভংগ কৰাৰ পূৰ্বে শুনানিৰ বাবে ইয়াক যুক্তিসংগত সুযোগ দিয়া হ'ব।

(২) সেই সময়ত বলবৎ থকা কোনো বিধিৰ কোনো সংশোধনেৰে কোনো স্তৰত এনে পৌৰসভাৰ যি এনে সংশোধনীৰ ঠিক আগলৈকে কাৰ্য্য কৰি আছে, দফা (১)-ত নিৰ্দিষ্ট কৰি থোৱা ইয়াৰ ম্যাদ সমাপ্ত নোহোৱা পৰ্য্যন্ত ভংগ কৰা নহ'ব।

(৩) কোনো পৌৰসভা গঠন কৰাৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব, -

(ক) দফা (১)-ত উল্লেখ কৰি থোৱা ইয়াৰ ম্যাদ পৰিসমাপ্তিৰ পূৰ্বে,

(খ) ইয়াক ভংগ কৰা তাৰিখৰ পৰা ছয় মাহ সময় সমাপ্তিৰ পূৰ্বে সম্পূৰ্ণ কৰা হ'ব:

কিন্তু যদিহে ভংগ হোৱা পৌৰসভাৰ বাকী থাকি যোৱা কাৰ্যকাল ছমাহতকৈ কম হয়, তেনে সময়ৰ বাবে পৌৰসভা গঠন কৰিবলৈ এই দফাৰ অধীনত কোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নহ'ব।

(৪) কোনো পৌৰসভাৰ ম্যাদৰ সমাপ্তিৰ পূৰ্বে সেই পৌৰসভা ভংগ হোৱাৰ পিছত গঠিত কোনো পৌৰসভা, কেৱল সেইছোৱা অৱশিষ্ট অংশৰ বাবে চলি থাকিব যি সময় ভংগ হোৱা পৌৰসভা দফা (১)-ৰ অধীনত চলি থাকিলেহেতেন, যদিহে ইয়াক এইদৰে ভংগ কৰা নহ'লহেঁতেন।

(নৱম ক অংশ - পৌৰসভা)

**২৪৩ফ। সদস্য পদৰ বাবে অযোগ্যতা** - (১) কোনো ব্যক্তি কোনো পৌৰসভাৰ সদস্য নিৰ্বাচিত হোৱাৰ বাবে আৰু সদস্য হোৱাৰ বাবে অযোগ্য হ'ব -

(ক) যদি তেওঁক সংশ্লিষ্ট ৰাজ্যৰ বিধানমণ্ডলৰ নিৰ্বাচনসমূহৰ প্ৰয়োজনাৰ্থে সেই সময়ত বলবৎ থকা কোনো বিধিৰ দ্বাৰা বা অধীনত এনেদৰে অযোগ্য ঘোষণা কৰা হয়:

কিন্তু, কোনো ব্যক্তিক তেওঁৰ বয়স পঁচিশ বছৰৰ কম হোৱাৰ বাবে অযোগ্য ঘোষিত নহ'ব যদিহে তেওঁৰ বয়স একৈশ বছৰ হৈছে;

(খ) যদি তেওঁক ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ দ্বাৰা বা ইয়াৰ অধীনত অযোগ্য ঘোষণা কৰা হয়।

(২) যদি কোনো পৌৰসভাৰ কোনো সদস্য দফা (১)-ত উল্লিখিত কোনো অযোগ্যতাৰ অধীনস্থ হয় নে নহয় এই প্ৰশ্নৰ উদ্ভৱ হয়, তেতিয়া সেই প্ৰশ্ন, এনে প্ৰাধিকাৰীলৈ আৰু এনে ৰীতিৰে, যিটো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা বিধানিত কৰে, তাৰ সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰেৰণ কৰিব পাৰিব ।

**২৪৩ব। পৌৰসভাসমূহৰ ক্ষমতাৱলী, কৰ্তৃত্ব আৰু দায়িত্ব ইত্যাদি** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, -

(ক) পৌৰসভাসমূহক এনে ক্ষমতাৱলী আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰিব যিসমূহে ইয়াক স্বায়ত্ত শাসিত সংস্থা হিচাবে কাৰ্য্য সম্পাদন কৰিবলৈ সক্ষম কৰি তুলিবৰ বাবে আৱশ্যক হয়, আৰু এনে বিধিত পৌৰসভাসমূহক আৰু এনে চৰ্তসমূহৰ অধীনত, যাক ইয়াত নিৰ্দিষ্ট কৰা হৈছে, নিম্নলিখিতসমূহৰ ক্ষেত্ৰত ক্ষমতাৱলী আৰু দায়িত্বসমূহ অৰ্পণ কৰিবলৈ উপবন্ধাৱলী প্ৰস্তুত কৰিব পাৰিব, অৰ্থাৎ,

(i) আৰ্থিক বিকাশ আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনাসমূহ প্ৰস্তুত কৰা;

(ii) দ্বাদশ অনুসূচীত তালিকাভুক্ত বিষয়সমূহৰ সৈতে জড়িত আঁচনিসমূহকে ধৰি কাৰ্য্যসমূহ সম্পাদন আৰু তেওঁলোকৰ ওপৰত দায়িত্ব প্ৰদান কৰা আঁচনিসমূহৰ ৰূপায়ণ;

(খ) সমিতিসমূহক দ্বাদশ অনুসূচীত উল্লেখ কৰা বিষয়সমূহৰ সৈতে জড়িত দায়িত্বসমূহকে ধৰি তেওঁলোকক প্ৰদান কৰা দায়িত্বসমূহ পালন কৰিবৰ বাবে সক্ষম কৰি তুলিবলৈ প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰা হ'ব।

**২৪৩ভ। পৌৰসভাৰ দ্বাৰা কৰ আৰোপ কৰাৰ ক্ষমতা আৰু ইয়াৰ নিধিসমূহ** - কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, -

(ক) এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহ আৰোপ, সংগ্ৰহণ আৰু বিনিয়োজন কৰাৰ বাবে পৌৰসভাক এনে প্ৰক্ৰিয়া অনুসাৰে আৰু এনে পৰিসীমা সাপেক্ষে, কৰ্তৃত্ব প্ৰদান কৰিব পাৰিব;

(নৱম ক অংশ - পৌৰসভা)

(খ) ৰাজ্য চৰকাৰৰ দ্বাৰা আৰোপিত আৰু সংগৃহীত এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহ কোনো পৌৰসভাক, এনে প্ৰয়োজনাৰ্থে আৰু এনে চৰ্তাৱলী আৰু পৰিসীমা সাপেক্ষে ন্যস্ত কৰিব পাৰিব;

(গ) ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা পৌৰসভাৰ বাবে এনে সহায়ক অনুদান দিয়াৰ বাবে উপবন্ধ প্ৰস্তুত কৰিব পাৰিব; আৰু

(ঘ) পৌৰসভাসমূহৰ দ্বাৰা বা ইয়াৰ হকে যথাক্ৰমে গ্ৰহণ কৰা সকলো ধন জমা কৰাৰ বাবে এনে নিধিসমূহ গঠন কৰিবলৈ আৰু এনে নিধিৰ পৰা এনে ধন উলিয়াবৰ বাবেও উপবন্ধ প্ৰস্তুত কৰিব পাৰিব,

যিসমূহ বিধিত নিৰ্দিষ্ট কৰা হৈছে।

**২৪৩ম। বিত্ত আয়োগ** - (১) অনুচ্ছেদ ২৪৩ঝ-ৰ অধীনত গঠিত বিত্ত আয়োগে পৌৰসভাসমূহৰ বিত্তীয় অৱস্থাৰ পুনৰীক্ষণ কৰিব আৰু ৰাজ্যপালক পৰামৰ্শ আগবঢ়াব -

(ক) (i) ৰাজ্য আৰু পৌৰসভাসমূহৰ মাজত এই অংশৰ অধীনত বিভক্ত হ'ব পৰা কৰ, শুল্ক, টোল আৰু মাচুলৰ প্ৰকৃত আয়ৰ বিতৰণ আৰু পৌৰসভাসমূহৰ মাজত এনে আয়ৰ নিজ নিজ অংশৰ সকলো স্তৰৰ আবণ্টন;

(ii) এনে কৰ, শুল্ক, পথকৰ আৰু মাচুলসমূহৰ নিৰ্ধাৰণ যাক পৌৰসভাসমূহক অৰ্পণ কৰিব পৰা যায় বা তাৰ দ্বাৰা বিনিয়োজিত কৰিব পৰা যায়;

(iii) ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা পৌৰসভাসমূহৰ বাবে সহায়ক অনুদান প্ৰদান কৰা সিদ্ধান্তসমূহৰ সম্পৰ্কত;

(খ) পৌৰসভাসমূহৰ বিত্তীয় অৱস্থাৰ উন্নয়নৰ বাবে আৱশ্যকীয় ব্যৱস্থাৱলীৰ সম্পৰ্কত;

(গ) পৌৰসভাসমূহৰ সৱল বিত্তীয় অৱস্থাৰ স্বাৰ্থত ৰাজ্যপালে বিত্ত আয়োগলৈ প্ৰেৰণ কৰা আন যিকোনো বিষয়।

(২) এই ধাৰাত আয়োগে দিয়া প্ৰতিটো পৰামৰ্শৰ লগতে ইয়াৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰা প্ৰতিবেদন ৰাজ্যপালে ৰাজ্যিক বিধানসভাৰ সন্মুখত উত্থাপন কৰিবলৈ বাধ্য কৰাব।

**২৪৩য। পৌৰসভাসমূহৰ হিচাপ পৰীক্ষা** - কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, পৌৰসভাসমূহৰ হিচাপ-পত্ৰসমূহ ৰখা আৰু এনে হিচাপ-পত্ৰসমূহৰ পৰীক্ষা কৰাৰ বিষয়ত উপবন্ধাৱলী প্ৰস্তুত কৰিব পাৰিব।

(নৱম ক অংশ - পৌৰসভা)

**২৪৩যক। পৌৰসভাসমূহৰ নিৰ্বাচন** - (১) পৌৰসভাসমূহৰ বাবে অনুষ্ঠিত সকলো নিৰ্বাচনৰ কাৰণে ভোটাৰৰ নামাৱলী প্ৰস্তুত কৰাৰ আৰু নিৰ্বাচনৰ পৰিচালনা, অধীক্ষণ, নিৰ্দেশন আৰু নিয়ন্ত্ৰণ অনুচ্ছেদ ২৪৩-ত উল্লেখ কৰা ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওপৰত নিহিত হ'ব।

(২) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, পৌৰসভাসমূহৰ নিৰ্বাচনসমূহৰ সম্পৰ্কত বা সংক্ৰান্তত সকলো বিষয়ৰ ক্ষেত্ৰত বিধান প্ৰস্তুত কৰিব পাৰিব।

**২৪৩যখ। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰয়োগ** - এই অংশৰ উপবন্ধাৱলী কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰয়োগ হ'ব আৰু কোনো কেন্দ্ৰীয় শাসিত অঞ্চলত ইয়াৰ প্ৰয়োগ এনে ধৰণে কাৰ্যকৰী হ'ব, যেন কোনো ৰাজ্যৰ ৰাজ্যপালৰ প্ৰতি নিৰ্দেশ, অনুচ্ছেদ ২৩৯-ৰ অধীনত নিযুক্ত কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকৰ প্ৰতিহে নিৰ্দেশ আৰু কোনো ৰাজ্যৰ বিধানমণ্ডল বা বিধানসভাৰ প্ৰতি নিৰ্দেশ, কোনো এনে কেন্দ্ৰীয় শাসিত অঞ্চল সম্পৰ্কত, য'ত বিধানসভা আছে, সেই বিধানসভাৰ প্ৰতিহে নিৰ্দেশ:

কিন্তু, ৰাষ্ট্ৰপতিয়ে, ৰাজহুৱা অধিসূচনাৰ দ্বাৰা, এই নিৰ্দেশ দিব পাৰিব যে এই অংশৰ উপবন্ধাৱলী কোনো কেন্দ্ৰীয় শাসিত অঞ্চল বা ইয়াৰ কোনো অংশত এনে ব্যতিক্ৰম বা সালসলনি সাপেক্ষে প্ৰয়োগ হ'ব যাক তেওঁ এই অধিসূচনাত নিৰ্দিষ্ট কৰিব পাৰে।

**২৪৩যগ। এই অংশ কিছুমান ক্ষেত্ৰত প্ৰয়োগ নহ'ব** - (১) এই অংশৰ কোনো কথা অনুচ্ছেদ ২৪৪-ৰ দফা (১)-ত নিৰ্দিষ্ট অনুসূচিত ক্ষেত্ৰসমূহত আৰু ইয়াৰ দফা (২)-ত নিৰ্দিষ্ট জনজাতি ক্ষেত্ৰসমূহত প্ৰয়োগ নহ'ব।

(২) এই অংশৰ কোনো কথাই পশ্চিমবংগ ৰাজ্যৰ দাৰ্জিলিং জিলাৰ পাৰ্বত্য ক্ষেত্ৰসমূহৰ বাবে সেই সময়ত বলবৎ থকা কোনো বিধিৰ অধীনত গঠিত দাৰ্জিলিং গোৰ্খা পাৰ্বত্য পৰিষদৰ কাৰ্যসমূহ আৰু ক্ষমতাৱলীক প্ৰভাৱিত কৰা বুলি নুবুজাব।

(৩) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা এই অংশৰ উপবন্ধাৱলী পৰিসৰ দফা (২)-ত নিৰ্দিষ্ট অনুসূচিত ক্ষেত্ৰ আৰু জনজাতি ক্ষেত্ৰত এনে ব্যতিক্ৰম বা সালসলনি সাপেক্ষে, কৰিব পাৰিব যিটো এনে বিধিত নিৰ্দিষ্ট কৰা হয় আৰু এনে কোনো বিধি অনুচ্ছেদ ৩৬৮-ৰ প্ৰয়োজনাৰ্থে এই সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহ'ব।

**২৪৩যঘ। জিলা পৰিকল্পনা বাবে সমিতি** - (১) প্ৰত্যেক ৰাজ্যত জিলা স্তৰত জিলা পঞ্চায়তসমূহ আৰু পৌৰসভাসমূহৰ দ্বাৰা প্ৰস্তুত কৰা যোজনাসমূহ একত্ৰীকৃত কৰাৰ বাবে আৰু সম্পূৰ্ণ জিলাৰ বাবে এখন বিকাশ যোজনাৰ খচৰা প্ৰস্তুত কৰাৰ বাবে, এখন জিলা পৰিকল্পনা সমিতি গঠন কৰা হ'ব।

(২) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, নিম্নোক্তবোৰৰ ক্ষেত্ৰত উপবন্ধ প্ৰস্তুত কৰিব পাৰিব, অৰ্থাৎ -

(ক) জিলা পৰিকল্পনা সমিতিসমূহৰ গঠন;

(খ) যি ৰীতিৰে এনে সমিতিসমূহৰ আসন পূৰণ কৰা হ'ব সেই ৰীতি:

কিন্তু, এনে সমিতিৰ মুঠ সদস্য সংখ্যাৰ ন্যূনতম চাৰি-পঞ্চমাংশ সদস্য, জিলা স্তৰৰ পঞ্চায়ত আৰু জিলাৰ পৌৰসভাসমূহৰ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা আৰু নিজৰ মাজৰ পৰা, জিলাৰ গ্ৰামীণ ক্ষেত্ৰসমূহ আৰু নগৰীয়া ক্ষেত্ৰসমূহৰ জনসংখ্যাৰ অনুপাত অনুসাৰে নিৰ্বাচিত কৰা হ'ব;

(গ) জিলা পৰিকল্পনাৰ সৈতে জড়িত এনে কাৰ্যসমূহ, যিসমূহক এনে সমিতিসমূহৰ ওপৰত ন্যস্ত কৰা হয়;

(ঘ) এনে ৰীতিসমূহ যাৰ দ্বাৰা সমিতিসমূহৰ অধ্যক্ষ নিৰ্বাচন কৰা হ'ব।

(৩) প্ৰত্যেক জিলাৰ পৰিকল্পনা সমিতিয়ে বিকাশ পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰোতে, -

(ক) নিম্নলিখিতসমূহৰ প্ৰতি লক্ষ্য ৰাখিব, -

(i) পঞ্চায়ত আৰু পৌৰসভাসমূহৰ সাধাৰণ স্বাৰ্থৰ বিষয়সমূহ যাৰ ভিতৰত স্থানভিত্তিক পৰিকল্পনা, জল বা আন ভৌতিক আৰু প্ৰাকৃতিক সম্পদৰাজিৰ অংশৰ আবণ্টন কৰা, বুনিয়াদী সুবিধাৰ সংহত বিকাশ আৰু পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণ;

(ii) উপলব্ধ বিত্তীয় বা আন সম্পদৰাজিৰ পৰিসৰ আৰু প্ৰকাৰ;

(খ) এনে সংস্থা আৰু সংগঠনসমূহৰ সৈতে পৰামৰ্শ কৰিব, যাক ৰাজ্যপালে আদেশৰ দ্বাৰা নিৰ্ধাৰিত কৰে।

(৪) প্ৰত্যেক জিলাৰ পৰিকল্পনা সমিতিৰ অধ্যক্ষই এনে সমিতিৰ দ্বাৰা পৰামৰ্শ আগবঢ়োৱা সেই বিকাশ পৰিকল্পনাসমূহ ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

**২৪৩যঙ। মহানগৰ পৰিকল্পনাৰ বাবে সমিতি** - (১) প্ৰত্যেক মহানগৰ ক্ষেত্ৰত, সমগ্ৰ মহানগৰ ক্ষেত্ৰৰ বাবে বিকাশৰ পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰাৰ বাবে এখন মহানগৰ পৰিকল্পনা সমিতি গঠন কৰা হ'ব।

(২) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, নিম্নলিখিত ক্ষেত্ৰসমূহত উপবন্ধ প্ৰস্তুত কৰিব পাৰিব, অৰ্থাৎ -

(ক) মহানগৰ পৰিকল্পনা সমিতিসমূহৰ গঠন:

(খ) ৰীতিসমূহ যাৰ দ্বাৰা এনে সমিতিসমূহৰ আসন পূৰণ কৰা হ'ব:

কিন্তু, এনে সমিতিৰ অন্যূন দুই-তৃতীয়াংশ সদস্য মহানগৰ ক্ষেত্ৰত পৌৰসভাসমূহৰ নিৰ্বাচিত সদস্যসকল আৰু পঞ্চায়তসমূহৰ সভাপতিসকলৰ দ্বাৰা, আৰু নিজৰ মাজৰ পৰা সেই ক্ষেত্ৰৰ পৌৰসভা আৰু পঞ্চায়তসমূহৰ জনসংখ্যাৰ অনুপাত অনুসাৰে নিৰ্বাচিত কৰা হ'ব;

(গ) এনে সমিতিসমূহত ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰ আৰু এনে সংগঠনসমূহৰ আৰু সংস্থাসমূহৰ প্ৰতিনিধিত্ব থাকিব যি এনে সমিতিসমূহক ন্যস্ত কৰা কাৰ্যসমূহ পালন কৰাৰ বাবে আৱশ্যকীয় বুলি গণ্য কৰা হ'ব;

(ঘ) মহানগৰ ক্ষেত্ৰৰ বাবে পৰিকল্পনা আৰু সমন্বয়ৰ সৈতে সম্বন্ধিত এনে কাৰ্যসমূহ যিবিলাক এনে সমিতিসমূহৰ ওপৰত ন্যস্ত কৰা হ'ব;

(ঙ) যি ৰীতিসমূহৰ দ্বাৰা এনে সমিতিসমূহৰ অধ্যক্ষ নিৰ্বাচন কৰা হ'ব।

(৩) প্ৰত্যেক মহানগৰ পৰিকল্পনা সমিতিয়ে বিকাশ পৰিকল্পনা প্ৰস্তুত কৰোতে, -

(ক) নিম্নলিখিতসমূহৰ প্ৰতি লক্ষ্য ৰাখিব, অৰ্থাৎ -

(i) মহানগৰ ক্ষেত্ৰত পৌৰসভাসমূহ আৰু পঞ্চায়তসমূহৰ দ্বাৰা প্ৰস্তুত কৰিবলগীয়া পৰিকল্পনাসমূহ;

(ii) পৌৰসভাসমূহৰ পঞ্চায়তৰ সাধাৰণ স্বাৰ্থৰ বিষয়সমূহ, যাৰ ভিতৰত সেই ক্ষেত্ৰৰ সম্বন্ধিত ক্ষেত্ৰভিত্তিক যোজনা, জল আৰু আন ভৌতিক আৰু প্ৰাকৃতিক সম্পদৰাজিৰ অংশ আবণ্টন কৰা, বুনিয়াদী সুবিধাৰ সংহত বিকাশ আৰু পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণ;

(iii) ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্দিষ্ট কৰা সমগ্ৰ উদ্দেশ্যসমূহ আৰু অগ্ৰাধিকাৰসমূহ;

(iv) ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ অভিকৰণসমূহৰ দ্বাৰা মহানগৰ ক্ষেত্ৰত সম্ভাৱনা থকা বিনিয়োজনৰ পৰিসৰ আৰু প্ৰকৃতিৰ উপলব্ধ আন বিত্তীয় বা সম্পদৰাজি;

(খ) ৰাজ্যপালে, আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰা তেনে সংস্থাসমূহ আৰু সংগঠনসমূহৰ সৈতে পৰামৰ্শ কৰিব।

(৪) প্ৰত্যেক মহানগৰ পৰিকল্পনা সমিতিৰ অধ্যক্ষই সেই বিকাশ পৰিকল্পনাসমূহ, যিসমূহক এনে সমিতিয়ে পৰামৰ্শাৱলী আগবঢ়াইছে, ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিব।

(নৱম ক অংশ - পৌৰসভা)

**২৪৩যচ। বিদ্যমান বিধিসমূহ আৰু পৌৰসভাসমূহ অব্যাহত থাকিব** - এই অংশত যি কথাই উল্লেখ নাথাকক কিয়, সংবিধান (৭৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ আৰম্ভণি হোৱাৰ ঠিক পূৰ্বে, কোনো ৰাজ্যত বলবৎ হৈ থকা, পৌৰসভাসমূহৰ সৈতে সম্বন্ধিত কোনো বিধিৰ কোনো উপবন্ধ, যি এই অংশৰ উপবন্ধাৱলীৰ সৈতে বিসংগতিপূৰ্ণ হয়, যি পৰ্য্যন্ত কোনো উপযুক্ত বিধানমণ্ডলৰ দ্বাৰা বা অন্য উপযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা ইয়াক সংশোধিত বা বিলোপ কৰা নহয় বা যি পৰ্য্যন্ত এনে আৰম্ভণিৰ পৰা এবছৰ সমাপ্ত নহয়, ইয়াৰ যিটোৱেই পূৰ্বে হয়, সেই পৰ্য্যন্ত বলবৎ হৈ থাকিব:

কিন্তু, এনে আৰম্ভণিৰ ঠিক পূৰ্বে প্ৰচলিত সকলো পৌৰসভা, যদিহে সেই ৰাজ্যৰ বিধানসভাৰ দ্বাৰা বা বিধান পৰিষদ থকা কোনো ৰাজ্যৰ ক্ষেত্ৰত সেই ৰাজ্যৰ বিধানমণ্ডলৰ প্ৰত্যেক সদনৰ দ্বাৰা সেই সন্দৰ্ভত অনুমোদিত কোনো প্ৰস্তাৱৰ দ্বাৰা প্ৰথমতেই ভংগ কৰি দিয়া নহয়, তেতিয়া ইয়াৰ ম্যাদ সমাপ্তি পৰ্যন্ত চলি থাকিব।

**২৪৩যছ। নিৰ্বাচন সম্বন্ধীয় বিষয়সমূহত ন্যায়ালয়সমূহৰ হস্তক্ষেপত প্ৰতিবন্ধকতা** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

(ক) অনুচ্ছেদ ২৪৩যক-ৰ অধীনত প্ৰণীত বা প্ৰণীত বুলি বিৱেচিত কোনো বিধিৰ বিধিমান্যতা, যি নিৰ্বাচন সমষ্টিৰ পুনৰ নিৰ্ধাৰণ বা এনে নিৰ্বাচন সমষ্টিসমূহৰ আসনৰ আবণ্টনৰ সৈতে সম্বন্ধিত হয়, তাকলৈ কোনো ন্যায়ালয়ত প্ৰশ্ন উত্থাপিত নহ'ব;

(খ) কোনো পৌৰসভাৰ কোনো নিৰ্বাচনক এনে কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা নিৰ্বাচনী আবেদনৰ বাহিৰে আৰু ৰাজ্যিক বিধানসভাই প্ৰণয়ন কৰা আইনৰ দ্বাৰা বা আইন অনুসৰি প্ৰদান কৰা ধৰণৰ বাহিৰে কোনো নিৰ্বাচনক লৈ প্ৰশ্ন উত্থাপন কৰা নহ'ব।

# [1][নৱম খ অংশ

## সমবায় সমিতিসমূহ

**২৪৩যজ। সংজ্ঞা** - এই অংশত, প্ৰসংগক্ৰমে অন্যভাৱে প্ৰয়োজন নহ'লে, -

(ক) "প্ৰাধিকৃত ব্যক্তি" মানে অনুচ্ছেদ ২৪৩যথ-ত উল্লিখিত এজন ব্যক্তিক বুজাব;

(খ) "বোৰ্ড" মানে কোনো সমবায় সমিতিৰ সঞ্চালক মণ্ডলী অথবা পৰিচালনা সমিতি, সি যি নামেৰেই অভিহিত নহওক কিয়, যাৰ ওপৰত সমবায় সমিতিখনৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব অৰ্পণ কৰা আছে;

(গ) "সমবায় সমিতি" মানে এনে এখন সমিতিক বুজায়, যি তদানীন্তন কালত ৰাজ্যত বলৱৎ হৈ থকা সমবায় সমিতি সম্পৰ্কিত আইনৰ অধীনত পঞ্জীভুক্ত হয় বা পঞ্জীভুক্ত বুলি গণ্য কৰা হয়;

(ঘ) "বহু-ৰাজ্যিক সমবায় সমিতি" মানে এনে এখন সমিতিক বুজায় যাৰ উদ্দেশ্য কেৱল এখন ৰাজ্যতে সীমাবদ্ধ নহয় আৰু যি তদানীন্তন কালত বলৱৎ হৈ থকা সমবায় সমিতি সম্পৰ্কিত আইনৰ অধীনত পঞ্জীভুক্ত হয় বা পঞ্জীভুক্ত বুলি গণ্য কৰা হয়;

(ঙ) "পদাধিকাৰী" মানে কোনো এখন সমবায় সমিতিৰ সভাপতি, উপ-সভাপতি, অধ্যক্ষ, উপাধ্যক্ষ, সম্পাদক বা কোষাধক্ষক বুজায়, আৰু লগতে সমবায় সমিতিৰ বোৰ্ডৰ দ্বাৰা নিৰ্বাচিত অন্য যিকোনো ব্যক্তিক বুজায়;

(চ) "পঞ্জীয়ক" মানে বহু-ৰাজ্যিক সমবায় সমিতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত কেন্দ্ৰীয় পঞ্জীয়কক বুজায় আৰু সমবায় সমিতিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাজ্যৰ বিধান মণ্ডলে প্ৰণয়ন কৰা আইনৰ অধীনত নিযুক্ত সমবায় সমিতিৰ পঞ্জীয়কক বুজায়;

(ছ) "ৰাজ্যিক আইন" মানে কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰস্তুত কৰা যিকোনো বিধিক বুজায়;

(জ) "ৰাজ্যিক স্তৰৰ সমবায় সমিতি" মানে এনে এখন সমবায় সমিতিক বুজায়, যাৰ কাৰ্যক্ষেত্ৰ সমগ্ৰ ৰাজ্যৰ ভিতৰত প্ৰসাৰিত হয় আৰু যি কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ অধীনত পৰিভাষিত হয়;

**২৪৩যঝ। সমবায় সমিতিৰ ভুক্তকৰণ** - এই অংশৰ উপবন্ধাৱলী সাপেক্ষে, কোনো এখন ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, স্বেচ্ছামূলক গঠন, গণতান্ত্ৰিক সদস্য-নিয়ন্ত্ৰণ, সদস্যসকলৰ অৰ্থনৈতিক অংশগ্ৰহণ আৰু স্বশাসনৰ নীতিৰ ভিত্তিত ভুক্তকৰণ, নিয়ন্ত্ৰণ আৰু পৰিসমাপন সম্পৰ্কে বিধি প্ৰণয়ন কৰিব পাৰিব।

---

[1] সংবিধান (৯৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১১-ৰ ধাৰা ৪-ৰ দ্বাৰা "নৱম খ অংশ" অন্তঃস্থাপিত (১৫-২-২০১২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম খ অংশ - সমবায় সমিতিসমূহ)

**২৪৩যঞ। বোৰ্ডৰ সদস্য আৰু পদাধিকাৰীসকলৰ সংখ্যা আৰু কাৰ্যকাল** - (১) বিধিৰ দ্বাৰা, কোনো ৰাজ্যৰ বিধানমণ্ডলে নিৰ্ধাৰিত কৰা সংখ্যক পৰিচালকক লৈ বোৰ্ডখন গঠিত হ'ব:

কিন্তু, কোনো সমবায় সমিতিৰ পৰিচালকৰ সংখ্যা সৰ্বাধিক ২১ জনতকৈ অধিক হ'ব নোৱাৰিব:

অধিকন্তু, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, প্ৰত্যেক সমবায় সমিতিৰ বোৰ্ডত অনুসূচীত জাতি বা জনজাতিৰ বাবে এখনকৈ আৰু মহিলাৰ বাবে দুখন আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব, য'ত তেনে শ্ৰেণী বা বৰ্গৰ ব্যক্তি সদস্য হিচাপে আছে।

(২) বোৰ্ডৰ নিৰ্বাচিত সদস্য আৰু তাৰ পদাধিকাৰীসকলৰ পদৰ কাৰ্যকাল নিৰ্বাচনৰ তাৰিখৰ পৰা পাঁচ বছৰ কাল হ'ব আৰু পদাধিকাৰীসকলৰ কাৰ্যকাল বোৰ্ডৰ কাৰ্যকালৰ সৈতে একে কাৰ্যকালৰ হ'ব।

কিন্তু, বোৰ্ডে মনোনয়নৰ মাধ্যমেৰে কোনো নৈমিত্তিক খালী পদ পূৰণ কৰিব পাৰিব, সেই শ্ৰেণীৰ সদস্যসকলৰ মাজৰ পৰা, যি শ্ৰেণীৰ সদস্যৰ বাবে উক্ত নৈমিত্তিক খালী পদৰ সৃষ্টি হৈছে, যদিহে বোৰ্ডৰ কাৰ্যকাল মূল কাৰ্যকালৰ আধাতকৈ কম হয়।

(৩) কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, বেংক ব্যৱস্থা, ব্যৱস্থাপনা, বিত্ত বা সমিতিৰ উদ্দেশ্য আৰু কাৰ্যকলাপ সম্পৰ্কিত আন যিকোনো ক্ষেত্ৰত বিশেষীকৃত ব্যক্তিক এনে সমিতিৰ সদস্য হিচাপে সহনিযুক্ত কৰাৰ ব্যৱস্থা কৰিব।

কিন্তু, দফা (১)-ৰ প্ৰথম ব্যতিক্ৰমত উল্লেখ কৰা অনুযায়ী একৈশজন পৰিচালকৰ উপৰি এনেধৰণে সহনিযুক্ত সদস্যৰ সংখ্যা দুজনতকৈ বেছি হ'ব নোৱাৰিব।

অধিকন্তু, এনেধৰণে সহনিযুক্ত সদস্যসকলৰ সমবায় সমিতিৰ কোনো নিৰ্বাচনত এনে সদস্য হিচাপে ভোটাধিকাৰ নাথাকিব আৰু তেওঁলোক বোৰ্ডৰ পদাধিকাৰী হিচাপে নিৰ্বাচিত হোৱাৰ বাবেও যোগ্য নহ'ব।

অধিকন্তু, কোনো সমবায় সমিতিৰ কাৰ্যকৰী পৰিচালকসকলক সেই বোৰ্ডৰ সদস্য হ'ব আৰু তেনে সদস্যসকল দফা (১)-ৰ প্ৰথম ব্যতিক্ৰম অনুসৰি পৰিচালকৰ মুঠ সংখ্যা গণনাৰ সময়ত বাদ দিয়া হ'ব।

**২৪৩যট। বোৰ্ডৰ সদস্য নিৰ্বাচন** - (১) কোনো ৰাজ্যৰ বিধানমণ্ডলে প্ৰণয়ন কৰা কোনো আইনত থাকিলেও, বোৰ্ডৰ নিৰ্বাচন, বোৰ্ডৰ কাৰ্যকাল শেষ হোৱাৰ আগতে অনুষ্ঠিত হ'ব লাগিব যাতে পূৰ্বৰ বোৰ্ডৰ সদস্যসকলৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে বোৰ্ডৰ নৱ-নিৰ্বাচিত সদস্যসকলে কাৰ্যভাৰ গ্ৰহণ কৰিব পাৰে।

(২) কোনো সমবায় সমিতিৰ সকলো নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচনী তালিকা আৰু নিৰ্বাচন পৰিচালনাৰ অধীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ সেই ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা নিৰ্ধাৰিত, কোনো কৰ্তৃপক্ষ বা সংস্থা ওপৰত ন্যস্ত কৰিব।

কিন্তু, কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা তেনেধৰণে নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰক্ৰিয়া আৰু নিৰ্দেশাৱলী প্ৰদান কৰিব পাৰিব।

**২৪৩যঠ। বোৰ্ডক অধিকাৰচ্যুত আৰু নিলম্বন আৰু অন্তৰ্ৱৰ্তীকালীন পৰিচালনা** - (১) তদানীন্তন কালত বলৱৎ হৈ থকা কোনো বিধিত থকা সত্বেও, কোনো বোৰ্ডকে ছয় মাহৰ অধিক সময়ৰ বাবে অধিকাৰচ্যুত বা নিলম্বিত কৰিব নোৱাৰিব:

কিন্তু, বোৰ্ডক নিম্নোল্লিখিত ক্ষেত্ৰত অধিকাৰচ্যুত বা নিলম্বন কৰিব পাৰিব:

(i) অবিৰতভাৱে গাফিলতি কৰা, অথবা

(ii) কৰ্তব্য সম্পাদনৰ ক্ষেত্ৰত অৱহেলা কৰা, বা

(iii) বোৰ্ডে প্ৰতিকূল ভাবাপন্ন হৈ সমবায় সমিতি বা তাৰ সদস্যসকলৰ স্বাৰ্থ বিৰোধী কোনো কাৰ্য সংঘটিত কৰা, বা

(iv) বোৰ্ডৰ গঠন অথবা কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত অচলাৱস্থাৰ সৃষ্টি হৈছে, অথবা

(v) ৰাজ্যৰ বিধানমণ্ডলৰ অধীনত বিধিৰ দ্বাৰা বিধানিত প্ৰাধিকাৰী বা সংস্থাই, অনুচ্ছেদ ২৪৩যট-ৰ দফা (২) অনুসৰি, বিধানমণ্ডলে বিধানিত কৰা নিয়মাৱলী অনুসৰি নিৰ্বাচন অনুষ্ঠিত কৰাত ব্যৰ্থ হৈছে:

কিন্তু, তেনে কোনো সমবায় সমিতিৰ বোৰ্ড এনে অধিকাৰচ্যুত বা নিলম্বিত নহ'ব যদিহে ইয়াত চৰকাৰৰ কোনো অংশীদাৰীত্ব বা ঋণ বা বিত্তীয় সাহাৰ্য্য বা প্ৰতিজ্ঞাপত্ৰ নাই:

অধিকন্তু, যদি এনে কোনো সমবায় সমিতিয়ে বেংকিং ব্যৱসায় চলাই আছে, তেনে ক্ষেত্ৰত বেংক ব্যৱসায় নিয়ামক অধিনিয়ম, ১৯৪৯ (১৯৪৯-ৰ ১০)-ৰ উপবন্ধাৱলী প্ৰয়োজ্য হ'ব:

কিন্তু, লগতে যিসমূহ সমবায় সমিতিয়ে, বহু-ৰাজ্যিক সমবায় সমিতিসমূহক বাদ দি, বেংকিং ব্যৱসায় চলাই আহিছে, তেনে ক্ষেত্ৰত এই দফাৰ অধীনৰ উপবন্ধাৱলীত থকা “ছমাহ” শব্দৰ ঠাইত “এবছৰ” শব্দ প্ৰতিস্থাপিত হ'ব।

(২) বোৰ্ডৰ অধিকাৰচ্যুতকৰণৰ ক্ষেত্ৰত, সমবায় সমিতিৰ বিষয়সমূহ পৰিচালনা কৰিবলৈ নিযুক্ত প্ৰশাসকগৰাকীয়ে দফা (১)-ত উল্লেখ কৰা সময়সীমাৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিব আৰু নিৰ্বাচিত বোৰ্ডক পৰিচালনাৰ দায়িত্ব হস্তান্তৰ কৰিব।

(৩) এখন ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা প্ৰশাসকজনৰ সেৱাৰ চৰ্তাৱলী নিৰ্ধাৰণ কৰিব পাৰে।

**২৪৩যড। সমবায় সমিতিসমূহৰ হিচাপ পৰীক্ষণ** - (১) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সমবায় সমিতিৰ হিচাপ ৰক্ষণৰ সন্দৰ্ভত নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে আৰু এটা বিত্তীয় বৰ্ষত ন্যূনতম এবাৰকৈ তেনে হিচাপৰ পৰীক্ষণৰ ব্যৱস্থা কৰিব।

(২) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সমবায় সমিতিসমূহৰ হিচাপ পৰীক্ষাৰ বাবে হিচাপ পৰীক্ষক বা হিচাপ পৰীক্ষণ প্ৰতিষ্ঠানৰ ন্যূনতম অৰ্হতা আৰু অভিজ্ঞতা নিৰ্ধাৰণ কৰিব, যিটো সমবায় সমিতিসমূহৰ হিচাপ পৰীক্ষাৰ বাবে যোগ্য হ'ব।

(৩) প্ৰত্যেক সমবায় সমিতিয়ে দফা (২)-ত নিৰ্দিষ্ট কৰা অনুসৰি সমিতিখনৰ সাধাৰণ নিকায়ৰ দ্বাৰা নিযুক্ত হিচাপ পৰীক্ষক বা হিচাপ পৰীক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা সমিতিৰ হিচাপ পৰীক্ষা কৰোৱাব।

কিন্তু, এনে হিচাপ পৰীক্ষক বা হিচাপ পৰীক্ষণ প্ৰতিষ্ঠানক ৰাজ্য চৰকাৰ দ্বাৰা অনুমোদিত মণ্ডলী অথবা এই উদ্দেশ্যে কৰ্তৃত্ব প্ৰদান কৰা সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা নিযুক্ত হ'ব।

(৪) প্ৰত্যেক সমবায় সমিতিৰ হিচাপ পৰীক্ষাৰ ক্ষেত্ৰত যি বিত্তীয় বৰ্ষৰ সৈতে সমিতিখনৰ হিচাপটো সম্বন্ধিত হৈ থাকে, সেই বিত্তীয় বৰ্ষৰ সমাপ্তিৰ ছয় মাহৰ ভিতৰত কৰিব।

(৫) ৰাজ্য আইনৰ দ্বাৰা পৰিভাষিত কোনো এখন সৰ্বোচ্চ সমবায় সমিতিৰ হিচাপ পৰীক্ষণৰ প্ৰতিবেদন, ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা বিধানিত কৰা ৰীতিমতে ৰাজ্যৰ বিধানমণ্ডলত উত্থাপন কৰিব।

**২৪৩যঢ। সাধাৰণ সভাৰ আহ্বান** - ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, এনে বিধিত নিৰূপিত ধৰণে ব্যৱসায়িক কাৰ্য সম্পাদনৰ বাবে প্ৰত্যেক সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা বিত্তীয় বৰ্ষৰ সমাপ্তিৰ ছয় মাহৰ ভিতৰত আহ্বান কৰা হ'ব বুলি ব্যৱস্থাৱলী প্ৰস্তুত কৰিব পাৰে।

**২৪৩যণ। সদস্যৰ তথ্যপ্ৰাপ্তিৰ অধিকাৰ** - (১) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সমবায় সমিতিৰ প্ৰত্যেক সদস্যৰ বাবে সমবায় সমিতিৰ নিয়মিত লেন-দেনৰ বাবে ৰখা বহী-পত্ৰ, তথ্য আৰু হিচাপ-নিকাচ উপলব্ধ কৰোৱাৰ ব্যৱস্থা কৰিব।

(২) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, এনে বিধিত বিধানিত কৰা ধৰণে সভাত সদস্যসকলৰ উপস্থিতিৰ ন্যূনতম আৱশ্যকীয়তা বিধানিত কৰি আৰু ন্যূনতম সেৱা ব্যৱহাৰ কৰি, সমবায় সমিতিৰ পৰিচালনাত সদস্যসকলৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ ব্যৱস্থা কৰিব পাৰিব।

(৩) ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সমবায় সমিতিৰ সদস্যসকলৰ বাবে সমবায় শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰিব।

**২৪৩যত। কৰ-প্ৰবিৰৰণ** - প্ৰতিটো বিত্তীয় বৰ্ষৰ সমাপ্তিৰ ছয় মাহৰ ভিতৰত, প্ৰত্যেক সমবায় সমিতিয়ে, ৰাজ্য চৰকাৰ দ্বাৰা মনোনীত কৰ্তৃপক্ষৰ ওচৰত নিম্নল্লিখিত বিষয়সমূহ অন্তৰ্ভুক্ত কৰি কৰ-প্ৰবিৰৰণ দাখিল কৰিব, যথাক্ৰমে -

(ক) ইয়াৰ কাৰ্যকলাপৰ বাৰ্ষিক প্ৰতিবেদন;

(খ) ইয়াৰ পৰীক্ষাকৃত হিচাপ-নিকাচৰ প্ৰতিবেদন;

(গ) সমবায় সমিতিৰ সাধাৰণ সভাই অনুমোদন জনোৱা ৰাহি ধন ব্যয়ৰ পৰিকল্পনা;

(ঘ) সমবায় সমিতিৰ উপবিধিসমূহৰ তালিকা, যদি থাকে;

(ঙ) ইয়াৰ সাধাৰণ সভা অনুষ্ঠিত কৰা তাৰিখ আৰু যথাসময়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ঘোষণা;

(চ) ৰাজ্যৰ আইনৰ কোনো ব্যৱস্থা অনুসৰি পঞ্জীয়কে বিচৰা আন যি কোনো তথ্য।

**২৪৩যথ। অপৰাধ আৰু শাস্তি** - (১) কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সমবায় সমিতি সংক্ৰান্তীয় অপৰাধ আৰু এনে অপৰাধৰ বাবে শাস্তিৰ ব্যৱস্থা কৰিব পাৰে।

(২) কোনো ৰাজ্যৰ বিধানমণ্ডলে দফা (১)-ৰ অধীনত প্ৰণয়ন কৰা আইনৰ দ্বাৰা নিম্নলিখিত কৰ্ম বা অ-কৰ্মক অপৰাধ হিচাপে অন্তৰ্ভুক্ত কৰিব লাগিব, যথা -

(ক) কোনো সমবায় সমিতি বা তাৰ কোনো পদাধিকাৰী বা সদস্যই ইচ্ছাকৃতভাৱে মিছা কৰ-প্ৰবিৰৰণ দাখিল কৰে বা মিছা তথ্য প্ৰদান কৰে, বা কোনো ব্যক্তিয়ে ইচ্ছাকৃতভাৱে ৰাজ্য আইনৰ উপবন্ধাৱলীৰ অধীনত কৰ্তৃত্বশীল ব্যক্তিয়ে তেওঁৰ পৰা বিচৰা কোনো তথ্য যোগান নধৰে।

(খ) কোনো ব্যক্তিয়ে ইচ্ছাকৃতভাৱে বা কোনো যুক্তিযুক্ত কাৰণ নোহোৱাকৈ ৰাজ্য অধিনিয়ম অনুসৰি জাৰি কৰা কোনো চমন, অধিগ্ৰহণ বা বৈধ লিখিত আদেশ অমান্য কৰে;

(গ) কোনো নিয়োগকৰ্তাই, কোনো নিৰ্দিষ্ট কাৰণ নোহোৱাকৈ, সমবায় সমিতিৰ কৰ্মচাৰীৰ পৰা তেওঁ কৰ্তন কৰা ধন, এনেদৰে কৰ্তন কৰাৰ চৈধ্য দিনৰ ভিতৰত সমিতিক দিবলৈ সক্ষম নহ'লে;

(ঘ) কোনো সমবায় সমিতিৰ খতিয়ান, খাতা, নথি, অভিলেখ, নগদ, ঋণপত্ৰ আৰু অন্যান্য সম্পত্তি যদি কোনো পদাধিকাৰী বা অভিলেখ ৰক্ষকে ইচ্ছাকৃতভাৱে এজন অধিকৃত ব্যক্তিক হস্তান্তৰ কৰাত ব্যৰ্থ হয়; আৰু

(ঙ) কোনো ব্যক্তি যি, বোৰ্ড বা পদাধিকাৰীৰ নিৰ্বাচনৰ আগতে, সময়ত বা পিছত, কোনো দুৰ্নীতিৰ প্ৰশ্ৰয় লয়।

**২৪৩যদ। বহু-ৰাজ্যিক সমবায় সমিতিৰ ক্ষেত্ৰত প্ৰয়োগ** - এই অংশৰ ব্যৱস্থাৱলী বহু-ৰাজ্যিক সমবায় সমিতিৰ ক্ষেত্ৰত "এখন ৰাজ্যৰ বিধান মণ্ডল", "ৰাজ্য অধিনিয়ম" বা "ৰাজ্য চৰকাৰ" শব্দবোৰক ক্ৰমে "সংসদ", "কেন্দ্ৰীয় অধিনিয়ম" বা "কেন্দ্ৰীয় চৰকাৰ" বুলি গণ্য কৰা সংশোধন সাপেক্ষে প্ৰযোজ্য হ'ব।

**২৪৩যধ। কেন্দ্ৰীয় শসিত অঞ্চলসমূহত প্ৰয়োগ** - এই অংশৰ উপবন্ধাৱলী কেন্দ্ৰীয় শাসিত অঞ্চল আৰু যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, য'ত কোনো বিধানসভা নাই, য'ত অনুচ্ছেদ ২৩৯-ৰ অধীনত নিযুক্ত প্ৰশাসকক সেই ৰাজ্যৰ বিধানসভা হিচাপে উল্লেখ কৰা হৈছে, আৰু য'ত বিধানসভা আছে এনে যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত, সেই বিধানসভা ৰূপে উল্লেখ হ'ব:

কিন্তু, ৰাষ্ট্ৰপতিয়ে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে নিৰ্দেশ দিব পাৰে যে এই অংশৰ উপবন্ধাৱলী যিদৰে তেওঁ অধিসূচনাত উল্লেখ কৰে তেনেদৰে কোনো কেন্দ্ৰীয় শাসিত অঞ্চল বা ইয়াৰ কোনো অংশৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

**২৪৩যন। বিদ্যমান বিধিসমূহ অব্যাহত থাকিব** - এই অংশত যি কথাই উল্লেখ নাথাকক কিয়, সংবিধান (৯৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১১-ৰ আৰম্ভণিৰ ঠিক পূৰ্বে যিকোনো ৰাজ্যত বলবৎ থকা সমবায় সমিতিৰ সৈতে জড়িত যিকোনো বিধি, যিটো এই অংশৰ উপবন্ধাৱলীৰ সৈতে অসংগতিপূৰ্ণ, যদিহে ইয়াক উপযুক্ত বিধানমণ্ডলী বা অন্য বৈধ কৰ্তৃপক্ষই সংশোধন বা বাতিল নকৰে বা আৰম্ভণিৰ পৰা এবছৰৰ ম্যাদ উকলি যোৱালৈকে, যিটোৱেই কম হয়, সেইটোৱেই অব্যাহত হৈ থাকিব।

# দশম অংশ

## অনুসূচিত আৰু জনজাতি ক্ষেত্ৰসমূহ

**২৪৪। অনুসূচীত অঞ্চল আৰু জনজাতীয় অঞ্চলসমূহৰ প্ৰশাসন** - (১) পঞ্চম অনুসূচীৰ উপবন্ধাৱলী যিকোনো ৰাজ্যৰ [1]*** অনুসূচীত অঞ্চল আৰু জনজাতীয় অঞ্চলৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব, কেৱল [2][অসম [3][, [4][মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম]]] ৰাজ্যসমূহক বাদ দি।

(২) [2][অসম, [3][ [5][মেঘালয়, ত্ৰিপুৰা] আৰু মিজোৰাম ৰাজ্য]-ৰ] জনজাতি ক্ষেত্ৰসমূহৰ প্ৰশাসনত ষষ্ঠ অনুসূচীৰ উপবন্ধাৱলী প্ৰয়োগ হ'ব।

[6][**২৪৪ক। অসমৰ কিছুমান জনজাতীয় অঞ্চলক লৈ এখন স্বায়ত্তশাসিত ৰাজ্য গঠন আৰু ইয়াৰ বাবে স্থানীয় বিধানমণ্ডল বা মন্ত্ৰী পৰিষদ বা দুয়োটা গঠন** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা ষষ্ঠ অনুসূচীৰ পেৰেগ্ৰাফ ২০-ত সন্নিবিষ্ট তালিকাৰ [7][অংশ ১]-ত নিৰ্দিষ্ট কৰা জনজাতি অঞ্চলৰ সমগ্ৰ বা যিকোনো অঞ্চলক লৈ (সম্পূৰ্ণৰূপেই হওক বা আংশিকভাৱেই হওক), অসম ৰাজ্যৰ ভিতৰত এখন স্বায়ত্ত শাসিত ৰাজ্য গঠন কৰিব পাৰে, আৰু তাৰ বাবে –

(ক) সেই স্বায়ত্ত শাসিত ৰাজ্যখনৰ বিধানমণ্ডল ৰূপে কাৰ্য কৰিবলৈ, নিৰ্বাচিতই হওক বা আংশিকভাৱে নিৰ্বাচিত আৰু আংশিকভাৱে মনোনীতই হওক, এটা নিকায়, অথবা

(খ) এখন মন্ত্ৰী-পৰিষদ,

অথবা দুয়োটাকে, প্ৰত্যেক ক্ষেত্ৰতে বিধিত যথানিৰ্দিষ্ট কৰা অনুসৰি গাঁথনি, ক্ষমতা আৰু কাৰ্যসমূহৰ সৈতে সৃষ্টি কৰিব পাৰে।

(২) দফা (১)-ত নিৰ্দেশিত এনে কোনো বিধিয়ে বিশেষকৈ, -

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ নিৰ্দেশিত" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উত্তৰ পূৰ্বাঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা "অসম ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ২-ৰ দ্বাৰা "আৰু মেঘালয় ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা "মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] উক্ত অধিনিয়মৰ ধাৰা ৩৯-ৰ দ্বাৰা "মেঘালয় আৰু ত্ৰিপুৰা আৰু মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চল"-ৰ সলনি প্ৰতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] সংবিধান (২২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৯-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-৯-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[7] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা "অংশ ক"-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) ৰাজ্য-সূচী অথবা সমৱৰ্তী-সূচীত সন্নিৱিষ্ট এনে বিষয়বোৰ নিৰ্দিষ্ট কৰি দিব পাৰে যাৰ সম্বন্ধত স্বায়ত্ত শাসিত ৰাজ্যখনৰ বিধানমণ্ডলে সমগ্ৰ ৰাজ্যখনৰ বাবেই হওক বা তাৰ কোনো অংশৰ বাবেই হওক, বিধি প্ৰণয়ন কৰিবলৈ ক্ষমতা থাকিব, অসম ৰাজ্যৰ বিধানমণ্ডলক বাদ কৰিয়েই হওক বা অন্য ধৰণেই হওক;

(খ) যিবোৰ বিষয়ৰ ক্ষেত্ৰত স্বায়িত্ব শাসিত ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা সম্প্ৰসাৰিত হ'ব, সেইবোৰৰ সংজ্ঞা নিৰ্ধাৰণ কৰা;

(গ) অসম ৰাজ্যই আৰোপ কৰা যিকোনো কৰৰ সমুৎপন্ন ধন স্বায়ত্বশাসিত ৰাজ্যৰ হাতত প্ৰদান কৰাৰ বিধানিত কৰিছে।

(ঘ) এই সংবিধানৰ যিকোনো অনুচ্ছেদত কোনো ৰাজ্যৰ প্ৰতি আগবঢ়োৱা নিৰ্দেশত স্বায়ত্ত শাসিত ৰাজ্যখনৰ প্ৰতি থকা নিৰ্দেশ অন্তৰ্ভুক্ত কৰা বুলি অৰ্থ কৰিবলৈ বিধান প্ৰস্তুত কৰিব পাৰে; আৰু

(ঙ) এনেকুৱা পৰিপূৰক, প্ৰাসংগিক আৰু আনুষাংগিক উপবন্ধাৱলী প্ৰস্তুত কৰিব পাৰে যিবিলাক আৱশ্যকীয় বুলি গণ্য কৰা হয়।

(৩) উপৰোক্ত এনে যিকোনো বিধিৰ সংশোধন, যি পৰ্য্যন্ত এনে সংশোধনী দফা (২)-ৰ উপদফা (ক) বা উপদফা (খ)-ত নিৰ্দিষ্ট কোনো বিষয় সম্পৰ্কীয় হয়, সেই পৰ্য্যন্ত কাৰ্যকৰী নহ'ব - যদিহে সংশোধনীটো সংসদৰ প্ৰত্যেক সদনত উপস্থিত থকা আৰু ভোটদান কৰা সদস্যসকলৰ ন্যূনতম দুই-তৃতীয়াংশৰ দ্বাৰা পাৰিত নহয় ।

(৪) এই অনুচ্ছেদত উল্লেখ কৰা কোনো আইনকে অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যে এই সংবিধানৰ সংশোধনী বুলি গণ্য কৰা নহ'ব, যদিও ইয়াত এই সংবিধান সংশোধন কৰা বা সংশোধনৰ প্ৰভাৱ পৰা কোনো উপবন্ধ থাকে।]

# একাদশ অংশ

## সংঘ আৰু ৰাজ্যসমূহৰ সম্বন্ধ

### প্ৰথম অধ্যায় – বিধায়িনী সম্বন্ধ

*বিধায়িনী ক্ষমতাৰ বিতৰণ*

**২৪৫। সংসদ তথা ৰাজ্যৰ বিধানমণ্ডলসমূহৰ দ্বাৰা প্ৰণীত বিধিৰ পৰিসৰ** - (১) এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, সংসদে ভাৰতৰ সম্পূৰ্ণ ৰাজ্যক্ষেত্ৰ বা তাৰ যিকোনো অংশৰ কাৰণে বিধি প্ৰণয়ন কৰিব পাৰে আৰু কোনো ৰাজ্যৰ বিধানমণ্ডলে সেই সম্পূৰ্ণ ৰাজ্য বা তাৰ যিকোনো অংশৰ কাৰণে বিধি প্ৰণয়ন কৰিব পাৰে।

(২) সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধি এই ভিত্তিত বিধিসন্মত নহয় বুলি গণ্য কৰা হ'ব যে ইয়াৰ ক্ষেত্ৰ-বৰ্হিভূত প্ৰভাৱ আছে ।

**২৪৬। সংসদৰ দ্বাৰা আৰু ৰাজ্যৰ বিধানমণ্ডলসমূহৰ দ্বাৰা প্ৰণীত বিধিৰ বিষয়বস্তু** - (১) দফা (২) আৰু (৩)-ত যি কথাই উল্লেখ নাথাকক কিয়, সপ্তম অনুসূচীৰ সূচী ১-ত সন্নিৱিষ্ট (এই সংবিধানত "সংঘ সূচী" বুলি নিৰ্দেশিত) বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত সংসদৰ বিধি প্ৰণয়ন কৰাৰ নিজস্ব ক্ষমতা আছে।

(২) দফা (৩)-ত যি কথাই উল্লেখ নাথাকক কিয়, সংসদৰ, আৰু দফা (১) সাপেক্ষে [১]*** কোনো ৰাজ্যৰ বিধানমণ্ডলৰো, সপ্তম অনুসূচীৰ সূচী ৩-ত সন্নিৱিষ্ট (এই সংবিধানত "উমৈহতীয়া-সূচী" বুলি নিৰ্দেশিত) বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত সংসদৰ বিধি প্ৰণয়ন কৰাৰ ক্ষমতা আছে।

(৩) দফা (১) আৰু (২) সাপেক্ষে [১]*** কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সেই ৰাজ্য বা তাৰ যিকোনো অংশৰ কাৰণে সপ্তম অনুসূচীৰ সূচী ২-ত সন্নিৱিষ্ট (এই সংবিধানত "ৰাজ্য-সূচী" বুলি নিৰ্দেশিত) বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত বিধি প্ৰণয়ন কৰাৰ স্বকীয় ক্ষমতা আছে।

(৪) তেনে বিষয় ৰাজ্য-সূচীত সন্নিৱিষ্ট বিষয় হোৱা সত্ত্বেও সংসদৰ [২][কোনো ৰাজ্যৰ] অন্তৰ্ভুক্ত নোহোৱা ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো অংশ বিশেষৰ কাৰণে তেনে যিকোনো বিষয়ৰ সম্বন্ধত বিধি প্ৰণয়ন কৰাৰ ক্ষমতা আছে।

[৩]**[২৪৬ক। সামগ্ৰী আৰু সেৱা কৰ সম্পৰ্কে বিশেষ ব্যৱস্থা** - (১) অনুচ্ছেদ ২৪৬ আৰু ২৫৪-ত থকা বিষয়বোৰৰ উপৰি সংসদে, আৰু দফা (২) সাপেক্ষে, প্ৰত্যেক ৰাজ্যৰ বিধানমণ্ডলে, সংঘ বা এনে ৰাজ্যই ধাৰ্য কৰিব পৰা সামগ্ৰী আৰু সেৱা কৰ সম্পৰ্কে আইন প্ৰণয়নৰ ক্ষমতা আছে।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা খ-ত নিৰ্ধাৰিত" এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা খ-ত" এই শব্দ আৰু অক্ষৰসমূহৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ২–ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

২। সংসদৰ সামগ্ৰী আৰু সেৱা কৰ সম্পৰ্কে আইন প্ৰণয়নৰ স্বকীয় ক্ষমতা আছে য'ত আন্তঃৰাজ্যিক ব্যৱসায় বা বাণিজ্যৰ ক্ষেত্ৰত সামগ্ৰী বা সেৱা সৰবৰাহ, বা উভয়েই হয়।

*ব্যাখ্যা* - এই অনুচ্ছেদৰ উপবন্ধাৱলী, অনুচ্ছেদ ২৭৯ক-ৰ দফা (৫)-ত উল্লেখ কৰা সামগ্ৰী আৰু সেৱা কৰ, সামগ্ৰী আৰু সেৱা কৰ পৰিষদে পৰামৰ্শ দিয়া তাৰিখৰ পৰা কাৰ্যকৰী হ'ব।

**২৪৭। কিছুমান অতিৰিক্ত ন্যায়ালয় স্থাপনৰ কাৰণে উপবন্ধ কৰিবলৈ সংসদৰ ক্ষমতা** - এই অধ্যায়ত যি কথাই উল্লেখ নাথাকক কিয়, সংঘ-সূচীত সন্নিৱিষ্ট কোনো বিষয়ৰ ক্ষেত্ৰত সংসদৰ দ্বাৰা প্ৰণয়ন কৰা বিধিৰ বা প্ৰচলিত কোনো বিধিৰ অধীনত সু-প্ৰশাসনৰ কাৰণে সংসদে বিধিৰ দ্বাৰা কোনো অতিৰিক্ত ন্যায়ালয় স্থাপনৰ বাবে উপবন্ধ প্ৰস্তুত কৰিব পাৰে।

**২৪৮। আইন প্ৰণয়নৰ অৱশিষ্ট ক্ষমতা** - (১) [১][অনুচ্ছেদ ২৪৬ক সাপেক্ষে] সংসদৰ উমৈহতীয়-সূচী বা ৰাজ্য-সূচীত সন্নিৱিষ্ট নোহোৱা যিকোনো বিষয়ৰ সম্বন্ধত বিধি প্ৰণয়ন কৰাৰ একচেটীয়া ক্ষমতা আছে।

(২) সেই দুয়োখন সূচীৰ কোনোখনতে উল্লেখ নথকা কোনো কৰ আৰোপ কৰিবলৈ কোনো বিধি প্ৰণয়ন কৰাৰ ক্ষমতাও তেনে ক্ষমতাৰ অন্তৰ্গত হ'ব।

**২৪৯। ৰাষ্ট্ৰীয় স্বাৰ্থত ৰাজ্যিক সূচীৰ অন্তৰ্ভুক্ত কোনো বিষয়ত সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা**-(১) এই অধ্যায়ৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, যদি ৰাজ্যসভাত উপস্থিত থকা আৰু ভোটদান কৰা সদস্যসকলৰ ন্যূনতম দুই-তৃতীয়াংশৰ দ্বাৰা সমৰ্থিত প্ৰস্তাৱৰ দ্বাৰা ঘোষণা কৰে যে ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবে [২][অনুচ্ছেদ ২৪৬ক-ৰ অন্তৰ্ভুক্ত সামগ্ৰী আৰু সেৱা কৰ বা] ৰাজ্য-সূচীত সন্নিৱিষ্ট আৰু প্ৰস্তাৱত নিৰ্দিষ্ট কৰা কোনো বিষয় সম্পৰ্কে সংসদে বিধি প্ৰণয়ন কৰা আৱশ্যক আৰু সমীচীন, তেনেহ'লে সেই প্ৰস্তাৱ বলবৎ হৈ থকা সময়ত সেই বিষয় সম্পৰ্কে ভাৰতৰ সম্পূৰ্ণ ৰাজ্যক্ষেত্ৰৰ বাবে বা তাৰ কোনো অংশৰ বাবে সংসদে বিধি প্ৰণয়ন কৰাটো বিধি সংগত হ'ব।

(২) দফা (১)-ৰ অধীনত গৃহীত হোৱা প্ৰস্তাৱ তাত নিৰ্দিষ্ট কৰা অনুযায়ী এবছতকৈ অধিক কালৰ কাৰণে বলবৎ নাথাকিব:

কিন্তু, যদি আৰু সাধাৰণতে এনে কোনো প্ৰস্তাৱটো বলবৎ ৰখাটো অনুমোদন কৰি দফা (১)-ত বিধিবদ্ধ ৰীতি অনুসৰি কোনো প্ৰস্তাৱ গৃহীত হয় তেতিয়া তেনে প্ৰস্তাৱ, যি তাৰিখৰ পৰা এই দফাৰ অধীনস্থ হয়, অন্যথা সেই দফা বলবৎ থকাৰ সমাপ্তি ঘটিলহেঁতেন, সেই তাৰিখৰ পৰা অবিচ্ছিন্নভাৱে আৰু এবছৰৰ কাৰণে বলবৎ থাকিব।

(৩) সংসদৰ দ্বাৰা প্ৰস্তুত কৰা এখন আইন, যিখন সংসদে দফা (১)-ৰ অধীনত কোনো প্ৰস্তাৱ গৃহীত নকৰালৈকে প্ৰণয়ন কৰাৰ যোগ্যতা নাথাকে, সেই আইনখনে ইয়াৰ অক্ষমতা অনুসৰি, প্ৰস্তাৱটো কাৰ্যকাৰিতা বন্ধ হোৱাৰ পৰা ছয় মাহৰ ম্যাদ উকলি যোৱাৰ পাছত উক্ত ম্যাদ উকলি যোৱাৰ আগতে কৰিব লগা কামবোৰ সম্পাদন কৰাৰ বাহিৰে অন্য ধৰণে প্ৰভাৱ পেলাব নোৱাৰিব।

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৩–ৰ দ্বাৰা "সংসদ"ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(একাদশ অংশ - সংঘ আৰু ৰাজ্যসমূহৰ সম্বন্ধ)

**২৫০। জৰুৰীকালীন অৱস্থা চলি থকা সময়ত ৰাজ্যিক সূচীভুক্ত যি কোনো বিষয়ত সংসদৰ আইন প্ৰণয়নৰ ক্ষমতা** - (১) এই অংশত যি কথাই উল্লেখ নাথাকক কিয় যি সময়ছোৱাত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা বাহাল হৈ থাকে সেই সময়ছোৱাত সংসদে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ সমগ্ৰ বা কোনো ভাগ বিশেষৰ কাৰণে [1][অনুচ্ছেদ ২৪৬ক-ৰ অধীনত সামগ্ৰী আৰু সেৱা কৰ বা] ৰাজ্য-সূচীত সন্নিৱিষ্ট যিকোনো বিষয়ৰ ক্ষেত্ৰত বিধি প্ৰণয়ন কৰাৰ ক্ষমতা থাকিব।

(২) যি বিধি প্ৰণয়ন কৰাৰ কাৰণে জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণাৰ অবিহনে সংসদ সক্ষম নহয় তেনে বিধি যি পৰ্য্যন্ত অক্ষম হৈ থাকে সেই পৰ্য্যন্ত জৰুৰীকালীন অৱস্থা প্ৰৱৰ্তনৰ সমাপ্তি ঘটাৰ ছয় মাহ সময়ৰ সমাপ্তিৰ ভিতৰত আৰু উক্ত সময়ছোৱাৰ সমাপ্তিৰ আগতে কৰা কাৰ্য্য বা কৰিবলৈ লোৱা কৰ্মৰ বাহিৰে আন ক্ষেত্ৰত প্ৰভাৱহীন হ'ব।

**২৫১। অনুচ্ছেদ ২৪৯ আৰু ২৫০-ৰ অধীনত সংসদৰ দ্বাৰা সৃষ্ট বিধি আৰু ৰাজ্যিক বিধানমণ্ডলৰ দ্বাৰা সৃষ্ট বিধিৰ মাজত অসংগতি** - অনুচ্ছেদ ২৪৯ আৰু ২৫০-ৰ কোনো কথাই কোনো ৰাজ্যৰ বিধানমণ্ডলৰ এই সংবিধানৰ অধীনত কোনো বিধি প্ৰণয়ন কৰিবলৈ থকা ক্ষমতাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ নকৰে, কিন্তু কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা সৃষ্ট কোনো বিধিৰ কোনো উপবন্ধ যদি উক্ত যিকোনো অনুচ্ছেদৰ অধীনত থকা ক্ষমতাৰে সংসদৰ দ্বাৰা সৃষ্ট কোনো বিধিৰ কোনো উপবন্ধৰ বিৰুদ্ধে হয়, তেনেহ'লে সংসদৰ দ্বাৰা সৃষ্ট বিধি কাৰ্যকৰী হ'ব, লাগিলে যি ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা সৃষ্ট বিধিৰ আগতেই গৃহীত হওক বা পাছতেই গৃহীত হওক, আৰু ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা সৃষ্ট বিধি বিৰোধৰ মাত্ৰা পৰ্য্যন্ত, কিন্তু যেতিয়ালৈকে সংসদৰ দ্বাৰা সৃষ্ট বিধিৰ প্ৰভাৱ চলি থাকে তেতিয়ালৈকেহে, অকাৰ্যকৰী হ'ব।

**২৫২। সন্মতিক্ৰমে দুই বা ততোধিক ৰাজ্যৰ কাৰণে সংসদৰ বিধি প্ৰণয়ন কৰাৰ ক্ষমতা আৰু তেনে বিধি আন যি কোনো ৰাজ্যৰ দ্বাৰা গ্ৰহণ** - (১) যদি দুই বা ততোধিক ৰাজ্যৰ বিধানমণ্ডলৰ বাবে এইটো প্ৰয়োজনীয় বুলি প্ৰতীয়মান হয় যে অনুচ্ছেদ ২৪৯ আৰু ২৫০-ত বিধিবদ্ধ হোৱা ব্যতিৰেকে ৰাজ্যসমূহৰ কাৰণে বিধি প্ৰণয়ন কৰিবলৈ সংসদৰ ক্ষমতা নথকা কোনো বিষয় এনে ৰাজ্যত সংসদৰ দ্বাৰা গৃহীত বিধিৰ দ্বাৰা বিনিয়মিত হোৱা উচিত, আৰু যদি সেই ৰাজ্যসমূহৰ বিধানমণ্ডলসমূহৰ সদনৰ দ্বাৰা সেই মৰ্মে প্ৰস্তাৱ গৃহীত কৰে, তেনেহ'লে সেই বিষয়টো সেই অনুসাৰে বিনিয়মিত কৰি কোনো আইন গৃহীত কৰাটো সংসদৰ বাবে বিধিমান্য হ'ব, আৰু সেইদৰে গৃহীত যি কোনো আইন তেনে ৰাজ্যত প্ৰয়োগ হ'ব, আৰু আন যি ৰাজ্যই ইয়াৰ পিচত সেই ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা অথবা য'ত দুখন সদন থাকে, তাত তেনে প্ৰত্যেক সদনৰ দ্বাৰা সেই মৰ্মে গৃহীত প্ৰস্তাৱৰ দ্বাৰা এনে বিধি গ্ৰহণ কৰে তেনেকুৱা যি কোনো ৰাজ্যত ই প্ৰয়োগ হ'ব।

---

[1] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৫–ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) সংসদে গৃহীত কৰা এনে কোনো বিধি অনুৰূপ ৰীতিৰে অনুমোদন বা গৃহীত সংসদৰ কোনো বিধিৰ দ্বাৰা সংশোধিত বা বিলোপিত হ'ব পাৰে, কিন্তু এনে বিধি প্ৰয়োগ হোৱা কোনো ৰাজ্যৰ ক্ষেত্ৰত সেই ৰাজ্যৰ বিধানমণ্ডলৰ কোনো বিধিৰ দ্বাৰা এনে আইন সংশোধিত বা বিলুপ্ত কৰিব নোৱাৰিব।

**২৫৩। আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহ কাৰ্যকৰী কৰিবৰ অৰ্থে বিধান** - এই অধ্যায়ৰ পূৰ্বৰ উপবন্ধাৱলীত যি কথাই সন্নিৱিষ্ট নাথাকক কিয়, সংসদে সমগ্ৰ ভাৰতৰ ভূখণ্ডৰ বাবে বা কোনো অংশৰ বাবে আন কোনো দেশ বা দেশৰ সৈতে বা কোনো আন্তঃৰাষ্ট্ৰীয় সন্মিলন, সংঘ বা অন্য সংস্থাৰ সৈতে কোনো সন্ধি, চুক্তি বা চুক্তি স্বাক্ষৰৰ যিকোনো সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ যিকোনো আইন প্ৰণয়নৰ ক্ষমতা আছে।

**২৫৪। সংসদৰ দ্বাৰা সৃষ্ট বিধি আৰু ৰাজ্যিক বিধানমণ্ডলসমূহৰ দ্বাৰা সৃষ্ট বিধিৰ মাজত অসংগতি** - (১) কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা গৃহীত কোনো বিধিৰ কোনো উপবন্ধ যদি সংসদৰ দ্বাৰা গৃহীত এনে কোনো বিধিৰ উপবন্ধাৱলীৰ লগত, যি বিধি আইনলৈ ৰূপান্তৰ কৰিবলৈ সংসদ সক্ষম হয়, অথবা উমৈহতীয়া-সূচীত সন্নিৱিষ্ট বিষয়সমূহৰ কোনোটোৰ ক্ষেত্ৰত থকা বৰ্তমান বিধিৰ কোনো উপবন্ধাৱলীৰ লগত অসংগতিপূৰ্ণ হয়, তেনেহ'লে দফা (২)-ৰ উপবন্ধাৱলী সাপেক্ষে যথাস্থিতি সংসদৰ দ্বাৰা গৃহীত বিধি, লাগিলে এনে ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ আগতেই গৃহীত হওক বা পাচতেই গৃহীত হওক, অথবা বৰ্তমানৰ বিধি, প্ৰভাৱী হ'ব; আৰু ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা গৃহীত বিধিৰ বিৰোধৰ মাত্ৰা পৰ্য্যন্ত, বাতিল হ'ব।

(২) যেতিয়া উমৈহতীয়া-সূচীত সন্নিৱিষ্ট কোনো বিষয়ৰ সম্বন্ধত [১]*** কোনো ৰাজ্যৰ বিধানমণ্ডলে সৃষ্টি কৰা বিধিত এনে কোনো উপবন্ধ থাকে যিটো সংসদে আগতে কৰা কোনো বিধিৰ কোনো উপবন্ধৰ লগত বা তেনে বিষয়ৰ ক্ষেত্ৰত থকা কোনো বৰ্তমানৰ বিধিৰ উপবন্ধাৱলীৰ লগত বিৰোধ হয়, তেতিয়া যদি তেনে ৰাজ্যৰ বিধানমণ্ডলে সৃষ্টি কৰা বিধি ৰাষ্ট্ৰপতিৰ বিচাৰৰ কাৰণে সংৰক্ষিত হৈছিল আৰু তেওঁৰ অনুমোদন লাভ কৰিছিল, তেতিয়াহলে সেইদৰে সৃষ্ট বিধি সেই ৰাজ্যত কাৰ্যকৰী হ'ব:

কিন্তু, এই দফাৰ কোনো কথাই ৰাজ্যৰ বিধানমণ্ডলে তেনে বিধিৰ পৰিৱৰ্ধন, সংশোধন, সালসলনি বা বিলোপনকে ধৰি তেনে বিষয়ৰ ক্ষেত্ৰত কোনো সময়ত কোনো বিধি আইনলৈ ৰূপান্তৰিত কৰাৰ পৰা সংসদক বাৰণ কৰিব নোৱাৰিব।

**২৫৫। পৰামৰ্শ সম্পৰ্কে প্ৰয়োজনীয়তা আৰু পূৰ্বৰ মঞ্জুৰী কেৱল প্ৰক্ৰিয়াৰ বিষয় হিচাপে গণ্য হ'ব** - যদি সংসদৰ অথবা [১]*** কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কোনো অধিনিয়মত -

(ক) য'ত ৰাজ্যপালৰ অনুমোদনৰ প্ৰয়োজন হয়, তাত ৰাজ্যপাল বা ৰাষ্ট্ৰপতিয়ে;

(খ) য'ত ৰাজপ্ৰমুখৰ অনুমোদন প্ৰয়োজন হয়, তাত ৰাজপ্ৰমুখ বা ৰাষ্ট্ৰপতিয়ে;

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা খ-ত নিৰ্ধাৰিত" এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(গ) য'ত ৰাষ্ট্ৰপতিৰ অনুমোদন অথবা পূৰ্ব মঞ্জুৰী প্ৰয়োজন হয়, তাত ৰাষ্ট্ৰপতিয়ে;

অনুমতি দিছে তেনেহ'লে এনে অধিনিয়ম বা এনে অধিনিয়মৰ কোনো উপবন্ধ কেৱল এই কাৰণতে অগ্ৰাহ্য নহ'ব যে এই সংবিধানৰ মতে দিবলগীয়া অনুমোদন দিয়া হোৱা নাই বা পূৰ্ব মঞ্জুৰী পোৱা নাই।

## দ্বিতীয় অধ্যায় – প্ৰশাসনীয় সম্বন্ধ

*সাধাৰণ*

**২৫৬। ৰাজ্যসমূহ আৰু সংঘৰ বাধ্য-বাধকতা** - প্ৰত্যেক ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা এনেভাৱে প্ৰয়োগ কৰিব যাতে সংসদে কৰা বিধিৰ আৰু সেই ৰাজ্যত প্ৰয়োগ কৰা প্ৰচলিত বিধিৰ পালন নিশ্চিত কৰে, আৰু সংঘৰ কাৰ্য্যবাহী ক্ষমতা কোনো ৰাজ্যৰ প্ৰতি এনে নিৰ্দেশ দিয়ালৈকে প্ৰসাৰিত হ'ব যিটো সেই প্ৰয়োজনৰ বাবে ভাৰত চৰকাৰে আৱশ্যকীয় বোধ কৰে।

**২৫৭। কোনো কোনো বিষয়ত ৰাজ্যসমূহৰ ওপৰত সংঘৰ নিয়ন্ত্ৰণ** - (১) প্ৰত্যেক ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা এনেভাৱে প্ৰয়োগ কৰিব যাতে, সংঘৰ কাৰ্য্যবাহী ক্ষমতা প্ৰয়োগত প্ৰতিবন্ধকতা নঘটায় বা প্ৰতিকূল প্ৰভাৱ নেপেলায় আৰু সংঘৰ কাৰ্য্যবাহী ক্ষমতা কোনো ৰাজ্যৰ প্ৰতি এনে নিৰ্দেশ দিয়ালৈকে প্ৰসাৰিত হ'ব যিটো সেই প্ৰয়োজনৰ বাবে ভাৰত চৰকাৰে আৱশ্যকীয় বোধ কৰে।

(২) সংঘৰ কাৰ্যবাহী ক্ষমতা ৰাষ্ট্ৰীয় বা সামৰিক গুৰুত্বপূৰ্ণ বুলি ঘোষণা কৰা যোগাযোগৰ মাধ্যমসমূহৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত ৰাজ্যক নিৰ্দেশনা দিয়ালৈকেও প্ৰসাৰিত হ'ব:

কিন্তু, এই অংশৰ কোনো কথাই ৰাজপথ বা জলপথসমূহক ৰাষ্ট্ৰীয় ৰাজপথ বা ৰাষ্ট্ৰীয় জলপথ বুলি ঘোষণা কৰাত সংসদৰ ক্ষমতা বা তেনেকৈ ঘোষিত ৰাজপথ বা জলপথৰ ক্ষেত্ৰত কেন্দ্ৰৰ ক্ষমতা অথবা নৌবাহিনী, স্থলবাহিনী আৰু বিমান বাহিনীৰ কামকাজ সম্বন্ধীয় কাৰ্যৰ অংশ বুলি গণ্য কৰি যোগাযোগ ব্যৱস্থাৰ নিৰ্মাণ আৰু প্ৰতিপালন কৰাত সংঘৰ ক্ষমতা সীমাবদ্ধ কৰা বুলি ধৰা নহ'ব ।

(৩) সংঘৰ কাৰ্য্যবাহী ক্ষমতা কোনো ৰাজ্যৰ ভিতৰত থকা ৰেলপথ ৰক্ষা কৰাৰ কাৰণে অৱলম্বন কৰিবলগীয়া ব্যৱস্থাৰ নিমিত্তে ৰাজ্যখনৰ প্ৰতি নিৰ্দেশ দিয়ালৈকে প্ৰসাৰিত হ'ব।

(৪) দফা (২)-ৰ অধীনত কোনো যোগাযোগ ব্যৱস্থা নিৰ্মাণ বা প্ৰতিপালন সম্পৰ্কে বা দফা (৩)-ৰ অধীনত কোনো ৰেলপথৰ ৰক্ষা কৰাত অৱলম্বন কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে ৰাজ্যৰ প্ৰতি দিয়া নিৰ্দেশ পালন কৰোঁতে, তেনে নিৰ্দেশ নিদিলে ৰাজ্যৰ সাধাৰণ কৰ্তব্য পালনত হ'বলগীয়া খৰচতকৈ যদি অতিৰিক্ত খৰচ হয়, তেনেহ'লে সেই ৰাজ্যৰ দ্বাৰা কৰা অতিৰিক্ত খৰচৰ ক্ষেত্ৰত সন্মত হোৱা অনুসৰি বা সন্মতিৰ অভাৱত ভাৰতৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা নিযুক্ত মধ্যস্থতাকাৰীৰ দ্বাৰা যথা নিৰ্ধাৰিত পৰিমাণ ভাৰত চৰকাৰৰ দ্বাৰা সেই ৰাজ্যক দিয়া হ'ব।

[1][**২৫৭ক।** [*সংঘৰ সশস্ত্ৰ বাহিনী বা অন্যান্য বাহিনী নিয়োগৰ দ্বাৰা ৰাজ্যসমূহলৈ সাহায্য] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৩-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**২৫৮। কোনো কোনো বিষয়ত ৰাজ্যৰ ওপৰত ক্ষমতা আদি প্ৰদান কৰিবলৈ সংঘৰ ক্ষমতা** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে কোনো ৰাজ্যৰ চৰকাৰৰ সন্মতিক্ৰমে কেন্দ্ৰৰ কাৰ্য্যবাহী ক্ষমতাৰ পৰিসৰত থকা কোনো বিষয় সম্পৰ্কীয় কাৰ্যসমূহ কোনো চৰ্তসহ বা বিনাচৰ্তে সেই চৰকাৰৰ ওপৰত বা তাৰ পদাধিকাৰীসকলৰ ওপৰত ন্যস্ত কৰিব পাৰে।

(২) সংসদে প্ৰস্তুত কৰা আইন যিখন ৰাজ্যত আপাততঃ বলবৎ হৈ আছে, সেই আইনখনে ৰাষ্ট্ৰ বা ইয়াৰ বিষয়া আৰু কৰ্তৃপক্ষক ক্ষমতা প্ৰদান কৰে, যিটো কোনো বিষয়ৰ সৈতে জড়িত হওক বা নহওক, যাৰ ক্ষেত্ৰত ৰাজ্যৰ বিধানসভাৰ আইন প্ৰণয়নৰ কোনো ক্ষমতা নাই, তেনে ক্ষমতা প্ৰদান কৰিব পাৰে আৰু কৰ্তব্য আৰোপ কৰিব পাৰে, বা ক্ষমতা প্ৰদান আৰু কৰ্তব্য আৰোপ কৰাৰ অনুমোদন দিব পাৰে।

(৩) য'ত এই অনুচ্ছেদৰ আধাৰত কোনো ৰাজ্যৰ বা ইয়াৰ পদাধিকাৰীসকল বা প্ৰাধিকাৰীসমূহৰ ওপৰত ক্ষমতা আৰু কৰ্তব্য প্ৰদান বা ন্যস্ত কৰা হয় তেতিয়া সেই ৰাজ্যৰ দ্বাৰা সেই ক্ষমতা আৰু কৰ্তব্যসমূহ প্ৰয়োগৰ সম্পৰ্কত প্ৰশাসনত কৰা কোনো অতিৰিক্ত খৰচ সম্বন্ধত সন্মত হোৱা অনুসৰি বা সন্মতিৰ অভাৱত ভাৰতৰ মুখ্য ন্যায়াধীশে নিযুক্ত কৰা মধ্যস্থতাকাৰীৰ দ্বাৰা যথা নিৰ্ধাৰিত পৰিমাণৰ ধনৰাশি ভাৰত চৰকাৰৰ দ্বাৰা সেই ৰাজ্যক দিয়া হ'ব।

[2][**২৫৮ক। সংঘৰ ওপৰত কাৰ্য ন্যস্ত কৰিবলৈ ৰাজ্যসমূহৰ ক্ষমতা** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ভাৰত চৰকাৰৰ সন্মতিক্ৰমে ৰাজ্যৰ ৰাজ্যপালে, চৰ্তসহ বা বিনাচৰ্তে ভাৰত চৰকাৰ বা তাৰ পদাধিকাৰীসকলক, ৰাজ্যৰ যিকোনো বিষয় সম্বন্ধীয় কাৰ্য্যবাহী ক্ষমতাসমূহ ন্যস্ত কৰিব পাৰে।

[**২৫৯।** *প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ সশস্ত্ৰ বাহিনী] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**২৬০। ভাৰতৰ বাহিৰৰ ভূখণ্ড সম্পৰ্কে কেন্দ্ৰৰ ক্ষমতা** - ভাৰত চৰকাৰে ভাৰতৰ ভূখণ্ডৰ অংশ নোহোৱা যিকোনো ভূখণ্ডৰ চৰকাৰৰ সৈতে চুক্তিবদ্ধ হৈ সেই ভূখণ্ডত চৰকাৰৰ হাতত নিহিত যিকোনো কাৰ্যবাহী, বিধান বা ন্যায়িক কাম সম্পাদন কৰিব পাৰে, কিন্তু এনে প্ৰতিখন চুক্তিৰ প্ৰয়োগৰ অধীনত আপাততঃ বলবৎ থকা বিদেশী অধিকাৰক্ষেত্ৰ ইয়াৰ সৈতে জড়িত যিকোনো আইনৰ অধীনত আৰু পৰিচালিত হ'ব।

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৮-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**২৬১। ৰাজহুৱা আইন, অভিলেখ আৰু ন্যায়িক কাৰ্য্যাৱলীসমূহ** - (১) সমগ্ৰ ভাৰতৰ ভূখণ্ড আৰু প্ৰত্যেক ৰাজ্যৰ ৰাজহুৱা কাৰ্য্য, অভিলেখ আৰু ন্যায়িক কাৰ্য্যৱলীসমূহৰ প্ৰতি পূৰ্ণ বিশ্বাস আৰু প্ৰত্যয় ৰাখিব লাগিব।

(২) দফা (১)-ত নিৰ্দেশিত কাৰ্য্য, অভিলেখ আৰু কাৰ্যাৱলীসমূহ কি ৰীতিৰে আৰু কি কি চৰ্তৰ অধীনত প্ৰমাণিত কৰিব লাগিব আৰু তাৰ ফলাফল নিৰ্ধাৰিত কৰিব লাগিব সেইটো সংসদৰ দ্বাৰা সৃষ্ট বিধিৰ দ্বাৰা উপযুক্তভাৱে উপবন্ধিত হ'ব।

(৩) ভাৰতৰ যিকোনো অঞ্চলত দেৱানী আদালতে প্ৰদান কৰা চূড়ান্ত ৰায় বা আদেশ সেই ভূখণ্ডৰ ভিতৰত যিকোনো ঠাইত আইন অনুসৰি কাৰ্যকৰী হ'ব পাৰে।

*জল সম্পৰ্কীয় বিবাদ*

**২৬২। আন্তঃৰাজ্যিক নদী বা উপত্যকাৰ পানী সম্পৰ্কে বিবাদৰ বিচাৰ** - (১) কোনো আন্তঃৰাজ্যিক নদীৰ বা নদীত অথবা নদী উপত্যকাৰ বা নদী উপত্যকাত পানীৰ ব্যৱহাৰ, বিতৰণ বা নিয়ন্ত্ৰণ সম্বন্ধে কোনো বিবাদ বা গোচৰৰ বিচাৰৰ কাৰণে সংসদে বিধিৰ দ্বাৰা বিধান প্ৰস্তুত কৰিব পাৰে।

(২) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা বিধান কৰিব পাৰে যে দফা (১)-ত উল্লেখিত এনে বিবাদ বা গোচৰ সম্বন্ধে উচ্চতম ন্যায়ালয়ে নাইবা আন কোনো ন্যায়ালয়ে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ নকৰিব।

*ৰাজ্যসমূহৰ মাজত সমন্বয়*

**২৬৩। আন্তঃৰাজ্যিক পৰিষদ সম্বন্ধে উপবন্ধাৱলী** - যদি কোনো সময়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে এনে এক পৰিষদ স্থাপনৰ দ্বাৰা ৰাজহুৱা স্বাৰ্থ পূৰণ হ'ব, যাৰ ওপৰত -

(ক) বিভিন্ন ৰাজ্যৰ মাজত উদ্ভৱ হ'ব পৰা বিবাদৰ তদন্ত কৰা আৰু তাৰ ওপৰত পৰামৰ্শ প্ৰদান কৰা;

(খ) কেইখনমান বা সকলো ৰাজ্যৰ বা কেন্দ্ৰ আৰু এখন বা ততোধিক ৰাজ্যৰ একে স্বাৰ্থ থকা বিষয়ৰ অনুসন্ধান কৰা আৰু আলোচনা কৰা; অথবা

(গ) এনে যিকোনো বিষয়ৰ ওপৰত পৰামৰ্শ দিয়া আৰু বিশেষকৈ সেই বিষয়ৰ সম্পৰ্কত নীতি আৰু কাৰ্য্যৰ উন্নত সমন্বয়ৰ বাবে পৰামৰ্শ দিয়াৰ বাবে,

ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা এনে পৰিষদ স্থাপন কৰিব আৰু ইয়াৰ দ্বাৰা পালন কৰিবলগীয়া কৰ্তব্যৰ প্ৰকৃতি আৰু প্ৰক্ৰিয়াটোৰ সংজ্ঞা দিয়াটো বৈধ হ'ব।

# দ্বাদশ অংশ

# বিত্ত, সম্পত্তি, সংবিদা আৰু বাদসমূহ

## প্ৰথম অধ্যায় – বিত্ত

*সাধাৰণ*

[১][**২৬৪। ব্যাখ্যা** - এই অংশত “বিত্ত আয়োগ” মানে অনুচ্ছেদ ২৮০-ৰ অধীনত গঠিত বিত্ত আয়োগক বুজাব।]

**২৬৫। বিধিৰ প্ৰাধিকাৰ ব্যতিৰেকে কৰ আৰোপিত হ’ব নোৱাৰিব** - বিধিৰ প্ৰাধিকাৰ নোহোৱাকৈ কোনো কৰ আৰোপিত বা সংগৃহীত হ’ব নোৱাৰিব।

**২৬৬। ভাৰতৰ আৰু ৰাজ্যসমূহৰ একত্ৰীকৃত নিধি আৰু লোকলেখা** - (১) অনুচ্ছেদ ২৬৭-ৰ উপবন্ধাৱলী আৰু কৰ আৰু শুল্কৰ প্ৰকৃত আয়ৰ সম্পূৰ্ণ বা আংশিকভাৱে ৰাজ্যসমূহক অৰ্পণ কৰা সম্বন্ধত এই অধ্যায়ৰ উপবন্ধাৱলী সাপেক্ষে, ভাৰত চৰকাৰে পোৱা সকলো ৰাজহ, ট্ৰেজাৰী বিলৰ প্ৰচলন কৰি সেই চৰকাৰে গোটোৱা সকলো ঋণ, ঋণ অথবা অৰ্থোপায়ৰ অগ্ৰিম ধন আৰু ঋণ পৰিশোধস্বৰূপে সেই চৰকাৰে পোৱা সকলো ধন একত্ৰিত কৰি এটা একত্ৰীকৃত নিধি তৈয়াৰ কৰিব যিটো “ভাৰতৰ একত্ৰীকৃত নিধি” বুলি অভিহিত হ’ব, আৰু এখন ৰাজ্যৰ চৰকাৰে পোৱা সকলো ৰাজহ, ট্ৰেজাৰী বিলৰ প্ৰচলনৰ দ্বাৰা সেই চৰকাৰে গোটোৱা সকলো ঋণ, ঋণ অথবা অৰ্থোপায়ৰ অগ্ৰিম ধন আৰু ঋণ পৰিশোধস্বৰূপে সেই চৰকাৰে পোৱা সকলো ধন একত্ৰিত কৰি এটা একত্ৰীকৃত নিধি তৈয়াৰ কৰিব যিটো “ৰাজ্যখনৰ একত্ৰীকৃত নিধি” বুলি অভিহিত হ’ব।

(২) ভাৰত চৰকাৰ অথবা কোনো ৰাজ্যৰ চৰকাৰৰ দ্বাৰা বা তেওঁলোকৰ হকে প্ৰাপ্ত হোৱা আন সকলো ৰাজহুৱা ধন ভাৰতৰ লোকলেখাত বা ৰাজ্যখনৰ লোকলেখাত, যিটোৱেই প্ৰযোজ্য, জমা হ’ব।

(৩) ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা অথবা ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা কোনো ধন, বিধি ব্যতিৰেকে আৰু এই সংবিধানত প্ৰদানিত প্ৰয়োজন আৰু ৰীতি ব্যতিৰেকে বিনিয়োগ নকৰিব।

**২৬৭। আকস্মিকতা নিধি** - (১) সংসদে আইনৰ দ্বাৰা এনে এটা আকস্মিকতা নিধি স্থাপন কৰিব পাৰে যিটো অগ্ৰিম ধনৰ আকাৰত স্থাপন কৰা হ’ব আৰু ইয়াক “ভাৰতৰ আকস্মিকতা নিধি” বুলি কোৱা হ’ব, য’ত সময়ে সময়ে এনে আইনৰ দ্বাৰা নিৰ্ধাৰিত ধন জমা কৰা হ’ব, আৰু অনুচ্ছেদ ১১৫ বা অনুচ্ছেদ ১১৬-ৰ অধীনত সংসদে প্ৰস্তুত কৰা আইনৰ দ্বাৰা অনুমোদিত নহ’লে অপ্ৰত্যাশিত ব্যয় পূৰণৰ বাবে এনে নিধিৰ পৰা অগ্ৰিম ধন দিয়াৰ উদ্দেশ্যে উক্ত নিধিটো ৰাষ্ট্ৰপতিৰ নিয়ন্ত্ৰণত ৰখা হ’ব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অনুচ্ছেদ ২৬৪-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) ৰাজ্যৰ বিধানসভাই আইনৰ দ্বাৰা আকস্মিকতা নিধি স্থাপন কৰিব পাৰে, যিটো অগ্রিম ধনৰ ৰূপত হ'ব আৰু ইয়াক "ৰাজ্যৰ আকস্মিকতা নিধি" বুলি কোৱা হ'ব, য'ত সময়ে সময়ে তেনে আইনৰ দ্বাৰা নির্ধাৰিত অনুসৰি ধন জমা কৰা হ'ব আৰু উক্ত নিধিক ৰাজ্যৰ ৰাজ্যপাল [১]***ৰ নিয়ন্ত্রণত ৰখা হ'ব যাতে এনে নিধিৰ পৰা অপ্রত্যাশিত ব্যয় পূৰণ কৰিব পৰা যায়, যদিহে এনে ব্যয়ৰ ব্যৱস্থা অনুচ্ছেদ ২০৫ বা অনুচ্ছেদ ২০৬ অনুসৰি ৰাজ্যিক বিধানসভাই আইনৰ দ্বাৰা নির্ধাৰণ নকৰে।

*সংঘ আৰু ৰাজ্যসমূহৰ মাজত ৰাজহৰ বিতৰণ*

**২৬৮। কেন্দ্রই আৰোপ কৰা কিন্তু ৰাজ্যসমূহে সংগ্রহ আৰু ব্যয় কৰা শুল্ক** - (১) সংঘ-সূচীত বর্ণিত যিবোৰ মুদ্রাংক-শুল্ক [২]***, সেইবোৰ ভাৰত চৰকাৰৰ দ্বাৰা আৰোপিত হ'ব, কিন্তু সংগৃহীত হ'ব—

(ক) যিকোনো [৩][কেন্দ্রীয় শাসিত অঞ্চল]ৰ ভিতৰত আৰোপযোগ্য শুল্কৰ ক্ষেত্রত ভাৰত চৰকাৰৰ দ্বাৰা, আৰু

(খ) অন্যান্য ক্ষেত্রত, ৰাজ্যৰ ভিতৰৰ যি ক্ষেত্রত এনে ধৰণৰ শুল্ক আৰোপযোগ্য, সেইবোৰত সেই ৰাজ্যৰ দ্বাৰা।

(২) যিকোনো বিত্তীয় বর্ষত যিকোনো ৰাজ্যত আৰোপ কৰা এনে কোনো শুল্কৰ আয় ভাৰতৰ একত্রীকৃত নিধিৰ অংশ নহ'ব, বৰঞ্চ সেই ৰাজ্যক অর্পণ কৰা হ'ব।

[৪]**২৬৮ক।** *[সংঘই আৰোপ কৰা আৰু সংঘ আৰু ৰাজ্যসমূহে সংগ্রহ আৰু ব্যয় কৰা সেৱা কৰ] - সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৭-ৰ দ্বাৰা বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।*

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্রমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[২] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৬-ৰ দ্বাৰা "আৰু ঔষধীয় আৰু প্রসাধনীয় দ্রব্যৰ ওপৰত লগোৱা উৎপাদন শুল্ক" শব্দসমূহ বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্রথম অনুসূচীৰ অংশ গ-ত নির্ধাৰিত কৰা ৰাজ্যসমূহ"ৰ সলনি প্রতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৮৮ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)

**২৬৯। সংঘৰ দ্বাৰা আৰোপিত আৰু সংগৃহীত আৰু সংঘ আৰু ৰাজ্যসমূহৰ মাজত আবণ্টিত কৰসমূহ** - [১][(১) সামগ্ৰীৰ বেচা-কিনাৰ ওপৰত কৰ আৰু সামগ্ৰীৰ বিতৰণৰ কৰ [২](অনুচ্ছেদ ২৬৯ক-ত উল্লিখিতসমূহক বাদ দি) ভাৰত চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰিব, কিন্তু ১৯৯৬ চনৰ পহিলা এপ্ৰিলৰ পৰা দফা (২)-ত থকা অনুসৰি ৰাজ্যসমূহৰ ওপৰত অৰ্পণ কৰা হ'ব আৰু কৰ আৰোপ আৰু সংগ্ৰহৰ এই দায়িত্ব ৰাজ্যসমূহৰ বুলি গণ্য কৰা হ'ব।

*ব্যাখ্যা* - এই দফাৰ উদ্দেশ্যে -

ক) "সামগ্ৰীৰ বেচা-কিনাৰ ওপৰত কৰ"এ বাতৰি কাকতক বাদ দি যিসমূহ সামগ্ৰী আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্যৰ আওতাত বেচা-কিনা হয়, সেইবোৰক বুজায়।

খ) "সামগ্ৰী বিতৰণৰ ওপৰত কৰ"এ সামগ্ৰী বিতৰণৰ ওপৰত ধাৰ্য কৰা কৰক বুজায় (সেই সামগ্ৰীৰ বিতৰণ ব্যক্তিয়ে নিজৰ বাবেই কৰক বা আন যিকোনো মানুহৰ বাবেই কৰক), যত এই বিতৰণ আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্যৰ আওতাত পৰে।

(২) কোনো বিত্তীয় বৰ্ষৰ তেনে কোনো কৰৰ পৰা সংগৃহীত প্ৰকৃত আয়, (কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত আৰোপযোগ্য কৰৰ পৰা সংগৃহীত আয় ভাৰতৰ একত্ৰীকৃত নিধিৰ অংশ নহ'ব), সেই বিত্তীয় বৰ্ষৰ কৰ যিসমূহ ৰাজ্যৰ বাবে আৰোপযোগ্য, সেই ৰাজ্যসমূহৰ মাজত সংসদৰ বিধি অনুযায়ী উক্ত আয় বিতৰণ কৰা হ'ব।]

[৩](৩) কোনো [৪][বস্তু বেচা বা কিনাৰ চালান] কেতিয়া আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্যৰ অনুক্ৰমত হয় সেইটো নিৰ্ধাৰণ কৰিবৰ কাৰণে সংসদে বিধিৰ দ্বাৰা নীতি নিৰ্ধাৰণ কৰিব পাৰে।]

[৫][**২৬৯ক। আন্তঃৰাজ্যিক বেপাৰ-বাণিজ্যৰ অধীনত সামগ্ৰী আৰু সেৱা কৰৰ আৰোপ আৰু সংগ্ৰহ** - (১) আন্তঃৰাজ্যিক বেপাৰ-বাণিজ্যৰ অধীনত ৰপ্তানীকৃত সামগ্ৰী আৰু সেৱা কৰ ভাৰত চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰিব আৰু তেনে কৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সংসদৰ বিধি অনুযায়ী (সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ প্ৰস্তাৱ অনুসৰি) বিতৰণ কৰা হ'ব।

---

[১] সংবিধানৰ (৮০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (১) আৰু (২)-ৰ সলনি প্ৰতিস্থাপিত (৯-৬-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধানৰ (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৮-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১১-৯-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮২-ৰ ধাৰা ২-ৰ দ্বাৰা "সামগ্ৰীৰ বেচা-কিনা"-ৰ সলনি প্ৰতিস্থাপিত (০২-২-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ৯-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

*ব্যাখ্যা* - এই দফাৰ উদ্দেশ্যে ভাৰত ভূখণ্ডলৈ আমদানীকৃত সামগ্ৰী বা সেৱা বা উভয়ৰে যোগানক আন্তঃৰাজ্যিক ব্যৱসায় আৰু বাণিজ্যৰ অধীনত সামগ্ৰী বা সেৱা বা উভয়ৰে যোগান বুলি গণ্য কৰা হ'ব।

২) দফা (১)-ৰ অধীনত কোনো ৰাজ্যত বিতৰণ কৰা পৰিমাণ ভাৰতৰ একত্ৰীকৃত নিধিৰ অংশ নহ'ব।

৩) য'ত দফা (১)-ৰ অধীনত আৰোপিত কৰৰ সংগৃহীত পৰিমাণ অনুচ্ছেদ ২৫৬ক অনুসৰি ৰাজ্যৰ দ্বাৰা আৰোপিত কৰৰ আদায় ৰূপে ব্যৱহাৰ কৰা হয়, সেই পৰিমাণ ভাৰতৰ একত্ৰীকৃত নিধিৰ অংশ নহ'ব।

৪) য'ত অনুচ্ছেদ ২৪৬ক-ৰ অধীনত ৰাজ্যৰ দ্বাৰা আৰোপিত কৰৰ সংগৃহীত পৰিমাণ দফা (১) অনুসৰি কৰৰ আদায়ৰূপে ব্যৱহাৰ কৰা হয়, সেই পৰিমাণ ভাৰতৰ একত্ৰীকৃত নিধিৰ অংশ নহ'ব।

(৫) সংসদে উপবিধি প্ৰণয়নৰ জৰিয়তে আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্যৰ অধীনত যোগানৰ স্থান আৰু সামগ্ৰী বা সেৱা যোগানৰ সময়, বা উভয়ৰ বাবে নীতি নিৰ্ধাৰণ কৰিব পাৰে।

[১][**২৭০। সংঘ আৰু ৰাজ্যসমূহৰ মাজত কৰ আৰোপণ আৰু বিতৰণ** - (১) [২][অনুচ্ছেদ ২৬৮, ২৬৯ আৰু ২৬৯ক]-ত উল্লেখ কৰা শুল্ক আৰু কৰৰ বাহিৰে কেন্দ্ৰীয় তালিকাত উল্লেখ কৰা সকলো কৰ আৰু শুল্ক, যথাক্ৰমে অনুচ্ছেদ ২৭১-ত উল্লেখ কৰা কৰ আৰু শুল্কৰ ওপৰত আৰোপ কৰা অতিৰিক্ত শুল্ক আৰু সংসদে প্ৰণয়ন কৰা কোনো আইনৰ অধীনত নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে আৰোপ কৰা কোনো উপকৰ ভাৰত চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰিব আৰু সংঘ আৰু ৰাজ্যসমূহৰ মাজত ধাৰা (২)-ত উল্লেখ কৰা ধৰণে বিতৰণ কৰিব।

[৩][(১ক) অনুচ্ছেদ ২৪৬ক-ৰ ধাৰা (১) অনুসৰি সংঘই সংগ্ৰহ কৰা কৰ ধাৰা (২)-ত উল্লেখ কৰা ধৰণে সংঘ আৰু ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হ'ব।

(১খ) অনুচ্ছেদ ২৪৬ক-ৰ ধাৰা (২) আৰু অনুচ্ছেদ ২৬৯ক-ৰ অধীনত সংঘই আৰোপ আৰু সংগ্ৰহ কৰা কৰ, যি অনুচ্ছেদ ২৪৬ক-ৰ ধাৰা (১)-ৰ অধীনত সংঘই আৰোপ কৰা কৰ পৰিশোধৰ বাবে ব্যৱহৃত হৈছে, আৰু অনুচ্ছেদ ২৬৯ক-ৰ ধাৰা (১) অনুসৰি সংঘলৈ আবণ্টন কৰা ধন, ধাৰা (২)-ত উল্লেখ কৰা ধৰণে সংঘ আৰু ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হ'ব।]

---

[১] সংবিধান (৮০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ২৭০-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৯৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৮৮ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৩-ৰ দ্বাৰা "অনুচ্ছেদ ২৬৮ আৰু ২৬৯"-ৰ সলনি প্ৰতিস্থাপিত (কাৰ্যকৰী কৰা নাই) আৰু পৰৱৰ্তী সময়ত সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১০-ৰ দ্বাৰা "অনুচ্ছেদ ২৬৮, ২৬৮ক আৰু ২৬৯"-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ১০-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) কোনো বিত্তীয় বৰ্ষৰ এনে কোনো কৰ বা শুল্কৰ প্ৰকৃত আয়ৰ এনে শতাংশ, যিবোৰ বিহিত কৰা হ'ব পাৰে, সেইবোৰ ভাৰতৰ একত্ৰীকৃত নিধিৰ অংশ নহ'ব, কিন্তু সেই বছৰ যিবোৰ ৰাজ্যত সেই কৰ বা শুল্ক আৰোপ কৰা হৈছিল সেইবোৰত নিয়োজন কৰা হ'ব, আৰু দফা ৩-ত নিৰ্দিষ্ট কৰা ধৰণে আৰু নিৰ্দিষ্ট কৰা সময়ৰ পৰা সেই ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হ'ব।

(৩) এই অনুচ্ছেদত "বিহিত"ৰ অৰ্থ-

(i) কোনো বিত্ত-আয়োগ গঠিত নোহোৱা পৰ্য্যন্ত ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা বিহিত কৰা, আৰু

(ii) কোনো বিত্ত-আয়োগ গঠিত হোৱাৰ পিচত বিত্ত-আয়োগৰ পৰামৰ্শসমূহ বিবেচনা কৰি ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা বিহিত কৰা।]

**২৭১। সংঘৰ উদ্দেশ্যৰ বাবে কিছুমান শুল্ক আৰু কৰৰ ওপৰত অতিৰিক্ত মাচুল** - অনুচ্ছেদ ২৬৯ আৰু ২৭০-ত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে যিকোনো সময়তে, সেই অনুচ্ছেদ [১][অনুচ্ছেদ ২৪৬ক-ৰ অধীনৰ সামগ্ৰী আৰু সেৱা কৰৰ বাহিৰে]-ত নিৰ্দেশিত যিকোনো শুল্ক বা কৰ সংঘৰ বাবে অতিৰিক্ত মাচুল লগাই বৃদ্ধি কৰিব পাৰে আৰু এনে যিকোনো অতিৰিক্ত মাচুলৰ পৰা প্ৰাপ্ত সকলো ধন ভাৰতৰ একত্ৰীকৃত নিধিৰ ভাগ বিশেষ হ'ব।

[**২৭২।** *সংঘই ধাৰ্য আৰু সংগ্ৰহ কৰা আৰু সংঘ আৰু ৰাজ্যসমূহৰ মাজত বিতৰণ কৰিব পৰা কৰসমূহ] - সংবিধান (৮০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০-ৰ ধাৰা ৪-ৰ দ্বাৰা বিলোপিত (৯-৬-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**২৭৩। মৰাপাট আৰু মৰাপাটৰ পৰা উৎপন্ন বস্তুৰ ৰপ্তানি শুল্কৰ পৰিৱৰ্তে অনুদান** - (১) অসম, বিহাৰ, [২]ওড়িষা আৰু পশ্চিমবংগ ৰাজ্যৰ ৰাজহ অনুদান-সাহায্যৰ জৰিয়তে, মৰাপাট আৰু মৰাপাটৰ সামগ্ৰীৰ ওপৰত ৰপ্তানি শুল্কৰ প্ৰতিটো বছৰতে প্ৰকৃত আয়ৰ এটা অংশ সেই ৰাজ্যসমূহৰ ওচৰত সমৰ্পণ কৰাৰ পৰিৱৰ্তে, ভাৰতৰ উমৈহতীয় পুঁজিৰূপে নিৰ্ধাৰণ কৰা হ'ব আৰু ধনৰাশি আদায় কৰা হ'ব।

(২) ভাৰত চৰকাৰে মৰাপাট বা মৰাপাটৰ ওপৰত কোনো আবকাৰী শুল্ক আৰোপ নকৰালৈকে বা এই সংবিধান আৰম্ভ হোৱাৰ পৰা দহ বছৰৰ ম্যাদ উকলি যোৱালৈকে, যিটোৱেই আগত হ'ব, ভাৰতৰ একত্ৰীকৃত নিধিত আৰোপিত হ'ব।

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১১-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] ওড়িষা (নাম পৰিৱৰ্তন) অধিনিয়ম ২০১১ (২০১১-ৰ ১৫)-ৰ ধাৰা ৫-ৰ দ্বাৰা "উৰিষ্যা"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২০১১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৩) এই অনুচ্ছেদত “নিৰ্ধাৰিত” শব্দৰ অৰ্থ অনুচ্ছেদ ২৭০-ত থকা এই শব্দৰ অৰ্থৰ সৈতে একে হ’ব।

**২৭৪। ৰাজ্যসমূহৰ স্বাৰ্থ নিহিত থকা কৰ সম্পৰ্কীয় বিধেয়কসমূহৰ বাবে ৰাষ্ট্ৰপতিৰ পূৰ্ব পৰামৰ্শ প্ৰয়োজনীয়তা** - (১) কোনো বিধেয়ক বা সংশোধনীয়ে, ৰাজ্যসমূহৰ স্বাৰ্থ নিহিত হৈ থকা কোনো কৰ বা শুল্ক আৰোপ বা পৰিৱৰ্তন কৰে, অথবা যি ভাৰতীয় আয়-কৰ সম্পৰ্কীয় অধিনিয়মসমূহৰ প্ৰয়োজনৰ বাবে সংজ্ঞয়িত কৰা “কৃষি-আয়” বোলা শব্দাৱলীৰ অৰ্থ পৰিৱৰ্তন কৰে, অথবা যি এই অধ্যায়ৰ পূৰ্বৱৰ্তী উপবন্ধাৱলী যি কোনো উপবন্ধৰ অধীনত ৰাজ্যসমূহক ধন ভাগ কৰি দিয়া বা দিব পৰা নীতিসমূহক প্ৰভাৱিত কৰে, অথবা যি কেন্দ্ৰৰ প্ৰয়োজনৰ বাবে এই অধ্যায়ৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত উল্লিখিত এনে কোনো উপৰঞ্চি কৰ আৰোপ কৰে, তেনে বিধেয়ক বা সংশোধন সংসদৰ কোনোটো সদনতে ৰাষ্ট্ৰপতিৰ চুপাৰিছ অবিহনে উত্থাপিত বা প্ৰস্তাৱিত কৰিব নোৱাৰিব।

(২) এই অনুচ্ছেদত, “ৰাজ্যসমূহৰ স্বাৰ্থ নিহিত কৰ বা শুল্ক” বাক্যাংশৰ অৰ্থ –

(ক) কোনো কৰ বা শুল্ক যাৰ প্ৰকৃত আয়ৰ সমগ্ৰ বা অংশ বিশেষ কোনো ৰাজ্যক প্ৰদান কৰা হয়; অথবা

(খ) কোনো কৰ বা শুল্ক যাৰ প্ৰকৃত আয়ৰ প্ৰতি লক্ষ্য ৰাখি কোনো ৰাজ্যক ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা সাময়িকভাৱে ধনৰাশি দিবলগীয়া হয়।

**২৭৫। কিছুমান ৰাজ্যলৈ সংঘৰ পৰা অনুদান** - (১) সংসদে আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰিবলগীয়া ৰাশিসমূহ প্ৰতি বছৰে ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা সংসদে সাহায্যৰ প্ৰয়োজন বুলি বিৱেচনা কৰা ৰাজ্যসমূহক ৰাজহৰ অনুদান হিচাপে আদায় দিয়া হ’ব, আৰু বিভিন্ন ৰাজ্যৰ বাবে বিভিন্ন ৰাশি নিৰ্ধাৰণ কৰিব পাৰিব:

কিন্তু, ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা যিকোনো ৰাজ্যৰ ৰাজহৰ অংশৰ সেই ৰাজ্যখনে উন্নয়নৰ এনে আঁচনিৰ খৰচ পূৰণ কৰিবলৈ প্ৰয়োজনীয় মূলধন আৰু পৰ্যাপ্ত নোহোৱা ধন অনুদান-সাহায্যৰ জৰিয়তে প্ৰদান কৰা হ’ব, সেই ৰাজ্যত অনুসূচিত জনজাতিসকলৰ কল্যাণৰ উদ্দেশ্যে বা অনুসূচিত অঞ্চলসমূহৰ প্ৰশাসনৰ স্তৰ, বাকী থকা অঞ্চলসমূহৰ প্ৰশাসনৰ স্তৰলৈ উন্নীত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে নিৰ্ধাৰণ কৰিব পাৰে:

অধিকন্তু, ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা অসম ৰাজ্যক ৰাজহৰ সাহায্য-অনুদান ৰূপে এনে মূলধন আৰু আৱৰ্তক ধনৰাশি দিয়া হ’ব, যাৰ পৰিমাণ –

(ক) ষষ্ঠ অনুসূচীৰ পেৰেগ্ৰাফ ২০-ত সংলগ্ন তালিকাৰ [১][অংশ – ১]-ত নিৰ্দিষ্ট কৰা জনজাতি ক্ষেত্ৰৰ প্ৰশাসনৰ সম্বন্ধত এই সংবিধানৰ আৰম্ভণিৰ ঠিক দুবছৰৰ পূৰ্বে ৰাজহৰ ওপৰত হোৱা অতিৰিক্ত ব্যয়ৰ গড়ৰ সমান হয়; আৰু

(খ) উক্ত ক্ষেত্ৰবিলাকৰ প্ৰশাসনীয় মান সেই ৰাজ্যৰ বাকী অঞ্চলৰ সমপৰ্য্যায়লৈ উন্নীত কৰাৰ প্ৰয়োজনৰ বাবে ভাৰত চৰকাৰৰ অনুমোদন ক্ৰমে সেই ৰাজ্যৰ চৰকাৰৰ দ্বাৰা হাতত লোৱা বিকাশ যোজনাৰ খৰচৰ সমান হয়।

[২][(১ক) অনুচ্ছেদ ২৪৪ক-ৰ অধীনত স্বায়ত্ত শাসিত ৰাজ্যখন গঠিত হ'লে আৰু হোৱাৰ পৰা, -

(i) দফা (১)-ৰ দ্বিতীয় ব্যতিক্ৰমৰ দফা (ক)-ৰ অধীনত দিবলগীয়া যিকোনো ধনৰাশি, যদি সেই দফাত নিৰ্দেশিত সকলোবোৰ জনজাতি ক্ষেত্ৰ স্বায়ত্ত শাসিত অঞ্চলত অন্তৰ্ভুক্ত হয়, তেনেহ'লে স্বায়ত্ত শাসিত অঞ্চলক সেই ধনৰাশি দিয়া হ'ব, আৰু যদি সেই জনজাতি ক্ষেত্ৰসমূহৰ কিছুমানহে স্বায়ত্ত শাসিত অঞ্চলখনত অন্তৰ্ভুক্ত হয়, তেনেহ'লে ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা উপযুক্তভাবে নিৰ্দিষ্ট কৰা অনুসৰি অসম ৰাজ্য আৰু স্বায়ত্ত শাসিত অঞ্চলখনৰ মাজত বিভাজিত হ'ব;

(ii) ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা স্বায়ত্ত শাসিত অঞ্চলৰ ৰাজহৰ সাহায্য অনুদান ৰূপে এনে পৰিমাণৰ মূলধন আৰু ধনৰাশি দিয়া হ'ব যাৰ পৰিমাণ সেই ৰাজ্যৰ অসম ৰাজ্যৰ বাকী অঞ্চলৰ প্ৰশাসনীয় মান সমপৰ্য্যায়লৈ উন্নীত কৰাৰ প্ৰয়োজনৰ বাবে প্ৰদান কৰা হব আৰু সেই পৰিমান ভাৰত চৰকাৰৰ অনুমোদন ক্ৰমে স্বায়ত্ত শাসিত অঞ্চলৰ দ্বাৰা হাতত লোৱা বিকাশ-যোজনাৰ খৰচৰ সমান হয়।

(২) দফা (১)-ৰ অধীনত সংসদে উপবন্ধ নকৰালৈকে সেই দফাৰ অধীনত সংসদক প্ৰদান কৰা ক্ষমতাসমূহ ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা প্ৰয়োগ কৰিব পাৰে আৰু এই দফাৰ অধীনত ৰাষ্ট্ৰপতিয়ে দিয়া যিকোনো আদেশ সংসদে দিয়া কোনো আদেশৰ অধীনত নোহোৱা যিকোনো ব্যৱস্থাৰ অধীনত কাৰ্যকৰী হ'ব:

কিন্তু, কোনো বিত্ত আয়োগ গঠিত হোৱাৰ পিচত সেই বিত্ত আয়োগৰ পৰামৰ্শসমূহ বিৱেচনা কৰি দিয়াৰ বাহিৰে এই দফাৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা কোনো আদেশ দিয়া নহ'ব।

**২৭৬। পেছা, ব্যৱসায়, জীৱিকা আৰু নিয়োগৰ ওপৰত কৰ** - (১) অনুচ্ছেদ ২৪৬-ত যি কথাই উল্লেখ নাথাকক কিয়, ৰাজ্য বা তাৰ অন্তৰ্গত পৌৰসভা, জিলা বোৰ্ড, স্থানীয় বোৰ্ড বা আন স্থানীয় প্ৰাধিকাৰীৰ উপকাৰৰ অৰ্থে কোনো বিধানমণ্ডলে বৃত্তি, বেপাৰ, জীৱিকা বা নিয়োগৰ ওপৰত লগোৱা কৰ সম্বন্ধীয় বিধান এই আধাৰৰ ওপৰত অবিধিমান্য নহ'ব যে সেই বিধান আয়ৰ ওপৰত লগোৱা কৰ সম্পৰ্কীয় হ'ব।

---

[১] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা "অংশ ক"-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (২২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৯-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-৯-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) কোনো এক ব্যক্তিয়ে ৰাজ্য অথবা কোনো এখন পৌৰসভা, জিলা বোৰ্ড, স্থানীয় বোৰ্ড বা আন স্থানীয় প্ৰাধিকাৰীক বৃত্তি, বেপাৰ, জীৱিকা আৰু নিয়োগৰ সম্বন্ধত দিবলগীয়া কৰৰ মুঠ পৰিমাণ বছৰত [1][দুহাজাৰ পাঁচশ টকা]-তকৈ অধিক নহ'ব।

[2]* * * *

(৩) পেছা, ব্যৱসায়, বৃত্তি আৰু নিয়োগৰ ওপৰত লগোৱা কৰ সন্দৰ্ভত পূৰ্বতে উল্লেখ কৰা ধৰণে আইন প্ৰণয়ন কৰাৰ ক্ষমতাক সংসদৰ ফালৰ পৰা আহৰণ কৰা বা উদ্ভৱ হোৱা আয়ৰ ওপৰত কৰ সম্পৰ্কে কোনো আইন প্ৰণয়নৰ কোনো ক্ষমতা আৰোপ কৰা বুলি গণ্য কৰা নহ'ব, ই বৃত্তি, ব্যৱসায়, বৃত্তি আৰু নিয়োগৰ পৰা যিকোনো ধৰণেৰে সম্পৰ্কিত আইন প্ৰণয়নৰ ক্ষমতা সীমিত কৰে।

**২৭৭। ৰেহাই** - এই সংবিধান বলবৎ হোৱাৰ লগে লগে ৰাজ্য, পৌৰসভা, জিলা বা অন্যান্য স্থানীয় অঞ্চলৰ উদ্দেশ্যে কোনো ৰাজ্য চৰকাৰে বা কোনো পৌৰসভা বা অন্য স্থানীয় কৰ্তৃপক্ষ বা সংস্থাই আইনগতভাৱে আৰোপ কৰা যিকোনো কৰ, শুল্ক, ভূমিশুল্কৰ বাহিৰে অন্য ক্ষেত্ৰত প্ৰয়োগ কৰা কৰ বা মাচুল, সেই কৰ, শুল্ক, ভূমিশুল্কৰ বাহিৰে অন্য ক্ষেত্ৰত প্ৰয়োগ কৰা কৰ বা মাচুলৰ কথা কেন্দ্ৰীয় তালিকাত উল্লেখ কৰা হৈছে যদিও সংসদে আইনৰ দ্বাৰা ইয়াৰ বিপৰীত ব্যৱস্থা নকৰালৈকে সেইবোৰ একে উদ্দেশ্যৰ বাবে আৰোপ আৰু বলবৎ হৈ থাকিব।

**২৭৮।** *[কিছুমান বিত্তীয় বিষয়ৰ সন্দৰ্ভত প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ সৈতে চুক্তি] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।*

**২৭৯। "প্ৰকৃত আয়" আদিৰ গণনা** - (১) এই অধ্যায়ৰ পূৰ্বোক্ত উপবন্ধাৱলীত কোনো কৰ বা শুল্কৰ সম্পৰ্কত "প্ৰকৃত আয়" মানে সংগ্ৰহ কৰা ব্যয় বাদে কৰ বা শুল্কৰ পৰা পোৱা আয় আৰু সেই উপবন্ধাৱলীৰ প্ৰয়োজনৰ বাবে কোনো ক্ষেত্ৰৰ ভিতৰত বা তাৰ পৰা পোৱা বুলি ধৰা যি কোনো কৰ বা শুল্কৰ প্ৰকৃত আয় বা যিকোনো কৰ বা শুল্কৰ কোনো অংশৰ শুদ্ধ আয় ভাৰতৰ নিয়ন্ত্ৰক-মহালেখা পৰীক্ষকৰ দ্বাৰা সুনিশ্চিত আৰু প্ৰমাণিত হ'ব লাগিব আৰু তেওঁৰ প্ৰমাণপত্ৰই চূড়ান্ত হ'ব।

(২) পূৰ্বতে উল্লেখ কৰা অনুসৰি, আৰু এই অধ্যায়ৰ অন্য কোনো স্পষ্ট উপবন্ধৰ অধীনত, সংসদ বা ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা নিৰ্মিত যিকোনো আইন, যিকোনো ক্ষেত্ৰতে, য'ত এই অংশৰ অধীনত যিকোনো শুল্ক বা কৰ আয় কোনো ৰাষ্ট্ৰক অৰ্পণ কৰা হয়, বা অৰ্পণ কৰা হ'ব পাৰে, এটা বিত্তীয় বৰ্ষ আৰু আন এটা বিত্তীয় বৰ্ষৰ মাজত সালসলনি কৰাৰ বাবে আয় গণনা কৰাৰ ধৰণ, সময় বা কোন সময়ত আৰু যিকোনো ধৰণৰ ধন পৰিশোধ কৰা হ'ব, আৰু অন্যান্য আকস্মিক বা সহায়ক বিষয়ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

---

[1] সংবিধান (৬০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৮-ৰ ধাৰা ২-ৰ দ্বাৰা "দুহাজাৰ পঞ্চাশ টকা"-ৰ সলনি প্ৰতিস্থাপিত (২০-১২-১৯৮৮-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা ব্যতিক্ৰম বিলোপিত (২০-১২-১৯৮৮-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।

[1][**২৭৯ক৷ সামগ্ৰী আৰু সেৱা কৰ পৰিষদ** - (১) ৰাষ্ট্ৰপতিয়ে সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬ বলবৎ হোৱাৰ তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত আদেশ অনুসৰি "সামগ্ৰী আৰু সেৱা কৰ পৰিষদ" বুলি এখন পৰিষদ গঠন কৰিব।

(২) "সামগ্ৰী আৰু সেৱা কৰ পৰিষদ" তলত উল্লেখ কৰা সদস্যৰে গঠিত হ'ব, যথা -

(ক) কেন্দ্ৰীয় বিত্তমন্ত্ৰী – অধ্যক্ষ;

(খ) ৰাজহ বা বিত্তৰ দায়িত্বত থকা কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী – সদস্য;

(গ) বিত্ত বা কৰ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী বা প্ৰতিখন ৰাজ্য চৰকাৰে মনোনীত কৰা আন যিকোনো মন্ত্ৰী – সদস্য।

(৩) দফা (২)-ৰ উপদফা (গ)-ত উল্লেখ কৰা সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ সদস্যসকলে যিমান সোনকালে পাৰে, নিজৰ মাজৰ পৰা এজনক, তেওঁলোকে সিদ্ধান্ত গ্ৰহণ কৰা সময়ৰ বাবে, পৰিষদৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচন কৰিব লাগিব।

(৪) সামগ্ৰী আৰু সেৱা কৰ পৰিষদে কেন্দ্ৰীয় আৰু ৰাজ্যসমূহক তলত দিয়া ধৰণে পৰামৰ্শ আগবঢ়াব –

(ক) কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য আৰু স্থানীয় সংস্থাসমূহে আৰোপ কৰা কৰ, বিশেষ কৰ আৰু অতিৰিক্ত মাচুল যিবোৰ সামগ্ৰী আৰু সেৱা কৰত অন্তৰ্ভুক্ত হ'ব পাৰে;

(খ) সামগ্ৰী আৰু সেৱা কৰৰ অন্তৰ্ভুক্ত হ'ব পৰা বা ইয়াৰ পৰা বাদ দিব পৰা সামগ্ৰী আৰু সেৱাসমূহ;

(গ) আদৰ্শ সামগ্ৰী আৰু সেৱা কৰ বিধিসমূহ, ধাৰ্য কৰাৰ নীতি, অনুচ্ছেদ ২৬৯ক-ৰ অধীনত আন্তঃৰাজ্যিক ব্যৱসায় বা বাণিজ্যৰ যোগানৰ ওপৰত ধাৰ্য কৰা সামগ্ৰী আৰু সেৱা কৰৰ আবণ্টন আৰু যোগানৰ স্থান নিৰ্ধাৰণৰ নীতিসমূহ।

(ঘ) বাৰ্ষিক ক্ৰয়-বিক্ৰয়ৰ সৰ্বোচ্চ সীমা স্থিৰ কৰি তাতকৈ কম সামগ্ৰী আৰু সেৱাসমূহক সামগ্ৰী আৰু সেৱা কৰৰ পৰা ৰেহাই দিব পাৰি।

(ঙ) সামগ্ৰী আৰু সেৱা কৰৰ অধীনত ন্যূনতম দৰকে সামৰি সকলো দৰ।

(চ) প্ৰাকৃতিক বিপৰ্যয় বা দুৰ্যোগৰ সময়ত অতিৰিক্ত সম্পদ আহৰণৰ অৰ্থে এটা নিৰ্দিষ্ট সময়ৰ বাবে ধাৰ্য কৰা যিকোনো দৰ বা বিশেষ দৰ।

---

[1] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১২-ৰ দ্বাৰা অন্তঃস্থাপিত (১২-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ছ) অৰুণাচল প্ৰদেশ, অসম, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম, ত্ৰিপুৰা, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ড ৰাজ্যসমূহৰ বাবে বিশেষ উপবন্ধ; আৰু

(জ) পৰিষদে নিৰ্ধাৰণ কৰিব পৰা সামগ্ৰী আৰু সেৱা কৰৰ লগত সম্পৰ্কিত আন কোনো বিষয়।

(৫) সামগ্ৰী আৰু সেৱা কৰ পৰিষদে অপৰিশোধিত খাৰুৱা তেল, হাই স্পীড ডিজেল, মটৰ স্পিৰিট (সাধাৰণতে পেট্ৰ'ল ৰূপে অভিহিত), প্ৰাকৃতিক গেছ আৰু বিমানৰ টাৰ্বাইন ইন্ধনৰ ওপৰত সামগ্ৰী আৰু সেৱা কৰ ধাৰ্য কৰাৰ তাৰিখ চুপাৰিছ কৰিব।

(৬) এই অনুচ্ছেদে প্ৰদান কৰা কাৰ্যাৱলী পালন কৰোঁতে, সামগ্ৰী আৰু সেৱা কৰ পৰিষদে এটা সুসংহত সামগ্ৰী আৰু সেৱা কৰ গাঁঠনি আৰু সামগ্ৰী আৰু সেৱাৰ বাবে এটা সুসংহত ৰাষ্ট্ৰীয় বজাৰৰ বিকাশৰ প্ৰয়োজনীয়তাৰ দ্বাৰা পৰিচালিত হ'ব।

(৭) সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ সভাসমূহত মুঠ সদস্যৰ অৰ্ধেক সংখ্যকে থূল (ক'ৰাম) গঠন কৰিব।

(৮) সামগ্ৰী আৰু সেৱা কৰ পৰিষদে ইয়াৰ কাৰ্যাৱলী পালনৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিব।

(৯) সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ প্ৰতিটো সিদ্ধান্ত সভাত উপস্থিত থকা আৰু ভোট দিয়া সদস্যসকলৰ মুঠ ভোটৰ অতি কমেও তিনি-চতুৰ্থাংশৰ সমৰ্থনত নিম্নলিখিত নীতিসমূহৰ ভিত্তিত গৃহীত হ'ব; যথা -

(ক) কেন্দ্ৰীয় চৰকাৰৰ ভোটৰ মূল্য মুঠ প্ৰদত্ত ভোটৰ এক-তৃতীয়াংশ হ'ব, আৰু

(খ) সকলোবোৰ ৰাজ্য চৰকাৰৰ একত্ৰিত ভোটৰ মূল্য সেই সভাত মুঠ প্ৰদত্ত ভোটৰ দুই-তৃতীয়াংশ হ'ব।

(১০) সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ কোনো কাৰ্য বা কাৰ্যক্ৰমণিকা কেৱল নিম্নলিখিত কাৰণৰ বাবে অবৈধ নহ'ব -

(ক) পৰিষদৰ কোনো পদ খালী বা গঠনত কোনো ত্ৰুটি থকাৰ বাবে; বা

(খ) পৰিষদৰ সদস্য হিচাপে কোনো ব্যক্তিৰ নিয়োগত কোনো ত্ৰুটি থকাৰ বাবে; বা

(গ) পৰিষদৰ কোনো প্ৰক্ৰিয়াগত অনিয়ম, যিয়ে বিষয়টোৰ যোগ্যতাক প্ৰভাৱিত নকৰে।

(১১) সামগ্ৰী আৰু সেৱা কৰ পৰিষদে ইয়াৰ পৰামৰ্শ বা তাৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত হ'ব পৰা নিম্নলিখিত বিবাদসমূহ নিষ্পত্তিৰ বাবে কাৰ্যপ্ৰণালী স্থাপন কৰিব -

(ক) ভাৰত চৰকাৰ আৰু এখন বা ততোধিক ৰাজ্যৰ মাজত; বা

(খ) এফালে ভাৰত চৰকাৰ আৰু এখন বা ততোধিক ৰাজ্য আৰু আনফালে এখন বা ততোধিক ৰাজ্যৰ মাজত; বা

(গ) দুখন বা ততোধিক ৰাজ্যৰ মাজত।]

**২৮০। বিত্ত আয়োগ** - (১) এই সংবিধানৰ আৰম্ভণিৰ পৰা দুবছৰৰ ভিতৰত আৰু তাৰ পাচতো প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অথবা ৰাষ্ট্ৰপতিয়ে আৱশ্যক বুলি বিবেচনা কৰিলে ইয়াৰ আগতেই ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা এখন বিত্ত আয়োগ গঠন কৰিব আৰু ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত এজন সভাপতি আৰু চাৰিজন আন সদস্যৰে সেই আয়োগ গঠিত হ'ব।

(২) আয়োগৰ সদস্য হিচাপে নিযুক্তিৰ বাবে প্ৰয়োজনীয় অৰ্হতা আৰু তেওঁলোকৰ নিৰ্বাচনৰ ধৰণ সংসদে আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰে।

(৩) আয়োগৰ কৰ্তব্য হ'ব–

(ক) এই অধ্যায়ৰ অধীনত তেওঁলোকৰ মাজত বিভক্ত হ'বলগীয়া বা হ'ব পৰা কৰ প্ৰকৃত আয়ৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিতৰণ আৰু এনে আয়ৰ নিজ নিজ অংশ ৰাজ্যসমূহৰ মাজত আবণ্টন;

(খ) ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ৰাজ্যসমূহৰ ৰাজহলৈ অনুদান-সাহায্য নিয়ন্ত্ৰণ কৰা নীতি;

[১][(খখ) ৰাজ্যৰ বিত্ত আয়োগে দিয়া পৰামৰ্শৰ ভিত্তিত ৰাজ্যৰ পঞ্চায়তসমূহৰ সম্পদ পৰিপূৰক হিচাপে ৰাজ্যৰ একত্ৰীকৃত নিধি বৃদ্ধিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা;]

[২][(গ) ৰাজ্যৰ বিত্ত আয়োগৰ দ্বাৰা আগবঢ়োৱা পৰামৰ্শসমূহৰ ভিত্তিত ৰাজ্যৰ পৌৰসভাসমূহৰ সম্পদৰাজিৰ পৰিপূৰক হিচাপে কোনো ৰাজ্যৰ একত্ৰীকৃত নিধি বৃদ্ধি কৰিবলৈ আৱশ্যকীয় ব্যৱস্থাসমূহ গ্ৰহণৰ বিষয়ত;]

[৩][(ঘ)] বিত্তীয় সচ্ছলতাৰ হেতু ৰাষ্ট্ৰপতিৰ দ্বাৰা আয়োগলৈ নিৰ্দেশিত আন যিকোনো বিষয় সম্পৰ্কে;

(৪) বিত্ত আয়োগে তেওঁলোকৰ প্ৰক্ৰিয়া নিজে নিৰ্ধাৰণ কৰিব আৰু তেওঁলোকৰ কাৰ্য সম্পাদন বিষয়ত সংসদে বিধিৰ দ্বাৰা যি ক্ষমতা প্ৰদান কৰে সেই ক্ষমতাৰ অধিকাৰী হ'ব।

---

[১] সংবিধান (৭৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (২৪-৪-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৬-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা উপদফা (গ)-ক উপদফা (ঘ) ৰূপে পুনঃক্ৰমাংকিত (১-৬-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(দ্বাদশ অংশ - বিত্ত, সম্পত্তি, সংবিদা আৰু বাদসমূহ)

**২৮১। বিত্ত আয়োগৰ পৰামৰ্শাৱলী** - ৰাষ্ট্ৰপতিয়ে বিত্ত আয়োগে দিয়া প্ৰতিটো পৰামৰ্শৰ লগতে ইয়াৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ ব্যাখ্যামূলক প্ৰতিবেদন প্ৰতিটো সংসদৰ সদনতে উত্থাপন কৰিবলৈ বাধ্য কৰিব।

*বিবিধ বিত্তীয় উপবন্ধসমূহ*

**২৮২। কেন্দ্ৰ বা ৰাজ্যৰ দ্বাৰা নিজৰ ৰাজহৰ পৰা কৰিবলগীয়া ব্যয়** - কেন্দ্ৰ বা ৰাজ্যই যিকোনো সাৰ্বজনিক প্ৰয়োজনৰ বাবে যিকোনো অনুদান দিব পাৰিব, যদিওবা সেই প্ৰয়োজনটো এনে এক প্ৰয়োজন নহয় যাৰ সম্পৰ্কত সংসদে বা সেই ৰাজ্যৰ বিধানমণ্ডলে, যিটোৱেই প্ৰযোজ্য, বিধি প্ৰণয়ন কৰিব পাৰে।

**২৮৩। একত্ৰীকৃত নিধি, আকস্মিকতা নিধি আৰু ৰাজহুৱা লেখাত জমা কৰা ধনৰ ৰক্ষেণাবেক্ষণ, ইত্যাদি** - (১) ভাৰতৰ একত্ৰীকৃত নিধি আৰু আকস্মিকতা নিধিৰ ৰক্ষণবেক্ষণ, এনে নিধিত ধন জমা দিয়া, তাৰ পৰা ধন উলিওৱা, ভাৰত চৰকাৰৰ দ্বাৰা বা হকে প্ৰাপ্ত আৰু উক্ত ধৰণৰ নিধিত জমা কৰাৰ ধনৰ বাহিৰে আন ৰাজহুৱা ধনৰ ৰক্ষণাবেক্ষণ, ভাৰতৰ ৰাজহুৱা লেখালৈ সেই ধন দিয়া আৰু তেনে লেখাৰ পৰা ধন উলিওৱা আৰু পূৰ্বোক্ত বিষয়ৰ সৈতে সংযুক্ত বা তাৰ সহায়ক আন সকলো বিষয়ৰ নিয়ন্ত্ৰণ সংসদৰ দ্বাৰা অনুমোদিত বিধিৰ দ্বাৰা হ’ব, আৰু যেতিয়ালৈকে সেই মৰ্মে উপবন্ধ প্ৰস্তুত কৰা নহয়, তেতিয়ালৈকে ৰাষ্ট্ৰপতিৰ দ্বাৰা অনুমোদিত নিয়মাৱলীৰ দ্বাৰা নিয়ন্ত্ৰিত হ’ব।

(২) ৰাজ্যৰ একত্ৰীকৃত নিধি আৰু আকস্মিকতা নিধিৰ ৰক্ষণাবেক্ষণ, এনে নিধিত ধন জমা দিয়া, তাৰ পৰা ধন উলিওৱা, ৰাজ্য চৰকাৰৰ দ্বাৰা বা হকে প্ৰাপ্ত আৰু উক্ত ধৰণৰ নিধিত জমা কৰাৰ ধনৰ বাহিৰে আন ৰাজহুৱা ধনৰ জিম্মা, ৰাজ্যখনৰ ৰাজহুৱা লেখালৈ সেই ধন দিয়া আৰু তেনে লেখাৰ পৰা ধন উলিওৱা আৰু পূৰ্বোক্ত বিষয়ৰ সৈতে সংযুক্ত বা তাৰ সহায়ক আন সকলো বিষয়ৰ নিয়ন্ত্ৰণ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা হ’ব আৰু যেতিয়ালৈকে সেই মৰ্মে উপবন্ধ প্ৰস্তুত কৰা নহয়, তেতিয়ালৈকে ৰাজ্যখনৰ ৰাজ্যপালৰ [১]*** দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা সেইবোৰ নিয়ন্ত্ৰিত হ’ব।

**২৮৪। ৰাজহুৱা কৰ্মচাৰী আৰু আদালতে লাভ কৰা বাদী জমা ধন আৰু অন্যান্য ধনৰ জিম্মা** - লাভ কৰা বা জমা কৰা সকলো ধনৰাশি –

(ক) ভাৰত চৰকাৰ বা কোনো ৰাজ্য চৰকাৰৰ সৈতে জড়িত যিকোনো বিষয়াই তেওঁৰ চৰকাৰী দায়িত্বৰ অধীনত, কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা বা লাভ কৰা ৰাজহ বা ৰাজহুৱা ধনৰ বাহিৰে, কাম-কাজৰ ক্ষেত্ৰ অনুসৰি, যিকোনো এটা

(খ) যিকোনো কাৰণ, গোচৰ, একাউণ্ট বা ব্যক্তিৰ নামত ভাৰতৰ ভূখণ্ডত যিকোনো আদালতত জমা কৰা যিকোনো ধনৰাশি,

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “বা ৰাজপ্ৰমুখ” শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

যিভাৱে প্ৰযোজ্য সেইভাৱেই ভাৰতৰ ৰাজহুৱা একাউণ্টত বা ৰাজ্যখনৰ ৰাজহুৱা একাউণ্টত জমা হ'ব।

**২৮৫। ৰাজ্যৰ কৰ আৰোপণৰ পৰা কেন্দ্ৰৰ সম্পত্তিৰ ৰেহাই** - (১) সংসদে বিধিৰ দ্বাৰা অন্যথৰণে নিৰ্ধাৰণ কৰালৈকে সংঘৰ সম্পত্তি যিকোনো ৰাষ্ট্ৰ বা ৰাজ্যৰ ভিতৰৰ কোনো কৰ্তৃপক্ষই আৰোপ কৰা সকলো কৰৰ পৰা মুক্ত হ'ব।

(২) সংসদে বিধিৰ দ্বাৰা অন্যথৰণে বিধি প্ৰস্তুত নকৰালৈকে, দফা (১)-ৰ একোৱেই কোনো ৰাজ্যৰ অন্তৰ্গত যিকোনো প্ৰাধিকাৰীকেই কেন্দ্ৰৰ যিকোনো সম্পত্তিৰ ওপৰত কৰ লগোৱাত বাধা নিদিব যদিহে এই সংবিধানৰ বলবৎ হোৱাৰ পূৰ্বে সেই সম্পত্তিত কৰ আৰোপ কৰা আছিল বা কৰ আৰোপ কৰিব পৰা বুলি ধৰা আছিল আৰু যেতিয়ালৈকে উক্ত কৰ সেই ৰাজ্যৰ ভিতৰত আৰোপিত হৈ থাকে।

**২৮৬। পণ্যৰ ক্ৰয় বা বিক্ৰয়ৰ ওপৰত কৰ আৰোপণ সম্পৰ্কত প্ৰতিবন্ধকতা** - (১) কোনো ৰাজ্যৰ কোনো আইনেই [১][সামগ্ৰী বা সেৱা বা দুয়োটাৰে যোগানৰ ওপৰত, য'ত এনে যোগান ঘটে] কোনো কৰ আৰোপ কৰা বা আৰোপ কৰিবলৈ অনুমোদন দিয়া উচিত নহয় -

(ক) ৰাজ্যৰ বাহিৰত; বা

(খ) ভাৰতৰ ভূখণ্ডলৈ [২][সামগ্ৰী বা সেৱা বা দুয়োটা] আমদানি কৰাৰ সময়ত, বা ভাৰতৰ ভূখণ্ডৰ বাহিৰলৈ [২][সামগ্ৰী বা সেৱা বা দুয়োটা] ৰপ্তানিৰ সময়ত।

[৩][ * * * *]

[৪][(২) সংসদে আইনৰ দ্বাৰা দফা (১)-ত উল্লেখ কৰা যিকোনো ধৰণে [৫][সামগ্ৰী বা সেৱা বা দুয়োটা] কেতিয়া যোগান ধৰা হ'ব সেইটো নিৰ্ধাৰণৰ বাবে নীতি নিৰ্ধাৰণ কৰিব পাৰে।

[৬][(৩) * * * *]

**২৮৭। বিদ্যুতৰ ওপৰত কৰ ৰেহাই** - যেতিয়ালৈকে সংসদে বিধিৰ দ্বাৰা অন্যথৰণে বিধানিত নকৰে, ৰাজ্যৰ কোনো বিধিয়ে এনে বিদ্যুতৰ (চৰকাৰৰ দ্বাৰা উৎপাদিত হওক বা আন ব্যক্তিৰ

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬, ধাৰা ১৩, (i)(ক)-ৰ দ্বাৰা "সামগ্ৰী ক্ৰয় বা বিক্ৰী, য'ত এনে ক্ৰয় বা বিক্ৰী হয়" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ, ধাৰা ১৩ (i)(খ)-ৰ দ্বাৰা "সামগ্ৰী"-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৪-ৰ দ্বাৰা দফা (১)-ৰ *ব্যাখ্যা* বিলোপিত (১১-৯-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা (৪)-ৰ দ্বাৰা দফা (২) আৰু (৩)-ৰ সলনি প্ৰতিস্থাপিত (১১-৯-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৩(ii)-ৰ দ্বাৰা "সামগ্ৰী ক্ৰয় বা বিক্ৰী হয়"-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] উক্ত অধিনিয়মৰ ধাৰা ১৩(iii)-ৰ দ্বাৰা দফা (৩) বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

দ্বাৰাই উৎপাদিত হওক) বিক্রয় বা ব্যৱহাৰৰ ওপৰত কৰ আৰোপ নকৰিব বা কৰ আৰোপৰ প্ৰাধিকাৰ নিদিব যি বিদ্যুত –

(ক) ভাৰত চৰকাৰৰ দ্বাৰা ব্যৱহৃত হয়, বা ভাৰত চৰকাৰক সেই চৰকাৰৰ ব্যৱহাৰৰ কাৰণে বিক্রী কৰা হয়; বা

(খ) ভাৰত চৰকাৰৰ দ্বাৰা বা ৰেলৱে পৰিচালনা কৰা কোনো ৰেলৱে কোম্পানীৰ দ্বাৰা ৰেলৱেৰ নিৰ্মাণ, প্ৰতিপালন বা পৰিচালনাৰ কামত ব্যৱহৃত হয়, বা সেই চৰকাৰৰ ওচৰত বা তেনে কোনো ৰেলৱেৰ কোম্পানীৰ ৰেলৱেৰ নিৰ্মাণ, পৰিচালনা বা প্ৰতিপালন কৰাত ব্যৱহাৰৰ বাবে বিক্রী কৰা হয়,

আৰু বিদ্যুত বিক্ৰিৰ ওপৰত কৰ আৰোপণকাৰী বা কৰ আৰোপণৰ প্ৰাধিকাৰ প্ৰদানকাৰী এনে কোনো বিধিয়ে এইটো সুনিশ্চিত কৰিব যাতে ভাৰত চৰকাৰৰ ব্যৱহাৰৰ কাৰণে উক্ত চৰকাৰৰ ওচৰত বিক্রী কৰা বিদ্যুতৰ মূল্য বা উপৰোক্ত বিধিৰ কোনো ৰেলৱে কোম্পানীৰ ওচৰত কোনো ৰেলৱেৰ নিৰ্মাণ, প্ৰতিপালন অথবা পৰিচালনাৰ বাবে বিক্রী কৰা বিদ্যুতৰ মূল্য যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰা আন গ্ৰাহকৰ পৰা লোৱা মূল্যতকৈ কৰৰ পৰিমাণ বাদ দিলে যিমান হয় সিমানেই হ'ব।

**২৮৮। কোনো কোনো ক্ষেত্ৰত পানী বা বিদ্যুতৰ সম্বন্ধত ৰাজ্যৰ দ্বাৰা আৰোপিত কৰৰ পৰা ৰেহাই** - (১) ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা আনধৰণে বিধি প্ৰস্তুত নকৰিলে, এই সংবিধান বলবৎ হোৱাৰ পূৰ্বলৈকে থকা কোনো ৰাজ্যৰ বিধিয়ে কোনো আন্তঃৰাজ্যিক নদী বা নদীৰ উপত্যকাক নিয়ন্ত্ৰণ বা উন্নত কৰাৰ অৰ্থে থকা কোনো বৰ্তমান বিধিৰ দ্বাৰা অথবা সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ দ্বাৰা স্থাপিত হোৱা কোনো প্ৰাধিকাৰীৰ দ্বাৰা সঞ্চিত, উৎপাদিত, ব্যৱহৃত বা আৱণ্টিত বা বিক্ৰীত কোনো পানী বা বিদ্যুতৰ ক্ষেত্ৰত কোনো কৰ আৰোপ নকৰিব বা কৰ আৰোপৰ অধিকাৰ প্ৰদান নকৰিব।

*বাখ্যা* – এই দফাত "বলবৎ থকা কোনো ৰাজ্যৰ বিধি" বাক্যাংশই এই সংবিধান বলবৎ হোৱাৰ পূৰ্বে অনুমোদিত বা কাৰ্যকৰী হোৱা আৰু পূৰ্বে বিলোপিত নোহোৱা ৰাজ্যৰ যিকোনো বিধিকেই বুজাব যদিও সেই বিধি বা তাৰ কোনো অংশবিশেষ সেই সময়ত ৰাজ্যৰ সকলোতে বা কোনো বিশেষ ক্ষেত্ৰত বলবৎ নাথাকিবও পাৰে।

(২) কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা দফা (১)-ত উল্লিখিত যিকোনো কৰ আৰোপ কৰিব বা আৰোপ কৰাৰ অধিকাৰ দিব পাৰে, কিন্তু এনে কোনো বিধিৰ কোনো প্ৰভাৱ নাথাকিব যদিহে ৰাষ্ট্ৰপতিৰ বিবেচনাৰ্থে সংৰক্ষিত হৈ তেওঁৰ অনুমতি লাভ নকৰে আৰু যদি এনে কোনো বিধিয়ে কোনো প্ৰাধিকাৰীৰ দ্বাৰা সেই বিধিৰ অধীনত প্ৰস্তুত হ'বলগীয়া নিয়ম বা আদেশৰ জৰিয়তে সেই কৰৰ হাৰ আৰু অন্যান্য প্ৰাসংগিকতা স্থিৰ কৰাৰ বিধান কৰে, তেনেহ'লে সেই বিধিয়ে এনে কোনো নিয়ম প্ৰস্তুত কৰিবলৈ বা আদেশ দিবলৈ হ'লে ৰাষ্ট্ৰপতিৰ পূৰ্ব সন্মতি লোৱাৰ বিধান কৰিব।

**২৮৯। ৰাজ্যৰ আয় আৰু সম্পত্তিক সংঘৰ কৰ আৰোপণৰ পৰা ৰেহাই** - (১) ৰাজ্যিক সম্পত্তি আৰু আয় সংঘৰ কৰ আৰোপণৰ পৰা মুক্ত হ'ব।

(২) কোনো ৰাজ্য চৰকাৰে বা তাৰ হৈ চলোৱা কোনো ধৰণৰ বাণিজ্য বা ব্যৱসায় বা ইয়াৰ সৈতে জড়িত কোনো কাৰ্য্যকলাপ বা এনে বাণিজ্য বা ব্যৱসায়ৰ উদ্দেশ্যে ব্যৱহাৰ কৰা বা দখল কৰা কোনো চৌহদৰ সম্পৰ্কত দফা (১)-ৰ কোনো কথাই সংঘৰ বাবে প্ৰযোজ্য নহ'ব ।

(৩) সংসদে বিধিৰ দ্বাৰা, চৰকাৰৰ সাধাৰণ কাৰ্যৰ বাবে প্ৰাসংগিক বুলি ঘোষণা কৰা কোনো বেপাৰ বা ব্যৱসায়ৰ ক্ষেত্ৰত বা কোনো শ্ৰেণীৰ বেপাৰ বা ব্যৱসায়ৰ ক্ষেত্ৰত দফা (২)-ৰ কোনো কথাই প্ৰযোজ্য নহ'ব।

**২৯০। কিছুমান ব্যয় আৰু অৱসৰকালীন বেতন সম্পৰ্কীয় সমাযোজন** - য'ত এই সংবিধানৰ উপবন্ধাৱলীৰ অধীনত কোনো আদালত বা আয়োগৰ খৰচ বা এই সংবিধান আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতত ৰাজতন্ত্ৰৰ অধীনত সেৱা আগবঢ়োৱা কোনো ব্যক্তিৰ সন্দৰ্ভত বা তেনে আৰম্ভ হোৱাৰ পিছত সংঘ বা যিকোনো ৰাজ্যৰ কাম-কাজৰ সৈতে জড়িত ভাৰতৰ একত্ৰীকৃত নিধি বা যিকোনো ৰাজ্যৰ একত্ৰীকৃত নিধিত প্ৰদান কৰিবলগীয়া পেঞ্চন আদায় কৰা হয়, যদিহে -

(ক) ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত কৰা অভিযোগৰ ক্ষেত্ৰত আদালত বা আয়োগে কোনো ৰাজ্যৰ যিকোনো পৃথক প্ৰয়োজনীয়তা পূৰণ কৰে, বা ব্যক্তিজনে ৰাজ্যৰ কাম-কাজৰ সৈতে সম্পূৰ্ণৰূপে বা আংশিকভাৱে সেৱা আগবঢ়াইছে, ইয়াৰে যিকোনো এটা; বা

(খ) কোনো ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত অভিযোগৰ ক্ষেত্ৰত আদালত বা আয়োগে কেন্দ্ৰ বা আন কোনো ৰাজ্যৰ যিকোনো পৃথক প্ৰয়োজনীয়তা পূৰণ কৰে, বা ব্যক্তিজনে কেন্দ্ৰৰ কাম-কাজৰ সৈতে সম্পূৰ্ণৰূপে বা আংশিকভাৱে সেৱা আগবঢ়াইছিল,

তেনে ক্ষেত্ৰত যথাস্থিতি অনুসৰি, সেই ৰাজ্যৰ একত্ৰীকৃত নিধি বা ভাৰতৰ একত্ৰীকৃত নিধি নাইবা আন এখন ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত সেই ব্যয় বা অৱসৰ বেতনৰ সম্বন্ধত এনেকুৱা অংশ প্ৰদানৰ দায়িত্ব পৰিব আৰু সেই নিধিৰ পৰা দিব লাগিব যিটো ভাৰতৰ মুখ্য ন্যায়াধীশৰ দ্বাৰা নিযুক্ত মধ্যস্থতাকাৰীয়ে নিৰ্ধাৰণ কৰিব।

[১][**২৯০ক। কিছুমান দেৱস্বম পুঁজিলৈ বাৰ্ষিক ধন প্ৰদান** - প্ৰত্যেক বছৰে কেৰালা ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত ছয়চল্লিছ লাখ পঞ্চাশ হাজাৰ টকাৰ এক ৰাশিৰ দায়িত্ব পৰিব আৰু ত্ৰাভাংকুৰ দেৱস্বম নিধিক সেই ধন তাৰ পৰা প্ৰদান কৰিব লাগিব, আৰু প্ৰত্যেক বছৰে [২][তামিলনাডু] ৰাজ্যৰ একত্ৰীকৃত নিধিৰ ওপৰত তেৰ লাখ পঞ্চাশ হাজাৰ টকাৰ এক ৰাশিৰ দায়িত্ব পৰিব আৰু ১৯৫৬ চনৰ নবেম্বৰৰ প্ৰথম দিনৰ দিনা ত্ৰাভাংকুৰ-কোচিন ৰাজ্যৰ পৰা সেই ৰাজ্যলৈ হস্তান্তৰিত হোৱা ৰাজ্যক্ষেত্ৰত থকা হিন্দু মন্দিৰ আৰু পবিত্ৰ স্থানসমূহ সংৰক্ষণ কৰিবলৈ সেই ৰাজ্যত স্থাপিত দেৱস্বম নিধিক সেই টকা তাৰ পৰা প্ৰদান কৰিব লাগিব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১৯-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] মাদ্ৰাজ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৫৩)-ৰ ধাৰা ৪-ৰ দ্বাৰা "মাদ্ৰাজ" শব্দৰ সলনি প্ৰতিস্থাপিত (১৪-১-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**২৯১।** *[শাসকৰ ৰাজভাট্টা] - সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ২-ৰ দ্বাৰা বিলোপিত (২৮-১২-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

## দ্বিতীয় অধ্যায় – ঋণ গ্ৰহণ

**২৯২। ভাৰত চৰকাৰৰ দ্বাৰা ঋণ গ্ৰহণ** - সংসদে বিধিৰ দ্বাৰা সময়ে সময়ে উপযুক্তভাৱে স্থিৰ কৰি দিয়া পৰিসীমাৰ ভিতৰত, যদি তেনে কোনো পৰিসীমা থাকে, ভাৰতৰ একত্ৰীকৃত নিধিৰ নিশ্চিতিৰ ওপৰত ঋণ লোৱালৈকে আৰু তেনেদৰে উপযুক্তভাৱে স্থিৰ কৰা পৰিসীমাৰ ভিতৰত, যদি তেনে কোনো পৰিসীমা থাকে, নিশ্চিতি দিয়ালৈকে কেন্দ্ৰৰ কাৰ্য্যবাহী ক্ষমতা প্ৰসাৰিত হৈছে।

**২৯৩। ৰাজ্যসমূহৰ দ্বাৰা ঋণ গ্ৰহণ** - (১) কোনো ৰাজ্যৰ বিধানমণ্ডলে বিধিৰ দ্বাৰা সময়ে সময়ে উপযুক্তভাৱে স্থিৰ কৰি দিয়া পৰিসীমাৰ ভিতৰত, যদি তেনে কোনো পৰিসীমা থাকে, সেই ৰাজ্যৰ একত্ৰীকৃত নিধিৰ নিশ্চিতিৰ ওপৰত ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত ঋণ গ্ৰহণ কৰালৈকে আৰু তেনেদৰে উপযুক্তভাৱে স্থিৰ কৰা পৰিসীমাৰ ভিতৰত, যদি তেনে কোনো পৰিসীমা থাকে, নিশ্চিতি দিয়ালৈকে এই অনুচ্ছেদৰ উপবন্ধাৱলী সাপেক্ষে কোনো এখন ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা প্ৰসাৰিত হৈছে।

(২) সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ দ্বাৰা বা অধীনত বান্ধি দিয়া চৰ্ত সাপেক্ষে ভাৰত চৰকাৰে কোনো ৰাজ্যক ধাৰ দিব পাৰে বা যেতিয়ালৈকে অনুচ্ছেদ ২৯২-ৰ দ্বাৰা স্থিৰ কোনো পৰিসীমা অতিক্ৰম কৰা নহয়, তেতিয়ালৈকে কোনো ৰাজ্যই ধাৰ গ্ৰহণ কৰা সম্পৰ্কত নিশ্চিতি প্ৰদান কৰিব পাৰে, আৰু এনে ঋণ দিবৰ কাৰণে যি ধন লাগে তাৰ দায়িত্ব ভাৰতৰ একত্ৰীকৃত নিধিৰ ওপৰত পৰিব।

(৩) ভাৰত চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী চৰকাৰে কোনো ৰাজ্যৰ হাতত দিয়া, অথবা ভাৰত চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী চৰকাৰে নিশ্চিতি প্ৰদান কৰা কোনো ঋণৰ কোনো অংশ যদি এতিয়াও পৰিশোধ নকৰাকৈ থাকে, তেনেহ’লে কোনো ৰাজ্যই ভাৰত চৰকাৰৰ সন্মতি অবিহনে কোনো ঋণ গ্ৰহণ কৰিব নোৱাৰিবও পাৰে।

(৪) এনেকুৱা চৰ্ত সাপেক্ষে, যদি কিবা চৰ্ত থাকে, দফা (৩)-ৰ অধীনত সন্মতি দিব পাৰে যি চৰ্ত ভাৰত চৰকাৰে আৰোপ কৰাটো উচিত বুলি ভাবে।

## তৃতীয় অধ্যায় – সম্পত্তি, চুক্তি, অধিকাৰ দায়বদ্ধতা, বাধ্যবাধকতা আৰু বিবাদ

**২৯৪। কিছুমান বিশেষ ক্ষেত্ৰত সম্পত্তি, সম্পদ, অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতাৰ উত্তৰাধিকাৰ** - এই সংবিধানৰ বলবৎ হোৱাৰ লগে লগে -

(ক) বলবৎ হোৱাৰ ঠিক আগতে যিবোৰ সম্পত্তি আৰু সম্পদ ভাৰত ডমিনিয়নৰ চৰকাৰৰ উদ্দেশ্যে মহামান্যৰ হাতত নিহিত কৰা হৈছিল আৰু সংবিধান বলবৎ হোৱাৰ ঠিক আগলৈকে থকা সকলো সম্পত্তি আৰু সম্পদ প্ৰতিখন ৰাজ্যপাল শাসিত প্ৰাদেশিক চৰকাৰৰ ক্ষেত্ৰত মহামান্যৰ হাতত নিয়োজিত হৈছিল, এই সকলোবোৰ সংঘ আৰু সংশ্লিষ্ট ৰাষ্ট্ৰৰ ওপৰত নিহিত হ’ব; আৰু

(খ) চুক্তিৰ দ্বাৰা বা অন্য কোনো কাৰণত উদ্ভৱ হোৱা ভাৰত ডমিনিয়নৰ চৰকাৰ আৰু প্ৰতিখন ৰাজ্যপাল শাসিত প্ৰাদেশিক চৰকাৰৰ সকলো অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতা ক্ৰমে ভাৰত চৰকাৰ আৰু প্ৰতিখন সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতা থাকিব,

পাকিস্তান ডমিনিয়নৰ চৰকাৰ বা পশ্চিমবংগ, পূৰ্ববংগ, পশ্চিম-পঞ্জাব আৰু পূব-পঞ্জাৱ প্ৰদেশ সৃষ্টিৰ কাৰণে এই সংবিধান বলবৎ হোৱাৰ পূৰ্বে কৰা বা কৰাৰ সম্ভাৱনা থকা যিকোনো সালসলনি সাপেক্ষে হ’ব।

**২৯৫। অন্যান্য বিষয়ত সম্পত্তি, সম্পদ, অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতাৰ উত্তৰাধিকাৰ** - (১) এই সংবিধান বলবৎ হোৱাৰ লগে লগে –

(ক) বলবৎ হোৱাৰ ঠিক আগতে যিবোৰ সম্পত্তি আৰু সম্পদ প্ৰথম অনুচ্ছেদৰ অংশ খ-ত উল্লেখ কৰা ৰাজ্যৰ সৈতে সংগতি ৰাখি যিকোনো ভাৰতীয় ৰাজ্যত অন্তৰ্ভুক্ত কৰা হৈছিল, সেইবোৰ সংঘৰ অন্তৰ্ভুক্ত হ’ব, যদিহে এনে বলবৎ হোৱাৰ ঠিক আগতে যিবোৰ উদ্দেশ্যৰ বাবে এনে সম্পত্তি আৰু সম্পদ অন্তৰ্ভুক্ত কৰা হৈছিল সেইবোৰৰ এনে ব্যৱস্থা কৰা হৈছে যে কেন্দ্ৰৰ উদ্দেশ্যসমূহ কেন্দ্ৰীয় তালিকাত তালিকাভুক্ত যিকোনো বিষয়ৰ সৈতে জড়িত হ’ব, আৰু

(খ) প্ৰথম অনুচ্ছেদৰ অংশ খ-ত উল্লেখ কৰা ৰাজ্যৰ সৈতে সংগতি ৰাখি ভাৰতীয় ৰাজ্য চৰকাৰৰ সকলো অধিকাৰ, দায়বদ্ধতা আৰু বাধ্যবাধকতা, সেয়া চুক্তিৰ দ্বাৰা হওক বা অন্যধৰণেই হওক, ভাৰত চৰকাৰৰ অধিকাৰ, দায়িত্ব আৰু বাধ্যবাধকতা থাকিব, যদিহে, তেনে বলবৎ হোৱাৰ পূৰ্বে যিবোৰ উদ্দেশ্যৰ বাবে এনে অধিকাৰ অধিগ্ৰহণ কৰা হৈছিল বা দায়বদ্ধতা বা বাধ্যবাধকতাসমূহ গ্ৰহণ কৰা হৈছিল, সেইবোৰেই ইয়াৰ পিছত কেন্দ্ৰীয় তালিকাত তালিকাভুক্ত যিকোনো বিষয়ৰ সৈতে জড়িত ভাৰত চৰকাৰৰ উদ্দেশ্য হ’ব,

আৰু ই ভাৰত চৰকাৰে সেই ৰাজ্য চৰকাৰৰ সৈতে এই সন্দৰ্ভত কৰা যিকোনো চুক্তি সাপেক্ষ হ’ব।

(২) উল্লেখ কৰা সাপেক্ষে, প্ৰথম অনুসূচীৰ অংশ খ-ত নিৰ্দিষ্ট কৰা প্ৰত্যেক ৰাজ্যৰ চৰকাৰ, এই সংবিধান বলবৎ হোৱাৰ লগে লগে কোনো চুক্তিৰ পৰা উদ্ভৱ হোৱা বা অন্যধৰণে উদ্ভৱ হোৱা, কিন্তু দফা (১)-ত উল্লেখ কৰাসমূহৰ বাহিৰে আন সকলো সম্পদ, সম্পত্তি আৰু সকলো অধিকাৰ, দায়িত্ব আৰু বাধ্যবাধকতাৰ ক্ষেত্ৰত সেই সময়ৰ ভাৰত চৰকাৰ উত্তৰাধিকাৰী হ’ব।

**২৯৬। উত্তৰাধিকাৰ বা তামাদি বা সদিচ্ছাৰ দ্বাৰা জমা হোৱা সম্পত্তি** - ইয়াৰ উপৰি ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো সম্পত্তি যিটো, যদি এই সংবিধান বলবৎ নহ’লহেঁতেন, তেন্তে উত্তৰাধিকাৰ বা ক্ষয়-ক্ষতিৰ দ্বাৰা বা বৈধ মালিকৰ অনুপস্থিতিত মহামান্য বা ভাৰতীয় ৰাজ্যৰ শাসকৰ ওপৰত নিহিত হ’ব যদি সম্পত্তি কোনো ৰাজ্যত অৱস্থিত, তেন্তে তেনে ৰাজ্যত নিহিত হ’ব আৰু অন্য কোনো ক্ষেত্ৰত সংঘৰ অন্তৰ্গত হ’ব:

যদিহে কোনো সম্পত্তি এইপ্ৰকাৰে মহামান্য বা ভাৰতীয় ৰাজ্যৰ শাসকে লাভ কৰাৰ তাৰিখত ভাৰত চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰৰ দখল বা নিয়ন্ত্ৰণত থাকে, তেন্তে যিমান প্ৰয়োজনৰ বাবে সেই সম্পত্তি ব্যৱহাৰ কৰা হৈছিল বা ধাৰণ কৰা হৈছিল, সেই প্ৰয়োজনসমূহ সংঘ বা ৰাজ্যৰ হ'লে সেই সম্পত্তি সংঘ বা ৰাজ্যৰ ওপৰত ন্যস্ত হ'ব।

*ব্যাখ্যা* – এই অনুচ্ছেদত থকা "শাসক" আৰু "ভাৰতীয় ৰাজ্য" শব্দ কেইটাৰ অৰ্থ অনুচ্ছেদ ৩৬৩-ত থকা সেই শব্দৰ অৰ্থৰ সৈতে একে হ'ব।

[১][**২৯৭। প্ৰাদেশিক জলভাগ বা মহাদেশীয় জলমগ্ন তীৰভূমিৰ ভিতৰত থকা মূল্যবান বস্তু আৰু অনন্য অৰ্থনৈতিক মণ্ডলৰ সম্পদৰাজি সংঘৰ হাতত ন্যস্ত হ'ব** - (১) প্ৰাদেশিক জলভাগৰ বা মহাদেশীয় জলমগ্ন তীৰভূমিৰ বা অনন্য অৰ্থনৈতিক ক্ষেত্ৰৰ ভিতৰত অৱস্থিত মহাসাগৰত থকা সকলো ভূমি, খনিজ আৰু অন্যান্য মূল্যবান বস্তু সংঘৰ হাতত ন্যস্ত হ'ব আৰু সংঘৰ প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰা হ'ব।

(২) ভাৰতৰ একচেটিয়া অৰ্থনৈতিক মণ্ডলৰ আন সকলো সম্পদো সংঘৰ অন্তৰ্ভুক্ত হ'ব আৰু সংঘৰ উদ্দেশ্যত ব্যৱহাৰ কৰা হ'ব।

(৩) ভাৰতৰ ভূখণ্ডীয় জলসীমা, মহাদেশীয় জলমগ্ন তীৰভূমি, একচেটিয়া অৰ্থনৈতিক অঞ্চল আৰু অন্যান্য সামুদ্ৰিক অঞ্চলৰ সীমা এনে হ'ব যিদৰে সময়ে সময়ে সংসদে প্ৰস্তুত কৰা যিকোনো আইন বা আইনৰ অধীনত নিৰ্দিষ্ট হ'ব পাৰে।]

[২][**২৯৮। বাণিজ্য আদি কৰাৰ ক্ষমতা** - কেন্দ্ৰ আৰু প্ৰতিখন ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা যিকোনো বাণিজ্য বা ব্যৱসায় চলোৱা আৰু সম্পত্তি অধিগ্ৰহণ, অধিকৃত পুঁজি আৰু নিষ্পত্তি কৰা আৰু যিকোনো উদ্দেশ্যৰ বাবে চুক্তি কৰালৈকে প্ৰসাৰিত হ'ব:

কিন্তু, -

(ক) সংসদে আইন প্ৰণয়ন কৰিব পৰা কোনো বাণিজ্য বা ব্যৱসায় বা বস্তুৰ সৈতে জড়িত নহ'লে সংঘৰ উক্ত কাৰ্যবাহী ক্ষমতা প্ৰতিখন ৰাজ্যত সেই ৰাষ্ট্ৰই প্ৰণয়ন কৰা আইনসমূহৰ অধীনত হ'ব; আৰু

(খ) প্ৰতিখন ৰাজ্যৰ উক্ত কাৰ্যবাহী ক্ষমতা, যিমান দূৰলৈকে এনে বাণিজ্য বা ব্যৱসায় বা এনে বস্তু যিটোৰ ক্ষেত্ৰত ৰাজ্যিক বিধানসভাই আইন প্ৰণয়ন কৰিব পাৰে, সেই সকলোবোৰ সংসদৰ আইনৰ অধীনত হ'ব।]

---

[১] সংবিধান (৪০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰতিস্থাপিত (২৭-৫-১৯৭৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২০-ৰ দ্বাৰা প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(দ্বাদশ অংশ - বিত্ত, সম্পত্তি, সংবিদা আৰু বাদসমূহ)

**২৯৯। সংবিদাসমূহ** - (১) সংঘ বা কোনো এখন ৰাজ্যৰ কাৰ্য্যবাহী ক্ষমতা প্ৰয়োগ কৰি কৰা সকলো সংবিদা পূৰ্বৰ মতে ৰাষ্ট্ৰপতি বা ৰাজ্যপালৰ [১]*** দ্বাৰা কৰা বুলি ব্যক্ত হ'ব আৰু সেই ক্ষমতা প্ৰয়োগ কৰি কৰা এনে সকলো সংবিদা আৰু সকলো সম্পত্তি হস্তান্তৰণ পত্ৰ ৰাষ্ট্ৰপতি বা ৰাজ্যপালৰ [১]*** হৈ, এনে ব্যক্তিৰ দ্বাৰা আৰু এনে ৰীতিমতে সম্পাদিত কৰিব যিদৰে তেওঁলোকে নিৰ্দেশ দিয়ে বা প্ৰাধিকৃত কৰে।

(২) এই সংবিধানৰ প্ৰয়োজনৰ বাবে বা ভাৰত চৰকাৰৰ সম্পৰ্কত এতিয়ালৈকে বলবৎ থকা কোনো আইনৰ প্ৰয়োজনৰ বাবে প্ৰস্তুত কৰা আৰু সম্পাদন কৰা কোনো সংবিদা বা সম্পত্তি হস্তান্তৰণ পত্ৰৰ সম্বন্ধত ৰাষ্ট্ৰপতি নতুবা ৰাজ্যপাল [২]*** কোনোৱেই ব্যক্তিগতভাৱে দায়ী নহ'ব নাইবা তেওঁলোকৰ কোনো এজনৰ হৈ এনে সংবিদা বা সম্পত্তি হস্তান্তৰণ পত্ৰ প্ৰস্তুত বা সম্পাদন কৰা কোনো ব্যক্তি সেইবোৰৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে দায়ী নহ'ব।

**৩০০। বাদসমূহ আৰু কাৰ্য্যক্ৰমণিকাসমূহ** - (১) ভাৰত সংঘৰ নামত ভাৰত চৰকাৰে বা ভাৰত চৰকাৰৰ বিৰুদ্ধে গোচৰ আনিব পাৰে আৰু ৰাজ্য চৰকাৰে বা ৰাজ্য চৰকাৰৰ বিৰুদ্ধে সেই ৰাজ্যৰ নামত গোচৰ আনিব পাৰে আৰু এই সংবিধানৰ দ্বাৰা প্ৰদত্ত ক্ষমতাৰ আধাৰত অধিনিয়মিত, সংসদৰ বা এনে ৰাজ্যৰ বিধানমণ্ডলৰ অধিনিয়মৰ দ্বাৰা কৰা হোৱা কোনো উপবন্ধাৱলী সাপেক্ষে, নিজ নিজ বিষয় অনুৰূপ কথা, এই সংবিধানখন বলবৎ হোৱাৰ পূৰ্বতে, ভাৰত ডমিনিয়নৰ চৰকাৰ আৰু সেই সময়ৰ প্ৰদেশসমূহে বা সেই সময়ৰ ভাৰতীয় ৰাজ্যসমূহে অথবা তেওঁলোকৰ বিৰুদ্ধে গোচৰ আনিলেহেঁতেন -

(২) যদি এই সংবিধান বলবৎ হোৱাত –

(ক) কোনো বিচাৰাধীন আইনী কাৰ্য্যক্ৰমণিকাত ভাৰত ডমিনিয়নৰ চৰকাৰ পক্ষ হিচাপে থাকিলে, সেই কাৰ্য্যক্ৰমণিকাত ডমিনিয়নৰ বিকল্প হিচাপে ভাৰতীয় সংঘক গণ্য কৰা হ'ব; আৰু

(খ) যদি কোনো আইনী কাৰ্য্যক্ৰমণিকা চলি আছে য'ত কোনো প্ৰদেশ বা ভাৰতীয় ৰাজ্য পক্ষ হয়, তেন্তে সেই কাৰ্য্যক্ৰমণিকাত সংশ্লিষ্ট ৰাজ্যখনক প্ৰদেশ বা ভাৰতীয় ৰাজ্যৰ বিকল্প হিচাপে গণ্য কৰা হ'ব।

## [৩][চতুৰ্থ অধ্যায় – সম্পত্তিৰ অধিকাৰ

**৩০০ক। আইনৰ প্ৰাধিকাৰৰ ব্যতিৰেকে কোনো ব্যক্তি তেওঁৰ সম্পত্তিৰ পৰা বঞ্চিত নহ'ব** - বিধিৰ প্ৰাধিকাৰৰ ব্যতিৰেকে কোনো ব্যক্তিক সম্পত্তিৰ পৰা বঞ্চিত কৰা নহ'ব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "নতুবা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ত্ৰয়োদশ অংশ

## ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদান

**৩০১। বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ স্বতন্ত্ৰতা** - এই অংশৰ অন্যান্য উপবন্ধৰ অধীনত ভাৰতৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰতে বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ স্বতন্ত্ৰতা থাকিব।

**৩০২। বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানত প্ৰতিবন্ধকতা আৰোপ কৰাত সংসদৰ ক্ষমতা** - সংসদে আইনৰ দ্বাৰা ৰাজ্যসমূহৰ মাজত অথবা ভাৰতৰ যিকোনো অংশৰ ভিতৰত বাণিজ্য, ব্যৱসায়, অথবা আদান-প্ৰদানৰ স্বাধীনতাত এনে সীমাবদ্ধতা আৰোপ কৰিব পাৰে, যিবোৰ জনস্বাৰ্থৰ বাবে আৱশ্যক।

**৩০৩। ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত সংঘ আৰু ৰাজ্যসমূহৰ বিধায়িনী ক্ষমতাৰ ওপৰত নিষেধাজ্ঞা** - (১) অনুচ্ছেদ ৩০২-ত যি কথাই উল্লেখ নাথাকক কিয়, সপ্তম অনুসূচীৰ অন্তৰ্গত যিকোনো তালিকাৰ ব্যৱসায় আৰু বাণিজ্যৰ সৈতে জড়িত কোনো প্ৰৱেশৰ কাৰণে কোনো সংসদ বা কোনো ৰাজ্যৰ বিধানসভাৰ কোনোৰেই, এখক ৰাজ্যক আন ৰাজ্যৰ তুলনাত অগ্ৰাধিকাৰ প্ৰদান কৰা ক্ষমতা নাথাকিব বা কোনো ৰাজ্যৰ সৈতে অন্য ৰাজ্যৰ মাজত বৈষম্য সৃষ্টি কৰা বা অনুমোদন দিয়াৰ বাবে কোনো আইন প্ৰণয়নৰ ক্ষমতা নাথাকিব।

(২) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো অংশত বস্তুৰ নাটনি দেখা দিয়া অৱস্থাৰ উদ্ভৱ হ'লে উচিত দিহা কৰিবৰ প্ৰয়োজনৰ বাবে তেনে কৰাটো আৱশ্যকীয় বুলি যদি এনে সংশ্লিষ্ট আইনৰ দ্বাৰা ঘোষণা কৰা হয়, তেনেহ'লে অগ্ৰাধিকাৰ দিবলৈ বা দিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ নাইবা বিভেদ বিচাৰ কৰিবলৈ বা কৰিবৰ কাৰণে প্ৰাধিকৃত কৰিবলৈ কোনো বিধি প্ৰণয়ন কৰাৰ পৰা দফা (১)-ৰ কোনো কথাই সংসদক নিবাৰণ নকৰিব।

**৩০৪। ৰাজ্যসমূহৰ মাজত বেপাৰ, বাণিজ্য আৰু আদান-প্ৰদানৰ ওপৰত নিষেধাজ্ঞা** - অনুচ্ছেদ ৩০১ বা অনুচ্ছেদ ৩০৩-ত যি কথাই উল্লেখ নাথাকক কিয়, কোনো ৰাজ্যৰ বিধানমণ্ডলে আইনৰ দ্বাৰা –

(ক) অন্যান্য ৰাজ্য [১][অথবা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ]-ৰ পৰা আমদানি কৰা সামগ্ৰীৰ ওপৰত এনে কোনো কৰ আৰোপ কৰিব, যাৰ অধীনত সেই ৰাজ্যত নিৰ্মিত বা উৎপাদিত অনুৰূপ সামগ্ৰীসমূহ পৰিবেশিত হয়, কিন্তু এনে ধৰণে যাতে আমদানি কৰা সামগ্ৰী আৰু সেই ৰাজ্যত নিৰ্মিত বা উৎপাদিত সামগ্ৰীসমূহৰ মাজত কোনো বৈষম্যৰ সৃষ্টি নহয়; আৰু

(খ) সেই ৰাজ্যৰ সৈতে বা তাৰ ভিতৰত বাণিজ্য, ব্যৱসায় বা আদান-প্ৰদানৰ স্বাধীনতাত জনস্বাৰ্থৰ প্ৰয়োজনৰ ক্ষেত্ৰত এনে উপযুক্ত সীমাবদ্ধতা আৰোপ কৰিব পাৰে:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, ৰাষ্ট্ৰপতিৰ পূৰ্ব মঞ্জুৰীৰ অবিহনে কোনো ৰাজ্যৰ বিধানমণ্ডলত দফা (খ)-ৰ প্ৰয়োজনৰ বাবে কোনো বিধেয়ক বা সংশোধনী উত্থাপিত বা প্ৰস্তাৱিত নকৰিব।

[1][**৩০৫। প্ৰচলিত আইন আৰু ৰাজ্যিক একাধিপত্য আগবঢ়োৱা আইন সুৰক্ষা প্ৰদান** - অনুচ্ছেদ ৩০১ আৰু ৩০৩-ৰ কোনো কথাই প্ৰচলিত আইনৰ উপবন্ধাৱলীত কোনো প্ৰভাৱ নেপেলাব, সেয়া ৰাষ্ট্ৰপতিয়ে আদেশযোগে বেলেগ নিৰ্দেশ দিয়া ক্ষেত্ৰতহে ব্যতিক্ৰম হ'ব; আৰু অনুচ্ছেদ ৩০১-ৰ কোনো বিধানে সংবিধান (৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫ আৰম্ভ হোৱাৰ পূৰ্বে প্ৰণীত যিকোনো আইনৰ কাৰ্যকাৰিতাত প্ৰভাৱ নেপেলাব, যেতিয়ালৈকে সেই আইন অনুচ্ছেদ ১৯-ৰ দফা (৬)-ৰ উপ-দফা (ii)-ত উল্লেখ কৰা বিষয়ৰ সৈতে সম্পৰ্কিত থাকে, বা সংসদ অথবা কোনো ৰাজ্যৰ বিধানসভাক এনে বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰাত বাধা প্ৰদান নকৰে।

**৩০৬।** *[প্ৰথম অনুসূচীৰ অংশ খ-ত উল্লিখিত কিছুমান ৰাজ্যৰ ব্যৱসায়, বাণিজ্যৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰাৰ ক্ষমতা] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩০৭। অনুচ্ছেদ ৩০১-ৰ পৰা ৩০৪-ৰ উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ কৰ্তৃপক্ষৰ নিযুক্তি** - অনুচ্ছেদ ৩০১, ৩০২, ৩০৩ আৰু ৩০৪-ৰ প্ৰয়োজনীয়তাসমূহ কাৰ্যকৰী কৰিবৰ কাৰণে সংসদে বিধিৰ দ্বাৰা এনেকুৱা প্ৰাধিকাৰী নিযুক্ত কৰিব পাৰে যিটো সংসদে সমুচিত বুলি বিবেচনা কৰে, আৰু সেইদৰে নিযুক্ত প্ৰাধিকাৰীৰ ওপৰত এনে ক্ষমতা আৰু এনে কৰ্তব্য অৰ্পণ কৰিব পাৰে যিবিলাক সংসদে আৱশ্যকীয় বুলি ভাবে।

---

[1] সংবিধান (৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫-ৰ ধাৰা ৪-ৰ দ্বাৰা অনুচ্ছেদ ৩০৫-ৰ সলনি প্ৰতিস্থাপিত (২৭-৪-১৯৫৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# চতুৰ্দশ অংশ

## সংঘ আৰু ৰাজ্যসমূহৰ অধীনস্থ সেৱাসমূহ

### প্ৰথম অধ্যায় - সেৱাসমূহ

**৩০৮৷ নিৰ্বচন** - প্ৰসংগক্ৰমে আনধৰণে প্ৰয়োজন নহ'লে, এই অংশত থকা "ৰাজ্য" শব্দই [1][জম্মু আৰু কাশ্মীৰ ৰাজ্যক অন্তৰ্ভুক্ত নকৰে।]

**৩০৯৷ সংঘ বা ৰাজ্যত সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্ত** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে, উপযুক্ত বিধানমণ্ডলে অধিনিয়মসমূহৰ দ্বাৰা কেন্দ্ৰ বা যিকোনো ৰাজ্যৰ কাম-কাজৰ সৈতে জড়িত ৰাজহুৱা সেৱা আৰু পদত নিযুক্ত ব্যক্তিসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰণ কৰিব পাৰিব:

কিন্তু, ৰাষ্ট্ৰপতিয়ে বা তেওঁ যাক নিৰ্দেশ দিব পাৰে সেই ব্যক্তিয়ে কেন্দ্ৰৰ কাৰ্যৰ সৈতে সম্পৰ্কিত সেৱা আৰু পদসমূহৰ ক্ষেত্ৰত, আৰু ৰাজ্যৰ ৰাজ্যপাল [2]*** বা তেওঁ যাক নিৰ্দেশ দিব পাৰে সেই ব্যক্তিয়ে ৰাজ্যৰ কাৰ্যৰ সৈতে সম্পৰ্কিত সেৱা আৰু পদসমূহৰ ক্ষেত্ৰত, নিযুক্ত ব্যক্তিসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰণ কৰাৰ নিয়ম প্ৰণয়ন কৰিবলৈ সক্ষম হ'ব, যেতিয়ালৈকে উপযুক্ত বিধানমণ্ডলৰ অধীনত এই ক্ষেত্ৰত উল্লিখিত উদ্দেশ্যৰ বাবে আইন প্ৰণয়ন কৰা নহয়, আৰু এনে নিয়মসমূহ ক্ৰমে এনে যিকোনো আইনৰ উপবন্ধাৱলীৰ অধীনত কাৰ্যকৰী হ'ব।

**৩১০৷ কেন্দ্ৰ বা ৰাজ্যত সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ কাৰ্যকাল** - (১) এই সংবিধানে অন্যধৰণে স্পষ্টভাৱে উল্লেখ কৰা কথাসমূহক বাদ দি, প্ৰতিজন ব্যক্তি যি প্ৰতিৰক্ষা সেৱা বা সংঘৰ কোনো অসামৰিক সেৱাৰ সদস্য বা সৰ্বভাৰতীয় সেৱাৰ সদস্য বা প্ৰতিৰক্ষা বা সংঘৰ অধীনত কোনো অসামৰিক পদৰ সৈতে জড়িত কোনো পদত আছে, তেওঁ, ৰাষ্ট্ৰপতিৰ আগত, আৰু ৰাজ্যৰ অসামৰিক সেৱাৰ সদস্য বা ৰাজ্যৰ অধীনত যিকোনো অসামৰিক পদৱী গ্ৰহণ কৰা প্ৰতিজন ব্যক্তিয়ে সেই ৰাজ্যৰ ৰাজ্যপালৰ [3]*** সন্তুষ্টিৰ সময়লৈকে কাৰ্য নিৰ্বাহ কৰিব পাৰে।

(২) ৰাষ্ট্ৰপতি বা ৰাজ্যৰ ৰাজ্যপালৰ [2]*** সন্তুষ্টি পৰ্যন্ত কাৰ্যালয় বা ৰাজ্যৰ অধীনত অসামৰিক পদৱী গ্ৰহণ কৰা ব্যক্তিক, যি কোনো চুক্তিৰ অধীনত প্ৰতিৰক্ষা সেৱা বা সৰ্বভাৰতীয় সেৱা বা কেন্দ্ৰ বা কোনো ৰাজ্যৰ অসামৰিক সেৱাৰ সদস্য নহয়, এই সংবিধানৰ অধীনত এনে পদত অধিষ্ঠিত হ'বলৈ নিযুক্তি দিয়া হয়, যদিহে ৰাষ্ট্ৰপতি বা ৰাজ্যপালে [2]***, যিয়েই প্ৰযোজ্য, প্ৰয়োজনীয় বুলি বিবেচনা কৰিলে, সেৱাৰ প্ৰয়োজনীয়ত থকা বিশেষ অৰ্হতাসম্পন্ন ব্যক্তিয়ে,

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ'-ত উল্লিখিত এক ৰাজ্যক বুজাইছে"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ, যিদৰেই প্ৰযোজ্য" এই শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

চুক্তিবদ্ধ সময়সীমা শেষ হোৱাৰ আগতেই যদি তেওঁৰ পদ বিলুপ্ত কৰা হয় বা যদি তেওঁক সেই পদৰ পৰা আঁতৰাই দিয়া হয়, তেন্তে তেওঁক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব পাৰে, যদিহে তেওঁ নিজে কোনো অসৎ আচৰণৰ সৈতে জড়িত নহয়।

**৩১১। কেন্দ্ৰ বা কোনো ৰাজ্যৰ অধীনত অসামৰিক ক্ষমতাত নিয়োজিত ব্যক্তিসকলক চাকৰিৰ পৰা বৰ্খাস্ত, অপসাৰণ বা পদ হ্ৰাস** - (১) কেন্দ্ৰৰ অসামৰিক সেৱাৰ সদস্য বা সৰ্বভাৰতীয় সেৱা বা কোনো ৰাজ্যৰ অসামৰিক সেৱাৰ সদস্য কোনো ব্যক্তি বা কেন্দ্ৰ বা কোনো ৰাজ্যৰ অধীনত কোনো অসামৰিক পদত থকা কোনো ব্যক্তিক তেওঁলোকক নিযুক্ত কৰা কৰ্তৃপক্ষৰ অধীনস্থ কোনো কৰ্তৃপক্ষই চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ কৰিব নোৱাৰিব।

[১][(২) পূৰ্বতে উল্লেখ কৰা কোনো ব্যক্তিক তদন্ত নকৰাকৈ চাকৰিৰ পৰা বৰ্খাস্ত, অপসাৰণ বা পদ হ্ৰাস কৰা নহ'ব, যদিহে তেওঁক তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে অৱগত কৰা হোৱা নাই আৰু সেই অভিযোগসমূহৰ সন্দৰ্ভত শুনানিৰ যুক্তিসংগত সুযোগ দিয়া হোৱা নাই [২]***:

[৩][কিন্তু, এনে তদন্তৰ পিছত তেওঁৰ ওপৰত যদি কোনো ধৰণৰ শাস্তি আৰোপ কৰাৰ প্ৰস্তাৱ দিয়া হয়, তেনে তদন্তৰ সময়ত দাখিল কৰা প্ৰমাণৰ ভিত্তিত এনে শাস্তি প্ৰদান কৰিব পাৰি আৰু তেনে ব্যক্তিৰ সন্দৰ্ভত কোনো ধৰণৰ প্ৰতিনিধিত্ব কৰাৰ কোনো সুযোগ দিয়াটো প্ৰয়োজনীয় নহ'ব:

অধিকন্তু, এইসমূহৰ ক্ষেত্ৰত এই দফা প্ৰযোজ্য নহ'ব] –

(ক) য'ত তেওঁৰ আচৰণৰ বাবে অপৰাধমূলক অভিযোগত দোষী সাব্যস্ত হোৱাৰ বাবে কোনো ব্যক্তিক চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ বা পদমৰ্যাদা হ্ৰাস কৰা হয়, বা

(খ) য'ত কোনো ব্যক্তিক চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ বা তেওঁৰ পদ হ্ৰাস কৰিবলৈ কৰ্তৃত্বপ্ৰাপ্ত কৰ্তৃপক্ষই কোনো কাৰণত সন্তুষ্ট হয়, যিটো কাৰণ সেই কৰ্তৃপক্ষই লিপিবদ্ধ ৰূপত ৰাখিব, এনে তদন্ত কৰাটো যুক্তিসংগতভাৱে ব্যৱহাৰিক নহয়, অথবা

(গ) য'ত ৰাষ্ট্ৰপতি বা ৰাজ্যপালে, যিয়েই প্ৰযোজ্য, সন্তুষ্ট হয় যে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ স্বাৰ্থত এনে তদন্ত কৰাটো যুক্তিসংগত নহয়।

(৩) যদিহে পূৰ্বতে উল্লেখ কৰা কোনো ব্যক্তিৰ সম্পৰ্কত কোনো প্ৰশ্ন উত্থাপন হয় যে দফা (২)-ত উল্লেখ কৰা তদন্ত কৰাটো যুক্তিসংগতভাৱে প্ৰয়োগ হয় নে নহয়, তেন্তে তেনে ব্যক্তিক চাকৰিৰ পৰা বৰ্খাস্ত বা অপসাৰণ বা তেওঁৰ পদ হ্ৰাস কৰাৰ ক্ষমতা প্ৰদান কৰা কৰ্তৃপক্ষৰ সিদ্ধান্তই চূড়ান্ত হ'ব।]

---

[১] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ১০-ৰ দ্বাৰা দফা (২) আৰু (৩)-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৪-ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ বিলোপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৪৪-ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## (চতুৰ্দশ অংশ - সংঘ আৰু ৰাজ্যসমূহৰ অধীনস্থ সেৱাসমূহ)

**৩১২। সৰ্বভাৰতীয় সেৱাসমূহ** - (১) [১][ষষ্ঠ অংশৰ ষষ্ঠ অধ্যায় বা একাদশ অংশ]ত যি কথাই উল্লেখ নাথাকক কিয়, যদি ৰাজ্যসভাই উপস্থিত আৰু ভোটদান কৰা সদস্যসকলৰ কমেও দুই-তৃতীয়াংশৰ দ্বাৰা সমৰ্থিত প্ৰস্তাৱৰ জৰিয়তে ঘোষণা কৰে যে ৰাষ্ট্ৰীয় স্বাৰ্থত এইটো আৱশ্যক বা উপযুক্ত, তেন্তে সংসদে আইনৰ দ্বাৰা সংঘ আৰু ৰাজ্যসমূহৰ বাবে সাধাৰণ এক বা ততোধিক সৰ্বভাৰতীয় সেৱাৰ [২][(সৰ্বভাৰতীয় ন্যায়িক সেৱাসহ)] সৃষ্টি কৰাৰ বাবে ব্যৱস্থা কৰিব পাৰে আৰু এই অধ্যায়ৰ আন উপবন্ধৰ অধীনত সেই সেৱাত নিযুক্তি আৰু নিযুক্ত লোকসকলৰ সেৱাৰ চৰ্তসমূহ নিয়ন্ত্ৰণ কৰিব পাৰে।

(২) এই সংবিধানৰ আৰম্ভণিৰ সময়ত ভাৰতীয় প্ৰশাসনিক সেৱা আৰু ভাৰতীয় আৰক্ষী সেৱা নামেৰে জ্ঞাত সেৱাকো এই অনুচ্ছেদৰ অধীনত সংসদে সৃষ্টি কৰা সেৱা বুলি গণ্য কৰা হ'ব।

[২][(৩) দফা (১)-ত উল্লেখ কৰা সৰ্বভাৰতীয় ন্যায়িক সেৱাত অনুচ্ছেদ ২৩৬-ত সংজ্ঞায়িত কৰা জিলা ন্যায়াধীশৰ পদতকৈ তলৰ কোনো পদ অন্তৰ্ভুক্ত নহ'ব।

(৪) উপৰোক্ত সৰ্বভাৰতীয় ন্যায়িক সেৱাৰ সৃষ্টিৰ বাবে প্ৰদান কৰা আইনত, সেই আইনৰ উপবন্ধসমূহ কাৰ্যকৰী কৰিবলৈ ষষ্ঠ অংশৰ ষষ্ঠ অধ্যায় সংশোধনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা অন্তৰ্ভুক্ত থাকিব পাৰে আৰু এনে কোনো আইনক অনুচ্ছেদ ৩৬৮-ৰ উদ্দেশ্যৰ বাবে সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহ'ব।]

[৩][**৩১২ক। বিশেষ কিছুমান সেৱাৰ বিষয়বস্তু আৰু সেৱাৰ চৰ্তসমূহ সলনি বা বাতিল কৰাৰ ক্ষেত্ৰত সংসদৰ ক্ষমতা** - (১) সংসদে বিধিৰ দ্বাৰা –

(ক) এই সংবিধান আৰম্ভ হোৱাৰ আগতে বা চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা ৰাজতন্ত্ৰৰ অসামৰিক সেৱাত নিযুক্তি দিয়া ব্যক্তিসকলৰ পাৰিতোষিক, ছুটী আৰু পেঞ্চনৰ ক্ষেত্ৰত অধিকাৰ, সেৱাৰ চৰ্ত আৰু অনুশাসনমূলক বিষয় ভাৰতত, সংবিধান (২৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২ আৰম্ভ হোৱাৰ পিছতো ভাৰত চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰৰ অধীনত যিকোনো সেৱা বা পদত অধিষ্ঠিত হৈ থাকিব, সম্ভাব্যভাৱে বা পূৰ্বৰ পৰা প্ৰযোজ্য হোৱাকৈ পৰিৱৰ্তন বা বাতিল কৰা হ'ব;

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৫-ৰ দ্বাৰা "একাদশ অংশ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৪৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।

[৩] সংবিধান (২৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৯-৮-১৯৭২-ৰ পৰা প্ৰযোজ্য হোৱাকৈ)।

(খ) এই সংবিধান বলবৎ হোৱাৰ পূৰ্বে চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা ভাৰতত অসামৰিক সেৱাত নিযুক্তি দিয়া ব্যক্তিসকলৰ পেঞ্চনৰ ক্ষেত্ৰত সেৱাৰ চৰ্তসমূহ, সম্ভাৱ্যভাৱে হওক বা পূৰ্বৰ পৰা প্ৰযোজ্য হোৱাকৈ হওক, পৰিৱৰ্তন বা বাতিল, সংবিধান (২৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২, বলবৎ হোৱাৰ আগতে যিকোনো সময়তে কৰা হৈছিল, অৱসৰ লোৱা হৈছিল বা অন্যধৰণেৰে সেৱা বন্ধ কৰা হৈছিল:

কিন্তু, উচ্চতম ন্যায়ালয় বা যিকোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা অন্য ন্যায়াধীশ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক, কেন্দ্ৰীয় বা ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা অন্য সদস্য বা কোনো ৰাজ্যিক লোকসেৱা আয়োগ বা মুখ্য নিৰ্বাচনী আয়ুক্তৰ পদত অধিষ্ঠিত কোনো ব্যক্তিৰ ক্ষেত্ৰত উপ-ধাৰা (ক) বা উপ-ধাৰা (খ)-ৰ কোনো কথাই তেওঁক এনে পদত নিযুক্তি দিয়াৰ পিছত তেওঁৰ সেৱাৰ চৰ্তসমূহ তেওঁৰ বাবে অসুবিধাজনকভাৱে সলনি কৰিবলৈ বা প্ৰত্যাহাৰ কৰিবলৈ কৰ্তৃত্ব দিয়া বুলি গণ্য কৰা নহ'ব, কাৰণ ভাৰতৰ ৰাজতন্ত্ৰৰ যিকোনো অসামৰিক সেৱাত চেক্ৰেটাৰী অফ্ ষ্টেট বা চেক্ৰেটাৰী অফ্ ষ্টেট ইন কাউন্সিলৰ দ্বাৰা নিযুক্তি দিয়া ব্যক্তি হোৱাৰ কাৰণে এনে সেৱাৰ চৰ্ত তেওঁৰ বাবে প্ৰযোজ্য।

(২) এই অনুচ্ছেদৰ অধীনত সংসদে আইনৰ দ্বাৰা প্ৰদান কৰা পৰিসৰৰ বাহিৰে এই অনুচ্ছেদৰ কোনো কথাই এই সংবিধানৰ অন্য কোনো উপবন্ধৰ অধীনত কোনো বিধানসভা বা অন্য কৰ্তৃপক্ষৰ দফা (১)-ত উল্লেখ কৰা ব্যক্তিসকলৰ সেৱাৰ চৰ্ত নিয়ন্ত্ৰণ কৰাৰ ক্ষমতাক প্ৰভাৱিত কৰিব নোৱাৰিব।

(৩) উচ্চতম ন্যায়ালয় বা আন কোনো ন্যায়ালয়ৰ এইসমূহৰ ওপৰত ক্ষেত্ৰাধিকাৰ নাথাকিব -

(ক) দফা (১)-ত উল্লেখ কৰা কোনো ব্যক্তিৰ দ্বাৰা কৰা বা সম্পাদিত কোনো চুক্তি, ক্ৰয়-বিক্ৰয়ৰ চুক্তি বা অন্য সমৰূপ লিখিত নথিপত্ৰৰ কোনো চৰ্ত অথবা তাত কৰা কোনো সমৰ্থনৰ পৰা উদ্ভৱ হোৱা কোনো বিতৰ্ক, বা ভাৰতত ৰাজতন্ত্ৰৰ অধীনস্থ কোনো অসামৰিক সেৱাত তেওঁক নিযুক্তি দিয়াৰ বা ভাৰত ডমিনিয়ন বা তাৰ কোনো প্ৰাদেশিক চৰকাৰৰ অধীনত তেওঁৰ সেৱা বজাই ৰখাৰ সন্দৰ্ভত জাৰি কৰা কোনো পত্ৰৰ পৰা উদ্ভৱ হোৱা কোনো বিতৰ্ক;

(খ) প্ৰথমে প্ৰণয়ন কৰা অনুচ্ছেদ ৩১৪-ৰ অধীনত যিকোনো অধিকাৰ, দায়বদ্ধতা বাধ্যবাধকতাৰ বা সন্দৰ্ভত যিকোনো বিবাদ।

(৪) এই অনুচ্ছেদৰ উপবন্ধাৱলী, অনুচ্ছেদ ৩১৪ বা এই সংবিধানৰ আৰম্ভণিতে প্ৰণয়ন কৰা অন্য কোনো উপবন্ধ সত্বেও কাৰ্যকৰী হ'ব।]

**৩১৩। অন্তৰ্কালীন উপবন্ধাৱলী** - এই সংবিধানৰ অধীনত এই সম্পৰ্কত অন্য ব্যৱস্থা নকৰালৈকে, বৰ্তমান সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে বলবৎ থকা আৰু এই সংবিধানৰ আৰম্ভণিৰ পিচতো সৰ্বভাৰতীয় সেৱা হিচাপে বা সংঘ অথবা কোনো ৰাজ্যৰ অধীনস্থ সেৱা বা পদ হিচাপে থকা কোনো লোক-সেৱা বা কোনো পদত প্ৰযোজ্য হ'ব পৰা সকলো বিধি এই সংবিধানৰ উপবন্ধসমূহৰ লগত সংগতিহীন নোহোৱা পৰ্য্যন্ত বলবৎ হৈয়ে থাকিব।

**৩১৪।** [বিশেষ কিছু সেৱাৰ বৰ্তমানৰ বিষয়াসকলৰ সুৰক্ষাৰ উপবন্ধ] - সংবিধান (২৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২-ৰ ধাৰা ৩-ৰ দ্বাৰা বিলোপিত (২৯-৮-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## দ্বিতীয় অধ্যায় - লোকসেৱা আয়োগসমূহ

**৩১৫। সংঘ আৰু ৰাজ্যসমূহৰ বাবে লোকসেৱা আয়োগসমূহ** - (১) এই অনুচ্ছেদৰ উপবন্ধাৱলী অনুসৰি সংঘৰ বাবে এখন লোকসেৱা আয়োগ আৰু প্ৰতিখন ৰাজ্যৰ বাবে একোখনকৈ লোকসেৱা আয়োগ থাকিব।

(২) দুখন বা ততোধিক ৰাজ্যই এইটো মানি ল'ব পাৰে যে সেই ৰাজ্য কেইখনৰ সমষ্টিটোৰ কাৰণে এখন লোকসেৱা আয়োগ হ'ব আৰু যদি সেই ৰাজ্যবোৰৰ প্ৰত্যেকখনৰে বিধানমণ্ডলৰ সদনে বা য'ত দুখন সদন থাকে তাত প্ৰত্যেকখন সদনে সেই মৰ্মে প্ৰস্তাৱ গ্ৰহণ কৰে, তেনেহ'লে সংসদে সেই ৰাজ্যবোৰৰ প্ৰয়োজনীয়তা পূৰণৰ কাৰণে এখন সংযুক্ত ৰাজ্য লোকসেৱা আয়োগ (এই অধ্যায়ত সংযুক্ত আয়োগ বুলি উল্লেখ কৰা হৈছে) নিযুক্ত কৰিবলৈ বিধিৰ দ্বাৰা বিধানিত কৰিব পাৰে।

(৩) উপৰোক্ত ধৰণৰ যিকোনো বিধিত সেই বিধিৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰিবলৈ আৱশ্যকীয় বা বাঞ্ছনীয় হোৱা অনুসৰি প্ৰাসংগিক আৰু আনুষংগিক যিকোনো উপবন্ধ থাকিব পাৰে।

(৪) যদি কোনো ৰাজ্যৰ ৰাজ্যপালে [১]*** সংঘৰ লোকসেৱা আয়োগক তেনে কৰিবলৈ অনুৰোধ কৰে, তেন্তে তেওঁ ৰাষ্ট্ৰপতিৰ অনুমোদন সাপেক্ষে ৰাজ্যখনৰ সকলো বা যিকোনো প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সন্মত হ'ব পাৰে।

(৫) প্ৰসংগক্ৰমে অন্যধৰণে প্ৰয়োজনীয় নহ'লে, এই সংবিধানত কেন্দ্ৰীয় লোকসেৱা আয়োগ বা ৰাজ্যিক লোকসেৱা আয়োগৰ যি উল্লেখ আছে, সেয়া, যদি প্ৰসংগৰ দ্বাৰা অন্যধৰণে উল্লেখ নকৰে, তেন্তে সেইটো সংঘৰ প্ৰয়োজন অথবা ৰাজ্যৰ প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত আয়োগৰ উল্লেখ হিচাপে ধৰি লোৱা হ'ব।

**৩১৬। সদস্যসকলৰ নিযুক্তি আৰু কাৰ্যকাল** - (১) লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক কেন্দ্ৰীয় আয়োগ বা যুটীয়া আয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে আৰু ৰাজ্যিক আয়োগৰ ক্ষেত্ৰত ৰাজ্যৰ ৰাজ্যপালে নিযুক্তি দিব:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, প্ৰত্যেক লোকসেৱা আয়োগতে যথাসম্ভৱ নিকটতম অৰ্দ্ধেক সদস্য এনে ব্যক্তি হ'ব লাগিব যি সকলে নিজ নিজ নিযুক্তিৰ তাৰিখত কম পক্ষেও দহ বছৰ কাল ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত পদ গ্ৰহণ কৰি আহিছে আৰু সেই দহ বছৰ কাল গণনা কৰোতে এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে যি কালছোৱাত কোনো ব্যক্তিয়ে ৰাজতন্ত্ৰৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্যৰ চৰকাৰৰ অধীনত পদ ধাৰণ কৰি আহিছে সেই কালছোৱাও ইয়াৰ অন্তৰ্ভুক্ত হ'ব।

[1][(১ক) যদি আয়োগৰ অধ্যক্ষৰ পদ খালী হয় বা যদি কোনো অধ্যক্ষই অনুপস্থিতিৰ কাৰণে বা আন যিকোনো কাৰণে তেওঁৰ কৰ্তব্য পালন কৰিবলৈ অসমৰ্থ হয়, তেনেহ'লে যেতিয়ালৈকে সেই খালী পদত দফা (১)-ৰ অধীনত নিযুক্ত কোনো ব্যক্তিয়ে দায়িত্বভাৰ গ্ৰহণ নকৰে অথবা যেতিয়ালৈকে অধ্যক্ষই তেওঁৰ কৰ্তব্য পুনৰ গ্ৰহণ নকৰে, ইয়াৰ যিটোৱেই প্ৰযোজ্য হয়, তেতিয়ালৈকে সেই কৰ্তব্যসমূহ আয়োগৰ আন সদস্যসকলৰ ভিতৰত এনেকুৱা এজন সদস্যই পালন কৰিব যাক কেন্দ্ৰীয় আয়োগ বা সংযুক্ত আয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে আৰু ৰাজ্য-আয়োগৰ ক্ষেত্ৰত ৰাজ্যৰ ৰাজ্যপালে সেই প্ৰয়োজনৰ বাবে নিযুক্ত কৰে।]

(২) লোকসেৱা আয়োগৰ কোনো সদস্যই নিজৰ পদ গ্ৰহণ কৰা তাৰিখৰ পৰা ছবছৰলৈ অথবা কেন্দ্ৰীয়-আয়োগৰ ক্ষেত্ৰত তেওঁৰ বয়স পয়ষষ্ঠি বছৰ নোহোৱালৈকে আৰু কোনো ৰাজ্য-আয়োগ বা কোনো সংযুক্ত আয়োগৰ ক্ষেত্ৰত তেওঁৰ বয়স [2][বাষষ্ঠি বছৰ] নোহোৱালৈকে, ইয়াৰ যিটোৱেই সোনকালে হয়, তেওঁ পদত অধিস্থিত হৈ থাকিব:

কিন্তু -

(ক) কোনো লোকসেৱা আয়োগৰ সদস্যই কেন্দ্ৰীয়-আয়োগ বা সংযুক্ত আয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি আৰু কোনো ৰাজ্য-আয়োগৰ ক্ষেত্ৰত সেই ৰাজ্যৰ ৰাজ্যপালক [3]*** সম্বোধন কৰি স্বহস্তাক্ষৰেৰে তেওঁৰ পদ ত্যাগ কৰিব পাৰে।

(খ) কোনো লোকসেৱা আয়োগৰ কোনো সদস্যক অনুচ্ছেদ ৩১৭-ৰ দফা (১)-ত বা দফা (৩)-ত বিধানিত ৰীতি অনুসৰি তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পৰা যাব।

(৩) কোনো লোকসেৱা আয়োগৰ সদস্য পদ ধাৰণ কৰি থকা কোনো ব্যক্তি, তেওঁৰ কাৰ্যকাল অন্ত পৰিলে সেই পদত পুনঃনিযুক্তিৰ কাৰণে অযোগ্য হ'ব।

---

[1] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ১১-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ২-ৰ দ্বাৰা "ষাঠি বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৭-৯-১৯৭৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩১৭। লোকসেৱা আয়োগৰ একোজন সদস্যৰ অপসাৰণ আৰু নিলম্বন** - (১) ধাৰা (৩)-ৰ উপবন্ধাৱলীৰ অধীনত, কোনো লোকসেৱা আয়োগৰ অধ্যক্ষ বা যিকোনো আন সদস্যক কেৱল ৰাষ্ট্ৰপতিৰ আদেশৰ দ্বাৰা অপসাৰণ কৰিব পাৰিব, যদি তেওঁৰ দুৰ্ব্যৱহাৰৰ অভিযোগৰ ভিত্তিত অপসাৰণৰ প্ৰয়োজন হয় আৰু ৰাষ্ট্ৰপতিয়ে সেই বিষয়ে উচ্চতম ন্যায়ালয়ত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰাৰ পাছত, অনুচ্ছেদ ১৪৫-ৰ অধীনত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি তদন্ত কৰি উচ্চতম ন্যায়ালয়ে প্ৰতিবেদন দিয়ে যে অধ্যক্ষ বা সেই সদস্যক, যিটোৱেই প্ৰযোজ্য হয়, অপসাৰণ কৰা উচিত।

(২) আয়োগৰ অধ্যক্ষ বা এনে কোনো সদস্যক যাৰ সম্পৰ্কত দফা (১)-ৰ অধীনত উচ্চতম ন্যায়ালয়লৈ নিৰ্দেশিত কৰা হয়, তেনে নিৰ্দেশৰ প্ৰসংগত উচ্চতম ন্যায়ালয়ৰ পৰা প্ৰতিবেদন লাভ কৰি ৰাষ্ট্ৰপতিয়ে আদেশ নিদিয়ালৈকে সংঘ-আয়োগ বা কোনো সংযুক্ত আয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে আৰু কোনো ৰাজ্য-আয়োগৰ ক্ষেত্ৰত ৰাজ্যপালে [১]*** পদৰ পৰা নিলম্বন কৰিব পাৰে।

(৩) দফা (১)-ত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা কোনো লোকসেৱা আয়োগৰ অধ্যক্ষ বা কোনো সদস্যক পদৰ পৰা অপসাৰণ কৰিব পাৰিব যদিহে সেই অধ্যক্ষ বা তেনে সদস্য, যিটোৱেই প্ৰযোজ্য, -

(ক) দেউলীয়া বুলি ঘোষিত হয়; বা

(খ) তেওঁৰ কাৰ্যকালৰ ভিতৰত নিজৰ পদৰ কৰ্তব্যৰ বাহিৰত তেওঁ বেতনসহ কোনো পদত নিযুক্ত হৈ থাকে; বা

(গ) ৰাষ্ট্ৰপতিৰ ৰায় অনুসৰি মন বা শৰীৰৰ দুৰ্বলতাৰ কাৰণে কাম চলাই থকাৰ বাবে অযোগ্য হয়।

(৪) ভাৰত চৰকাৰৰ দ্বাৰা বা তৰফৰ পৰা অথবা কোনো ৰাজ্যৰ চৰকাৰৰ দ্বাৰা বা তৰফৰ পৰা হোৱা কোনো বন্দবস্ত বা চুক্তিত কিবা প্ৰকাৰে সংশ্লিষ্ট বা স্বাৰ্থ জড়িত থাকিলে বা তাৰ পৰা পোৱা লাভ বা তাৰ পৰা উদ্ভৱ হোৱা উপকাৰ বা উপলব্ধিৰ বিষয়ত, কোনো নিগমিত কোম্পানীৰ সদস্য হিচাপে আৰু আন সদস্যসকলৰ লগত উমৈহতীয়াভাৱে অংশ গ্ৰহণ কৰাৰ বাহিৰে আন কিবা প্ৰকাৰে লোকসেৱা আয়োগৰ অধ্যক্ষ বা আন কোনো সদস্যই কিবা অংশ গ্ৰহণ কৰিলে দফা (১)-ৰ প্ৰয়োজনসমূহৰ কাৰণে তেওঁক অশোভনীয় আচৰণৰ বাবে দোষী বুলি গণ্য হ'ব।

**৩১৮। আয়োগৰ সদস্য আৰু কৰ্মচাৰীৰ সেৱাৰ চৰ্তসমূহৰ ক্ষেত্ৰত নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা** - কেন্দ্ৰীয় আয়োগ বা যুটীয়া আয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতি আৰু ৰাজ্যিক আয়োগৰ ক্ষেত্ৰত ৰাজ্যৰ ৰাজ্যপালে [১]*** নিয়মৰ দ্বাৰা –

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) আয়োগৰ সদস্যৰ সংখ্যা আৰু তেওঁলোকৰ সেৱাৰ চৰ্তসমূহ নিৰ্ধাৰণ কৰিব পাৰে; আৰু

(খ) আয়োগৰ কৰ্মচাৰীবৃন্দৰ সংখ্যা আৰু তেওঁলোকৰ সেৱাৰ চৰ্তসমূহৰ ক্ষেত্ৰত উপবন্ধ প্ৰস্তুত কৰিব পাৰে:

কিন্তু, কোনো লোকসেৱা আয়োগৰ কোনো সদস্যৰ সেৱাৰ চৰ্তসমূহ তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্ৰতিকূলে কোনো পৰিৱৰ্তন কৰা নহ'ব।

**৩১৯। আয়োগৰ সদস্যসকলে এনে সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ পিছত আন কাৰ্যভাৰ গ্ৰহণ কৰাত নিষেধাজ্ঞা** - পদৰ পৰা অব্যাহতি লোৱাৰ পিছত –

(ক) সংঘ লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰৰ অধীনত আন কোনো পদত নিযুক্তিৰ বাবে অযোগ্য হ'ব;

(খ) কোনো ৰাজ্য লোকসেৱা আয়োগৰ অধ্যক্ষ, সংঘ লোকসেৱা আয়োগৰ অধ্যক্ষ বা আন কোনো সদস্য হিচাপে নাইবা আন কোনো ৰাজ্য লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ বাবে যোগ্য হ'ব, কিন্তু ভাৰত চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তিৰ বাবে যোগ্য নহ'ব;

(গ) সংঘ লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাহিৰে আন কোনো সদস্য সংঘ লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে বা আন কোনো ৰাজ্য লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ বাবে যোগ্য হ'ব, কিন্তু ভাৰত চৰকাৰ নাইবা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তি পাবৰ কাৰণে যোগ্য নহ'ব;

(ঘ) কোনো ৰাজ্য লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাহিৰে আন কোনো সদস্য সংঘ লোকসেৱা আয়োগৰ অধ্যক্ষ বা আন যিকোনো সদস্য ৰূপে অথবা সেই ৰাজ্য বা আন কোনো ৰাজ্য লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্ত হোৱাৰ বাবে যোগ্য হ'ব, কিন্তু ভাৰত চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰৰ অধীনত আন কোনো নিযুক্তিৰ বাবে যোগ্য নহ'ব।

**৩২০। লোকসেৱা আয়োগসমূহৰ কাৰ্যাৱলী** - (১) সংঘ আৰু ৰাজ্য লোকসেৱা আয়োগৰ কৰ্তব্য হ'ব ক্ৰমে সংঘ সেৱা আৰু ৰাজ্যিক সেৱাত নিযুক্তিৰ বাবে পৰীক্ষাসমূহ অনুষ্ঠিত কৰা।

(২) যদি দুই বা ততোধিক ৰাজ্যই অনুৰোধ জনায়, তেন্তে যিবোৰ সেৱাৰ কাৰণে বিশেষ অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ আৱশ্যক হয়, তেনেবোৰ সেৱাৰ কাৰণে যুটীয়া ভৰ্তিৰ বাবে আঁচনি প্ৰস্তুত কৰা আৰু প্ৰৱৰ্তন কৰাত সেইবোৰ ৰাজ্যক সহায় কৰাটোও সংঘ লোকসেৱা আয়োগৰ কৰ্তব্য হ'ব।

(৩) সংঘ লোকসেৱা আয়োগ বা ৰাজ্য লোকসেৱা আয়োগৰ, যিটোৱেই প্ৰযোজ্য, পৰামৰ্শ লোৱা হ'ব –

(ক) অসামৰিক সেৱা আৰু অসামৰিক পদত নিযুক্তিৰ পদ্ধতিৰ সৈতে জড়িত সকলো বিষয়ত;

(খ) অসামৰিক সেৱা আৰু পদত নিযুক্তি দিয়াৰ ক্ষেত্ৰত আৰু এটা সেৱাৰ পৰা আন এটা সেৱালৈ পদোন্নতি আৰু বদলি কৰাৰ ক্ষেত্ৰত মানি চলিবলগীয়া নীতিসমূহৰ ওপৰত আৰু এনে নিযুক্তি, পদোন্নতি বা বদলিৰ বাবে প্ৰাৰ্থীৰ উপযুক্ততাৰ ওপৰত;

(গ) ভাৰত চৰকাৰ বা যিকোনো ৰাজ্য চৰকাৰৰ অধীনত অসামৰিক পদত সেৱা আগবঢ়োৱা যিকোনো ব্যক্তিক প্ৰভাৱিত কৰা সকলো অনুশাসনমূলক বিষয়ত, এনে বিষয়ৰ সৈতে জড়িত স্মাৰকপত্ৰ বা আবেদনকে ধৰি;

(ঘ) নিজৰ কৰ্তব্য সম্পাদন কৰোঁতে কৰা হোৱা বা কৰা বুলি অভিপ্ৰেত কোনো কাৰ্য্যৰ সম্বন্ধত তেওঁৰ বিৰুদ্ধে অনা বিধিমূলক কাৰ্য্যক্ৰমণিকাসমূহত প্ৰতিৰক্ষা কৰোঁতে তেওঁ বহন কৰা কোনো খৰচ ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা বা সেই ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা, যিটোৱেই প্ৰযোজ্য, শোধ কৰিব লাগে বুলি ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰৰ অধীনত বা ৰাজতন্ত্ৰৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্য চৰকাৰৰ অধীনত অসামৰিক ক্ষেত্ৰত সেৱা কৰি থকা বা পূৰ্বে সেৱা কৰা কোনো ব্যক্তিৰ দ্বাৰা বা সম্পৰ্কত তোলা কোনো দাবীৰ বিষয়ত;

(ঙ) ভাৰত চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰৰ অধীনত বা ৰাজতন্ত্ৰৰ অধীনত ভাৰতত বা কোনো ভাৰতীয় ৰাজ্য চৰকাৰৰ অধীনত অসামৰিক ক্ষেত্ৰত সেৱা কৰি থাকোঁতে কোনো ব্যক্তিয়ে পোৱা আঘাতৰ সম্বন্ধত অৱসৰ বেতন পাবৰ কাৰণে কৰা কোনো দাবীৰ বিষয়ে আৰু এনে কোনো অৱসৰ বেতনৰ পৰিমাণ বিষয়ক কোনো প্ৰশ্নৰ বিষয়ত, পৰামৰ্শ কৰিব লাগিব, আৰু এনেদৰে আয়োগলৈ নিৰ্দেশিত কৰা কোনো বিষয়ত আৰু ৰাষ্ট্ৰপতিয়ে বা সেই ৰাজ্যৰ ৰাজ্যপালে [1]***, যিয়েই প্ৰযোজ্য, আয়োগলৈ নিৰ্দেশিত কৰা আন যিকোনো বিষয়ত পৰামৰ্শ দিয়াটো লোকসেৱা আয়োগৰ কৰ্তব্য হ'ব:

কিন্তু, সৰ্বভাৰতীয় সেৱা আৰু সংঘৰ কামৰ লগত জড়িত থকা অন্যান্য সেৱা আৰু পদৰ সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে আৰু আন কোনো ৰাজ্যৰ কামৰ লগত জড়িত থকা অন্যান্য সেৱা আৰু পদৰ সন্দৰ্ভত ৰাজ্যপালে [2]*** সাধাৰণতে কোনবোৰ বিষয়ত বা কোনবোৰ বিশেষ শ্ৰেণীৰ বিষয়ত নাইবা কোনবোৰ বিশেষ অৱস্থাত কোনো লোকসেৱা আয়োগৰ লগত মন্ত্ৰণা কৰিবৰ আৱশ্যক বোধ নকৰে সেই বিষয়বোৰ নিৰ্দিষ্ট কৰি নিয়ম প্ৰণয়ন কৰিব পাৰে।

(৪) অনুচ্ছেদ ১৬-ৰ দফা (৪)-ত উল্লেখ কৰা যিকোনো ব্যৱস্থা কেনেকৈ কৰিব পাৰি বা অনুচ্ছেদ ৩৩৫-ৰ উপবন্ধাৱলী কেনেকৈ কাৰ্যকৰী কৰিব পাৰি সেই সন্দৰ্ভত দফা (৩)-ৰ কোনো কথাতে লোকসেৱা আয়োগৰ সৈতে পৰামৰ্শ কৰাৰ প্ৰয়োজন নহ'ব।

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ, যিটোৱেই প্ৰযোজ্য" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৫) দফা (৩)-ৰ উপবন্ধাৱলীৰ অধীনত ৰাষ্ট্ৰপতি বা কোনো ৰাজ্যৰ ৰাজ্যপালে [১]*** প্ৰস্তুত কৰা সকলো নিয়ম, সেইবোৰ কৰাৰ পিচত যথা সম্ভৱ শীঘ্ৰে, সংসদৰ প্ৰত্যেক সদনৰ আগত বা সেই ৰাজ্যৰ বিধানমণ্ডলৰ আগত বা প্ৰত্যেক সদনৰ আগত, যিটোৱেই প্ৰযোজ্য, ন্যূনতম চৈধ্য দিনৰ বাবে ৰাখিব আৰু সেই নিয়মসমূহ তেনেভাৱে ৰখা অধিবেশনৰ ভিতৰতে সংসদৰ দুয়োখন সদনে বা সেই ৰাজ্যৰ বিধানমণ্ডলৰ সদনে বা দুয়োখন সদনে ৰদ বা সংশোধনৰ দ্বাৰা কৰা পৰিৱৰ্তন সাপেক্ষ হ'ব।

**৩২১৷ লোকসেৱা আয়োগৰ কাৰ্য্য সম্প্ৰসাৰণৰ ক্ষমতা** - সংসদৰ দ্বাৰা বা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা, যিটোৱেই প্ৰযোজ্য হয়, প্ৰণীত কোনো আইনে সংঘ বা ৰাজ্যৰ সেৱাৰ সম্পৰ্কত আৰু তদুপৰি কোনো স্থানীয় প্ৰাধিকাৰী বা বিধিযোগে গঠিত হোৱা আন নিগম, নিকায় বা কোনো ৰাজহুৱা সংস্থাৰ সংঘ লোকসেৱা আয়োগৰ দ্বাৰা বা ৰাজ্য লোকসেৱা আয়োগৰ দ্বাৰা অতিৰিক্ত কাৰ্য নিৰ্বহন কৰিবলৈ উপবন্ধিত কৰিব পাৰে।

**৩২২৷ লোকসেৱা আয়োগৰ ব্যয়** - আয়োগৰ সদস্যসকল বা কৰ্মচাৰীবৃন্দক বা তেওঁলোকৰ সন্দৰ্ভত পৰিশোধ কৰিবলগীয়া কোনো বেতন, ভাট্টা আৰু অৱসৰ বেতনকে ধৰি সংঘ বা ৰাজ্য লোকসেৱা আয়োগৰ ব্যয়ৰ দায়িত্ব ভাৰতৰ একত্ৰীকৃত নিধি বা সেই ৰাজ্যৰ একত্ৰীকৃত নিধিৰ, যিটোৱেই প্ৰযোজ্য হয়, ওপৰত আৰোপিত হ'ব।

**৩২৩৷ লোকসেৱা আয়োগৰ প্ৰতিবেদন** - (১) সংঘ আয়োগে কৰা কামৰ বিষয়ে ৰাষ্ট্ৰপতিৰ ওচৰত বছৰি একোখন প্ৰতিবেদন দাখিল কৰাটো সংঘ আয়োগৰ কৰ্তব্য হ'ব আৰু প্ৰত্যেকখন তেনে প্ৰতিবেদন পোৱাৰ পিচত ৰাষ্ট্ৰপতিয়ে সংসদৰ প্ৰত্যেক সদনতে তাৰ একোটা প্ৰতিলিপি আৰু তাৰ লগতে, যদিহে কেতিয়াবা আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰা হোৱা নাই, তেনেহ'লে তেনে বিষয়ত কিয় গ্ৰহণ কৰা নহ'ল তাৰ কাৰণ ব্যাখ্যা কৰি একোখন নথি দাখিল কৰোৱাব।

(২) ৰাজ্য আয়োগৰ কামৰ বিষয়ে সেই ৰাজ্যৰ ৰাজ্যপালৰ [১]*** ওচৰত বছৰি একোখন প্ৰতিবেদন দাখিল কৰাটো কোনো ৰাজ্য আয়োগৰ কৰ্তব্য হ'ব আৰু যুটীয়া আয়োগে যিবোৰ ৰাজ্যৰ আৱশ্যকতা অনুযায়ী সেৱা আগবঢ়াইছে তেনে প্ৰত্যেকখন ৰাজ্যৰ ৰাজ্যপালৰ [১]*** ওচৰত আয়োগে সেই ৰাজ্যৰ সম্পৰ্কত কৰা কামৰ বিষয়ে প্ৰতিবেদন একোখন দাখিল কৰাটো যুটীয়া আয়োগৰ কৰ্তব্য হ'ব আৰু দুয়োটা ক্ষেত্ৰতে, ৰাজ্যপালে [২]*** তেনে প্ৰতিবেদন পোৱাৰ পিচত সেই ৰাজ্যৰ বিধানমণ্ডলত তাৰে প্ৰতিলিপি আৰু তাৰ লগতে, যদিহে কেতিয়াবা আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰা হোৱা নাই, তেনেহ'লে তেনে বিষয়ত কিয় গ্ৰহণ কৰা নহ'ল তাৰ কাৰণ ব্যাখ্যা কৰি একোখন প্ৰতিবেদন দাখিল কৰোৱাব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ, যিটোৱেই প্ৰযোজ্য" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][চতুৰ্দশ-ক অংশ

# ন্যায়াধিকৰণ

**৩২৩ক। প্ৰাশাসনিক ন্যায়াধিকৰণ** - (১) সংসদে বিধিৰ দ্বাৰা সংঘ বা কোনো ৰাজ্যৰ অথবা ৰাজ্যক্ষেত্ৰৰ ভিতৰত থকা বা ভাৰত চৰকাৰৰ নিয়ন্ত্ৰণাধীন কোনো স্থানীয় বা অন্য কৰ্তৃপক্ষ অথবা চৰকাৰৰ মালিকীস্বত্ব বা নিয়ন্ত্ৰণত থকা কোনো নিগমৰ কাৰ্য্যকলাপৰ লগত সম্পৰ্ক থকা লোকসেৱা বা তেনে পদত নিযুক্তিকৰণ আৰু তাত নিযুক্ত ব্যক্তিসকলৰ সেৱাৰ চৰ্ত সম্বন্ধীয় বিবাদ বা গোচৰসমূহ প্ৰাশাসনিক ন্যায়াধিকৰণৰ দ্বাৰা ন্যায় নিৰ্ণয় বা বিচাৰৰ বাবে উপবন্ধিত কৰিব পাৰে।

(২) দফা (১)-ৰ অধীনত প্ৰণয়ন কৰা বিধিয়ে -

(ক) সংঘৰ বাবে এখন প্ৰাশাসনিক ন্যায়াধিকৰণ আৰু প্ৰত্যেক ৰাজ্যৰ বাবে অথবা দুই বা ততোধিক ৰাজ্যৰ বাবে একোখন পৃথক পৃথক প্ৰাশাসনিক ন্যায়াধিকৰণ স্থাপনৰ বাবে উপবন্ধিত কৰিব পাৰিব;

(খ) উক্ত প্ৰত্যেক ন্যায়াধিকৰণে প্ৰয়োগ কৰিব পৰা ক্ষেত্ৰাধিকাৰ, ক্ষমতা (অৱমাননাৰ বাবে দণ্ড দিয়াৰ ক্ষমতাসহ) আৰু কৰ্তৃত্ব সুনিৰ্দিষ্ট কৰিব পাৰিব;

(গ) উক্ত ন্যায়াধিকৰণে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াৰ (পৰিসীমা আৰু সাক্ষ্যৰ নিয়মৰ বিষয়ে উপবন্ধাৱলী অন্তৰ্ভুক্ত কৰি) উপবন্ধিত কৰিব পাৰিব;

(ঘ) দফা (১)-ত উল্লিখিত বিবাদ বা গোচৰসমূহৰ সম্বন্ধত অনুচ্ছেদ ১৩৬-ৰ অধীনত থকা উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰে সকলো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ বহিৰ্ভূত কৰিব পাৰিব;

(ঙ) কোনো আদালত বা অন্য কৰ্তৃপক্ষৰ সন্মুখত বিচাৰাধীন যিকোনো গোচৰ এনে ন্যায়াধিকৰণৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত থাকিব যদিহে এনে মামলা বা কাৰ্য্যক্ৰমণিকা তেনে ন্যায়াধিকৰণ প্ৰতিষ্ঠাৰ পিছত উদ্ভৱ হৈছিল, তেন্তে সেইসমূহৰ এনে প্ৰতিখন প্ৰাশাসনিক ন্যায়াধিকৰণলৈ হস্তান্তৰ কৰাৰ উপবন্ধিত কৰিব পাৰে।

(চ) ৰাষ্ট্ৰপতিৰ দ্বাৰা অনুচ্ছেদ ৩৭১ঘ-ৰ দফা (৩)-ৰ অধীনত দিয়া কোনো আদেশ বাতিল বা সংশোধন কৰিব পাৰিব;

(ছ) এনে অনুপূৰক, আনুষংগিক আৰু পৰিণামস্বৰূপ উপবন্ধাৱলী (মাচুল সম্বন্ধীয় উপবন্ধক সামৰি) অন্তৰ্ভুক্ত কৰিব পাৰিব যিবিলাক এনে ন্যায়াধিকৰণে প্ৰভাৱশীলভাৱে কাৰ্য পালন, মোকৰ্দমাৰ দ্ৰুত নিষ্পত্তি আৰু ন্যায়াধিকৰণৰ আদেশসমূহ বলবৎ কৰিবৰ বাবে সংসদে আৱশ্যক বুলি গণ্য কৰে।

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৬-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৩) এই সংবিধানৰ আন কোনো উপবন্ধ অথবা সেই সময়ত বলবৎ থকা আন কোনো বিধিত যি কথাই নাথাকক কিয়, এই অনুচ্ছেদৰ উপবন্ধাৱলী কাৰ্যকৰী হ'ব।

**৩২৩খ। অন্যান্য বিষয়ৰ বাবে ন্যায়াধিকৰণ** - (১) উপযুক্ত বিধানমণ্ডলে বিধিৰ দ্বাৰা এনে বিবাদ, গোচৰ বা অপৰাধৰ ন্যায়াধিকৰণৰ দ্বাৰা ন্যায়-নিৰ্ণয় বা বিচাৰৰ বাবে বিধি প্ৰস্তুত কৰিব পাৰে যিবিলাক দফা (২)-ত সন্নিৱিষ্ট সকলো বা যিকোনো বিষয়ৰ লগত সম্পৰ্কিত হয় আৰু যিবিলাকৰ সম্পৰ্কত তেনে বিধানমণ্ডলৰ বিধি প্ৰণয়নৰ ক্ষমতা থাকে।

(২) দফা ১-ত উল্লেখ থকা বিষয়সমূহ হ'ল -

(ক) কোনো কৰ আৰোপণ, নিৰ্ধাৰণ, সংগ্ৰহ আৰু বলবৎ;

(খ) বিদেশী মুদ্ৰা, সীমান্তৰ ইপাৰে-সিপাৰে আমদানি আৰু ৰপ্তানি শুল্ক;

(গ) উদ্যোগিক আৰু শ্ৰম বিবাদ;

(ঘ) ৰাজ্যৰ দ্বাৰা অনুচ্ছেদ ৩১ক-ত সংজ্ঞায়িত কৰা কোনো সম্পদ বা তাত থকা কোনো অধিকাৰ অৰ্জনৰ দ্বাৰা বা তেনে অধিকাৰ বিলোপ বা সাল-সলনিৰ দ্বাৰা অথবা কৃষি-ভূমিৰ ওপৰত অধিকতম সীমা নিৰ্ধাৰণৰ দ্বাৰা বা আন কোনো প্ৰকাৰে ভূমি সংস্কাৰ;

(ঙ) নগৰীয়া সম্পত্তিৰ অধিকতম সীমা;

(চ) সংসদৰ যিকোনো এখন সদনলৈ অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সদনলৈ বা যিকোনো সদনলৈ নিৰ্বাচন, কিন্তু অনুচ্ছেদ ৩২৯ আৰু অনুচ্ছেদ ৩২৯ক-ত নিৰ্দেশিত বিষয়সমূহ বাদ দি;

(ছ) খাদ্য সামগ্ৰী (খোৰা তেলৰ গুটি আৰু খোৰা তেলক অন্তৰ্ভুক্ত কৰি) আৰু ৰাষ্ট্ৰপতিয়ে এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে চৰকাৰী অধিসূচনাৰ দ্বাৰা অত্যাৱশ্যকীয় সামগ্ৰী বুলি ঘোষণা কৰা তেনে আন সামগ্ৰীসমূহৰ উৎপাদন আহৰণ আৰু যোগান আৰু তেনে সামগ্ৰীসমূহৰ মূল্য নিয়ন্ত্ৰণ;

[১][(জ)] ভাৰা, ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ আৰু ভাৰাতীয়া স্বত্ব সম্বন্ধীয় বিবাদমান গৃহ-স্বত্বাধিকাৰী আৰু ভাৰাতীয়াসকলৰ অধিকাৰ, স্বত্ব আৰু হিত অন্তৰ্ভুক্ত কৰি;

[২][ঝ] উপদফা (ক)-ৰ পৰা [৩][(জ)]-লৈ নিৰ্দিষ্ট যিকোনো বিষয় সম্বন্ধত বিধিৰ বিৰুদ্ধে অপৰাধসমূহ আৰু সেই বিষয়সমূহৰ সম্বন্ধিত মাচুল;

---

[১] সংবিধান (৭৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-৫-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা উপদফা (জ)-ক উপদফা (ঝ) ৰূপে পুনঃক্ৰমাংকিত (১৫-৫-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা বন্ধনী আৰু আখৰ "(ছ)"ৰ সলনি প্ৰতিস্থাপিত (১৫-৫-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][*ঞ*] উপদফা (ক)-ৰ পৰা [2][(*ঝ*)]-লৈ নিৰ্দিষ্ট যিকোনো বিষয়ৰ আনুসংগিক কোনো বিষয়

(৩) দফা (১)-ৰ অধীনত প্ৰণয়ন কৰা বিধিয়ে -

(ক) ন্যায়াধিকৰণসমূহৰ পদানুক্ৰম স্থাপন কৰিবলৈ উপবন্ধিত কৰিব পাৰে;

(খ) উক্ত ন্যায়াধিকৰণে প্ৰয়োগ কৰিব পৰা ক্ষেত্ৰাধিকাৰ, ক্ষমতা (অৱমাননাৰ বাবে দণ্ড দিয়াৰ ক্ষমতা অন্তৰ্ভুক্ত কৰি) আৰু কৰ্তৃত্ব নিৰ্দিষ্ট কৰিব পাৰে;

(গ) উক্ত ন্যায়াধিকৰণসমূহে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াৰ (পৰিসীমা আৰু সাক্ষ্যৰ নিয়মৰ উপবন্ধাৱলী অন্তৰ্ভুক্ত কৰি) উপবন্ধিত কৰিব পাৰে;

(ঘ) উক্ত ন্যায়াধিকৰণসমূহৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত পৰা সকলো বা যিকোনো বিষয়ৰ সম্বন্ধত অনুচ্ছেদ ১৩৬-ৰ অধীনত উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰে আন সকলো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ বহিৰ্ভূত কৰিব পাৰে;

(ঙ) এনে প্ৰত্যেক ন্যায়াধিকৰণলৈ এনে মোকৰ্দমা হস্তান্তৰণ কৰাৰ বাবে বিধি প্ৰস্তুত কৰিব পাৰে – যিবিলাক এনে ন্যায়াধিকৰণ স্থাপন কৰাৰ পূৰ্বে কোনো ন্যায়ালয় বা অন্য কৰ্তৃপক্ষৰ ওচৰত বিচাৰাধীন হৈ থাকে আৰু যিবিলাক বিবাদৰ কাৰণৰ ওপৰত এনে বিচাৰ আধাৰিত, সেইবোৰ এনে ন্যায়াধিকৰণ স্থাপনৰ পিচত উদ্ভৱ হোৱা হ'লে তেনে ন্যায়াধিকৰণ ক্ষেত্ৰাধিকাৰৰ ভিতৰত হ'লহেতেন;

(চ) এনে অনুপূৰক, আনুষংগিক আৰু পাৰিণামস্বৰূপ উপবন্ধাৱলী (মাচুল সম্বন্ধীয় উপবন্ধাৱলী সামৰি) অন্তৰ্ভুক্ত কৰিব পাৰিব, যিবিলাক এনে ন্যায়াধিকৰণে প্ৰভাৱশীলভাৱে কাৰ্য পালন, মোকৰ্দমাৰ দ্ৰুত সমাধান আৰু ন্যায়াধিকৰণৰ আদেশসমূহ বলবৎ কৰিবৰ বাবে উপযুক্ত বিধানমণ্ডলে আৱশ্যক বুলি গণ্য কৰে।

(৪) এই সংবিধানৰ আন কোনো উপবন্ধত অথবা সেই সময়ত বলবৎ থকা আন কোনো বিধিত যিকোনো কথা থকা সত্বেও এই অনুচ্ছেদৰ উপবন্ধাৱলী কাৰ্যকৰী হ'ব।

*ব্যাখ্যা* - এই অনুচ্ছেদত যিকোনো বিষয়ৰ সম্পৰ্কত "উপযুক্ত বিধানমণ্ডল" শব্দই একাদশ অংশৰ উপবন্ধাৱলী অনুসৰি তেনে বিষয়সমূহৰ সম্বন্ধত বিধি প্ৰণয়ন কৰিবলৈ সক্ষম হোৱা সংসদ বা কোনো ৰাজ্যিক বিধানমণ্ডলক বুজাব।]

---

[1] সংবিধান (৭৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৩-ৰ ধাৰা ২-ৰ দ্বাৰা উপদফা (ঝ)-ক (ঞ) ৰূপে পুনঃক্ৰমাংকিত (১৫-৫-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা "(ছ)"-ৰ বাবে প্ৰতিস্থাপিত (১৫-৫-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# পঞ্চদশ অংশ

## নিৰ্বাচন

**৩২৪৷ নিৰ্বাচনৰ নিৰীক্ষণ, পৰিচালনা আৰু নিয়ন্ত্ৰণ এখন নিৰ্বাচন আয়োগৰ ওপৰত অৰ্পণ কৰা হ'ব** - (১) এই সংবিধানৰ অধীনত সংসদ আৰু প্ৰত্যেক ৰাজ্যৰ বিধানমণ্ডল আৰু ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি পদৰ বাবে হোৱা সকলো নিৰ্বাচন, নিৰ্বাচক মণ্ডলীৰ প্ৰস্তুতি আৰু সকলো নিৰ্বাচনৰ পৰিচালনাৰ নিৰীক্ষণ, পৰিচালনা আৰু নিয়ন্ত্ৰণ [১]*** এখন আয়োগৰ ওপৰত (যাক এই সংবিধানত নিৰ্বাচন আয়োগ বুলি উল্লেখ কৰা হৈছে) ন্যস্ত থাকিব।

(২) নিৰ্বাচন আয়োগ মুখ্য-নিৰ্বাচন আয়ুক্ত আৰু ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে নিৰ্দিষ্ট কৰি দিয়া যিকোনো সংখ্যক অন্যান্য নিৰ্বাচন-আয়ুক্তসকলেৰে, যদিহে থাকে, গঠিত হ'ব আৰু সেই সম্পৰ্কত সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলীৰ অধীনত, মুখ্য-নিৰ্বাচন আয়ুক্তৰ আৰু আন নিৰ্বাচন আয়ুক্তসকলৰ নিযুক্তি ৰাষ্ট্ৰপতি দ্বাৰা কৰা হ'ব।

(৩) যেতিয়া আন কোনো নিৰ্বাচন-আয়ুক্ত এনেভাৱে নিযুক্ত হয়, তেতিয়া মুখ্য নিৰ্বাচন-আয়ুক্তই নিৰ্বাচন আয়োগৰ অধ্যক্ষ ৰূপে কাৰ্য্য কৰিব।

(৪) লোকসভা আৰু প্ৰত্যেক ৰাজ্যৰ বিধানসভাৰ বাবে হোৱা প্ৰত্যেক সাধাৰণ নিৰ্বাচনৰ পূৰ্বে আৰু বিধান পৰিষদ থকা প্ৰত্যেক ৰাজ্যৰ বিধান পৰিষদৰ বাবে হোৱা প্ৰথম সাধাৰণ নিৰ্বাচনৰ পূৰ্বে আৰু তাৰ পিচত এনে পৰিষদৰ প্ৰত্যেক দ্বিবাৰ্ষিক নিৰ্বাচনৰ পূৰ্বে, ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়োগৰ লগত পৰামৰ্শ কৰি দফা (১)-ৰ দ্বাৰা আয়োগৰ ওপৰত অৰ্পিত কাৰ্যসমূহ পালনৰ কাৰণে নিৰ্বাচন আয়োগক সহায় কৰিবলৈ তেওঁ আৱশ্যক বুলি ভবা মতে কোনো আঞ্চলিক আয়ুক্তও নিযুক্ত কৰিব পাৰে।

(৫) সংসদৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে নিৰ্বাচন আয়ুক্ত আৰু আঞ্চলিক আয়ুক্তসকলৰ সেৱাৰ চৰ্তাৱলী আৰু কাৰ্যকাল ৰাষ্ট্ৰপতিয়ে বিধিৰ দ্বাৰা নিৰ্ধাৰিত কৰা ধৰণে হ'ব:

কিন্তু, উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশক যি ৰীতিৰে আৰু যিবোৰ কাৰণত তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব পাৰি তাৰ অনুৰূপ ৰীতি আৰু কাৰণ ব্যতিৰেকে মুখ্য নিৰ্বাচন আয়ুক্তক তেওঁৰ পদৰ পৰা অপসাৰিত কৰিব নোৱাৰিব আৰু মুখ্য নিৰ্বাচন আয়ুক্তৰ সেৱাৰ চৰ্তসমূহ তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ প্ৰতিকূলে কোনো পৰিৱৰ্তন কৰিব নোৱাৰিব:

---

[১] সংবিধান (১৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ২-ৰ দ্বাৰা "সংসদ আৰু ৰাজ্যসমূহৰ বিধানমণ্ডলসমূহৰ নিৰ্বাচন বা তাৰ সম্পৰ্কত উদ্ভৱ হোৱা সন্দেহ বা বিবাদসমূহৰ নিৰ্ণয়ৰ কাৰণে নিৰ্বাচন ন্যায়াধিকৰণৰ নিযুক্তিক অন্তঃস্থাপিত কৰি" এই শব্দসমূহ বিলোপিত (১১-১২-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

অধিকন্তু, আন কোনো নিৰ্বাচন আয়ুক্ত বা কোনো আঞ্চলিক আয়ুক্ত মুখ্য-নিৰ্বাচন আয়ুক্তৰ সন্মতিৰ অবিহনে পদৰ পৰা অপসাৰিত নহ'ব।

(৬) যেতিয়া ৰাষ্ট্ৰপতিয়ে বা কোনো ৰাজ্যৰ ৰাজ্যপালক নিৰ্বাচন আয়োগে অনুৰোধ জনায়, তেতিয়া [১]*** দফা (১)-ৰ দ্বাৰা নিৰ্বাচন আয়োগৰ ওপৰত অৰ্পিত কাৰ্যসমূহ পালনৰ কাৰণে আৱশ্যক হোৱা অনুসৰি নিৰ্বাচন আয়োগ বা কোনো আঞ্চলিক আয়ুক্তক কৰ্মচাৰী যোগান ধৰিব।

**৩২৫। ধৰ্ম, বৰ্ণ, জাতি বা লিংগৰ ভিত্তিত কোনো ব্যক্তিয়েই ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ যোগ্যতা লাভ নকৰিব বা বিশেষভাৱে অন্তৰ্ভুক্ত হোৱাৰ দাবী কৰিব নোৱাৰিব** - সংসদৰ যিকোনো সদনলৈ অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সদনলৈ বা যিকোনো সদনলৈ নিৰ্বাচনৰ কাৰণে প্ৰত্যেক প্ৰাদেশিক নিৰ্বাচন ক্ষেত্ৰৰ বাবে মাত্ৰ এখন সাধাৰণ ভোটাৰ তালিকা থাকিব আৰু কেৱল ধৰ্ম, বৰ্ণ, জাতি, লিংগৰ আধাৰত বা ইয়াৰ যিকোনো এটাৰ আধাৰত কোনো ব্যক্তিয়ে এনে যিকোনো নিৰ্বাচন ক্ষেত্ৰৰ বাবে এনে তালিকাৰ অন্তৰ্ভুক্ত হ'বলৈ যোগ্য নহ'ব বা কোনো বিশেষ ভোটাৰ তালিকাৰ অন্তৰ্ভুক্ত হ'বৰ কাৰণে দাবী কৰিব নোৱাৰিব।

**৩২৬। লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত অনুষ্ঠিত হ'ব** - লোকসভা আৰু প্ৰত্যেক ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত হ'ব; অৰ্থাৎ যি ব্যক্তি ভাৰতৰ নাগৰিক আৰু উপযুক্ত বিধানমণ্ডলৰ কোনো বিধিৰ দ্বাৰা বা অধীনত সেই সম্পৰ্কত নিৰ্ধাৰণ কৰি দিয়া কোনো এটা তাৰিখত যাৰ বয়স [২][ওঠৰ বছৰ]-ৰ কম নহয়, আৰু প্ৰৱাসী অৱস্থাত থকা, মানসিক বিকাৰগ্ৰস্ত, অপৰাধী বা ভ্ৰষ্ট অথবা অবৈধ আচৰণৰ কাৰণত এই সংবিধানৰ অধীনত বা উপযুক্ত বিধানমণ্ডলৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ অধীনত যি অযোগ্য হোৱা নাই, তেনে প্ৰত্যেক ব্যক্তি এনে যিকোনো নিৰ্বাচনত ভোটদাতা হিচাপে পঞ্জীয়নবদ্ধ হোৱাৰ অধিকাৰী হ'ব।

**৩২৭। বিধানমণ্ডলৰ নিৰ্বাচন সম্পৰ্কত সংসদৰ বিধি প্ৰণয়নৰ ক্ষমতা** - সংসদৰ যিকোনো সদনলৈ বা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সদনলৈ বা যিকোনো সদন সম্পৰ্কীয় বা ইয়াৰ সৈতে জড়িত যিকোনো বিষয় আৰু লগতে নিৰ্বাচনী ভোটাৰ তালিকাৰ প্ৰস্তুতি, নিৰ্বাচন ক্ষেত্ৰসমূহৰ পৰিসীমা আৰু এনে সদন বা সদনসমূহৰ যথাবিহিত গঠনৰ কাৰণে আৱশ্যক হোৱা আন সকলো বিষয়ৰ সম্বন্ধত এই সংবিধানৰ নিয়মাৱলীৰ অধীনত সংসদে সময়ে সময়ে বিধি প্ৰস্তুত কৰিব পাৰে।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৬১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৮-ৰ ধাৰা ২-ৰ দ্বাৰা "একৈশ বছৰ"ৰ সলনি প্ৰতিস্থাপিত (২৮-৩-১৯৮৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩২৮। বিধানসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত উপবন্ধ প্ৰস্তুত কৰাত এখন ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতা** - এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে আৰু সেই সম্পৰ্কত সংসদে বিধি প্ৰস্তুত নকৰা পৰ্য্যন্ত কোনো ৰাজ্যৰ বিধানমণ্ডলে সময়ে সময়ে বিধিৰ দ্বাৰা সেই ৰাজ্যৰ বিধানমণ্ডলৰ সদনৰ বা যিকোনো সদনৰ নিৰ্বাচন সম্পৰ্কীয় বা ইয়াৰ সৈতে জড়িত সকলো বিষয়ৰ সম্বন্ধত আৰু লগতে নিৰ্বাচনী ভোটাৰ তালিকাৰ প্ৰস্তুতি আৰু এনে সদন বা সদনসমূহৰ যথাবিহিত গঠনৰ কাৰণে আৱশ্যক হোৱা আন সকলো বিষয়ৰ সম্বন্ধত বিধি প্ৰস্তুত কৰিব পাৰে।

**৩২৯। নিৰ্বাচনী বিষয়ৰ ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা হস্তক্ষেপৰ পৰা বাৰণ** - [১][এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় [২]***-]

(ক) নিৰ্বাচন ক্ষেত্ৰৰ পৰিসীমা বা এনে নিৰ্বাচন ক্ষেত্ৰত আসনৰ বিতৰণ সম্পৰ্কে অনুচ্ছেদ ৩২৭ বা অনুচ্ছেদ ৩২৮-ৰ অধীনত কৰা বা কৰা বুলি ধৰি লোৱা কোনো বিধিৰ বৈধতা সম্পৰ্কে কোনো ন্যায়ালয়ে প্ৰশ্ন কৰিব নোৱাৰিব;

(খ) উপযুক্ত বিধানমণ্ডলৰ দ্বাৰা প্ৰণয়ন কৰা বিধিৰ দ্বাৰা বা অধীনত উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্দিষ্ট নীতি অনুসৰি দিয়া নিৰ্বাচন আৱেদনৰ অবিহনে সংসদৰ যিকোনো সদনৰ বাবে অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সদন বা যিকোনো সদনৰ বাবে হোৱা কোনো নিৰ্বাচন সম্পৰ্কে কোনো প্ৰশ্ন তুলিব নোৱাৰিব।

[৩]**৩২৯ক।** [*প্ৰধানমন্ত্ৰী আৰু অধ্যক্ষৰ ক্ষেত্ৰত সংসদলৈ নিৰ্বাচন হোৱা সম্পৰ্কীয় বিশেষ উপবন্ধ।*] *সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৬-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৯৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

---

[১] সংবিধান (৩৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৩-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (১০-৮-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৫-ৰ দ্বাৰা, "অনুচ্ছেদ ৩২৯ক-ৰ উপবন্ধাৱলী সাপেক্ষে" শব্দ, সংখ্যা আৰু অক্ষৰসমূহ বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৩৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১০-৮-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ষষ্ঠদশ অংশ

## কিছুমান শ্রেণী সম্পৰ্কে বিশেষ উপবন্ধাৱলী

**৩৩০। লোকসভাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ -** (১) লোকসভাত আসন সংৰক্ষণ কৰা হ'ব -

(ক) অনুসূচিত জাতিসমূহৰ বাবে;

[১][(খ) "অসমৰ স্বায়ত্তশাসিত জিলাসমূহত থকা অনুসূচিত জনজাতিসমূহৰ বাহিৰে অনুসূচিত জনজাতিসমূহ"-ৰ বাবে; আৰু]

(গ) অসমৰ স্বায়ত্তশাসিত জিলাসমূহৰ অনুসূচিত জনজাতিসমূহৰ বাবে।

(২) দফা (১)-ৰ অধীনত কোনো ৰাজ্য [২][বা কেন্দ্ৰীয় শাসিত অঞ্চল]-ত অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত আসনৰ সংখ্যাৰ লগত সেই ৰাজ্য [২][বা কেন্দ্ৰীয় শাসিত অঞ্চল]-ৰ বাবে আবণ্টিত লোকসভাৰ মুঠ আসনৰ সংখ্যাৰ অনুপাত যি ৰাজ্য [২][বা কেন্দ্ৰীয় শাসিত অঞ্চল]-ৰ সম্পৰ্কত এনেকৈ আসন সংৰক্ষিত ৰখা হয়, সেইমতে সেই ৰাজ্য [২][বা কেন্দ্ৰীয় শাসিত অঞ্চল]-ত কোনো অংশৰ অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ জনসংখ্যাৰ লগত সেই ৰাজ্য [২][বা কেন্দ্ৰীয় শাসিত অঞ্চল]-ৰ মুঠ জনসংখ্যাৰ যি অনুপাত হ'ব তাৰ সৈতে যথাসম্ভৱ একে হ'ব।

[৩][(৩) দফা (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, অসমৰ স্বায়ত্তশাসিত জিলাসমূহৰ অনুসূচিত জনজাতিসমূহৰ বাবে লোকসভাত সংৰক্ষিত আসনসমূহৰ সংখ্যাৰ লগত সেই ৰাজ্যৰ বাবে আবণ্টিত মুঠ জনসংখ্যাৰ মাজত থকা অনুপাততকৈ কম নহ'ব।]

[৪][*ব্যাখ্যা* - এই অনুচ্ছেদ আৰু অনুচ্ছেদ ৩৩২-ত "জনসংখ্যা" শব্দই এনে শেহতীয়া লোকপিয়লত নিশ্চিত কৰা জনসংখ্যাক বুজাব যাৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত হৈছে:

কিন্তু, এই *ব্যাখ্যাত* প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশিত হোৱা শেহতীয়া লোকপিয়লৰ প্ৰতি থকা নিৰ্দেশে [৫][২০২৬] চনৰ পাচত অনুষ্ঠিত প্ৰথম লোকপিয়লৰ প্ৰাসংগিক সংখ্যাসমূহ প্ৰকাশ নোহোৱা পৰ্য্যন্ত, [৬][২০০১] চনৰ লোকপিয়লৰ প্ৰতি কৰা নিৰ্দেশ বুলি অৰ্থ কৰা হ'ব।

---

[১] সংবিধান (৫১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ২-ৰ দ্বাৰা উপধাৰা (খ)-ৰ সলনি প্ৰতিস্থাপিত (১৬-৬-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৩১ সংখ্যক সংশোধনী) অধিনিয়ম ১৯৭৩-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৭-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৬-ৰ দ্বাৰা "২০০০"-ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধান (৮৭ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৫-ৰ দ্বাৰা "১৯৯১"-ৰ সলনি প্ৰতিস্থাপিত (২২-৬-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][৩৩০ক। **লোকসভাত মহিলাৰ বাবে আসন সংৰক্ষণ** - (১) লোকসভাত মহিলাৰ বাবে আসন সংৰক্ষণ কৰা হ'ব।

(২) অনুচ্ছেদ ৩৩০-ৰ দফা ২-ৰ অধীনত মুঠ সংৰক্ষিত আসনৰ যথাসম্ভৱ নিকটতম এক তৃতীয়াংশ আসন অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।

(৩) লোকসভাত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে পুৰণ কৰা মুঠ আসনৰ যথাসম্ভৱ নিকটতম এক তৃতীয়াংশ আসন (অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনক সামৰি) মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।]

**৩৩১। লোকসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব** - অনুচ্ছেদ ৮১-ত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে যদি মত দিয়ে যে লোকসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ পৰ্য্যাপ্তভাৱে প্ৰতিনিধিত্ব হোৱা নাই, তেনেহ'লে তেওঁ সেই সম্প্ৰদায়ৰ মাজৰ পৰা সৰ্বাধিক দুজন সদস্য লোকসভালৈ মনোনীত কৰিব পাৰে।

**৩৩২। ৰাজ্যসমূহৰ বিধানসভাত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ** - (১) প্ৰত্যেক ৰাজ্যৰ বিধানসভাত অনুসূচিত জাতি আৰু [২][অসমৰ স্বায়ত্তশাসিত জিলাসমূহত থকা অনুসূচিত জনজাতিসকলৰ বাহিৰে] আন অনুসূচিত জনজাতিসকলৰ কাৰণে সংৰক্ষিত আসন থাকিব [৩]***।

(২) অসম ৰাজ্যৰ বিধানসভাত স্বায়ত্তশাসিত জিলাসমূহৰ বাবেও আসন সংৰক্ষিত থাকিব।

(৩) দফা (১)-ৰ অধীনত কোনো ৰাজ্যৰ বিধানসভাত অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ কাৰণে সংৰক্ষিত আসনৰ সংখ্যাৰ লগত সেই বিধানসভাৰ আসনৰ মুঠ সংখ্যাৰ অনুপাত, যি ৰাজ্যৰ সম্পৰ্কত এনেকৈ আসন সংৰক্ষিত কৰা হয়, সেই ৰাজ্য অথবা ৰাজ্যৰ কোনো ভাগৰ, যিটোৱেই প্ৰযোজ্য, অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ জনসংখ্যাৰ লগত সেই ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ যি অনুপাত হ'ব তাৰ সৈতে যথাসম্ভৱ একে হ'ব।

[৪][(৩ক) দফা (৩)-ত যি কথাই উল্লেখ নাথাকক কিয়, [৫][২০২৬] চনৰ পাচত হোৱা প্ৰথম লোকপিয়লৰ ভিত্তিত, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আৰু নগালেণ্ড ৰাজ্যৰ বিধানসভাত আসনসমূহৰ সংখ্যা, অনুচ্ছেদ ১৭০-ৰ অধীনত পুনঃনিৰ্ধাৰণ কাৰ্য্যকৰী নোহোৱালৈকে, কোনো ৰাজ্যৰ বিধানসভাত অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা আসনসমূহ হ'ব –

---

[১] সংবিধান (১০৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)।

[২] সংবিধান (৫১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৩-ৰ দ্বাৰা কেইটামান শব্দৰ সলনি প্ৰতিস্থাপিত (১৬-৬-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক আৰু অংশ খ-ত নিৰ্দিষ্ট" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৫৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৭-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২১-৯-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৭-ৰ দ্বাৰা "২০০০"-ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) এখন আসনৰ বাহিৰে, যদি সেই ৰাজ্যৰ বিধানসভাৰ সকলো আসন সংবিধান (৫৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৭ (যাক এই দফাত চলিত বিধানসভা বুলি কোৱা হ'ব) বলবৎ হোৱা তাৰিখত অনুসূচীত জাতিৰ সদস্যৰ দ্বাৰা পুৰণ হয়;

(খ) আন কোনো ক্ষেত্ৰত, এনে সংখ্যক আসন হ'ব, যাৰ সংখ্যাৰ অনুপাত, আসনৰ মুঠ সংখ্যাৰ সেই অনুপাততকৈ কম নহ'ব, যি চলিত বিধানসভাত অনুসূচিত জনজাতিৰ সদস্য সংখ্যাৰ (উক্ত তাৰিখত থকা অনুসৰি) অনুপাত চলিত বিধানসভাত আসনৰ মুঠ সংখ্যাৰ সৈতে একে হ'ব।]

[১][(৩খ) দফা (৩)-ত যি কথাই উল্লেখ নাথাকক কিয়, [২][২০২৬] চনৰ পাচত হোৱা প্ৰথম লোকপিয়লৰ ভিত্তিত, ত্ৰিপুৰা ৰাজ্যৰ বিধানসভাত আসনৰ সংখ্যাৰ, অনুচ্ছেদ ১৭০-ৰ অধীনত, পুনঃনিৰ্ধাৰণ কাৰ্য্যকৰী নোহোৱালৈকে, যি আসনসমূহ বিধানসভাত অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হ'ব, সেইসমূহ এনে সংখ্যক আসন হ'ব, যাৰ সংখ্যাৰ অনুপাত, সংবিধানৰ (৭২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২ বলবৎ হোৱাৰ তাৰিখত, আসনসমূহৰ মুঠ সংখ্যাৰ সেই অনুপাততকৈ কম নহ'ব, যি অনুপাত উক্ত তাৰিখত চলিত বিধানসভাত অনুসূচিত জনজাতিৰ সদস্যৰ সংখ্যা সেই বিধানসভাত আসনৰ মুঠ সংখ্যাৰ সৈতে হ'ব।

(৪) অসম ৰাজ্যৰ বিধানসভাত কোনো স্বায়ত্তশাসিত জিলাৰ কাৰণে সংৰক্ষিত আসনৰ সংখ্যাৰ লগত অনুসূচিত জনজাতিসমূহৰ বাবে লোকসভাত সেই ৰাজ্যৰ বাবে আবণ্টিত মুঠ জনসংখ্যাৰ মাজত থকা অনুপাততকৈ কম নহ'ব।]

(৫) অসমৰ কোনো স্বায়ত্তশাসিত জিলাৰ কাৰণে সংৰক্ষিত আসনসমূহৰ নিৰ্বাচন ক্ষেত্ৰসমূহৰ লগত সেই জিলাৰ বাহিৰৰ কোনো ক্ষেত্ৰ সন্নিবিষ্ট নহ'ব [৩]***।

(৬) অসম ৰাজ্যৰ কোনো স্বায়ত্তশাসিত জিলাৰ অনুসূচিত জনজাতিৰ সদস্যভুক্ত নোহোৱা কোনো ব্যক্তিয়ে স্বায়ত্তশাসিত জিলাৰ কোনো নিৰ্বাচন ক্ষেত্ৰৰ পৰা সেই ৰাজ্যৰ বিধানসভালৈ নিৰ্বাচিত হোৱাৰ বাবে যোগ্য নহ'ব [৩]***।

[৪][কিন্তু, অসম ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে, বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চলৰ জিলাৰ অন্তঃস্থাপিত বুলি অধিসূচিত নিৰ্বাচনী ক্ষেত্ৰসমূহত অনুসূচিত জনজাতি আৰু অনা-অনুসূচিত

---

[১] সংবিধান (৭২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১২-১৯৯২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৮৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০১-ৰ ধাৰা ৭-ৰ দ্বাৰা "২০০০"-ৰ সলনি প্ৰতিস্থাপিত (২১-২-২০০২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা কিছুমান শব্দ বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৯০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৮-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

জনজাতিৰ লোকসকলৰ প্ৰতিনিধিত্ব আৰু বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চলৰ জিলা গঠনৰ পূৰ্বে থকা প্ৰতিনিধিত্ব বৰ্তাই ৰখা হ'ব।]

[১][**৩৩২ক। ৰাজ্যসমূহৰ বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ** - (১) প্ৰত্যেক ৰাজ্যৰ বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ কৰা হ'ব।

(২) অনুচ্ছেদ ৩৩২-ৰ দফা ৩-ৰ অধীনত মুঠ সংৰক্ষিত আসনৰ যথাসম্ভৱ নিকটতম এক-তৃতীয়াংশ আসন অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।

(৩) প্ৰত্যেক ৰাজ্যৰ বিধানসভাত প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে পূৰ্ণ কৰা মুঠ আসনৰ যথাসম্ভৱ নিকটতম এক-তৃতীয়াংশ আসন (অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনক সামৰি) মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব।]

**৩৩৩। ৰাজ্যসমূহৰ বিধানসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব** - অনুচ্ছেদ ১৭০-ত যি কথাই উল্লেখ নাথাকক কিয়, কোনো ৰাজ্যৰ ৰাজ্যপালে [২]***, যদি সেই ৰাজ্যৰ বিধানসভাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব আৱশ্যক হৈছে আৰু তাত যথেষ্টভাৱে প্ৰতিনিধিত্ব থকা নাই বুলি মত দিয়ে, তেনেহ'লে তেওঁ [৩][সেই সম্প্ৰদায়ৰ এজন সদস্যক বিধানসভালৈ মনোনীত কৰিব পাৰে।]

**৩৩৪।** [৪]**[এক নিৰ্দিষ্ট সময়ৰ পাছত, আসনৰ সংৰক্ষণ আৰু বিশেষ প্ৰতিনিধিত্ব বাতিল হ'ব]** - এই অংশৰ পূৰ্বোক্ত উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়,

(ক) লোকসভা আৰু ৰাজ্যসমূহৰ বিধানসভাত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ কাৰণে আসন সংৰক্ষণ সম্পৰ্কত থকা সেই সংবিধানৰ উপবন্ধাৱলী; আৰু

(খ) মনোনয়ন ক্ৰমে লোকসভা আৰু ৰাজ্যসমূহৰ বিধানসভাসমূহত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব সম্পৰ্কত থকা এই সংবিধানৰ উপবন্ধাৱলী, এই সংবিধানৰ আৰম্ভণিৰ

---

[১] সংবিধান (১০৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (২৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৯-ৰ ধাৰা ৪-ৰ দ্বাৰা "তেওঁ উপযুক্ত বুলি ভবা সেই সম্প্ৰদায়ৰ নিৰ্দিষ্ট সংখ্যক সদস্য বিধানসভালৈ মনোনীত" সলনি প্ৰতিস্থাপিত (২৩-১-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (১০৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৯-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰান্তিক শিৰোনামৰ বাবে প্ৰতিস্থাপিত (২৫-১-২০২০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

পৰা ধৰি [1][দফা ক-ৰ ক্ষেত্ৰত আশী বছৰ আৰু দফা খ-ৰ ক্ষেত্ৰত সত্তৰ বছৰ] কাল অতিবাহিত হোৱাৰ পাচত কাৰ্যকৰী নহ'ব:

কিন্তু, এই অনুচ্ছেদৰ কোনো কথাই তেতিয়াৰ চলিত লোকসভা বা কোনো ৰাজ্যৰ বিধানসভা ভংগ নোহোৱালৈকে লোকসভা বা বিধানসভাৰ প্ৰতিনিধিত্বৰ ওপৰত প্ৰভাৱ নেপেলাব।

[2][**৩৩৪ক। মহিলাৰ বাবে আসন সংৰক্ষণ কাৰ্যকৰী হ'ব** - (১) এই অংশ বা অষ্টম অংশৰ পূৰ্বৰ উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, লোকসভা, কোনো ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভাত মহিলাৰ বাবে সংৰক্ষিত আসন সন্দৰ্ভত থকা সংবিধানৰ উপবন্ধাৱলী, সংবিধান (১০৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩ আৰম্ভ হোৱাৰ অন্তত প্ৰথম লোকপিয়লত উপলব্ধ তথ্যৰ ভিত্তিত সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছত প্ৰযোজ্য হ'ব আৰু এই ঘোষণাৰ ১৫ বছৰ সমাপ্তিৰ পিছত কাৰ্যকৰী হৈ নাথাকিব।

(২) অনুচ্ছেদ ২৩৯কক, ৩৩০ক আৰু ৩৩২ক-ৰ উপবন্ধাৱলী সাপেক্ষে, লোকসভা, ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীত মহিলাৰ বাবে সংৰক্ষিত আসনসমূহ সংসদে আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা তাৰিখলৈকে অব্যাহত থাকিব।

(৩) লোকসভা, ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীত মহিলাৰ বাবে সংৰক্ষিত আসনৰ চক্ৰাৱৰ্তন সংসদে বিধিৰ দ্বাৰা পৰৱৰ্তী প্ৰতিটো সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছৰ পৰা কাৰ্যকৰী হ'ব।

(৪) এই অনুচ্ছেদৰ যিকোনো কথাই লোকসভা, ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভাত সেই পৰ্যন্ত প্ৰভাৱ নেপেলাব, যি পৰ্যন্ত চলিত লোকসভা, ৰাজ্যৰ বিধানসভা আৰু ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ দিল্লীৰ বিধানসভা ভংগ নহ'ব।]

**৩৩৫। সেৱা আৰু পদত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ দাবী** - সংঘ বা কোনো ৰাজ্যৰ কাম-কাজৰ লগত জড়িত থকা সেৱা আৰু পদত নিয়োগ কৰোতে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ সদস্যসকলৰ দাবী সম্পৰ্কে প্ৰশাসনৰ কাৰ্য্যদক্ষতা ৰক্ষাৰ লগত সংগতি ৰাখি বিবেচনা কৰা হ'ব:

---

[1] সংবিধান (১০৪ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৯-ৰ ধাৰা ২-ৰ দ্বাৰা "৭০ বছৰ"ৰ সলনি প্ৰতিস্থাপিত (২৫-১-২০২০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৯৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৯-ৰ ধাৰা ২-ৰ দ্বাৰা "৬০ বছৰ"-ৰ সলনি "৭০ বছৰ"এ প্ৰতিস্থাপিত (২৫-১-২০১০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৭৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৯-ৰ ধাৰা ২-ৰ দ্বাৰা "৫০ বছৰ"-ৰ সলনি "৬০ বছৰ"এ প্ৰতিস্থাপিত (২৫-১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৬২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৯-ৰ ধাৰা ২-ৰ দ্বাৰা "৪০ বছৰ"-ৰ সলনি "৫০ বছৰ"এ প্ৰতিস্থাপিত (২০-১২-১৯৮৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সংবিধান (৪৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮০-ৰ ধাৰা ২-ৰ দ্বাৰা "৩০ বছৰ"-ৰ সলনি "৪০ বছৰ"এ প্ৰতিস্থাপিত (২৫-১-১৯৮০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১০৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (তাৰিখৰ জাননী দিয়া হোৱা নাই)।

[1][কিন্তু, সংঘ বা ৰাজ্যৰ বিষয়ৰ লগত জড়িত সেৱা আৰু পদৰ পদোন্নতিৰ ক্ষেত্ৰত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকৰ বাবে সংৰক্ষণ, মূল্যায়নৰ মানৰ হ্ৰাসকৰণ, যিকোনো পৰীক্ষাত উত্তীৰ্ণৰ নম্বৰত সকাহ আদি ক্ষেত্ৰত উপবন্ধ প্ৰস্তুত কৰিবৰ বাবে উক্ত অনুচ্ছেদৰ কোনো কথাই বাধা দিব নোৱাৰিব।]

**৩৩৬। কিছুমান সেৱাত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ বাবে বিশেষ উপবন্ধ** - (১) এই সংবিধানৰ আৰম্ভণিৰ পাচত প্ৰথম দুবছৰৰ ভিতৰত সংঘৰ ৰেল, সীমা শুল্ক, ডাক আৰু তাঁৰ সেৱাৰ পদসমূহত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ লোকসকলৰ নিযুক্তি ১৯৪৭ চনৰ ১৫ আগষ্টৰ ঠিক পূৰ্বে হোৱা ভিত্তিতেই হ’ব।

পৰৱৰ্তী প্ৰত্যেক দুবছৰৰ ভিতৰত উক্ত সেৱাসমূহত উক্ত সম্প্ৰদায়ৰ লোকসকলৰ কাৰণে সংৰক্ষিত পদৰ সংখ্যা, যিমান দূৰ সম্ভৱ হয়, তাৰ পূৰ্বৰ দুবছৰৰ ভিতৰত তেনেদৰে সংৰক্ষিত সংখ্যাৰ শতকৰা দহভাগ কম হ’ব:

কিন্তু, এই সংবিধানৰ আৰম্ভণিৰ পৰা দহ বছৰৰ মূৰত এনে সকলোবোৰ সংৰক্ষণৰ অন্ত পৰিব।

(২) অন্যান্য সম্প্ৰদায়ৰ লোকসকলৰ তুলনাত গুণাগুণৰ ভিত্তিত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ লোকসকলৰ নিযুক্তিৰ কাৰণে অৰ্হতাসম্পন্ন বুলি বিবেচিত হ’লে দফা (১)-ৰ কোনো কথাই সেই সম্প্ৰদায়ৰ পদসমূহৰ বাহিৰে আন পদ, বা সেইবোৰৰ উপৰিও, সেই সম্প্ৰদায়ৰ লোকসকলৰ কাৰণে সংৰক্ষিত পদত নিযুক্তিত বাধা আৰোপ নকৰে।

**৩৩৭। এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ বাবে শৈক্ষিক অনুদান সম্বন্ধত বিশেষ উপবন্ধ** - এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ হিতৰ কাৰণে ১৯৪৮ চনৰ ৩১ মাৰ্চৰ দিনা সম্পূৰ্ণ হোৱা বিত্তীয় বৰ্ষটোত যদি কিবা অনুদান দিয়া হৈছিল, তেন্তে সংঘ আৰু [2]*** প্ৰত্যেক ৰাজ্যই সংবিধানৰ আৰম্ভণিৰ পাচত প্ৰথম তিনিটা বিত্তীয় বৰ্ষৰ ভিতৰত ঠিক তেনে অনুদানকে দিব।

পৰৱৰ্তী প্ৰতি তিনি বছৰৰ ভিতৰত দিয়া অনুদান তাৰ পূৰ্বৰ তিনিটা বছৰৰ ভিতৰত দিয়া অনুদানকৈ শতকৰা দহ ভাগ কমিব পাৰে:

কিন্তু, এই সংবিধানৰ আৰম্ভণিৰ পৰা দহ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ কাৰণে বিশেষ সুবিধা হিচাপে দিয়া এনে অনুদানৰ অন্ত পৰিব:

অধিকন্তু, এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ বাহিৰে আন সম্প্ৰদায়সমূহৰ লোকসকলৰ কাৰণে শিক্ষানুষ্ঠানত অন্ততঃ শতকৰা চল্লিশ ভাগ বাৰ্ষিক ভৰ্তিকৰণৰ ব্যৱস্থা নাথাকিলে কোনো শিক্ষানুষ্ঠান এই অনুচ্ছেদৰ অধীনত কোনো অনুদান পোৱাৰ বাবে যোগ্য নহ’ব।

---

[1] সংবিধান (৮২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০০-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৮-৯-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ-ত সুনিৰ্দিষ্ট” এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩৩৮।** [১][**ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ**] - [২][[৩][(১) অনুসূচিত জাতিসমূহৰ বাবে এখন আয়োগ থাকিব যি ৰাষ্ট্ৰীয় অনুসূচিত জাতি আয়োগ নামেৰে জনাজাত হ'ব।

(২) সংসদৰ দ্বাৰা এই নিমিত্তে প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, আয়োগ এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু তিনিজন আন সদস্যৰে গঠিত হ'ব আৰু এনেদৰে নিযুক্ত অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলৰ সেৱাৰ চৰ্তাৱলী আৰু কাৰ্যকাল ৰাষ্ট্ৰপতিয়ে নিৰ্ধাৰণ কৰা নিয়মৰ আধাৰত হ'ব।

(৩) ৰাষ্ট্ৰপতিয়ে নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা আয়োগৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলক নিযুক্ত কৰিব।

(৪) আয়োগৰ নিজৰ প্ৰক্ৰিয়া নিজে নিৰ্ধাৰণ কৰাৰ ক্ষমতা থাকিব।

(৫) আয়োগৰ এইটো কৰ্তব্য হ'ব যে ই –

(ক) অনুসূচিত জাতিসমূহৰ[৪]*** বাবে এই সংবিধানৰ অধীনত বা তৎসময়ত বলবৎ থকা আন কোনো বিধিৰ অধীনত বা চৰকাৰৰ কোনো আদেশৰ অধীনত বিধিবদ্ধ ৰক্ষাকবচৰ সম্বন্ধত সকলো বিষয়ৰ অনুসন্ধান আৰু পৰ্য্যবেক্ষণ কৰে আৰু এনে ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ মূল্যায়ন কৰে;

(খ) অনুসূচিত জাতিসমূহ[৪]*** অধিকাৰ আৰু ৰক্ষাকৱচৰ পৰা বঞ্চিত হোৱাৰ সম্বন্ধত নিৰ্দিষ্ট অভিযোগসমূহৰ তদন্ত কৰে;

(গ) অনুসূচিত জাতিসমূহৰ[১]*** আৰ্থ-সামাজিক বিকাশৰ পৰিকল্পনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে আৰু উপদেশ দিয়ে আৰু সংঘ আৰু কোনো ৰাজ্যৰ অধীনত তেওঁলোকৰ বিকাশৰ প্ৰগতি মূল্যায়ন কৰে;

(ঘ) সেই ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ ওপৰত প্ৰতি বছৰে, আৰু এনে অন্য সময়ত আয়োগে যি উচিত বুলি গণ্য কৰে, ৰাষ্ট্ৰপতিক তাৰ প্ৰতিবেদন দিয়ে;

(ঙ) অনুসূচিত জাতিসমূহৰ[১]*** সুৰক্ষা, কল্যাণ আৰু আৰ্থ-সামাজিক বিকাশৰ বাবে সেই

---

[১] সংবিধান (৮৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২–ৰ দ্বাৰা প্ৰান্তিক শিৰোনামৰ বাবে প্ৰতিস্থাপিত (১৯-২-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৬৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (১) আৰু (২)–ৰ সলনি প্ৰতিস্থাপিত (১২-৩-১৯৯২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৮৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২–ৰ দ্বাৰা দফা (১) আৰু (২)-ৰ সলনি প্ৰতিস্থাপিত (১৯-২-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৮৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা "আৰু অনুসূচীত জাতি" শব্দসমূহ বিলোপিত (১৯-২-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

ৰক্ষাকৱচ আৰু অন্যান্য ব্যৱস্থাৰ যথাৰ্থ ৰূপায়ণৰ বাবে সংঘ বা কোনো ৰাজ্যই গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাবোৰৰ বিষয়ে এনে প্ৰতিবেদনত পৰামৰ্শ দিয়ে; আৰু

(চ) অনুসূচিত জাতিসমূহৰ[1]*** সুৰক্ষা, কল্যাণ আৰু বিকাশ আৰু উন্নয়নৰ সম্বন্ধত এনে আন কাৰ্যসমূহ সম্পাদন কৰে, যাক ৰাষ্ট্ৰপতিয়ে সংসদৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, নিয়মৰ দ্বাৰা সুনিৰ্দিষ্ট কৰে।

(৬) ৰাষ্ট্ৰপতিয়ে এনে সকলো প্ৰতিবেদন সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ সৈতে সংঘৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৭) য'ত এনে কোনো প্ৰতিবেদন বা তাৰ কোনো অংশ, কোনো ৰাজ্য চৰকাৰৰ লগত সম্বন্ধ থকা কোনো বিষয় সম্পৰ্কত হয়, তেন্তে এনে প্ৰতিবেদনৰ এখন প্ৰতিলিপি সেই ৰাজ্যৰ ৰাজ্যপাললৈ প্ৰেৰণ কৰা হ'ব যি ইয়াক সেই ৰাজ্যৰ বিধানমণ্ডলৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ লগত ৰাজ্যখনৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৮) আয়োগৰ, দফা (৫)-ৰ উপদফা (ক)-ত নিৰ্দেশিত কোনো বিষয়ৰ অনুসন্ধান কৰাৰ সময়ত বা উপদফা (খ)-ত নিৰ্দেশিত কোনো গোচৰৰ তদন্ত কৰাৰ সময়ত, আৰু বিশেষতঃ নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত এখন দেৱানী আদালতৰ কোনো গোচৰ বিচাৰৰ সময়ত থকা সকলো ক্ষমতা থাকিব, যথা:

(ক) ভাৰতৰ কোনো অংশৰ পৰা কোনো ব্যক্তিক চমন কৰা আৰু হাজিৰ কৰোৱা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা;

(খ) কোনো দস্তাবেজ বিচাৰি উলিওৱা আৰু দাখিল কৰা;

(গ) শপতনামাৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা তথ্য বা তাৰ প্ৰতিলিপি গ্ৰহণ কৰা;

(ঙ) সাক্ষী আৰু দস্তাবেজসমূহৰ পৰীক্ষাৰ বাবে আয়োগ প্ৰেৰণ কৰা;

(চ) আন কোনো বিষয়, যি ৰাষ্ট্ৰপতিয়ে, নিয়মৰ দ্বাৰা, নিৰ্ধাৰণ কৰে;

(৯) সংঘ আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে অনুসূচিত জাতিসমূহক[1]*** প্ৰভাৱিত কৰা সকলো মুখ্য নীতিগত বিষয়ৰ ওপৰত আয়োগৰ সৈতে পৰামৰ্শ কৰিব।]

[2](১০) এই অনুচ্ছেদত অনুসূচিত জাতিৰ [1]*** প্ৰসংগই এংলো-ইণ্ডিয়ান সম্প্ৰদায়ৰ প্ৰসংগক [3]*** সামৰি লোৱাটো বুজাব।

[4][**৩৩৮ক। ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ - (১)** অনুসূচিত জনজাতিসমূহৰ বাবে এখন আয়োগ থাকিব যি ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগ নামেৰে জনাজাত হ'ব।

---

[1] সংবিধান (৮৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা "আৰু অনুসূচীত জনজাতি" শব্দসমূহ বিলোপিত (১৯-২-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৬৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা দফা (৩)-ক দফা (১০) ৰূপে পুনঃক্ৰমাংকিত (১২-৩-১৯৯২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১০২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৮-ৰ ধাৰা ২-ৰ দ্বাৰা "অনুচ্ছেদ ৩৪০-ৰ দফা (১)-ৰ অধীনত আয়োগৰ পৰামৰ্শ ক্ৰমে ৰাষ্ট্ৰপতিয়ে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে নিযুক্তি" শব্দ, বন্ধনী আৰু সংখ্যাসমূহ বিলোপিত (১৫-৮-২০১৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৮৯ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৩৮ক অন্তঃস্থাপিত (১৯-২-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) সংসদৰ দ্বাৰা এই নিমিত্তে প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, আয়োগ এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু তিনিজন আন সদস্যৰে গঠিত হ'ব আৰু এনেদৰে নিযুক্ত অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলৰ সেৱাৰ চৰ্তাৱলী আৰু কাৰ্যকাল ৰাষ্ট্ৰপতিয়ে নিৰ্ধাৰণ কৰা নিয়মৰ আধাৰত হ'ব।

(৩) ৰাষ্ট্ৰপতিয়ে নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা আয়োগৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলক নিযুক্ত কৰিব।

(৪)আয়োগৰ নিজৰ প্ৰক্ৰিয়া নিজে নিৰ্ধাৰণ কৰাৰ ক্ষমতা থাকিব।

(৫) আয়োগৰ এইটো কৰ্তব্য হ'ব যে ই –

(ক) অনুসূচিত জনজাতিসমূহৰ বাবে এই সংবিধানৰ অধীনত বা তৎসময়ত বলবৎ থকা আন কোনো বিধিৰ অধীনত বা চৰকাৰৰ কোনো আদেশৰ অধীনত বিধিবদ্ধ ৰক্ষাকবচৰ সম্বন্ধত সকলো বিষয়ৰ অনুসন্ধান আৰু পৰ্য্যবেক্ষণ কৰে আৰু এনে ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ মূল্যায়ন কৰে;

(খ) অনুসূচিত জনজাতিসমূহৰ অধিকাৰ আৰু ৰক্ষাকৱচৰ পৰা বঞ্চিত হোৱাৰ সম্বন্ধত নিৰ্দিষ্ট অভিযোগসমূহৰ তদন্ত কৰে;

(গ) অনুসূচিত জনজাতিসমূহৰ আৰ্থ-সামাজিক বিকাশৰ পৰিকল্পনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে আৰু উপদেশ দিয়ে আৰু সংঘ আৰু কোনো ৰাজ্যৰ অধীনত তেওঁলোকৰ বিকাশৰ প্ৰগতি মূল্যায়ন কৰে;

(ঘ) সেই ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ ওপৰত প্ৰতি বছৰে, আৰু এনে অন্য সময়ত আয়োগে যি উচিত বুলি গণ্য কৰে, ৰাষ্ট্ৰপতিক তাৰ প্ৰতিবেদন দিয়ে;

(ঙ) অনুসূচিত জনজাতিসমূহৰ সুৰক্ষা, কল্যাণ আৰু আৰ্থ-সামাজিক বিকাশৰ বাবে সেই ৰক্ষাকৱচ আৰু অন্যান্য ব্যৱস্থাৰ যথাৰ্থ ৰূপায়ণৰ বাবে সংঘ বা কোনো ৰাজ্যই গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাবোৰৰ বিষয়ে এনে প্ৰতিবেদনত পৰামৰ্শ দিয়ে; আৰু

(চ) অনুসূচিত জনজাতিসমূহৰ সুৰক্ষা, কল্যাণ আৰু বিকাশ আৰু উন্নয়নৰ সম্বন্ধত এনে আন কাৰ্যসমূহ সম্পাদন কৰে, যাক ৰাষ্ট্ৰপতিয়ে সংসদৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, নিয়মৰ দ্বাৰা সুনিৰ্দিষ্ট কৰে।

(৬) ৰাষ্ট্ৰপতিয়ে এনে সকলো প্ৰতিবেদন সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ সৈতে সংঘৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৭) য'ত এনে কোনো প্ৰতিবেদন বা তাৰ কোনো অংশ, কোনো ৰাজ্য চৰকাৰৰ লগত সম্বন্ধ থকা কোনো বিষয় সম্পৰ্কত হয়, তেন্তে এনে প্ৰতিবেদনৰ এখন প্ৰতিলিপি সেই ৰাজ্যৰ ৰাজ্যপাললৈ প্ৰেৰণ কৰা হ'ব যি ইয়াক সেই ৰাজ্যৰ বিধানমণ্ডলৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ লগত ৰাজ্যখনৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৮) আয়োগৰ, দফা (৫)-ৰ উপদফা (ক)-ত নিৰ্দেশিত কোনো বিষয়ৰ অনুসন্ধান কৰাৰ সময়ত বা উপদফা (খ)-ত নিৰ্দেশিত কোনো গোচৰৰ তদন্ত কৰাৰ সময়ত, আৰু বিশেষতঃ নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত এখন দেৱানী আদালতৰ কোনো গোচৰ বিচাৰৰ সময়ত থকা সকলো ক্ষমতা থাকিব, যথা:

(ক) ভাৰতৰ কোনো অংশৰ পৰা কোনো ব্যক্তিক চমন কৰা আৰু হাজিৰ কৰোৱা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা;

(খ) কোনো দস্তাবেজ বিচাৰি উলিওৱা আৰু দাখিল কৰা;

(গ) শপতনামাৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা তথ্য বা তাৰ প্ৰতিলিপি গ্ৰহণ কৰা;

(ঙ) সাক্ষী আৰু দস্তাবেজসমূহৰ পৰীক্ষাৰ বাবে আয়োগ প্ৰেৰণ কৰা;

(চ) আন কোনো বিষয়, যি ৰাষ্ট্ৰপতিয়ে, নিয়মৰ দ্বাৰা, নিৰ্ধাৰণ কৰে;

(৯) সংঘ আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে অনুসূচিত জনজাতিসমূহক প্ৰভাৱিত কৰা সকলো মুখ্য নীতিগত বিষয়ৰ ওপৰত আয়োগৰ সৈতে পৰামৰ্শ কৰিব।]

[১][**৩৩৮খ। ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীসমূহৰ আয়োগ** - (১) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ বাবে এখন আয়োগ থাকিব যি ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীসমূহৰ আয়োগ নামেৰে জনাজাত হ'ব।

(২) সংসদৰ দ্বাৰা এই নিমিত্তে প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, আয়োগ এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু তিনিজন আন সদস্যৰে গঠিত হ'ব আৰু এনেদৰে নিযুক্ত অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলৰ সেৱাৰ চৰ্তাৱলী আৰু কাৰ্যকাল ৰাষ্ট্ৰপতিয়ে, নিয়মৰ দ্বাৰা, নিৰ্ধাৰণ কৰিব।

(৩) ৰাষ্ট্ৰপতিয়ে নিজ হস্তাক্ষৰ আৰু মোহৰযুক্ত অধিপত্ৰৰ দ্বাৰা আয়োগৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আন সদস্যসকলক নিযুক্ত কৰিব।

(৪) আয়োগৰ নিজৰ প্ৰক্ৰিয়া নিজে নিৰ্ধাৰণ কৰাৰ ক্ষমতা থাকিব।

(৫) আয়োগৰ এইটো কৰ্তব্য হ'ব যে ই –

(ক) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ বাবে এই সংবিধানৰ অধীনত বা তৎসময়ত বলবৎ থকা আন কোনো বিধিৰ অধীনত বা চৰকাৰৰ কোনো আদেশৰ অধীনত বিধিবদ্ধ ৰক্ষাকবচৰ সম্বন্ধত সকলো বিষয়ৰ অনুসন্ধান আৰু পৰ্য্যবেক্ষণ কৰে আৰু এনে ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ মূল্যায়ন কৰে;

(খ) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ অধিকাৰ আৰু ৰক্ষাকৱচৰ পৰা বঞ্চিত হোৱাৰ সম্বন্ধত নিৰ্দিষ্ট অভিযোগসমূহৰ তদন্ত কৰে;

(গ) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে আৰু উপদেশ দিয়ে আৰু সংঘ আৰু কোনো ৰাজ্যৰ অধীনত তেওঁলোকৰ বিকাশৰ প্ৰগতি মূল্যায়ন কৰে;

---

[১] সংবিধান (১০২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৮-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৩৮খ অন্তঃস্থাপিত (১৫-৮-২০১৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ঘ) সেই ৰক্ষাকৱচৰ কাৰ্য্যকাৰিতাৰ ওপৰত প্ৰতি বছৰে, আৰু এনে অন্য সময়ত আয়োগে যি উচিত বুলি গণ্য কৰে, ৰাষ্ট্ৰপতিক তাৰ প্ৰতিবেদন দিয়ে;

(ঙ) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীসমূহৰ সুৰক্ষা, কল্যাণ আৰু আৰ্থ-সামাজিক বিকাশৰ বাবে সেই ৰক্ষাকৱচ আৰু অন্যান্য ব্যৱস্থাৰ যথাৰ্থ ৰূপায়ণৰ বাবে সংঘ বা কোনো ৰাজ্যই গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাবোৰৰ বিষয়ে এনে প্ৰতিবেদনত পৰামৰ্শ দিয়ে; আৰু

(চ) সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীসমূহৰ সুৰক্ষা, কল্যাণ আৰু বিকাশ আৰু উন্নয়নৰ সম্বন্ধত এনে আন কাৰ্যসমূহ সম্পাদন কৰে, যাক ৰাষ্ট্ৰপতিয়ে সংসদৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, নিয়মৰ দ্বাৰা সুনিৰ্দিষ্ট কৰে।

(৬) ৰাষ্ট্ৰপতিয়ে এনে সকলো প্ৰতিবেদন সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ সৈতে সংঘৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৭) য'ত এনে কোনো প্ৰতিবেদন বা তাৰ কোনো অংশ, কোনো ৰাজ্য চৰকাৰৰ লগত সম্বন্ধ থকা কোনো বিষয় সম্পৰ্কত হয়, তেন্তে এনে প্ৰতিবেদনৰ এখন প্ৰতিলিপি সেই ৰাজ্যৰ ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব যি ইয়াক সেই ৰাজ্যৰ বিধানমণ্ডলৰ সন্মুখত উপস্থাপন কৰোৱাব আৰু তাৰ লগত ৰাজ্যখনৰ সম্পৰ্কত প্ৰস্তাৱৰ ওপৰত গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা আৰু এনে কোনো প্ৰস্তাৱৰ অগ্ৰাহ্য হোৱাৰ বাবে, যদি আছে, কাৰণসমূহৰ ব্যাখ্যা কৰা স্মাৰকপত্ৰ থাকিব।

(৮) আয়োগৰ, দফা (৫)-ৰ উপদফা (ক)-ত নিৰ্দেশিত কোনো বিষয়ৰ অনুসন্ধান কৰাৰ সময়ত বা উপদফা (খ)-ত নিৰ্দেশিত কোনো গোচৰৰ তদন্ত কৰাৰ সময়ত, আৰু বিশেষতঃ নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত এখন দেৱানী আদালতৰ কোনো গোচৰ বিচাৰৰ সময়ত থকা সকলো ক্ষমতা থাকিব, যথা:

(ক) ভাৰতৰ কোনো অংশৰ পৰা কোনো ব্যক্তিক চমন কৰা আৰু হাজিৰ কৰোৱা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা;

(খ) কোনো দস্তাবেজ বিচাৰি উলিওৱা আৰু দাখিল কৰা;

(গ) শপতনামাৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা তথ্য বা তাৰ প্ৰতিলিপি গ্ৰহণ কৰা;

(ঙ) সাক্ষী আৰু দস্তাবেজসমূহৰ পৰীক্ষাৰ বাবে আয়োগ প্ৰেৰণ কৰা;

(চ) আন কোনো বিষয়, যি ৰাষ্ট্ৰপতিয়ে, নিয়মৰ দ্বাৰা, নিৰ্ধাৰণ কৰে;

(৯) সংঘ আৰু প্ৰত্যেক ৰাজ্য চৰকাৰে সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীসমূহক প্ৰভাৱিত কৰা সকলো মুখ্য নীতিগত বিষয়ৰ ওপৰত আয়োগৰ সৈতে পৰামৰ্শ কৰিব।]

[1][কিন্তু, এই দফাৰ কোনো কথাই অনুচ্ছেদ ৩৪২ক–ৰ দফা (৩)-ৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব।]

**৩৩৯। অনুসূচিত অঞ্চলসমূহৰ প্ৰশাসনৰ ওপৰত আৰু অনুসূচিত জনজাতিসমূহৰ কল্যাণৰ ক্ষেত্ৰত সংঘৰ নিয়ন্ত্ৰণ** - (১) [2]***ৰাজ্যসমূহৰ অনুসূচিত অঞ্চলসমূহৰ প্ৰশাসন আৰু অনুসূচিত জনজাতিসমূহৰ কল্যাণৰ বিষয়ে প্ৰতিবেদন দিবলৈ ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা যিকোনো সময়তে এটি আয়োগ নিযুক্ত কৰিব পাৰে আৰু এই সংবিধানৰ আৰম্ভণিৰ পৰা দহ বছৰৰ সমাপ্তিত তেনে আয়োগ নিযুক্ত কৰিব লাগিব।

সেই আদেশত আয়োগৰ গঠন, ক্ষমতা আৰু প্ৰক্ৰিয়া নিৰ্দিষ্ট কৰি দিব পাৰে আৰু ৰাষ্ট্ৰপতিয়ে আৱশ্যকীয় বা বাঞ্চনীয় বুলি বিৱেচনা কৰা মতে তেনে কোনো আনুষংগিক বা সহায়কাৰী উপবন্ধাৱলী অন্তৰ্ভুক্ত কৰিব পাৰে।

(২) কোনো ৰাজ্যৰ অনুসূচিত জনজাতিসমূহৰ কল্যাণৰ কাৰণে অত্যাৱশ্যকীয় নিৰ্দেশনাত সুনিৰ্দিষ্ট কৰি দিয়া আঁচনিসমূহৰ প্ৰস্তুতকৰণ আৰু কাৰ্য্যকৰী কৰা বিষয়ত [3][কোনো ৰাজ্যক] নিৰ্দেশনা দিবলৈ সংঘৰ কাৰ্য্যপালিকা ক্ষমতা বিস্তৃত হ'ব।

**৩৪০। পিছপৰা শ্ৰেণীসমূহৰ অৱস্থা অনুসন্ধানৰ বাবে আয়োগ নিযুক্তি** - (১) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ অৱস্থাৰ বিষয়ে আৰু কেনেবোৰ অসুবিধাৰ মাজত তেওঁলোকে শ্ৰম কৰে সেই বিষয়ে অনুসন্ধান কৰি তেনে অসুবিধা দূৰ কৰিবৰ কাৰণে আৰু তেওঁলোকৰ অৱস্থা উন্নত কৰিবলৈ সংঘ বা কোনো ৰাজ্যই হাতত ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে আৰু সেই উদ্দেশ্যেৰে সংঘ বা কোনো ৰাজ্যই কিমান অনুদান দিয়া উচিত আৰু কেনে চৰ্ত সাপেক্ষে এনে অনুদান দিয়া উচিত সেই সম্পৰ্কে পৰামৰ্শ দিবলৈ ৰাষ্ট্ৰপতিয়ে, আদেশৰ দ্বাৰা, তেওঁ উপযুক্ত বিৱেচনা কৰা ব্যক্তিসমূহৰে গঠিত এটি আয়োগ নিযুক্ত কৰিব পাৰে, আৰু এনে আয়োগ নিযুক্ত কৰা আদেশে সেই আয়োগে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়াও নিৰ্ধাৰণ কৰি দিব।

(২) এনেভাৱে নিযুক্ত আয়োগে তেওঁলোকলৈ নিৰ্দেশিত কৰা বিষয়সমূহ অনুসন্ধান কৰিব আৰু অনুসন্ধান কৰি পোৱা তথ্যসমূহ সন্নিবিষ্ট কৰি আৰু তেওঁলোকে উচিত বিৱেচনা কৰা পৰামৰ্শসমূহ অন্তৰ্ভুক্ত কৰি ৰাষ্ট্ৰপতিৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিব।

(৩) এনেভাৱে দিয়া প্ৰতিবেদনৰ এখন প্ৰতিলিপি আৰু লগতে সেই সম্পৰ্কত লোৱা কাৰ্যব্যৱস্থা বিষয়ে ব্যাখ্যা কৰি ৰাষ্ট্ৰপতিয়ে সংসদৰ প্ৰত্যেক সদনতে দাখিল কৰোৱাব।

**৩৪১। অনুসূচিত জাতি** - (১) ৰাষ্ট্ৰপতিয়ে [4][ৰাজ্য [5][বা কেন্দ্ৰীয় শাসিত অঞ্চল] সম্পৰ্কত, আৰু যিক্ষেত্ৰত এয়া ৰাজ্য হয় [2]***,

---

[1] সংবিধানৰ (১০৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২১-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-৯-২০২১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক আৰু অংশ খ-ত সুনিৰ্দিষ্ট"-ৰ বাবে শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা দ্বাৰা "এনে যিকোনো ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১০-ৰ দ্বাৰা "এখন ৰাজ্যৰ ৰাজ্যপাল বা ৰাজপ্ৰমুখৰ সৈতে পৰামৰ্শ কৰাৰ পিছত,"-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

তাৰ ৰাজ্যপালৰ [১]*** লগত পৰামৰ্শ কৰাৰ পাচত ৰাজহুৱা অধিসূচনা[২]ৰ দ্বাৰা সেই ৰাজ্য [৩][বা কেন্দ্ৰীয় শাসিত অঞ্চল, যিটোৱেই প্ৰযোজ্য,] সম্পৰ্কত কোনবোৰ জাতি, বৰ্ণ বা জনজাতিৰ ভিতৰত কোনবোৰ ভাগ বা গোটক এই সংবিধানৰ প্ৰয়োজনৰ বাবে অনুসূচিত জাতি বুলি গণ্য কৰা হ'ব তাক নিৰ্দিষ্ট কৰি দিব পাৰে।

(২) দফা (১)-ৰ অধীনত জাৰি কৰা কোনো অধিসূচনাত সুনিৰ্দিষ্ট কৰি দিয়া কোনো জাতি, বৰ্ণ বা জনজাতি নাইবা কোনো জাতি, বৰ্ণ বা জনজাতিসমূহৰ ভাগ বা গোট সংসদে বিধিৰ দ্বাৰা অনুসূচিত জাতিৰ সূচীত অন্তৰ্ভুক্ত নাইবা সূচীৰ পৰা বহিৰ্ভূত কৰিব পাৰে কিন্তু পূৰ্বোক্ত ব্যৱস্থাৰ ব্যতিৰেকে সেই দফা মতে জাৰি কৰা এখন অধিসূচনা কোনো পৰৱৰ্তী অধিসূচনাৰ দ্বাৰা পৰিৱৰ্তন কৰিব নোৱাৰিব।

**৩৪২। অনুসূচীত জনজাতি** - (১) [৪][কোনো ৰাজ্যৰ [৩][বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ] সম্পৰ্কত, আৰু যিক্ষেত্ৰত এয়া ৰাজ্য হয় [৫]***, তাৰ ৰাজ্যপালৰ [১]*** লগত পৰামৰ্শ কৰাৰ পাচত সেই ৰাজ্য [৩][বা কেন্দ্ৰীয় শাসিত অঞ্চল, যিটোৱেই প্ৰযোজ্য,] সম্পৰ্কত কোনবোৰ জনজাতি বা জনজাতীয় সম্প্ৰদায় অথবা জনজাতি বা জনজাতীয় সম্প্ৰদায়ৰ ভিতৰত কোনবোৰ ভাগ বা গোটক এই সংবিধানৰ প্ৰয়োজনৰ বাবে অনুসূচিত জনজাতি বুলি গণ্য কৰা হ'ব সেয়া ৰাজহুৱা অধিসূচনা[৬]ৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিব পাৰে।

(২) দফা (১)-ৰ অধীনত জাৰি কৰা কোনো অধিসূচনাত সুনিৰ্দিষ্ট কৰি দিয়া কোনো জনজাতি বা জনজাতীয় সম্প্ৰদায় নাইবা জনজাতি বা জনজাতীয় সম্প্ৰদায়ৰ ভিতৰত থকা ভাগ বা গোটক সংসদে বিধিৰ দ্বাৰা অনুসূচিত জনজাতিৰ সূচীত অন্তৰ্ভুক্ত বা সূচীৰ পৰা বহিৰ্ভূত কৰিব পাৰে কিন্তু, পূৰ্বোক্ত ব্যৱস্থাৰ ব্যতিৰেকে সেই দফা মতে জাৰি কৰা এখন অধিসূচনা কোনো পৰৱৰ্তী অধিসূচনাৰ দ্বাৰা পৰিৱৰ্তন কৰিব নোৱাৰিব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (অনুসূচিত জাতি) আদেশ, ১৯৫০ (চি.অ'. ১৯), সংবিধান (অনুসূচিত জাতি) (কেন্দ্ৰীয় শাসিত অঞ্চল) আদেশ, ১৯৫১ (চি.অ'. ৩২), সংবিধান (জম্মু আৰু কাশ্মীৰ) অনুসূচিত জাতি আদেশ, ১৯৫৬ (চি.অ'. ৫২), সংবিধান (দাদৰা আৰু নগৰ হাভেলী) (অনুসূচিত জাতি) আদেশ, ১৯৬২ (চি.অ'. ৬৪), সংবিধান (পণ্ডিচেৰী) অনুসূচিত জাতি আদেশ, ১৯৬৪ (চি.অ'. ৬৮), সংবিধান (গোৱা, দমন আৰু দিউ) অনুসূচিত জাতি আদেশ, ১৯৬৮ (চি.অ'. ৮১), আৰু সংবিধান (চিকিম) অনুসূচিত জাতি আদেশ, ১৯৭৮ (চি.অ'. ১১০) চাওক।

[৩] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১১-ৰ দ্বাৰা "এখন ৰাজ্যৰ ৰাজ্যপাল বা ৰাজপ্ৰমুখৰ সৈতে পৰামৰ্শ কৰাৰ পিছত,"-ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধান (অনুসূচিত জনজাতি) আদেশ, ১৯৫০ (চি.অ'. ২২), সংবিধান (অনুসূচিত জনজাতি) (কেন্দ্ৰীয় শাসিত অঞ্চল) আদেশ, ১৯৫১ (চি.অ'. ৩৩), সংবিধান (আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ) (অনুসূচিত জনজাতি) আদেশ, ১৯৫৯ (চি.অ'. ৫৮), সংবিধান (দাদৰা আৰু নগৰ হাভেলী) (অনুসূচিত জনজাতি) আদেশ, ১৯৬২ (চি.অ'. ৬৫), সংবিধান (অনুসূচিত জনজাতি) (উত্তৰ প্ৰদেশ) আদেশ, ১৯৬৭ (চি.অ'. ৭৮), সংবিধান (গোৱা, দমন আৰু দিউ) অনুসূচিত জনজাতি আদেশ, ১৯৬৮ (চি.অ'. ৮২), সংবিধান (নগালেণ্ড) অনুসূচিত জনজাতি আদেশ, ১৯৭০ (চি.অ'. ৮৮), আৰু সংবিধান (চিকিম) অনুসূচিত জনজাতি আদেশ, ১৯৭৮ (চি.অ'. ১১১) চাওক।

[১][**৩৪২ক। সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহ** - (১) ৰাষ্ট্ৰপতিয়ে, কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ক্ষেত্ৰত আৰু কোনো ৰাজ্যৰ ক্ষেত্ৰত তাৰ ৰাজ্যপালৰ সৈতে পৰামৰ্শ মৰ্মে চৰকাৰী অধিসূচনাৰ দ্বাৰা, [২][কেন্দ্ৰীয় চৰকাৰৰ উদ্দেশ্যে কেন্দ্ৰীয় সূচীত থকা সামাজিক আৰু শৈক্ষিক ক্ষেত্ৰত পিছপৰা শ্ৰেণীসমূহ] সেই ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত, যিটোৱেই প্ৰযোজ্য, সামাজিক আৰু শৈক্ষিক ক্ষেত্ৰত পিছপৰা শ্ৰেণী বুলি গণ্য কৰিবলগীয়া শ্ৰেণীসমূহ নিৰ্দিষ্ট কৰিব।

(২) সংসদে, আইনৰ দ্বাৰা দফা (১)-ৰ অধীনত জাৰি কৰা অধিসূচনাত সুনিৰ্দিষ্ট কৰা ধৰণে যি কোনো সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীক সামাজিক আৰু শৈক্ষিক ক্ষেত্ৰত পিছপৰা শ্ৰেণীৰ কেন্দ্ৰীয় সূচীত অন্তৰ্ভুক্ত কৰিব বা কেন্দ্ৰীয় সূচীৰ পৰা বাদ দিব পাৰিব; কিন্তু পূৰ্বোক্ত প্ৰকাৰৰ বাহিৰে উক্ত দফা অনুযায়ী জাৰি কৰা কোনো অধিসূচনাৰ দ্বাৰা পৰৱৰ্তী অধিসূচনাৰ পৰিৱৰ্তন কৰিব নোৱাৰিব।

[৩][*ব্যাখ্যা* - দফা (১) আৰু (২)-ৰ উদ্দেশ্যে, "কেন্দ্ৰীয় সূচী"-এ কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত আৰু তদাৰক কৰা সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ সূচীক সূচায়।

(৩) দফা (১) আৰু (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, প্ৰত্যেক ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলে, বিধিৰ দ্বাৰা, নিজৰ বাবে সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ বাবে কেন্দ্ৰীয় সূচীতকৈ পৃথক এখন সূচী প্ৰস্তুত আৰু তদাৰক কৰিব পাৰে।]

---

[১] সংবিধান (১০২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৮-ৰ ধাৰা ৪-ৰ দ্বাৰা অনুচ্ছেদ ৩৪২ক অন্তঃস্থাপিত (১৫-৮-২০১৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (১০৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২১-ৰ ধাৰা ৩-ৰ দ্বাৰা সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে, যি সংবিধানৰ উদ্দেশ্যৰ বাবে হ'ব-ৰ সলনি প্ৰতিস্থাপিত (১৫-৯-২০২১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১০৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২১-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-৯-২০২১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# সপ্তদশ অংশ

## চৰকাৰী ভাষা

### প্ৰথম অধ্যায় - সংঘৰ ভাষা

**৩৪৩। সংঘৰ চৰকাৰী ভাষা** - (১) সংঘৰ চৰকাৰী ভাষা দেৱনাগৰী লিপিত লিখা হিন্দী ভাষা হ'ব।

সংঘৰ চৰকাৰী প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰিবলগীয়া সংখ্যাৰ ৰূপ ভাৰতীয় সংখ্যাৰ আন্তঃৰাষ্ট্ৰীয় ৰূপ হ'ব।

(২) দফা (১)-ত যি কথাই উল্লেখ নাথাকক কিয়, এই সংবিধানৰ আৰম্ভণিৰ পৰা পোন্ধৰ বছৰ কালৰ বাবে, এনে আৰম্ভণিৰ পূৰ্বে সংঘৰ যিবোৰ চৰকাৰী প্ৰয়োজনৰ বাবে ইংৰাজী ভাষা ব্যৱহাৰ কৰা হৈছিল, তেনে সকলোবোৰ চৰকাৰী প্ৰয়োজনৰ বাবে ইংৰাজী ভাষা চলি থাকিব:

কিন্তু, ৰাষ্ট্ৰপতিয়ে, উক্ত কালছোৱাৰ ভিতৰত, আদেশৰ দ্বাৰা[১], সংঘৰ যিকোনো চৰকাৰী প্ৰয়োজনৰ বাবে ইংৰাজী ভাষাৰ উপৰি হিন্দী ভাষা আৰু আন্তঃৰাষ্ট্ৰীয় ৰূপৰ ভাৰতীয় সংখ্যাৰ উপৰিও দেৱনাগৰী সংখ্যাৰ ৰূপ ব্যৱহাৰ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিব পাৰে।

(৩) এই অনুচ্ছেদত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে উক্ত পোন্ধৰ বছৰ কালৰ পাচতো

(ক) ইংৰাজী ভাষা; অথবা

(খ) দেৱনাগৰী ৰূপৰ সংখ্যা,

বিধিত সুনিৰ্দিষ্ট প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰিবলৈ, বিধিৰ দ্বাৰা, উপবন্ধিত কৰিব পাৰে।

**৩৪৪। চৰকাৰী ভাষা সন্দৰ্ভত সংসদৰ আয়োগ আৰু সমিতি** - (১) ৰাষ্ট্ৰপতিয়ে, এই সংবিধানৰ আৰম্ভণিৰ পৰা পাঁচ বছৰৰ সমাপ্তি আৰু তাৰপিচত এনে আৰম্ভণিৰ পৰা দহ বছৰৰ সমাপ্তিত আদেশৰ দ্বাৰা এখন আয়োগ গঠন কৰিব যি আয়োগ ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত এজন অধ্যক্ষ আৰু অষ্টম অনুসূচীত সুনিৰ্দিষ্ট বিভিন্ন ভাষাক প্ৰতিনিধিত্ব কৰা এনে আন সদস্যসকলৰে গঠিত হ'ব আৰু সেই আদেশে আয়োগৰ দ্বাৰা অনুসৰণীয় প্ৰক্ৰিয়া সংজ্ঞাবদ্ধ কৰি দিব।

(২) আয়োগৰ কৰ্তব্য হ'ব –

(ক) সংঘৰ চৰকাৰী প্ৰয়োজনসমূহৰ বাবে হিন্দী ভাষাক উত্তৰোত্তৰ অধিক ব্যৱহাৰ কৰাত;

(খ) সংঘৰ সকলো বা যিকোনো চৰকাৰী প্ৰয়োজনৰ বাবে ইংৰাজী ভাষাৰ ব্যৱহাৰৰ ওপৰত বাধা আৰোপ কৰাত;

(গ) অনুচ্ছেদ ৩৪৮-ত উল্লিখিত প্ৰয়োজনসমূহৰ সকলো বা যিকোনো এটাৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ভাষাৰ ক্ষেত্ৰত;

---

[১] চি.অ'. ৪১ চাওক।

(ঘ) সংঘৰ যিকোনো এটা বা ততোধিক নিৰ্দিষ্ট প্ৰয়োজনসমূহৰ বাবে ব্যৱহাৰ কৰিবলগীয়া সংখ্যাৰ সম্পৰ্কত;

(ঙ) সংঘৰ চৰকাৰী ভাষাৰ সম্পৰ্কত আৰু সংঘ আৰু কোনো এখন ৰাজ্যৰ মাজত অথবা এখন ৰাজ্য আৰু আন এখনৰ মাজত যোগাযোগৰ বাবে ভাষাৰ সম্পৰ্কত আৰু তাৰ ব্যৱহাৰৰ সম্পৰ্কত ৰাষ্ট্ৰপতিৰ দ্বাৰা আয়োগৰ প্ৰতি নিৰ্দেশিত আন যিকোনো বিষয়ত;

ৰাষ্ট্ৰপতিলৈ পৰামৰ্শ আগবঢ়োৱা।

(৩) দফা (২)-ৰ অধীনত পৰামৰ্শ আগবঢ়াওতে, আয়োগে ভাৰতৰ ঔদ্যোগিক, সাংস্কৃতিক আৰু বৈজ্ঞানিক বিকাশৰ প্ৰতি আৰু লোকসেৱাসমূহৰ সম্বন্ধত অহিন্দী ভাষা-ভাষী অঞ্চলসমূহৰ লোকসকলৰ ন্যায়সংগত দাবী আৰু স্বাৰ্থৰ প্ৰতি যথাযোগ্য দৃষ্টি ৰাখিব।

(৪) আনুপাতিক প্ৰতিনিধিত্ব পদ্ধতি অনুসৰি যথাক্ৰমে লোকসভাৰ সদস্যসকলৰ দ্বাৰা আৰু ৰাজ্যসভাৰ সদস্যসকলৰ দ্বাৰা একক হস্তান্তৰযোগ্য ভোটৰ দ্বাৰা নিৰ্বাচিত লোকসভাৰ কুৰিজন সদস্য আৰু ৰাজ্যসভাৰ দহজন সদস্যক লৈ মুঠ ত্ৰিশজন সদস্যৰে এখন সমিতি গঠিত হ'ব।

(৫) দফা (১)-ৰ অধীনত গঠিত আয়োগৰ পৰামৰ্শসমূহ পৰীক্ষা কৰা আৰু তাৰ ওপৰত তেওঁলোকৰ ৰায় দি ৰাষ্ট্ৰপতিলৈ প্ৰতিবেদন দিয়াটো সমিতিখনৰ কৰ্তব্য হ'ব।

(৬) অনুচ্ছেদ ৩৪৩-ত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে দফা (৫)-ত নিৰ্দেশিত প্ৰতিবেদন বিবেচনা কৰাৰ পাচত, সেই সম্পূৰ্ণ প্ৰতিবেদন বা তাৰ কোনো অংশ অনুসৰি নিৰ্দেশনা জাৰি কৰিব পাৰে।

## দ্বিতীয় অধ্যায় - আঞ্চলিক ভাষাসমূহ

**৩৪৫। ৰাজ্যৰ চৰকাৰী ভাষা বা ভাষাসমূহ** - অনুচ্ছেদ ৩৪৬ আৰু ৩৪৭-ৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ বিধানমণ্ডলে, বিধিৰ দ্বাৰা, সেই ৰাজ্যৰ ব্যৱহৃত ভাষাসমূহৰ যিকোনো এটা বা ততোধিক ভাষাক অথবা হিন্দীক সেই ৰাজ্যৰ চৰকাৰী প্ৰয়োজনসমূহৰ সকলোবোৰ বা যিকোনো এটাৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ভাষা বা ভাষাসমূহ বুলি গ্ৰহণ কৰিব পাৰে:

কিন্তু, ৰাজ্যৰ বিধানমণ্ডলে অন্যথা উপবন্ধিত নকৰা পৰ্য্যন্ত ৰাজ্যখনৰ ভিতৰত এনেবোৰ চৰকাৰী প্ৰয়োজনৰ বাবে ইংৰাজী ভাষাৰ ব্যৱহাৰ চলি থাকিব, যিবোৰ প্ৰয়োজনৰ বাবে এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে সেই ভাষা চলি আছিল।

**৩৪৬। ৰাজ্যসমূহৰ মাজত বা কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে চৰকাৰী ভাষা** - সংঘৰ চৰকাৰী প্ৰয়োজনসমূহৰ বাবে ব্যৱহাৰৰ কাৰণে সম্প্ৰতি প্ৰচলিত ভাষাটোৱেই এখন ৰাজ্য আৰু আন এখন ৰাজ্যৰ মাজত আৰু এখন ৰাজ্য আৰু সংঘৰ মাজত যোগাযোগৰ বাবে চৰকাৰী ভাষা হ'ব:

কিন্তু, যদি দুই বা ততোধিক ৰাজ্যই এই বুলি সন্মত হয় যে তেনে ৰাজ্যৰ মাজত যোগাযোগৰ বাবে হিন্দী ভাষাই চৰকাৰী ভাষা হোৱা উচিত, তেনেহ'লে তেনে যোগাযোগৰ বাবে সেই ভাষা ব্যৱহাৰ কৰিব পাৰে।

**৩৪৭। কোনো ৰাজ্যৰ জনসাধাৰণৰ কোনো নিৰ্দিষ্ট অংশই কোৱা ভাষাৰ ক্ষেত্ৰত বিশেষ উপবন্ধ** - এই সম্পৰ্কে কোনো দাবী উত্থাপন কৰিলে, ৰাষ্ট্ৰপতি যদি সন্তুষ্ট হয় যে কোনো এখন ৰাজ্যৰ জনসংখ্যাৰ পৰ্য্যাপ্ত অনুপাত এটাই তেওঁলোকৰ দ্বাৰা কথিত কোনো এটা ভাষাক ব্যৱহাৰ কৰাটো সেই ৰাজ্যৰ দ্বাৰা স্বীকৃত হোৱাটো কামনা কৰে, তেনেহ'লে তেওঁ নিৰ্দেশ দিব পাৰে যে তেনে ভাষাও তেওঁৰ দ্বাৰা নিৰ্দিষ্ট প্ৰয়োজনৰ বাবে সেই ৰাজ্যৰ ভিতৰত বা তাৰ কোনো অংশত চৰকাৰীভাৱে স্বীকৃত হ'ব।

## তৃতীয় অধ্যায় - উচ্চতম ন্যায়ালয়, উচ্চ ন্যায়ালয় আদিৰ ভাষা

**৩৪৮। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয় আৰু অধিনিয়ম, বিধেয়ক আদিত ব্যৱহাৰ হ'বলগীয়া ভাষা** - (১) এই অংশৰ পূৰ্বোক্ত উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে বিধিৰ দ্বাৰা অন্য উপবন্ধ প্ৰস্তুত নকৰা পৰ্য্যন্ত –

(ক) উচ্চতম ন্যায়ালয় আৰু প্ৰত্যেক উচ্চ ন্যায়ালয়ৰ সকলো কাৰ্যক্ৰমণিকা;

(খ) (i) সংসদৰ যিকোনো এখন সদনত অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ সদনত বা যিকোনো সদনত উত্থাপন কৰিবলগীয়া সকলো বিধেয়ক বা ইয়াৰ সংশোধনীৰ প্ৰাধিকৃত পাঠ;

(ii) সংসদৰ দ্বাৰা অথবা ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা গৃহীত সকলো অধিনিয়ম আৰু ৰাষ্ট্ৰপতিৰ দ্বাৰা অথবা কোনো ৰাজ্যৰ ৰাজ্যপালৰ দ্বাৰা [১]*** উত্থাপন কৰা সকলো অধ্যাদেশৰ প্ৰাধিকৃত পাঠ; আৰু

(iii) এই সংবিধানৰ অধীনত অথবা সংসদৰ দ্বাৰা বা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণয়ন কৰা কোনো বিধিৰ অধীনত জাৰি কৰা সকলো আদেশ, নিয়মাৱলী, বিনিয়ম আৰু উপবিধিৰ প্ৰাধিকৃত পাঠ,

ইংৰাজী ভাষাত হ'ব।

(২) দফা (১)-ৰ উপদফা (ক)-ত যি কথাই উল্লেখ নাথাকক কিয়, কোনো ৰাজ্যৰ ৰাজ্যপালে [১]*** ৰাষ্ট্ৰপতিৰ পূৰ্বসন্মতি ক্ৰমে হিন্দী ভাষাক অথবা সেই ৰাজ্যৰ যিকোনো চৰকাৰী প্ৰয়োজনসমূহৰ বাবে ব্যৱহৃত আন যিকোনো ভাষাক সেই ৰাজ্যত মুখ্যস্থান থকা উচ্চ ন্যায়ালয়ৰ কাৰ্যক্ৰমণিকাত ব্যৱহাৰৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিব পাৰে:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, এনে উচ্চ ন্যায়ালয়ৰ দ্বাৰা গৃহীত বা দিয়া হোৱা কোনো ন্যায়-নির্ণয়, ডিক্রী বা আদেশৰ ক্ষেত্রত এই দফাৰ কোনো কথা প্রযোজ্য নহ'ব।

(৩) দফা (১)-ৰ উপদফা (খ)-ত যি কথাই উল্লেখ নাথাকক কিয়, য'ত কোনো ৰাজ্যৰ বিধানমণ্ডলে সেই ৰাজ্যৰ বিধানমণ্ডলত উত্থাপিত কোনো বিধেয়কত বা গৃহীত কোনো আইনত অথবা ৰাজ্যখনৰ ৰাজ্যপালৰ দ্বাৰা [1]*** প্রক্ষেপিত অধ্যাদেশসমূহ নাইবা সেই উপদফাৰ দফা (iii)-ত নির্দেশিত কোনো আদেশ, নিয়ম বা উপবিধিত ব্যৱহাৰৰ বাবে ইংৰাজী ভাষাৰ বাহিৰে কোনো ভাষা অনুমোদন কৰি দিয়ে, তেনে ক্ষেত্রত ৰাজ্যখনৰ ৰাজ্যপালৰ [1]*** কর্তৃত্বৰ দ্বাৰা সেই ৰাজ্যৰ ৰাজপত্রত প্রকাশিত তাৰ ইংৰাজী অনুবাদ এই অনুচ্ছেদৰ অধীনত তাৰ প্রাধিকৃত ইংৰাজী পাঠ বুলি গণ্য কৰা হ'ব।

**৩৪৯। ভাষাৰ সৈতে সম্পর্কিত কিছুমান বিধি প্রণয়নৰ বিশেষ প্রক্রিয়া** - এই সংবিধানৰ আৰম্ভণিৰ পৰা পোন্ধৰ বছৰ কালৰ ভিতৰত ৰাষ্ট্রপতিৰ পূর্বমঞ্জুৰী অবিহনে, অনুচ্ছেদ ৩৪৮-ৰ দফা (১)-ত উল্লিখিত প্রয়োজনসমূহৰ যিকোনো এটাৰ বাবে ব্যৱহাৰ কৰিবলৈ ভাষাৰ ব্যৱস্থা কৰি কোনো বিধেয়ক বা সংশোধনী সংসদৰ যিকোনো এখন সদনত উত্থাপন বা প্রস্তাৱ কৰিব নোৱাৰিব, আৰু ৰাষ্ট্রপতিয়ে অনুচ্ছেদ ৩৪৪-ৰ দফা (১)-ৰ অধীনত গঠিত আয়োগৰ পৰামর্শসমূহ আৰু সেই অনুচ্ছেদৰ দফা (৪)-ৰ অধীনত গঠিত সমিতিৰ প্রতিবেদন বিৱেচনা নকৰাকৈ এনে কোনো বিধেয়ক উত্থাপন কৰিবলৈ বা এনে কোনো সংশোধনী প্রস্তাৱ ল'বলৈ মঞ্জুৰী নিদিব।

## চতুর্থ অধ্যায় – বিশেষ নির্দেশনাৱলী

**৩৫০। অভিযোগৰ প্রতিকাৰৰ আৱেদনত ব্যৱহাৰ কৰিবলগীয়া ভাষা** - প্রত্যেক ব্যক্তিয়েই সংঘ বা কোনো ৰাজ্যৰ কোনো পদাধিকাৰী বা কর্তৃপক্ষৰ ওচৰত সংঘ বা সেই ৰাজ্যত ব্যৱহৃত ভাষাসমূহৰ যিকোনো এটা ভাষাত কোনো অভিযোগ প্রতিকাৰৰ কাৰণে আৱেদন দাখিল কৰিব পাৰিব।

[2][**৩৫০ক। প্রাথমিক পর্যায়ত মাতৃভাষাত শিক্ষাদানৰ সুবিধা** - প্রতিখন ৰাজ্য আৰু ৰাজ্যৰ ভিতৰত থকা প্রত্যেক স্থানীয় কর্তৃপক্ষৰ প্রয়াস থাকিব লাগিব যে ভাষিক সংখ্যালঘু গোটসমূহৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্রাথমিক স্তৰত মাতৃভাষাত শিক্ষাদানৰ বাবে পর্য্যাপ্ত সা-সুবিধা উপলব্ধ হয়; আৰু ৰাষ্ট্রপতিয়ে যিকোনো ৰাজ্যক এনে নির্দেশ দিব পাৰে যি এনে সুবিধাৰ উপবন্ধ সুনিশ্চিত কৰিবৰ বাবে আৱশ্যকীয় বা উচিত বিৱেচনা কৰে।

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা 'বা ৰাজপ্রমুখ' শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২১-ৰ দ্বাৰা অনুচ্ছেদ ৩৫০ক আৰু ৩৫০খ অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

**৩৫০খ। ভাষিক সংখ্যালঘুৰ বাবে বিশেষ বিষয়া** - (১) ভাষিক সংখ্যালঘুসকলৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত এজন বিশেষ পদাধিকাৰী থাকিব।

(২) এই সংবিধানৰ অধীনত ভাষিক সংখ্যালঘুসকলৰ বাবে থকা ৰক্ষকবচ সম্বন্ধীয় সকলো বিষয়ে অনুসন্ধান কৰাটো আৰু এই বিষয়সমূহৰ ওপৰত ৰাষ্ট্ৰপতিৰ দ্বাৰা যথা নিৰ্দেশিত সময়ৰ ব্যৱধানত ৰাষ্ট্ৰপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰাটো এই বিশেষ পদাধিকাৰী জনৰ কৰ্তব্য হ'ব আৰু ৰাষ্ট্ৰপতিয়ে এনে সকলো প্ৰতিবেদন সংসদৰ প্ৰত্যেক সদনতে দিয়াৰ ব্যৱস্থা কৰোৱাব আৰু সংশ্লিষ্ট ৰাজ্যখনৰ চৰকাৰলৈকো পঠোৱাৰ ব্যৱস্থা কৰোৱাব।]

**৩৫১। হিন্দী ভাষাৰ উন্নয়নৰ বাবে নিৰ্দেশনা** - হিন্দী ভাষাৰ প্ৰসাৰ বৃদ্ধি কৰি ভাৰতৰ মিশ্ৰিত সংস্কৃতিৰ সকলো উপাদানৰ প্ৰকাশৰ মাধ্যম ৰূপে সেৱা কৰিব পৰাকৈ ইয়াৰ উন্নতি সাধন কৰা আৰু এই ভাষাৰ নিজস্ব প্ৰতিভাৰ ওপৰত হস্তক্ষেপ নকৰাকৈ হিন্দুস্থানী আৰু অষ্টম অনুসূচীত নিৰ্দিষ্ট ভাৰতৰ অন্যান্য ভাষাবোৰৰ ৰূপ, ঠাঁচ আৰু অভিব্যক্তিসমূহ আহৰণৰ যোগেদি আৰু ইয়াৰ শব্দকোষৰ বাবে য'তেই আৱশ্যকীয় বা বাঞ্চনীয় হয় ততেই মুখ্যভাৱে সংস্কৃতৰ পৰা আৰু গৌণভাৱে আন ভাষাবোৰৰ পৰা শব্দ সংগ্ৰহ কৰি হিন্দী ভাষাৰ সমৃদ্ধি সুনিশ্চিত কৰাটো সংঘৰ কৰ্তব্য হ'ব।

# অষ্টাদশ অংশ

## জৰুৰীকালীন উপবন্ধসমূহ

**৩৫২৷ জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা -** (১) যদি ৰাষ্ট্ৰপতি এইবুলি পতিয়ন যায় যে যুদ্ধ বা বহিঃআক্ৰমণ অথবা [১][সশস্ত্ৰ বিদ্ৰোহ]-ৰ দ্বাৰা এনে গুৰুতৰ সংকট অৱস্থাৰ সৃষ্টি হৈছে যাৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তা বিপন্ন হৈছে, তেনেহ'লে তেওঁ উদ্‌ঘোষণাৰ দ্বাৰা [২][উদ্‌ঘোষণাত সমগ্ৰ ভাৰত অথবা ইয়াৰ এনে কোনো অংশৰ সম্পৰ্কত, যিটোৱেই প্ৰযোজ্য] সেইমৰ্মে ঘোষণা কৰিব পাৰে।

[৩][*ব্যাখ্যা* - ভাৰত বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তা যুদ্ধৰ দ্বাৰা বা বহিঃআক্ৰমণৰ দ্বাৰা বা সশস্ত্ৰ বিদ্ৰোহৰ দ্বাৰা বিপন্ন হোৱা বুলি ঘোষণা কৰি জৰুৰীকালীন উদ্‌ঘোষণা, যুদ্ধ বা তেনে কোনো আক্ৰমণ বা বিদ্ৰোহ প্ৰকৃততে হোৱাৰ পূৰ্বেই কৰিব পাৰে - যদিহে ৰাষ্ট্ৰপতি এইবুলি পতিয়ন যায় যে এই বিলাকৰ পৰা আসন্ন বিপদ হৈছে।]

[৪][(২) দফা (১)-ৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণা পৰৱৰ্তী উদ্‌ঘোষণাৰ দ্বাৰা পৰিৱৰ্তিত বা বাতিল কৰিব পাৰিব।

(৩) ৰাষ্ট্ৰপতিয়ে দফা (১)-ৰ অধীনত কোনো উদ্‌ঘোষণা বা এনে উদ্‌ঘোষণা পৰিৱৰ্তন কৰি দিয়া কোনো উদ্‌ঘোষণা জাৰি নকৰিব যদিহে এনে উদ্‌ঘোষণা কৰিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ (অৰ্থাৎ প্ৰধানমন্ত্ৰী আৰু অনুচ্ছেদ ৭৫-ৰ অধীনত নিয়োজিত কেবিনেট পৰ্য্যায়ৰ আন মন্ত্ৰীসকলৰ দ্বাৰা গঠিত পৰিষদ)-ৰ সিদ্ধান্ত লিখিতভাৱে তেওঁক জনোৱা নহয়।

(৪) এই অনুচ্ছেদৰ অধীনত জাৰি কৰা প্ৰত্যেকটো উদ্‌ঘোষণা সংসদৰ প্ৰত্যেক সদনৰ আগত উপস্থাপিত কৰিব লাগিব আৰু পূৰ্বৱৰ্তী উদ্‌ঘোষণা বাতিল কৰি দিয়া উদ্‌ঘোষণাৰ ব্যতিৰেকে, এনে উদ্‌ঘোষণাৰ এমাহকাল অতিবাহিত হোৱাৰ লগে লগে প্ৰৱৰ্তিত নোহোৱা হ'ব যদিহে সেই কালছোৱা অতিবাহিত হোৱাৰ পূৰ্বে সংসদৰ উভয় সদনৰ প্ৰস্তাৱৰ দ্বাৰা তাক অনুমোদিত কৰা নহয়:

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৭-ৰ দ্বাৰা "আভ্যন্তৰীণ অশান্তি"ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৮-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৭-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ৩৭-ৰ দ্বাৰা দফা (২), (২ক) আৰু (৩)-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, যদি এনে কোনো উদ্‌ঘোষণা (পূৰ্বৱৰ্তী উদ্‌ঘোষণা বাতিল কৰি কৰা উদ্‌ঘোষণা নহয়) এনে সময়ত জাৰি কৰা হয় যি সময়ত লোকসভা ভংগ হৈ থাকে বা এই দফাত উল্লেখ কৰা এমাহকালৰ ভিতৰত লোকসভাৰ ভংগ হয়, আৰু যদি ৰাজ্যসভাৰ দ্বাৰা এই উদ্‌ঘোষণা অনুমোদন কৰি কোনো প্ৰস্তাৱ গৃহীত হয়, কিন্তু সেই কালছোৱা অতিবাহিত হোৱাৰ পূৰ্বে লোকসভাৰ দ্বাৰা এনে উদ্‌ঘোষণাৰ সম্বন্ধত কোনো প্ৰস্তাৱ গৃহীত নহয়, তেনেহ'লে পুনৰ্গঠিত লোকসভাৰ প্ৰথম বৈঠক বহা তাৰিখৰ পৰা ত্ৰিশ দিনৰ অন্তত উদ্‌ঘোষণাটো কাৰ্য্যকৰী নোহোৱা হ'ব যদিহে উক্ত ত্ৰিশ দিনৰ কাল সমাপ্তিৰ পূৰ্বে লোকসভাৰ দ্বাৰাও উদ্‌ঘোষণাটো অনুমোদন কৰি কোনো প্ৰস্তাৱ গৃহীত নহয়।

(৫) এনেদৰে অনুমোদিত কোনো উদ্‌ঘোষণা যদিহে বাতিল নহয় তেনেহ'লে দফা (৪)-ৰ অধীনত উদ্‌ঘোষণাটো অনুমোদন কৰি লোৱা প্ৰস্তাৱৰ দ্বিতীয়টো গৃহীত হোৱা তাৰিখৰ পৰা ছমাহ কাল সমাপ্ত হোৱাৰ লগে লগে কাৰ্য্যকৰী নোহোৱা হ'ব:

কিন্তু, যদি আৰু যেতিয়াই এনে উদ্‌ঘোষণা বলবৎ কৰি ৰাখিবলৈ অনুমোদন কৰি সংসদৰ উভয় সদনৰ দ্বাৰা কোনো প্ৰস্তাৱ গৃহীত কৰা হয় তেতিয়া, যদিহে বাতিল নহয়, এই দফাৰ অধীনত যি তাৰিখৰ পৰা অথবা ঘোষণাটো কাৰ্য্যকৰী নোহোৱা হ'লহেতেন সেই তাৰিখৰ পৰা ছমাহ কালৰ বাবে বলবৎ হৈ থাকিব:

অধিকন্তু, যদি ছমাহ কালৰ ভিতৰত লোকসভা ভংগ হয় আৰু ৰাজ্যসভাৰ দ্বাৰা এনে উদ্‌ঘোষণা বলবৎ কৰি ৰাখিবলৈ অনুমোদন কৰি কোনো প্ৰস্তাৱ গৃহীত হয়, কিন্তু লোকসভাৰ দ্বাৰা তেনে উদ্‌ঘোষণা বলবৎ ৰখাৰ সম্পৰ্কত উক্ত কালৰ ভিতৰত গৃহীত নহয়, তেনেহ'লে পুনৰ্গঠিত লোকসভাৰ প্ৰথম বৈঠক বহা তাৰিখৰ পৰা ত্ৰিশ দিনৰ অন্তত উদ্‌ঘোষণাটোৰ কাৰ্য্যকাৰিতা নোহোৱা হ'ব - যদিহে উক্ত ত্ৰিশ দিনৰ সমাপ্তিৰ পূৰ্বে লোকসভাৰ দ্বাৰাও উদ্‌ঘোষণাটো বলবৎ ৰাখিবৰ বাবে অনুমোদন জনাই কোনো প্ৰস্তাৱ গৃহীত নহয়।

(৬) দফা (৪) আৰু (৫)-ৰ প্ৰয়োজনৰ বাবে, সংসদৰ যিকোনো সদনে সেই সদনৰ মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা আৰু সদনৰ উপস্থিত থকা আৰু ভোটদান কৰা সদস্যসকলৰ কমেও দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা কোনো প্ৰস্তাৱ গৃহীত কৰিব পাৰিব।

(৭) পূৰ্বৱৰ্তী দফাসমূহত যি কথাই উল্লেখ নাথাকক কিয়, যদিহে লোকসভাই এনে ঘোষণা অনুমোদিত নকৰি বা এনে উদ্‌ঘোষণা বলবৎ কৰি ৰখাটো অনুমোদন নকৰি, যিটোৱেই প্ৰযোজ্য, কোনো প্ৰস্তাৱ গৃহীত কৰে তেনেহ'লে ৰাষ্ট্ৰপতিয়ে দফা (১)-ৰ অধীনত জাৰি কৰা উদ্‌ঘোষণা অথবা এনে উদ্‌ঘোষণাৰ পৰিৱৰ্তন কৰি জাৰি কৰা উদ্‌ঘোষণা বাতিল কৰিব লাগিব।

(৮) যেতিয়া দফা (১)-ৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণা বা তেনে উদ্‌ঘোষণা বলবৎ ৰখাটো, যিটোৱেই প্ৰযোজ্য, অনুমোদন নকৰিবৰ বাবে অথবা তেনে উদ্‌ঘোষণা পৰিৱৰ্তন কৰি জাৰি কৰা কোনো উদ্‌ঘোষণা অনুমোদন নকৰিবৰ বাবে কোনো প্ৰস্তাৱ উত্থাপন কৰাৰ অভিপ্ৰায় জনাই লোকসভাৰ মুঠ সদস্য সংখ্যাৰ কমেও এক-দশমাংশৰ দ্বাৰা স্বাক্ষৰিত কোনো লিখিত জাননী -

(ক) সদনৰ অধিবেশন চলি থকা অৱস্থাত অধ্যক্ষক; বা

(খ) সদনৰ অধিবেশন চলি নাথাকিলে ৰাষ্ট্ৰপতিক দিয়া হয়,

তেনেহ'লে অধ্যক্ষ বা ৰাষ্ট্ৰপতিয়ে, যিয়েই প্ৰযোজ্য, জাননী লাভ কৰা তাৰিখৰ পৰা চৈধ্য দিনৰ ভিতৰত এনে প্ৰস্তাৱ বিবেচনাৰ উদ্দেশ্যে সদনৰ এক বিশেষ বৈঠক বহিব।]

[1][(৯) এই অনুচ্ছেদৰ দ্বাৰা ৰাষ্ট্ৰপতিৰ ওপৰত অৰ্পিত ক্ষমতাই বেলেগ বেলেগ আধাৰত যেনে যুদ্ধৰ বাবে বা বহিঃআক্ৰমণৰ বাবে বা [2][সশস্ত্ৰ বিদ্ৰোহ]-ৰ বাবে অথবা যুদ্ধ বা বহিঃআক্ৰমণ বা [2][সশস্ত্ৰ বিদ্ৰোহ]-ৰ পৰা হ'ব পৰা আসন্ন বিপদৰ বাবে বেলেগ বেলেগ উদ্‌ঘোষণা জাৰি কৰাৰ ক্ষমতাকো অন্তৰ্ভুক্ত কৰিব, লাগিলে দফা (১)-ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা ইতিমধ্যে জাৰি কৰা কোনো উদ্‌ঘোষণা আৰু তেনে উদ্‌ঘোষণাৰ প্ৰৱৰ্তন চলি থাককেই বা নাথাকক।

[1]* * * * * * *

**৩৫৩। জৰুৰীকালীন অৱস্থা উদ্‌ঘোষণাৰ প্ৰভাৱ** - যেতিয়া জৰুৰীকালীন অৱস্থা চলি থাকে, তেতিয়া –

(ক) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, কোনো ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা কেনেভাৱে প্ৰয়োগ কৰা হ'ব, সেই বিষয়ে যিকোনো ৰাজ্যক নিৰ্দেশ দিয়া পৰ্যন্ত কেন্দ্ৰৰ কাৰ্য্যবাহী ক্ষমতা বিস্তাৰিত হ'ব;

(খ) যিকোনো বিষয়ত বিধি প্ৰণয়ন কৰিবলৈ সংসদৰ যি ক্ষমতা, সেই ক্ষমতাই তেনে বিষয়ৰ সম্পৰ্কত সংঘৰ ওপৰত বা সংঘৰ পদাধিকাৰীসকল আৰু কৰ্তৃপক্ষৰ ওপৰত ক্ষমতা অৰ্পণ কৰিবলৈ আৰু কৰ্তব্য আৰোপ কৰাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিবলৈ বিধি প্ৰণয়ণ কৰিব পৰাৰ ক্ষমতাকো অন্তৰ্ভুক্ত কৰিব, যদিও সেই বিষয়টো কেন্দ্ৰীয় সূচীত নাথাকে:

---

[1] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৫-ৰ দ্বাৰা দফা (৪) আৰু (৫) অন্তঃস্থাপিত (পুৰ্বৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৭-ৰ দ্বাৰা দফা (৪)-ক দফা (৯) ৰূপে পুনঃক্ৰমাংকিত আৰু দফা (৫) বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৩৭-ৰ দ্বাৰা "আভ্যন্তৰীণ অশান্তি"-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][কিন্তু, যেতিয়া ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কেৱলমাত্ৰ কোনো এক অংশতহে জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা বলবৎ হৈ থাকে তেতিয়া,

(i) দফা (ক)-ৰ অধীনত নিৰ্দেশনা দিবৰ বাবে কেন্দ্ৰৰ কাৰ্য্যবাহী ক্ষমতা, আৰু

(ii) দফা (খ)-ৰ অধীনত বিধি প্ৰণয়ন কৰিবৰ বাবে সংসদৰ ক্ষমতা,

যি ৰাজ্যত বা যি ৰাজ্যৰ কোনো অংশত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা প্ৰৱৰ্তিত হৈ থাকে তাৰ বাহিৰেও যিকোনো ৰাজ্যলৈ বিস্তাৰিত হ'ব যদিহে আৰু যি পৰ্য্যন্ত ভাৰতৰ যি ৰাজ্যক্ষেত্ৰত বা তাৰ কোনো অংশত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা বলবৎ হৈ থাকে তাত বা তাৰ সম্পৰ্কত চলি থকা কাৰ্য্যকলাপৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তা বিপন্ন হয়।]

**৩৫৪। জৰুৰীকালীন অৱস্থা কাৰ্যকৰী হৈ থকা সময়ত ৰাজহৰ বিতৰণ সম্পৰ্কত উপবন্ধাৱলীৰ প্ৰয়োগ** - (১) জৰুৰীকালীন অৱস্থা কাৰ্যকৰী হৈ থকা সময়ত ৰাষ্ট্ৰপতিয়ে উচিত বুলি ভবা মতে, তেওঁৰ আদেশৰ দ্বাৰা অনুচ্ছেদ ২৬৮-ৰ পৰা ২৭৯-লৈ থকা সকলোবোৰ বা যিকোনো উপবন্ধ এনে কালৰ বাবে যিটো সেই আদেশত নিৰ্দিষ্ট কৰি দিয়ে আৰু যিকোনো অৱস্থাতেই যি বিত্তীয় বছৰত এনে ঘোষণা কাৰ্যকৰী হৈ নাথাকে সেই বিত্তীয় বছৰৰ সমাপ্তিৰ পাচলৈকে বিস্তাৰিত নোহোৱাকৈ এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে কাৰ্যকৰী হ'ব বুলি নিৰ্দেশ দিব পাৰে।

(২) দফা (১)-ৰ অধীনত দিয়া প্ৰতিটো আদেশ, যিমান পাৰি সোনকালে সংসদৰ প্ৰত্যেক সদনতে উত্থাপন কৰিব লাগিব।

**৩৫৫। বহিঃআক্ৰমণ আৰু আভ্যন্তৰীণ অশান্তিৰ পৰা ৰাজ্যসমূহক সুৰক্ষিত কৰিবৰ বাবে সংঘৰ কৰ্তব্য** - বহিঃআক্ৰমণ আৰু আভ্যন্তৰীণ অশান্তিৰ বিৰুদ্ধে প্ৰত্যেক ৰাজ্যকে ৰক্ষা কৰা আৰু এই সংবিধানৰ উপবন্ধাৱলীৰ মতে যাতে প্ৰত্যেক ৰাজ্যৰ চৰকাৰ চলে তাক সুনিশ্চিত কৰাটো সংঘৰ কৰ্তব্য।

**৩৫৬। ৰাজ্যত সাংবিধানিক শৃংখলাৰ বিফলতাৰ ক্ষেত্ৰত থকা উপবন্ধাৱলী** - (১) কোনো ৰাজ্যৰ ৰাজ্যপালৰ [2]*** পৰা প্ৰতিবেদন প্ৰাপ্ত কৰে নাইবা আন প্ৰকাৰে যদি ৰাষ্ট্ৰপতি পতিয়ন যায় যে এই সংবিধানৰ উপবন্ধাৱলী অনুসৰি সেই ৰাজ্যৰ চৰকাৰ চলাত ব্যৰ্থ হৈছে, ৰাষ্ট্ৰপতিয়ে উদ্‌ঘোষণাৰ দ্বাৰা –

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৪৯-ৰ দ্বাৰা সংযোজিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) সেই ৰাজ্যৰ চৰকাৰৰ সকলোবোৰ বা যিকোনো কাৰ্য আৰু সেই ৰাজ্যৰ বিধানমণ্ডলৰ বাহিৰে ৰাজ্যপাল [১]*** বা আন কোনো নিকায় বা কৰ্তৃপক্ষৰ ওপৰত ন্যস্ত হোৱা বা তেওঁলোকে প্ৰয়োগ কৰিব পৰা সকলোবোৰ বা যিকোনো ক্ষমতা নিজে গ্ৰহণ কৰিব পাৰে;

(খ) ঘোষণা কৰিব পাৰে যে সেই ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতাসমূহ সংসদৰ দ্বাৰা বা সংসদৰ কৰ্তৃপক্ষৰ অধীনত প্ৰয়োগ হ'ব;

(গ) সেই ৰাজ্যৰ কোনো নিকায় বা কৰ্তৃপক্ষ সম্পৰ্কে এই সংবিধানত দিয়া কোনো উপবন্ধৰ প্ৰৱৰ্তন সম্পূৰ্ণভাৱে বা আংশিকভাৱে স্থগিতকৰণৰ উপবন্ধকে ধৰি উদ্‌ঘোষণাৰ উদ্দেশ্য কাৰ্য্যকৰী কৰিবৰ কাৰণে আৱশ্যকীয় বা বাঞ্ছনীয় বুলি ৰাষ্ট্ৰপতিয়ে ভবা মতে আনুসংগিক আৰু পৰিণামস্বৰূপ উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে:

কিন্তু উচ্চ ন্যায়ালয়ত ন্যস্ত বা উচ্চ ন্যায়ালয়ে প্ৰয়োগ কৰা কোনো ক্ষমতা নিজৰ হাতলৈ নিবলৈ নাইবা উক্ত ন্যায়ালয় সম্পৰ্কে এই সংবিধানত দিয়া কোনো উপবন্ধৰ প্ৰৱৰ্তন সম্পূৰ্ণভাৱে বা আংশিকভাৱে স্থগিত কৰিবলৈ এই দফাৰ কোনো কথাই ৰাষ্ট্ৰপতিক কৰ্তৃত্ব নিদিয়ে।

(২) এনে কোনো উদ্‌ঘোষণা পৰৱৰ্তী উদ্‌ঘোষণাৰ দ্বাৰা বাতিল বা পৰিৱৰ্তন কৰিব পাৰে।

(৩) এই অনুচ্ছেদৰ অধীনত কৰা প্ৰত্যেকটো উদ্‌ঘোষণা সংসদৰ প্ৰত্যেক সদনত দাখিল কৰিব লাগিব আৰু পূৰ্বৱৰ্তী উদ্‌ঘোষণা বাতিল কৰা উদ্‌ঘোষণাৰ বাহিৰে আন উদ্‌ঘোষণা যদি দুমাহ কাল অতিবাহিত হোৱাৰ আগতে সংসদৰ উভয় সদনৰ প্ৰস্তাৱৰ দ্বাৰা অনুমোদিত নহয়, তেনেহ'লে সেই দুমাহ কাল অতিবাহিত হোৱাৰ লগে লগে প্ৰৱৰ্তন নোহোৱা হ'ব:

কিন্তু লোকসভা ভংগ হোৱা সময়ত যদি এনে কোনো উদ্‌ঘোষণা (পূৰ্বৱৰ্তী উদ্‌ঘোষণা বাতিল কৰা উদ্‌ঘোষণাৰ বাহিৰে) কৰা হয় বা এই দফাত উল্লেখ কৰা দুমাহ কালৰ ভিতৰত লোকসভা ভংগ হয়, আৰু যদি ৰাজ্যসভাৰ দ্বাৰা উদ্‌ঘোষণা অনুমোদন কৰা কোনো প্ৰস্তাৱ গৃহীত হয় আৰু সেই কালছোৱা অতিবাহিত হোৱাৰ আগতে এনে উদ্‌ঘোষণা সম্পৰ্কে কোনো প্ৰস্তাৱ যদি লোকসভাৰ দ্বাৰা গৃহীত নহয়, তেনেহ'লে পুনৰ্গঠিত লোকসভাৰ প্ৰথম বৈঠক বহা দিনটোৰ পৰা ধৰি ত্ৰিশ দিনৰ অন্তত যদিহে লোকসভাৰ দ্বাৰাও সেই ত্ৰিশ দিন অন্ত পৰাৰ আগতে উদ্‌ঘোষণা অনুমোদন কৰি প্ৰস্তাৱ গৃহীত নহয়, সেই উদ্‌ঘোষণাৰ কাৰ্যকাৰিতা নাথাকিব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ, যিটোৱেই প্ৰযোজ্য" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৪) এনেদৰে অনুমোদিত কোনো উদ্‌ঘোষণা যদিহে বাতিল কৰা নহয়, তেনেহ'লে [১][উদ্‌ঘোষণা জাৰি কৰা তাৰিখৰ পৰা ছমাহ] কালৰ অন্তত তাৰ কাৰ্যকাৰিতা নোহোৱা হ'ব:

কিন্তু সংসদৰ উভয় সদনৰ দ্বাৰা যদি এনে কোনো উদ্‌ঘোষণা বলবৎ কৰি ৰাখিবলৈ অনুমোদন কৰি প্ৰস্তাৱ গৃহীত হয় আৰু যিমানবাৰলৈ গৃহীত হয় সিমানবাৰলৈ সেই উদ্‌ঘোষণা যদিহে বাতিল কৰা নহয়, এই দফাৰ অধীনত অন্যথা যিদিনা ইয়াৰ প্ৰৱৰ্তন নোহোৱা হ'লহেঁতেন সেই দিনাৰ পৰা আৰু [২][ছমাহলৈ] বলবৎ হৈ থাকিব, কিন্তু কোনো ক্ষেত্ৰতে এনে কোনো উদ্‌ঘোষণা তিনি বছৰতকৈ অধিক কাল বলবৎ নাথাকিব:

অধিকন্তু, এনে কোনো [২][ছমাহ] কালৰ ভিতৰত যদি লোকসভা ভংগ হয় আৰু ৰাজ্যসভাৰ দ্বাৰা এনে উদ্‌ঘোষণা বলবৎ কৰি ৰাখিবৰ কাৰণে অনুমোদন কৰি প্ৰস্তাৱ গৃহীত হয় অথচ সেই কালছোৱাৰ ভিতৰত এনে উদ্‌ঘোষণা বলবৎ কৰি ৰখাৰ সম্পৰ্কত যদি লোকসভাৰ দ্বাৰা কোনো প্ৰস্তাৱ গৃহীত নহয়, তেনেহ'লে পুনৰ্গঠিত লোকসভাৰ প্ৰথম বৈঠক বহা দিনটোৰ পৰা ধৰি ত্ৰিশ দিনৰ অন্তত যদিহে লোকসভাৰ দ্বাৰাও সেই ত্ৰিশ দিন অন্ত পৰাৰ আগতে উদ্‌ঘোষণা বলবৎ কৰি ৰাখিবলৈ অনুমোদন কৰি প্ৰস্তাৱ গৃহীত নহয়, সেই উদ্‌ঘোষণাৰ কাৰ্যকাৰিতা নাথাকিব:

[৩][তাৰোপৰি, পঞ্জাব ৰাজ্যৰ সম্পৰ্কত ১১ মে, ১৯৮৭-ত দফা (১)-ৰ অধীনত কৰা উদ্‌ঘোষণাৰ ক্ষেত্ৰত এই দফাৰ প্ৰথমটো ব্যতিক্ৰম "তিনি বছৰ"ৰ প্ৰতি কৰা নিৰ্দেশক [৪][পাঁচ বছৰ] হিচাপে অৰ্থ কৰা হ'ব।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫০-ৰ দ্বাৰা "ছমাহ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৮-ৰ দ্বাৰা "দফা (৩)-ৰ অধীনত ঘোষিত দ্বিতীয় প্ৰস্তাৱ গৃহীত হোৱা তাৰিখৰ পৰা এবছৰ"-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৫০-ৰ দ্বাৰা "ছমাহ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু উক্ত অধিনিয়মৰ ধাৰা ৩৮-ৰ দ্বাৰা "এবছৰ"-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৬৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৪-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৬৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰতিস্থাপিত (৪-১০-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৬৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯১-ৰ ধাৰা ২-ৰ দ্বাৰা পুনৰ প্ৰতিস্থাপিত (১২-৩-১৯৯১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][(৫) দফা (৪)-ত যি কথাই উল্লেখ নাথাকক কিয়, দফা (৩)-ৰ অধীনত অনুমোদন কৰা কোনো উদ্‌ঘোষণা জাৰি কৰা তাৰিখৰ পৰা এবছৰতকৈ অধিক যিকোনো কালৰ বাবে বলবৎ ৰখাৰ সম্বন্ধত সংসদৰ যিকোনো সদনত কোনো প্ৰস্তাৱ গ্ৰহণ নকৰিব, যদিহে –

(ক) এনে প্ৰস্তাৱ গৃহীত কৰাৰ সময়ত সমগ্ৰ ভাৰতত অথবা এখন ৰাজ্যৰ সমগ্ৰ ক্ষেত্ৰত বা তাৰ কোনো অংশত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা বলবৎ হৈ নাথাকে, আৰু

(খ) সংশ্লিষ্ট ৰাজ্যখনৰ বিধানসভালৈ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাত হোৱা অসুবিধাবোৰৰ বাবে তেনে প্ৰস্তাৱত নিৰ্দিষ্ট কালৰ কাৰণে দফা (৩)-ৰ অধীনত অনুমোদিত উদ্‌ঘোষণা বলবৎ ৰখাটো প্ৰয়োজনীয় বুলি নিৰ্বাচন আয়োগে প্ৰমাণিত নকৰে।]

[2][কিন্তু এই দফাৰ কোনো কথাই পঞ্জাৱ ৰাজ্যৰ সম্পৰ্কত ১১ মে, ১৯৮৭-ৰ দফা (১)-ৰ অধীনত কৰা উদ্‌ঘোষণাত প্ৰয়োগ নহ'ব।]

**৩৫৭। অনুচ্ছেদ ৩৫৬-ৰ অধীনত জাৰি কৰা উদ্‌ঘোষণাৰ অধীনত বিধায়িনী ক্ষমতাৰ প্ৰয়োগ** - (১) যেতিয়া অনুচ্ছেদ ৩৫৬-ৰ দফা (১)-ৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণাৰ দ্বাৰা এইটো ঘোষণা কৰা হয় যে সেই ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতাসমূহ সংসদৰ দ্বাৰা বা সংসদৰ প্ৰাধিকাৰৰ অধীনত প্ৰয়োগ হ'ব, তেতিয়া –

(ক) সেই ৰাজ্যৰ বিধানমণ্ডলৰ বিধি প্ৰণয়নৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰিবলৈ আৰু এনেভাৱে অৰ্পিত ক্ষমতা তেওঁ উচিত বুলি ভবা তেনে কোনো চৰ্তৰ অধীনত, সেই মৰ্মে তেওঁ নিৰ্দিষ্ট কৰি দিয়া আন কোনো প্ৰাধিকাৰীক প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰপতিক প্ৰাধিকাৰ দিবলৈ সংসদ ক্ষমতাসম্পন্ন হ'ব;

(খ) সংঘ বা তাৰ পদাধিকাৰী আৰু প্ৰাধিকাৰীসকলক ক্ষমতা অৰ্পণ আৰু কৰ্তব্য আৰোপণ কৰি নাইবা ক্ষমতা অৰ্পণ কৰিবৰ বাবে আৰু কৰ্তব্য আৰোপণ কৰিবৰ বাবে প্ৰাধিকৃত কৰি বিধি প্ৰণয়ন কৰিবলৈ সংসদ বা ৰাষ্ট্ৰপতি বা উপদফা (ক)-ৰ অধীনত বিধি প্ৰণয়নৰ এনে ক্ষমতা ন্যস্ত থকা আন প্ৰাধিকাৰী ক্ষমতাসম্পন্ন হ'ব;

(গ) লোকসভাৰ অধিবেশন নবহা সময়ত সংসদৰ পৰা তেনে ব্যয়ৰ মঞ্জুৰী নোপোৱালৈকে ৰাজ্যৰ একত্ৰীকৃত নিধিৰ পৰা ব্যয় কৰিবলৈ প্ৰাধিকৃত কৰিবৰ কাৰণে ৰাষ্ট্ৰপতি ক্ষমতাসম্পন্ন হ'ব।

---

[1] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৮-ৰ দ্বাৰা দফা (৫)-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৬৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৯-ৰ ধাৰা ২-ৰ দ্বাৰা ব্যতিক্ৰম বিলোপিত (৬-১-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান (৬৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা পৰৱৰ্তীকালত অন্তঃস্থাপিত (১৬-৪-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][(২) ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষমতা প্ৰয়োগ কৰাৰ বাবে সংসদৰ দ্বাৰা বা ৰাষ্ট্ৰপতিৰ দ্বাৰা অথবা দফা (১)-ৰ উপদফা (ক)-ত নিৰ্দেশিত আন কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰণীত এনে কোনো বিধি যি বিধি প্ৰণয়ন কৰিবলৈ অনুচ্ছেদ ৩৫৬-ৰ অধীনত উদ্‌ঘোষণা জাৰি নকৰাহেঁতেন সংসদ বা ৰাষ্ট্ৰপতি অথবা তেনে কোনো প্ৰাধিকাৰী ক্ষমতাসম্পন্ন নহ'লহেঁতেন, উদ্‌ঘোষণাৰ প্ৰৱৰ্তন নোহোৱাৰ পিচতো যেতিয়ালৈকে ক্ষমতাসম্পন্ন বিধানমণ্ডল বা আন প্ৰাধিকাৰীৰ দ্বাৰা পৰিৱৰ্তন বা বাতিল বা সংশোধন কৰা নহয়, তেতিয়ালৈকে বলবৎ হৈয়েই থাকিব।]

**৩৫৮। জৰুৰীকালীন অৱস্থাৰ সময়ত অনুচ্ছেদ ১৯-ৰ উপবন্ধাৱলীৰ নিলম্বন** - [২][(১)] [৩][যেতিয়া যুদ্ধ বা বহিঃআক্ৰমণৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তা বিপন্ন হোৱা বুলি ঘোষণা কৰি দিয়া জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থাকে], তেতিয়া অনুচ্ছেদ ১৯-ৰ কোনো কথাই এনে কোনো বিধি প্ৰণয়ন কৰিবলৈ অথবা এনে কোনো কাৰ্য্যপালিকা কাৰ্যব্যৱস্থা ল'বলৈ তৃতীয় অংশত নিৰ্ধাৰিত কৰা অনুসৰি ৰাজ্যৰ ক্ষমতাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ নকৰে যিবিলাক বিধি বা কাৰ্য্য সেই অংশত অন্তৰ্ভুক্ত উপবন্ধাৱলী নথকা হ'লে ৰাজ্যই কৰিবলৈ ক্ষমতাসম্পন্ন হ'লহেঁতেন, কিন্তু এনেভাৱে প্ৰণীত যিকোনো বিধি, ইতিপূৰ্বে কৰা হোৱা বা কৰিবলৈ বাদ দিয়া বিষয়সমূহৰ বাহিৰে আন আন বিষয়ত উদ্‌ঘোষণাৰ প্ৰৱৰ্তন নোহোৱা হোৱাৰ লগে লগেই অক্ষমতাৰ মাত্ৰা পৰ্যন্ত প্ৰভাৱহীন হ'ব:

[৪][কিন্তু, [৫][যেতিয়া এনে জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা] ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কেৱল কোনো অংশতহে চলি থাকে, তেতিয়াও জৰুৰীকালীন অৱস্থাৰ ঘোষণা চলি নথকা কোনো ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত বা সেই সম্পৰ্কত এই অনুচ্ছেদৰ অধীনত এনে কোনো বিধি প্ৰণয়ন কৰিব পাৰিব বা এনে কোনো কাৰ্য্যপালিকা কাৰ্যব্যৱস্থা ল'ব পাৰিব যদিহে আৰু যি পৰ্য্যন্ত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থকা ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত বা তাৰ সম্পৰ্কত ঘটি থকা কাৰ্য্যকলাপৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তা বিপন্ন হয়।]

[৬][(২) দফা (১)-ৰ কোনো কথাই –

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫১-ৰ দ্বাৰা প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৯-ৰ দ্বাৰা অনুচ্ছেদ ৩৫৮-ক দফা (১) ৰূপে পুনঃক্ৰমাংকিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৩৯-ৰ দ্বাৰা "যেতিয়া কোনো জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫২-ৰ দ্বাৰা সংযোজিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৩৯-ৰ দ্বাৰা "য'ত কোনো জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা" শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] উক্ত অধিনিয়মৰ ধাৰা ৩৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

ক) এনে কোনো বিধিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব য'ত এইবুলি উল্লেখ নাথাকে যে এনে বিধি ইয়াক প্ৰণয়ন কৰাৰ সময়ত চলি থকা জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণাৰ সম্বন্ধে কৰা হৈছে; বা

(খ) এনে কোনো কাৰ্য্যপালিকা কাৰ্য্যব্যৱস্থাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব যি কাৰ্য্য এনে উল্লেখ অন্তৰ্ভুক্ত থকা বিধিৰ অধীনত ব্যতিৰেকে অন্যথা লোৱা হয়।]

**৩৫৯। জৰুৰীকালীন অৱস্থাত তৃতীয় অংশৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহৰ বলবৎকৰণ নিলম্বন** - (১) যি সময়ত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থাকে, তেতিয়া ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা ঘোষণা কৰিব পাৰে যে সেই আদেশত যথা উল্লিখিত [১][তৃতীয় অংশৰ (অনুচ্ছেদ ২০ আৰু ২১-ৰ বাহিৰে] দ্বাৰা প্ৰদত্ত এনে কোনো অধিকাৰসমূহ] বলবৎ কৰাৰ কাৰণে কোনো ন্যায়ালয়ৰ ওচৰত উত্থাপন কৰাৰ অধিকাৰ আৰু তেনে ভাবে উল্লেখ কৰা অধিকাৰসমূহ বলবৎ কৰিবৰ কাৰণে কোনো ন্যায়ালয়ত বিচাৰাধীন হৈ থকা কোনো কাৰ্য্যক্ৰমণিকা ঘোষণা বলবৎ হৈ থকা কালছোৱাত অথবা সেই আদেশত যথা নিৰ্দিষ্ট কৰি দিয়া মতে তেনে কোনো কম সময়ৰ বাবে স্থগিত হৈ থাকিব।

[২][(১ক) যেতিয়া তৃতীয় অংশৰ [১][(অনুচ্ছেদ ২০ আৰু ২১-ৰ বাহিৰে) দ্বাৰা প্ৰদত্ত অধিকাৰসমূহ]ৰ যিকোনো এটা উল্লেখ কৰি দফা (১)-ৰ অধীনত দিয়া কোনো আদেশ চলি থাকে, তেতিয়া সেই অধিকাৰসমূহ প্ৰদান কৰা সেই অংশৰ কোনো কথাই এনে কোনো বিধি প্ৰণয়ন কৰিবলৈ বা এনে কোনো প্ৰশাসনিক কাৰ্য্যব্যৱস্থা ল'বলৈ সেই অংশত নিৰ্ধাৰিত অনুসৰি ৰাজ্যৰ ক্ষমতাক প্ৰতিবন্ধিত নকৰিব, যিবিলাক সেই অংশত অন্তৰ্ভুক্ত উপবন্ধাৱলী নথকা হ'লে ৰাজ্যই কৰিবলৈ ক্ষমতাসম্পন্ন হ'লহেঁতেন, কিন্তু এইদৰে প্ৰণীত কোনো বিধি, উপৰোক্ত আদেশৰ প্ৰৱৰ্তন সমাপ্তি হোৱাৰ লগে লগে সেই বিধি প্ৰভাৱহীন, হোৱাৰ পূৰ্বে কৃত বা কৰিবলৈ বাদ পৰা কাৰ্য্যৰ ব্যতিৰেকে অক্ষমতাৰ মাত্ৰা পৰ্য্যন্ত প্ৰভাৱহীন হ'ব:

[৩][কিন্তু, যেতিয়া জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কেৱল কোনো অংশতহে চলি থাকে তেতিয়া যদি আৰু যি পৰ্য্যন্ত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থকা ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো অংশত বা তাৰ সম্পৰ্কত ঘটিত কাৰ্য্যকলাপৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তাৰ ক্ষেত্ৰত ভয়ৰ সৃষ্টি হয়, তেতিয়া সেই পৰ্য্যন্ত জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি নথকা এনে ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত বা তাৰ সম্পৰ্কত এই অনুচ্ছেদৰ অধীনত এনে কোনো বিধি প্ৰণয়ন কৰিব পাৰিব বা এনে কোনো প্ৰশাসনিক কাৰ্য্যব্যৱস্থা হাতত ল'ব পাৰিব।]

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪০-ৰ দ্বাৰা "তৃতীয় অংশত প্ৰদানিত অধিকাৰসমূহ"-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰে পৰা প্ৰযোজ্য হোৱাকৈ)।

[৩] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৩-ৰ দ্বাৰা সংযোজিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][(১খ) দফা (১ক)-ৰ কোনো কথা –

(ক) এনে কোনো বিধিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব যি বিধিত এই বুলি উল্লেখ নাথাকে যে সেই বিধি তাক প্ৰণয়ন কৰাৰ সময়ত প্ৰৱৰ্তিত হৈ থকা জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণাৰ সম্পৰ্কত কৰা হৈছে; বা

(খ) এনে কোনো প্ৰশাসনিক কাৰ্য্যব্যৱস্থাৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব যি কাৰ্য্যব্যৱস্থা এনেকুৱা উল্লেখ অন্তৰ্ভুক্ত হৈ থকা বিধিৰ অধীনত ব্যতিৰেকে অন্যথা লোৱা হয়।]

(২) উপৰোক্ত ধৰণেৰে দিয়া কোনো আদেশ ভাৰতৰ সমগ্ৰ ৰাষ্ট্ৰক্ষেত্ৰত বা তাৰ কোনো অংশলৈ বিস্তাৰিত হ'ব পাৰিব:

[২][কিন্তু, যেতিয়া কোনো জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কেৱল কোনো অংশতহে চলি থাকে তেতিয়া, যেতিয়ালৈকে জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থাকে, ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো অংশ বা তাৰ সম্পৰ্কত ঘটিত কাৰ্য্যকলাপৰ দ্বাৰা ভাৰত বা ইয়াৰ ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো অংশৰ নিৰাপত্তাৰ ভয় হোৱা বুলি পতিয়ন গৈ ৰাষ্ট্ৰপতিয়ে এনে বিস্তাৰৰ আৱশ্যক বুলি বিবেচনা নকৰে তেতিয়ালৈকে এনে আদেশ ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ আন কোনো অংশলৈ বিস্তাৰিত কৰিব নোৱাৰিব।]

(৩) দফা (১)-ৰ অধীনত দিয়া হোৱা প্ৰত্যেক আদেশ সেই আদেশ দিয়াৰ পৰা যিমান সোনকালে পাৰে সিমান সোনকালে সংসদৰ প্ৰত্যেক সদনতে উপস্থাপিত কৰিব লাগিব।

[৩]**৩৫৯ক।** [*পঞ্জাৱ ৰাজ্যত এই অংশৰ প্ৰয়োগ*] – *সংবিধান (৬৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৯-ৰ ধাৰা ৩-ৰ দ্বাৰা বিলোপিত (৬-১-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৬০। বিত্তীয় জৰুৰীকালীন অৱস্থা সম্পৰ্কীয় উপবন্ধাৱলী** - (১) ৰাষ্ট্ৰপতি যদি পতিয়ন যায় যে ভাৰত বা ইয়াৰ ৰাজ্যক্ষেত্ৰৰ কোনো এটা অংশৰ বিত্তীয় স্থায়িত্ব বা জমাৰ-হিচাপত-ধাৰ বিপদাপন্ন হৈ পৰা অৱস্থা এটাই দেখা দিছে, তেনেহ'লে তেওঁ সেই সম্পৰ্কে উদ্‌ঘোষণাৰ দ্বাৰা ঘোষিত কৰিব পাৰে।

[৪][(২) দফা (১)-ৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণা –

(ক) পৰৱৰ্তী উদ্‌ঘোষণাৰ দ্বাৰা বাতিল বা পৰিৱৰ্তিত কৰিব পাৰিব;

(খ) সংসদৰ প্ৰত্যেক সদনত উপস্থাপিত কৰিব লাগিব;

---

[১] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪০-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৩-ৰ দ্বাৰা সংযোজিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৫৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৮-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৩০-৩-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সেই অধিনিয়ম আৰম্ভ হোৱাৰ দুবছৰৰ সময়কাল শেষ হোৱাৰ পিছত, অৰ্থাৎ ৩০ মাৰ্চ, ১৯৮৮-ৰ পৰা প্ৰযোজ্য হোৱা বন্ধ হৈছে।

[৪] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪১-ৰ দ্বাৰা দফা (২)-ৰ সলনি প্ৰতিস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(গ) দুমাহকাল অতিবাহিত হোৱাৰ লগে লগে প্ৰৱৰ্তন বন্ধ হ'ব, যদিহে সেই সময়কাল অতিবাহিত হোৱাৰ পূৰ্বে সংসদৰ উভয় সদনৰ প্ৰস্তাৱৰ দ্বাৰা তাক অনুমোদন কৰা নহয়:

কিন্তু যদি এনে কোনো উদ্‌ঘোষণা এনে সময়ত জাৰি কৰা হয় যি সময়ত লোকসভা ভংগ হৈ থাকে, বা উপদফা (গ)-ত নিৰ্দেশিত দুমাহ কালৰ ভিতৰত লোকসভা ভংগ হয়, আৰু যদি ৰাজ্যসভাৰ দ্বাৰা এনে উদ্‌ঘোষণা অনুমোদন কৰি কোনো প্ৰস্তাৱ পাৰিত হয়, কিন্তু সেই কালছোৱা অতিবাহিত হোৱাৰ পূৰ্বে লোকসভাৰ দ্বাৰা এনে উদ্‌ঘোষণাৰ সম্পৰ্কত কোনো প্ৰস্তাৱ পাৰিত নহয়, তেনেহ'লে পুনৰ্গঠিত লোকসভাৰ প্ৰথম বৈঠক বহা তাৰিখৰ পৰা ত্ৰিশ দিনৰ অৱসানত উদ্‌ঘোষণাটো কাৰ্য্যকৰী নোহোৱা হ'ব যদিহে উক্ত ত্ৰিশ দিনৰ সময়কাল অৱসানৰ পূৰ্বে লোকসভাৰ দ্বাৰাও উদ্‌ঘোষণাটো অনুমোদন কৰি কোনো প্ৰস্তাৱ পাৰিত নহয়।]

(৩) দফা (১)-ত উল্লেখ কৰা ধৰণৰ কোনো উদ্‌ঘোষণা চলি থকা কালছোৱাত নিৰ্দেশাৱলীত নিৰ্দিষ্ট কৰি দিয়া কোনো বিত্তীয় ঔচিত্য সম্পৰ্কীয় বিধান মানি চলিবলৈ কোনো ৰাজ্যক নিৰ্দেশ দিয়ালৈকে আৰু সেই উদ্দেশ্যৰ কাৰণে ৰাষ্ট্ৰপতিয়ে আৱশ্যকীয় আৰু সমুচিত বুলি ভবা মতে আন কোনো নিৰ্দেশ দিয়ালৈকে সংঘৰ কাৰ্য্যপালিকা ক্ষমতা বিস্তাৰিত হ'ব।

(৪) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় -

(ক) এনে কোনো নিৰ্দেশনাত এইসমূহ অন্তৰ্ভুক্ত হৈ থাকিব পাৰে –

(i) কোনো ৰাজ্যৰ বিষয়ৰ লগত জড়িত থকা ক্ষেত্ৰত সেৱা আগবঢ়োৱা সকলো বা যিকোনো শ্ৰেণীৰ ব্যক্তিৰ বেতন আৰু ভাট্টা হ্ৰাস কৰিবলৈ বিচৰা কোনো উপবন্ধ;

(ii) অনুচ্ছেদ ২০৭-ৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা সকলো ধন-সম্পৰ্কীয় বিধেয়ক বা আন বিধেয়ক সেই ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা পাৰিত হোৱাৰ পিচত সেইবোৰ ৰাষ্ট্ৰপতিৰ বিচাৰৰ কাৰণে সংৰক্ষিত কৰি ৰাখিবৰ বাবে কোনো উপবন্ধ;

(খ) এই অনুচ্ছেদৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণা চলি থকাৰ কালছোৱাৰ ভিতৰত উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলকে ধৰি সংঘৰ বিষয়ৰ লগত জড়িত থকা ক্ষেত্ৰত সেৱা আগবঢ়োৱা সকলো বা কোনো শ্ৰেণীৰ ব্যক্তিৰ বেতন আৰু ভাট্টা হ্ৰাস কৰিবলৈ নিৰ্দেশনা জাৰি কৰিবৰ কাৰণে ৰাষ্ট্ৰপতি ক্ষমতাসম্পন্ন হ'ব।

[১][(৫) * * * * * ]

[১] সংবিধান (৩৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৮-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰে পৰা প্ৰযোজ্য হোৱাকৈ) আৰু সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪১-ৰ দ্বাৰা বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ঊনবিংশ অংশ

## বিবিধ

**৩৬১। ৰাষ্ট্ৰপতি, ৰাজ্যপাল আৰু ৰাজপ্ৰমুখৰ সুৰক্ষা** - (১) ৰাষ্ট্ৰপতি, বা কোনো ৰাজ্যৰ ৰাজ্যপাল বা ৰাজ-প্ৰমুখ তেওঁ পদৰ ক্ষমতাৰ প্ৰয়োগ আৰু কৰ্তব্য পালন কৰা কাৰণে বা সেইবোৰ ক্ষমতাৰ প্ৰয়োগ আৰু কৰ্তব্য পালন কৰোতে তেওঁ কৰা বা কৰা বুলি ধৰা কোনো কাৰ্য্যৰ কাৰণে কোনো ন্যায়ালয়ৰ ওচৰত উত্তৰ দিবলগীয়া নহ'ব:

কিন্তু, অনুচ্ছেদ ৬১-ৰ অধীনত অনা অভিযোগ সম্পৰ্কে অনুসন্ধান কৰিবলৈ সংসদৰ যিকোনো এখন সদনৰ দ্বাৰা নিযুক্ত বা মনোনীত কোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা নিকায়ে ৰাষ্ট্ৰপতিৰ আচৰণ সমীক্ষা কৰিব পাৰিব:

অধিকন্তু, ভাৰত চৰকাৰ বা কোনো ৰাজ্যৰ চৰকাৰৰ বিৰুদ্ধে যথোচিত কাৰ্য্যক্ৰমণিকা আনিবৰ বাবে থকা কোনো ব্যক্তিৰ অধিকাৰৰ ওপৰত এই দফাৰ কোনো কথাই প্ৰতিবন্ধকতা আৰোপ কৰা বুলি অৰ্থ কৰা নহ'ব।

(২) ৰাষ্ট্ৰপতি বা কোনো ৰাজ্যৰ ৰাজ্যপালৰ [১]*** বিৰুদ্ধে তেওঁৰ কাৰ্য্যকালৰ ভিতৰত কোনো ন্যায়ালয়তে কোনো ধৰণৰ অপৰাধমূলক কাৰ্যক্ৰমণিকা ৰুজু কৰিব বা চলাব নোৱাৰিব।

(৩) ৰাষ্ট্ৰপতি বা কোনো ৰাজ্যৰ ৰাজ্যপালক [১]*** তেওঁলোকৰ কাৰ্য্যকালৰ ভিতৰত গ্ৰেপ্তাৰ কৰিবলৈ বা কাৰাদণ্ড দিবলৈ কোনো ন্যায়ালয়ে কোনো আদেশ জাৰি কৰিব নোৱাৰিব।

(৪) ৰাষ্ট্ৰপতি হিচাপে বা কোনো ৰাজ্যৰ ৰাজ্যপাল [১]*** হিচাপে পদত অধিষ্ঠিত হোৱাৰ আগতে বা পিচত তেওঁৰ ব্যক্তিগত সামৰ্থ্যৰে কৰা বা কৰাৰ অভিপ্ৰায় থকাৰ সম্পৰ্কত ৰাষ্ট্ৰপতি বা কোনো ৰাজ্যৰ ৰাজ্যপালৰ [১]*** বিৰুদ্ধে প্ৰতিকাৰ দাবী কৰা কোনো দেৱানী কাৰ্যক্ৰমণিকা তেওঁৰ কাৰ্য্যকালৰ ভিতৰত কোনো ন্যায়ালয়তে ৰুজু কৰিব নোৱাৰিব, যেতিয়ালৈকে সেই কাৰ্যক্ৰমণিকাৰ স্বৰূপ, তেনে বিবাদৰ হেতু যাৰ দ্বাৰা তেনে কাৰ্যক্ৰমণিকা আনিব খোজা হয়, তেনে পক্ষৰ নাম, বিৱৰণ আৰু বাসস্থান আৰু তেওঁ দাবী কৰা প্ৰতিকাৰ সম্পৰ্কে বৰ্ণাই লিখিত সূচনা ৰাষ্ট্ৰপতি বা ৰাজ্যপালক [১]***, যিয়েই প্ৰযোজ্য, দিয়াৰ পৰা বা তেওঁৰ কাৰ্যালয়ত প্ৰদান কৰাৰ পৰা দুমাহ সময়কাল অতিবাহিত হৈ নাযায়।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ, যিটোৱেই প্ৰযোজ্য" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][**৩৬১ক৷ সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলৰ কাৰ্য্যক্ৰমণিকা প্ৰকাশনত সুৰক্ষা** - (১) সংসদৰ যিকোনো এখন সদন বা বিধানসভা অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ, যিটোৱেই প্ৰযোজ্য, যিকোনো সদনৰ কাৰ্য্যক্ৰমণিকাৰ মূলতঃ সত্য বিৰৰণী কোনো বাতৰিকাকতত প্ৰকাশ কৰাৰ সম্পৰ্কত কোনো ব্যক্তি কোনো ন্যায়ালয়ত দেৱানী বা ফৌজদাৰী কাৰ্য্যক্ৰমণিকাৰ বাবে দায়ী নহ'ব, যদিহে সেই প্ৰকাশন বিদ্বেষপূৰ্ণভাৱে কৰা বুলি প্ৰমাণিত নহয়:

কিন্তু এই দফাৰ কোনো কথাই সংসদৰ যিকোনো এখন সদন বা বিধানসভা অথবা কোনো ৰাজ্যৰ বিধানমণ্ডলৰ, যিটোৱেই প্ৰযোজ্য, যিকোনো সদনৰ গোপন বৈঠকৰ কাৰ্য্যক্ৰমণিকাৰ বিৰৰণী প্ৰকাশৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব।

(২) কোনো বাতৰিকাকতত প্ৰকাশিত বিৰৰণী বা বিষয়ৰ সম্পৰ্কত দফা (১) যিদৰে প্ৰয়োগ হ'ব, কোনো প্ৰচাৰণ কেন্দ্ৰৰ মাধ্যমেৰে কোনো কাৰ্য্যক্ৰম বা সেৱাৰ অংশ হিচাপে বেতাঁৰ টেলিগ্ৰাফৰ দ্বাৰা প্ৰচাৰিত বিৰৰণী বা বিষয়ৰ সম্পৰ্কতো ই একেদৰেই প্ৰয়োগ হ'ব।

*ব্যাখ্যা* – এই অনুচ্ছেদত "বাতৰিকাকত" শব্দত কোনো বাতৰিকাকতত প্ৰকাশৰ বাবে সামগ্ৰী থকা এটা বাতৰি সংস্থাৰ প্ৰতিবেদনো অন্তৰ্ভুক্ত কৰা হৈছে।]

[2][**৩৬১খ৷ মাননীপ্ৰাপ্ত ৰাজনৈতিক পদবীত নিয়োগৰ ক্ষেত্ৰত অৰ্হতাহীনতা** - কোনো ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত যি কোনো সদনৰ কোনো সদস্যক যদি দশম অনুসূচীৰ পেৰেগ্ৰাফ ২-ৰ অধীনত অৰ্হতাহীন ঘোষণা কৰা হৈছে, তেনেহ'লে তেওঁ অৰ্হতাহীন হোৱা দিনৰ পৰা আৰম্ভ কৰি সদস্য হিচাপে কাৰ্যকাল শেষ হোৱা দিনলৈ বা এনে কাৰ্যকাল শেষ হোৱাৰ আগতে যদি যিকোনো সদনৰ নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰে, তেন্তে তেওঁ নিৰ্বাচিত হোৱা বুলি ঘোষিত হোৱা দিনলৈ, যিটোৱেই আগতে হয়, মাননীপ্ৰাপ্ত ৰাজনৈতিক পদবীত নিয়োগৰ বাবে অৰ্হতাহীন হ'ব।

*ব্যাখ্যা* - এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে, —

(ক) "সদন" শব্দটোৱে দশম অনুসূচীৰ পেৰেগ্ৰাফ ১-ৰ দফা (ক)-ত দিয়া অৰ্থ বুজাব।

(খ) "মাননীপ্ৰাপ্ত ৰাজনৈতিক পদবী" শব্দটোৱে এনে কোনো পদবী বুজাব, যিটো —

(i) ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ অধীনস্থ, য'ত সেই পদবীৰ বাবে বেতন বা পাৰিতোষিক, ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ চৰকাৰী ৰাজহৰ পৰা, যিটোৱেই প্ৰযোজ্য, প্ৰদান কৰা হয়; অথবা

---

[1] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪২-ৰ দ্বাৰা অনুচ্ছেদ ৩৬১ক অন্তঃস্থাপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৪-ৰ দ্বাৰা অনুচ্ছেদ ৩৬১খ অন্তঃস্থাপিত (১-১-২০০৪–ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ii) ক্ষতিপূৰণৰ ৰূপত প্ৰদান কৰা বেতন বা পাৰিতোষিকৰ বাহিৰে ভাৰত চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা সম্পূৰ্ণৰূপে বা আংশিকভাৱে মালিকানাধীন, পঞ্জীভুক্ত কৰা বা নকৰা কোনো সংস্থাৰ অধীনস্থ, আৰু এনে পদবীৰ বেতন বা পাৰিতোষিক সেই সংস্থাই প্ৰদান কৰে।]

**৩৬২।** [*দেশীয় ৰাজ্যসমূহৰ শাসকসকলৰ অধিকাৰ আৰু বিশেষাধিকাৰসমূহ*] সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ২-ৰ দ্বাৰা বিলোপিত (২৮-১২-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩৬৩। কিছুমান সন্ধি, চুক্তি আদিৰ পৰা উদ্ভৱ হোৱা বিবাদৰ সম্পৰ্কত ন্যায়ালয়ৰ হস্তক্ষেপৰ ওপৰত বাধা আৰোপ** - (১) এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে কোনো ভাৰতীয় ৰাজ্যৰ কোনো শাসকৰ দ্বাৰা কৰা হোৱা বা সম্পাদিত আৰু ভাৰত ডমিনিয়নৰ চৰকাৰ বা ইয়াৰ কোনো পূৰ্ববৰ্তী চৰকাৰ পক্ষ হিচাপে থকা আৰু এনে আৰম্ভণিৰ পিচত প্ৰৱৰ্তিত হৈ থকা কোনো সন্ধি, চুক্তি, প্ৰসংবিদা, বচনপত্ৰ, চনদ বা এনে ধৰণৰ আন দলিলৰ কোনো উপবন্ধৰ পৰা উদ্ভূত কোনো বিবাদ বিষয়ত, বা এনে কোনো সন্ধি, চুক্তি, প্ৰসংবিদা, বচনপত্ৰ, চনদ বা এনে ধৰণৰ আন দলিলৰ সম্পৰ্কে এই সংবিধানত দিয়া কোনো উপবন্ধৰ পৰা উদ্ভূত কোনো অধিকাৰ বা তাৰ পৰা উদ্ভূত কোনো দায়িত্ব বা বাধ্যবাধকতা সম্পৰ্কীয় কোনো বিবাদৰ বিষয়ত এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, অনুচ্ছেদ ১৪৩-ৰ উপবন্ধাৱলী সাপেক্ষে, উচ্চতম ন্যায়ালয় নাইবা আন কোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ নাথাকিব।

(২) এই অনুচ্ছেদত –

(ক) "ভাৰতীয় ৰাজ্য"-ৰ অৰ্থ হৈছে – এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে মহামান্য বা ভাৰত ডমিনিয়নৰ চৰকাৰৰ দ্বাৰা এনে এখন ৰাজ্য হিচাপে স্বীকৃত কোনো ৰাজ্যক্ষেত্ৰ; আৰু

(খ) "শাসক" শব্দই এনে আৰম্ভণিৰ পূৰ্বে কোনো ভাৰতীয় ৰাজ্যৰ শাসক হিচাপে মহামান্য বা ভাৰত ডমিনিয়নৰ চৰকাৰৰ দ্বাৰা এনে স্বীকৃত ৰাজকোঁৱৰ, প্ৰমুখ বা আন ব্যক্তিকো অন্তৰ্ভুক্ত কৰিছে।

[১][**৩৬৩ক। ভাৰতীয় ৰাজ্যৰ শাসকসকলৰ প্ৰতি প্ৰদত্ত মান্যতাৰ অন্ত আৰু ৰাজকীয় ভাট্টাৰ বিলোপ** - এই সংবিধান অথবা সেই সময়ত বলবৎ থকা যিকোনো বিধিত যি কথাই উল্লেখ নাথাকক কিয়, –

(ক) সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ আৰম্ভণিৰ পূৰ্বে যিকোনো সময়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা কোনো ভাৰতীয় ৰাজ্যৰ শাসক বুলি স্বীকৃত ৰাজকোঁৱৰ, ৰাজপ্ৰমুখ বা অন্য ব্যক্তি, অথবা তেনে আৰম্ভণিৰ পূৰ্বে যিকোনো সময়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা তেনে শাসকৰ উত্তৰাধিকাৰী বুলি স্বীকৃত কোনো ব্যক্তি, তেনে আৰম্ভণিৰ পৰা তেনে শাসক বা তেনে শাসকৰ উত্তৰাধিকাৰী বুলি স্বীকৃত নোহোৱা হ'ব;

---

[১] সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৬৩ক অন্তঃস্থাপিত (২৮-১২-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ আৰম্ভণিৰ পৰা ৰাজকীয় ভাট্টা বিলোপ কৰা হৈছে, আৰু ৰাজকীয় ভাট্টা সম্পৰ্কীয় সকলো অধিকাৰ, দায়িত্ব আৰু বাধ্যবাধ্যকতা বিলুপ্ত কৰা হৈছে আৰু সেই অনুসৰি দফা (ক)-ত নিৰ্দেশিত শাসক বা তেনে শাসকৰ উত্তৰাধিকাৰীক, যিটোৱেই প্ৰযোজ্য, বা অন্য কোনো ব্যক্তিক ৰাজকীয় ভাট্টা হিচাপে কোনো ধন পৰিশোধ কৰা নহ'ব।]

**৩৬৪। প্ৰধান বন্দৰ আৰু বিমানকোঠ সম্পৰ্কে বিশেষ উপবন্ধাৱলী** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে সেই অধিসূচনাত যথা সুনিৰ্দিষ্ট তাৰিখৰ পৰা –

(ক) সংসদ বা কোনো ৰাজ্যৰ বিধানমণ্ডলে প্ৰণয়ন কৰা কোনো বিধি কোনো প্ৰধান বন্দৰ বা বিমানকোঠত প্ৰয়োগ নহ'ব বা সেই অধিসূচনাত যথা সুনিৰ্দিষ্ট কৰি দিয়া তেনে কোনো ব্যতিক্ৰম বা পৰিৱৰ্তনৰ অধীনত সেইবোৰত প্ৰয়োগ হ'ব, বা

(খ) সেই তাৰিখৰ আগতে কৰা বা কৰিবলৈ বাদ দিয়া বিষয়বোৰৰ বাহিৰে আনবোৰ বিষয়ৰ সম্পৰ্কত কোনো প্ৰধান বন্দৰ বা বিমানকোঠত যিকোনো চলিত বিধিৰ প্ৰভাৱ নোহোৱা হ'ব বা সেই অধিসূচনাত যথা সুনিৰ্দিষ্ট কৰি দিয়া তেনে কোনো ব্যতিক্ৰম বা পৰিৱৰ্তনৰ অধীনত এনে বন্দৰ বা বিমানকোঠত ইয়াৰ প্ৰভাৱ থাকিব।

(২) এই অনুচ্ছেদত –

(ক) "প্ৰধান বন্দৰ" বুলিলে সংসদৰ কোনো বিধি বা কোনো চলিত বিধিৰ দ্বাৰা প্ৰধান বন্দৰ বুলি ঘোষিত বন্দৰক বুজাব আৰু এনে বন্দৰৰ সীমাৰ ভিতৰত সেইসময়ত অন্তৰ্ভুক্ত হৈ থকা সকলো ক্ষেত্ৰ ইয়াৰ অন্তৰ্ভুক্ত হ'ব;

(খ) "বিমানকোঠ" বুলিলে বায়ুপথ, বিমান আৰু বিমান পৰিবহন সম্পৰ্কীয় অধিনিয়মৰ প্ৰয়োজনসমূহৰ কাৰণে সংজ্ঞায়িত বিমানকোঠকে বুজাব।

**৩৬৫। সংঘই দিয়া নিৰ্দেশনাৱলী পালন কৰিবলৈ বা কাৰ্য্যকৰী কৰিবলৈ ব্যৰ্থ হোৱাৰ ফল** - এই সংবিধানৰ কোনো উপবন্ধৰ অধীনত সংঘৰ কাৰ্য্যপালিকা ক্ষমতা প্ৰয়োগ কৰি দিয়া কোনো নিৰ্দেশ পালন বা কাৰ্য্যকৰী কৰিবলৈ কোনো ৰাজ্য ব্যৰ্থ হ'লে, এই সংবিধানৰ উপবন্ধাৱলী অনুসৰি সেই ৰাজ্যৰ চৰকাৰ চলিব নোৱাৰা অৱস্থা এটাই দেখা দিছে বুলি ধাৰণা কৰাটো ৰাষ্ট্ৰপতিৰ বাবে বিধি-সংগত হ'ব।

**৩৬৬। সংজ্ঞা** - প্ৰসংগক্ৰমে অন্যথা আৱশ্যকীয় নহ'লে, এই সংবিধানত নিম্নোক্ত অভিব্যক্তিসমূহৰ অৰ্থ যথাক্ৰমে ইয়াৰ দ্বাৰা নিৰ্দিষ্ট কৰা অনুসৰি হ'ব, অৰ্থাৎ -

(১) "কৃষি-আয়" শব্দই ভাৰতীয় আয়-কৰ সম্পৰ্কীয় অধিনিয়মৰ প্ৰয়োজনসমূহৰ কাৰণে সংজ্ঞায়িত কৃষি আয়ক বুজাব;

(২) “এংলো-ইণ্ডিয়ান” শব্দই এনে ব্যক্তিক বুজাব যাৰ পিতৃ বা পুৰুষৰ ঠালৰ কোনোবা এজন পূৰ্বপুৰুষ ইউৰোপীয় বংশোদ্ভৱ হয় বা আছিল, কিন্তু যি ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত অধিবাসী হৈছে আৰু যি এনে ৰাজ্যক্ষেত্ৰৰ ভিতৰত এনে মাক-বাপেকৰ পৰা জন্ম হয় বা হৈছিল, যি সাধাৰণতে তাৰ নিবাসী, আৰু কেৱল অস্থায়ী উদ্দেশ্যৰ বাবে তাত সংস্থাপিত হোৱা নাই;

(৩) “অনুচ্ছেদ” মানে এই সংবিধানৰ কোনো অনুচ্ছেদ;

(৪) “ধাৰ লোৱা” শব্দই বাৰ্ষিক অনুদানৰ দ্বাৰা ধন লোৱাটোও অন্তৰ্ভুক্ত কৰিব আৰু “ঋণ”ৰ অৰ্থ সেই অনুসৰি হ’ব:

[১][(৪ক)* * * * ]

(৫) “দফা”ৰ অৰ্থ হৈছে অনুচ্ছেদৰ এটা দফা য’ত ই অভিব্যক্ত হয়;

(৬) “নিগম কৰ” মানে আয়ৰ ওপৰত লগোৱা যিকোনো কৰ, যেতিয়া সেই কৰ কোম্পানীসমূহৰ দ্বাৰা দেয় হয় আৰু যি কৰৰ সম্পৰ্কত নিম্নলিখিত চৰ্তসমূহ পূৰণ হয়:

(ক) যদি কৃষি আয়ৰ সম্পৰ্কত ইয়াক লগাব নোৱাৰি;

(খ) যদি কোম্পানীসমূহে পৰিশোধ কৰা কৰৰ সম্পৰ্কত সেই কৰৰ সম্পৰ্কত প্ৰযোজ্য হ’ব পৰা কোনো অধিনিয়মৰ দ্বাৰা কোম্পানীয়ে ব্যক্তিসমূহক পৰিশোধ কৰিবলগীয়া লাভাংশৰ পৰা কোনো কৰ্তন কৰিবলৈ প্ৰাধিকাৰ নিদিয়ে;

(গ) যদি ভাৰতীয় আয়কৰৰ প্ৰয়োজনৰ বাবে এনে লাভাংশ পোৱা ব্যক্তিসমূহৰ মুঠ আয়ৰ গণনা কৰোতে নাইবা এনে ব্যক্তিসমূহে পৰিশোধ কৰিবলগীয়া বা ঘূৰাই পাবলগীয়া ভাৰতীয় আয়কৰৰ গণনা কৰোতে তেনেভাবে পৰিশোধ কৰা কৰৰ গণনা কৰাৰ কোনো উপবন্ধ নেথাকে;

(৭) “পৰিপূৰক প্ৰদেশ”, “পৰিপূৰক ভাৰতীয় ৰাজ্য” বা “পৰিপূৰক ৰাজ্য”-ৰ অৰ্থ সম্পৰ্কে সন্দেহৰ ক্ষেত্ৰত প্ৰশ্ন জড়িত কোনো বিশেষ প্ৰয়োজনৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা পৰিপূৰক প্ৰদেশ, পৰিপূৰক ভাৰতীয় ৰাজ্য বা পৰিপূৰক ৰাজ্য বুলি নিৰ্ধাৰিত তেনে কোনো প্ৰদেশ; ভাৰতীয় ৰাজ্য বা ৰাজ্যক, যিটোৱেই প্ৰযোজ্য, বুজাব;

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৪-ৰ দ্বাৰা দফা (৪ক) অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পৰৱৰ্তীকালত সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ১১-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৮) বাৰ্ষিকী হিচাপে মূলধন পৰিশোধ কৰিবলগীয়া কোনো বাধ্যবাধকতাৰ সম্পৰ্কত থকা কোনো দায়িত্ব আৰু কোনো নিশ্চিতি-প্ৰদানৰ অধীনত থকা কোনো দায়িত্ব 'ঋণ''ৰ অন্তৰ্ভুক্ত হ'ব আৰু 'ঋণ ভাৰ''ৰ অৰ্থ সেই অনুসৰি কৰা হ'ব;

(৯) ''সম্পদ-শুল্ক'' মানে মৃত্যুৰ পিছত হস্তান্তৰিত হোৱা বা সংসদৰ দ্বাৰা বা কোনো ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা সেই শুল্কৰ সম্পৰ্কত প্ৰণীত বিধিৰ উপবন্ধৰ অধীনত হস্তান্তৰিত বুলি গণ্য কৰা সকলো সম্পত্তিৰ, সেই বিধিৰ দ্বাৰা বা অধীনত যথা বিহিত কৰা নিয়মাৱলী অনুসৰি নিশ্চিত, মূল মূল্যৰ ওপৰত বা তাৰ প্ৰসংগত আৰোপিত কোনো শুল্ক;

(১০) ''বিদ্যমান বিধি'' মানে এনে বিধি, অধ্যাদেশ, আদেশ, উপবিধি, নিয়ম বা বিনিয়ম যিবিলাক এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে এনে বিধি, অধ্যাদেশ, আদেশ, উপবিধি, নিয়ম বা বিনিয়ম প্ৰস্তুত কৰিবলৈ ক্ষমতাসম্পন্ন কোনো বিধানমণ্ডল, প্ৰাধিকাৰী বা ব্যক্তিৰ দ্বাৰা পাৰিত বা প্ৰণীত হৈছিল;

(১১) ''যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়'' মানে ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫-ৰ অধীনত গঠিত যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়;

(১২) ''সামগ্ৰী'' শব্দই সকলো পদাৰ্থ, পণ্য আৰু দ্ৰব্য অন্তৰ্ভুক্ত কৰিছে;

[১][(১২ক) ''সামগ্ৰী আৰু সেৱা কৰ'' বুলিলে মানৱ ভোগ্য সুৰা-জাতীয় পানীয়ৰ যোগানত আৰোপিত কৰৰ বাহিৰে সামগ্ৰী, বা সেৱা বা উভয়ৰ যোগানত আৰোপিত কৰক বুজায়।

(১৩) ''নিশ্চিতি-প্ৰদান'' পদে এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে কোনো উদ্যোগৰ লাভ সুনিৰ্দ্দিষ্ট পৰিমাণতকৈ কম হ'লে পৰিশোধ কৰাৰ বাধ্যবাধকতাকো অন্তৰ্ভুক্ত কৰিছে;

(১৪) ''উচ্চ ন্যায়ালয়'' মানে এই সংবিধানৰ প্ৰয়োজনসমূহৰ বাবে কোনো ৰাজ্যৰ কাৰণে উচ্চ ন্যায়ালয় বুলি গণ্য কৰা কোনো ন্যায়ালয়, আৰু ইয়াৰ অন্তৰ্ভুক্ত হৈছে –

(ক) ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰত এই সংবিধানৰ অধীনত উচ্চ ন্যায়ালয় হিচাপে গঠিত বা পুনৰ্গঠিত কোনো ন্যায়ালয়, আৰু

(খ) এই সংবিধানৰ সকলোবোৰ বা যিকোনো এটা প্ৰয়োজনৰ কাৰণে সংসদে বিধিৰ দ্বাৰা উচ্চ ন্যায়ালয় হিচাপে ঘোষণা কৰা ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ আন কোনো ন্যায়ালয়।

(১৫) ''ভাৰতীয় ৰাজ্য'' মানে এখন ৰাজ্য হিচাপে ভাৰত ডমিনিয়ন চৰকাৰে স্বীকৃতি দিয়া কোনো ৰাজ্যক্ষেত্ৰ;

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৪(i)-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(১৬) “অংশ” মানে এই সংবিধানৰ কোনো এটা অংশ;

(১৭) “অৱসৰ বেতন” মানে কোনো ব্যক্তিক বা ব্যক্তিৰ সম্পৰ্কত পৰিশোধ কৰিবলগীয়া, পাৰিতোষিকমূলক হোৱা বা নোহোৱা, যিকোনো ধৰণৰ অৱসৰ বেতন আৰু এনেভাবে পৰিশোধ কৰিবলগীয়া হোৱা অৱসৰ বেতন, এনেভাবে পৰিশোধ কৰিবলগীয়া কৰ প্ৰবিবৰণ আৰু সুদসহ বা সুদহীনভাৱে অথবা তাৰ লগত আন কোনো ওপৰঞ্চি ধনসহ বা অবিহনে কোনো ভবিষ্যনিধিৰ বৰঙণি ঘূৰাই দিয়া ৰূপে পৰিশোধ কৰিবলগীয়া কোনো ধনৰাশি বা ৰাশিসমূহো ইয়াৰ অন্তৰ্ভুক্ত হ’ব।

(১৮) “জৰুৰীকালীন উদ্‌ঘোষণা” মানে অনুচ্ছেদ ৩৫২-ৰ দফা (১)-ৰ অধীনত জাৰি কৰা কোনো উদ্‌ঘোষণা।

(১৯) “ৰাজহুৱা অধিসূচনা” মানে ভাৰতৰ ৰাজপত্ৰত বা কোনো ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰত, যিটোৱেই প্ৰযোজ্য, দিয়া অধিসূচনা।

(২০) “ৰেলৱে” শব্দই –

(ক) সম্পূৰ্ণভাৱে কোনো পৌৰ-ক্ষেত্ৰৰ ভিতৰত থকা ট্ৰামৱে, বা

(খ) সম্পূৰ্ণভাৱে কোনো ৰাজ্যৰ ভিতৰত অৱস্থিত আৰু সংসদে বিধিৰ দ্বাৰা ৰেলৱে নহয় বুলি ঘোষণা কৰা আন কোনো যোগাযোগ পথ,

অন্তৰ্গত নকৰে;

[১][(২১) * * * *]

[২][(২২) “শাসক” মানে সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ আৰম্ভণিৰ পূৰ্বে যিকোনো সময়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা কোনো ভাৰতীয় ৰাজ্যৰ শাসক বুলি স্বীকৃত ৰাজকোঁৱৰ, প্ৰমুখ বা অন্য ব্যক্তিক অথবা তেনে আৰম্ভণিৰ পূৰ্বে যিকোনো সময়ত ৰাষ্ট্ৰপতিৰ দ্বাৰা তেনে শাসকৰ উত্তৰাধিকাৰী বুলি স্বীকৃত কোনো ব্যক্তিক বুজাব;]

(২৩) “অনুসূচী” হ’ল এই সংবিধানৰ কোনো অনুসূচী;

(২৪) “অনুসূচিত জাতি” শব্দই এই সংবিধানৰ প্ৰয়োজনসমূহৰ কাৰণে অনুচ্ছেদ ৩৪১-ৰ অধীনত অনুসূচিত জাতি হিচাপে গণ্য কৰা তেনে জাতি, বৰ্ণ বা জনজাতি অথবা তেনে জাতি, বৰ্ণ বা জনজাতিৰ অংশ বা তাৰ ভিতৰত থকা গোটক বুজাইছে;

(২৫) “অনুসূচিত জনজাতি” শব্দই এই সংবিধানৰ প্ৰয়োজনসমূহৰ কাৰণে অনুচ্ছেদ ৩৪২-ৰ অধীনত অনুসূচিত জনজাতি হিচাপে গণ্য কৰা তেনে জনজাতি বা জনজাতীয় লোকসমাজ অথবা তেনে জনজাতি বা জনজাতীয় লোকসমাজৰ অংশ বা তাৰ ভিতৰত থকা গোটক বুজাইছে;

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা দফা (২১) বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (২৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰতিস্থাপিত (২৮-১২-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২৬) ‘‘প্রতিভূতিসমূহ’’ত নিধিপত্রও অন্তৰ্ভুক্ত হ’ব;

[1]***

[2][(২৬ক) ‘‘সেৱাসমূহ’’ বুলিলে সামগ্ৰী ব্যতিৰেকে আন সকলোকে বুজাব।

(২৬খ) অনুচ্ছেদ ২৪৬ক, ২৬৮, ২৬৯, ২৬৯ক আৰু ২৭৯ক-ৰ ক্ষেত্ৰত ‘‘ৰাজ্য’’-ই বিধানমণ্ডল থকা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক সামৰি ল’ব।

[3][(২৬গ) ‘‘সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীসমূহ’’-এ এনে পিছপৰা শ্ৰেণীসমূহক বুজায় যিসমূহ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ, যিটোৱেই প্ৰযোজ্য, প্ৰয়োজনত অনুচ্ছেদ ৩৪২ক অনুযায়ী সেইধৰণে গণ্য কৰা হ’ব।]

(২৭) ‘‘উপদফা’’ মানে যি দফাত সেই অভিব্যক্তি থাকে সেই দফাৰ উপদফা;

(২৮) সাধাৰণ বা স্থানীয় বা বিশেষ কোনো কৰ বা বাধ্যতামূলক কৰ আৰোপণ কৰাটো ‘‘কৰাৰোপণ’’ শব্দৰ অন্তৰ্ভুক্ত হৈছে আৰু ‘‘কৰ’’ৰ অৰ্থ তদনুসাৰে হ’ব;

(২৯) অতিৰিক্ত লাভ কৰৰ নিচিনা কোনো কৰ ‘‘আয়ৰ ওপৰত কৰ’’ৰ অন্তৰ্ভুক্ত হ’ব;

[4][(২৯ক) ‘‘সামগ্ৰী ক্ৰয় বা বিক্ৰয়ৰ ওপৰত কৰ’’ শব্দসমূহে নিম্নলিখিতসমূহ অন্তৰ্গত কৰিব –

(ক) হস্তান্তৰকৰণৰ ওপৰত কৰ, অন্যথা চুক্তি অনুসৰণ কৰাৰ বাহিৰে, নগদ ধনৰ বাবে যিকোনো সামগ্ৰীত স্বত্ব, বিলম্বিত আদায় বা অন্যান্য মূল্য;

(খ) কোনো কৰ্ম সংবিদা ৰূপায়ণত অন্তৰ্ভুক্ত সামগ্ৰীৰ ওপৰত থকা স্বত্ব (লাগিলে সামগ্ৰী হিচাপেই হওক বা আন কোনো ৰূপতেই হওক) হস্তান্তৰকৰণৰ ওপৰত কৰ;

(গ) কিস্তিত ক্ৰয় বা কিস্তি হিচাপে মূল্য আদায়ৰ অন্য কোনো পদ্ধতিত ক্ৰয় কৰা সামগ্ৰী বিলি কৰাৰ ওপৰত কৰ;

(ঘ) নগদ মূল্য, বিলম্বিত আদায় বা অন্য মূল্যত যিকোনো সামগ্ৰী কোনো প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰাৰ অধিকাৰ (কোনো নিৰ্দিষ্ট কালৰ বাবে হওক বা নহওক) হস্তান্তৰকৰণৰ ওপৰত কৰ;

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৪-ৰ দ্বাৰা দফা (২৬ক) অন্তঃস্থাপিত (১-২-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), আৰু পৰৱৰ্তীকালত সংবিধান (৪৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৭-ৰ ধাৰা ১১-ৰ দ্বাৰা বিলোপিত (১৩-৪-১৯৭৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৪(ii)-ৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১০২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৮-ৰ ধাৰা ৫-ৰ দ্বাৰা দফা (২৬গ) অন্তঃস্থাপিত (১৪-৮-২০১৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পৰৱৰ্তীকালত সংবিধান (১০৫ সংখ্যক সংশোধনী) অধিনিয়ম, ২০২১-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰতিস্থাপিত (১৫-৯-২০২১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৪৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮২-ৰ ধাৰা ৪-ৰ দ্বাৰা দফা (২৯ক) অন্তঃস্থাপিত (২-২-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ঙ) কোনো পঞ্জীয়নহীন সংস্থা বা নিকায়ৰ দ্বাৰা তাৰ কোনো সদস্যক নগদ মূল্য, বিলম্বিত আদায় বা অন্য মূল্যত সামগ্ৰী যোগানৰ ওপৰত কৰ;

(চ) কোনো সেৱা হিচাপে বা তাৰ কোনো অংশ হিচাপে বা আন যিকোনো ৰীতিৰে সামগ্ৰী যোগানৰ ওপৰত কৰ যি সামগ্ৰী খাদ্য বা মানৱ উপভোগৰ আন যিকোনো বস্তু বা পেয় (নিচাযুক্ত হওক বা নহওক) হয় আৰু যেতিয়া তেনে যোগান বা সেৱা নগদ মূল্য, বিলম্বিত আদায় বা আন মূল্যত কৰা হয়;

আৰু যিকোনো সামগ্ৰীৰ তেনে হস্তান্তৰকৰণ, বিলি বা যোগানক এইবুলি গণ্য কৰা হ'ব যে হস্তান্তৰ কৰা, বিলি কৰা বা যোগান ধৰা ব্যক্তিৰ দ্বাৰা তেনে সামগ্ৰী বিক্ৰী কৰা হৈছে আৰু যি ব্যক্তিলৈ তেনে হস্তান্তৰ কৰা, বিলি কৰা বা যোগান ধৰা হয় তেনে ব্যক্তিৰ দ্বাৰা সেই সামগ্ৰী ক্ৰয় কৰা হৈছে।

[১][(৩০) "কেন্দ্ৰীয় শাসিত অঞ্চল" হ'ল প্ৰথম অনুসূচীত সুনিৰ্দিষ্ট যিকোনো কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ভাৰতৰ ৰাষ্ট্ৰক্ষেত্ৰৰ ভিতৰত সমাবিষ্ট কিন্তু সেই অনুসূচীত সুনিৰ্দিষ্ট নোহোৱা আন যিকোনো ৰাষ্ট্ৰক্ষেত্ৰ ইয়াৰ অন্তৰ্গত হ'ব।]

**৩৬৭। নিৰ্বচন** - (১) প্ৰসংগক্ৰমে অন্যভাৱে আপেক্ষিত নহ'লে, অনুচ্ছেদ ৩৭২-ৰ অধীনত সেই বিষয়ে কৰা কোনো অভিযোজন আৰু পৰিৱৰ্তন সাপেক্ষে, ভাৰত ডমিনিয়নৰ বিধানমণ্ডলৰ কোনো অধিনিয়মৰ নিৰ্বচনৰ কাৰণে প্ৰয়োগ হোৱাৰ দৰেই এই সংবিধানৰ নিৰ্বচনৰ কাৰণেও সাধাৰণ দফা অধিনিয়ম, ১৮৯৭ প্ৰয়োগ হ'ব।

(২) সংসদৰ বা সংসদে প্ৰণয়ন কৰা অধিনিয়ম বা বিধি নাইবা [২]*** কোনো ৰাজ্যৰ বিধানমণ্ডলৰ বা বিধানমণ্ডলে প্ৰণয়ন কৰা অধিনিয়ম বা বিধি সম্পৰ্কে এই সংবিধানত কৰা কোনো নিৰ্দেশে ৰাষ্ট্ৰপতিয়ে জাৰি কৰা কোনো অধ্যাদেশ বা কোনো ৰাজ্যপালে [৩]*** জাৰি কৰা কোনো অধ্যাদেশৰ, যিটোৱেই প্ৰযোজ্য, প্ৰতি থকা নিৰ্দেশকো অন্তৰ্ভুক্ত কৰা বুলি অৰ্থ কৰা হ'ব।

(৩) এই সংবিধানৰ প্ৰয়োজনসমূহৰ কাৰণে, "বিদেশী ৰাষ্ট্ৰ"ই ভাৰতৰ বাহিৰে আন কোনো ৰাষ্ট্ৰক বুজাইছে:

কিন্তু, সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধাৱলী সাপেক্ষে, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা[৪] সেই আদেশত যথা সুনিৰ্দিষ্ট তেনে কোনো প্ৰয়োজনসমূহৰ কাৰণে কোনো এখন ৰাষ্ট্ৰক বিদেশী ৰাষ্ট্ৰ ৰূপে ধৰা নহ'ব বুলি ঘোষণা কৰিব পাৰে।

[৫][(৪) * * * *]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা দফা (৩০)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা 'প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ-ত নিৰ্দিষ্ট" এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সাংবিধান (বিদেশী ৰাষ্ট্ৰ হিচাপে ঘোষণা) আদেশ, ১৯৫০ (চি.অ'. ২) চাওক

[৫] সাংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ২০১৯ (চি.অ'. ২৭২)-ৰ দ্বাৰা সংযোজিত (৫-৮-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই চি.অ'.-ৰ পাঠ চাবলৈ পৰিশিষ্ট II চাওক।

# বিংশ অংশ

## সংবিধানৰ সংশোধন

**৩৬৮। [১][সংবিধান সংশোধনৰ বাবে সংসদৰ ক্ষমতা আৰু তাৰ প্ৰক্ৰিয়া]** - [২][(১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, সংসদে ইয়াৰ সংবিধান ক্ষমতা প্ৰয়োগ কৰি এই অনুচ্ছেদত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি সংযোজন, সাল-সলনি বা বাতিলকৰণৰ দ্বাৰা এই সংবিধানৰ যিকোনো উপবন্ধ সংশোধন কৰিব পাৰে।]

[৩][(২)] এই সংবিধান সংশোধনৰ সূত্ৰপাত সংসদৰ যি কোনো এখন সদনত কেৱল সেই প্ৰয়োজনৰ বাবে এক বিধেয়ক উত্থাপনৰ দ্বাৰা কৰিব পাৰি আৰু যেতিয়া প্ৰত্যেক সদনতে সেই সদনৰ মুঠ সদস্য সংখ্যাৰ সংখ্যাধিক্যৰ দ্বাৰা আৰু সেই সদনত উপস্থিত থকা আৰু ভোটদান কৰা সদস্যৰ অন্যূন দুই-তৃতীয়াংশ সংখ্যাধিক্যৰ দ্বাৰা তেনে বিধেয়ক প্ৰত্যেক সদনত পাৰিত হ’ব তেতিয়াই [৪][সেই বিধেয়ক ৰাষ্ট্ৰপতিৰ ওচৰলৈ প্ৰেৰণ কৰা হ’ব আৰু তেওঁ তাত সন্মতি প্ৰদান কৰিব আৰু তেতিয়া] বিধেয়কৰ নিবন্ধন অনুসৰি সংবিধান সংশোধিত হ’ব:

কিন্তু, যদি এনে সংশোধনীয়ে –

(ক) অনুচ্ছেদ ৫৪, অনুচ্ছেদ ৫৫, অনুচ্ছেদ ৭৩, [৫][অনুচ্ছেদ ১৬২, বা অনুচ্ছেদ ২৪১, অথবা ২৭৯ক]; অথবা

(খ) পঞ্চম অংশৰ চতুৰ্থ অধ্যায়, ষষ্ঠ অংশৰ পঞ্চম অধ্যায়, বা একাদশ অংশৰ প্ৰথম অধ্যায়, অথবা

(গ) সপ্তম অনুসূচীৰ সূচীসমূহৰ কোনো এক, অথবা

(ঘ) সংসদত ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব, অথবা

(ঙ) এই অনুচ্ছেদৰ উপবন্ধাৱলীৰ,

---

[১] সংবিধান (২৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৩-ৰ দ্বাৰা “সংবিধান সংশোধনৰ বাবে প্ৰক্ৰিয়া”ৰ সলনি প্ৰতিস্থাপিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৬৮-ক দফা (২) ৰূপে পুনঃক্ৰমাংকিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা প্ৰতিস্থাপিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৫-ৰ দ্বাৰা “অনুচ্ছেদ ১৬২ বা অনুচ্ছেদ ২৪১”-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কোনো পৰিৱৰ্তন কৰিব বিচাৰে, তেনেহ’লে এনে সংশোধনৰ উপবন্ধ কৰা বিধেয়ক ৰাষ্ট্ৰপতিৰ ওচৰত অনুমতিৰ বাবে দাখিল কৰাৰ পূৰ্বে [১]*** ৰাজ্যসমূহৰ অন্যূন আধাসংখ্যকৰ বিধানমণ্ডলৰ দ্বাৰা, সেই বিধানমণ্ডলসমূহত পাৰিত হোৱা সেই মৰ্মে লোৱা সংকল্পৰ দ্বাৰা তেনে সংশোধনীৰ বাবে সমৰ্থন লাগিব।

[২][(৩) অনুচ্ছেদ ১৩-ৰ কোনো কথাই এই অনুচ্ছেদৰ অধীনত প্ৰণয়ন কৰা কোনো সংশোধনীৰ ক্ষেত্ৰত প্ৰয়োগ নহ’ব।]

[৩][(৪) এই অনুচ্ছেদৰ অধীনত [সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৫-ৰ আৰম্ভণিৰ পূৰ্বেই হওক বা পিছতেই হওক] কৃত বা কৃত বুলি অভিপ্ৰায়িত এই সংবিধানৰ কোনো সংশোধনীক (তৃতীয় অংশৰ উপবন্ধাৱলীক অন্তৰ্ভুক্ত কৰি) যিকোনো আধাৰতেই কোনো ন্যায়ালয়ত প্ৰশ্ন কৰিব নোৱাৰিব।]

(৫) সন্দেহ দূৰীকৰণৰ বাবে, ইয়াৰ দ্বাৰা ঘোষণা কৰা হৈছে যে এই অনুচ্ছেদৰ অধীনত এই সংবিধানৰ উপবন্ধাৱলীৰ সংযোজন, সাল-সলনি বা বাতিলকৰণৰ ৰূপত সংশোধন কৰিবলৈ সংসদৰ সংবিধান ক্ষমতাৰ ওপৰত কোনো ধৰণৰ সীমাবদ্ধতা নাথাকিব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “প্ৰথম অনুসূচীৰ অংশ ক আৰু খ-ত নিৰ্দিষ্ট” শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (২৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। এই অংশক উচ্চতম ন্যায়ালয়ে *মিণাৰ্ভা মিলছ লিমিটেড আৰু অন্যান্য বনাম ভাৰত যুক্তৰাষ্ট্ৰ আৰু অন্যান্য* এআইআৰ ১৯৮০ এছচি ১৭৮৯-ত অমান্য ৰূপে ঘোষণা কৰিছে।

# একবিংশ অংশ

## [1][অস্থায়ী, অন্তৰ্কালীন আৰু বিশেষ উপবন্ধাৱলী]

**৩৬৯৷ সমৱৰ্তী সূচীৰ বিষয়বস্তু হিচাপে ধৰি ৰাজ্যসূচীৰ কিছুমান বিষয়ত বিধি প্ৰণয়ন কৰিবলৈ সংসদক প্ৰদান কৰা অস্থায়ী ক্ষমতা** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, এই সংবিধানৰ আৰম্ভণিৰ পৰা পাঁচ বছৰ কালৰ ভিতৰত নিম্নলিখিত বিষয়সমূহৰ সম্পৰ্কত সেই বিষয়সমূহ সমৱৰ্তী সূচীত সূচীবদ্ধ কৰা হৈছে বুলি ধৰি লৈ, সংসদৰ বিধি প্ৰণয়ন কৰাৰ ক্ষমতা থাকিব, যেনে:

(ক) কপাহী আৰু ঊনী কাপোৰ, কেঁচা কপাহ (নেওঠা আৰু বিনা নেওঠা কপাহ সামৰি), কপাহ গুটি, কাগজ (বাতৰিকাকত ছপা কৰা কাগজ সামৰি) খাদ্য-সামগ্ৰী (খাদ্য তেলগুটি আৰু তেল সামৰি), পশুখাদ্য (খলিহৈ আৰু আন আন গাঢ়ীকৃত পদাৰ্থ সামৰি), কয়লা (পোৰা কয়লা আৰু কয়লাজনিত পদাৰ্থ সামৰি), লোহা, তীখা আৰু অভ্ৰৰ কোনো ৰাজ্যৰ ভিতৰত বেপাৰ আৰু বাণিজ্য আৰু তাৰ উৎপাদন, যোগান আৰু বিতৰণ;

(খ) দফা (ক)-ত উল্লিখিত যিকোনো বিষয় সম্বন্ধীয় বিধিৰ বিৰুদ্ধে কৰা অপৰাধ, সেইবিলাকৰ যিকোনো এটাৰ সম্পৰ্কত উচ্চতম ন্যায়ালয়ৰ বাহিৰে সকলো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা আৰু সেই বিষয় বিলাকৰ যিকোনো এটাৰ সম্পৰ্কত ন্যায়ালয়ত লোৱা মাচুলৰ বাহিৰে আন মাচুল;

কিন্তু এই অনুচ্ছেদৰ উপবন্ধাৱলী নথকা হ'লে যি বিধি প্ৰণয়ন কৰিবৰ কাৰণে সংসদ ক্ষমতাসম্পন্ন নহ'লহেঁতেন, সংসদৰ দ্বাৰা প্ৰণীত তেনে যিকোনো বিধি উক্ত কালছোৱাৰ সমাপ্তিৰ লগে লগে, সেই সমাপ্তিৰ পূৰ্বে কৰা হোৱা বা কৰিবলৈ বাদ দিয়া বিষয়সমূহ ব্যতিৰেকে অন্যান্য বিষয়ত, অক্ষমতাৰ মাত্ৰা পৰ্য্যন্ত প্ৰভাৱহীন হ'ব।

---

[1] সংবিধান (১৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ২-ৰ দ্বাৰা "অস্থায়ী আৰু অন্তৰ্কালীন উপবন্ধাৱলী"-ৰ সলনি প্ৰতিস্থাপিত (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(একবিংশ অংশ - অস্থায়ী, অন্তৰ্কালীন আৰু বিশেষ উপবন্ধাৱলী)

**[1] [**৩৭০। জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সম্পৰ্কত অস্থায়ী উপবন্ধাৱলী** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

(ক) জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সম্পৰ্কত অনুচ্ছেদ ২৩৮-ৰ উপবন্ধাৱলী প্ৰয়োগ নহ'ব;

(খ) উক্ত ৰাজ্যৰ কাৰণে বিধি প্ৰণয়ন কৰিবলৈ সংসদৰ ক্ষমতা নিম্নলিখিত বিষয়ত সীমিত হ'ব –

(i) কেন্দ্ৰীয় সূচী আৰু সমৱৰ্তী সূচীত থকা বিষয়সমূহ, যিবোৰ ৰাজ্য চৰকাৰৰ সৈতে হোৱা পৰামৰ্শমৰ্মে ৰাষ্ট্ৰপতিয়ে ভাৰত ডমিনিয়নত ৰাজ্যখনৰ যোগদান নিয়ন্ত্ৰণ কৰা অন্তৰ্ভুক্তিৰ দলিলত উল্লিখিত বিষয়সমূহৰ সৈতে মিল থকা বুলি ঘোষণা কৰে যাৰ সন্দৰ্ভত ডমিনিয়ন বিধানমণ্ডলে সেই ৰাজ্যখনৰ বাবে আইন প্ৰণয়ন কৰিব পাৰে; আৰু

---

** ৰাষ্ট্ৰপতিয়ে সংসদৰ অনুমোদনমৰ্মে অনুচ্ছেদ ৩৭০-ৰ দফা (৩)-এ, য'ত দফা (১) সংযোজন কৰি পঢ়া হয়, প্ৰদান কৰা ক্ষমতাসমূহৰ প্ৰয়োগৰ বিষয়ত ঘোষণা কৰে যে ২০১৯ চনৰ ৬ আগষ্টৰ পৰা অনুচ্ছেদ ৩৭০-ৰ সকলো দফাৰ (তলত উল্লেখ কৰা বিষয়সমূহৰ বাহিৰে) কাৰ্যকাৰিতা নোহোৱা হ'ব -

"কোনো পৰিৱৰ্তন বা ব্যতিক্ৰম নোহোৱাকৈ সময়ে সময়ে সংশোধিত এই সংবিধানৰ সকলো উপবন্ধ, অনুচ্ছেদ ১৫২ বা অনুচ্ছেদ ৩০৮ বা সংবিধানৰ যিকোনো অনুচ্ছেদত থকা বা জম্মু আৰু কাশ্মীৰৰ সংবিধানত থকা কোনো অন্য উপবন্ধ, বা কোনো বিধি, দলিল, ন্যায়নিৰ্ণয়, অধ্যাদেশ, আদেশ, উপবিধি, নিয়ম, বিনিয়ম, অধিসূচনা, অনুচ্ছেদ ৩৬৩-ত উল্লেখ থকা ভাৰত ভূখণ্ডত থকা কোনো বিধিমান্য প্ৰথা বা ব্যৱহাৰ, বা অন্য কোনো দলিল, সন্ধি বা চুক্তি আদিত কোনো বিপৰীতমুখী বিষয় থাকিলেও জম্মু আৰু কাশ্মীৰত প্ৰয়োগ হ'ব।"

পৰিশিষ্ট III চাওক (চি.অ'. ২৭৩)

[1] ভাৰতৰ সংবিধানৰ দফা (৩)-ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ৰাষ্ট্ৰপতিয়ে জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সংবিধান সভাৰ অনুমোদনক্ৰমে ঘোষণা কৰে যে ১৯৫২ চনৰ ১৭ নৱেম্বৰৰ পৰা অনুচ্ছেদ ৩৭০ প্ৰযোজ্য হ'ব। উল্লিখিত অনুচ্ছেদ ৩৭০-ৰ পৰিৱৰ্তনৰ দ্বাৰা কাৰ্যকৰী হ'ব, যিটো দফা (১)-ত ব্যাখ্যা কৰা হৈছে। সেইমৰ্মে তলত উল্লেখ কৰা *ব্যাখ্যা* প্ৰতিস্থাপিত হ'ব, যেনে -

"*ব্যাখ্যা* - এই অনুচ্ছেদৰ উদ্দেশ্যে, ৰাজ্যখনৰ চৰকাৰ মানে ৰাজ্যৰ বিধানসভাৰ দ্বাৰা অনুমোদিত ৰাষ্ট্ৰপতিৰ দ্বাৰা নিৰ্দিষ্ট সময়ৰ বাবে জম্মু আৰু কাশ্মীৰৰ *সদৰ-ই-ৰিয়াচত হিচাপে স্বীকৃত ব্যক্তিক বুজাব, যি ৰাজ্যৰ মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰি কাৰ্য কৰিব।"

(চি.অ'. ৪৪, তাৰিখ ১৫ নৱেম্বৰ, ১৯৫২)

*বৰ্তমান "ৰাজ্যপাল"।

(ii) উক্ত সূচীৰ যিবিলাক এনে আন আন বিষয় ৰাজ্যখনৰ চৰকাৰৰ সৈতে সন্মতিমৰ্মে ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা সংসদৰ ক্ষমতা সুনিৰ্দিষ্ট কৰিব পাৰে।

*ব্যাখ্যা* – এই অনুচ্ছেদৰ প্ৰয়োজনৰ বাবে, ৰাজ্যখনৰ চৰকাৰ বুলিলে সেই ব্যক্তিগৰাকীক বুজোৱা হয় যি জম্মু আৰু কাশ্মীৰৰ মহাৰাজা হিচাপে ৰাষ্ট্ৰপতিৰ দ্বাৰা স্বীকৃতি লাভ কৰি মন্ত্ৰী পৰিষদৰ পৰামৰ্শ মতে ১৯৪৮ চনৰ ৫ মাৰ্চৰ মহাৰাজাৰ ঘোষণা অনুসৰি আপাততঃ কাৰ্যনিৰ্বাহ কৰি আছে।

(গ) অনুচ্ছেদ ১ আৰু এই অনুচ্ছেদৰ উপবন্ধাৱলী ৰাজ্যখনত প্ৰযোজ্য হ'ব;

ঘ) এই সংবিধানৰ তেনে ধৰণৰ অন্য উপবন্ধাৱলী সেই ব্যতিক্ৰম আৰু পৰিৱৰ্তন সাপেক্ষে ৰাষ্ট্ৰপতিয়ে সুনিৰ্দিষ্ট কৰা আদেশ* দ্বাৰা সেই ৰাজ্যৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব-

কিন্তু, ৰাজ্যই পেৰেগ্ৰাফ (i)-ৰ উপধাৰা (খ)-ত নিৰ্দেশিত অনুসৰি অন্তৰ্ভুক্তিৰ দলিলত নিৰ্ধাৰিত বিষয়সমূহৰ সৈতে সম্পৰ্ক থকা কোনো ধৰণৰ নিৰ্দেশনা ৰাজ্য চৰকাৰৰ সৈতে আলোচনা নকৰাকৈ চৰকাৰীভাৱে প্ৰকাশ কৰিব নোৱাৰিব।

অধিকন্তু, সেই চৰকাৰৰ সন্মতি লাভ নকৰাকৈ শেহতীয়া পূৰ্বৱৰ্তী ব্যতিক্ৰমসমূহত উল্লিখিত বিষয়সমূহৰ বাহিৰে তেনে কোনো নিৰ্দেশনা চৰকাৰীভাৱে প্ৰকাশ কৰিব নোৱাৰিব।

(২) যদি দফা (১)-ৰ উপদফা (খ)-ৰ পেৰেগ্ৰাফ (ii)-ত বা সেই দফাৰ উপদফা (ঘ)-ৰ দ্বিতীয় ব্যতিক্ৰমত নিৰ্দেশিত সেই ৰাজ্যৰ চৰকাৰখনৰ সন্মতি ৰাজ্যখনৰ সংবিধান প্ৰণয়নৰ বাবে সংবিধান সভা আহ্বানৰ পূৰ্বে দিয়া হৈছিল, সংবিধান সভাৰ সন্মুখত উক্ত সন্মতিৰ আধাৰত হ'ব পৰা সিদ্ধান্তৰ বাবে ইয়াক উত্থাপন কৰা হ'ব।

(৩) এই অনুচ্ছেদৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে, ৰাজহুৱা অধিসূচনাৰ দ্বাৰা, ঘোষণা কৰিব পাৰে যে, এই অনুচ্ছেদৰ কাৰ্যকাৰিতা বন্ধ হ'ব বা কেৱল তেওঁ নিৰ্দিষ্ট কৰা কোনো ব্যতিক্ৰম আৰু পৰিৱৰ্তনৰ সৈতেহে নিৰ্দিষ্ট কোনো তাৰিখৰ পৰা কাৰ্যক্ষম হ'ব।

কিন্তু, ৰাষ্ট্ৰপতিৰ এনে অধিসূচনা জাৰিৰ পূৰ্বে [১][দফা (২)-ত উল্লেখ থকা ধৰণে ৰাজ্যখনৰ বিধানসভা]ৰ সন্মতিৰ প্ৰয়োজন।

---

* পৰিশিষ্ট II চাওক।

[১] চি.অ'. ২৭২, তাৰিখ ৫-৮-২০১৯-ৰ ধাৰা ২-ৰ দ্বাৰা দফা "(২)-ত নিৰ্দেশ থকা ধৰণে ৰাজ্যখনৰ সংবিধান সভা"ৰ সলনি প্ৰতিস্থাপিত (৫-৮-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][**৩৭১। [২]***মহাৰাষ্ট্ৰ আৰু গুজৰাট ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ** - [৩][(১)* * * * *]

(২) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে [৪][মহাৰাষ্ট্ৰ আৰু গুজৰাট ৰাজ্যৰ] সম্পৰ্কত দিয়া আদেশৰ দ্বাৰা –

(ক) উন্নয়ন মণ্ডলসমূহৰ প্ৰত্যেকৰে কাৰ্য্যকাৰিতাৰ ওপৰত একোটা প্ৰতিবেদন প্ৰত্যেক বছৰে ৰাজ্যৰ বিধানসভাত দাখিল কৰাৰ উপবন্ধসহ, বিদৰ্ভ, মাৰাঠাৱাড়া, [৫][আৰু মহাৰাষ্ট্ৰৰ বাকী অংশৰ বাবে অথবা যিটোৱেই প্ৰযোজ্য] সৌৰাষ্ট্ৰ, কচ্ছ আৰু গুজৰাটৰ বাকী অংশৰ বাবে পৃথক উন্নয়ন মণ্ডল স্থাপন কৰিবৰ বাবে;

(খ) সমগ্ৰ ৰাজ্যখনৰ আৱশ্যকতা সাপেক্ষে, উক্ত ক্ষেত্ৰসমূহৰ উন্নয়নমূলক ব্যয়ৰ কাৰণে নিধিৰ ন্যায়সংগত বণ্টনৰ বাবে; আৰু

(গ) সমগ্ৰ ৰাজ্যখনৰ আৱশ্যকতা সাপেক্ষে উক্ত সকলোবিলাক ক্ষেত্ৰৰ সম্পৰ্কত কাৰিকৰী শিক্ষা আৰু ব্যৱসায়িক প্ৰশিক্ষণৰ বাবে পৰ্য্যাপ্ত সা-সুবিধাসমূহৰ আৰু ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণৰ অধীনত থকা সেৱাসমূহত নিযুক্তিৰ বাবে পৰ্য্যাপ্ত সুযোগসমূহৰ উপবন্ধ কৰি ন্যায়সংগত ব্যৱস্থা কৰিবৰ বাবে –

ৰাজ্যপালৰ কোনো বিশেষ দায়বদ্ধতা উপবন্ধিত কৰিব পাৰে।]

[৬][**৩৭১ক। নগালেণ্ড ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, -

(ক) (i) নগাসকলৰ ধৰ্মীয় বা সামাজিক প্ৰথাসমূহৰ সম্পৰ্কত;

(ii) নগাৰ ৰীতিগত বিধি আৰু প্ৰক্ৰিয়াৰ সম্পৰ্কত;

(iii) নগা ৰীতিগত বিধি অনুসৰি নিৰ্ধাৰণ কৰা দেৱানী আৰু ফৌজদাৰী ন্যায় প্ৰশাসন সম্পৰ্কত;

(iv) ভূমি আৰু তাৰ সম্পদৰাজিৰ মালিকীস্বত্ব আৰু হস্তান্তৰকৰণ সম্পৰ্কত;

সংসদৰ কোনো অধিনিয়ম নগালেণ্ড ৰাজ্যত প্ৰয়োগ নহ’ব যেতিয়ালৈকে নগালেণ্ড বিধানসভাই কোনো সংকল্পৰ দ্বাৰা তেনে অধিনিয়ম প্ৰয়োগ হ’ব বুলি নিৰ্ণয় নকৰে;

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৩২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ ধাৰা ২-ৰ দ্বাৰা “অন্ধ্ৰপ্ৰদেশ” শব্দটো বিলোপিত (১-৭-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা দফা (১) বিলোপিত (১-৭-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৮৫-ৰ দ্বাৰা “বোম্বে ৰাজ্য”-ৰ সলনি প্ৰতিস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] উক্ত অধিনিয়মৰ ধাৰা ৮৫-ৰ দ্বাৰা “মহাৰাষ্ট্ৰৰ বাকী অংশ”-ৰ সলনি প্ৰতিস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] সংবিধান (১৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১ক অন্তঃস্থাপিত (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) নগালেণ্ডৰ ৰাজ্যপালৰ মতে, সেই ৰাজ্যখন গঠিত হোৱাৰ ঠিক পূৰ্বে নগা পাহাৰৰ টিৱেনচাং অঞ্চলত হোৱা আভ্যন্তৰীণ অশান্তিসমূহ, তাত বা তাৰ কোনো অংশত যিমান দিনলৈকে চলি থাকে সিমান দিনলৈকে নগালেণ্ড ৰাজ্যৰ আইন আৰু শৃংখলাৰ সম্পৰ্কত নগালেণ্ডৰ ৰাজ্যপালৰ বিশেষ দায়িত্ব থাকিব আৰু সেই সম্পৰ্কত তেওঁৰ কাৰ্য নিৰ্বহন কৰোতে ৰাজ্যপালে, মন্ত্ৰী-পৰিষদৰ লগত পৰামৰ্শ কৰাৰ পিছত, কৰিবলগীয়া কাৰ্য্যব্যৱস্থা সম্পৰ্কত তেওঁৰ স্ববিবেচনা প্ৰয়োগ কৰিব:

কিন্তু, যদি এনে কোনো প্ৰশ্ন উঠে যে কোনো এটা বিষয় এই উপদফাৰ অধীনত ৰাজ্যপালে তেওঁৰ স্ববিবেচনা প্ৰয়োগ কৰিবলৈ অপেক্ষিত হোৱা এটা বিষয় হয়নে নহয়, সেইটোৰ সম্পৰ্কত ৰাজ্যপালে স্ববিবেচনাৰ দ্বাৰা লোৱা সিদ্ধান্তই চূড়ান্ত হ'ব আৰু ৰাজ্যপালৰ দ্বাৰা কৰা হোৱা কোনো কামৰ মান্যতাৰ বিষয়ে এই আধাৰৰ ওপৰত আপত্তি কৰিব নোৱাৰিব যে তেওঁ স্ববিবেচনা প্ৰয়োগ কৰি কাৰ্য্য কৰা উচিত বা অনুচিত আছিল:

অধিকন্তু, ৰাজ্যপালৰ পৰা কোনো প্ৰতিবেদন লাভ কৰি বা অন্যথা যদি ৰাষ্ট্ৰপতি এই বুলি সন্তুষ্ট হয় যে নগালেণ্ড ৰাজ্যৰ আইন আৰু শৃংখলাৰ সম্পৰ্কত ৰাজ্যপালৰ বিশেষ দায়িত্ব থকাৰ আৰু আৱশ্যক নাই তেনেহ'লে তেওঁ আদেশৰ দ্বাৰা এই নিৰ্দেশ দিব পাৰে যে সেই আদেশত যথা নিৰ্দিষ্ট তাৰিখৰ পৰা ৰাজ্যপালৰ এনে দায়িত্ব নাথাকিব;

(গ) কোনো অনুদানৰ দাবী সম্পৰ্কত পৰামৰ্শ দিওঁতে নগালেণ্ডৰ ৰাজ্যপালে এইটো সুনিশ্চিত কৰিব যাতে কোনো নিৰ্দিষ্ট সেৱা বা প্ৰয়োজনৰ বাবে ভাৰতৰ একত্ৰীকৃত নিধিৰ পৰা ভাৰত চৰকাৰৰ দ্বাৰা দিয়া হোৱা কোনো ধন সেই সেৱা বা প্ৰয়োজন সম্পৰ্কীয় অনুদানৰ দাবীতহে অন্তৰ্ভুক্ত কৰা হয় আৰু আন কোন দাবীৰ ভিতৰত নহয়;

(ঘ) যিটো নগালেণ্ডৰ ৰাজ্যপালে চৰকাৰী অধিসূচনাৰ দ্বাৰা এই নিমিত্তে নিৰ্দিষ্ট কৰে, তেনে তাৰিখৰ পৰা পয়ত্ৰিশ জন সদস্যৰ সৈতে টিৱেনচাং জিলাৰ বাবে এক আঞ্চলিক পৰিষদ স্থাপিত হ'ব; আৰু নিম্নোক্ত বিষয়ৰ উপবন্ধ কৰি ৰাজ্যপালে তেওঁৰ স্ববিবেচনাৰে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে –

(i) আঞ্চলিক পৰিষদসমূহৰ গঠন আৰু যি ৰীতিত আঞ্চলিক পৰিষদৰ সদস্যসকলৰ বাছনি হ'ব সেই ৰীতি:

কিন্তু, টিৱেনচাং জিলাৰ উপাযুক্ত আঞ্চলিক পৰিষদৰ পদেন সভাপতি হ'ব আৰু আঞ্চলিক পৰিষদৰ উপ-সভাপতিক তাৰ সদস্যসকলৰ দ্বাৰা তেওঁলোকৰ মাজৰ পৰা নিৰ্বাচিত কৰিব;

(ii) আঞ্চলিক পৰিষদৰ সদস্যৰূপে বাছনিৰ বাবে আৰু সদস্য হ'বৰ বাবে অৰ্হতাসমূহ;

(iii) আঞ্চলিক পৰিষদৰ সদস্যসকলৰ কাৰ্যকাল আৰু যদি থাকে, তেওঁলোকক দিবলগীয়া বেতন আৰু ভাট্টাসমূহ;

(iv) আঞ্চলিক পৰিষদৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য সঞ্চালন;

(v) আঞ্চলিক পৰিষদৰ পদাধিকাৰী আৰু কৰ্মচাৰীসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তাৱলী; আৰু

(vi) আন যিকোনো বিষয় যাৰ সম্পৰ্কত আঞ্চলিক পৰিষদৰ গঠনত আৰু তাৰ উচিত কাৰ্য নিৰ্বহনৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰাটো আৱশ্যকীয় হয়।

(২) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, নগালেণ্ড ৰাজ্য গঠিত হোৱা তাৰিখৰ পৰা দহ বছৰ কালৰ বাবে অথবা এনে অধিক কালৰ বাবে যিটো আঞ্চলিক পৰিষদৰ পৰামৰ্শৰ ওপৰত ৰাজ্যপালে চৰকাৰী অধিসূচনাৰ দ্বাৰা এই মৰ্মে নিৰ্দিষ্ট কৰি দিয়ে, -

(ক) টিৱেনচাং জিলাৰ প্ৰশাসন ৰাজ্যপালৰ দ্বাৰা পৰিচালিত হ'ব;

(খ) যেতিয়া সমস্ত নগালেণ্ড ৰাজ্যৰ আৱশ্যকতা পূৰণৰ বাবে ভাৰত চৰকাৰৰ দ্বাৰা নগালেণ্ড চৰকাৰক ধন দিয়া হয়, তেতিয়া ৰাজ্যপালে তেওঁৰ স্ববিবেচনাৰে টিৱেনচাং জিলা আৰু ৰাজ্যৰ বাকী অংশৰ মাজত সেই ধনৰ সমতাপূৰ্ণ বণ্টনৰ বাবে ব্যৱস্থা কৰিব;

(গ) যেতিয়ালৈকে আঞ্চলিক পৰিষদৰ চুপাৰিছৰ ওপৰত ৰাজ্যপালে চৰকাৰী অধিসূচনাৰ দ্বাৰা এনে কোনো নিৰ্দেশ নিদিয়ে তেতিয়ালৈকে নগালেণ্ড বিধানমণ্ডলৰ কোনো অধিনিয়ম টিৱেনচাং জিলাত প্ৰয়োগ নহ'ব আৰু এনে কোনো অধিনিয়ম সম্পৰ্কত ৰাজ্যপালে এনে নিৰ্দেশ দিওঁতে এই নিৰ্দেশ দিব পাৰে যে টিৱেনচাং জিলা বা তাৰ কোনো অংশত সেই অধিনিয়ম প্ৰয়োগ কৰোতে সেই অধিনিয়মৰ প্ৰভাৱ এনে ব্যতিক্ৰম আৰু পৰিৱৰ্তনৰ অধীন হ'ব যিবিলাক আঞ্চলিক পৰিষদৰ পৰামৰ্শৰ ওপৰত ৰাজ্যপালে সুনিৰ্দিষ্ট কৰি দিয়ে:

কিন্তু, এই উপদফাৰ অধীনত দিয়া কোনো নিৰ্দেশ এনেদৰে দিব পাৰে যে তাৰ প্ৰভাৱ পূৰ্ববৰ্তী হ'ব;

(ঘ) ৰাজ্যপালে টিৱেনচাং জিলাৰ শান্তি, প্ৰগতি আৰু সুশাসনৰ বাবে নিয়ম প্ৰণয়ন কৰিব পাৰে আৰু এনেদৰে প্ৰণয়ন কৰা যিকোনো নিয়মে সেই জিলাত সেইসময়ত প্ৰযোজ্য সংসদৰ যিকোনো অধিনিয়ম বা আন যিকোনো বিধি বাতিল বা সংশোধন কৰিব পাৰে আৰু যদি আৱশ্যক হয় তেনেহ'লে তেনে বাতিলকৰণ বা সংশোধনৰ প্ৰভাৱ পূৰ্ববৰ্তী হ'ব পাৰে;

(ঙ) (i) নগালেণ্ডৰ বিধানসভাত টিৱেনচাং জিলাক প্ৰতিনিধিত্ব কৰা সদস্যসকলৰ এজন, মুখ্যমন্ত্ৰীৰ পৰামৰ্শ ক্ৰমে ৰাজ্যপালৰ দ্বাৰা টিৱেনচাং পৰিক্ৰমাৰ মন্ত্ৰী হিচাপে নিযুক্ত হ'ব, আৰু মুখ্যমন্ত্ৰীয়ে নিজৰ পৰামৰ্শ আগবঢ়াওঁতে যথা পূৰ্বোক্ত সদস্যসকলৰ সংখ্যাধিক্যৰ পৰামৰ্শ অনুযায়ী কাৰ্য্য কৰিব[১];

---

[১] সংবিধান (জটিলতা দূৰীকৰণ) আদেশ, নং ১০-ৰ পেৰেগ্ৰাফ ২-ত উপবন্ধিত আছে যে (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) অনুচ্ছেদ ৩৭১ক এনেভাৱে প্ৰভাৱী হ'ব যেন তাৰ দফা (২)-ৰ উপদফা (ঙ)-ৰ পেৰেগ্ৰাফ (i)-ৰ লগত নিম্নলিখিত ব্যতিক্ৰম আছে, যেনে –

"কিন্তু, মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী ৰাজ্যপালে, নগালেণ্ডৰ বিধানসভাত টিৱেনচাং জিলাৰ বাবে বণ্টিত আসনসমূহ পূৰণৰ বাবে বিধি অনুসৰি ব্যক্তিসকলৰ বাছনি নোহোৱা পৰ্য্যন্ত, টিৱেনচাং পৰিক্ৰমাৰ মন্ত্ৰীৰূপে কাৰ্য্য কৰিবলৈ যিকোনো ব্যক্তিক টিৱেনচাং মন্ত্ৰীৰূপে নিযুক্ত কৰিব পাৰে।"

(ii) টিৱেনচাং পৰিক্ৰমা মন্ত্ৰীজনে টিৱেনচাং জিলা সম্পৰ্কীয় সকলো বিষয়ৰ কাৰ্য্য কৰিব আৰু তাৰ বাবে তেওঁ ৰাজ্যপালৰ ওচৰলৈ পোনপটীয়াকৈ যাব পাৰিব, কিন্তু তেওঁ সেই বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰি ৰাখিব;

(চ) এই দফাৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যিকোনো কথা থকা সত্বেও টিৱেনচাং জিলা সম্পৰ্কীয় সকলো বিষয়ৰ ওপৰত চূড়ান্ত সিদ্ধান্ত ৰাজ্যপালৰ দ্বাৰা তেওঁৰ স্ববিৱেচনাৰে কৰা হ'ব;

(ছ) অনুচ্ছেদ ৫৪ আৰু ৫৫ আৰু অনুচ্ছেদ ৮০-ৰ দফা (৪)-ত থকা কোনো ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচিত সদস্যসকলৰ প্ৰতি বা এনেকুৱা প্ৰত্যেক সদস্যৰ প্ৰতি থকা নিৰ্দেশে এই অনুচ্ছেদৰ অধীনত স্থাপিত হোৱা আঞ্চলিক পৰিষদৰ দ্বাৰা নিৰ্বাচিত হোৱা নগালেণ্ডৰ বিধানসভাৰ সদস্যসকল বা সদস্যৰ প্ৰতি থকা নিৰ্দেশ অন্তৰ্ভুক্ত কৰিব;

(জ) অনুচ্ছেদ ১৭০-ত –

(i) নগালেণ্ডৰ বিধানসভাৰ সম্পৰ্কত দফা (১)-ৰ প্ৰভাৱ এনে হ'ব যেন "ষাঠি" শব্দৰ পৰিৱৰ্তে "ছয়চল্লিশ" শব্দ প্ৰতিস্থাপিত হৈছে;

(ii) উক্ত দফাত, ৰাজ্যত প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ প্ৰতি থকা নিৰ্দেশে এই অনুচ্ছেদৰ অধীনত স্থাপিত হোৱা আঞ্চলিক পৰিষদৰ সদস্যসকলৰ দ্বাৰা হোৱা নিৰ্বাচন অন্তৰ্ভুক্ত কৰিব;

(iii) দফা (২) আৰু (৩)-ত প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহৰ প্ৰতি থকা নিৰ্দেশ কহিমা আৰু মোককচাং জিলাৰ প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজা যাব।

(৩) এই অনুচ্ছেদৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীৰ যিকোনো এটাক প্ৰযোজ্য কৰোতে যদি কোনো অসুবিধাৰ উদ্ভৱ হয়, তেনেহ'লে ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা যিকোনো কাম (আন যিকোনো অনুচ্ছেদৰ অভিযোজন বা পৰিৱৰ্তন অন্তৰ্গত কৰি) কৰিব পাৰিব যিটো সেই জটিলতা দূৰীকৰণৰ বাবে তেওঁ আৱশ্যকীয় বুলি অনুভৱ কৰে:

কিন্তু, নগালেণ্ড ৰাজ্য গঠিত হোৱা তাৰিখৰ পৰা তিনি বছৰ অৱসান হোৱাৰ পিচত এনে আদেশ নিদিব।

*ব্যাখ্যা* – এই অনুচ্ছেদত কহিমা, মোককচাং আৰু টিৱেনচাং জিলাৰ অৰ্থ নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২-ত ইয়াৰ অৰ্থ যেনেদৰে আছে তেনেদৰেই হ'ব।]

[১][**৩৭১খ। অসম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধ** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে অসম ৰাজ্যৰ সম্পৰ্কত দিয়া আদেশৰ দ্বাৰা ষষ্ঠ অনুসূচীৰ পেৰেগ্ৰাফ ২০-ত সন্নিবিষ্ট তালিকাৰ

---

[১] সংবিধান (২২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৯-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-৯-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][অংশ ১]-ত সুনির্দিষ্ট জনজাতি ক্ষেত্ৰৰ পৰা অসম ৰাজ্যৰ বিধানসভালৈ নির্বাচিত সদস্যসকল আৰু সেই বিধানসভাৰ আন সদস্যসকলৰ পৰা সেই আদেশত যথা নির্দিষ্ট তেনে কোনো সংখ্যক সদস্যক লৈ সেই ৰাজ্যৰ বিধানসভাৰ এখন সমিতি গঠন আৰু কার্য নির্বহনৰ বাবে; আৰু তেনে সমিতিয়ে সমুচিত কার্য নির্বহনৰ নিমিত্তে সেই বিধানসভাৰ প্ৰক্ৰিয়াৰ নিয়মাৱলীত পৰিৱৰ্তনৰ বাবে উপবন্ধিত কৰিব পাৰে।]

[2][**৩৭১গ। মণিপুৰ ৰাজ্যৰ সম্পর্কত বিশেষ উপবন্ধ** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাষ্ট্ৰপতিয়ে মণিপুৰ ৰাজ্যৰ সম্পর্কত দিয়া আদেশৰ দ্বাৰা চৰকাৰী কাৰ্য্যৰ নিয়মাৱলীৰ আৰু বিধানসভাৰ প্ৰক্ৰিয়া নিয়মাৱলীৰ পৰিৱৰ্তন কৰিবৰ অৰ্থে ৰাজ্যখনৰ বিধানসভালৈ সেই ৰাজ্যৰ পাৰ্বত্য ক্ষেত্ৰৰ পৰা নির্বাচিত সদস্যসকলক লৈ ৰাজ্যখনৰ বিধানসভাৰ এখন সমিতি গঠন আৰু কার্য নির্বহনৰ বাবে; আৰু এনে সমিতিৰ সমুচিত কার্য নির্বহন সুনিশ্চিত কৰিবৰ অৰ্থে, ৰাজ্যপালৰ বিশেষ দায়িত্বৰ বাবে উপবন্ধিত কৰিব পাৰে।

(২) ৰাজ্যপালে বছৰি বা ৰাষ্ট্ৰপতিয়ে যেতিয়াই বিচাৰে তেতিয়াই, মণিপুৰ ৰাজ্যৰ পাৰ্বত্য ক্ষেত্ৰৰ প্ৰশাসন সম্পর্কে ৰাষ্ট্ৰপতিৰ ওচৰত একোখন প্ৰতিবেদন দিব আৰু সংঘৰ কাৰ্য্যপালিকা ক্ষমতা উক্ত ক্ষেত্ৰসমূহৰ প্ৰশাসন সম্পর্কে নির্দেশ দিয়া পৰ্য্যন্ত বিস্তৃত হ’ব।

*ব্যাখ্যা* – এই অনুচ্ছেদত “পাৰ্বত্য ক্ষেত্ৰ” শব্দই এনে ক্ষেত্ৰসমূহক বুজাব যিবিলাক ক্ষেত্ৰ ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা পাৰ্বত্য ক্ষেত্ৰ বুলি ঘোষণা কৰে।]

[3][**৩৭১ঘ। [4][অন্ধ্ৰপ্ৰদেশ ৰাজ্য বা তেলেংগানা ৰাজ্য]ৰ সম্পর্কত বিশেষ উপবন্ধাৱলী** - [5][(১) ৰাষ্ট্ৰপতিয়ে অন্ধ্ৰপ্ৰদেশ ৰাজ্য বা তেলেংগানা ৰাজ্য সম্পর্কে দিয়া আদেশৰ দ্বাৰা, প্ৰতিখন ৰাজ্যৰ প্ৰয়োজনীয়তাসমূহলৈ দৃষ্টি ৰাখি, চৰকাৰী নিযুক্তি আৰু শিক্ষাৰ বিষয়ত, ৰাজ্যখনৰ বিভিন্ন অংশৰ লোকসকলৰ ন্যায্য সুযোগ-সুবিধাসমূহৰ বাবে উপবন্ধ আৰু প্ৰতিখন ৰাজ্যৰ বিভিন্ন অংশৰ বাবে বিভিন্ন উপবন্ধ প্ৰণয়ন কৰিব পাৰে।]

---

[1] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা “অংশ ক”-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (২৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৫-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১গ অন্তঃস্থাপিত (১৫-২-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৩২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১ঘ আৰু অনুচ্ছেদ ৩৭১ঙ অন্তঃস্থাপিত (১-৭-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ৯৭-ৰ দ্বাৰা “অন্ধ্ৰপ্ৰদেশ ৰাজ্য”-ৰ সলনি প্ৰতিস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] উক্ত অধিনিয়মৰ ধাৰা ৯৭-ৰ দ্বাৰা দফা (১)-ৰ সলনি প্ৰতিস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) দফা (১)-ৰ অধীনত দিয়া কোনো আদেশে, বিশেষকৈ, -

(ক) ৰাজ্য চৰকাৰক ৰাজ্যখনৰ অসামৰিক সেৱাৰ পদসমূহৰ কোনো শ্ৰেণী বা শ্ৰেণীসমূহ বা ৰাজ্যখনৰ অধীনৰ অসামৰিক পদসমূহৰ কোনো শ্ৰেণী বা শ্ৰেণীসমূহ ৰাজ্যখনৰ বিভিন্ন অংশৰ বাবে বিভিন্ন স্থানীয় বৰ্গত সংগঠিত কৰিবলৈ আৰু সেই আদেশত যথা নিৰ্দিষ্ট নীতি আৰু প্ৰক্ৰিয়া অনুসৰি এনে পদধাৰী ব্যক্তিসকলক তেনেকৈ সংগঠিত স্থানীয় বৰ্গসমূহত আবণ্টন কৰিবলৈ ক'ব পাৰিব;

(খ) স্থানীয় ক্ষেত্ৰ হিচাপে গণ্য কৰিবলগীয়া ৰাজ্যখনৰ কোনো অংশ বা অংশসমূহ –

(i) ৰাজ্য চৰকাৰৰ অধীনত কোনো স্থানীয় বৰ্গৰ (এই অনুচ্ছেদৰ অধীনত দিয়া কোনো আদেশ অনুসৰি সংগঠিত হওক বা আন প্ৰকাৰেই গঠিত হওক) পদসমূহত প্ৰত্যক্ষভাৱে নিযুক্তিৰ কাৰণে;

(ii) ৰাজ্যখনৰ অধীনত কোনো স্থানীয় প্ৰাধিকাৰীৰ অধীনস্থ কোনো বৰ্গৰ পদসমূহত প্ৰত্যক্ষ নিযুক্তিৰ কাৰণে; আৰু

(iii) ৰাজ্যখনৰ ভিতৰত থকা কোনো বিশ্ববিদ্যালয় বা ৰাজ্যিক চৰকাৰৰ নিয়ন্ত্ৰণাধীন আন কোনো শিক্ষানুষ্ঠানত নামভৰ্ত্তিৰ উদ্দেশ্যে,

সুনিৰ্দিষ্ট কৰিব পাৰে।

(গ) কি পৰিসৰ পৰ্য্যন্ত, কি ৰীতিৰে আৰু কি চৰ্তাৱলী সাপেক্ষে, -

(i) আদেশটোত এই মৰ্মে যথা নিৰ্দিষ্ট উপদফা (খ)-ত নিৰ্দেশিত এনে কোনো বৰ্গৰ পদসমূহত প্ৰত্যক্ষ নিযুক্তিৰ বিষয়ত;

(ii) আদেশটোত এই মৰ্মে যথা নিৰ্দিষ্ট উপদফা (খ)-ত নিৰ্দেশিত এনে কোনো বিশ্ববিদ্যালয় বা আন শিক্ষানুষ্ঠানত নামভৰ্ত্তিৰ বিষয়ত;

এনে বৰ্গ, বিশ্ববিদ্যালয় বা আন শিক্ষানুষ্ঠানৰ সম্পৰ্কত, যিটোৱেই প্ৰযোজ্য, আদেশটোত নিৰ্দিষ্ট কোনো কালৰ বাবে বাস কৰা বা অধ্যয়ন কৰা প্ৰাৰ্থীসকলক বা প্ৰাৰ্থীসকলৰ অনুকূলে অগ্ৰাধিকাৰ বা সংৰক্ষণ দিয়া হ'ব তাক নিৰ্দিষ্ট কৰি দিব পাৰে।

(৩) ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিম্নোক্ত বিষয়বোৰৰ সম্পৰ্কত আদেশটোত যথা নিৰ্দিষ্ট এনে ক্ষেত্ৰাধিকাৰ, ক্ষমতা আৰু প্ৰাধিকাৰ [সংবিধান (৩২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ আৰম্ভণিৰ পূৰ্বে (উচ্চতম ন্যায়ালয়ৰ বাহিৰে) কোনো ন্যায়ালয় বা কোনো ন্যায়াধিকৰণ বা আন প্ৰাধিকাৰীৰ দ্বাৰা প্ৰয়োগযোগ্য যি কোনো ক্ষেত্ৰাধিকাৰ, ক্ষমতা আৰু প্ৰাধিকাৰো অন্তৰ্ভুক্ত কৰি] প্ৰয়োগ কৰিবলৈ [১][অন্ধ্ৰপ্ৰদেশ ৰাজ্য আৰু তেলেংগানা ৰাজ্য]ৰ কাৰণে এখন প্ৰশাসনীয় ন্যায়াধিকৰণ গঠনৰ বাবে ব্যৱস্থা কৰিব পাৰে, যেনে:

---

[১] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ৯৭-ৰ দ্বাৰা "অন্ধ্ৰপ্ৰদেশ ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) আদেশটোত যথা নিৰ্দিষ্ট ৰাজ্যখনৰ যিকোনো অসামৰিক সেৱাৰ পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত, বা ৰাজ্যখনৰ অধীনৰ অসামৰিক পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত বা ৰাজ্যখনৰ ভিতৰৰ কোন স্থানীয় প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণাধীন পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত নিযুক্তি, আৱণ্টন বা পদোন্নতি।

(খ) আদেশটোত যথা নিৰ্দিষ্ট ৰাজ্যখনৰ কোনো অসামৰিক সেৱাৰ পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত, বা ৰাজ্যখনৰ অধীনৰ অসামৰিক পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত বা ৰাজ্যখনৰ ভিতৰৰ কোন স্থানীয় প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণাধীন পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত নিযুক্ত, আৱণ্টিত বা পদোন্নতিপ্ৰাপ্ত ব্যক্তিসকলৰ জ্যেষ্ঠতা;

(গ) আদেশটোত যথা নিৰ্দিষ্ট ৰাজ্যখনৰ যিকোনো অসামৰিক সেৱাৰ পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত, বা ৰাজ্যখনৰ অধীনৰ অসামৰিক পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত বা ৰাজ্যখনৰ ভিতৰৰ কোন স্থানীয় প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণাধীন পদবোৰৰ এনে শ্ৰেণী বা শ্ৰেণীসমূহত নিযুক্ত, আৱণ্টিত বা পদোন্নতিপ্ৰাপ্ত ব্যক্তিসকলৰ সেৱাৰ এনে আন চৰ্তাৱলী।

(৪) দফা (৩)-ৰ অধীনত দিয়া কোনো আদেশে, -

(ক) প্ৰশাসনীয় ন্যায়াধিকৰণখনক, ৰাষ্ট্ৰপতিয়ে আদেশটোত সুনিৰ্দিষ্ট কৰা হিচাপে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰৰ যিকোনো বিষয়ৰ সম্পৰ্কে ওজৰ আপত্তিবোৰৰ প্ৰতিকাৰৰ নিমিত্তে নিবেদনসমূহ গ্ৰহণ কৰিবলৈ আৰু প্ৰশাসনীয় ন্যায়াধিকৰণখনে তাৰ ওপৰত উপযুক্ত বুলি বিৱেচনা কৰা আদেশ দিবলৈ, প্ৰাধিকৃত কৰিব পাৰে;

(খ) ৰাষ্ট্ৰপতিয়ে প্ৰয়োজনীয় বিৱেচনা কৰা অনুযায়ী প্ৰশাসনীয় ন্যায়াধিকৰণখনৰ ক্ষমতা আৰু প্ৰাধিকাৰসমূহ আৰু প্ৰক্ৰিয়া (প্ৰশাসনীয় ন্যায়াধিকৰণৰ অৱমাননাৰ বাবে দণ্ড দিয়া ক্ষমতাৰ উপবন্ধাৱলীক অন্তৰ্ভুক্ত কৰি) সম্বন্ধে উপবন্ধাৱলী অন্তৰ্ভুক্ত কৰিব পাৰে;

(গ) আদেশটোত যথা নিৰ্দিষ্ট এনে শ্ৰেণীৰ কাৰ্য্যক্ৰমণিকাসমূহ প্ৰশাসনীয় ন্যায়াধিকৰণখনলৈ স্থানান্তৰ কৰাৰ উপবন্ধিত কৰিব পাৰে যি শ্ৰেণীৰ কাৰ্য্যক্ৰমণিকা ন্যায়াধিকৰণ ক্ষেত্ৰাধিকাৰৰ অধীনস্থ বিষয়ক হয় আৰু সেই আদেশৰ আৰম্ভণিৰ পূৰ্বে কোনো ন্যায়ালয় (উচ্চতম ন্যায়ালয়ৰ বাহিৰে) বা ন্যায়াধিকৰণ অথবা আন কোনো প্ৰাধিকাৰীৰ ওচৰত বিচাৰাধীন হৈ থাকে।

(ঘ) ৰাষ্ট্ৰপতিয়ে প্ৰয়োজনীয় বিৱেচনা কৰা অনুযায়ী অনুপূৰক, আনুষংগিক আৰু পাৰিণামস্বৰূপ উপবন্ধাৱলী (মাচুল আৰু পৰিসীমা, সাক্ষ্য অথবা কোনো ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে সেইসময়ত প্ৰৱৰ্তিত কোনো বিধিৰ প্ৰয়োগ বিষয়ক উপবন্ধাৱলীক সামৰি) অন্তৰ্ভুক্ত কৰিব পাৰে।

*(৫) কোনো বিষয় চূড়ান্তভাৱে নিষ্পত্তি কৰি দিয়া প্ৰশাসনীয় ন্যায়াধিকৰণৰ আদেশ ৰাজ্য চৰকাৰৰ দ্বাৰা নিশ্চিত কৰা হ'লে বা আদেশ দিয়া তাৰিখৰ পৰা তিনিমাহৰ অৱসান হ'লে, যিটোৱেই আগতে হয়, কাৰ্য্যকৰী হ'ব:

কিন্তু, ৰাজ্য চৰকাৰে লিখিতভাৱে দিয়া বিশেষ আদেশৰ দ্বাৰা আৰু তাত উল্লিখিত কাৰণসমূহৰ নিমিত্তে প্ৰশাসনীয় ন্যায়াধিকৰণখনৰ কোনো আদেশ কাৰ্য্যকৰী হোৱাৰ পূৰ্বে পৰিৱৰ্তন বা বাতিল কৰিব পাৰে আৰু এনেকুৱা ক্ষেত্ৰত প্ৰশাসনীয় ন্যায়াধিকৰণখনৰ আদেশটো, যিটোৱেই প্ৰযোজ্য, এনে পৰিৱৰ্তনৰ আকাৰত কাৰ্য্যকৰী নহ'ব।

(৬) দফা (৫)-ৰ ব্যতিক্ৰমসমূহৰ অধীনত ৰাজ্য চৰকাৰে দিয়া প্ৰত্যেক বিশেষ আদেশ, ইয়াক দিয়াৰ পিচত যথাসম্ভৱ শীঘ্ৰে, ৰাজ্য বিধানমণ্ডলৰ উভয় সদনতে উপস্থাপন কৰিব লাগিব।

(৭) ৰাজ্যখনৰ উচ্চ ন্যায়ালয়ৰ প্ৰশাসনীয় ন্যায়াধিকৰণখনৰ ওপৰত অধীক্ষণৰ কোনো ক্ষমতা নাথাকিব আৰু কোনো ন্যায়ালয়ে (উচ্চতম ন্যায়ালয়ৰ বাহিৰে) বা ন্যায়াধিকৰণে প্ৰশাসনীয় ন্যায়াধিকৰণখনৰ ক্ষেত্ৰাধিকাৰ, ক্ষমতা বা প্ৰাধিকাৰৰ অধীনৰ কোনো বিষয়ৰ সম্পৰ্কত বা ন্যায়াধিকৰণখনৰ সম্পৰ্কত কোনো ক্ষেত্ৰাধিকাৰ, ক্ষমতা বা প্ৰাধিকাৰ প্ৰয়োগ নকৰিব।

(৮) প্ৰশাসনীয় ন্যায়াধিকৰণখন অবিৰতভাৱে থকাটো প্ৰয়োজনীয় নহয় বুলি ৰাষ্ট্ৰপতি সন্তুষ্ট হ'লে, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা প্ৰশাসনীয় ন্যায়াধিকৰণখন বিলুপ্ত কৰিব পাৰিব আৰু এনে আদেশত এনেকৈ বিলোপকৰণৰ আৰম্ভণিৰ পূৰ্বে ন্যায়াধিকৰণৰ ওচৰত বিচাৰাধীন হৈ থকা বিষয়বোৰৰ স্থানান্তৰ আৰু নিষ্পত্তিৰ বাবে তেওঁ উপযুক্ত বিৱেচনা কৰা অনুযায়ী উপবন্ধিত কৰিব পাৰিব।

(৯) কোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা আন প্ৰাধিকাৰীৰ কোনো ন্যায়-নিৰ্ণয়, ডিক্ৰী বা আদেশ থকা সত্বেও, -

(ক) কোনো ব্যক্তিৰ –

(i) ১৯৫৬ চনৰ ১ নৱেম্বৰৰ পূৰ্বে, সেই তাৰিখৰ পূৰ্বে স্থিত হায়দৰাবাদ ৰাজ্যৰ চৰকাৰৰ অধীনত, বা হায়দৰাবাদ ৰাজ্যৰ ভিতৰৰ কোনো স্থানীয় প্ৰাধিকাৰীৰ কোনো পদত; বা –

(ii) সংবিধান (৩২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ আৰম্ভণিৰ পূৰ্বে অন্ধ্ৰপ্ৰদেশ ৰাজ্য চৰকাৰৰ অধীনৰ বা অন্ধ্ৰপ্ৰদেশ ৰাজ্যৰ ভিতৰৰ কোনো স্থানীয় বা আন প্ৰাধিকাৰীৰ অধীনৰ কোনো পদত কৰা

কোনো নিযুক্তি, পদাভিষিক্ত, পদোন্নতি বা বদলি, আৰু

(খ) উপদফা (ক)-ত নিৰ্দেশিত কোনো ব্যক্তিৰ দ্বাৰা বা সন্মুখত লোৱা কোনো কাৰ্য্যব্যৱস্থা বা কৰা কোনো কাৰ্য্য,

---

* *পি সাম্বামূৰ্তী আৰু অন্যান্য বনাম অন্ধ্ৰপ্ৰদেশ ৰাজ্য আৰু অন্যান্য* (১৯৮৭) ১ এছ.চি.চি. ৩৬২-ত উচ্চতম ন্যায়ালয়ে অনুচ্ছেদ ৩৭১ঘ-ৰ দফা (৫)-ক ব্যতিক্ৰমসমূহৰ সৈতে অসাংবিধানিক আৰু অবিধিমান্য ঘোষণা কৰিছে।

এনে নিযুক্তি, পদাভিষিক্ত, পদোন্নতি বা বদলিৰ সম্পৰ্কত, যথাস্থিতি হায়দৰাবাদ ৰাজ্যৰ ভিতৰত, বা অন্ধ্ৰপ্ৰদেশ ৰাজ্যৰ কোনো অংশৰ ভিতৰত নিবাস সম্পৰ্কে কোনো প্ৰয়োজনীয়তাৰ উপবন্ধ থকা আৰু সেই সময়ত বলবৎ থকা কোনো বিধি অনুসাৰে তেনে ব্যক্তিৰ নিযুক্তি, পদাভিষিক্ত, পদোন্নতি বা বদলি নকৰাৰ হেতুত অবৈধ বা অবিধিমান্য বুলি গণ্য নহ'ব বা কেতিয়াও অবৈধ বা অবিধিমান্য হোৱা বুলি গণ্য কৰা নহ'ব।

(১০) এই সংবিধানৰ আন কোনো উপবন্ধ বা তৎসময়ত বলবৎ থকা আন কোনো বিধিত যি কথাই উল্লেখ নাথাকক কিয়, এই অনুচ্ছেদৰ উপবন্ধাৱলী আৰু ইয়াৰ অধীনত ৰাষ্ট্ৰপতিয়ে দিয়া কোনো আদেশ প্ৰযোজ্য হ'ব।

**৩৭১ঙ। অন্ধ্ৰপ্ৰদেশ ৰাজ্যত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন** - সংসদে বিধিৰ দ্বাৰা অন্ধ্ৰপ্ৰদেশ ৰাজ্যত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে উপবন্ধিত কৰিব পাৰে।]

[১][**৩৭১চ। চিকিম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, -

(ক) চিকিম ৰাজ্যৰ বিধানসভা অন্যূন ৩০ জন সদস্যৰে গঠিত হ'ব;

(খ) সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ (ইয়াৰ পিছত এই অনুচ্ছেদত নিযুক্ত দিন বুলি নিৰ্দেশিত কৰা হৈছে) আৰম্ভণিৰ তাৰিখৰ পৰা –

(i) ১৯৭৪ চনৰ এপ্ৰিল মাহত চিকিমত অনুষ্ঠিত নিৰ্বাচনৰ ফলস্বৰূপে উক্ত নিৰ্বাচনত নিৰ্বাচিত ৩২ জন সদস্যৰে (ইয়াৰ পিছত বৰ্তমান সদস্য বুলি উল্লেখ কৰা হৈছে) চিকিমৰ বাবে গঠিত সভাক এই সংবিধানৰ অধীনত যথোচিতভাবে গঠিত চিকিম ৰাজ্যৰ বিধানসভা বুলি গণ্য কৰা হ'ব;

(ii) বৰ্তমান সদস্যসকলক এই সংবিধানৰ অধীনত যথোচিতভাবে নিৰ্বাচিত চিকিম ৰাজ্যৰ বিধানসভাৰ সদস্য বুলি গণ্য কৰা হ'ব; আৰু

(iii) চিকিম ৰাজ্যৰ উক্ত বিধানসভাই এই সংবিধানৰ অধীনত এখন ৰাজ্যৰ বিধানসভাৰ ক্ষমতাৱলী প্ৰয়োগ কৰিব আৰু কাৰ্যসমূহ সম্পাদন কৰিব;

---

[১] সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১চ অন্তঃস্থাপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(গ) দফা (খ)-ৰ অধীনত চিকিম ৰাজ্যৰ বিধানসভা বুলি গণ্য কৰা বিধানসভাৰ ক্ষেত্ৰত অনুচ্ছেদ ১৭২-ৰ দফা (১)-ত নিৰ্দেশিত [1][পাঁচ বছৰ] কালছোৱা [2][চাৰি বছৰ] কাল নিৰ্দেশিত হোৱা বুলি অৰ্থ কৰা হ'ব আৰু উক্ত [2][চাৰি বছৰ] কাল নিৰ্ধাৰিত দিনৰ পৰা আৰম্ভ হোৱা বুলি গণ্য কৰা হ'ব;

(ঘ) সংসদে বিধিৰ দ্বাৰা অন্য উপবন্ধ প্ৰণয়ন নকৰা পৰ্যন্ত চিকিম ৰাজ্যক লোকসভাৰ এখন আসন বণ্টন কৰা হ'ব আৰু চিকিম ৰাজ্যই এটা সংসদীয় সমষ্টি গঠন কৰিব আৰু ইয়াক চিকিম সংসদীয় সমষ্টি বুলি কোৱা হ'ব;

(ঙ) নিৰ্ধাৰিত দিনত বিদ্যমান লোকসভাত চিকিম ৰাজ্যৰ প্ৰতিনিধিজন চিকিম ৰাজ্যৰ বিধানসভাৰ সদস্যসকলৰ দ্বাৰা নিৰ্বাচিত হ'ব;

(চ) চিকিমৰ জনসংখ্যাৰ বিভিন্ন সম্প্ৰদায়ৰ অধিকাৰ আৰু স্বাৰ্থসমূহ সংৰক্ষণ কৰাৰ উদ্দেশ্যে সংসদে, এনে সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰিব পৰা চিকিমৰ বিধানসভাৰ আসনৰ সংখ্যাৰ বাবে বিধানসভাৰ যিবিলাক সমষ্টিৰ পৰা চিকিম ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে কেৱলমাত্ৰ তেনে সম্প্ৰদায়ৰ প্ৰাৰ্থীসকল উঠিব পাৰে তাৰ সীমা নিৰূপণ কৰিবৰ বাবে উপবন্ধিত কৰিব পাৰে;

(ছ) শান্তিৰ বাবে আৰু চিকিমৰ জনসাধাৰণৰ বিভিন্ন সম্প্ৰদায়ৰ সামাজিক আৰু আৰ্থিক অগ্ৰগতি সুনিশ্চিত কৰিবলৈ এটা ন্যায়সংগত ব্যৱস্থা কৰিবৰ বাবে চিকিম ৰাজ্যৰ ৰাজ্যপালৰ বিশেষ দায়িত্ব থাকিব আৰু এই দফাৰ অধীনত তেওঁৰ বিশেষ দায়িত্ব সম্পাদন কৰোতে ৰাজ্যপালে, সময়ে সময়ে ৰাষ্ট্ৰপতিয়ে উপযুক্ত বুলি জাৰি কৰা তেনে কোনো নিৰ্দেশনা সাপেক্ষে, তেওঁৰ স্ববিবেচনাৰে কাৰ্য্য সম্পাদন কৰিব;

(জ) নিৰ্ধাৰিত দিনৰ ঠিক পূৰ্বে চিকিম চৰকাৰ বা অন্য কোনো প্ৰাধিকাৰী বা চিকিম চৰকাৰৰ হকে আন যিকোনো ব্যক্তিৰ ওপৰত ন্যস্ত হোৱা সকলো সম্পত্তি আৰু সম্পদ (চিকিম ৰাজ্য গঠিত হোৱা অঞ্চলসমূহৰ ভিতৰতেই হওক বা বাহিৰতেই হওক) নিৰ্ধাৰিত দিনৰ পৰা চিকিম ৰাজ্যৰ চৰকাৰৰ ওপৰত ন্যস্ত হ'ব;

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৬-ৰ দ্বাৰা "পাঁচ বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু তাৰপিছত সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৩-ৰ দ্বাৰা "ছবছৰ"-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (৬-৯-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৫৬-ৰ দ্বাৰা "চাৰি বছৰ"-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু উক্ত অধিনিয়মৰ ধাৰা ৪৩-ৰ দ্বাৰা "পাঁচ বছৰ"-ৰ সলনি পুনৰ প্ৰতিস্থাপিত (৬-৯-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ঝ) নিযুক্ত দিনৰ ঠিক পূৰ্বে চিকিম ৰাজ্য গঠিত হোৱা অঞ্চলসমূহত উচ্চ ন্যায়ালয় হিচাপে কাৰ্য নিৰ্বাহ কৰি থকা ন্যায়ালয়ক নিযুক্ত দিনৰ পৰা চিকিম ৰাজ্যৰ বাবে উচ্চ ন্যায়ালয় বুলি গণ্য কৰা হ'ব;

(ঞ) চিকিম ৰাজ্যৰ সমগ্ৰ অঞ্চলৰে দেৱানী, ফৌজদাৰী আৰু ৰাজহ ক্ষেত্ৰাধিকাৰ থকা সকলোবোৰ ন্যায়ালয়, সকলো প্ৰাধিকাৰী আৰু ন্যায়িক, কাৰ্য্যবাহী আৰু অনুসচিবীয় সকলো অধিকাৰীয়ে নিযুক্ত দিনৰ পৰা এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে তেওঁলোকৰ নিজ নিজ কাৰ্যসমূহ নিৰ্বহন কৰি থাকিব;

(ট) চিকিম ৰাজ্য গঠিত হোৱা অঞ্চলসমূহ বা ইয়াৰ কোনো অংশত নিযুক্ত দিনৰ ঠিক পূৰ্বে বলবৎ থকা সকলো বিধি কোনো ক্ষমতাসম্পন্ন বিধানমণ্ডল বা অন্য ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ দ্বাৰা সংশোধন বা বাতিল নকৰা পৰ্য্যন্ত ইয়াত বলবৎ হৈ থাকিব;

(ঠ) চিকিম ৰাজ্যৰ প্ৰশাসনৰ সম্পৰ্কত দফা (ট)-ত যথা নিৰ্দেশিত এনে কোনো বিধিৰ প্ৰয়োগ সুগম কৰাৰ উদ্দেশ্যে আৰু সংবিধানৰ উপবন্ধাৱলীৰ সৈতে এনে যিকোনো বিধিৰ উপবন্ধাৱলী সাদৃশ্য কৰাৰ উদ্দেশ্যে, নিযুক্ত দিনৰ পৰা দুবছৰৰ ভিতৰত ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা প্ৰয়োজনীয় আৰু সমীচীন হ'ব পৰা হিচাপে বাতিল কৰাৰ দ্বাৰাই হওক বা সংশোধনৰ দ্বাৰাই হওক, সেই বিধিৰ তেনে অভিযোজন আৰু পৰিৱৰ্তন কৰিব পাৰে আৰু ইয়াৰ পিচত এনে প্ৰত্যেক বিধি এনেদৰে সম্পন্ন অভিযোজন আৰু পৰিৱৰ্তন সাপেক্ষে কাৰ্যকৰী হ'ব, আৰু এনে যিকোনো অভিযোজন আৰু পৰিৱৰ্তনৰ সম্পৰ্কত কোনো ন্যায়ালয়তে প্ৰশ্ন কৰা নহ'ব;

(ড) নিযুক্ত দিনৰ পূৰ্বে বলবৎ হোৱা বা সম্পাদন কৰা আৰু ভাৰত চৰকাৰ বা ইয়াৰ কোনো পূৰ্বৱৰ্তী চৰকাৰ পক্ষভুক্ত থকা চিকিম সম্পৰ্কীয় যিকোনো সন্ধি, চুক্তি, বচনপত্ৰ বা অন্যান্য তেনেকুৱা দলিলসমূহৰ পৰা উদ্ভৱ হোৱা যিকোনো বিবাদ বা অন্যান্য বিষয়ৰ সম্পৰ্কত উচ্চতম ন্যায়ালয় বা আন যিকোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ নাথাকিব, কিন্তু এই দফাৰ কোনো কথাই অনুচ্ছেদ ১৪৩-ৰ উপবন্ধাৱলীৰ প্ৰভাৱ হ্ৰাস কৰা বুলি অৰ্থ কৰা নহ'ব;

(ঢ) ৰাষ্ট্ৰপতিয়ে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা ভাৰতৰ কোনো ৰাজ্যত অধিসূচনাৰ তাৰিখত বলবৎ থকা যিকোনো অধিনিয়ম তেওঁ উপযুক্ত বিৱেচনা কৰা কোনো প্ৰতিবন্ধকতা আৰু সালসলনিসহ চিকিম ৰাজ্যলৈ সম্প্ৰসাৰিত কৰিব পাৰে;

(ণ) এই অনুচ্ছেদৰ পূৰ্বোক্ত যিকোনো উপবন্ধ কাৰ্য্যকৰী কৰোতে কোনো অসুবিধাৰ উদ্ভৱ হ'লে ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা* সেই অসুবিধা দূৰ কৰাৰ উদ্দেশ্যে তেওঁৰ বিৱেচনা মতে প্ৰয়োজনীয় বুলি ভবা যিকোনো কাৰ্য্য (আন যিকোনো অনুচ্ছেদৰ যিকোনো অনুকূলন বা সালসলনিসহ) কৰিব পাৰে:

---

* সংবিধান (জটিলতা দূৰীকৰণ) আদেশ, নং XI (চি.অ'. ৯৯) চাওক।

কিন্তু, এনে কোনো আদেশ নিযুক্ত দিনৰ পৰা দুবছৰ অন্ত হোৱাৰ পিছত দিয়া নহ'ব;

(ত) নিযুক্ত দিনৰ আৰম্ভণিত আৰু সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ত ৰাষ্ট্ৰপতিৰ সন্মতিপ্ৰাপ্ত তাৰিখৰ ঠিক পূৰ্বে শেষ হোৱা সময়ছোৱাত চিকিম ৰাজ্য বা ইয়াত অন্তৰ্ভুক্ত অঞ্চলসমূহৰ সম্পৰ্কত কৰা সকলো কাম আৰু লোৱা সকলো কাৰ্য্যব্যৱস্থা যি পৰ্যন্ত সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ দ্বাৰা সংশোধিত এই সংবিধানৰ উপবন্ধাৱলীৰ অনুৰূপ হয় সেই পৰ্য্যন্ত, এনেদৰে সংশোধিত এই সংবিধানৰ অধীনত সকলো উদ্দেশ্যৰ বাবে বৈধভাবে কৰা বা লোৱা বুলি গণ্য কৰা হ'ব।]

[1][**৩৭১ছ। মিজোৰাম ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, –

(ক) নিম্নলিখিতসমূহৰ সম্পৰ্কত সংসদৰ কোনো আইন মিজোৰাম ৰাজ্যত প্ৰয়োগ নহ'ব যদিহে মিজোৰাম ৰাজ্যৰ বিধানসভাই এটা সংকল্পৰ দ্বাৰা এনেদৰে সিদ্ধান্ত নলয়, অৰ্থাৎ -

(i) মিজোসকলৰ ধৰ্মীয় বা সামাজিক ৰীতিসমূহ;

(ii) মিজোৰ প্ৰথাগত বিধি আৰু প্ৰক্ৰিয়া;

(iii) মিজো প্ৰথাগত বিধি অনুসাৰে সিদ্ধান্তসমূহত জড়িত দেৱানী আৰু ফৌজদাৰী ন্যায় প্ৰশাসন;

(iv) ভূমিৰ মালিকীস্বত্ব আৰু হস্তান্তৰকৰণ;

কিন্তু, এই দফাৰ কোনো কথাই সংবিধান (৫৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ আৰম্ভণিৰ ঠিক পূৰ্বে মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলত বলবৎ থকা কোনো কেন্দ্ৰীয় আইনৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব;

(খ) মিজোৰাম ৰাজ্যৰ বিধানসভা অন্যূন চল্লিশজন সদস্যৰে গঠিত হ'ব।]

[2][**৩৭১জ। অৰুণাচল প্ৰদেশ ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, –

(ক) অৰুণাচল প্ৰদেশৰ ৰাজ্যপালৰ অৰুণাচল প্ৰদেশ ৰাজ্যত আইন আৰু শৃংখলা সম্পৰ্কত বিশেষ দায়বদ্ধতা থাকিব আৰু ৰাজ্যপালে এই সম্পৰ্কত কাৰ্যসমূহ সম্পাদন কৰোতে মন্ত্ৰী পৰিষদৰ সৈতে পৰামৰ্শ কৰাৰ পিছত, গ্ৰহণ কৰিবলগীয়া কাৰ্য্যব্যৱস্থাৰ সম্পৰ্কত তেওঁৰ নিজৰ ব্যক্তিগত নিৰ্ণয় প্ৰয়োগ কৰিব:

---

[1] সংবিধান (৫৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১ছ অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৫৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১জ অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, কোনো বিষয় এনে কোনো বিষয় হয়নে নহয়, যাৰ সম্পৰ্কত ৰাজ্যপালক এই দফাৰ অধীনত নিজৰ ব্যক্তিগত নিৰ্ণয় প্ৰয়োগ কৰি কাৰ্য্য কৰিবলৈ আৱশ্যকীয় বিৱেচনা কৰা হয়, এনে কোনো প্ৰশ্নৰ উদ্ভৱ হ'লে, ৰাজ্যপালৰ স্ববিৱেচনা অনুসৰি লোৱা সিদ্ধান্তই চূড়ান্ত হ'ব আৰু ৰাজ্যপালে তেওঁৰ ব্যক্তিগত নিৰ্ণয় প্ৰয়োগ কৰি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল নে নেলাগিছিল এই কাৰণত ৰাজ্যপালৰ দ্বাৰা সম্পাদিত যিকোনো কাৰ্য্যৰ বিধিমান্যতা প্ৰশ্নাধীন কৰা নহ'ব:

অধিকন্তু, যদি ৰাজ্যপালৰ পৰা কোনো প্ৰতিবেদন পোৱাৰ পিছত বা অন্যথা ৰাষ্ট্ৰপতি সন্তুষ্ট হয় যে অৰুণাচল প্ৰদেশ ৰাজ্যত আইন আৰু শৃংখলাৰ সম্পৰ্কত ৰাজ্যপালৰ বিশেষ দায়বদ্ধতা থকাটো আৰু অধিক আৱশ্যকীয় নহয়, তেতিয়া তেওঁ আদেশৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে আদেশত সুনিৰ্দিষ্ট কৰা এনে তাৰিখৰ পৰা বলবৎ হোৱাকৈ ৰাজ্যপালৰ এনে দায়বদ্ধতা নাথাকিব।

(খ) অৰুণাচল প্ৰদেশ ৰাজ্যৰ বিধানসভা অন্যূন ত্ৰিশজন সদস্যৰে গঠিত হ'ব।]

[1][**৩৭১ঝ। গোৱা ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, গোৱা ৰাজ্যৰ বিধানসভা অন্যূন ত্ৰিশজন সদস্যৰে গঠিত হ'ব।]

[2][**৩৭১ঞ। কৰ্ণাটক ৰাজ্যৰ সম্পৰ্কত বিশেষ উপবন্ধাৱলী** - (১) ৰাষ্ট্ৰপতিয়ে, কৰ্ণাটক ৰাজ্য সম্পৰ্কে আদেশৰ দ্বাৰা, ৰাজ্যপালক কোনো বিশেষ দায়িত্ব দিব পাৰে, যাতে -

(ক) হায়দৰাবাদ-কৰ্ণাটক অঞ্চলৰ বাবে এখন পৃথক উন্নয়ন বোৰ্ড স্থাপন কৰি আৰু বোৰ্ডৰ কাৰ্যকলাপ সন্দৰ্ভত প্ৰতিবছৰে ৰাজ্যিক বিধানসভাত প্ৰতিবেদন দাখিল কৰাৰ ব্যৱস্থা কৰা হয় ।

(খ) ৰাজ্যৰ সামগ্ৰিক আৱশ্যকীয়তা সাপেক্ষে উন্নয়নমূলক ব্যয়ৰ বাবে উক্ত অঞ্চলত চৰকাৰী পুঁজিৰ ন্যায়সংগত বণ্টন কৰা হয়, আৰু

(গ) ৰাজ্যৰ সামগ্ৰিক আৱশ্যকীয়তা সাপেক্ষে, চৰকাৰী নিয়োগ, শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বিষয়ত উক্ত অঞ্চলৰ জনগণৰ বাবে ন্যায়সংগত সুযোগ আৰু সুবিধাসমূহ উপলব্ধ হয়।

(২) দফা (১)-ৰ উপদফা (গ) অনুসৰি প্ৰদত্ত আদেশ মৰ্মে উপবন্ধিত কৰিব পাৰে,

(ক) জন্মসূত্ৰে অথবা বসবাস সূত্ৰে, হায়দৰাবাদ-কৰ্ণাটক অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সেই অঞ্চলৰ শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত আসনৰ এক সমানুপাতিক সংৰক্ষণ, আৰু

---

[1] সংবিধান (৫৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৭-ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১ঝ অন্তঃস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৯৮ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১২–ৰ ধাৰা ২-ৰ দ্বাৰা অনুচ্ছেদ ৩৭১ঞ অন্তঃস্থাপিত (১-১০-২০১৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) হায়দৰাবাদ-কৰ্ণাটক অঞ্চলত ৰাজ্য চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ অধীনত থকা যিকোনো নিকায় বা সংগঠনৰ পদ বা পদৰ শ্ৰেণীৰ চিনাক্তকৰণ কৰা আৰু সেই অঞ্চলত জন্ম বা বসবাস সূত্ৰে থকা ব্যক্তিৰ বাবে সেই পদসমূহত সমানুপাতিক সংৰক্ষণৰ ব্যৱস্থা কৰা আৰু তাত প্ৰত্যক্ষ নিযুক্তি, পদোন্নতি অথবা নিৰ্দেশনাত সুনিৰ্দিষ্ট কৰা অনুসৰি অন্য কোনো মাধ্যমেৰে নিয়োগকৰণ।];

**৩৭২। বিদ্যমান বিধি বলবৎ কৰি ৰখা আৰু সেইবিলাকৰ অভিযোজন** - (১) অনুচ্ছেদ ৩৯৫-ত নিৰ্দেশিত অধিনিয়মসমূহ এই সংবিধানৰ দ্বাৰা বাতিল কৰা হোৱা সত্ত্বেও কিন্তু এই সংবিধানৰ অন্যান্য উপবন্ধাৱলী সাপেক্ষে, এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ হৈ থকা সকলো বিধি যেতিয়ালৈকে কোনো ক্ষমতাসম্পন্ন বিধানমণ্ডলৰ দ্বাৰা বা আন কোনো ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ দ্বাৰা সালসলনি, বাতিল বা সংশোধন কৰা নহয় তেতিয়ালৈকে তাত বলবৎ হৈয়েই থাকিব।

(২) ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ হৈ থকা যিকোনো বিধিৰ উপবন্ধাৱলীৰ এই সংবিধানৰ উপবন্ধাৱলীৰ লগত সংগতি সাধনৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা* তেনে বিধি বাতিল কৰিয়েই হওক বা সংশোধন কৰিয়েই হওক, এনে অভিযোজন আৰু পৰিৱৰ্তন কৰিব পাৰে যিটো আৱশ্যকীয় বা সমীচীন হয়; আৰু উপবন্ধিত কৰিব পাৰে যে সেই আদেশত যথা নিৰ্দিষ্ট তেনে কোনো তাৰিখৰ পৰা সেই বিধি এনেদৰে কৰা অভিযোজন বা পৰিৱৰ্তন সাপেক্ষে প্ৰযোজ্য হ'ব; আৰু এনে কোনো অভিযোজন বা পৰিৱৰ্তনৰ বিষয়ে কোনো ন্যায়ালয়ত প্ৰশ্ন কৰিব নোৱাৰিব।

(৩) দফা (২)-ৰ কোনো কথাই –

(ক) এই সংবিধানৰ আৰম্ভণিৰ [১][তিনি বছৰ] শেষ হোৱাৰ পিচত কোনো বিধিৰ অভিযোজন বা পৰিৱৰ্তন কৰিবলৈ ৰাষ্ট্ৰপতিক ক্ষমতা দিয়া বুলি; অথবা

(খ) উক্ত দফাৰ অধীনত ৰাষ্ট্ৰপতিয়ে অভিযোজন বা পৰিৱৰ্তন কৰা কোনো বিধিক বাতিল বা সংশোধন কৰাৰ পৰা কোনো ক্ষমতাসম্পন্ন বিধানমণ্ডলক বা আন ক্ষমতাসম্পন্ন প্ৰাধিকাৰীক বাধা দিয়া বুলি গণ্য কৰা নহ'ব।

---

* আইন আদেশ, ১৯৫০-ৰ অভিযোজন, তাৰিখ ২৬ জানুৱাৰী, ১৯৫০, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, পৃষ্ঠা ৪৪৯, অধিসূচনা নং এছ.আৰ.অ'. ১১৫, তাৰিখ ৫ জুন, ১৯৫০, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় অংশ, ধাৰা ৩, পৃষ্ঠা ৫১, অধিসূচনা নং এছ.আৰ.অ'. ৮৭০, তাৰিখ ৪ নৱেম্বৰ, ১৯৫০, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় অংশ, ধাৰা ৩, পৃষ্ঠা ৯০৩, অধিসূচনা নং এছ.আৰ.অ'. ৫০৮, তাৰিখ ৪ এপ্ৰিল, ১৯৫১, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় অংশ, ধাৰা ৩, পৃষ্ঠা ২৮৭, অধিসূচনা নং এছ.আৰ.অ'. ১১৪০খ, তাৰিখ ২ জুলাই, ১৯৫২, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় অংশ, ধাৰা ৩, পৃষ্ঠা ৬১৬/১-ৰ দ্বাৰা সংশোধন কৰা অনুসৰি, আৰু ট্ৰাভাংকোৰ-কোচিন ভূমি অধিগ্ৰহণ বিধি আদেশ, ১৯৫২-ৰ অভিযোজন, তাৰিখ ২০ নৱেম্বৰ, ১৯৫২, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় অংশ, ধাৰা ৩, পৃষ্ঠা ৯২৩ চাওক।

[১] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১২-ৰ দ্বাৰা "দুবছৰ"ৰ সলনি প্ৰতিস্থাপিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

*ব্যাখ্যা* ১ - এই অনুচ্ছেদত “বলবৎ থকা বিধি” শব্দসমূহে এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত কোনো বিধানমণ্ডলৰ দ্বাৰা বা আন ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ দ্বাৰা পাৰিত বা প্ৰণীত তথা পূৰ্বে বাতিল নোহোৱা কোনো বিধিক অন্তৰ্ভুক্ত কৰিব, লাগিলে সেই বিধি বা তাৰ কোনো অংশ সেই সময়ত একেবাৰেই বা কোনো বিশেষ অঞ্চলত প্ৰৱৰ্তিত নহওকেই।

*ব্যাখ্যা* ২ - ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো বিধানমণ্ডল বা আন ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ দ্বাৰা পাৰিত বা প্ৰণীত এনে কোনো বিধি যাৰ এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে ৰাজ্য-ক্ষেত্ৰাতীত প্ৰভাৱ আছিল আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰতো প্ৰভাৱ আছিল তেনে বিধি উপৰোক্ত কোনো অভিযোজন আৰু পৰিৱৰ্তন সাপেক্ষে তেনে ৰাজ্য-ক্ষেত্ৰাতীত কাৰ্যকৰী হৈয়েই থাকিব।

*ব্যাখ্যা* ৩ - এই অনুচ্ছেদৰ কোনো কথাই এনে কোনো অস্থায়ী বিধি যাৰ সমাপ্তিৰ কাৰণে তাৰিখ নিৰ্ধাৰিত হৈ থাকে সেই তাৰিখৰ পিছত বা এই সংবিধান বলবৎ নোহোৱা হ'লে যি দিনত তেনে বিধিৰ সমাপ্তি ঘটিলহেতেন তাৰপাছত, বলবৎ হৈ থাকিব বুলি অৰ্থ নকৰে।

*ব্যাখ্যা* ৪ - ভাৰতৰ চৰকাৰ অধিনিয়ম, ১৯৩৫-ৰ ধাৰা ৮৮-ৰ অধীনত কোনো প্ৰদেশৰ ৰাজ্যপালৰ দ্বাৰা ঘোষিত আৰু এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে বলবৎ থকা কোনো অধ্যাদেশ যদি সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালৰ দ্বাৰা পূৰ্বে প্ৰত্যাহাৰ কৰা নহয়, তেনেহ'লে এনে আৰম্ভণিৰ পাছত অনুচ্ছেদ ৩৮২-ৰ দফা (১)-ৰ অধীনত কৃত্যনিৰ্বাহকাৰী সেই ৰাজ্যৰ বিধানসভাৰ প্ৰথম বৈঠকৰ পৰা ছয় সপ্তাহ শেষ হোৱাৰ লগে লগে প্ৰৱৰ্তনহীন হ'ব আৰু তেনে কোনো অধ্যাদেশ উক্ত কাল-অৱধিৰ পাছত বলবৎ থাকিব বুলি এই অনুচ্ছেদৰ কোনো কথাই অৰ্থ নকৰিব।

[১][**৩৭২ক। বিধি অভিযোজন কৰিবৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা** - (১) সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ আৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত বা ইয়াৰ কোনো অংশত বলবৎ থকা যিকোনো বিধিৰ উপবন্ধাৱলী সেই বিধিৰ দ্বাৰা যথা সংশোধিত এই সংবিধানৰ উপবন্ধাৱলীৰ লগত সংগতি সধাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰপতিয়ে ১৯৫৭ চনৰ নৱেম্বৰৰ পহিলা দিনৰ পূৰ্বে দিয়া আদেশৰ দ্বাৰা* লাগিলে যথা আৱশ্যক বা সমীচীন মতে এনেকুৱা বিধি বাতিল কৰিয়েই হওক বা পৰিৱৰ্তন কৰিয়েই হওক, তাৰ এনে অভিযোজন বা পৰিৱৰ্তন কৰিব পাৰিব আৰু উপবন্ধিত কৰিব পাৰিব যে সেই আদেশত যথা নিৰ্দিষ্ট তাৰিখৰ পৰা সেই বিধিৰ প্ৰভাৱ এনেদৰে কৰা অভিযোজন আৰু পৰিৱৰ্তন সাপেক্ষে কাৰ্যকৰী হ'ব; আৰু এনে কোনো অভিযোজন বা পৰিৱৰ্তনৰ বিষয়ে কোনো ন্যায়ালয়ত আপত্তি নাখাটিব।

(২) দফা (১)-ৰ কোনো কথাই ক্ষমতাসম্পন্ন বিধানমণ্ডল অথবা আন ক্ষমতাসম্পন্ন প্ৰাধিকাৰীক ৰাষ্ট্ৰপতিৰ দ্বাৰা উক্ত দফাৰ অধীনত অভিযোজন বা পৰিৱৰ্তন কৰা হোৱা যিকোনো বিধি বাতিল বা সংশোধন কৰাত বাধা প্ৰদান কৰা বুলি গণ্য কৰা নহ'ব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৩-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

* বিধি অভিযোজন আদেশ, ১৯৫৬ আৰু ১৯৫৭ চাওক।

**৩৭৩৷ কোনো কোনো ক্ষেত্ৰত প্ৰতিৰোধমূলক আটকাধীন ব্যক্তিৰ সম্পৰ্কত ৰাষ্ট্ৰপতিৰ আদেশ দিয়াৰ ক্ষমতা** - যেতিয়ালৈকে অনুচ্ছেদ ২২-ৰ দফা (৭)-ৰ অধীনত সংসদৰ দ্বাৰা উপবন্ধিত কৰা নহয় বা যেতিয়ালৈকে এই সংবিধানৰ আৰম্ভণিৰ পৰা এবছৰ শেষ নহয়, এই দুয়োটাৰ ভিতৰত যিটোৱেই অগ্ৰৱৰ্তী হয়, সেই কাল পৰ্য্যন্ত সেই অনুচ্ছেদৰ দফা (৪) আৰু (৭)-ত সংসদৰ প্ৰতি থকা কোনো নিৰ্দেশৰ ঠাইত ৰাষ্ট্ৰপতিৰ প্ৰতি থকা নিৰ্দেশ আৰু সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ প্ৰতি থকা নিৰ্দেশৰ ঠাইত ৰাষ্ট্ৰপতিৰ দ্বাৰা দিয়া হোৱা কোনো আদেশৰ প্ৰতি থকা নিৰ্দেশ বুলি ধৰি লৈ উক্ত অনুচ্ছেদ প্ৰযোজ্য হ'ব।

**৩৭৪৷ যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় বা সপৰিষদ মহামান্যৰ আগত বিচাৰাধীন হৈ থকা কাৰ্য্যক্ৰমণিকাৰ সম্পৰ্কত উপবন্ধাৱলী** - (১) এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশসকল, যদিহে তেওঁলোকে অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এনে আৰম্ভণিৰ লগে লগেই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব আৰু তেতিয়া এনে বেতন আৰু ভাট্টা আৰু অনুপস্থিতি ছুটী আৰু অৱসৰ বেতন সম্পৰ্কে এনে অধিকাৰৰ গৰাকী হ'ব যিবিলাক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সম্পৰ্কত অনুচ্ছেদ ১২৫-ৰ অধীনত উপবন্ধিত আছে।

(২) এই সংবিধানৰ আৰম্ভণিত যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ত বিচাৰাধীন হৈ থকা সকলো দেৱানী বা ফৌজদাৰী গোচৰ, আপীল আৰু কাৰ্য্যক্ৰমণিকা উচ্চতম ন্যায়ালয়লৈ হস্তান্তৰিত হ'ব আৰু উচ্চতম ন্যায়ালয়ৰ সেইবিলাকৰ শুনানী ল'বলৈ আৰু নিষ্পত্তি কৰিবলৈ ক্ষেত্ৰাধিকাৰ থাকিব, আৰু এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ে শুনোৱা আৰু দিয়া ন্যায়-নিৰ্ণয় আৰু আদেশসমূহৰ উচ্চতম ন্যায়ালয়ে শুনোৱা আৰু দিয়া নিৰ্ণয় আৰু আদেশৰ দৰে এনে শক্তি আৰু প্ৰভাৱ হ'ব যেন সেইবিলাক উচ্চতম ন্যায়ালয়ৰ দ্বাৰাহে শুনোৱা বা দিয়া হৈছে।

(৩) এই সংবিধানৰ কোনো কথাই ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত যিকোনো ন্যায়ালয়ৰ ন্যায়-নিৰ্ণয়, ডিক্ৰী বা আদেশৰ ওপৰত বা সম্পৰ্কত কৰা আপীল আৰু আবেদন নিষ্পত্তি কৰিবৰ নিমিত্তে যি পৰ্য্যন্ত বিধিৰ দ্বাৰা সপৰিষদ মহামহিমৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ প্ৰাধিকৃত হয় সেই পৰ্য্যন্ত সেই ক্ষেত্ৰাধিকাৰৰ প্ৰয়োগ অমান্য নকৰিব আৰু এই সংবিধানৰ আৰম্ভণিৰ পাছত এনে কোনো আপীল বা আবেদনৰ ওপৰত দিয়া সপৰিষদ মহামহিমৰ আদেশ, এই সংবিধানৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ ওপৰত প্ৰদান কৰা ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰা দিয়া আদেশ বা ডিক্ৰীৰ নিচিনাকৈ সকলো প্ৰয়োজনৰ বাবে প্ৰযোজ্য হ'ব।

(৪) এই সংবিধানৰ আৰম্ভণিত আৰু আৰম্ভণিৰ পৰা, প্ৰথম অনুসূচীৰ অংশ খ-ত নিৰ্দিষ্ট ৰাজ্যত প্ৰিভি কাউন্সিল ৰূপে কাৰ্য্য কৰা প্ৰাধিকাৰীৰ তেনে ৰাজ্যৰ যিকোনো ন্যায়ালয়ৰ ন্যায়-নিৰ্ণয়, ডিক্ৰী বা আদেশৰ ওপৰত বা সম্পৰ্কত আপীল বা আবেদন গ্ৰহণ কৰা আৰু নিষ্পত্তি কৰাৰ ক্ষেত্ৰাধিকাৰ লোপ পাব আৰু এনে আৰম্ভণিৰ সময়ত উক্ত প্ৰাধিকাৰীৰ ওচৰত বিচাৰাধীন হৈ থকা সকলো আপীল আৰু অন্যান্য ন্যায়িক কাৰ্য্যক্ৰমণিকা উচ্চতম ন্যায়ালয়লৈ হস্তান্তৰিত হ'ব আৰু উচ্চতম ন্যায়ালয়ৰ দ্বাৰা সেইবোৰ নিষ্পত্তি কৰা হ'ব।

(৫) এই অনুচ্ছেদৰ উপবন্ধাৱলী কাৰ্যকৰী কৰিবলৈ সংসদে বিধিৰ দ্বাৰা অতিৰিক্ত উপবন্ধ প্ৰণয়ন কৰিব পাৰে।

**৩৭৫। সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে ন্যায়ালয়, প্ৰাধিকাৰী আৰু পদাধিকাৰীয়ে কাৰ্য কৰিয়েই থাকিব** - ভাৰতৰ সমগ্ৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত দেৱানী, ফৌজদাৰী আৰু ৰাজহ ক্ষেত্ৰাধিকাৰ থকা সকলো ন্যায়ালয়ে, সকলো ন্যায়িক, কাৰ্য্যপালিকা আৰু মন্ত্ৰালয়ৰ প্ৰাধিকাৰী আৰু পদাধিকাৰীয়ে এই সংবিধানৰ উপবন্ধাৱলী সাপেক্ষে নিজ নিজ কাৰ্য কৰি থাকিব।

**৩৭৬। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সম্পৰ্কে উপবন্ধাৱলী** - (১) অনুচ্ছেদ ২১৭-ৰ দফা (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত কোনো প্ৰদেশৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, যদিহে তেওঁলোকে অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এনে আৰম্ভণিৰ লগে লগে সংশ্লিষ্ট ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ সম্পৰ্কত অনুচ্ছেদ ২২১-ৰ অধীনত উপবন্ধিত আছে। [১][এনে কোনো ন্যায়াধীশ, ভাৰতৰ নাগৰিক নহ'লেও, এনে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰূপে অথবা আন যিকোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা আন ন্যায়াধীশ ৰূপে নিযুক্ত হ'বলৈ যোগ্য হ'ব।]

(২) প্ৰথম অনুসূচীৰ অংশ খ-ত নিৰ্দিষ্ট কোনো ৰাজ্যৰ সংশ্লিষ্ট ভাৰতীয় ৰাজ্যৰ কোনো উচ্চ ন্যায়ালয়ত এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত ন্যায়াধীশসকল, যদিহে তেওঁলোকে অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এনে আৰম্ভণিৰ লগে লগে সেইদৰে নিৰ্দিষ্ট ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব আৰু অনুচ্ছেদ ২১৭-ৰ দফা (১) আৰু (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, সেই অনুচ্ছেদৰ দফা (১)-ৰ ব্যতিক্ৰম সাপেক্ষে, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা যি পৰ্য্যন্ত কাল নিৰ্ধাৰিত কৰে, সেই কাল সমাপ্ত নোহোৱা পৰ্য্যন্ত পদত অধিষ্ঠিত হৈ থাকিব।

(৩) এই অনুচ্ছেদত "ন্যায়াধীশ" শব্দই কোনো ভাৰপ্ৰাপ্ত ন্যায়াধীশ বা অতিৰিক্ত ন্যায়াধীশক অন্তৰ্ভুক্ত নকৰে।

**৩৭৭। ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক সম্পৰ্কে উপবন্ধাৱলী** - এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত ভাৰতৰ মহালেখা পৰীক্ষক, যদিহে তেওঁ অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এই সংবিধানৰ আৰম্ভণিৰ লগে লগে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক হ'ব আৰু তেতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সম্পৰ্কত অনুচ্ছেদ ১৪৮-ৰ দফা (৩)-ত উপবন্ধিত কৰা অনুসৰি তেনে বেতন আৰু ছুটী আৰু অৱসৰ বেতনৰ সম্পৰ্কত তেনে অধিকাৰ পোৱাৰ গৰাকী হ'ব আৰু এনে আৰম্ভণিৰ ঠিক পূৰ্বে তেওঁৰ প্ৰতি প্ৰযোজ্য উপবন্ধাৱলী অনুসৰি তেওঁৰ নিৰ্ধাৰিত কাৰ্যকালৰ সমাপ্তি নঘটালৈকে পদত অধিষ্ঠিত থকাৰ অধিকাৰী হ'ব।

---

[১] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১৩-ৰ দ্বাৰা সংযোজিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩৭৮। লোকসেৱা আয়োগ সম্পৰ্কে উপবন্ধাৱলী** - (১) এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত ভাৰত ডমিনিয়নৰ লোকসেৱা আয়োগৰ সদস্যসকল, যদিহে তেওঁলোকে অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এই সংবিধানৰ আৰম্ভণিৰ লগে লগে সংঘৰ লোকসেৱা আয়োগৰ সদস্য হ'ব আৰু অনুচ্ছেদ ৩১৬-ৰ দফা (১) আৰু (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, সেই অনুচ্ছেদৰ দফা (২)-ৰ ব্যতিক্ৰম সাপেক্ষে, এনে আৰম্ভণিৰ ঠিক পূৰ্বে তেনে সদস্যসকলৰ প্ৰতি প্ৰযোজ্য নিয়মাৱলী অনুসৰি নিৰ্ধাৰিত কাৰ্যকালৰ সমাপ্তি নঘটালৈকে তেওঁলোক সেই পদত অধিষ্ঠিত হৈয়েই থাকিব।

(২) এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পদাধিষ্ঠিত কোনো প্ৰদেশ বা প্ৰদেশসমূহৰ আৱশ্যকতাসমূহৰ নিমিত্তে সেৱাৰত কোনো লোকসেৱা আয়োগৰ সদস্যসকল, যদিহে তেওঁলোকে অন্যথা ইচ্ছা প্ৰকাশ নকৰে তেনেহ'লে, এই সংবিধানৰ আৰম্ভণিৰ লগে লগে তেওঁলোকে সংশ্লিষ্ট ৰাজ্যৰ লোকসেৱা আয়োগ বা সংশ্লিষ্ট ৰাজ্যসমূহৰ আৱশ্যকতাসমূহৰ নিমিত্তে সেৱাৰত সংযুক্ত ৰাজ্যিক লোকসেৱা আয়োগৰ, যিটোৱেই প্ৰযোজ্য, সদস্য হ'ব আৰু অনুচ্ছেদ ৩১৬-ৰ দফা (১) আৰু (২)-ত যি কথাই উল্লেখ নাথাকক কিয়, সেই অনুচ্ছেদৰ দফা (২)-ৰ ব্যতিক্ৰম সাপেক্ষে, এনে আৰম্ভণিৰ ঠিক পূৰ্বে তেনে সদস্যসকলৰ প্ৰতি প্ৰযোজ্য নিয়মাৱলী অনুসৰি নিৰ্ধাৰিত কাৰ্যকালৰ সমাপ্তি নঘটালৈকে তেওঁলোক সেই পদত অধিষ্ঠিত হৈয়েই থাকিব।

[1][**৩৭৮ক। অন্ধ্ৰপ্ৰদেশ বিধানসভাৰ কাৰ্যকাল সম্পৰ্কে বিশেষ উপবন্ধ** - অনুচ্ছেদ ১৭২-ত যি কথাই উল্লেখ নাথাকক কিয়, ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৮ আৰু ২৯-ৰ উপবন্ধাৱলীৰ অধীনত যথাগঠিত অন্ধ্ৰপ্ৰদেশৰ বিধানসভা যদিহে আগতে ভংগ নহয়, তেনেহ'লে উক্ত ধাৰা ২৯-ত নিৰ্দেশিত তাৰিখৰ পৰা পাঁচ বছৰ কাল চলি থাকিব আৰু ততোধিক কাল চলিব নোৱাৰিব আৰু উক্ত কালৰ সমাপ্তিয়ে সেই বিধানসভা ভংগ কৰিব।]

**৩৭৯।** *[অন্তৰ্বৰ্তীকালীন সংসদ আৰু ইয়াৰ অধ্যক্ষ আৰু উপাধ্যক্ষ সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮০।** *[ৰাষ্ট্ৰপতি সম্পৰ্কে উপবন্ধ] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮১।** *[ৰাষ্ট্ৰপতিৰ মন্ত্ৰী পৰিষদ] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮২।** *[প্ৰথম অনুসূচীৰ অংশ ক-ৰ ৰাজ্যসমূহৰ বাবে অন্তৰ্বৰ্তীকালীন বিধানমণ্ডল সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৩।** *[ৰাজ্যসমূহৰ ৰাজ্যপালসমূহ সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৪-ৰ দ্বাৰা অনুচ্ছেদ ৩৭৮ক অন্তঃস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

**৩৮৪।** *[ৰাজ্যপালসমূহৰ মন্ত্ৰী পৰিষদ] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৫।** *[প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ বাবে অন্তৰ্বৰ্তীকালীন বিধানমণ্ডল সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৬।** *[প্ৰথম অনুসূচীৰ অংশ খ-ৰ ৰাজ্যসমূহৰ বাবে মন্ত্ৰী পৰিষদৰ সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৭।** *[কিছুমান নিৰ্বাচনৰ উদ্দেশ্যে জনসংখ্যা নিৰ্ধাৰণ সম্পৰ্কে বিশেষ উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৮।** *[ৰাজ্যসমূহৰ অন্তৰ্বৰ্তীকালীন সংসদ আৰু অন্তৰ্বৰ্তীকালীন বিধানমণ্ডলত নৈমিত্তিক খালী পদ পূৰণৰ উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৮৯।** *[ডমিনিয়ন বিধানমণ্ডল আৰু প্ৰদেশ আৰু ভাৰতীয় ৰাজ্যসমূহৰ বিধানমণ্ডলত অমীমাংসিত বিধেয়ক সম্পৰ্কে উপবন্ধাৱলী] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৯০।** *[সংবিধানৰ আৰম্ভণি হোৱা দিন আৰু ৩১ মাৰ্চ, ১৯৫০-ৰ মাজত প্ৰাপ্ত বা সংগ্ৰহ কৰা ধন বা ব্যয়] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৯১।** *[কিছুমান আকস্মিক পৰিস্থিতিত প্ৰথম আৰু চতুৰ্থ অনুসূচী সংশোধন কৰাৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা] - সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।*

**৩৯২। জটিলতা দূৰীকৰণৰ বাবে ৰাষ্ট্ৰপতিৰ ক্ষমতা** - (১) কোনো জটিলতা দূৰীকৰণৰ প্ৰয়োজন হেতুকে, বিশেষকৈ ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫-ৰ উপবন্ধাৱলীৰ পৰা এই সংবিধানৰ উপবন্ধাৱলীলৈ ৰূপান্তৰণৰ সম্পৰ্কত, ৰাষ্ট্ৰপতিয়ে আদেশৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে, যথা নিৰ্দিষ্ট কালছোৱাত এই সংবিধান, পৰিৱৰ্তন, সংযোজন বা বিলোপকৰণৰ দ্বাৰা সম্পন্ন কৰা, এনে অভিযোজন সাপেক্ষে প্ৰযোজ্য হ'ব, যিটো আৱশ্যকীয় বা সমীচীন বুলি গণ্য কৰা হয়:

কিন্তু, পঞ্চম অংশৰ দ্বিতীয় অধ্যায়ৰ অধীনত সম্যকৰূপে গঠিত সংসদৰ প্ৰথম বৈঠকৰ পাচত এনে আদেশ দিব নোৱাৰিব।

(২) দফা (১)-ৰ অধীনত দিয়া প্ৰত্যেক আদেশ সংসদৰ আগত উপস্থাপন কৰিব লাগিব।

(৩) এই অনুচ্ছেদ, অনুচ্ছেদ ৩২৪, অনুচ্ছেদ ৩৬৭-ৰ দফা (৩) আৰু অনুচ্ছেদ ৩৯১-ৰ দ্বাৰা ৰাষ্ট্ৰপতিৰ হাতত অৰ্পিত ক্ষমতাসমূহ এই সংবিধানৰ আৰম্ভণিৰ পূৰ্বে ভাৰত ডমিনিয়নৰ গৱৰ্ণৰ-জেনেৰেলৰ হাতত থাকিব।

# দ্বাবিংশ অংশ

## সংক্ষিপ্ত নাম, আৰম্ভণি, [1][হিন্দীত প্ৰাধিকৃত পাঠ] আৰু বাতিল

**৩৯৩৷ সংক্ষিপ্ত নাম** - এই সংবিধান ভাৰতৰ সংবিধান বুলি অভিহিত হ'ব।

**৩৯৪৷ প্ৰাৰম্ভণি** - এই অনুচ্ছেদ আৰু অনুচ্ছেদ ৫, ৬, ৭, ৮, ৯, ৬০, ৩২৪, ৩৬৬, ৩৬৭, ৩৭৯, ৩৮০, ৩৮৮, ৩৯১, ৩৯২ আৰু ৩৯৩ তৎক্ষণাত বলবৎ হ'ব আৰু এই সংবিধানৰ বাকী উপবন্ধাৱলী এই সংবিধানত এই সংবিধানৰ প্ৰাৰম্ভণি বুলি নিৰ্দেশিত হোৱা দিন - ছাব্বিছ জানুৱাৰী, ১৯৫০-ৰ পৰা বলবৎ হ'ব।

[2][**৩৯৪ক৷ হিন্দী ভাষাত প্ৰাধিকৃত পাঠ** - (১) ৰাষ্ট্ৰপতিয়ে –

(ক) সংবিধান সভাৰ সদস্যসকলৰ দ্বাৰা স্বাক্ষৰিত এই সংবিধানৰ হিন্দী ভাষাত অনুবাদ, এনে পৰিৱৰ্তনসহ যি কেন্দ্ৰীয় অধিনিয়মসমূহৰ হিন্দী ভাষাৰ প্ৰাধিকৃত পাঠত গ্ৰহণ কৰা ভাষা শৈলী আৰু শব্দাৱলীৰ অনুৰূপ কৰা বাবে আৱশ্যকীয় আৰু এনে প্ৰকাশনৰ পূৰ্বে কৰা এই সংবিধানৰ এনে সকলো সংশোধনী ইয়াত সন্নিবিষ্ট কৰি, আৰু

(খ) ইংৰাজী ভাষাত কৰা এই সংবিধানৰ প্ৰত্যেক সংশোধনীৰ হিন্দী ভাষাত অনুবাদ কৰি, তেওঁৰ নিজৰ প্ৰাধিকাৰৰ অধীনত প্ৰকাশিত কৰাব।

(২) দফা (১)-ৰ অধীনত প্ৰকাশিত এই সংবিধান আৰু ইয়াৰ প্ৰত্যেক সংশোধনীৰ অনুবাদ ইয়াৰ মূলৰ সৈতে একেই অৰ্থ কৰা বুলি ধৰা হ'ব আৰু এনে অনুবাদৰ কোনো অংশৰ অৰ্থৰ ক্ষেত্ৰত যদি কোনো জটিলতাৰ উদ্ভৱ হয়, তেন্তে ৰাষ্ট্ৰপতিয়ে ইয়াৰ উপযুক্ত পুনৰীক্ষণ কৰাব।

(৩) এই সংবিধান আৰু ইয়াৰ প্ৰত্যেক সংশোধনীৰ এই অনুচ্ছেদৰ অধীনত প্ৰকাশিত অনুবাদ, সকলো প্ৰয়োজনৰ বাবে ইয়াৰ হিন্দী ভাষাত প্ৰাধিকৃত পাঠ বুলি গণ্য কৰা হ'ব।]

**৩৯৫৷ বাতিল** - ভাৰত স্বাধীনতা অধিনিয়ম, ১৯৪৭ আৰু ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫ আৰু লগতে ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫-ৰ সকলো সংশোধনী অথবা পৰিপূৰক অধিনিয়ম, কিন্তু প্ৰিভি কাউন্সিলৰ ক্ষেত্ৰাধিকাৰ বিলোপন অধিনিয়ম, ১৯৪৯-ক ইয়াৰ অন্তৰ্ভুক্ত নকৰাকৈ, ইয়াৰ দ্বাৰা বাতিল কৰা হৈছে।

---

[1] সংবিধান (৫৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৭-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৯-১২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৩-ৰ দ্বাৰা অনুচ্ছেদ ৩৯৪ক অন্তঃস্থাপিত (৯-১২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][প্ৰথম অনুসূচী

## (অনুচ্ছেদ ১ আৰু ৪)

### ক। ৰাজ্যসমূহ

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| ১। অন্ধ্ৰপ্ৰদেশ | [2][অন্ধ্ৰ ৰাজ্য অধিনিয়ম, ১৯৫৩-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত, ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত, অন্ধ্ৰ প্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯-ৰ প্ৰথম অনুসূচী আৰু অন্ধ্ৰপ্ৰদেশ আৰু মহীশূৰ (ৰাজ্যক্ষেত্ৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৬৮-ৰ অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু অন্ধ্ৰপ্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯-ৰ দ্বিতীয় অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] [3][আৰু অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ] ইয়াৰ বহিৰ্ভূত হ'ব। |
| ২। অসম | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে অসম প্ৰদেশ, খাচী ৰাজ্যসমূহ আৰু অসম জনজাতি ক্ষেত্ৰসমূহত সমাবিষ্ট ৰাজ্যক্ষেত্ৰসমূহত কিন্তু অসম (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫১-ৰ অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, [4][আৰু নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] [5][আৰু উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৫, ৬ আৰু ৭-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ], আৰু [6][সংবিধানৰ ৯ সংখ্যক সংশোধনী অধিনিয়ম ১৯৬০-ৰ ধাৰা ৩-ৰ দফা (ক)-ত যি কথাই নেথাকক কিয়, এনে ৰাজ্যক্ষেত্ৰসমূহৰ যিবিলাকৰ সম্পৰ্ক সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ অংশ ১-ত নিৰ্দেশিত আছে, সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ অংশ ১-ৰ সৈতে সম্পৰ্কিত হৈ থাকিলে], ইয়াৰ বহিৰ্ভূত হ'ব। |

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰথম অনুসূচীৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] অন্ধ্ৰপ্ৰদেশ আৰু মহীশূৰ (ৰাজ্যক্ষেত্ৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৩৬)-ৰ ধাৰা ৪-ৰ দ্বাৰা পূৰ্বৰ প্ৰৱিষ্টিৰ সলনি প্ৰতিস্থাপিত (১-১০-১৯৬৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ১০-ৰ দ্বাৰা অন্তঃস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২ (১৯৬২-ৰ ২৭)-ৰ ধাৰা ৪-ৰ দ্বাৰা সংযোজিত (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৯-ৰ দ্বাৰা সংযোজিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ ধাৰা ৩-ৰ দ্বাৰা সংযোজিত (৩১-৭-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। অধিনিয়মৰ পাঠৰ বাবে, পৰিশিষ্ট I চাওঁক।

(প্ৰথম অনুসূচী)

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| ৩। বিহাৰ | [1][এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে হয় বিহাৰ প্ৰদেশত সমাবিষ্ট অথবা সেই প্ৰদেশৰ অংশ বুলি প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ আৰু বিহাৰ আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ৰ দফা (ক)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ কিন্তু বিহাৰ আৰু পশ্চিম বংগ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ আৰু প্ৰথম উল্লিখিত অধিনিয়মৰ ধাৰা ৩-ৰ উপধাৰা (১)-ৰ দফা (খ)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] [2][বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] ইয়াৰ বহিৰ্ভূত হ'ব। |
| [3][৪। গুজৰাট | বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| ৫। কেৰেলা | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৫-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ। |
| ৬। মধ্যপ্ৰদেশ | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৯-ৰ উপধাৰা (১)-ত [4][আৰু ৰাজস্থান আৰু মধ্যপ্ৰদেশ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৯-ৰ প্ৰথম অনুসূচীত], [5][মধ্যপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট ৰাজ্যসমূহ ব্যতিৰেকে] নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ। |

[1] বিহাৰ আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ২৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা পূৰ্বৰ প্ৰৱিষ্টৰ সলনি প্ৰতিস্থাপিত (১০-৬-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা ৫-ৰ দ্বাৰা সংযোজিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰতিস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] ৰাজস্থান আৰু মধ্যপ্ৰদেশ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৯ (১৯৫৯-ৰ ৪৭)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১০-১৯৫৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] মধ্যপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম ২০০০ (২০০০-ৰ ২৮)-ৰ ধাৰা ৫-ৰ দ্বাৰা সংযোজিত (১-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [১][৭। তামিলনাডু] | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে মাদ্ৰাজ প্ৰদেশত সমাবিষ্ট অথবা সেই প্ৰদেশৰ অংশ বুলি প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ আৰু ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৪-ত, [২][আৰু অন্ধ্ৰ প্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯-ৰ দ্বিতীয় অনুসূচীত] নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ কিন্তু অন্ধ্ৰ ৰাজ্য অধিনিয়ম, ১৯৫৩-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত আৰু ধাৰা ৪-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ; আৰু [৩][ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৫-ৰ উপধাৰা (১)-ৰ দফা (খ)-ত আৰু ধাৰা ৬-ত আৰু ধাৰা ৭-ৰ উপধাৰা (১)-ৰ দফা (ঘ)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ আৰু অন্ধ্ৰ প্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯-ৰ প্ৰথম অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] ইয়াৰ বহিৰ্ভূত হ'ব।] |
| [৪][৮। মহাৰাষ্ট্ৰ | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৮-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ কিন্তু বোম্বে পুনৰ্গঠন অধিনিয়ম ১৯৬০-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ ইয়াৰ বহিৰ্ভূত হ'ব।] |
| [৫][[৬][৯।] কৰ্ণাটক] | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৭-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, [৭][কিন্তু অন্ধ্ৰ প্ৰদেশ আৰু মহীশূৰ (ৰাজ্যক্ষেত্ৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৬৮-ৰ অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰ ইয়াৰ বহিৰ্ভূত হ'ব।] |

---

[১] মাদ্ৰাজ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৫৩)-ৰ ধাৰা ৫-ৰ দ্বাৰা "৭। মাদ্ৰাজ"ৰ সলনি প্ৰতিস্থাপিত (১৪-১-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] অন্ধ্ৰ প্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯ (১৯৫৯-ৰ ৫৬)-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৬-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] মহীশূৰ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৩ (১৯৭৩-ৰ ৩১)-ৰ ধাৰা ৫-ৰ দ্বাৰা "৯। মহীশূৰ"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৮-ৰ পৰা ১৪-ক ৯-ৰ পৰা ১৫-ৰে পুনঃক্ৰমাংকিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] অন্ধ্ৰ প্ৰদেশ আৰু মহীশূৰ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৩৬)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১০-১৯৬৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(প্ৰথম অনুসূচী)

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
| --- | --- |
| [1][১০।] [2]ওড়িষা | এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে উৰিষ্যা প্ৰদেশত সমাবিষ্ট অথবা সেই প্ৰদেশৰ অংশ বুলি প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ। |
| [1][১১।] পঞ্জাৱ | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ১১-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ [3][আৰু অধিগৃহীত ৰাজ্যক্ষেত্ৰসমূহ (চামিলকৰণ) অধিনিয়ম, ১৯৬০-ৰ প্ৰথম অনুসূচীৰ ২য় অংশত নিৰ্দেশিত ৰাজ্যক্ষেত্ৰসমূহ [4][কিন্তু সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ প্ৰথম অনুসূচীৰ ২য় অংশত নিৰ্দেশিত ৰাজ্যক্ষেত্ৰসমূহ] [5][আৰু পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত, ধাৰা ৪ আৰু ধাৰা ৫-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] ইয়াৰ বহিৰ্ভূত হ'ব। |
| [1][১২।] ৰাজস্থান | ৰাজ্য পুনৰ্গঠন অধিনিয়ম ১৯৫৬-ৰ ধাৰা ১০-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ [6][কিন্তু ৰাজস্থান আৰু মধ্যপ্ৰদেশ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৯-ৰ প্ৰথম অনুসূচীত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ ইয়াৰ বহিৰ্ভূত হ'ব।] |

[1] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৮-ৰ পৰা ১৪-ক ৯-ৰ পৰা ১৫-ৰে পুনঃক্ৰমাংকিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উৰিষ্যা (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০১১ (২০১১-ৰ ১৫)-ৰ ধাৰা ৬-ৰ দ্বাৰা "উৰিষ্যা"ৰ বাবে প্ৰতিস্থাপিত (১-১১-২০১১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] অধিগৃহীত ৰাজ্যক্ষেত্ৰ (চামিলকৰণ) অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ৬৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১-১৯৬১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ দ্বাৰা সংযোজিত (১৭-১-১৯৬১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬ (১৯৬৬-ৰ ৩১)-ৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] ৰাজস্থান আৰু মধ্যপ্ৰদেশ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৯ (১৯৫৯-ৰ ৪৭)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১০-১৯৫৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [1][১৩।] উত্তৰ প্ৰদেশ | [2][এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে হয় যুক্ত প্ৰদেশ নামে জ্ঞাত প্ৰদেশত সমাবিষ্ট অথবা সেই প্ৰদেশৰ অংশৰূপে প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ, বিহাৰ আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ৰ দফা খ-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ আৰু হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯-ৰ ধাৰা ৪-ৰ উপধাৰা ১-ৰ দফা (খ)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু বিহাৰ আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ৰ দফা (ক)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, [3][আৰু উত্তৰ প্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] আৰু হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯-ৰ ধাৰা ৪-ৰ উপধাৰা (১)-ৰ দফা (ক)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ ইয়াৰ বহিৰ্ভূত হ'ব।] |
| [1][১৪।] পশ্চিম বংগ | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে পশ্চিম বংগ প্ৰদেশত সমাবিষ্ট অথবা সেই প্ৰদেশৰ অংশ বুলি প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ আৰু চন্দন নগৰ (চামিলকৰণ) অধিনিয়ম, ১৯৫৪-ৰ ধাৰা ২-ৰ দফা (গ)-ত যথা পৰিভাষিত চন্দন নগৰ ৰাজ্যক্ষেত্ৰ আৰু লগতে বিহাৰ আৰু পশ্চিম বংগ (ৰাজ্যক্ষেত্ৰৰ হস্তান্তৰণ) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ [4][আৰু লগতে প্ৰথম অনুসূচীৰ তৃতীয় অংশত নিৰ্দেশিত ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ তৃতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ ব্যতিৰেকে, সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ দফা (গ)-ত যি কথাই নাথাকক কিয়, যিমান দূৰলৈকে ই সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ তৃতীয় অংশ আৰু দ্বিতীয় অনুসূচীৰ তৃতীয় অংশত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত।] |

[1] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৮-ৰ পৰা ১৪-ক ৯-ৰ পৰা ১৫-ৰে পুনঃক্ৰমাংকিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯ (১৯৭৯-ৰ ৩১)-ৰ ধাৰা ৫-ৰ দ্বাৰা "১৩। উত্তৰ প্ৰদেশ"ৰ পৰিৱৰ্তে প্ৰতিস্থাপিত (১৫-৯-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উত্তৰ প্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ২৯)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৯-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ ধাৰা ৩-ৰ দ্বাৰা সংযোজিত (৩১-৭-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। অধিনিয়মৰ পাঠৰ বাবে, পৰিশিষ্ট I চাওঁক।

(প্ৰথম অনুসূচী)

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [1][2][** | * * *]] |
| [3][4][১৫।] নগালেণ্ড | নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| [3][5][১৬।] হাৰিয়ানা | [6][পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ৩-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ আৰু হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯-ৰ ধাৰা ৪-ৰ উপধাৰা (১)-ৰ দফা (ক)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু সেই অধিনিয়মৰ ধাৰা ৪-ৰ উপধাৰা (১)-ৰ দফা (খ)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ ইয়াৰ বহিৰ্ভূত হ'ব।]] |
| [3][7][১৭।] হিমাচল প্ৰদেশ | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে হিমাচল প্ৰদেশ আৰু বিলাসপুৰ নামেৰে মুখ্য আয়ুক্তৰ প্ৰদেশৰূপে প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰসমূহ আৰু পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ৫-ৰ উপধাৰা (১)-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| [3][8][১৮।] মণিপুৰ | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে মণিপুৰ নামেৰে মুখ্য আয়ুক্তৰ প্ৰদেশ ৰূপে প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰ।] |

[1] **জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৬-ৰ দ্বাৰা জম্মু আৰু কাশ্মীৰৰ সৈতে সম্পৰ্কিত প্ৰৱিষ্টি ১৫ বিলোপিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৮-ৰ পৰা ১৪-ক ৯-ৰ পৰা ১৫-ৰে পুনঃক্ৰমাংকিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৬-ৰ দ্বাৰা প্ৰৱিষ্টি ১৬-ৰ পৰা ২৯-ক ১৫-ৰ পৰা ২৮-ৰে পুনঃক্ৰমাংকিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২ (১৯৬২-ৰ ২৭)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬ (১৯৬৬-ৰ ৩১)-ৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯ (১৯৭৯-ৰ ৩১)-ৰ ধাৰা ৫-ৰ দ্বাৰা পূৰ্ববৰ্তী প্ৰৱিষ্টিৰ সলনি প্ৰতিস্থাপিত (১৫-৯-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] হাৰিয়ানা আৰু উত্তৰ প্ৰদেশ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৯ (১৯৭৯-ৰ ৩১)-ৰ ধাৰা ৫-ৰ দ্বাৰা "১৭। হাৰিয়ানা"ৰ সলনি প্ৰতিস্থাপিত (১৫-৯-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[7] হিমাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৭০ (১৯৭০-ৰ ৫৩)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[8] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [1][১৯।] ত্ৰিপুৰা | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে ত্ৰিপুৰা নামেৰে মুখ্য আয়ুক্তৰ প্ৰদেশৰূপে প্ৰশাসিত হোৱা ৰাজ্যক্ষেত্ৰ [2][আৰু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ দ্বিতীয় অংশত উল্লেখ থকা ৰাজ্যক্ষেত্ৰসমূহ, সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ দফা ৩-ৰ ধাৰা (ঘ)-ত যি কথাই উল্লেখ নাথাকক কিয়, যদিহে ই সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ দ্বিতীয় খণ্ডত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত হয়।] |
| [1][২০।] মেঘালয় | উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৫-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ] [2][আৰু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ প্ৰথম অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ সামৰি কিন্তু দ্বিতীয় অনুসূচীৰ দ্বিতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ ব্যতিৰেকে।] |
| [1][[3][২১।] চিকিম | সংবিধান (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ আৰম্ভণিৰ ঠিক পূৰ্বে চিকিমত সমাবিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[4][২২।] মিজোৰাম | উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৬-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[5][২৩।] অৰুণাচল প্ৰদেশ | উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ৭-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[6][২৪।] গোৱা | গোৱা, দমন আৰু দিউ (পুনৰ্গঠন) অধিনিয়ম, ১৯৮৭-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰসমূহ।] |

[1] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৬-ৰ দ্বাৰা প্ৰৱিষ্টি ১৬-ৰ পৰা ২৯-ক ১৫-ৰ পৰা ২৮-ৰে পুনঃক্ৰমাংকিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ ধাৰা ৩-ৰ দ্বাৰা সংযোজিত (৩১-৭-২০১৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। অধিনিয়মৰ পাঠৰ বাবে, পৰিশিষ্ট I চাওঁক।

[3] সংবিধান (৬৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৬৯)-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] গোৱা, দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(প্ৰথম অনুসূচী)

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [1][[2][২৫।] চত্তিশগড় | মধ্যপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[3][২৬।] [4][উত্তৰাখণ্ড] | উত্তৰ প্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[5][২৭।] ঝাৰখণ্ড | বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ।] |
| [1][[6][২৮।] তেলেংগানা | অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪-ৰ ধাৰা ৩-ত নিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ।] |

## খ। কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ

| নাম | বিস্তৃতি |
|---|---|
| ১। দিল্লী | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে দিল্লীৰ মুখ্য আয়ুক্তৰ প্ৰদেশত সমাবিষ্ট ৰাজ্যক্ষেত্ৰ। |
| [7][* * | * * *] |
| [8][২। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | এই সংবিধানৰ আৰম্ভণিৰ ঠিক পূৰ্বে মুখ্য আয়ুক্তৰ প্ৰদেশ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত সমাবিষ্ট ৰাজ্যক্ষেত্ৰ। |

---

[1] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৬-ৰ দ্বাৰা প্ৰৱিষ্টি ১৬-ৰ পৰা ২৯-ক ১৫-ৰ পৰা ২৮-ৰে পুনঃক্ৰমাংকিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] মধ্যপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ২৮)-ৰ ধাৰা ৫-ৰ দ্বাৰা সংযোজিত (১-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উত্তৰ প্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ২৯)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৯-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] উত্তৰাঞ্চল (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৫২)-ৰ ধাৰা ৪-ৰ দ্বাৰা "উত্তৰাঞ্চল" শব্দৰ সলনি সংযোজিত (১-১-২০০৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ১০-ৰ দ্বাৰা অন্তঃস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[7] হিমাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৭০ (১৯৭০-ৰ ৫৩)-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ২-ৰ "হিমাচল প্ৰদেশ" বিলোপিত আৰু প্ৰৱিষ্টি ৩-ৰ পৰা ১০-ক ২-ৰ পৰা ৯-ৰে পুনঃক্ৰমাংকিত (২৫-১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পৰৱৰ্তী সময়ত উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৯-ৰ দ্বাৰা মণিপুৰ আৰু ত্ৰিপুৰা সম্পৰ্কিত প্ৰৱিষ্টি (প্ৰৱিষ্টি ২ আৰু ৩) বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[8] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৯-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ৯-ক ২-ৰ পৰা ৭-ৰে পুনঃক্ৰমাংকিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [১][৩] [২][লাক্ষাদ্বীপ] | ৰাজ্য পুনৰ্গঠন অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৬-ত নিৰ্দিষ্ট ৰাজ্যক্ষেত্ৰ |
| [৩][[১][৪।] দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু দিউ | ১৯৬১ চনৰ আগষ্ট মাহৰ একাদশ দিনৰ ঠিক আগতে থকা ৰাজ্যক্ষেত্ৰ মুক্ত দাদৰা আৰু নগৰ হাভেলী আৰু গোৱা, দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭-ৰ ধাৰা ৪-ত নিৰ্ধাৰিত ৰাজ্যক্ষেত্ৰসমূহেৰে গঠিত আছিল।] |
| [৪][[১][*][৩][ | * * * *] |
| [৫][[১][৬।] [৬][পুডুচেৰী] | ১৯৬২ চনৰ আগষ্ট মাহৰ যোড়শ দিনৰ ঠিক আগতে থকা অঞ্চলসমূহ ভাৰতৰ ফৰাচী প্ৰশাসনৰ অন্তৰ্ভুক্ত আছিল যাক পণ্ডিচেৰী, কাৰিকাল, মাহে আৰু য়ানাম বুলি জনা যায়।] |
| [৭][[১][৭।] চণ্ডীগড় | পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬-ৰ ধাৰা ৪-ৰ দ্বাৰা নিৰ্ধাৰিত ৰাজ্যক্ষেত্ৰসমূহ] |

[১] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৯-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ৯-ক ২-ৰ পৰা ৭-ৰে পুনঃক্ৰমাংকিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদীৱী দ্বীপপুঞ্জ (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৩ (১৯৭৩-ৰ ৩৪)-ৰ ধাৰা ৫-ৰ দ্বাৰা "লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদীৱী দ্বীপপুঞ্জ"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬১-ৰ ধাৰা ২-ৰ দ্বাৰা দাদৰা আৰু নগৰ হাভেলী সম্পৰ্কিত প্ৰৱিষ্টি ৪ অন্তঃস্থাপিত (১১-৮-১৯৬১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পৰৱৰ্তী সময়ত দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ (কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ একত্ৰীকৰণ) অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৪৪)-ৰ ধাৰা ৫-ৰ দ্বাৰা প্ৰৱিষ্টি ৪ আৰু ৫-ৰ সলনি প্ৰতিস্থাপিত (১৯-১২-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] গোৱা, দমন আৰু ডিউ (পুনৰ্গঠন) অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৫-ৰ দ্বাৰা প্ৰৱিষ্টি ৫-ৰ সলনি প্ৰতিস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (১৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬২-ৰ ধাৰা ৩-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪)-ৰ ধাৰা ৫-ৰ দ্বাৰা "পণ্ডিচেৰী" শব্দৰ সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬ (১৯৬৬-ৰ ৩১)-ৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(প্ৰথম অনুসূচী)

| নাম | ৰাজ্যক্ষেত্ৰসমূহ |
|---|---|
| [1][* * | * * *] |
| [1][* * | * * *] |
| [2][৮। জম্মু আৰু কাশ্মীৰ | জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯-ৰ ধাৰা ৪-ত সুনিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ। |
| ৯। লাডাখ | জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯-ৰ ধাৰা ৩-ত সুনিৰ্দিষ্ট কৰা ৰাজ্যক্ষেত্ৰসমূহ।] |

---

[1] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা মিজোৰামৰ সৈতে জড়িত প্ৰৱিষ্টি ৮ বিলোপিত আৰু অৰুণাচল প্ৰদেশৰ সৈতে জড়িত প্ৰৱিষ্টি ৯-ক প্ৰৱিষ্টি ৮-ৰে পুনঃক্ৰমাংকিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৬৯)-ৰ ধাৰা ৪-ৰ দ্বাৰা অৰুণাচল প্ৰদেশৰ সৈতে জড়িত প্ৰৱিষ্টি ৮ বিলোপিত (১৫-৪-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# দ্বিতীয় অনুসূচী

## [অনুচ্ছেদ ৫৯(৩), ৬৫(৩), ৭৫(৬), ৯৭, ১২৫, ১৪৮(৩), ১৫৮(৩), ১৬৪(৫), ১৮৬ আৰু ২২১]

### অংশ - ক

**ৰাষ্ট্ৰপতি আৰু ৰাজ্যসমূহৰ ৰাজ্যপালসকল[১]***ৰ সম্বন্ধে উপবন্ধাৱলী**

১। ৰাষ্ট্ৰপতি আৰু ৰাজ্যসমূহৰ ৰাজ্যপালসকল[১]***ক মাহিলি তলত দিয়া পাৰিশ্ৰমিক দিয়া হ'ব, অৰ্থাৎ -

| | | |
|---|---|---|
| ৰাষ্ট্ৰপতি | ................ | ১০,০০০ টকা[*] |
| ৰাজ্যৰ ৰাজ্যপাল | .................. | ৫,৫০০ টকা[**] |

২। ৰাষ্ট্ৰপতি আৰু ৰাজ্যসমূহৰ ৰাজ্যপালসকল[২]***ক তেনে ভাট্টাও দিয়া হ'ব যি এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত ডমিনিয়নৰ গৱৰ্ণৰ-জেনেৰেল আৰু সেইসময়ৰ প্ৰদেশসমূহৰ ৰাজ্যপালসকলক দিবলগীয়া হৈছিল।

৩। ৰাষ্ট্ৰপতি আৰু [৩][ৰাজ্যসমূহৰ] ৰাজ্যপালসকল নিজৰ নিজৰ কাৰ্যকালৰ সম্পূৰ্ণ কালছোৱাত এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে গৱৰ্ণৰ-জেনেৰেল আৰু সেইসময়ৰ প্ৰদেশৰ ৰাজ্যপালসকল যথাক্ৰমে যি বিশেষাধিকাৰৰ অধিকাৰী আছিল সেই একে বিশেষাধিকাৰৰ অধিকাৰী হ'ব।

৪। যেতিয়া উপৰাষ্ট্ৰপতিয়ে বা আন কোনো ব্যক্তিয়ে ৰাষ্ট্ৰপতিৰ কাৰ্য সম্পাদন কৰে বা ৰাষ্ট্ৰপতি ৰূপে কাৰ্য্য কৰে, বা কোনো ব্যক্তিয়ে ৰাজ্যপালৰ কাৰ্য সম্পাদন কৰে, যিটোৱেই প্ৰযোজ্য, তেতিয়া তেনে ব্যক্তিয়ে ৰাষ্ট্ৰপতি বা ৰাজ্যপালৰ যাৰ কাৰ্য সম্পাদন কৰে বা যাৰ স্থলত কাৰ্য্য কৰে তেওঁৰ সৈতে একে পাৰিশ্ৰমিক, ভাট্টা আৰু বিশেষাধিকাৰৰ অধিকাৰী হ'ব।

[৪]*   *   *   *   *

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক-ত নিৰ্দিষ্ট" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] বিত্ত অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১৩)-ৰ ধাৰা ১৩৭-ৰ দ্বাৰা বৰ্তমান ৫ লাখ টকা (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[**] উক্ত অধিনিয়মৰ ধাৰা ১৬১-ৰ দ্বাৰা বৰ্তমান ৩ লাখ ৫০ হাজাৰ টকা (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধানৰ (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "এনেদৰে নিৰ্ধাৰিত" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "তেনে ৰাজ্যসমূহ"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)৷

[৪] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা অংশ খ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)৷

(দ্বিতীয় অনুসূচী)

## অংশ - গ

## লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতি আৰু [১][কোনো ৰাজ্য]ৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ[২]*** আৰু বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতি সম্পৰ্কে উপবন্ধাৱলী]

৭। লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্যসভাৰ সভাপতিক তেনে বেতন আৰু ভাট্টা দিয়া হ'ব যি এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত ডমিনিয়নৰ সংবিধান সভাৰ অধ্যক্ষক দিবলগীয়া হৈছিল, আৰু লোকসভাৰ উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ উপসভাপতিক তেনে বেতন আৰু ভাট্টা দিয়া হ'ব যি এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰত ডমিনিয়নৰ সংবিধান সভাৰ উপাধ্যক্ষক দিবলগীয়া হৈছিল।

৮। [৩][কোনো ৰাজ্যৰ] বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ[৪]*** আৰু বিধান পৰিষদৰ সভাপতিক আৰু উপ-সভাপতিক তেনে বেতন আৰু ভাট্টা দিয়া হ'ব যি এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ক্ৰমে সেইসময়ৰ প্ৰদেশৰ বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষক আৰু বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতিক দিবলগীয়া হৈছিল আৰু য'ত এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যিসমূহ প্ৰদেশৰ বিধান পৰিষদ নাছিল তাত সেই ৰাজ্যৰ ৰাজ্যপালে নিৰ্ধাৰণ কৰা অনুসৰি সেই ৰাজ্যৰ বিধান পৰিষদৰ সভাপতি আৰু উপ-সভাপতিক বেতন আৰু ভাট্টা দিয়া হ'ব।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "এনে কোনো ৰাজ্য"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক-ৰ কোনো ৰাজ্যৰ" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "এনে ৰাজ্য"ৰ সলনি প্ৰতিস্থাপিত। (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক-ত নিৰ্ধাৰিত কোনো ৰাজ্যৰ" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(দ্বিতীয় অনুসূচী)

## অংশ–ঘ

## উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়[1]***ৰ ন্যায়াধীশসকলৰ সম্পৰ্কে উপবন্ধাৱলী

৯। (১) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক প্ৰকৃত সেৱাত ব্যয় কৰা সময়ৰ সম্পৰ্কত মাহিলি তলত দিয়া নিৰিখত বেতন দিয়া হ'ব, অৰ্থাৎ --

| | | |
|---|---|---|
| মুখ্য ন্যায়াধীশ | .. | [2][১০,০০০ টকা।]।[*] |
| অন্যান্য ন্যায়াধীশ | .. | [3][৯,০০০ টকা।]।[**] |

কিন্তু, যদি উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশে তেওঁৰ নিযুক্তিৰ সময়ত ভাৰত চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী আন কোনো চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী কোনো চৰকাৰৰ অধীনত কৰা পূৰ্বৱৰ্তী সেৱাৰ সম্পৰ্কত কোনো অৱসৰ বেতন (কোনো দিব্যাংগতা বা আহত অৱসৰ বেতনৰ বাহিৰে) পাই থাকে তেনেহ'লে উচ্চতম ন্যায়ালয়ৰ সেৱাৰ সম্পৰ্কত তেওঁৰ বেতন –

[4][(ক) সেই অৱসৰ বেতনৰ ৰাশিৰ পৰিমাণে; আৰু

(খ) যদি তেওঁ এনে নিযুক্তিৰ পূৰ্বে এনে পূৰ্বৰ সেৱাৰ সম্পৰ্কত তেওঁক দিবলগীয়া অৱসৰ বেতনৰ কোনো অংশৰ সলনি তাৰ পৰিৱৰ্তিত মূল্য প্ৰাপ্ত কৰে, তেনেহ'লে অৱসৰ বেতনৰ সেই অংশৰ ৰাশিৰ পৰিমাণে; আৰু

(গ) যদি তেওঁ এনে নিযুক্তিৰ পূৰ্বে এনে পূৰ্বৰ সেৱাৰ সম্পৰ্কত কোনো অৱসৰকালীন পাৰিতোষিক প্ৰাপ্ত কৰে, তেনেহ'লে সেই অৱসৰকালীন পাৰিতোষিকৰ সমমূল্যৰ অৱসৰ বেতনৰ পৰিমাণে, হ্ৰাস কৰা হ'ব।]

(২) উচ্চতম ন্যায়ালয়ৰ কোনো ন্যায়াধীশে কোনো ভাৰা নিদিয়াকৈ চৰকাৰী আৱাস ব্যৱহাৰ কৰাৰ অধিকাৰী হ'ব।

(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ কোনো কথাই এনে কোনো ন্যায়াধীশৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব যি, এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে –

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৫(ক)-ৰ দ্বাৰা "**প্ৰথম অনুসূচীৰ অংশ ক-ৰ ৰাজ্যসমূহত**" শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা "৫,০০০ টকাৰ পৰা ১০,০০০ টকা"-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ (বেতন আৰু সেৱাবিধিসমূহ) সংশোধনী অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১০)-ৰ ধাৰা ৬-ৰ দ্বাৰা এতিয়া ২,৮০,০০০ টকা (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা "৪,০০০ টকা"ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[**] উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ (বেতন আৰু সেৱাবিধিসমূহ) সংশোধনী অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১০)-ৰ ধাৰা ৬-ৰ দ্বাৰা এতিয়া ২,৫০,০০০ টকা কৰা হৈছে (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৫(খ)-ৰ দ্বাৰা "সেই অৱসৰ বেতনৰ ৰাশি অনুসৰি হ্ৰাস কৰা হ'ব"ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত আছিল আৰু এই সংবিধানৰ প্ৰাৰম্ভণিত অনুচ্ছেদ ৩৭৪-ৰ দফা (১)-ৰ অধীনত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হৈছে; বা

(খ) যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ আন কোনো ন্যায়াধীশ পদত অধিষ্ঠিত আছিল আৰু এই সংবিধানৰ প্ৰাৰম্ভণিত উক্ত দফাৰ অধীনত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ (মুখ্য ন্যায়াধীশৰ বাহিৰে) হৈছে,

যি সময়ৰ কাৰণে তেওঁ মুখ্য ন্যায়াধীশ বা আন ন্যায়াধীশ পদত অধিষ্ঠিত থাকে আৰু এনে প্ৰত্যেক ন্যায়াধীশ যি তেনে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা আন ন্যায়াধীশ হয়, তেওঁ তেনে মুখ্য ন্যায়াধীশ বা আন ন্যায়াধীশ স্বৰূপে প্ৰকৃত সেৱাত কটোৱা সময়ৰ সম্পৰ্কত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দিষ্ট বেতনৰ উপৰিও এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে তেওঁ ভোগ কৰা বেতন আৰু এনেদৰে নিৰ্দিষ্ট কৰা বেতনৰ ব্যৱধানৰ সমান ৰাশি বিশেষ বেতন স্বৰূপে পোৱাৰ অধিকাৰী হ’ব।

(৪) উচ্চতম ন্যায়ালয়ৰ প্ৰত্যেক ন্যায়াধীশে ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত কৰ্তব্য পালনত কৰা যাত্ৰা ব্যয়ৰ প্ৰতিপূৰ্তিৰ বাবে এনে যুক্তিযুক্ত ভাট্টা পাব আৰু যাত্ৰাৰ সম্পৰ্কত এনে যুক্তিযুক্ত সা-সুবিধা পাব যিবিলাক ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে বিহিত কৰি দিয়ে।

(৫) উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ অনুপস্থিতি ছুটী (ছুটী ভাট্টাক সামৰি) আৰু অৱসৰ বেতনৰ সম্পৰ্কত অধিকাৰ এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ ন্যায়াধীশৰ সম্পৰ্কত প্ৰয়োগ হোৱা উপবন্ধ অনুসৰি নিৰ্ধাৰিত হ’ব।

১০। [১][(১) উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক, প্ৰকৃত সেৱাত কটোৱা সময়ৰ সম্পৰ্কত, নিম্নলিখিত মাহিলি নিৰিখত বেতন দিয়া হ’ব, অৰ্থাৎ

| | | |
|---|---|---|
| মুখ্য ন্যায়াধীশ | .. | [২][৯,০০০ টকা।]* |
| অন্যান্য ন্যায়াধীশ | .. | [৩][৮,০০০ টকা।]:** |

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৫(গ), (i), উপপেৰেগ্ৰাফ (১)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ৪-ৰ দ্বাৰা “৪,০০০ টকা”ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

* উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ (বেতন আৰু সেৱাবিধিসমূহ) সংশোধনী অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১০)-ৰ ধাৰা ২-ৰ দ্বাৰা এতিয়া ২,৫০,০০০ টকা কৰা হৈছে (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৫৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৬-ৰ ধাৰা ৪-ৰ দ্বাৰা “৩,৫০০ টকা”ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

** উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ (বেতন আৰু সেৱাবিধিসমূহ) সংশোধনী অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১০)-ৰ ধাৰা ২-ৰ দ্বাৰা এতিয়া ২,২৫,০০০ টকা (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(দ্বিতীয় অনুসূচী)

কিন্তু, যদি কোনো উচ্চ ন্যায়ালয়ৰ কোনো ন্যায়াধীশে তেওঁৰ নিযুক্তিৰ সময়ত ভাৰত চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী আন কোনো চৰকাৰৰ অধীনত বা কোনো ৰাজ্য চৰকাৰ বা ইয়াৰ পূৰ্বৱৰ্তী কোনো চৰকাৰৰ অধীনত কৰা পূৰ্বৱৰ্তী সেৱাৰ সম্পৰ্কত কোনো অৱসৰ বেতন (দিব্যাংগতা বা আহত অৱসৰ বেতনৰ বাহিৰে) পাই থাকে তেনেহ'লে উচ্চ ন্যায়ালয়ৰ সেৱাৰ সম্পৰ্কত তেওঁৰ বেতন –

(ক) সেই অৱসৰ বেতনৰ ৰাশিৰ পৰিমাণে, আৰু

(খ) যদি তেওঁ এনে নিযুক্তিৰ পূৰ্বে এনে পূৰ্বৰ সেৱাৰ সম্পৰ্কত তেওঁক দিবলগীয়া অৱসৰ বেতনৰ কোনো অংশৰ সলনি তাৰ পৰিৱৰ্তিত মূল্য প্ৰাপ্ত কৰে, তেনেহ'লে অৱসৰ বেতনৰ সেই অংশৰ ৰাশিৰ পৰিমাণে, আৰু

(গ) যদি তেওঁ এনে নিযুক্তিৰ পূৰ্বে এনে পূৰ্বৰ সেৱাৰ সম্পৰ্কত কোনো অৱসৰকালীন পাৰিতোষিক প্ৰাপ্ত কৰে, তেনেহ'লে সেই অৱসৰকালীন পাৰিতোষিকৰ সমমূল্যৰ অৱসৰ বেতনৰ পৰিমাণে, হ্ৰাস কৰা হ'ব।]

(২) এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে এনে প্ৰত্যেক ব্যক্তিয়েই

(ক) যিকোনো প্ৰদেশৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত আছিল আৰু এই সংবিধানৰ প্ৰাৰম্ভণিত অনুচ্ছেদ ৩৭৬-ৰ দফা (১)-ৰ অধীনত সেই সংশ্লিষ্ট ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হৈছে, বা

(খ) যিকোনো প্ৰদেশৰ উচ্চ ন্যায়ালয়ৰ অন্য ন্যায়াধীশ পদত অধিষ্ঠিত আছিল আৰু এই সংবিধানৰ প্ৰাৰম্ভণিত উক্ত অনুচ্ছেদৰ অধীনত সেই সংশ্লিষ্ট ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ (মুখ্য ন্যায়াধীশৰ বাহিৰে) হৈছে,

যদি তেওঁ এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দিষ্ট বেতনতকৈ উচ্চ নিৰিখত বেতন ভোগ কৰিছিল, তেতিয়া প্ৰকৃত সেৱাত কটোৱা সময়ৰ সম্পৰ্কত তেনে মুখ্য ন্যায়াধীশ বা অন্য ন্যায়াধীশ, যিটোৱেই প্ৰযোজ্য, স্বৰূপে উক্ত উপপেৰেগ্ৰাফত নিৰ্দিষ্ট বেতনৰ উপৰিও এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে তেওঁ ভোগ কৰা বেতন আৰু এনেদৰে নিৰ্দিষ্ট কৰা বেতনৰ ব্যৱধানৰ সমান ৰাশি বিশেষ বেতন স্বৰূপে পোৱাৰ অধিকাৰী হ'ব।

[১][(৩) এনে যি কোনো ব্যক্তি যি সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে প্ৰথম অনুসূচীৰ 'খ' অংশত নিৰ্দিষ্ট কোনো ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰূপে পদ ধাৰণ কৰি আছিল আৰু এনে প্ৰাৰম্ভণিত উক্ত অধিনিয়মৰ দ্বাৰা যথা সংশোধিত উক্ত অনুসূচীত নিৰ্দিষ্ট কোনো ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হয়, আৰু যদি তেওঁ এনে প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে তেওঁৰ বেতনৰ উপৰিও ভাট্টা হিচাপে কোনো ৰাশি পাই আছিল তেনেহ'লে তেওঁ এনে মুখ্য ন্যায়াধীশ ৰূপে প্ৰকৃত সেৱাত কটোৱা সময়ৰ সম্পৰ্কত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দিষ্ট বেতনৰ উপৰিও সেই একে ৰাশি ভাট্টা হিচাপে পোৱাৰ অধিকাৰী হ'ব।]

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৫(গ), (ii)-ৰ দ্বাৰা উপপেৰেগ্ৰাফ (৩) আৰু (৪)-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(দ্বিতীয় অনুসূচী)

১১। এই অংশত প্ৰসংগক্ৰমে অন্যথা প্ৰয়োজন নহ’লে –

(ক) “মুখ্য ন্যায়াধীশ” শব্দই ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ আৰু “ন্যায়াধীশ” শব্দই তদৰ্থ ন্যায়াধীশক অন্তৰ্ভুক্ত কৰিব;

(খ) “প্ৰকৃত সেৱা”ই সামৰি ল’ব –

(i) কোনো ন্যায়াধীশে ন্যায়াধীশ স্বৰূপে কৰ্তব্যৰত বা ৰাষ্ট্ৰপতিৰ অনুৰোধত গ্ৰহণ কৰা অন্য তেনে কাৰ্য সম্পাদনত কটোৱা সময়;

(ii) বন্ধসমূহ, ন্যায়াধীশ ছুটীত থকা তেনে সময় বাদ দি; আৰু

(iii) কোনো উচ্চ ন্যায়ালয়ৰ পৰা উচ্চতম ন্যায়ালয়লৈ বা এক উচ্চ ন্যায়ালয়ৰ পৰা আন উচ্চ ন্যায়ালয়লৈ বদলিৰ সময়ত যোগদান কাল।

## অংশ – ঙ

## ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক সম্বন্ধে উপবন্ধাৱলী

১২। (১) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক মাহিলি *চাৰি হেজাৰ টকা নিৰিখত বেতন দিয়া হ’ব।

(২) যি ব্যক্তি এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰতৰ মহালেখা পৰীক্ষকৰ পদত অধিষ্ঠিত আছিল আৰু এই সংবিধানৰ প্ৰাৰম্ভণিত অনুচ্ছেদ ৩৭৭-ৰ অধীনত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক হৈছে তেওঁ এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দিষ্ট বেতনৰ অতিৰিক্ত এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে তেওঁ ভাৰতৰ মহালেখা পৰীক্ষক স্বৰূপে পোৱা আৰু তেনে নিৰ্দিষ্ট বেতনৰ ব্যৱধানৰ সমান ৰাশি বিশেষ বেতন স্বৰূপে পোৱাৰ অধিকাৰী হ’ব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ ছুটী আৰু অৱসৰ বেতন আৰু অন্যান্য সেৱা চৰ্তাৱলীৰ সম্পৰ্কত অধিকাৰ এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰতৰ মহালেখা পৰীক্ষকৰ সম্পৰ্কত প্ৰয়োগ হোৱা উপবন্ধাৱলী অনুসৰি হ’ব বা তেনেদৰে অব্যাহত হৈ থাকিব আৰু সেই উপবন্ধাৱলীত গৱৰ্ণৰ-জেনেৰেলৰ প্ৰতি থকা উল্লেখ ৰাষ্ট্ৰপতিৰ প্ৰতি থকা উল্লেখ বুলি অৰ্থ কৰা হ’ব।

---

* নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক (কৰ্তব্য, ক্ষমতা আৰু সেৱাৰ চৰ্ত) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৫৬)-ৰ ধাৰা ৩-ৰ দ্বাৰা ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সম হাৰত বেতন দিয়া হ’ব। উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয় (বেতন আৰু সেৱাৰ চৰ্ত) সংশোধনী অধিনিয়ম, ২০১৮ (২০১৮-ৰ ১০)-ৰ ধাৰা ৬-ৰ দ্বাৰা বৰ্তমান উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ বেতন মাহিলী ২ লাখ ৫০ হাজাৰলৈকে বৃদ্ধি কৰা হৈছে (১-১-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# তৃতীয় অনুসূচী

## [অনুচ্ছেদ ৭৫(৪), ৯৯, ১২৪(৬), ১৪৮(২), ১৬৪(৩), ১৮৮ আৰু ২১৯]*

### শপত বা অংগীকাৰৰ প্ৰপত্ৰ

### I

সংঘৰ মন্ত্ৰীৰ বাবে পদৰ শপতৰ প্ৰপত্ৰ:

"মই, অমুকে, $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু নিষ্ঠা পোষণ কৰিম, [1][মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম,] মই সংঘৰ মন্ত্ৰী স্বৰূপে মোৰ কৰ্তব্য শ্ৰদ্ধাপূৰ্বক আৰু শুদ্ধ অন্তঃকৰণৰ সৈতে সম্পাদন কৰিম আৰু মই ভয় বা পক্ষপাত, অনুৰাগ বা বিদ্বেষ নোহোৱাকৈ সংবিধান আৰু বিধি অনুসৰি সকলো প্ৰকাৰৰ লোকৰ প্ৰতি ন্যায় আচৰণ কৰিম।"

### II

সংঘৰ মন্ত্ৰীৰ বাবে গোপনীয়তাৰ শপতৰ প্ৰপত্ৰ:

"মই, অমুকে, $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই মন্ত্ৰী হিচাপে মোৰ কৰ্তব্যৰ উচিত সম্পাদনৰ কাৰণে আৱশ্যক হোৱাৰ বাহিৰে মই এনে যিকোনো বিষয় যিটো মোৰ বিচাৰ্য্যৰ কাৰণে অনা হ'ব বা সংঘৰ মন্ত্ৰী স্বৰূপে মোৰ জ্ঞাত হ'ব, তাক কোনো ব্যক্তি বা ব্যক্তিসমূহক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সূচিত বা প্ৰকাশ নকৰিম।"

### [2][III

### ক

সংসদৰ নিৰ্বাচনৰ বাবে হোৱা প্ৰাৰ্থীৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

---

* অনুচ্ছেদ ৮৪(ক) আৰু ১৭৩(ক)-ও চাওঁক।

[1] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা প্ৰপত্ৰ III-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

"মই, অমুকে, ৰাজ্যসভা (বা লোকসভাৰ) এক আসন পূৰাবৰ বাবে প্ৰাৰ্থীৰূপে মনোনীত হোৱাত $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম আৰু মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম।"

**খ**

সংসদৰ সদস্যৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

"মই, অমুকে, ৰাজ্যসভা (বা লোকসভাৰ) সদস্য নিৰ্বাচিত (বা মনোনীত) হোৱাত, $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম আৰু মই গ্ৰহণ কৰিবলগীয়া কৰ্তব্য শ্ৰদ্ধাপূৰ্বক সম্পাদন কৰিম।"

**IV**

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

"মই, অমুকে, ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ (বা এজন ন্যায়াধীশ) (বা ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক) ৰূপে নিযুক্ত হোৱাত $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, [১][মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম,] ভয় বা পক্ষপাত, অনুৰাগ বা বিদ্বেষ নোহোৱাকৈ সম্যক ৰূপে আৰু শ্ৰদ্ধাপূৰ্বক আৰু মোৰ পূৰ্ণযোগ্যতা, জ্ঞান আৰু বিবেক অনুসৰি মোৰ পদৰ কৰ্তব্য পালন কৰিম আৰু সংবিধান আৰু বিধিসমূহৰ মৰ্য্যাদা ৰক্ষা কৰিম।"

---

[১] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## V

ৰাজ্যৰ মন্ত্ৰীৰ বাবে পদৰ শপতৰ প্ৰপত্ৰ:

"মই, অমুকে, ঈশ্বৰৰ নামত শপত লওঁ / সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, [১][মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ন ৰাখিম] আৰু মই শ্ৰদ্ধাপূৰ্বক আৰু শুদ্ধ অন্তঃকৰণৰ সৈতে .............................................. ৰাজ্যৰ মন্ত্ৰী স্বৰূপে মোৰ কৰ্তব্য সম্পাদন কৰিম আৰু ভয় বা পক্ষপাত, অনুৰাগ বা বিদ্বেষ নোহোৱাকৈ সংবিধান আৰু বিধি অনুসৰি সকলো প্ৰকাৰৰ লোকৰ প্ৰতি ন্যায় আচৰণ কৰিম।"

## VI

ৰাজ্যৰ মন্ত্ৰীৰ বাবে গোপনীয়তাৰ শপতৰ প্ৰপত্ৰ:

"মই, অমুকে, ঈশ্বৰৰ নামত শপত লওঁ / সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ যে মই মন্ত্ৰী হিচাপে মোৰ কৰ্তব্যৰ উচিত সম্পাদনৰ কাৰণে আৱশ্যক হোৱাৰ বাহিৰে মই এনে যিকোনো বিষয় যিটো মোৰ বিচাৰ্য্যৰ কাৰণে অনা হ'ব বা ............................ ৰাজ্যৰ মন্ত্ৰী স্বৰূপে জ্ঞাত হ'ব, তাক কোনো ব্যক্তি বা ব্যক্তিসমূহক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সূচিত বা প্ৰকাশ নকৰিম।"

## [২][VII

## ক

ৰাজ্যৰ বিধানমণ্ডলৰ নিৰ্বাচনৰ বাবে হোৱা প্ৰাৰ্থীৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

"মই, অমুকে, বিধানসভাৰ (বা বিধান পৰিষদৰ) এক আসন পূৰাবৰ বাবে প্ৰাৰ্থীৰূপে মনোনীত হোৱাত ঈশ্বৰৰ নামত শপত লওঁ / সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি মই প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম আৰু মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ন ৰাখিম।"

---

[১] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা প্ৰপত্ৰ VII-ৰ সলনি প্ৰতিস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## খ

ৰাজ্যৰ বিধানমণ্ডলৰ সদস্যৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

"মই, অমুকে, বিধানসভাৰ (বা বিধান পৰিষদৰ) সদস্য নিৰ্বাচিত (বা মনোনীত) হোৱাত, $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম আৰু মই গ্ৰহণ কৰিবলগীয়া কৰ্তব্য শ্ৰদ্ধাপূৰ্বক সম্পাদন কৰিম।"

## VIII

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা ল'বলগীয়া শপত বা অংগীকাৰ প্ৰপত্ৰ:

"মই, অমুকে, ..................................ত (বা ইয়াৰ) উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ (বা এজন ন্যায়াধীশ) ৰূপে নিযুক্ত হোৱাত, $\frac{\text{ঈশ্বৰৰ নামত শপত লওঁ}}{\text{সত্যনিষ্ঠা সহকাৰে অংগীকাৰ কৰোঁ}}$ যে মই বিধিৰ দ্বাৰা স্থাপিত ভাৰতৰ সংবিধানৰ প্ৰতি প্ৰকৃত বিশ্বাস আৰু নিষ্ঠা পোষণ কৰিম, [১][মই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিম] আৰু ভয় বা পক্ষপাত, অনুৰাগ বা বিদ্বেষ নোহোৱাকৈ সম্যকৰূপে আৰু শ্ৰদ্ধাপূৰ্বক আৰু মোৰ পূৰ্ণযোগ্যতা, জ্ঞান আৰু বিবেক অনুসৰি মোৰ পদৰ কৰ্তব্য পালন কৰিম আৰু সংবিধান আৰু বিধিসমূহৰ মৰ্য্যাদা ৰক্ষা কৰিম।"

---

[১] সংবিধান (১৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (৫-১০-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][চতুৰ্থ অনুসূচী

## [অনুচ্ছেদ ৪(১) আৰু ৮০(২)]

### ৰাজ্যসভাত আসনসমূহৰ বণ্টন

নিম্নলিখিত তালিকাৰ প্ৰথম স্তম্ভত নিৰ্দিষ্ট প্ৰত্যেক ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলক সেই তালিকাৰ দ্বিতীয় স্তম্ভত সেই ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ, যিটোৱেই প্ৰযোজ্য, বিপৰীতে নিৰ্দিষ্ট সংখ্যক আসন বণ্টন কৰা হ'ব।

### তালিকা

| | | |
|---|---|---|
| ১। | অন্ধ্ৰ প্ৰদেশ ........................................................ | [2][১১] |
| [3][২। | তেলেংগানা ........................................................ | ৭] |
| [4][৩। | অসম ........................................................ | ৭ |
| [4][৪।] | বিহাৰ ........................................................ | [5] [১৬] |
| [6][[4][৫।] | ঝাৰখণ্ড ........................................................ | ৬] |
| [7][[8][[4][৬। | গোৱা ........................................................ | ১]] |
| [9][[8][[4][৭।] | গুজৰাট ........................................................ | ১১]] |
| [10][[8][[4][৮।] | হাৰিয়ানা ........................................................ | ৫]] |
| [8][[4][৯।] | কেৰেলা ........................................................ | ৯ |

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ৩(২)-ৰ দ্বাৰা 'চতুৰ্থ অনুসূচী'-ৰ সলনি প্ৰতিষ্ঠাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪-ৰ ধাৰা ১২-ৰ দ্বাৰা "১৮"-ৰ সলনি প্ৰতিস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ১২-ৰ দ্বাৰা অন্তঃস্থাপিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] উক্ত অধিনিয়মৰ ধাৰা ১২-ৰ দ্বাৰা প্ৰৱিষ্টি ২-ৰ পৰা ৩০-ক, ৩-ৰ পৰা ৩১-ৰে পুনঃক্ৰমাংকিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা ৭-ৰ দ্বাৰা "২২"-ৰ সলনি প্ৰতিস্থাপিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] উক্ত অধিনিয়মৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[7] গোৱা দমন আৰু ডিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৬(ক) আৰু (খ)-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ২৬-ক যথাক্ৰমে ৫-ৰ পৰা ২৭-ৰে পুনঃক্ৰমাংকিত আৰু প্ৰৱিষ্টি "৪। গোৱা....১" অন্তঃস্থাপিত (৩০-৫-১৯৮৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[8] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা ৭-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ২৯-ক, ৫-ৰ পৰা ৩০-ৰে পুনঃক্ৰমাংকিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[9] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৬-ৰ দ্বাৰা প্ৰৱিষ্টি "৪"-ৰ সলনি প্ৰতিস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[10] পঞ্জাৱ পুনৰ্গঠন অধিনিয়ম, ১৯৬৬ (১৯৬৬-ৰ ৩১)-ৰ ধাৰা ৯-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(চতুৰ্থ অনুসূচী)

| | | |
|---|---|---|
| [১][[২][১০।]] | মধ্য প্ৰদেশ ........................................................ | [৩][১১] |
| [৪][[১][[২][১১।] | ছত্তিশগড় ........................................................ | ৫]] |
| [৫][[১][[২][১২।] | তামিলনাডু ........................................................ | [৬][১৮]] |
| [৭][[১][[২][১৩।] | মহাৰাষ্ট্ৰ ........................................................ | ১৯]] |
| [৮][[১][[২][১৪।] | কৰ্ণাটক] ........................................................ | ১২]] |
| [১][[২][১৫।] | [৯][ওড়িষা] ........................................................ | ১০] |
| [১][[২][১৬।] | পঞ্জাব ........................................................ | [১০][৭] |
| [১][[২][১৭।] | ৰাজস্থান ........................................................ | ১০] |
| [১][[২][১৮।] | উত্তৰ প্ৰদেশ ........................................................ | [১১][৩১] |
| [১২][[১][[২][১৯।] | [১৩][উত্তৰাখণ্ড] ........................................................ | ৩]] |
| [১][[২][২০।] | পশ্চিম বংগ ........................................................ | ১৬] |
| [১৪][[১][[২][** | * * * ........................................................ | *] |
| [১৫][[১৬][[১][[২][২১।] | নগালেণ্ড ........................................................ | ১]] |

---

[১] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা-৭ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ২৯-ক ৫-ৰ পৰা ৩০-ৰে পুনঃক্ৰমাংকিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪-ৰ ধাৰা ১২-ৰ দ্বাৰা প্ৰৱিষ্টি ২-ৰ পৰা ৩০-ক ৩-ৰ পৰা ৩১-ৰে পুনঃক্ৰমাংকিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] মধ্যপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ২৮)-ৰ ধাৰা ৭-ৰ দ্বাৰা "১৬"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] মাদ্ৰাজ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৬৮ (১৯৬৮-ৰ ৫৬)-ৰ ধাৰা ৫-ৰ দ্বাৰা "৮। মাদ্ৰাজ" (*১১ হিচাপে পুনঃক্ৰমাংকিত)-ৰ সলনি প্ৰতিস্থাপিত (১৪-১-১৯৬৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] অন্ধ্ৰপ্ৰদেশ আৰু মাদ্ৰাজ (সীমা পৰিৱৰ্তন) অধিনিয়ম, ১৯৫৯ (১৯৫৯-ৰ ৫৬)-ৰ ধাৰা ৮-ৰ দ্বাৰা "১৭"-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] বোম্বে পুনৰ্গঠন অধিনিয়ম, ১৯৬০ (১৯৬০-ৰ ১১)-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৫-১৯৬০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৮] মহীশূৰ ৰাজ্য (নাম পৰিৱৰ্তন) অধিনিয়ম, ১৯৭৩ (১৯৭৩-ৰ ৩১)-ৰ ধাৰা ৫-ৰ দ্বাৰা "১০। মহীশূৰ"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৭৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৯] উৰিষ্যা (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০১১ (২০১১-ৰ ১৫)-ৰ ধাৰা ৭-ৰ দ্বাৰা "উৰিষ্যা"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-২০১১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১০] পঞ্জাব পুনৰ্গঠন অধিনিয়ম, ১৯৬৬ (১৯৬৬-ৰ ৩১)-ৰ ধাৰা ৯-ৰ দ্বাৰা "১১"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৬৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১১] উত্তৰ প্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ২৯)-ৰ ধাৰা ৭-ৰ দ্বাৰা "৩৪"-ৰ সলনি প্ৰতিস্থাপিত (৯-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১২] উক্ত অধিনিয়মৰ ধাৰা ৭-ৰ দ্বাৰা অন্তঃস্থাপিত (৯-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১৩] উত্তৰাঞ্চল (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৫২)-ৰ ধাৰা ৫-ৰ দ্বাৰা "উত্তৰাঞ্চল"-ৰ সলনি প্ৰতিস্থাপিত (১-১-২০০৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১৪] **জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৮-ৰ দ্বাৰা জম্মু কাশ্মীৰ সম্পৰ্কিত প্ৰৱিষ্টি ২১ বিলোপিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১৫] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৮-ৰ দ্বাৰা প্ৰৱিষ্টি ২২-ৰ পৰা ৩১-ক ২১-ৰ পৰা ৩০-ৰে পুনঃক্ৰমাংকিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১৬] নগালেণ্ড ৰাজ্য অধিনিয়ম, ১৯৬২ (১৯৬২-ৰ ২৭)-ৰ ধাৰা ৬-ৰ দ্বাৰা অন্তঃস্থাপিত (১-১২-১৯৬৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(চতুৰ্থ অনুসূচী)

| | | |
|---|---|---|
| [1][[2][[3][[4][২২।] | হিমাচল প্ৰদেশ ........................................ | ৩]]] |
| [3][[2][[4][২৩।] | মণিপুৰ ........................................ | ১] |
| [3][[2][[4][২৪।] | ত্ৰিপুৰা ........................................ | ১]] |
| [3][[2][[4][২৫।] | মেঘালয় ........................................ | ১]] |
| [5][[3][[2][[4][২৬।] | চিকিম ........................................ | ১]] |
| [6][[3][[2][[4][২৭।] | মিজোৰাম ........................................ | ১]] |
| [7][[3][[2][[4][২৮।] | অৰুণাচল প্ৰদেশ ........................................ | ১]] |
| [3][[2][[4][২৯।] | দিল্লী ........................................ | ৩] |
| [3][[2][[4][৩০।] | [8][পুডুচেৰী] ........................................ | ১]] |
| [9][[3][[2][[4][৩১।] | জম্মু আৰু কাশ্মীৰ ........................................ | ৪] |
| | মুঠ | [10][২৩৩] |

[1] হিমাচল প্ৰদেশ ৰাজ্য অধিনিয়ম ১৯৭০, (১৯৭০-ৰ ৫৩)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (২৫-১-১৯৭১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] বিহাৰ পুনৰ্গঠন অধিনিয়ম, ২০০০ (২০০০-ৰ ৩০)-ৰ ধাৰা ৭-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ২৯-ক ৫-ৰ পৰা ৩০-ৰে পুনঃক্ৰমাংকিত (১৫-১১-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] অন্ধ্ৰপ্ৰদেশ পুনৰ্গঠন অধিনিয়ম, ২০১৪ (২০১৪-ৰ ৬)-ৰ ধাৰা ১২-ৰ দ্বাৰা প্ৰৱিষ্টি ২-ৰ পৰা ৩০-ক, ৩-ৰ পৰা ৩১-ৰে পুনঃক্ৰমাংকিত (২-৬-২০১৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৮-ৰ দ্বাৰা প্ৰৱিষ্টি ২২-ৰ পৰা ৩১-ক, ২১-ৰ পৰা ৩০-ৰে পুনঃক্ৰমাংকিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] সংবিধানৰ (৩৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (২৬-৪-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[6] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[7] অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৬৯)-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[8] পণ্ডিচেৰী (নাম পৰিৱৰ্তন) অধিনিয়ম, ২০০৬ (২০০৬-ৰ ৪৪)-ৰ ধাৰা ৪-ৰ দ্বাৰা "পণ্ডিচেৰী"-ৰ সলনি প্ৰতিস্থাপিত (১-১০-২০০৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[9] জম্মু আৰু কাশ্মীৰ পুনৰ্গঠন অধিনিয়ম, ২০১৯ (২০১৯-ৰ ৩৪)-ৰ ধাৰা ৮-ৰ দ্বাৰা অন্তঃস্থাপিত (৩১-১০-২০১৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[10] গোৱা, দমন আৰু ডিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭-ৰ ১৮)-ৰ ধাৰা ৬-ৰ দ্বাৰা "২৩২"-ৰ সলনি প্ৰতিস্থাপিত (৩০-৫-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# পঞ্চম অনুসূচী

## [(অনুচ্ছেদ ২৪৪(১)]

## অনুসূচিত ক্ষেত্ৰ আৰু অনুসূচিত জনজাতিসমূহৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ সম্পৰ্কে উপবন্ধাৱলী

### অংশ - ক

সাধাৰণ

**১। নিৰ্বচন** – এই অনুসূচীত, প্ৰসংগক্ৰমে অন্যথা প্ৰয়োজন নহ'লে, "ৰাজ্য" শব্দই [১]*** [২][অসম, [৩][[৪][মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্য]-ক অন্তৰ্ভুক্ত নকৰিব।]]

**২। অনুসূচিত ক্ষেত্ৰত কোনো ৰাজ্যৰ কাৰ্য্যপালিকা ক্ষমতা** - এই অনুসূচীৰ উপবন্ধাৱলী সাপেক্ষে, কোনো ৰাজ্যৰ কাৰ্য্যপালিকা ক্ষমতা সেই ৰাজ্যৰ অনুসূচিত ক্ষেত্ৰলৈ বিস্তাৰিত হ'ব।

**৩। অনুসূচিত ক্ষেত্ৰৰ প্ৰশাসন সম্বন্ধে ৰাজ্যপালৰ [৫]*** দ্বাৰা ৰাষ্ট্ৰপতিক দিয়া প্ৰতিবেদন** - অনুসূচিত ক্ষেত্ৰ থকা প্ৰত্যেক ৰাজ্যৰ ৰাজ্যপালে [৫]*** বছৰি বা যেতিয়াই ৰাষ্ট্ৰপতিয়ে বিচাৰে তেতিয়াই, ৰাষ্ট্ৰপতিক সেই ৰাজ্যৰ অনুসূচিত ক্ষেত্ৰৰ প্ৰশাসন সম্বন্ধে প্ৰতিবেদন দাখিল কৰিব আৰু সংঘৰ কাৰ্য্যপালিকা ক্ষমতা উক্ত ক্ষেত্ৰসমূহৰ প্ৰশাসন সম্বন্ধে ৰাজ্যক নিৰ্দেশ দিয়া পৰ্য্যন্ত বিস্তাৰিত হ'ব।

### অংশ - খ

অনুসূচিত ক্ষেত্ৰ আৰু অনুসূচিত জনজাতিসমূহৰ প্ৰশাসন আৰু নিয়ন্ত্ৰণ

**৪। জনজাতি পৰামৰ্শ পৰিষদ** - (১) অনুসূচিত ক্ষেত্ৰ থকা প্ৰত্যেক ৰাজ্যত আৰু যদি ৰাষ্ট্ৰপতিয়ে তেনে নিৰ্দেশ দিয়ে, অনুসূচিত জনজাতি থকা কিন্তু অনুসূচিত ক্ষেত্ৰ নথকা কোনো ৰাজ্যত, অনধিক বিশজন সদস্যৰে এখন জনজাতি পৰামৰ্শ পৰিষদ স্থাপন কৰিব যিখনৰ যথাসম্ভৱ তিনি-চতুৰ্থাংশ সদস্য সেই ৰাজ্যৰ বিধানসভাৰ অনুসূচিত জনজাতিৰ প্ৰতিনিধি হ'ব:

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা খ-ত নিৰ্দিষ্ট ৰাজ্যসমূহক অৰ্থ কৰিব কিন্তু" এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১-ৰ দ্বাৰা "অসম ৰাজ্য"-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৩-ৰ দ্বাৰা "আৰু মেঘালয়" শব্দৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা "মেঘালয় আৰু ত্ৰিপুৰা"-ৰ সলনি প্ৰতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমুখ" শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, যদি সেই ৰাজ্যৰ বিধানসভাত থকা অনুসূচিত জনজাতিৰ প্ৰতিনিধিৰ সংখ্যা জনজাতি পৰামৰ্শ পৰিষদত এনে প্ৰতিনিধিৰ দ্বাৰা পূৰাবলগীয়া আসনৰ সংখ্যাতকৈ কম হয়, তেনেহ'লে বাকী আসন তেনে জনজাতিৰ অন্য সদস্যৰ দ্বাৰা পূৰণ কৰিব।

(২) ৰাজ্যপালৰ [১]*** দ্বাৰা ৰাজ্যৰ অনুসূচিত জনজাতিৰ কল্যাণ আৰু প্ৰগতি সম্পৰ্কীয় যিবোৰ বিষয় তেওঁলোকলৈ প্ৰেৰণ কৰা হয় তেনেবোৰ বিষয়ে পৰামৰ্শ দিয়াটো জনজাতি পৰামৰ্শ পৰিষদৰ কৰ্তব্য হ'ব।

(৩) ৰাজ্যপালে [২]***

(ক) পৰিষদৰ সদস্য সংখ্যা, তেওঁলোকৰ নিযুক্তি আৰু পৰিষদৰ সভাপতি আৰু ইয়াৰ পদাধিকাৰী আৰু সেৱকসকলৰ নিযুক্তিৰ ৰীতি;

(খ) ইয়াৰ বৈঠকৰ পৰিচালনা আৰু ইয়াৰ সাধাৰণ প্ৰক্ৰিয়া; আৰু

(গ) অন্যান্য সকলো প্ৰাসংগিক বিষয়;

যিদৰেই প্ৰযোজ্য সেইদৰেই, বিহিত বা বিনিয়মিত কৰি নিয়মাৱলী প্ৰস্তুত কৰিব পাৰে।

**৫। অনুসূচিত ক্ষেত্ৰত প্ৰযোজ্য বিধি** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, ৰাজ্যপালে [১]*** চৰকাৰী অধিসূচনাৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে, সংসদ বা ৰাজ্যৰ বিধানমণ্ডলৰ কোনো নিৰ্দিষ্ট অধিনিয়ম ৰাজ্যৰ কোনো অনুসূচিত ক্ষেত্ৰ বা তাৰ কোনো অংশবিশেষত প্ৰযোজ্য নহ'ব বা ৰাজ্যৰ কোনো কোনো অনুসূচিত ক্ষেত্ৰ বা তাৰ কোনো অংশবিশেষত অধিসূচনাত নিৰ্দিষ্ট কৰা তেনে ব্যতিক্ৰম আৰু পৰিৱৰ্তন সাপেক্ষেহে প্ৰযোজ্য হ'ব আৰু এই উপপেৰেগ্ৰাফৰ অধীনত দিয়া কোনো নিৰ্দেশ পূৰ্ববৰ্তীভাৱে কাৰ্যকৰী হোৱাকৈ দিব পাৰে।

(২) ৰাজ্যপালে কোনো ৰাজ্যৰ সেইসময়ত অনুসূচিত ক্ষেত্ৰ হৈ থকা যিকোনো ক্ষেত্ৰৰ শান্তি আৰু সুশাসনাৰ্থে বিনিয়মন কৰিব পাৰে।

বিশেষকৈ, আৰু উপৰোক্ত ক্ষমতাৰ ব্যাপকতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নেপেলাৱাকৈ, এনে বিনিয়মে -

(ক) তেনেক্ষেত্ৰত অনুসূচিত জনজাতিৰ লোকৰ দ্বাৰা বা মাজত ভূমি-হস্তান্তৰকৰণ নিষেধ বা প্ৰতিবন্ধিত কৰিব পাৰে;

(খ) তেনেক্ষেত্ৰত অনুসূচিত জনজাতিৰ লোকৰ মাজত ভূমিৰ বণ্টনৰ বিনিয়মন কৰিব পাৰে;

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “বা ৰাজপ্ৰমুখ, যিটোৱেই প্ৰযোজ্য” শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা “বা ৰাজপ্ৰমূখ” শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(গ) যি ব্যক্তিয়ে তেনে ক্ষেত্ৰত অনুসূচিত জনজাতিৰ লোকক ধন ধাৰে দিয়ে তেনে ব্যক্তিৰ দ্বাৰা ঋণদাতা হিচাপে কৰা ব্যৱসায়ৰ বিনিয়মন কৰিব পাৰে।

(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ত নিৰ্দেশিত এনে বিনিয়ম কৰোতে ৰাজ্যপালে [১]*** সংসদ বা ৰাজ্যৰ বিধানমণ্ডলৰ কোনো অধিনিয়ম বা কোনো উক্ত ক্ষেত্ৰত প্ৰযোজ্য বৰ্তমানে চলিত বিধিৰ বাতিল বা সংশোধন কৰিব পাৰে।

(৪) এই পেৰেগ্ৰাফৰ অধীনত কৰা সকলো বিনিয়ম অনতিবিলম্বে ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰিব লাগিব আৰু যেতিয়ালৈকে তেওঁৰ দ্বাৰা ইয়াত অনুমতি প্ৰদান কৰা নহয় তেতিয়ালৈকে ই কাৰ্য্যকৰী নহ'ব।

(৫) এনে বিনিয়ম প্ৰণয়ন কৰা ৰাজ্যপালে [১]*** যি ৰাজ্যত জনজাতি পৰামৰ্শ পৰিষদ থাকে সেই পৰামৰ্শ পৰিষদৰ লগত পৰামৰ্শ নকৰাকৈ এই পেৰেগ্ৰাফৰ অধীনত কোনো বিনিয়ম কৰিব নোৱাৰিব।

## অংশ - গ

## অনুসূচিত ক্ষেত্ৰসমূহ

**৬। অনুসূচিত ক্ষেত্ৰসমূহ** - (১) এই সংবিধানত "অনুসূচিত ক্ষেত্ৰসমূহ" বুলিলে তেনে ক্ষেত্ৰক বুজাব যিবিলাকক ৰাষ্ট্ৰপতিয়ে আদেশৰ* দ্বাৰা অনুসূচিত ক্ষেত্ৰ বুলি ঘোষণা কৰে।

(২) ৰাষ্ট্ৰপতিয়ে যিকোনো সময়ত আদেশৰ** দ্বাৰা, -

(ক) নিৰ্দেশ দিব পাৰে যে, কোনো সমগ্ৰ অনুসূচিত ক্ষেত্ৰ বা তাৰ কোনো নিৰ্দিষ্ট অংশ অনুসূচিত ক্ষেত্ৰ হিচাপে বা তেনে ক্ষেত্ৰৰ অংশ হিচাপে পৰিগণিত নহ'ব;

[২][(কক) সেই ৰাজ্যৰ ৰাজ্যপালৰ লগত পৰামৰ্শ কৰাৰ পিচত কোনো ৰাজ্যৰ কোনো অনুসূচিত ক্ষেত্ৰ বৃদ্ধি কৰিব পাৰে;]

(খ) কেৱল সীমাৰ সংশোধন স্বৰূপে কোনো অনুসূচিত ক্ষেত্ৰৰ পৰিৱৰ্তন কৰিব পাৰে;

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমূখ" এই শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।
উক্ত অধিনিয়মৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "বা ৰাজপ্ৰমূখ" এই শব্দসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

* অনুসূচীত ক্ষেত্ৰ (অংশ ক ৰাজ্যসমূহ) আদেশ, ১৯৫০ (চি.অ. ৯), অনুসূচীত ক্ষেত্ৰ (অংশ খ ৰাজ্য) আদেশ, ১৯৫০ (চি.অ. ২৬), অনুসূচীত ক্ষেত্ৰ (হিমাচল প্ৰদেশ) আদেশ, ১৯৭৫ (চি.অ. ১০২) আৰু অনুসূচীত ক্ষেত্ৰ (বিহাৰ, গুজৰাট, মধ্য প্ৰদেশ আৰু উৰিষ্যা ৰাজ্য) আদেশ, ১৯৭৭ (চি.অ. ১০৯) চাওঁক।

** মাদ্ৰাজ অনুসূচীত ক্ষেত্ৰ (সমাপ্তি) আদেশ, ১৯৫০ (চি.অ. ৩০), আৰু অন্ধ্ৰ অনুসূচীত ক্ষেত্ৰ (সমাপ্তি) আদেশ, ১৯৫৫ (চি.অ. ৫০) চাওঁক।

[২] সংবিধান পঞ্চম অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬-ৰ ১০১)-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৭-৯-১৯৭৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(পঞ্চম অনুসূচী)

(গ) কোনো ৰাজ্যৰ সীমা পৰিৱৰ্তন বা কোনো ৰাজ্যক সংঘত অন্তৰ্ভুক্ত কৰোতে বা নতুন ৰাজ্য গঠন কৰাৰ পূৰ্বে কোনো ৰাজ্যত অন্তৰ্ভুক্ত নকৰা ৰাজ্যক্ষেত্ৰক অনুসূচিত ক্ষেত্ৰ বা তেনে অনুসূচিত ক্ষেত্ৰৰ অংশবিশেষ স্বৰূপে ঘোষণা কৰিব পাৰে;

[১][(ঘ) কোনো ৰাজ্য বা ৰাজ্যসমূহৰ সম্পৰ্কত এই পেৰেগ্ৰাফৰ অধীনত দিয়া যি কোনো আদেশ বা আদেশসমূহ ৰদ কৰিব পাৰে, আৰু সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালৰ লগত পৰামৰ্শ কৰি অনুসূচিত ক্ষেত্ৰ হ'বলগীয়া ক্ষেত্ৰসমূহ পুনঃনিৰ্ধাৰিত কৰি নতুন আদেশ দিব পাৰে;]

আৰু তেনে আদেশত ৰাষ্ট্ৰপতিয়ে প্ৰয়োজনীয় আৰু উচিত বোধ কৰা যি কোনো আনুষংগিক আৰু পৰিণামস্বৰূপ উপবন্ধ থাকিব পাৰে কিন্তু উপৰোক্তৰ বাহিৰে এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত দিয়া আদেশক কোনো পৰৱৰ্তী আদেশেৰে সালসলনি কৰিব নোৱাৰিব।

## অংশ - ঘ

## অনুসূচীৰ সংশোধন

**৭। অনুসূচীৰ সংশোধন** - (১) সংসদে সময়ে সময়ে বিধিৰ দ্বাৰা এই অনুসূচীৰ উপবন্ধাৱলী সংযোজন, সালসলনি বা বাতিল ৰূপে সংশোধন কৰিব পাৰিব আৰু যেতিয়া এই অনুসূচী তেনেদৰে সংশোধিত হয়, তেতিয়া এই সংবিধানত থকা এই অনুসূচীৰ উল্লেখে তেনে সংশোধিত অনুসূচীৰ নিৰ্দেশ ৰূপে অৰ্থ কৰিব।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত উল্লিখিত কোনো বিধি অনুচ্ছেদ ৩৬৮-ৰ প্ৰয়োজনৰ বাবে এই সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহ'ব।

---

[১] সংবিধান পঞ্চম অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬-ৰ ১০১)-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৭-৯-১৯৭৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# ষষ্ঠ অনুসূচী

## [অনুচ্ছেদ ২৪৪(২) আৰু ২৭৫(১)]

## [1][অসম, মেঘালয়, ত্রিপুৰা আৰু মিজোৰাম ৰাজ্য]-ৰ জনজাতি ক্ষেত্রসমূহৰ প্রশাসন সম্পৰ্কীয় উপবন্ধাৱলী

[2]**১। স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহ** - (১) এই পেৰেগ্রাফৰ উপবন্ধাৱলীৰ অধীনত, এই অনুসূচীৰ পেৰেগ্রাফ ২০-ত সংযোজিত তালিকাৰ [3][[4][অংশ ১, ২ আৰু ২ক] আৰু অংশ ৩-ৰ] প্রত্যেক বিষয়ৰ জনজাতি ক্ষেত্রসমূহ একোখন স্বায়ত্ত শাসিত জিলা হ'ব।

(২) কোনো এখন স্বায়ত্ত শাসিত জিলাত বিভিন্ন অনুসূচিত জনজাতি থাকিলে, ৰাজ্যপালে, চৰকাৰী অধিসূচনাৰ দ্বাৰা, তেওঁলোকে বাস কৰা ক্ষেত্র বা ক্ষেত্রসমূহক স্বায়ত্ত শাসিত অঞ্চল ৰূপে বিভক্ত কৰিব পাৰে।

(৩) ৰাজ্যপালে, চৰকাৰী অধিসূচনাৰ দ্বাৰা—

(ক) যিকোনো অঞ্চল উক্ত তালিকাৰ [3][যিকোনো অংশ]ৰ অন্তৰ্ভুক্ত কৰিব পাৰে;

(খ) যিকোনো অঞ্চল উক্ত তালিকাৰ [3][যিকোনো অংশ]ৰ পৰা বহিৰ্ভূত কৰিব পাৰে;

(গ) কোনো নতুন স্বায়ত্ত শাসিত জিলা সৃষ্টি কৰিব পাৰে;

(ঘ) কোনো স্বায়ত্ত শাসিত জিলাৰ ক্ষেত্র বৃদ্ধি কৰিব পাৰে;

(ঙ) কোনো স্বায়ত্ত শাসিত জিলাৰ ক্ষেত্র হ্রাস কৰিব পাৰে;

(চ) কোনো এখন স্বায়ত্ত শাসিত জিলা গঠনৰ কাৰণে দুখন বা ততোধিক স্বায়ত্ত শাসিত জিলা বা তাৰ কোনো অংশবিশেষ একত্রিত কৰিব পাৰে;

[5][(চচ) যিকোনো স্বায়ত্ত শাসিত জিলাৰ নাম সলনি কৰিব পাৰে;]

(ছ) যিকোনো স্বায়ত্ত শাসিত জিলাৰ সীমা নিৰ্ধাৰিত কৰিব পাৰে:

---

[1] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্রতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্রাফ ১-ক অসমৰ ক্ষেত্রত প্রযোজ্যকৰণত সংশোধন কৰা হৈছে, সেয়েহে উপপেৰেগ্রাফ ২-ৰ পাছত তলৰ ব্যতিক্রম অন্তঃস্থাপিত, অৰ্থাৎ -

"কিন্তু এই উপপেৰেগ্রাফৰ কোনো কথাই বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্রিকৰ বাবে প্রযোজ্য নহ'ব" (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অংশ ক"-ৰ সলনি প্রতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা "অংশ ১ আৰু ২"-ৰ সলনি প্রতিস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, এই অনুসূচীৰ পেৰেগ্ৰাফ ১৪-ৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত নিযুক্ত কোনো আয়োগৰ প্ৰতিবেদন বিবেচনা নকৰাকৈ ৰাজ্যপালে এই উপপেৰেগ্ৰাফৰ দফা (গ), (ঘ), (ঙ) আৰু (চ)-ৰ অধীনত কোনো আদেশ নিদিব:

[1][অধিকন্তু, এই উপপেৰেগ্ৰাফৰ অধীনত ৰাজ্যপালে দিয়া যিকোনো আদেশত এনে আনুষংগিক আৰু পৰিণামস্বৰূপ উপবন্ধাৱলী অন্তৰ্ভুক্ত হৈ থাকিব পাৰে (পেৰেগ্ৰাফ ২০-ৰ যিকোনো সংশোধন আৰু উক্ত তালিকাৰ যিকোনো অংশৰ যিকোনো বিষয়ৰ সংশোধনকে ধৰি) যিবিলাক আদেশৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবলৈ আৱশ্যক বুলি ৰাজ্যপালে বিবেচনা কৰে।]

[2]**২। জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহৰ গঠন** - [3][(১) প্ৰত্যেকখন স্বায়ত্ত শাসিত জিলাৰ বাবে অনধিক ত্ৰিশজন সদস্যৰে গঠিত একোখন জিলা পৰিষদ হ'ব, তাৰ ভিতৰত অনধিক চাৰিজন ব্যক্তি ৰাজ্যপালৰ দ্বাৰা মনোনীত হ'ব আৰু বাকীসকল প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচিত হ'ব।]

---

[1] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ২-ক অসমৰ ক্ষেত্ৰত প্ৰযোজ্যকৰণত সংশোধন কৰা হৈছে, সেয়েহে উপপেৰেগ্ৰাফ (১)-ৰ পাছত তলৰ ব্যতিক্ৰম সংযোজন কৰা হৈছে, অৰ্থাৎ -

"কিন্তু, বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ ছয়চল্লিছ জনতকৈ অধিক সদস্যৰে গঠিত হ'ব নোৱাৰিব, য'ত চল্লিছজনক প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত নিৰ্বাচন কৰা হ'ব, ইয়াৰে ত্ৰিছটা সদস্যপদ অনুসূচীত জনজাতিৰ বাবে, ৫ টা অজনজাতিৰ বাবে, ৫ টা পদ সকলো সম্প্ৰদায়ৰ বাবে আৰু বাকী ৬ টা পদ বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্টৰ প্ৰতিনিধিত্ব নোপোৱা অন্য সম্প্ৰদায়ৰ লোকৰ বাবে সংৰক্ষিত থাকিব। এই অন্য সম্প্ৰদায়ৰ লোকসকলে আন সদস্যসকলৰ দৰে ভোটাধিকাৰকে ধৰি সকলোবোৰ অধিকাৰ আৰু সুবিধা পাব, ইয়াৰে কমেও দুগৰাকী মহিলা সদস্য হ'ব।"

সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম ১৯৯৫ (১৯৯৫-ৰ ৪২)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত পেৰেগ্ৰাফ ২-ৰ প্ৰয়োগৰ বাবে এই পেৰেগ্ৰাফ সংশোধন কৰা হৈছে। সেয়েহে উপপেৰেগ্ৰাফ (৩)-ৰ পাছত তলৰ ব্যতিক্ৰম অন্তঃস্থাপিত কৰা হৈছে, অৰ্থাৎ -

"কিন্তু, উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বাবে গঠন কৰা জিলা পৰিষদক উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত্ব শাসিত পৰিষদ আৰু কাৰ্বি আংলং জিলাৰ বাবে গঠন কৰা জিলা পৰিষদক কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদ নামেৰে জনা যাব।"

সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ২-ক অসমৰ ক্ষেত্ৰত প্ৰযোজ্যকৰণত সংশোধন কৰা হৈছে, সেয়েহে উপপেৰেগ্ৰাফ (৩)-ৰ পাছত তলৰ ব্যতিক্ৰম সংযোজন কৰা হৈছে, অৰ্থাৎ -

"অধিকন্তু, বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্টৰ বাবে গঠন কৰা জিলা পৰিষদক বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ বুলি জনা যাব।"

[3] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা উপপেৰেগ্ৰাফ (১)-ৰ সলনি প্ৰতিস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) এই অনুসূচীৰ পেৰেগ্ৰাফ ১-ৰ উপপেৰেগ্ৰাফ (২)-ৰ অধীনত স্বায়ত্ত শাসিত অঞ্চল ৰূপে গঠিত প্ৰত্যেক ক্ষেত্ৰৰ বাবে একোখন পৃথক আঞ্চলিক পৰিষদ থাকিব।

(৩) প্ৰত্যেকখন জিলা পৰিষদ আৰু প্ৰত্যেকখন আঞ্চলিক পৰিষদ ক্ৰমে "(জিলাখনৰ নাম)ৰ জিলা পৰিষদ" আৰু "(অঞ্চলটোৰ নাম)ৰ আঞ্চলিক পৰিষদ" নামেৰে একোখন নিগমিত নিকায় হ'ব, ইয়াৰ শাশ্বত উত্তৰাধিকাৰ আৰু উমৈহতীয়া মোহৰ থাকিব আৰু উক্ত নামেৰে এনে পৰিষদে গোচৰ চলাব আৰু চলোৱাব পাৰিব:

(৪) এই অনুসূচীৰ উপবন্ধাৱলী সাপেক্ষে, কোনো স্বায়ত্ত শাসিত জিলাৰ প্ৰশাসন, এই অনুসূচীৰ অধীনত সেই জিলাৰ অন্তৰ্গত কোনো আঞ্চলিক পৰিষদত যি পৰ্য্যন্ত ন্যস্ত হোৱা নাই সেই পৰ্য্যন্ত তেনে জিলাৰ জিলা পৰিষদত ন্যস্ত হ'ব আৰু কোনো স্বায়ত্ত শাসিত অঞ্চলৰ প্ৰশাসন তেনে অঞ্চলৰ বাবে আঞ্চলিক পৰিষদত ন্যস্ত হ'ব।

(৫) আঞ্চলিক পৰিষদ থকা স্বায়ত্ত শাসিত জিলাত আঞ্চলিক পৰিষদৰ প্ৰাধিকাৰত থকা ক্ষেত্ৰৰ সম্বন্ধত এই অনুসূচীৰ দ্বাৰা প্ৰদত্ত ক্ষমতাৰ উপৰিও জিলা পৰিষদে তেনে ক্ষেত্ৰৰ সম্বন্ধত মাত্ৰ এনে ক্ষমতা পাব যিবিলাক ক্ষমতা আঞ্চলিক পৰিষদে জিলা পৰিষদক অৰ্পণ কৰে।

(৬) ৰাজ্যপালে, সংশ্লিষ্ট স্বায়ত্ত শাসিত জিলা বা অঞ্চলসমূহৰ অন্তৰ্গত বৰ্তমানে থকা জনজাতি পৰিষদ বা অন্যান্য প্ৰতিনিধিমূলক জনজাতি সংগঠনসমূহৰ লগত পৰামৰ্শ কৰি, জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহ প্ৰথম গঠন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব আৰু তেনে নিয়মাৱলীত নিম্নলিখিত উপবন্ধাৱলী থাকিব –

(ক) জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহৰ গঠন আৰু তাত আসনৰ বণ্টন;

(খ) সেই পৰিষদসমূহলৈ নিৰ্বাচনৰ বাবে আঞ্চলিক সমষ্টিৰ পুনৰগঠন;

(গ) তেনে নিৰ্বাচনত ভোটদানৰ বাবে অৰ্হতা আৰু তাৰ বাবে ভোটাৰ তালিকাৰ প্ৰস্তুতি;

(ঘ) এনে নিৰ্বাচনসমূহত এনে পৰিষদসমূহৰ সদস্যৰূপে নিৰ্বাচিত হ'বলৈ অৰ্হতাসমূহ;

(ঙ) [১][আঞ্চলিক পৰিষদ]সমূহৰ সদস্যসকলৰ কাৰ্য্যকাল;

---

[১] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা "এনে পৰিষদ"ৰ সলনি প্ৰতিস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(চ) এনে পৰিষদসমূহলৈ নিৰ্বাচন বা মনোনয়ন সম্পৰ্কীয় বা তাৰ লগত জড়িত আন যি কোনো বিষয়;

(ছ) জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহৰ কাৰ্য্যপ্ৰণালী আৰু [1][(কোনো আসন শূন্য হৈ থকা সত্বেও কাৰ্য্য কৰাৰ ক্ষমতাক সামৰি)] পৰিষদসমূহৰ কাৰ্য্য পৰিচালনা;

(জ) জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহৰ পদাধিকাৰী আৰু কৰ্মচাৰীসকলৰ নিযুক্তি।

[1][(৬ক)। জিলা পৰিষদৰ নিৰ্বাচিত সদস্যসকলে, পৰিষদৰ বাবে হোৱা সাধাৰণ নিৰ্বাচনৰ পিচত পৰিষদৰ প্ৰথম বৈঠকৰ বাবে নিযুক্ত তাৰিখৰ পৰা পাঁচ বছৰ কালৰ বাবে নিজৰ পদ ধাৰণ কৰিব, যদিহে পেৰেগ্ৰাফ ১৬-ৰ অধীনত ইতিপূৰ্বে জিলা পৰিষদ ভংগ কৰি দিয়া নহয়, আৰু মনোনীত সদস্যসকলে ৰাজ্যপালৰ সন্তুষ্টি পৰ্য্যন্ত পদ ধাৰণ কৰিব:

কিন্তু, জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থকাৰ সময়ত অথবা যদি এনে অৱস্থা বিদ্যমান হয় যি অৱস্থাৰ বাবে ৰাজ্যপালৰ মতে নিৰ্বাচন পতাটো অসাধ্য হৈ পৰে, তেতিয়া ৰাজ্যপালে উক্ত পাঁচবছৰ কাল এককেবাৰতে অনধিক এবছৰৰ বাবে বঢ়াই দিব পাৰিব আৰু জৰুৰীকালীন অৱস্থাৰ উদ্‌ঘোষণা চলি থকাৰ সময়ত যিকোনো অৱস্থাতে সেই উদ্‌ঘোষণাৰ প্ৰৱৰ্তন অন্ত হোৱাৰ পৰা অনধিক ছমাহ কালৰ বাবেহে বঢ়াই দিব পাৰিব:

অধিকন্তু, কোনো আকস্মিক ৰিক্ত স্থান পূৰণৰ বাবে নিৰ্বাচিত হোৱা কোনো সদস্যই যি সদস্যৰ ঠাইত নিৰ্বাচিত হয় সেই সদস্যজনৰ কাৰ্যকালৰ কেৱল বাকী থকা কালৰ বাবেহে পদ ধাৰণ কৰিব।]

(৭) জিলা বা আঞ্চলিক পৰিষদে প্ৰথম গঠিত হোৱাৰ পিচতে [1][ৰাজ্যপালৰ অনুমোদন ক্ৰমে] এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (৬)-ত সুনিৰ্দিষ্ট বিষয়সমূহৰ সম্পৰ্কত নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে আৰু [1][তেনে অনুমোদন ক্ৰমে] নিম্নলিখিত বিষয়সমূহ বিনিয়মিত কৰিও নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে –

(ক) অধীনস্থ স্থানীয় পৰিষদ বা বোৰ্ড গঠন আৰু সেইবিলাকৰ কাৰ্য্যপ্ৰণালী আৰু কাৰ্য্য পৰিচালনা; আৰু

(খ) সাধাৰণতে জিলাখন বা অঞ্চলটোৰ, যিটোৱেই প্ৰযোজ্য, প্ৰশাসন সংক্ৰান্তত কাৰ্য্য পৰিচালনা সম্পৰ্কীয় সকলো বিষয়:

---

[1] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

কিন্তু, জিলা বা আঞ্চলিক পৰিষদৰ দ্বাৰা এই উপপেৰেগ্ৰাফৰ অধীনত নিয়মাৱলী প্ৰণয়ন নকৰা পৰ্য্যন্ত, এনে প্ৰত্যেক পৰিষদলৈ নিৰ্বাচন, ইয়াৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ আৰু ইয়াৰ কাৰ্য্যপ্ৰণালী আৰু কাৰ্য্য পৰিচালনাৰ সম্বন্ধত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (৬)-ৰ অধীনত ৰাজ্যপালৰ দ্বাৰা প্ৰণীত নিয়মাৱলীয়েই কাৰ্য্যকৰী হ'ব।

[১]* * * *

[২]**৩। জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদসমূহৰ বিধি প্ৰণয়ন কৰা ক্ষমতাসমূহ** - (১) স্বায়ত্ত শাসিত অঞ্চলৰ আঞ্চলিক পৰিষদৰ তেনে অঞ্চলত অন্তৰ্গত থকা সকলো ক্ষেত্ৰৰ

---

[১] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা দ্বিতীয় ব্যতিক্ৰম বিলোপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত প্ৰযোজ্য কৰিবলৈ উপ-পেৰেগ্ৰাফ (৩) প্ৰতিস্থাপিত কৰিবৰ বাবে পেৰেগ্ৰাফ ৩ সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), যথা -

"(৩) পেৰেগ্ৰাফ ৩ক-ৰ উপ-পেৰেগ্ৰাফ (২) বা পেৰেগ্ৰাফ ৩খ-ৰ উপ-পেৰেগ্ৰাফ (২)-ত থকা বিষয়সমূহ অন্যধৰণে উল্লেখ নকৰালৈকে পেৰেগ্ৰাফ ৩ক-ৰ উপ-পেৰেগ্ৰাফ (১) বা পেৰেগ্ৰাফ ৩খ-ৰ উপ-পেৰেগ্ৰাফ (১) বা এই পেৰেগ্ৰাফৰ সকলো বিধিৰ কৰ্তৃত্ব ৰাজ্যপালৰ হাতত তৎকালীনভাৱে প্ৰদান কৰা হৈছে, আৰু ৰাজ্যপালৰ অনুমোদন অবিহনে ই প্ৰযোজ্য নহ'ব।"

পেৰেগ্ৰাফ ৩-ৰ পৰৱৰ্তী হিচাপে তলত দিয়া পেৰেগ্ৰাফ সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৯৫ (১৯৯৫-ৰ ৪২)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত প্ৰয়োগ হোৱাকৈ অন্তঃস্থাপিত (১২-৯-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

"৩ক। **উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত্ব শাসিত পৰিষদ আৰু কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদৰ বিধি প্ৰণয়নৰ অতিৰিক্ত ক্ষমতা** - (১) পেৰেগ্ৰাফ ৩-ৰ উপবন্ধাৱলীত কোনো প্ৰতিকুল প্ৰভাৱ নেপেলোৱাকৈ, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত্ব শাসিত পৰিষদ আৰু কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদে নিজৰ জিলাত তলত দিয়া বিষয়সমূহত বিধি প্ৰণয়ন কৰিব পাৰিব -

ক) উদ্যোগসমূহ, সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৭-ৰ পৰা ৫২-লৈকে থকা উপবন্ধাৱলী সাপেক্ষে;

খ) যোগাযোগ, যেনে ৰাস্তা, দলং, ফেৰী আৰু সপ্তম অনুসূচীৰ তালিকা ১-ত উল্লেখ নথকা অন্য যোগাযোগৰ মাধ্যমসমূহ, পৌৰসভাৰ ট্ৰামপথ, ৰজ্জুপথ, আভ্যন্তৰীণ জলপথ আৰু যান-বাহন - সপ্তম অনুসূচীৰ তালিকা ১ আৰু তালিকা ৩-ত থকা উপবন্ধাৱলী সাপেক্ষে এনেধৰণৰ জলপথসমূহ; যন্ত্ৰচালিত বাহনসমূহৰ বাহিৰে অন্যান্য বাহনসমূহ;

গ) পশু সংৰক্ষণ, সুৰক্ষা আৰু মজুতকৰণৰ উন্নতি আৰু বেমাৰৰ প্ৰতিৰোধ; পশু চিকিৎসকৰ প্ৰশিক্ষণ আৰু অনুশীলন; গৰুৰ পাউণ্ড বা খোৱাৰ;

ঘ) প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা;

ঙ) কৃষি, কৃষি শিক্ষাকে ধৰি গৱেষণা, কীট-পতংগৰ পৰা সুৰক্ষা আৰু উদ্ভিদৰ ৰোগ প্ৰতিৰোধ;

চ) মীন পালন;

(পাদটীকা ক্ৰমশঃ), -

ছ) পানী, যেনে - পানী-যোগান, জলসিঞ্চন আৰু খাল, নিষ্কাষণ আৰু মথাউৰিসমূহ, জল সংৰক্ষণ আৰু সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৫৬-ত থকা জলশক্তি বিষয়ক উপবন্ধাৱলী;

জ) সামাজিক নিৰাপত্তা আৰু সামাজিক বীমা; নিয়োগ আৰু নিবনুৱা;

ঝ) গাঁও, খেতিপথাৰ, বজাৰ, নগৰ আদি সুৰক্ষাৰ বাবে বান নিয়ন্ত্ৰণ আঁচনি (কাৰিকৰী বিষয়ৰ বাহিৰে);

ঞ) থিয়েটাৰ আৰু নাটকৰ প্ৰদৰ্শন, সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৬০-ত থকা চিনেমা বিষয়ক উপবন্ধাৱলী; খেল, আমোদ-প্ৰমোদ আৰু বিনোদন;

ট) ৰাজহুৱা স্বাস্থ্য আৰু অনাময় ব্যৱস্থা, চিকিৎসালয় আৰু ডিচপেনচাৰীসমূহ;

ঠ) ক্ষুদ্ৰ জলসিঞ্চন;

ড) খাদ্য সামগ্ৰী, ঘৰচীয়া পশু-খাদ্য, কেঁচা কঁপাহ আৰু কেঁচা মৰাপাটৰ উৎপাদন, যোগান আৰু বিতৰণ সম্পৰ্কীয় বেপাৰ আৰু বাণিজ্য;

ঢ) ৰাজ্যই নিয়ন্ত্ৰণ কৰা বা পুঁজি যোগান ধৰা পুথিভঁৰাল, যাদুঘৰ আৰু অন্যান্য একেধৰণৰ অনুষ্ঠানসমূহ; সংসদে ৰাষ্ট্ৰীয় গুৰুত্ব থকা বুলি ঘোষণা কৰা সমল আৰু তথ্যসমূহৰ বাহিৰে বা সংসদৰ এনে ধৰণৰ বিধিৰ অধীনত নথকা প্ৰাচীন আৰু ঐতিহাসিক সমল আৰু তথ্যসমূহ; আৰু

ণ) ভূমিৰ হস্তান্তৰণ।

২) উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ আৰু কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে পেৰেগ্ৰাফ ৩-ৰ অধীনত প্ৰস্তুত কৰা সকলো উপবন্ধ বা এই পেৰেগ্ৰাফৰ সপ্তম অনুসূচীৰ তালিকা ৩-ৰ সৈতে সম্পৰ্কিত বিষয়ৰ ওপৰত প্ৰণয়ন কৰা সকলো উপবন্ধ ৰাজ্যপালৰ ওচৰত অৰ্পণ কৰিব আৰু তেওঁ সেয়া ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে সংৰক্ষণ কৰিব।

৩) যেতিয়া কোনো বিধি ৰাষ্ট্ৰপতিৰ বাবে সংৰক্ষণ কৰা হয়, ৰাষ্ট্ৰপতিয়ে ঘোষণা কৰিব যে তেওঁৰ সেই বিধিৰ প্ৰতি সন্মতি জনাইছে বা সন্মতি উঠাই লৈছে:

কিন্তু, ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালৰ জৰিয়তে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ বা কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে যে পৰিষদ দুখনে উক্ত বিধি বা বিধিৰ কোনো নিৰ্দিষ্ট অংশ পুনৰ বিবেচনা কৰিব বা তেওঁ প্ৰেৰণ কৰা কোনো প্ৰস্তাৱ তেওঁলোকে বিধিখনত অন্তৰ্ভুক্ত কৰিব আৰু যেতিয়া সেই বিধিখন উভতি আহিব উক্ত পৰিষদ দুখনে ৰাষ্ট্ৰপতিৰ বাৰ্তা লাভ কৰাৰ ৬ মাহৰ ভিতৰত বিধিখন বিবেচনা কৰিব আৰু, যদি তেওঁলোকে বিধিখন কোনো সংশোধন কৰি বা নকৰি পুনৰ গৃহীত কৰে ইয়াক পুনৰ ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হ'ব।"

সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসমত প্ৰয়োগৰ বাবে পেৰেগ্ৰাফ ৩ক-ৰ পিচত তলত দিয়া পেৰেগ্ৰাফটো সংযোজিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), যথা-

**৩খ। বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ অধিনিয়ম প্ৰণয়নৰ অতিৰিক্ত ক্ষমতা** - (১) পেৰেগ্ৰাফ ৩-ৰ উপবন্ধাৱলীৰ ওপৰত কোনো প্ৰতিকুল প্ৰভাৱ নেপেলোৱাকৈ, বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ ইয়াৰ ক্ষেত্ৰৰ ভিতৰত নিম্নলিখিত বিষয়বোৰৰ সৈতে সম্পৰ্কিত বিধি প্ৰণয়নৰ ক্ষমতা থাকিব:—

(i) কৃষি, কৃষিশিক্ষা আৰু গৱেষণা, পোক-পতংগ আদিৰ পৰা সুৰক্ষা আৰু উদ্ভিদৰ ৰোগ প্ৰতিৰোধক সামৰি; (ii) পশু পালন আৰু পশু চিকিৎসা, অৰ্থাৎ, পশুৰ সংৰক্ষণ, সুৰক্ষা আৰু উন্নতি সাধন, আৰু পশু ৰোগ প্ৰতিৰোধ, পশু চিকিৎসা বিষয়ক প্ৰশিক্ষণ আৰু অনুশীলন, গৰুৰ পাউণ্ড বা খোৱাৰ; (iii) সহযোগ; (iv) সাংস্কৃতিক বিষয়সমূহ; (v) শিক্ষা, অৰ্থাৎ, প্ৰাথমিক শিক্ষা, বৃত্তিমূলক প্ৰশিক্ষণক সামৰি উচ্চ মাধ্যমিক, প্ৰাপ্তবয়স্ক শিক্ষা, মহাবিদ্যালয় শিক্ষা (সাধাৰণ); (vi) মীন পালন; (vii) গাঁও, খেতিপথাৰ, বজাৰ আৰু নগৰ সুৰক্ষাৰ বাবে বান নিয়ন্ত্ৰণ (কাৰিকৰী বিষয়ৰ বাহিৰে); (viii) খাদ্য আৰু অসামৰিক যোগান;

(ix) বনাঞ্চল (সংৰক্ষিত বনাঞ্চলৰ বাহিৰে); (x) হস্ততাঁত আৰু বস্ত্ৰশিল্প; (xi) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ; (xii) নিচাযুক্ত পানীয়, আফিং আৰু তাৰ পৰা প্ৰস্তুত কৰা অন্যান্য দ্ৰব্য, সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি নং ৮৪-ৰ উপবন্ধাৱলী সাপেক্ষে; (xiii) জলসিঞ্চন; (xiv) শ্ৰম আৰু কৰ্মসংস্থাপন; (xv) ভূমি আৰু ৰাজহ; (xvi) গ্ৰন্থাগাৰ সেৱা (ৰাজ্যই নিয়ন্ত্ৰণ কৰা বা পুঁজি যোগান ধৰা); (xvii) লটাৰী (সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৪০-ত থকা উপবন্ধাৱলী সাপেক্ষে), থিয়েটাৰ, নাট্য প্ৰদৰ্শন আৰু চিনেমা (সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৬০-ত থকা উপবন্ধাৱলী সাপেক্ষে); (xviii) বজাৰ আৰু মেলা; (xix) পৌৰ নিগম, উন্নয়ন নিধি, জিলা পৰিষদ আৰু অন্যান্য স্থানীয় কৰ্তৃপক্ষসমূহ; (xx) (ৰাজ্যই নিয়ন্ত্ৰণ কৰা বা পুঁজি যোগান ধৰা যাদুঘৰ আৰু পুৰাতাত্ত্বিক প্ৰতিষ্ঠান, প্ৰাচীন আৰু ঐতিহাসিক স্মৃতিচিহ্ন আৰু তথ্য, যিবোৰ সংসদৰ দ্বাৰা বা সংসদৰ কোনো বিধিৰ অধীনত ৰাষ্ট্ৰীয়-গুৰুত্ব থকা সমল বুলি ঘোষণা কৰা নহয়; xxi) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন; (xxii) পৰিকল্পনা আৰু উন্নয়ন; (xxiii) মুদ্ৰণ আৰু ষ্টেচনাৰী; (xxiv) জনস্বাস্থ্য কাৰিকৰী বিভাগ; (xxv) লোকনিৰ্মাণ বিভাগ; (xxvi) প্ৰচাৰ আৰু জনসংযোগ; (xxvii) জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন; (xxviii) সাহায্য আৰু পুনৰ-সংস্থাপন; (xxix) ৰেচম শিল্প; (xxx) সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৭ আৰু ৫২-ত থকা ক্ষুদ্ৰ, কুটীৰ শিল্প আৰু গ্ৰামোদ্যোগ বিষয়ক উপবন্ধাৱলী; (xxxi) সমাজ কল্যাণ; (xxxii) ভূমি সংৰক্ষণ; (xxxiii) ক্ৰীড়া আৰু যুৱ কল্যাণ; (xxxiv) পৰিসংখ্যা; (xxxv) পৰ্যটন; (xxxvi) পৰিবহন (ৰাস্তা, দলং, ফেৰী আৰু সপ্তম অনুসূচীৰ তালিকা I-ত উল্লেখ নথকা অন্য যোগাযোগৰ মাধ্যমসমূহ, পৌৰসভাৰ ট্ৰামপথ, ৰজ্জুপথ, আভ্যন্তৰীণ জলপথ আৰু যান-বাহন সপ্তম অনুসূচীৰ তালিকা ১ আৰু তালিকা ৩-ত থকা উপবন্ধাৱলী সাপেক্ষে এনেধৰণৰ জলপথসমূহ; যন্ত্ৰচালিত বাহনসমূহৰ বাহিৰে অন্যান্য বাহনসমূহ); (xxxvii) ৰাজ্যই নিয়ন্ত্ৰণ কৰা আৰু পুঁজি যোগান ধৰা জনজাতীয় গৱেষণা প্ৰতিষ্ঠান; (xxxviii) নগৰ উন্নয়ন—নগৰ আৰু গ্ৰাম্যাঞ্চল পৰিকল্পনা; (xxxix) সপ্তম অনুসূচীৰ তালিকা ১-ৰ প্ৰৱিষ্টি ৫০-ত থকা ওজন আৰু জোখ-মাপ সম্পৰ্কীয় উপবন্ধাৱলী; আৰু (xl) ভৈয়ামৰ জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ।

কিন্তু এই বিধিসমূহত থকা কোনো কথাই -

(ক) এই অধিনিয়ম কাৰ্যকৰী হোৱাৰ তাৰিখৰ পৰা কোনো নাগৰিকৰ ভূমি সম্পৰ্কীয় চলিত অধিকাৰ আৰু অন্যান্য সুবিধা নোহোৱা বা পৰিৱৰ্তন নকৰে; আৰু

খ) নাগৰিকক উত্তৰাধিকাৰ, বণ্টন, বসতি বা অন্য কোনো উপায়েৰে ভূমি অধিগ্ৰহণ কৰিবলৈ অনুমতি নিদিয়ে, যদিহে সেই নাগৰিকে অন্য উপায়েৰে বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্টৰ ভিতৰত ভূমি অধিগ্ৰহণৰ বাবে যোগ্য হয়।

২) পেৰেগ্ৰাফ ৩-ৰ সকলো বিধি বা এই পেৰেগ্ৰাফৰ অধীনত সপ্তম অনুসূচীৰ তালিকা ৩-ত নিৰ্দিষ্ট কৰা বিষয়সমূহৰ সৈতে যি পৰ্যন্ত সম্পৰ্কিত হয়, সেই সকলো বিধি লগে লগে ৰাজ্যপালৰ ওচৰত অৰ্পণ কৰিব আৰু তেওঁ উক্ত বিধি ৰাষ্ট্ৰপতিৰ বিৱেচনাৰ বাবে সংৰক্ষণ কৰিব।

৩) যেতিয়া কোনো বিধি ৰাষ্ট্ৰপতিৰ বাবে সংৰক্ষণ কৰা হয়, ৰাষ্ট্ৰপতিয়ে ঘোষণা কৰিব যে, তেওঁৰ সেই বিধিৰ প্ৰতি সন্মতি জনাইছে বা সন্মতি উঠাই লৈছে:

কিন্তু, ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালৰ জৰিয়তে বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে যে পৰিষদে উক্ত বিধি বা বিধিৰ কোনো নিৰ্দিষ্ট উপবন্ধাৱলী পুনৰ বিৱেচনা কৰিব বা তেওঁ প্ৰেৰণ কৰা কোনো প্ৰস্তাৱ তেওঁলোকে বিধিখনত অন্তৰ্ভুক্ত কৰিব আৰু যেতিয়া সেই বিধিখন উৎভতি আহিব উক্ত পৰিষদে ৰাষ্ট্ৰপতিৰ বাৰ্তা লাভ কৰাৰ ছমাহৰ ভিতৰত বিধিখন বিৱেচনা কৰিব আৰু, যদি তেওঁলোকে বিধিখন কোনো সংশোধন কৰি বা নকৰি পুনৰ গৃহীত কৰে ইয়াক পুনৰ ৰাষ্ট্ৰপতিৰ বিৱেচনাৰ বাবে প্ৰেৰণ কৰা হ'ব।"

সম্পৰ্কত আৰু স্বায়ত্ত শাসিত জিলাৰ জিলা পৰিষদৰ জিলাখনৰ ভিতৰত আঞ্চলিক পৰিষদৰ প্ৰাধিকাৰত থকা কোনো ক্ষেত্ৰবিশেষ ব্যতিৰেকে আন সকলো ক্ষেত্ৰৰ সম্পৰ্কত নিম্নলিখিত বিষয়ত বিধি প্ৰণয়ন কৰাৰ ক্ষমতা থাকিব –

(ক) কৃষি বা গো-চাৰণৰ প্ৰয়োজনাৰ্থে অথবা বাসস্থান বা অন্যান্য অকৃষিগত প্ৰয়োজনৰ বাবে বা কোনো গাওঁ বা নগৰৰ বাসিন্দাসকলৰ স্বাৰ্থ-উন্নয়নৰ সম্ভাৱনা থকা আন কোনো প্ৰয়োজনৰ বাবে সংৰক্ষিত বনাঞ্চল ভিন্ন অন্য ভূমি বণ্টন, দখল বা ব্যৱহাৰ অথবা পৃথক ভাবে ৰক্ষণ:

কিন্তু, [1][সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰে] এনে ভূমি অৰ্জনৰ বাবে প্ৰাধিকাৰ দিয়া সেই সময়ত বলবৎ থকা বিধি অনুসাৰে ৰাজহুৱা প্ৰয়োজনৰ বাবে দখলত থকা বা নথকা কোনো ভূমি বাধ্যতামূলকভাৱে অধিগ্ৰহণ কৰাত এনে বিধিৰ কোনো কথাই বাধা দিব নোৱাৰিব;

(খ) সংৰক্ষিত বনাঞ্চল ব্যতিৰেকে আন কোনো বনাঞ্চলৰ পৰিচালনা;

(গ) কৃষিৰ প্ৰয়োজনৰ বাবে কোনো পানীৰ খাল বা জল-ধাৰাৰ ব্যৱহাৰ;

(ঘ) ঝুম অথবা অন্য প্ৰকাৰৰ স্থানান্তৰশীল কৃষিৰ পদ্ধতি বিনিয়মন;

(ঙ) গাওঁ অথবা নগৰ সমিতি বা পৰিষদসমূহৰ স্থাপন আৰু সেইবিলাকৰ ক্ষমতা;

(চ) গাওঁ বা নগৰ-আৰক্ষী আৰু জন-স্বাস্থ্য আৰু পৰিচ্ছন্নতাক অন্তৰ্গত কৰি গাওঁ বা নগৰ প্ৰশাসন সম্বন্ধীয় আন যিকোনো বিষয়;

(ছ) প্ৰমুখ বা মুখিয়ালসকলৰ নিযুক্তি বা উত্তৰাধিকাৰ;

(জ) সম্পত্তিৰ উত্তৰাধিকাৰ;

[2][(ঝ) বিবাহ আৰু বিবাহ-বিচ্ছেদ;]

(ঞ) সামাজিক ৰীতিসমূহ।

(২) এই পেৰেগ্ৰাফত "সংৰক্ষিত বনাঞ্চল" মানে অসম বন বিনিয়ম, ১৮৯১-ৰ অধীনত অথবা সংশ্লিষ্ট ক্ষেত্ৰত সেই সময়ত বলবৎ থকা আন যিকোনো বিধিৰ অধীনত সংৰক্ষিত বনাঞ্চলক বুজাব।

---

[1] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা দফা (i)-ৰ সলনি প্ৰতিস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ষষ্ঠ অনুসূচী)

(৩) এই পেৰেগ্ৰাফৰ অধীনত প্ৰণীত বিধিসমূহ তৎকালেই ৰাজ্যপালক দাখিল কৰা হ'ব আৰু তেওঁৰ দ্বাৰা অনুমোদিত নোহোৱালৈকে কাৰ্যকৰী নহ'ব।

[1]**৪৷ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহত ন্যায় প্ৰশাসন** - (১) অঞ্চলটোৰ ভিতৰত থকা ক্ষেত্ৰসমূহৰ সম্পৰ্কত স্বায়ত্ত শাসিত অঞ্চলটোৰ আঞ্চলিক পৰিষদে আৰু জিলাখনৰ ভিতৰত কোনো আঞ্চলিক পৰিষদ থাকিলে, তেনে আঞ্চলিক পৰিষদৰ প্ৰাধিকাৰত থকা কোনো ক্ষেত্ৰৰ ব্যতিৰেকে আন সকলো ক্ষেত্ৰৰ সম্পৰ্কত স্বায়ত্ত শাসিত জিলাখনৰ জিলা পৰিষদে, এই অনুসূচীৰ পেৰেগ্ৰাফ ৫-ৰ উপপেৰেগ্ৰাফ (১)-ৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা গোচৰ আৰু মোকৰ্দমাসমূহৰ বাহিৰে, তেনে ক্ষেত্ৰত অন্তৰ্গত কেৱল অনুসূচিত জনজাতি পক্ষভুক্ত হোৱা আন আন গোচৰ আৰু মোকৰ্দমাসমূহ ৰাজ্যখনৰ আন যিকোনো ন্যায়ালয়ৰ পৰা বহিৰ্ভুক্ত কৰি বিচাৰৰ কাৰণে গাওঁ পৰিষদ বা ন্যায়ালয়সমূহ গঠন কৰিব পাৰে, আৰু তেনে গাওঁ পৰিষদৰ সভ্য হ'বৰ বাবে অথবা তেনে ন্যায়ালয়ৰ পীঠাসীন পদাধিকাৰী হ'বৰ বাবে উপযুক্ত ব্যক্তিক নিযুক্ত কৰিব পাৰে, আৰু এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ৰ অধীনত প্ৰণীত বিধিৰ প্ৰশাসনৰ বাবে যথা আৱশ্যক পদাধিকাৰীসকলকো নিযুক্ত কৰিব পাৰে।

(২) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, কোনো স্বায়ত্ত শাসিত অঞ্চলৰ বাবে থকা আঞ্চলিক পৰিষদে বা সেই মৰ্মে আঞ্চলিক পৰিষদে গঠন কৰা কোনো ন্যায়ালয়ে অথবা, কোনো স্বায়ত্ত শাসিত জিলাৰ ভিতৰত থকা কোনো ক্ষেত্ৰৰ সম্পৰ্কত যদি কোনো আঞ্চলিক পৰিষদ নাথাকে, তেনেহ'লে তেনে জিলাৰ বাবে থকা জিলা পৰিষদে বা সেই মৰ্মে জিলা পৰিষদে গঠন কৰা কোনো ন্যায়ালয়ে, এই অনুসূচীৰ পেৰেগ্ৰাফ ৫-ৰ উপপেৰেগ্ৰাফ (১)-ৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা গোচৰ আৰু মোকৰ্দমাসমূহৰ বাহিৰে, এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত এনে অঞ্চলত বা ক্ষেত্ৰত, যিটোৱেই প্ৰযোজ্য, গঠিত গাওঁ পৰিষদ বা ন্যায়ালয়ৰ দ্বাৰা বিচাৰ্য্য আন সকলো গোচৰ আৰু মোকৰ্দমাৰ সম্পৰ্কীয় আপীল ন্যায়ালয়ৰ ক্ষমতা প্ৰয়োগ কৰিব, আৰু উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন কোনো ন্যায়ালয়ৰ এনে মোকৰ্দমাৰ ওপৰত ক্ষেত্ৰাধিকাৰ নাথাকিব।

(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা গোচৰ আৰু মোকৰ্দমাসমূহৰ ওপৰত উচ্চ ন্যায়ালয়[2]***ৰ এনে ক্ষেত্ৰাধিকাৰ থাকিব আৰু উচ্চ ন্যায়ালয়ে এনে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিব যিবিলাক ৰাজ্যপালে সময়ে সময়ে আদেশৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিয়ে।

---

[1] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত পেৰেগ্ৰাফ ৪ প্ৰয়োগৰ বাবে সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ), সেয়েহে উপ-পেৰেগ্ৰাফ (৫)-ৰ পিছত তলৰ উপ-পেৰেগ্ৰাফটো অন্তঃস্থাপিত -

"(৬) এই অনুসূচীৰ পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (৩)-ৰ ব্যতিক্ৰমৰ অধীনত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদত উক্ত পেৰেগ্ৰাফৰ কোনো কথাই প্ৰযোজ্য নহ'ব৷"

[2] উত্তৰ পূৰ্বাঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অসমৰ" শব্দটো বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(৪) কোনো আঞ্চলিক পৰিষদ বা জিলা পৰিষদে, যিটোৱেই প্ৰযোজ্য, ৰাজ্যপালৰ পূৰ্বানুমোদন ক্ৰমে নিম্নলিখিত বিষয়সমূহ বিনিয়মিত কৰি নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে, যেনে –

(ক) গাওঁ পৰিষদ আৰু ন্যায়ালয়সমূহৰ গঠন আৰু এই পেৰেগ্ৰাফৰ অধীনত সেই বিলাকে প্ৰয়োগ কৰিবলগীয়া ক্ষমতাসমূহ;

(খ) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত গোচৰ আৰু মোকৰ্দমাসমূহৰ বিচাৰত গাওঁ পৰিষদ বা ন্যায়ালয়সমূহে মানি চলিবলগীয়া প্ৰক্ৰিয়া;

(গ) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ অধীনত আপীল আৰু অন্যান্য প্ৰক্ৰিয়াত এনে পৰিষদে গঠন কৰা আঞ্চলিক বা জিলা পৰিষদ বা যিকোনো ন্যায়ালয়ৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(ঘ) এনে পৰিষদ আৰু ন্যায়ালয়সমূহৰ সিদ্ধান্ত আৰু আদেশসমূহ কাৰ্য্যকৰীকৰণ;

(ঙ) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১) আৰু (২)-ৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰিবৰ অৰ্থে আন সকলো সহায়কাৰী বিষয়।

[১][(৫) [২][সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ লগত পৰামৰ্শ কৰাৰ পিচত] ৰাষ্ট্ৰপতিয়ে অধিসূচনাৰ দ্বাৰা এই মৰ্মে যি তাৰিখ ধাৰ্য কৰে সেই তাৰিখৰ পৰা সেই অধিসূচনাত যথা নিৰ্দিষ্ট তেনে স্বায়ত্ত শাসিত জিলা বা অঞ্চলৰ সম্পৰ্কত এই পেৰেগ্ৰাফটো এনেভাৱে কাৰ্যকৰী হ'ব, যেন –

(i) উপপেৰেগ্ৰাফ (১)-ত "এই অনুসূচীৰ পেৰেগ্ৰাফ ৫-ৰ উপপেৰেগ্ৰাফ (১)-ৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা গোচৰ আৰু মোকৰ্দমাসমূহৰ বাহিৰে, তেনেক্ষেত্ৰৰ অন্তৰ্গত কেৱল অনুসূচিত জনজাতি পক্ষভুক্ত হোৱা" এই শব্দাৱলীৰ ঠাইত "এই অনুসূচীৰ পেৰেগ্ৰাফ ৫-ৰ উপপেৰেগ্ৰাফ (১)-ত উল্লিখিত প্ৰকৃতিৰ গোচৰ আৰু মোকৰ্দমা নোহোৱা, যিবিলাক ৰাজ্যপালে এই মৰ্মে নিৰ্দিষ্ট কৰি দিব পাৰে" এই শব্দাৱলী প্ৰতিস্থাপিত;

(ii) উপপেৰেগ্ৰাফ (২) আৰু (৩) বিলোপ কৰা হৈছে;

(iii) উপপেৰেগ্ৰাফ (৪)-ত –

(ক) "আঞ্চলিক পৰিষদ বা জিলা পৰিষদে, যিটোৱেই প্ৰযোজ্য, ৰাজ্যপালৰ পূৰ্বানুমোদন ক্ৰমে নিম্নলিখিত বিষয়সমূহ নিয়ন্ত্ৰিত কৰি নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে" এই শব্দাৱলীৰ ঠাইত "ৰাজ্যপালে নিম্নলিখিত বিষয়সমূহ বিনিয়মিত কৰি নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে" এই শব্দাৱলী প্ৰতিস্থাপিত; আৰু

(খ) দফা (ক)-ৰ সলনি নিম্নলিখিত দফাটো প্ৰতিস্থাপিত, যেনে:

---

[১] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

"(ক) গাওঁ পৰিষদ আৰু ন্যায়ালয়সমূহৰ গঠন আৰু এই পেৰেগ্ৰাফৰ অধীনত সেইবিলাকে প্ৰয়োগ কৰিবলগীয়া ক্ষমতাসমূহ আৰু গাওঁ পৰিষদ আৰু ন্যায়ালয়সমূহৰ সিদ্ধান্তসমূহৰ বিৰুদ্ধে কোনো ন্যায়ালয়ত আপীল হ'ব, সেই ন্যায়ালয়সমূহ",

(গ) দফা (গ)-ৰ সলনি নিম্নলিখিত দফাটো প্ৰতিস্থাপিত, যেনে:

"(গ) উপপেৰেগ্ৰাফ (৫)-ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা ধাৰ্য্য তাৰিখৰ ঠিক পূৰ্বে আঞ্চলিক বা জিলা পৰিষদ বা এনে কোনো পৰিষদৰ দ্বাৰা গঠিত কোনো ন্যায়ালয়ত বিচাৰাধীন হৈ থকা আপীল আৰু অন্যান্য কাৰ্য্যক্ৰমণিকাসমূহৰ হস্তান্তৰণ"; আৰু

(ঘ) দফা (ঙ)-ত "উপপেৰেগ্ৰাফ (১) আৰু (২)" এই শব্দসমূহ, বন্ধনী আৰু সংখ্যাসমূহৰ সলনি "উপপেৰেগ্ৰাফ (১)" এই শব্দ, বন্ধনী আৰু সংখ্যা প্ৰতিস্থাপিত।]

**৫। কোনো কোনো গোচৰ, মোকৰ্দমা আৰু অপৰাধ বিচাৰাৰ্থে আঞ্চলিক আৰু জিলা পৰিষদৰ ওপৰত আৰু কোনো কোনো ন্যায়ালয় আৰু পদাধিকাৰীৰ ওপৰত দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ আৰু ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা ১৮৯৮[১]ৰ অধীনত ক্ষমতা অৰ্পণ** - (১) কোনো স্বায়ত্ত শাসিত জিলা বা অঞ্চলত বলবৎ হৈ থকা আৰু ৰাজ্যপালে এই মৰ্মে নিৰ্দিষ্ট কৰি দিয়া এনে কোনো বিধিৰ পৰা উদ্ভূত গোচৰ বা মোকৰ্দমা বিচাৰৰ কাৰণে অথবা ভাৰতীয় ফৌজদাৰী সংহিতাৰ অধীনত বা এনে জিলা বা অঞ্চলত সেই সময়ত প্ৰযোজ্য আন কোনো বিধিৰ অধীনত মৃত্যুদণ্ড, যাবজ্জীৱন নিৰ্বাসন বা অন্যূন পাঁচ বছৰ কাৰাদণ্ডৰে দণ্ডনীয় অপৰাধসমূহ বিচাৰৰ কাৰণে তেনে জিলা বা অঞ্চলত প্ৰাধিকাৰ থকা জিলা পৰিষদ বা আঞ্চলিক পৰিষদৰ ওপৰত অথবা তেনে জিলা পৰিষদৰ দ্বাৰা গঠিত ন্যায়ালয়সমূহৰ ওপৰত নাইবা ৰাজ্যপালৰ দ্বাৰা সেই মৰ্মে নিযুক্ত কোনো পদাধিকাৰীৰ ওপৰত দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৮৯৮[১]ৰ, যিটোৱেই প্ৰযোজ্য, অধীনত ৰাজ্যপালে এনে ক্ষমতা অৰ্পণ কৰিব পাৰে যিবিলাক তেওঁ সমুচিত বুলি বিবেচনা কৰে; আৰু তেতিয়া উক্ত পৰিষদ, ন্যায়ালয় বা পদাধিকাৰীয়ে এনেদৰে অৰ্পিত ক্ষমতাসমূহ প্ৰয়োগ কৰি গোচৰ, মোকৰ্দমা বা অপৰাধসমূহৰ বিচাৰ কৰিব।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত জিলা পৰিষদ, আঞ্চলিক পৰিষদ, ন্যায়ালয় বা পদাধিকাৰীৰ ওপৰত অৰ্পিত ক্ষমতাসমূহৰ যিকোনোটো ৰাজ্যপালে প্ৰত্যাহাৰ বা পৰিৱৰ্তন কৰিব পাৰে।

(৩) এই পেৰেগ্ৰাফত অভিব্যক্ত ৰূপে উপবন্ধিতৰ ব্যতিৰেকে, এই পেৰেগ্ৰাফৰ উপবন্ধাৱলী প্ৰযোজ্য হোৱা কোনো স্বায়ত্ত শাসিত জিলাত বা কোনো স্বায়ত্ত শাসিত অঞ্চলত কোনো গোচৰ, মোকৰ্দমা বা অপৰাধৰ বিচাৰত দেৱানী প্ৰক্ৰিয়া সংহিতা, ১৯০৮ আৰু ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৮৯৮[১] প্ৰয়োগ নহ'ব।

---

[১] ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ (১৯৭৪-ৰ ২) চাওঁক।

[1][(৪) কোনো স্বায়ত্ত শাসিত জিলা বা স্বায়ত্ত শাসিত অঞ্চলৰ সম্পৰ্কত পেৰেগ্ৰাফ ৪-ৰ উপপেৰেগ্ৰাফ (৫)-ৰ অধীনত ৰাষ্ট্ৰপতিৰ দ্বাৰা ধাৰ্য তাৰিখৰ পৰা, সেই জিলা বা অঞ্চলত এই পেৰেগ্ৰাফটো প্ৰয়োগ কৰোতে এই পেৰেগ্ৰাফত অন্তৰ্ভুক্ত কোনো কথাই, জিলা পৰিষদ বা আঞ্চলিক পৰিষদৰ ওপৰত অথবা জিলা পৰিষদৰ দ্বাৰা গঠিত ন্যায়ালয়ৰ ওপৰত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দেশিত ক্ষমতাসমূহৰ যিকোনোটো অৰ্পণ কৰিবলৈ ৰাজ্যপালক প্ৰাধিকৃত কৰা বুলি গণ্য কৰা নহ'ব।]

[2][**৬৷ প্ৰাথমিক বিদ্যালয় আদি স্থাপন কৰিবলৈ জিলা পৰিষদৰ ক্ষমতাসমূহ** - (১) কোনো স্বায়ত্ত শাসিত জিলাৰ পৰিষদে জিলাখনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়, ডিছপেন্সৈৰী, হাট, [3][পশু-খোৱাৰ], পাৰঘাট, মীনপালন, পথ, পথ-পৰিবহন আৰু জলপথৰ স্থাপন, নিৰ্মাণ অথবা পৰিচালনা কৰিব পাৰে, আৰু ৰাজ্যপালৰ পূৰ্বানুমোদন ক্ৰমে এইবিলাকৰ বিনিয়মন আৰু নিয়ন্ত্ৰাণাৰ্থে বিনিয়মাৱলী প্ৰস্তুত কৰিব পাৰে, আৰু বিশেষকৈ, জিলাখনৰ প্ৰাথমিক বিদ্যালয়সমূহত শিক্ষাদানৰ ভাষা আৰু ৰীতি বিহিত কৰিব পাৰে।

(২) ৰাজ্যপালে কোনো জিলা পৰিষদৰ সন্মতিক্ৰমে সেই পৰিষদ বা তাৰ পদাধিকাৰীসকলৰ ওপৰত চৰ্তসহ বা বিনাচৰ্তে কৃষি, পশুপালন, সামূহিক যোজনাসমূহ, সমবায় সমিতিসমূহ, সমাজ-কল্যাণ, গাওঁ পৰিকল্পনা অথবা ৰাজ্যখনৰ [4]*** কাৰ্য্যপালিকা ক্ষমতা বিস্তাৰিত আন যিকোনো বিষয় সম্পৰ্কীয় কাৰ্যসমূহ ন্যস্ত কৰিব পাৰে।]

**৭৷ জিলা আৰু আঞ্চলিক নিধি** - (১) প্ৰত্যেক স্বায়ত্ত শাসিত জিলাৰ বাবে একোটা জিলা নিধি আৰু প্ৰত্যেক স্বায়ত্ত শাসিত অঞ্চলৰ বাবে একোটা আঞ্চলিক নিধি গঠিত হ'ব য'ত – যথাক্ৰমে সেই জিলাৰ জিলা পৰিষদৰ দ্বাৰা আৰু সেই অঞ্চলৰ আঞ্চলিক পৰিষদৰ দ্বাৰা তেনে জিলাত বা তেনে অঞ্চলৰ প্ৰশাসনৰ ক্ষেত্ৰত, যিটোৱেই প্ৰযোজ্য, এই সংবিধানৰ উপবন্ধাৱলী অনুসৰি প্ৰাপ্ত হোৱা সকলো ধন জমা কৰা হ'ব।

---

[1] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা "পেৰেগ্ৰাফ ৬"-ৰ সলনি প্ৰতিস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] বাতিল আৰু সংশোধনী অধিনিয়ম, ১৯৭৪ (১৯৭৪-ৰ ৫৬)-ৰ ধাৰা ৪-ৰ দ্বাৰা "পশু-খোৱাৰ"ৰ সলনি প্ৰতিস্থাপিত (২০-১২-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অসমৰ বা মেঘালয়ৰ, যিটোৱেই প্ৰযোজ্য" শব্দসমূহ বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][(২) জিলা নিধি বা আঞ্চলিক নিধিৰ, যিটোৱেই প্ৰযোজ্য, পৰিচালনাৰ বাবে উক্ত নিধিত ধন জমা দিয়া, তাৰ পৰা ধন উলিওৱা, তাত থকা ধনৰ অভিৰক্ষা আৰু উপৰোক্ত বিষয়সমূহৰ লগত সম্পৰ্কিত বা তাৰ আনুষংগিক আন যিকোনো বিষয়ৰ সম্পৰ্কত মানি চলিবলগীয়া প্ৰক্ৰিয়াৰ বাবে ৰাজ্যপালে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে ৰাষ্ট্ৰপতিৰ অনুমোদনপূৰ্বক যেনেদৰে বিহিত কৰে, জিলা পৰিষদ বা আঞ্চলিক পৰিষদৰ, যিটোৱেই প্ৰযোজ্য, হিচাপসমূহ তেনেদৰে ৰখা হ'ব।

(৪) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে যেনে উপযুক্ত বিবেচনা কৰে তেনে ৰীতিৰে জিলা আৰু আঞ্চলিক পৰিষদসমূহৰ হিচাপসমূহৰ পৰীক্ষা কৰোৱাব আৰু নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ তেনে হিচাপ সম্পৰ্কীয় প্ৰতিবেদনসমূহ ৰাজ্যপালক দিব লাগিব আৰু ৰাজ্যপালে সেইসমূহ পৰিষদত দাখিল কৰিব।]

**৮। ভূ-ৰাজহ নিৰ্ধাৰণ আৰু সংগ্ৰহ কৰিবলৈ আৰু কৰ-আৰোপ কৰিবলৈ ক্ষমতাসমূহ -** (১) কোনো স্বায়ত্ত শাসিত অঞ্চলৰ বাবে থকা আঞ্চলিক পৰিষদৰ সেই অঞ্চলৰ অন্তৰ্গত সকলো ভূমিৰ সম্পৰ্কত, আৰু কোনো স্বায়ত্ত শাসিত জিলাৰ বাবে থকা জিলা পৰিষদৰ, কোনো আঞ্চলিক পৰিষদ থাকিলে তেনে আঞ্চলিক পৰিষদৰ প্ৰাধিকাৰত থকা ক্ষেত্ৰসমূহৰ বাহিৰে, জিলাখনৰ অন্তৰ্গত সকলো ভূমিৰ সম্পৰ্কত [2][ৰাজ্যখনৰ চৰকাৰে ভূ-ৰাজহৰ প্ৰয়োজনাৰ্থে ৰাজ্যৰ ভূমি নিৰ্ধাৰণ কৰোতে সাধাৰণতে] অনুসৰণ কৰা নীতি অনুসৰি, তেনে ভূমিৰ ৰাজহ নিৰ্ধাৰণ আৰু সংগ্ৰহ কৰাৰ ক্ষমতা থাকিব।

(২) কোনো স্বায়ত্ত শাসিত অঞ্চলৰ বাবে থকা আঞ্চলিক পৰিষদে সেই অঞ্চলৰ অন্তৰ্গত সকলো ক্ষেত্ৰৰ সম্পৰ্কত আৰু কোনো স্বায়ত্ত শাসিত জিলাৰ বাবে থকা জিলা পৰিষদে, কোনো আঞ্চলিক পৰিষদ থাকিলে তেনে আঞ্চলিক পৰিষদৰ প্ৰাধিকাৰত থকা ক্ষেত্ৰসমূহৰ বাহিৰে, জিলাখনৰ অন্তৰ্গত সকলো ক্ষেত্ৰৰ সম্পৰ্কত ভূমি আৰু ভৱনৰ ওপৰত কৰ আৰু তেনে ক্ষেত্ৰৰ ভিতৰত নিবাসী ব্যক্তিসকলৰ ওপৰত পথ-কৰ ধাৰ্য আৰু সংগ্ৰহ কৰাৰ ক্ষমতা থাকিব।

(৩) কোনো স্বায়ত্ত শাসিত জিলাৰ জিলা পৰিষদৰ তেনে জিলাৰ ভিতৰত নিম্নলিখিত সকলোবোৰ বা তাৰ যিকোনো কৰ ধাৰ্য আৰু সংগ্ৰহ কৰাৰ ক্ষমতা থাকিব, অৰ্থাৎ-

(ক) বৃত্তি, বেপাৰ, আজীৱিকা আৰু নিয়োগৰ ওপৰত কৰ;

(খ) পশু, যান-বাহন আৰু নৌকাৰ ওপৰত কৰ;

---

[1] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা উপপেৰেগ্ৰাফ (২)-ৰ সলনি প্ৰতিস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(গ) কোনো বজাৰত বিক্ৰীৰ নিমিত্তে অনা বস্তুৰ প্ৰৱেশৰ ওপৰত কৰ, আৰু পাৰঘাটেৰে কঢ়িওৱা যাত্ৰী আৰু বস্তুৰ ওপৰত পথ-কৰ;[১]***

(ঘ) স্কুল, ডিছপেন্সেৰী আৰু পথ ৰক্ষণাবেক্ষণৰ বাবে কৰ; [২][আৰু]

[৩][(ঙ) বিনোদন আৰু আমোদ-প্ৰমোদ কৰ]

(৪) কোনো আঞ্চলিক পৰিষদ বা জিলা পৰিষদে, যিটোৱেই প্ৰযোজ্য, এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২) আৰু (৩)-ত নিৰ্দিষ্ট কৰসমূহ ধাৰ্য আৰু সংগ্ৰহ কৰাৰ উপবন্ধিত কৰি বিনিয়ম প্ৰস্তুত কৰিব পাৰে, [৪][আৰু এনেকুৱা প্ৰত্যেক বিনিয়ম অনতিবিলম্বে ৰাজ্যপালৰ ওচৰত দাখিল কৰিব লাগিব আৰু যেতিয়ালৈকে ৰাজ্যপালৰ দ্বাৰা তাত সন্মতি প্ৰদান কৰা নহয় তেতিয়ালৈকে তেনে বিনিয়ম কাৰ্যকৰী নহ'ব।]

[৫]**৯। খনিজ পদাৰ্থৰ অন্বেষণাৰ্থে বা নিষ্কাষণাৰ্থে অনুজ্ঞাপত্ৰ বা পট্টন** - (১) কোনো স্বায়ত্ত শাসিত জিলাৰ অন্তৰ্গত কোনো ক্ষেত্ৰৰ সম্পৰ্কত খনিজ পদাৰ্থ অন্বেষণ আৰু নিষ্কাষণৰ নিমিত্তে [৬][ৰাজ্য চৰকাৰে] দিয়া অনুজ্ঞাপত্ৰ বা পট্টাৰ পৰা প্ৰতি বছৰে আৰ্জিত হোৱা উৎপাদন-শুল্কৰ এনে অংশ এনে জিলাৰ জিলা পৰিষদক দিয়া হ'ব যিটো [৬][ৰাজ্য চৰকাৰ] আৰু তেনে জিলাৰ জিলা পৰিষদৰ মাজত চুক্তিবদ্ধ কৰা হয়।

(২) জিলা পৰিষদক দিবলগীয়া এনে উৎপাদন-শুল্কৰ অংশ সম্বন্ধে যদি কিবা বিবাদ উদ্ভৱ হয় তেনেহ'লে তাক নিৰ্ধাৰণৰ কাৰণে ৰাজ্যপাললৈ প্ৰেৰণ কৰা হ'ব আৰু ৰাজ্যপালে স্ববিবেচনাৰে নিৰ্ধাৰিত কৰা পৰিমাণকেই এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত জিলা পৰিষদক দেয় পৰিমাণ বুলি গণ্য কৰা হ'ব আৰু ৰাজ্যপালৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

---

[১] "আৰু" শব্দটো সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৬(i) দ্বাৰা বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ১৬(ii) দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ১৬(iii) দ্বাৰা অন্তঃস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ৯-ক ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত প্ৰয়োগৰ ক্ষেত্ৰত নিম্নলিখিত ৰূপত সংশোধিত হৈছে, যাৰ দ্বাৰা উপপেৰেগ্ৰাফ (২)-ৰ পিছত নিম্নলিখিত উপপেৰেগ্ৰাফ অন্তঃস্থাপিত হৈছে, অৰ্থাৎ

"(৩) ৰাজ্যপালে আদেশৰ দ্বাৰা এই নিৰ্দেশ দিব পাৰিব যে এই পেৰেগ্ৰাফৰ অধীনত জিলা পৰিষদক দিবলগীয়া উৎপাদন-শুল্কৰ অংশ সেই পৰিষদক, উপপেৰেগ্ৰাফ (১)-ৰ অধীনত কোনো চুক্তি বা উপপেৰেগ্ৰাফ (২)-ৰ অধীনত, যিটোৱেই প্ৰযোজ্য, নিৰ্ধাৰণৰ তাৰিখৰ পৰা এবছৰৰ অৱধিৰ ভিতৰত দিয়া হ'ব।"

[৬] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অসম চৰকাৰ"ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১]**[১০। অজনজাতীয় লোকৰ দ্বাৰা ধন ধাৰে দিয়া আৰু বেপাৰ কৰা নিয়ন্ত্ৰণ কৰিবৰ অৰ্থে বিনিয়ম কৰিবলৈ জিলা পৰিষদৰ ক্ষমতা** - (১) স্বায়ত্ত শাসিত জিলাৰ জিলা পৰিষদে, জিলাখনৰ নিবাসী অনুসূচিত জনজাতি ব্যতিৰেকে অন্য ব্যক্তিসকলৰ দ্বাৰা জিলাখনৰ ভিতৰত কৰা ধন ধাৰে দিয়া আৰু বেপাৰ বিনিয়মন আৰু নিয়ন্ত্ৰণ কৰিবৰ অৰ্থে বিনিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) পূৰ্ববৰ্তী ক্ষমতাসমূহৰ ব্যাপকতাৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ আৰু বিশেষকৈ, এনে বিনিয়মে –

(ক) সেই মৰ্মে দিয়া অনুজ্ঞাপত্ৰ প্ৰাপ্ত ব্যক্তিৰ বাহিৰে আন কোনো ব্যক্তিয়ে ধন ধাৰে দিয়া ব্যৱসায় কৰিব নোৱাৰে বুলি বিহিত কৰিব পাৰে;

(খ) কোনো ধন ধাৰে দিয়া ব্যক্তিয়ে ধাৰ্য্য বা আদায় কৰিব পৰা সুদৰ সৰ্ব্বোচ্চ হাৰ বিহিত কৰিব পাৰে;

(গ) ধন ধাৰে দিওঁতাৰ দ্বাৰা হিচাপ ৰাখিবৰ বাবে আৰু জিলা পৰিষদৰ দ্বাৰা সেই মৰ্মে নিযুক্ত পদাধিকাৰীৰ দ্বাৰা তেনে হিচাপ নিৰীক্ষণৰ বাবে উপবন্ধিত কৰিব পাৰে;

(ঘ) জিলাখনৰ বাসিন্দা অনুসূচিত জনজাতিৰ সদস্য নোহোৱা কোনো ব্যক্তিয়ে সেই মৰ্মে জিলা পৰিষদৰ দ্বাৰা কোনো অনুজ্ঞাপত্ৰ অবিহনে কোনো পণ্যদ্ৰব্যৰ পাইকাৰী বা খুচুৰা ব্যৱসায় কৰিব নোৱাৰিব বুলি বিহিত কৰিব পাৰে:

---

[১] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ১০ ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত নিম্নলিখিত ৰূপত সংশোধিত (১৬-১২-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) -

(ক) শিৰোনামত "অজনজাতিৰ দ্বাৰা" শব্দসমূহ বিলোপ কৰা হ'ব;

(খ) উপপেৰেগ্ৰাফ (১)-ত "অনুসূচিত জনজাতি ব্যতিৰেক" শব্দসমূহ বিলোপ কৰা হ'ব;

(গ) উপপেৰেগ্ৰাফ (২)-ত দফা (ঘ)-ৰ বাবে নিম্নলিখিত দফা প্ৰতিস্থাপিত হ'ব, অৰ্থাৎ -

"(ঘ) বিহিত কৰিব পাৰিব যে কোনো ব্যক্তি যি জিলাৰ নিবাসী হয়, সেই জিলাৰ জিলা পৰিষদৰ দ্বাৰা এই মৰ্মে দিয়া অনুজ্ঞাপত্ৰ অবিহনে পাইকাৰীয়েই হওক বা খুচুৰাই হওক কোনো বেপাৰ কৰিব নোৱাৰিব:"।

কিন্তু, জিলা পৰিষদৰ মুঠ সদস্য সংখ্যাৰ অন্যূন তিনি-চতুৰ্থাংশ সংখ্যাগৰিষ্ঠৰ দ্বাৰা পাৰিত নহ'লে এই পেৰেগ্ৰাফৰ অধীনত কোনো বিনিয়ম প্ৰণয়ন নকৰিব:

অধিকন্তু, এনে বিনিয়ম প্ৰণয়ন কৰাৰ পূৰ্বৰে পৰা জিলাখনৰ ভিতৰত ব্যৱসায় কৰি থকা কোনো ধন ধাৰে দিওঁতা বা বেপাৰীক এনে কোনো বিনিয়মৰ অধীনত অনুজ্ঞাপত্ৰ দিয়াত অস্বীকাৰ কৰিবলৈ ক্ষমতাসম্পন্ন নহ'ব।

(৩) এই দফাৰ অধীনত প্ৰণীত সকলোবোৰ বিনিয়ম অনতিবিলম্বে ৰাজ্যপালৰ ওচৰত দাখিল কৰিব লাগিব আৰু যেতিয়ালৈকে ৰাজ্যপালৰ দ্বাৰা তাত সন্মতি প্ৰদান কৰা নহয় তেতিয়ালৈকে তেনে বিনিয়ম কাৰ্যকৰী নহ'ব।

*                    *                    *                    *

১১। **এই অনুসূচীৰ অধীনত প্ৰণীত বিধি, নিয়মাৱলী আৰু বিনিয়মসমূহৰ প্ৰকাশন** - কোনো জিলা পৰিষদ বা কোনো আঞ্চলিক পৰিষদৰ দ্বাৰা এই অনুসূচীৰ অধীনত প্ৰণীত সকলো বিধি, নিয়মাৱলী আৰু বিনিয়ম অনতিবিলম্বে ৰাজ্যখনৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰিব লাগিব আৰু এনেদৰে প্ৰকাশিত হ'লে সেইবিলাক বিধি স্বৰূপে বলবৎ হ'ব।

[**–***]১২। [১]**[অসম ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহত সংসদৰ আৰু অসম ৰাজ্যৰ বিধানমণ্ডলৰ** অধিনিয়ম**সমূহৰ প্ৰয়োগ]** - (১) এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

---

* সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত পেৰেগ্ৰাফ ১০ প্ৰয়োগৰ বাবে সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সেয়েহে, উপপেৰেগ্ৰাফ (৩)-ৰ পিছত নিম্নলিখিত উপপেৰেগ্ৰাফ অন্তঃস্থাপিত কৰা হৈছে, অৰ্থাৎ -

"(৪) এই পেৰেগ্ৰাফৰ কোনো কথাই পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (৩)-ৰ ব্যতিক্ৰমৰ অধীনত গঠিত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদত প্ৰযোজ্য নহ'ব"

** সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৯৫ (১৯৯৫-ৰ ৪২)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত প্ৰয়োগৰ বাবে পেৰেগ্ৰাফ ১২ তলত দিয়া ধৰণে সংশোধিত (১২-৯-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

'পেৰেগ্ৰাফ ১২-ৰ উপপেৰেগ্ৰাফ (১)-ত "এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ত নিৰ্দিষ্ট কৰা বিষয়সমূহ" এই শব্দ আৰু সংখ্যাসমূহৰ সলনি "এই অনুসূচীৰ পেৰেগ্ৰাফ ৩ বা ৩ক-ত নিৰ্দিষ্ট কৰা বিষয়সমূহ" প্ৰতিস্থাপিত হৈছে।'

*** সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসম ৰাজ্যত পেৰেগ্ৰাফ ১২ প্ৰয়োগৰ বাবে তলত দিয়া ধৰণে সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) -

'পেৰেগ্ৰাফ ১২-ৰ, উপপেৰেগ্ৰাফ (১)-ৰ দফা (ক)-ত "এই অনুসূচীৰ পেৰেগ্ৰাফ ৩ বা ৩ক-ত নিৰ্দিষ্ট কৰা বিষয়সমূহ" এই শব্দ আৰু সংখ্যাসমূহৰ সলনি "এই অনুসূচীৰ পেৰেগ্ৰাফ ৩ বা পেৰেগ্ৰাফ ৩ক বা পেৰেগ্ৰাফ ৩খ-ত নিৰ্দিষ্ট কৰা বিষয়সমূহ" প্ৰতিস্থাপিত হৈছে।'

[১] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা শিৰোনামৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) কোনো জিলা পৰিষদে বা আঞ্চলিক পৰিষদে বিধি প্ৰণয়ন কৰিব পৰা বিষয় বুলি এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ত সুনিৰ্দিষ্ট বিষয়সমূহৰ সম্পৰ্কত [১][অসম ৰাজ্যৰ বিধানমণ্ডল]ৰ কোনো অধিনিয়ম, আৰু অপৰিশ্ৰুত নিচাযুক্ত পানীয় নিষিদ্ধ কৰি তাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰি অসম ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো অধিনিয়ম [২][সেই ৰাজ্যৰ] কোনো স্বায়ত্ত শাসিত জিলা আৰু অঞ্চলত প্ৰয়োগ নহ'ব যদিহে তেনে জিলাৰ বাবে বা তেনে অঞ্চলৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা জিলা পৰিষদে ৰাজহুৱা অধিসূচনাৰ দ্বাৰা তাৰ প্ৰয়োগ হ'ব বুলি নিৰ্দেশ নিদিয়ে, আৰু কোনো অধিনিয়মৰ সম্পৰ্কত জিলা পৰিষদে এনে অধিসূচনা দিওঁতে এই বুলি নিৰ্দেশ দিব পাৰে যে অধিনিয়মখন তেনে জিলা বা অঞ্চল অথবা তাৰ কোনো অংশ বিশেষত প্ৰয়োগ কৰোতে এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে হ'ব যিবিলাক পৰিষদে উপযুক্ত বিবেচনা কৰে;

(খ) ৰাজ্যপালে, চৰকাৰী অধিসূচনাৰ দ্বাৰা এই বুলি নিৰ্দেশ দিব পাৰে যে এই উপপেৰেগ্ৰাফৰ দফা (ক)-ৰ উপবন্ধাৱলী প্ৰয়োগ নোহোৱা সংসদ বা [১][অসম ৰাজ্যৰ বিধানমণ্ডলৰ] কোনো অধিনিয়ম [২][সেই ৰাজ্যৰ] কোনো স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত প্ৰয়োগ নহ'ব অথবা এনে জিলা বা অঞ্চল বা তাৰ কোনো অংশবিশেষত এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে প্ৰয়োগ হ'ব যিবিলাক ৰাজ্যপালে অধিসূচনাখনত নিৰ্দিষ্ট কৰি দিয়ে।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত দিয়া যিকোনো নিৰ্দেশ পূৰ্বৱৰ্তী প্ৰভাৱ হোৱাকৈ দিব পাৰিব।

[৩][**১২ক। মেঘালয় ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহত সংসদ আৰু মেঘালয় ৰাজ্যৰ বিধানমণ্ডলৰ অধিনিয়মসমূহৰ প্ৰয়োগ]** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

---

[১] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "ৰাজ্যৰ বিধানমণ্ডল"ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা পেৰেগ্ৰাফ ১২ক-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(ক) যদি এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ৰ উপপেৰেগ্ৰাফ (১)-ত নিৰ্দিষ্ট যিকোনো বিষয়ৰ সম্পৰ্কত মেঘালয় ৰাজ্যৰ কোনো জিলা বা আঞ্চলিক পৰিষদৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ যিকোনো উপবন্ধ অথবা যদি এই অনুসূচীৰ পেৰেগ্ৰাফ ৮ বা পেৰেগ্ৰাফ ১০-ৰ অধীনত সেই ৰাজ্যৰ জিলা পৰিষদ বা কোনো আঞ্চলিক পৰিষদৰ দ্বাৰা প্ৰণীত কোনো বিনিয়মৰ যিকোনো উপবন্ধ সেই বিষয়টোৰ সম্পৰ্কত মেঘালয় ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ যিকোনো উপবন্ধৰ বিৰুদ্ধ হয়, তেনেহ'লে জিলা পৰিষদ বা আঞ্চলিক পৰিষদৰ, যিটোৱেই প্ৰযোজ্য, দ্বাৰা প্ৰণীত বিধি বা বিনিয়ম বিৰোধিতাৰ মাত্ৰা পৰ্য্যন্ত বাতিল হ'ব - লাগিলে তেনে বিধি বা বিনিয়ম মেঘালয় ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধিৰ আগতেই বা পিচতেই প্ৰণীত হওক, আৰু মেঘালয় ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত বিধি মান্য হ'ব;

(খ) সংসদৰ কোনো অধিনিয়ম সম্পৰ্কত ৰাষ্ট্ৰপতিয়ে অধিসূচনাৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে মেঘালয় ৰাজ্যৰ কোনো স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত ইয়াৰ প্ৰয়োগ নহ'ব অথবা তেনে জিলা বা অঞ্চল বা তাৰ কোনো অংশত এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে প্ৰয়োগ হ'ব যিবিলাক অধিসূচনাত নিৰ্দিষ্ট কৰি দিয়া হয় আৰু এনে কোনো নিৰ্দেশ পূৰ্বৱৰ্তী প্ৰভাৱ হোৱাকৈ দিব পাৰিব।]

[১][**১২কক। ত্ৰিপুৰা ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহত সংসদৰ আৰু ত্ৰিপুৰা ৰাজ্যৰ বিধানমণ্ডলৰ অধিনিয়মসমূহৰ প্ৰয়োগ]** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

(ক) কোনো জিলা পৰিষদ বা আঞ্চলিক পৰিষদে বিধি প্ৰণয়ন কৰিব পৰা বিষয় বুলি এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ত নিৰ্দিষ্ট বিষয়সমূহৰ সম্পৰ্কত ত্ৰিপুৰা ৰাজ্যৰ বিধানমণ্ডলৰ কোনো অধিনিয়ম অপৰিশ্ৰুত নিচাযুক্ত পানীয়ৰ পান নিষিদ্ধ কৰি বা তাৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰি ত্ৰিপুৰা ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্ৰণীত কোনো অধিনিয়ম সেই ৰাজ্যৰ কোনো স্বায়ত্ত শাসিত জিলা আৰু অঞ্চলত প্ৰয়োগ নহ'ব যদিহে তেনে জিলাৰ বাবে থকা বা তেনে অঞ্চলৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা জিলা পৰিষদে চৰকাৰী অধিসূচনাৰ দ্বাৰা তাৰ প্ৰয়োগ হ'ব বুলি নিৰ্দেশ নিদিয়ে, আৰু কোনো অধিনিয়মৰ সম্পৰ্কত জিলা পৰিষদে এনে অধিসূচনা দিওঁতে এই বুলি নিৰ্দেশ দিব পাৰে যে অধিনিয়মখন তেনে জিলা বা অঞ্চল অথবা তাৰ কোনো অংশ বিশেষত প্ৰয়োগ কৰোতে এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষ হ'ব, যিবিলাক এনে পৰিষদে উপযুক্ত বিবেচনা কৰে;

---

[১] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা পেৰেগ্ৰাফ ১২কক অন্তঃস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা পৰৱৰ্তী সময়ত প্ৰতিস্থাপিত (১৬-১২-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) ৰাজ্যপালে, চৰকাৰী অধিসূচনাৰ দ্বাৰা এই বুলি নির্দেশ দিব পাৰে যে এই উপপেৰেগ্ৰাফৰ দফা (ক)-ৰ উপবন্ধাৱলী প্রয়োগ নোহোৱা ত্রিপুৰা ৰাজ্যৰ বিধানমণ্ডলৰ স্বায়ত্ত শাসিত জিলাৰ কোনো অধিনিয়ম সেই ৰাজ্যৰ কোনো স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত প্রয়োগ নহ'ব অথবা এনে জিলা বা তেনে অঞ্চলত বা তাৰ কোনো অংশবিশেষত এনে ব্যতিক্রম বা পৰিৱৰ্তন সাপেক্ষে প্রয়োগ হ'ব যিবিলাক ৰাজ্যপালে অধিসূচনাখনত সুনির্দিষ্ট কৰি দিয়ে।

(গ) সংসদৰ কোনো অধিনিয়মৰ সম্পৰ্কত ৰাষ্ট্ৰপতিয়ে অধিসূচনাৰ দ্বাৰা নির্দেশ দিব পাৰে যে ত্রিপুৰা ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত ইয়াৰ প্রয়োগ নহ'ব অথবা তেনে জিলা বা অঞ্চল বা তাৰ কোনো অংশত এনে ব্যতিক্রম বা পৰিৱৰ্তন সাপেক্ষে প্রয়োগ হ'ব যিবিলাক অধিসূচনাত নির্দিষ্ট কৰি দিয়ে আৰু এনে কোনো নির্দেশ পূৰ্বৱৰ্তী প্ৰভাৱ হোৱাকৈ দিব পাৰিব।

**১২খ। মিজোৰাম ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহত সংসদৰ আৰু মিজোৰাম ৰাজ্যৰ বিধানমণ্ডলৰ অধিনিয়মসমূহৰ প্রয়োগ** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয় –

(ক) কোনো জিলা পৰিষদ বা আঞ্চলিক পৰিষদে বিধি প্রণয়ন কৰিব পৰা বিষয় বুলি এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ত নির্দিষ্ট বিষয়সমূহৰ সম্পৰ্কত মিজোৰাম ৰাজ্যৰ বিধানমণ্ডলৰ কোনো অধিনিয়ম আৰু অপৰিশ্ৰুত নিচাযুক্ত পানীয়ৰ পান নিষিদ্ধ কৰি বা তাৰ ওপৰত প্রতিবন্ধকতা আৰোপ কৰি মিজোৰাম ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা প্রণীত কোনো অধিনিয়ম সেই ৰাজ্যৰ কোনো স্বায়ত্ত শাসিত জিলা আৰু অঞ্চলত প্রয়োগ নহ'ব যদিহে তেনে জিলাৰ বাবে বা তেনে অঞ্চলৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা জিলা পৰিষদে, চৰকাৰী অধিসূচনাৰ দ্বাৰা, তাৰ প্রয়োগ হ'ব বুলি নির্দেশ নিদিয়ে, আৰু কোনো অধিনিয়মৰ সম্পৰ্কত জিলা পৰিষদে এনে অধিসূচনা দিওঁতে এই বুলি নির্দেশ দিব পাৰে যে অধিনিয়মখন তেনে জিলা বা অঞ্চল অথবা তাৰ কোনো অংশবিশেষত প্রয়োগ কৰোতে এনে ব্যতিক্রম বা পৰিৱৰ্তন সাপেক্ষ হ'ব যিবিলাক এনে পৰিষদে উপযুক্ত বিবেচনা কৰে;

(খ) ৰাজ্যপালে, চৰকাৰী অধিসূচনাৰ দ্বাৰা এই বুলি নির্দেশ দিব পাৰে যে এই উপপেৰেগ্ৰাফৰ দফা (ক)-ৰ উপবন্ধাৱলী প্রয়োগ নোহোৱা মিজোৰাম ৰাজ্যৰ স্বায়ত্ত শাসিত জিলাৰ কোনো অধিনিয়ম সেই ৰাজ্যৰ কোনো স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত প্রয়োগ নহ'ব অথবা এনে জিলা বা অঞ্চল বা তাৰ কোনো অংশবিশেষত এনে ব্যতিক্রম বা পৰিৱৰ্তন সাপেক্ষে প্রয়োগ হ'ব যিবিলাক ৰাজ্যপালে অধিসূচনাখনত নির্দিষ্ট কৰি দিয়ে;

(গ) সংসদৰ কোনো অধিনিয়মৰ সম্পৰ্কত ৰাষ্ট্ৰপতিয়ে অধিসূচনাৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে মিজোৰাম ৰাজ্যৰ স্বায়ত্ত শাসিত জিলা বা কোনো স্বায়ত্ত শাসিত অঞ্চলত ইয়াৰ প্ৰয়োগ নহ’ব অথবা তেনে জিলা বা অঞ্চল বা তাৰ কোনো অংশত এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষে ইয়াৰ প্ৰয়োগ হ’ব যিবিলাক অধিসূচনাত নিৰ্দিষ্ট কৰি দিয়ে আৰু এনে কোনো নিৰ্দেশ পূৰ্বৱৰ্তী প্ৰভাৱ হোৱাকৈ দিব পাৰিব।]]

**১৩। স্বায়ত্ত শাসিত জিলা সম্পৰ্কিত প্ৰাক্কলিত আয় আৰু ব্যয় বাৰ্ষিক বিত্তীয় বিৱৰণত পৃথককৈ দেখুৱাব লাগিব** - ৰাজ্য[1]***ৰ একত্ৰীকৃত নিধিত জমা হ’বলগীয়া বা তাৰ পৰা ব্যয় কৰিবলগীয়া কোনো স্বায়ত্ত শাসিত জিলা সম্পৰ্কীয় প্ৰাক্কলিত আয় আৰু ব্যয়সমূহ প্ৰথমে জিলা পৰিষদত আলোচনাৰ বাবে উত্থাপন কৰিব লাগিব আৰু তেনে আলোচনাৰ পিচত অনুচ্ছেদ ২০২-ৰ অধীনত ৰাজ্যৰ বিধানমণ্ডলত দাখিল কৰাৰ বাবে ৰাজ্যখনৰ বাৰ্ষিক বিত্তীয় বিৱৰণত পৃথককৈ দেখুৱাব লাগিব।

[2]**১৪। স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহৰ প্ৰশাসন সম্পৰ্কে তদন্ত আৰু প্ৰতিবেদন দিবৰ কাৰণে আয়োগৰ নিযুক্তি** - (১) ৰাজ্যপালে যিকোনো সময়তে স্বায়ত্ত শাসিত জিলা বা স্বায়ত্ত শাসিত অঞ্চলসমূহৰ প্ৰশাসন সম্পৰ্কে এই অনুসূচীৰ পেৰেগ্ৰাফ ১-ৰ উপপেৰেগ্ৰাফ (৩)-ৰ দফা (গ), (ঘ), (ঙ) আৰু (চ)-ত নিৰ্দিষ্ট বিষয়সমূহক অন্তৰ্ভুক্ত কৰি তেওঁ নিৰ্দিষ্ট কৰি দিয়া যিকোনো বিষয় পৰীক্ষা কৰি প্ৰতিবেদন দিবৰ কাৰণে কোনো আয়োগ নিযুক্ত কৰিব পাৰে অথবা সাধাৰণতে ৰাজ্যখনৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহৰ প্ৰশাসন সম্পৰ্কে তদন্ত কৰি সময়ে সময়ে প্ৰতিবেদন দিবলৈ আৰু বিশেষকৈ –

(ক) এনে জিলা বা অঞ্চলসমূহত শিক্ষা আৰু চিকিৎসাৰ সা-সুবিধা আৰু যোগাযোগৰ উপবন্ধ;

(খ) এনে জিলা আৰু অঞ্চলৰ সম্পৰ্কত কোনো নতুন বা বিশেষ অধিনিয়মৰ আৱশ্যকতা; আৰু

(গ) জিলা আৰু আঞ্চলিক পৰিষদসমূহৰ দ্বাৰা প্ৰণীত বিধি, নিয়মাৱলী আৰু বিনিয়মাৱলীৰ কাৰ্যকৰীকৰণ;

সম্পৰ্কে তদন্ত কৰি প্ৰতিবেদন দিবলৈ কোনো আয়োগ নিযুক্ত কৰিব পাৰে আৰু এনে আয়োগৰ দ্বাৰা মানি চলিবলগীয়া প্ৰক্ৰিয়া নিৰ্ধাৰিত কৰিব পাৰে।

---

[1] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা “অসমৰ” শব্দ বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৯৫ (১৯৯৫-ৰ ৪২)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ১৪-ক অসমত প্ৰয়োগৰ বাবে তলত দিয়া ধৰণে সংশোধিত (১২-৯-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ) -

‘পেৰেগ্ৰাফ ১৪-ৰ উপ-পেৰেগ্ৰাফ (২)-ৰ “সেই সন্দৰ্ভত ৰাজ্যপালৰ পৰামৰ্শ ক্ৰমে” শব্দসমূহ বিলোপ কৰা হ’ব।’

(২) ৰাজ্যপালৰ পৰামৰ্শৰ সৈতে এনেকুৱা প্ৰত্যেক আয়োগৰ প্ৰতিবেদন সংশ্লিষ্ট মন্ত্ৰীয়ে [1][ৰাজ্যখনৰ চৰকাৰৰ] দ্বাৰা গ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱিত কাৰ্য্যব্যৱস্থা সম্পৰ্কে এক ব্যাখ্যামূলক স্মাৰকপত্ৰসহ ৰাজ্যৰ বিধানমণ্ডলত দাখিল কৰিব।

(৩) মন্ত্ৰীসকলৰ মাজত ৰাজ্য চৰকাৰৰ কাৰ্য্যভাৰ বণ্টন কৰোতে ৰাজ্যপালে তেওঁৰ কোনো এজন মন্ত্ৰীৰ ওপৰত বিশেষকৈ ৰাজ্যখনৰ স্বায়ত্ত শাসিত জিলা আৰু স্বায়ত্ত শাসিত অঞ্চলসমূহৰ কল্যাণৰ ভাৰ অৰ্পণ কৰিব পাৰে।

[2]**১৫। জিলা আৰু আঞ্চলিক পৰিষদসমূহৰ কাৰ্য্য আৰু প্ৰস্তাৰসমূহ ৰদকৰণ বা নিলম্বন** - (১) যদি যিকোনো সময়ত ৰাজ্যপালে এই বুলি সন্তুষ্ট হয় যে কোনো জিলা বা আঞ্চলিক পৰিষদৰ কোনো কাৰ্য্যই বা প্ৰস্তাৱে ভাৰতৰ নিৰাপত্তা বিপন্ন কৰাৰ সম্ভাৱনা আছে [3][অথবা ই ৰাজহুৱা শৃংখলাত প্ৰতিকুল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে] তেনেহ'লে ৰাজ্যপালে তেনে কাৰ্য্য বা প্ৰস্তাৱ ৰদ বা নিলম্বিত কৰিব পাৰে আৰু এনে ব্যৱস্থা (পৰিষদখন সাময়িকভাৱে নিলম্বিত কৰা আৰু পৰিষদত ন্যস্ত হোৱা বা পৰিষদৰ দ্বাৰা প্ৰয়োগ কৰিবলগীয়া সকলো বা যিকোনো ক্ষমতা নিজৰ হাতলৈ অনাকে সামৰি) ল'ব পাৰে যিবিলাক তেনে কাৰ্য্য সংঘটিত হোৱা বা তাক চলি থাকিবলৈ দিয়াত অথবা তেনে প্ৰস্তাৱ কাৰ্য্যকৰী কৰাত বাধা আৰোপ কৰিবলৈ আৱশ্যকীয় বুলি ৰাজ্যপালে বিবেচনা কৰে।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত ৰাজ্যপালে দিয়া যিকোনো আদেশ তেনে আদেশ দিয়াৰ কাৰণসহ যথাসম্ভৱ শীঘ্ৰে ৰাজ্যৰ বিধানমণ্ডলত দাখিল কৰিব লাগিব আৰু যদি ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা ৰদ কৰা নহয় তেনেহ'লে যি তাৰিখে তেনে আদেশ দিয়া হয় সেই তাৰিখৰ পৰা বাৰমাহ কাললৈ বলবৎ হৈ থাকিব:

কিন্তু, যদি আৰু যিমান সঘনাই ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা এনে আদেশ চলি থাকিবৰ বাবে অনুমোদন জনাই প্ৰস্তাৱ পাৰিত হয়, তেনেহ'লে সেই আদেশ যদিহে ৰাজ্যপালৰ দ্বাৰা ৰদ কৰা নহয়, তেন্তে যি তাৰিখে এই পেৰেগ্ৰাফৰ অধীনত অন্যথা বলবৎ নোহোৱা হ'লহেতেন সেই তাৰিখৰ পৰা অতিৰিক্ত বাৰমাহ কালৰ বাবে বলবৎ হৈ থাকিব।

---

[1] উত্তৰ পূৰ্ব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অসম চৰকাৰ"ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ১৫ ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত প্ৰয়োগৰ ক্ষেত্ৰত নিম্নলিখিত ৰূপত সংশোধিত -

পেৰেগ্ৰাফ ১৫-ৰ উপপেৰেগ্ৰাফ (২)-ত -

'(ক) প্ৰাৰম্ভিক পেৰেগ্ৰাফত "ৰাজ্যৰ বিধানমণ্ডলৰ দ্বাৰা" শব্দসমূহ "তেওঁৰ দ্বাৰা" শব্দসমূহেৰে প্ৰতিস্থাপিত হ'ব;

(খ) ব্যতিক্ৰমটো বিলোপ কৰা হ'ব।'

[3] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1]**১৬। কোনো জিলা বা আঞ্চলিক পৰিষদৰ ভংগ -** [2][(১)] এই অনুসূচীৰ পেৰেগ্ৰাফ ১৪-ৰ অধীনত নিযুক্ত কোনো আয়োগৰ পৰামৰ্শক্ৰমে ৰাজ্যপালে চৰকাৰী অধিসূচনাৰ দ্বাৰা কোনো জিলা বা আঞ্চলিক পৰিষদ ভংগ কৰাৰ আদেশ দিব পাৰে, আৰু –

(ক) পৰিষদখন পুনৰ্গঠনৰ বাবে তৎক্ষণাত নতুনকৈ সাধাৰণ নিৰ্বাচন পাতিবলৈ নিৰ্দেশ দিব পাৰে; অথবা

(খ) ৰাজ্যখনৰ বিধানমণ্ডলৰ পূৰ্বানুমোদন সাপেক্ষে, এনে পৰিষদৰ প্ৰাধিকাৰাধীন ক্ষেত্ৰৰ প্ৰশাসন অনধিক বাৰমাহ কালৰ বাবে নিজৰ হাতলৈ আনিব পাৰে বা তেনে ক্ষেত্ৰৰ প্ৰশাসন উক্ত পেৰেগ্ৰাফৰ অধীনত নিযুক্ত আয়োগৰ অধীনত বা তেওঁৰ দ্বাৰা যথোপযুক্ত বুলি বিৱেচিত আন কোনো নিকায়ৰ অধীনত দিব পাৰে:

কিন্তু, যেতিয়া এই পেৰেগ্ৰাফৰ দফা (ক)ৰ অধীনত কোনো আদেশ দিয়া হয় তেতিয়া ৰাজ্যপালে, নতুন সাধাৰণ নিৰ্বাচন অনুসৰি পৰিষদখন পুনৰ্গঠন নোহোৱালৈকে সেই প্ৰাসংগিক ক্ষেত্ৰৰ প্ৰশাসন সম্পৰ্কে এই পেৰেগ্ৰাফৰ দফা (খ)-ত নিৰ্দেশিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰে:

অধিকন্তু, জিলা বা আঞ্চলিক পৰিষদক, যিটোৱেই প্ৰযোজ্য, ৰাজ্যখনৰ বিধানমণ্ডলৰ আগত তেওঁলোকৰ মতামত জনোৱাৰ সুযোগ নিদিয়াকৈ এই পেৰেগ্ৰাফৰ দফা (খ)-ৰ অধীনত কোনো কাৰ্যব্যৱস্থা গ্ৰহণ নকৰিব।

---

[1] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা পেৰেগ্ৰাফ ১৬ ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত প্ৰয়োগ কৰোতে নিম্নলিখিত ৰূপত সংশোধিত (১৬-১২-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ);

'(ক) উপপেৰেগ্ৰাফ (১)-ৰ দফা (খ)-ত থকা "ৰাজ্যৰ বিধানমণ্ডলৰ পূৰ্ব অনুমোদন সাপেক্ষে" শব্দসমূহ আৰু দ্বিতীয় ব্যতিক্ৰম বিলোপ কৰা হ'ব;

(খ) উপপেৰেগ্ৰাফ (৩)-ৰ বাবে নিম্নলিখিত উপপেৰেগ্ৰাফ প্ৰতিস্থাপিত হ'ব, অৰ্থাৎ -

"(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১) বা উপপেৰেগ্ৰাফ (২)-ৰ অধীনত দিয়া প্ৰত্যেক আদেশ, ইয়াৰ কাৰণসহ, ৰাজ্যৰ বিধানমণ্ডলত উপস্থাপন কৰা হ'ব।"।'।

[2] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা পেৰেগ্ৰাফ ১৬-ক ইয়াৰ উপপেৰেগ্ৰাফ (১)-ৰ ৰূপে পুনঃক্ৰমাংকিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][(২) যদি কোনো সময়ত ৰাজ্যপাল এইবুলি প্ৰতীয়মান হয় যে এনে অৱস্থাৰ উদ্ভৱ হৈছে যি অৱস্থাত এই অনুসূচীৰ উপবন্ধাৱলী অনুসৰি কোনো স্বায়ত্ত শাসিত জিলা বা অঞ্চলৰ প্ৰশাসন চলাব নোৱাৰা হৈছে, তেনেহ'লে ৰাজ্যপালে চৰকাৰী অধিসূচনাৰ দ্বাৰা, জিলা পৰিষদ বা আঞ্চলিক পৰিষদত, যিটোৱেই প্ৰযোজ্য, ন্যস্ত বা পৰিষদৰ দ্বাৰা প্ৰয়োগ কৰিবলগীয়া কাৰ্য বা ক্ষমতাসমূহৰ সকলোবোৰ বা যিকোনোটো নিজৰ হাতলৈ নিব পাৰে আৰু এইবুলি ঘোষণা কৰিব পাৰে যে তেনে কাৰ্য বা ক্ষমতাসমূহ অনধিক ছমাহ কালৰ বাবে তেখেতে সেই মৰ্মে নিৰ্দিষ্ট কৰি দিয়া ব্যক্তি বা প্ৰাধিকাৰীৰ দ্বাৰা প্ৰয়োগযোগ্য হ'ব:

কিন্তু, ৰাজ্যপালে পুনৰ আদেশৰ দ্বাৰা প্ৰাৰম্ভিক আদেশৰ প্ৰৱৰ্তন প্ৰত্যেকবাৰতে অনধিক ছমাহৰ বাবে বঢ়াই দিব পাৰে।

(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ অধীনত দিয়া প্ৰত্যেক আদেশ তাৰ কাৰণসহ ৰাজ্যৰ বিধানমণ্ডলত দাখিল কৰিব লাগিব আৰু এনে আদেশ দিয়াৰ পিচত আৰম্ভ হোৱা ৰাজ্যিক বিধানমণ্ডলৰ বৈঠকৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ অন্তত ইয়াৰ প্ৰৱৰ্তন নোহোৱা হ'ব – যদিহে সেই কাল অন্ত হোৱাৰ আগতেই ৰাজ্যিক বিধানমণ্ডলে তাক অনুমোদন নকৰে।]

[২]**১৭। স্বায়ত্ত শাসিত জিলাত সমষ্টি গঠন কৰোতে তেনে জিলাৰ পৰা ক্ষেত্ৰসমূহৰ বহিৰ্ভূতকৰণ** - [৩][অসমৰ বা মেঘালয়] [৪][বা ত্ৰিপুৰা] [৫][বা মিজোৰাম বিধানমণ্ডল]লৈ নিৰ্বাচনৰ প্ৰয়োজনৰ বাবে, ৰাজ্যপালে আদেশৰ দ্বাৰা ঘোষণা কৰিব পাৰে যে [৬][অসমৰ বা মেঘালয় [৪][বা ত্ৰিপুৰা] [৫][বা মিজোৰাম ৰাজ্যত], যিটোৱেই প্ৰযোজ্য], কোনো স্বায়ত্ত শাসিত জিলাৰ অন্তৰ্গত যিকোনো ক্ষেত্ৰ এনে জিলাৰ বাবে সংৰক্ষিত বিধানসভাৰ কোনো এক বা ততোধিক আসন পূৰণৰ বাবে গঠিত সমষ্টিৰ অংশবিশেষ নহ'ব, বৰং এনেদৰে সংৰক্ষিত নোহোৱা আৰু সেই আদেশত নিৰ্দিষ্ট বিধানসভাৰ এক বা ততোধিক আসন পূৰণৰ বাবে গঠিত সমষ্টিৰহে অংশবিশেষ হ'ব।

[৭][**১৮।*** * * * *]

---

[১] অসম পুনৰ্গঠন (মেঘালয়) অধিনিয়ম, ১৯৬৯ (১৯৬৯-ৰ ৫৫)-ৰ ধাৰা ৭৪ আৰু চতুৰ্থ অনুসূচীৰ দ্বাৰা সংযোজিত (২-৪-১৯৭০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসমত পেৰেগ্ৰাফ ১৭-ৰ প্ৰয়োগৰ বাবে সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সেয়েহে, তলৰ ব্যতিক্ৰম অন্তঃস্থাপিত হৈছে, যেনে -
"কিন্তু, এই পেৰেগ্ৰাফৰ কোনো কথাই বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্টত প্ৰয়োগ নহ'ব।"

[৩] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা "অসমৰ বিধানসভা"ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা অন্তঃস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] উক্ত অধিনিয়মৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা পেৰেগ্ৰাফ ১৮ বিলোপিত (২১-১-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1]**১৯। অন্তৰ্কালীন উপবন্ধাৱলী** - (১) এই সংবিধানৰ প্ৰাৰম্ভণিৰ পিচতে যথাসম্ভৱ শীঘ্ৰে এই অনুসূচীৰ অধীনত ৰাজ্যখনৰ ভিতৰত থকা প্ৰত্যেকখন স্বায়ত্ত শাসিত জিলাৰ বাবে একোখন জিলা পৰিষদ গঠন কৰিবলৈ ৰাজ্যপালে ব্যৱস্থা ল'ব আৰু কোনো এখন স্বায়ত্ত শাসিত জিলাৰ বাবে তেনেদৰে জিলা পৰিষদ গঠিত নোহোৱা পৰ্য্যন্ত তেনে জিলাৰ প্ৰশাসন ৰাজ্যপালৰ হাতত ন্যস্ত হ'ব আৰু এনে জিলাৰ অন্তৰ্গত ক্ষেত্ৰসমূহৰ প্ৰশাসন ক্ষেত্ৰত এই অনুসূচীৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীৰ পৰিৱৰ্তে নিম্নলিখিত উপবন্ধাৱলী প্ৰয়োগ হ'ব; অৰ্থাৎ -

(ক) ৰাজ্যপালে যদিহে চৰকাৰী অধিসূচনাৰ দ্বাৰা তেনে নিৰ্দেশ নিদিয়ে তেন্তে সংসদ বা ৰাজ্যিক বিধানমণ্ডলৰ কোনো অধিনিয়ম তেনে ক্ষেত্ৰত প্ৰয়োগ নহ'ব; আৰু কোনো অধিনিয়মৰ সম্পৰ্কত ৰাজ্যপালে তেনে নিৰ্দেশ দিওঁতে এইদৰে নিৰ্দেশ দিব পাৰে যে সেইক্ষেত্ৰত বা তাৰ কোনো অংশবিশেষত অধিনিয়মখন প্ৰয়োগ কৰোতে এনে ব্যতিক্ৰম বা পৰিৱৰ্তন সাপেক্ষ হ'ব, যিবিলাক ৰাজ্যপালে উচিত বুলি ভাবে;

(খ) এনে কোনো ক্ষেত্ৰৰ শান্তি আৰু সুপ্ৰশাসনৰ অৰ্থে ৰাজ্যপালে বিনিয়ম প্ৰণয়ন কৰিব পাৰে আৰু তেনেদৰে প্ৰণীত কোনো বিনিয়মে সংসদ বা ৰাজ্যখনৰ বিধানমণ্ডলৰ যিকোনো অধিনিয়ম অথবা তেনে ক্ষেত্ৰত সেইসময়ত প্ৰযোজ্য যিকোনো প্ৰচলিত বিধি ৰদ বা সংশোধন কৰিব পাৰে।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ দফা (ক)-ৰ অধীনত ৰাজ্যপালৰ দ্বাৰা দিয়া যিকোনো নিৰ্দেশ এনেদৰে দিব পাৰি যে তাৰ পূৰ্বৱৰ্তী প্ৰভাৱ হ'ব।

---

[1] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অসমত পেৰেগ্ৰাফ ১৯-ৰ প্ৰয়োগৰ বাবে সংশোধিত (৭-৯-২০০৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)। সেয়েহে, উপপেৰেগ্ৰাফ (৩)-ৰ পিচত তলৰ উপপেৰেগ্ৰাফটো অন্তঃস্থাপিত হৈছে। অৰ্থাৎ -

'(৪) এই অধিনিয়মখন কাৰ্যকৰী হোৱাৰ লগে লগে ৰাজ্যপালে বড়ো আন্দোলনৰ নেতাসকলৰ মাজৰ পৰা, নিষ্পত্তিৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰা স্বাক্ষৰকাৰীসকলক লৈ আৰু সেই এলেকাৰ অজনজাতীয় লোকসকলৰ সঠিক প্ৰতিনিধিত্ব নিশ্চিতিৰে বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্টৰ অন্তৰ্বৰ্তীকালীন কাৰ্যবাহী পৰিষদ গঠন কৰিব:

কিন্তু, অন্তৰ্বৰ্তীকালীন পৰিষদখন ৬ মাহৰ বাবে গঠন হ'ব আৰু এই সময়কালৰ ভিতৰত পৰিষদৰ নিৰ্বাচনৰ ব্যৱস্থা কৰা হ'ব।

*ব্যাখ্যা* - এই উপপেৰেগ্ৰাফত থকা "নিষ্পত্তিৰ চুক্তিপত্ৰ"ই সেই চুক্তিপত্ৰক বুজাইছে যি ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো লিবাৰেশ্যন টাইগাৰ্চৰ মাজত স্বাক্ষৰিত হৈছিল।'।

(৩) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ দফা (ক)-ৰ অধীনত প্ৰণীত সকলো বিনিয়মাৱলী লগে লগে ৰাষ্ট্ৰপতিলৈ পঠিয়াব লাগিব আৰু তেওঁ তাত সন্মতি প্ৰদান নকৰা পৰ্য্যন্ত সেই বিনিয়মাৱলীৰ কোনো প্ৰভাৱ নহ'ব।

[1][**২০। জনজাতীয় ক্ষেত্ৰসমূহ** - (১) তলত দিয়া তালিকাৰ অংশ ১, অংশ ২, ২[২ক] আৰু অংশ ৩-ত নিৰ্দিষ্ট ক্ষেত্ৰসমূহ ক্ৰমান্বয়ে অসম ৰাজ্য, মেঘালয় ৰাজ্য, [2][ত্ৰিপুৰা ৰাজ্য] আৰু মিজোৰাম [3][ৰাজ্য] অন্তৰ্গত জনজাতীয় ক্ষেত্ৰ হ'ব।

(২) [4][তলৰ তালিকাৰ অংশ ১, অংশ ১ বা অংশ ৩-ত থকা] কোনো জিলাৰ প্ৰতি থকা কোনো নিৰ্দেশ উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১-ৰ ধাৰা ২-ৰ দফা (খ)-ৰ অধীনত নিযুক্ত তাৰিখৰ ঠিক পূৰ্বে থকা সেই নামৰ স্বায়ত্তশাসিত জিলাত সমাবিষ্ট ক্ষেত্ৰসমূহৰ প্ৰতি থকা নিৰ্দেশ বুলি অৰ্থ কৰিব:

কিন্তু এই অনুসূচীৰ পেৰেগ্ৰাফ ৩-ৰ উপপেৰেগ্ৰাফ (১)-ৰ দফা (ঙ) আৰু (চ), পেৰেগ্ৰাফ ৪, পেৰেগ্ৰাফ ৫, পেৰেগ্ৰাফ ৬, পেৰেগ্ৰাফ ৮-ৰ উপপেৰেগ্ৰাফ (২), উপপেৰেগ্ৰাফ (৩)-ৰ দফা (ক), (খ) আৰু (ঘ) আৰু উপপেৰেগ্ৰাফ (৪), আৰু পেৰেগ্ৰাফ ১০-ৰ উপপেৰেগ্ৰাফ (২)-ৰ দফা (ঘ)-ৰ প্ৰয়োজনৰ বাবে চিলং পৌৰসভাত সমাবিষ্ট থকা ক্ষেত্ৰৰ কোনো অংশবিশেষ [5][খাছীয়া পাহাৰ জিলাৰ] অন্তৰ্গত বুলি গণ্য কৰা নহ'ব।

[2][(৩) তলৰ তালিকাৰ অংশ ২ক "ত্ৰিপুৰা জনজাতি অঞ্চল জিলা"ৰ প্ৰতি থকা নিৰ্দেশক ত্ৰিপুৰা জনজাতি অঞ্চলসমূহৰ স্বায়ত্তশাসিত জিলা পৰিষদ অধিনিয়ম, ১৯৭৯-ৰ প্ৰথম অনুসূচীত নিৰ্দিষ্ট জনজাতি অঞ্চলেৰে গঠিত ৰাজ্যক্ষেত্ৰৰ প্ৰতি থকা নিৰ্দেশ বুলি অৰ্থ কৰা হ'ব।]

---

[1] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা পেৰেগ্ৰাফ ২০ আৰু ২০ক-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু পেৰেগ্ৰাফ ২০ক-ক কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮৩)-ৰ ধাৰা ১৩-ৰ দ্বাৰা পুনৰ প্ৰতিস্থাপিত (২৯-৪-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬-ৰ ৩৪)-ৰ ধাৰা ৩৯-ৰ দ্বাৰা "কেন্দ্ৰীয় শাসিত অঞ্চল"-ৰ সলনি প্ৰতিস্থাপিত (২০-২-১৯৮৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[4] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা "তলৰ তালিকাত থকা কোনো প্ৰসংগ"-ৰ সলনি প্ৰতিস্থাপিত (১-৪-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[5] মেঘালয় চৰকাৰ অধিসূচনা নং ডি.চি.এ. ৩১/৭২/১১, তাৰিখ - ১৪ জুন, ১৯৭৩, মেঘালয় ৰাজপত্ৰ, অংশ Vক, তাৰিখ ২৩-৬-১৯৭৩, পৃষ্ঠা ২০০-ৰ দ্বাৰা প্ৰতিস্থাপিত।

(ষষ্ঠ অনুসূচী)

## তালিকা

### অংশ - ১

১। উত্তৰ কাছাৰ পাৰ্বত্য জিলা।
২। [১][কাৰ্বি আংলং জিলা।]
[২][৩। বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়াজ ডিষ্ট্ৰিক্ট।]

### অংশ - ২

[৩][১। খাছীয়া পাৰ্বত্য জিলা।
২। জয়ন্তীয়া পাৰ্বত্য জিলা।]
৩। গাৰো পাহাৰ জিলা।

### [৪][অংশ - ২ক]

ত্ৰিপুৰা জনজাতি অঞ্চলসমূহৰ জিলা।]

### অংশ - ৩

[৫]* * *
[৬][১। চাক্‌মা জিলা।
[৭][২। মাৰা জিলা।
৩। লই জিলা।]]

[৮][**২০ক। মিজো জিলা পৰিষদ ভংগ**-(১) এই অনুসূচীত যি কথাই উল্লেখ নাথাকক কিয়, বলবৎ হোৱা তাৰিখৰ ঠিক পূৰ্বে থকা মিজো জিলাৰ জিলা পৰিষদখন (ইয়াৰ পিচত মিজো জিলা পৰিষদ বুলি উল্লিখিত) ভংগ হ'ব আৰু বৰ্তি নাথাকিব।

---

[১] অসম চৰকাৰৰ অধিসূচনা নং টিএডি/আৰ/১১৫/৭৪/৪৭, তাৰিখ ১৪-১০-১৯৭৬-ৰ দ্বাৰা "মিকিৰ পাহাৰ জিলা"-ৰ সলনি প্ৰতিস্থাপিত।

[২] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ২০০৩ (২০০৩-ৰ ৪৪)-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৭-৯-২০০৩-ৰ পৰা পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] মেঘালয় চৰকাৰ অধিসূচনা নং ডি.চি.এ. ৩১/৭২/১৯১১, তাৰিখ - ১৪ জুন, ১৯৭৩, মেঘালয় ৰাজপত্ৰ, অংশ V-ক, তাৰিখ ২৩-৬-১৯৭৩, পৃষ্ঠা ২০০-ৰ দ্বাৰা প্ৰতিস্থাপিত।

[৪] সংবিধান (৪৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ৪-ৰ দ্বাৰা অন্তঃস্থাপিত (১-৪-১৯৮৫-ৰ পৰা পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮৩)-ৰ ধাৰা ১৩-ৰ দ্বাৰা "মিজো জিলা" শব্দসমূহ বিলোপিত (২৯-৪-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] মিজোৰাম ৰাজপত্ৰ, ১৯৭২, তাৰিখ ৫ মে, ১৯৭২, খণ্ড I, অংশ II, পৃষ্ঠা ১৭-ত প্ৰকাশিত, মিজোৰাম জিলা পৰিষদ (বিবিধ বিধান) আদেশ, ১৯৭২-ৰ দ্বাৰা অন্তঃস্থাপিত (২৯-৪-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা ক্ৰমিক নং ২ আৰু ৩ আৰু তাৰ লগত সম্পৰ্কিত প্ৰৱিষ্টিসমূহৰ সলনি প্ৰতিস্থাপিত (১৬-১২-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৮] উত্তৰ-পূব অঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮১)-ৰ ধাৰা ৭১(i) আৰু অষ্টম অনুসূচীৰ দ্বাৰা পেৰেগ্ৰাফ ২০-ৰ সলনি প্ৰতিস্থাপিত (২১-১-১৯৭২ৰ পৰা কাৰ্যকৰী হোৱাকৈ) আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮৩)-ৰ ধাৰা ১৩-ৰ দ্বাৰা পেৰেগ্ৰাফ ২০ক-ৰ বাবে পুনৰ প্ৰতিস্থাপিত (২৯-৪-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(২) মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকে এক বা ততোধিক আদেশৰ দ্বাৰা নিম্নোক্ত বিষয়সমূহৰ সকলোবোৰ বা যিকোনো এটাৰ সম্পৰ্কত বিধান কৰিব পাৰে, যেনে -

(ক) মিজো জিলা পৰিষদৰ সম্পদ, অধিকাৰ আৰু দায়িত্বসমূহ (যাৰ অন্তৰ্গত পৰিষদৰ দ্বাৰা সম্পাদিত কোনো বন্দোবস্তিৰ অধীনত থকা অধিকাৰ আৰু দায়িত্বসমূহো হ'ব) সম্পূৰ্ণতঃ অথবা আংশিকভাৱে সংঘলৈ বা আন যিকোনো প্ৰাধিকাৰীলৈ হস্তান্তৰণ কৰাৰ সম্পৰ্কত;

(খ) মিজো জিলা পৰিষদ বিকল্প ৰূপত থকা কোনো বিধিগত কাৰ্যক্ৰমণিকাত মিজো জিলা পৰিষদৰ পৰিৱৰ্তে সংঘক বা আন যিকোনো প্ৰাধিকাৰীক বিকল্প ৰূপত অন্তৰ্ভুক্ত কৰা অথবা সংঘ বা আন যিকোনো প্ৰাধিকাৰীক এটা পক্ষ হিচাপে যোগ দিয়াৰ সম্পৰ্কত;

(গ) মিজো জিলা পৰিষদৰ কোনো কৰ্মচাৰীক সংঘ বা আন যিকোনো প্ৰাধিকাৰীৰ অধীনলৈ স্থানান্তৰণ অথবা তেওঁলোকৰ দ্বাৰা পুনৰ নিয়োগ কৰা, এনে স্থানান্তৰ কৰণ বা পুনৰ নিয়োগৰ পিচত এনে কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য সেৱাৰ চৰ্তাৱলীৰ সম্পৰ্কত;

(ঘ) মিজো জিলা পৰিষদৰ দ্বাৰা প্ৰণীত আৰু পৰিষদ ভংগ হোৱাৰ ঠিক পূৰ্বে বলবৎ হৈ থকা বিধিসমূহ, কাৰ্যক্ষম বিধানমণ্ডল বা আন কোনো কাৰ্যক্ষম প্ৰাধিকাৰীৰ দ্বাৰা পৰিৱৰ্তন, ৰদ বা সংশোধন নকৰা পৰ্য্যন্ত প্ৰশাসকে এই মৰ্মে ৰদকৰণ বা সংশোধনৰ দ্বাৰা কৰা কোনো ৰদ বা সংশোধন সাপেক্ষে প্ৰৱৰ্তিত হৈ থাকিবলৈ দিয়াৰ সম্পৰ্কত;

(ঙ) এনে আনুষাংগিক, পৰিণামগত আৰু পৰিপূৰক বিষয়সমূহৰ সম্পৰ্কত যিবিলাক প্ৰশাসকে আৱশ্যকীয় বুলি বিবেচনা কৰে।

*ব্যাখ্যা* –এই অনুসূচীৰ এই পেৰেগ্ৰাফত আৰু পেৰেগ্ৰাফ ২০খ-ত "বলবৎ হোৱা তাৰিখ" শব্দই সেই তাৰিখক বুজাব যি তাৰিখে কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ অধিনিয়ম, ১৯৬৩ (১৯৬৩-২০)-ৰ অধীনত আৰু তাৰ উপবন্ধ অনুসৰি মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভা উপযুক্তভাৱে ৰূপে গঠন কৰা হ'ব।

[১][**২০খ। মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ স্বায়ত্ত শাসিত অঞ্চলসমূহ স্বায়ত্ত শাসিত জিলালৈ পৰিৱৰ্তন হোৱা আৰু তাৰ পৰিণামগত অন্তৰ্কালীন উপবন্ধাৱলী** - (১) এই অনুসূচীত যি কথাই উল্লেখ নাথাকক কিয়, -

(ক) মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলত বলবৎ হোৱা তাৰিখৰ ঠিক পূৰ্বে থকা প্ৰত্যেকটো স্বায়ত্তশাসিত অঞ্চল সেই তাৰিখত আৰু সেই তাৰিখৰ পৰা সেই কেন্দ্ৰীয় শাসিত অঞ্চলৰ একোখন স্বায়ত্ত শাসিত জিলা হ'ব (ইয়াৰ পিচত সংযোজিত নতুন জিলা বুলি উল্লিখিত) আৰু তাৰ প্ৰশাসকে এক বা ততোধিক আদেশৰ দ্বাৰা নিৰ্দেশ দিব পাৰে যে এই অনুসূচীৰ পেৰেগ্ৰাফ ২০-ত (সেই পেৰেগ্ৰাফত সংলগ্ন তালিকাৰ অংশ ৩-ক অন্তৰ্গত কৰি) এনে পৰিণামগত সংশোধন কৰা হ'ব যিবিলাকত এই অংশৰ উপবন্ধাৱলী প্ৰয়োগ কৰিবলৈ আৱশ্যক হয় আৰু তাৰপিচত উক্ত পেৰেগ্ৰাফ আৰু উক্ত অংশ – ৩ সেই অনুসৰি সংশোধিত হোৱা বুলি গণ্য কৰা হ'ব।

---

[১] কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮৩)-ৰ ধাৰা ১৩-ৰ দ্বাৰা পেৰেগ্ৰাফ ২০ক-ৰ সলনি প্ৰতিস্থাপিত (১৬-২-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(খ) মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলত বলবৎ হোৱা তাৰিখৰ ঠিক পূৰ্বে থকা কোনো স্বায়ত্ত শাসিত অঞ্চলৰ প্ৰত্যেকখন আঞ্চলিক পৰিষদ (ইয়াৰ পিচত চলিত আঞ্চলিক পৰিষদ বুলি উল্লিখিত) সেই তাৰিখত আৰু সেই তাৰিখৰ পৰা আৰু সংযোজিত নতুন জিলাখনৰ বাবে জিলা পৰিষদ এখন গঠন নকৰা পৰ্য্যন্ত সেই জিলাখনৰ জিলা পৰিষদ বুলি গণ্য কৰা হ'ব (ইয়াৰ পিচত সংযোজিত নতুন জিলা পৰিষদ বুলি উল্লিখিত)।

(২) কোনো চলিত আঞ্চলিক পৰিষদৰ নিৰ্বাচিত বা মনোনীত প্ৰত্যেকজন সদস্য, সংযোজিত নতুন জিলা পৰিষদলৈ নিৰ্বাচিত বা মনোনীত, যিটোৱেই প্ৰযোজ্য, বুলি গণ্য কৰা হ'ব আৰু এই অনুসূচীৰ অধীনত সংযোজিত নতুন জিলাখনৰ বাবে এখন জিলা পৰিষদ গঠিত নোহোৱা পৰ্য্যন্ত সেই পদ ধাৰণ কৰি থাকিব।

(৩) সংযোজিত নতুন জিলা পৰিষদৰ দ্বাৰা এই অনুসূচীৰ পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (৭) আৰু পেৰেগ্ৰাফ ৪-ৰ উপপেৰেগ্ৰাফ (৪)-ৰ অধীনত নিয়মাৱলী প্ৰণয়ন নকৰা পৰ্য্যন্ত, উক্ত উপবন্ধাৱলীৰ অধীনত চলিত আঞ্চলিক পৰিষদৰ দ্বাৰা প্ৰণীত আৰু বলবৎ হোৱা তাৰিখৰ ঠিক পূৰ্বে বলবৎ থকা নিয়মাৱলী সংযোজিত নতুন জিলা পৰিষদৰ সম্পৰ্কত এনে ৰদ বা সংশোধন সাপেক্ষে প্ৰযোজ্য হ'ব, যিবিলাক মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকে তেনে নিয়মাৱলীত সংযোজন কৰিব খোজে।

(৪) মিজোৰামৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকে এক বা ততোধিক আদেশৰ দ্বাৰা নিম্নোক্ত বিষয়সমূহৰ সকলোবোৰ বা যিকোনো এটাৰ সম্পৰ্কত বিধানিত কৰিব পাৰে, যেনে –

(ক) চলিত আঞ্চলিক পৰিষদৰ সম্পদ, অধিকাৰ আৰু দায়িত্বসমূহ (পৰিষদৰ দ্বাৰা সম্পাদিত কোনো বন্দোবস্তিৰ অধীনত থকা অধিকাৰ আৰু দায়িত্বসমূহক সামৰি) সম্পূৰ্ণ ৰূপত অথবা আংশিকভাৱে সংযোজিত নতুন জিলা পৰিষদলৈ হস্তান্তৰ কৰাৰ সম্পৰ্কত;

(খ) চলিত আঞ্চলিক পৰিষদ অন্তৰ্ভুক্ত থকা কোনো বিধিগত কাৰ্যক্ৰমণিকাত চলিত আঞ্চলিক পৰিষদৰ পৰিৱৰ্তে সংযোজিত নতুন জিলা পৰিষদক অন্তৰ্ভুক্ত কৰাৰ সম্পৰ্কত;

(গ) চলিত আঞ্চলিক পৰিষদৰ কোনো কৰ্মচাৰীক সংযোজিত নতুন জিলা পৰিষদলৈ বদলি অথবা নতুন জিলা পৰিষদৰ দ্বাৰা পুনৰ নিয়োগ কৰা, এনে বদলিকৰণ বা পুনৰ নিয়োগৰ পিচত এনে কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য সেৱাৰ চৰ্তাৱলীৰ সম্পৰ্কত;

(ঘ) চলিত আঞ্চলিক পৰিষদৰ দ্বাৰা প্ৰণীত আৰু পৰিষদ ভংগ হোৱাৰ ঠিক পূৰ্বে বলবৎ হৈ থকা বিধিসমূহ, যোগ্য বিধানমণ্ডল বা আন কোনো যোগ্য প্ৰাধিকাৰীৰ দ্বাৰা পৰিৱৰ্তন, ৰদ বা সংশোধন নকৰা পৰ্য্যন্ত প্ৰশাসকে এই মৰ্মে ৰদকৰণ বা সংশোধনৰ সম্পৰ্কত;

(ঙ) এনে আনুষংগিক, পৰিণামস্বৰূপ আৰু পৰিপূৰক বিষয়সমূহৰ সম্পৰ্কত প্ৰশাসকে যিবিলাক আৱশ্যকীয় বুলি বিৱেচনা কৰে।

[১][**২০খক। ৰাজ্যপালৰ দ্বাৰা স্ববিৱেচনাধীন ক্ষমতাসমূহৰ প্ৰয়োগ** - ৰাজ্যপালে এই অনুসূচীৰ পেৰেগ্ৰাফ ১-ৰ উপ-পেৰেগ্ৰাফ (২) আৰু (৩), পেৰেগ্ৰাফ ২-ৰ উপ-পেৰেগ্ৰাফ (১), (৬), প্ৰথম ব্যতিক্ৰম আৰু উপ-পেৰেগ্ৰাফ (৭) বাদ দি উপ-পেৰেগ্ৰাফ (৬ক), পেৰেগ্ৰাফ ৩-ৰ উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ৪-ৰ উপ-পেৰেগ্ৰাফ (৪), পেৰেগ্ৰাফ ৫, পেৰেগ্ৰাফ ৬-ৰ উপ-পেৰেগ্ৰাফ (১), পেৰেগ্ৰাফ ৭-ৰ উপ-পেৰেগ্ৰাফ (২), পেৰেগ্ৰাফ ৮-ৰ উপ-পেৰেগ্ৰাফ (৪), পেৰেগ্ৰাফ ৯-ৰ উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ১০-ৰ উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ১৪-ৰ উপ-পেৰেগ্ৰাফ (১) পেৰেগ্ৰাফ ১৫-ৰ উপ-পেৰেগ্ৰাফ (১) আৰু পেৰেগ্ৰাফ ১৬-ৰ উপ-পেৰেগ্ৰাফ (১) আৰু (২) মন্ত্ৰী পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত্ব শাসিত পৰিষদ বা কাৰ্বি আংলং স্বায়ত্ত্ব শাসিত পৰিষদৰ সৈতে আলোচনা মৰ্মে প্ৰায়োজন অনুসৰি বিৱেচনাধীন ক্ষমতা প্ৰয়োগ কৰিব পাৰে।”

[২][**২০খখ। ৰাজ্যপালৰ দ্বাৰা তেওঁৰ কাৰ্যসমূহৰ পালনত স্ববিৱেচনামূলক ক্ষমতাসমূহ প্ৰয়োগ** - ৰাজ্যপালে, এই অনুসূচীৰ পেৰেগ্ৰাফ ১-ৰ উপ-পেৰেগ্ৰাফ (২) আৰু উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ২-ৰ উপ-পেৰেগ্ৰাফ (১) আৰু উপ-পেৰেগ্ৰাফ (৭), পেৰেগ্ৰাফ ৩-ৰ উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ৫, পেৰেগ্ৰাফ ৬-ৰ উপ-পেৰেগ্ৰাফ (১), পেৰেগ্ৰাফ ৭-ৰ উপ-পেৰেগ্ৰাফ (২), পেৰেগ্ৰাফ ৯-ৰ উপ-পেৰেগ্ৰাফ (৩), পেৰেগ্ৰাফ ১৪-ৰ উপ-পেৰেগ্ৰাফ (১), পেৰেগ্ৰাফ ১৫-ৰ উপ-পেৰেগ্ৰাফ (১) আৰু পেৰেগ্ৰাফ ১৬-ৰ উপ-পেৰেগ্ৰাফ (১) আৰু উপ-পেৰেগ্ৰাফ (২)-ৰ অধীনত তেওঁৰ কাৰ্যসমূহৰ পালনত মন্ত্ৰী পৰিষদৰ সৈতে আৰু যদি তেওঁ এইটো উচিত বিৱেচনা কৰে, তেতিয়া সংশ্লিষ্ট জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ লগত পৰামৰ্শ কৰাৰ পিচত এনে কাৰ্য্য কৰিব যিটো তেওঁ স্ববিৱেকেৰে আৱশ্যক বুলি বিৱেচনা কৰে।]

---

[১] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৯৫ (১৯৯৫-ৰ ৪২)-ৰ ধাৰা ২-ৰ দ্বাৰা অসমত প্ৰয়োগৰ বাবে পেৰেগ্ৰাফ ২০খক অন্তঃস্থাপিত (১২-২-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান ষষ্ঠ অনুসূচী (সংশোধনী) অধিনিয়ম, ১৯৮৮ (১৯৮৮-ৰ ৬৭)-ৰ ধাৰা ২-ৰ দ্বাৰা ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত প্ৰয়োগৰ বাবে পেৰেগ্ৰাফ ২০খখ অন্তঃস্থাপিত (১৬-১২-১৯৮৮-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][২০গ। **নিৰ্বচন** - এই সম্পৰ্কে কৰা কোনো উপবন্ধ সাপেক্ষে এই অনুসূচীৰ উপবন্ধাৱলী মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰয়োগৰ ক্ষেত্ৰত এনেদৰে প্ৰযোজ্য হ'ব –

(১) যেনে ৰাজ্যৰ ৰাজ্যপাল আৰু চৰকাৰৰ প্ৰতি থকা নিৰ্দেশে অনুচ্ছেদ ২৩৯-ৰ অধীনত নিযুক্ত কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকৰ প্ৰতি থকা নিৰ্দেশ বুজায়, ৰাজ্যৰ প্ৰতি থকা নিৰ্দেশে ("ৰাজ্যখনৰ চৰকাৰ" এই শব্দৰ বিকল্পে) মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতি থকা নিৰ্দেশ বুজায় আৰু ৰাজ্যৰ বিধানমণ্ডলৰ প্ৰতি থকা নিৰ্দেশে মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ প্ৰতি থকা নিৰ্দেশ বুজায়;

(২) যেন –

(ক) পেৰেগ্ৰাফ ৪-ৰ উপ-পেৰেগ্ৰাফ (৫)-ত সংশ্লিষ্ট ৰাজ্যখনৰ চৰকাৰৰ লগত পৰামৰ্শ কৰাৰ বাবে থকা উপবন্ধ বিলোপ কৰা হৈছে;

(খ) পেৰেগ্ৰাফ ৬-ৰ উপ-পেৰেগ্ৰাফ (২)-ত থকা "যি পৰ্য্যন্ত ৰাজ্যখনৰ কাৰ্য্যপালিকাৰ ক্ষমতা প্ৰসাৰিত আছে" এই কথাখিনিৰ পৰিৱৰ্তে "যিবিলাকৰ সম্পৰ্কত মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাৰ বিধি প্ৰণয়ন ক্ষমতা আছে" এই কথাখিনি প্ৰতিস্থাপন কৰা হৈছে।

(গ) পেৰেগ্ৰাফ ১৩-ত থকা "অনুচ্ছেদ ২০২-ৰ অধীনত" এই কথাখিনি বিলোপ কৰা হৈছে।]

**২১। অনুসূচীৰ সংশোধন** - (১) সংসদে সময়ে সময়ে বিধিৰ দ্বাৰা এই অনুসূচীৰ উপবন্ধাৱলীৰ যিকোনো উপবন্ধৰ সংযোজন, পৰিৱৰ্তন বা ৰদৰ ৰূপত সংশোধন কৰিব পাৰে আৰু যেতিয়া এই অনুসূচী যেতিয়া সংশোধিত হয় তেতিয়া এই সংবিধানত থকা অনুসূচীৰ প্ৰতি থকা কোনো নিৰ্দেশক এনেদৰে সংশোধিত এনে অনুসূচীৰ প্ৰতি থকা নিৰ্দেশ বুলি বুজোৰা হ'ব।

(২) এই পেৰেগ্ৰাফৰ উপ-পেৰেগ্ৰাফ (১)-ত উল্লিখিত এনে কোনো বিধি, অনুচ্ছেদ ৩৬৮-ৰ প্ৰয়োজনৰ বাবে এই সংবিধানৰ সংশোধন বুলি গণ্য কৰা নহ'ব।

[১] কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১-ৰ ৮৩)-ৰ ধাৰা ১৩-ৰ দ্বাৰা পেৰেগ্ৰাফ ২০ক-ৰ সলনি প্ৰতিস্থাপিত (১৬-২-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# সপ্তম অনুসূচী

## [অনুচ্ছেদ ২৪৬]

## সূচী - ১ - সংঘ সূচী

১। প্ৰতিৰক্ষাৰ বাবে প্ৰস্তুতি আৰু যুদ্ধৰ সময়ত যুদ্ধৰ পৰিচালনা আৰু যুদ্ধৰ সমাপ্তিৰ পিচত সফলতা পূৰ্বক সৈন্য বিনিয়োজনত সহায়ক হ'ব পৰা এনে সকলো কাৰ্য্যক অন্তৰ্ভুক্ত কৰি ভাৰত আৰু ইয়াৰ প্ৰত্যেক অংশৰ প্ৰতিৰক্ষা।

২। নৌ, স্থল আৰু বিমান বাহিনী, সংঘৰ আন কোনো সশস্ত্ৰ বাহিনী।

[১][২ক। সংঘৰ কোনো সশস্ত্ৰ বাহিনীক বা সংঘৰ নিয়ন্ত্ৰণাধীন আন কোনো বাহিনী বা তাৰ কোনো দল বা গোটক কোনো ৰাজ্যত অসামৰিক শক্তিক সহায় কৰিবলৈ নিয়োজন; এনে নিয়োজনৰ কালত এনে বাহিনীৰ সদস্যসকলৰ ক্ষমতা, অধিকাৰ, বিশেষাধিকাৰ আৰু দায়িত্ব।

৩। সেনা-নিবাস থকা অঞ্চলসমূহৰ পৰিসীমা, তেনে অঞ্চলসমূহত স্থানীয় স্বায়ত্ত শাসন, সেই অঞ্চলসমূহৰ ভিতৰত সেনা-নিবাস প্ৰাধিকাৰীৰ গঠন আৰু ক্ষমতা, আৰু তেনে অঞ্চলসমূহত (ঘৰ-ভাড়া নিয়ন্ত্ৰণকে ধৰি) নিবাস-গৃহৰ স্থাপন।

৪। নৌ, স্থল আৰু বিমান বাহিনীৰ কাৰখানা।

৫। অস্ত্ৰ-শস্ত্ৰ, আগ্নেয়াস্ত্ৰ, গোলা-বাৰুদ আৰু বিস্ফোৰকসমূহ।

৬। পৰমাণু শক্তি আৰু ইয়াৰ উৎপাদনৰ বাবে আৱশ্যকীয় খনিজ সম্পদসমূহ।

৭। প্ৰতিৰক্ষাৰ প্ৰয়োজনৰ বাবে অথবা যুদ্ধ পৰিচালনাৰ বাবে সংসদে বিধিৰ দ্বাৰা আৱশ্যকীয় বুলি ঘোষণা কৰা উদ্যোগসমূহ।

৮। কেন্দ্ৰীয় গুপ্তচৰ সংস্থা আৰু অনুসন্ধান ব্যুৰো।

৯। প্ৰতিৰক্ষা, বৈদেশিক বিষয় অথবা ভাৰতৰ সুৰক্ষা সম্বন্ধীয় কাৰণত প্ৰতিৰোধমূলক আটক, এনেদৰে আটকাধীন ব্যক্তিসকল।

১০। বৈদেশিক বিষয়সমূহ; কোনো বিদেশী ৰাষ্ট্ৰৰ লগত কেন্দ্ৰীয় চৰকাৰৰ সম্বন্ধ ঘটাব পৰা সকলো বিষয়।

১১। কূটনৈতিক, পাৰিষদ আৰু বেপাৰ-সম্বন্ধীয় প্ৰতিনিধিত্ব।

১২। সংযুক্ত ৰাষ্ট্ৰসংঘ।

১৩। আন্তঃৰাষ্ট্ৰীয় সন্মিলন, সংস্থা আৰু অন্য নিকায়সমূহত ভাগ লোৱা আৰু তাত লোৱা সিদ্ধান্তসমূহৰ কাৰ্য্যান্বয়ন।

১৪। বিদেশী ৰাষ্ট্ৰৰ লগত সন্ধি আৰু চুক্তিৰ সম্পাদন কৰা আৰু বিদেশী ৰাষ্ট্ৰৰ লগত কৰা হোৱা সন্ধি, চুক্তি আৰু বন্দী প্ৰত্যাৰ্পনৰ চুক্তিসমূহৰ কাৰ্য্যান্বয়ন।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

১৫। যুদ্ধ আৰু শান্তি।

১৬। বৈদেশিক ক্ষেত্ৰাধিকাৰ।

১৭। নাগৰিকত্ব, দেশীয়কৰণ আৰু অন্যদেশীয় ব্যক্তিসকল।

১৮। প্ৰত্যাৰ্পণ।

১৯। ভাৰতত প্ৰৱেশ আৰু ভাৰতৰ পৰা প্ৰব্ৰজন আৰু বহিষ্কাৰ; পাৰ-পত্ৰ আৰু ভিছা।

২০। ভাৰতৰ বাহিৰৰ স্থানলৈ তীৰ্থযাত্ৰা।

২১। মহাসমুদ্ৰত সংঘটিত জলদস্যুতা বা নভোমণ্ডলত সংঘটিত অপৰাধ; ৰাষ্ট্ৰসমূহৰ বিধিৰ বিৰুদ্ধে স্থল বা মহাসমুদ্ৰ বা নভোমণ্ডলত কৰা অপৰাধসমূহ।

২২। ৰেল।

২৩। সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত ৰাষ্ট্ৰীয় ৰাজপথ বুলি ঘোষিত ৰাজপথসমূহ।

২৪। সংসদে বিধিৰ দ্বাৰা ৰাষ্ট্ৰীয় জলপথ বুলি ঘোষণা কৰা অন্তৰ্দেশীয় জলপথত যন্ত্ৰ-চালিত জলযান সম্বন্ধীয় পোতাশ্ৰয়-পৰিবহন আৰু নৌ-পৰিবহন; তেনে জল পথবোৰৰ পথ-নিয়ম।

২৫। জোৱাৰৰ পানীত পোতাশ্ৰয়-পৰিবহন আৰু নৌ-পৰিবহনক অন্তৰ্গত কৰি সমুদ্ৰ পোতাশ্ৰয়-পৰিবহন আৰু নৌ-পৰিবহন, বাণিজ্যিক পোতাশ্ৰয়ৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা আৰু ৰাজ্যসমূহ আৰু অন্যান্য সংস্থাসমূহে ব্যৱস্থা কৰা এনে শিক্ষাৰ আৰু প্ৰশিক্ষণৰ নিয়মাৱলী।

২৬। আলোক-স্তম্ভসমূহ - ইয়াত আলোক সংকেত আৰু আলোক-সংকেতযুক্ত নৌকা, নৌ-পৰিবহন আৰু বিমানৰ সুৰক্ষাৰ বাবে কৰা অন্যান্য ব্যৱস্থাসমূহো অন্তৰ্ভুক্ত হ'ব।

২৭। সংসদৰ দ্বাৰা প্ৰণীত বিধি বা বৰ্তমান বিধিৰ দ্বাৰা বা অধীনত প্ৰধান বন্দৰ বুলি ঘোষিত বন্দৰসমূহ - ইয়াত সেই বন্দৰসমূহৰ সীমাৰ পুনৰ নিৰ্ধাৰণ, আৰু তাৰ বন্দৰ প্ৰাধিকাৰীসমূহৰ গঠন আৰু ক্ষমতাসমূহো অন্তৰ্ভুক্ত হ'ব।

২৮। বন্দৰ সংসৰ্গৰোধ (কোৱাৰেণ্টাইন), ইয়াৰ সৈতে সম্পৰ্কিত চিকিৎসালয়সমূহ, নাৱিক আৰু সামুদ্ৰিক চিকিৎসালয়সমূহ অন্তৰ্ভুক্ত হ'ব।

২৯। বিমান পথ, বিমান আৰু বিমান পৰিবহন, বিমান ঘাটিৰ ব্যৱস্থা, বিমান যাতায়ত আৰু বিমান ঘাটিৰ নিয়মাৱলী আৰু সংগঠন; বৈমানিক শিক্ষা আৰু প্ৰশিক্ষণৰ বাবে ব্যৱস্থা আৰু ৰাজ্যসমূহে আৰু অন্যান্য সংস্থাসমূহে ব্যৱস্থা কৰা এনে শিক্ষাৰ আৰু প্ৰশিক্ষণৰ নিয়মাৱলী।

৩০। ৰেলপথ, সমুদ্ৰ পথ বা বিমানেৰে অথবা যন্ত্ৰচালিত জল-যানেৰে ৰাষ্ট্ৰীয় জলপথেৰে যাত্ৰী আৰু বয়-বস্তুৰ বহন।

(সপ্তম অনুসূচী)

৩১। ডাক আৰু তাঁৰ; টেলিফোন, বেতাঁৰ, প্ৰসাৰণ আৰু তেনে ধৰণৰ আন যোগাযোগ ব্যৱস্থা।

৩২। সংঘৰ সম্পত্তি আৰু তাৰ পৰা পোৱা ৰাজহ, কিন্তু [১]*** কোনো এখন ৰাজ্যত অৱস্থিত সম্পত্তিৰ সম্বন্ধত, সংসদে বিধিৰ দ্বাৰা বা অন্যধৰণে বিধানিত নকৰা পৰ্য্যন্ত সেই ৰাজ্যৰ বিধান সাপেক্ষে।

[২][৩৩।* * * *]

৩৪। দেশীয় ৰাজ্যসমূহৰ শাসকসকলৰ সম্পদৰ বাবে প্ৰতিপালক প্ৰাধিকৰণ।

৩৫। সংঘৰ ৰাষ্ট্ৰ-ঋণ।

৩৬। চলিত মুদ্ৰা, টকা নিৰ্মাণ আৰু বৈধমুদ্ৰা, বিদেশী মুদ্ৰাৰ বিনিময়।

৩৭। বিদেশী ঋণ।

৩৮। ভাৰতীয় ৰিজাৰ্ভ বেংক।

৩৯। ডাকঘৰ সঞ্চয় বেংক।

৪০। ভাৰত চৰকাৰৰ দ্বাৰা বা কোনো ৰাজ্য চৰকাৰৰ দ্বাৰা আয়োজিত লটাৰীসমূহ।

৪১। বিদেশী ৰাষ্ট্ৰৰ সৈতে বেপাৰ-বাণিজ্য, শুল্ক, সীমান্তৰ মাজেৰে কৰা আমদানি আৰু ৰপ্তানি; শুল্ক-সীমান্তৰ সংজ্ঞা।

৪২। আন্তঃৰাজ্যিক বেপাৰ-বাণিজ্য।

৪৩। বেংকিং, বীমা আৰু বিত্তীয় নিগমকে ধৰি, কিন্তু সমবায় সমিতিসমূহক বাদ দি আন ব্যৱসায়িক নিগমসমূহৰ সংযুক্তকৰণ, নিয়ন্ত্ৰণ আৰু পৰিসমাপন।

৪৪। একেখন ৰাজ্যতে সীমাবদ্ধ হৈ নথকাৰ উদ্দেশ্যে হোৱা নিগমসমূহৰ সংযুক্তকৰণ, নিয়ন্ত্ৰণ আৰু পৰিসমাপন - লাগিলে সেইবোৰে ব্যৱসায় কৰকেই বা নকৰকেই, কিন্তু ইয়াত বিশ্ববিদ্যালয়সমূহক অন্তৰ্ভুক্ত কৰা নহ'ব।

৪৫। বেংকিং।

৪৬। বিনিময়-পত্ৰ, চেক, বচন-পত্ৰ আৰু এনে ধৰণৰ অন্যান্য দলিলসমূহ।

৪৭। বীমা।

৪৮। ষ্টক একচেঞ্জ আৰু ভৱিষ্যত বজাৰ।

৪৯। পেটেণ্টসমূহ, আৱিষ্কাৰ আৰু ডিজাইনসমূহ; কপিৰাইট, ট্ৰেডমাৰ্ক আৰু পণ্যদ্ৰব্য-চিহ্ন।

---

[১] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা "প্ৰথম অনুসূচীৰ অংশ ক বা অংশ খ-ত নিৰ্দিষ্ট" এই শব্দ আৰু অক্ষৰসমূহ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২৬-ৰ দ্বাৰা প্ৰৱিষ্টি ৩৩ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

৫০। ওজন আৰু মাপৰ মান নিৰূপণ।

৫১। ভাৰতৰ বাহিৰলৈ ৰপ্তানি হ'বলগীয়া বা এখন ৰাজ্যৰ পৰা আন এখনলৈ পৰিবহন কৰিবলগীয়া বস্তুৰ গুণগত মান নিৰূপণ।

৫২। উদ্যোগসমূহ, যিবিলাকৰ নিয়ন্ত্ৰণ লোকস্বাৰ্থৰ খাতিৰত সংঘৰ দ্বাৰা হোৱা সমিচীন বুলি সংসদে বিধিৰ দ্বাৰা ঘোষিত কৰে।

৫৩। তৈলক্ষেত্ৰ আৰু খনিজ তেল সম্পদসমূহৰ নিয়ন্ত্ৰণ আৰু বিকাশ; খনিজতেল আৰু খনিজাত তেলৰ উৎপাদন, সংসদে বিধিৰ দ্বাৰা বিপদজনকভাৱে প্ৰজ্বালক বুলি ঘোষিত কৰা অন্যান্য তৰল পদাৰ্থ আৰু দ্ৰব্য।

৫৪। এনে সীমা পৰ্য্যন্ত খনিৰ নিয়ন্ত্ৰণ আৰু খনিজ সম্পদৰ বিকাশ সাধন যি সীমা পৰ্য্যন্ত এনে নিয়ন্ত্ৰণ আৰু বিকাশ সাধন, লোকস্বাৰ্থৰ খাতিৰত সংঘৰ নিয়ন্ত্ৰণাধীন হোৱাটো সমীচীন বুলি সংসদে বিধিৰ দ্বাৰা ঘোষিত কৰে।

৫৫। খনি আৰু তৈলক্ষেত্ৰসমূহত শ্ৰমিক আৰু নিৰাপত্তাৰ নিয়ন্ত্ৰণ।

৫৬। এনে সীমা পৰ্য্যন্ত আন্তঃৰাজ্যিক নদী আৰু নদী-উপত্যকাসমূহৰ নিয়ন্ত্ৰণ আৰু বিকাশ সাধন, যি সীমা পৰ্য্যন্ত এনে নিয়ন্ত্ৰণ আৰু বিকাশ সাধন কাৰ্য লোকস্বাৰ্থৰ খাতিৰত সংঘৰ নিয়ন্ত্ৰণাধীন হোৱাটো সমীচীন বুলি সংসদে বিধিৰ দ্বাৰা ঘোষিত কৰে।

৫৭। দেশীয় জলভাগৰ বাহিৰত মাছ ধৰা আৰু মীনক্ষেত্ৰ।

৫৮। সংঘৰ সংস্থাসমূহৰ দ্বাৰা নিমখৰ উৎপাদন, সৰবৰাহ আৰু বিতৰণ, আন আন সংস্থাৰ দ্বাৰা কৰা নিমখৰ উৎপাদন, সৰবৰাহ আৰু বিতৰণৰ নিয়ন্ত্ৰণ।

৫৯। আফিঙৰ খেতি, উৎপাদন আৰু ৰপ্তানিৰ বাবে বিক্ৰী।

৬০। প্ৰদৰ্শনীৰ বাবে চিনেমা ফিল্মৰ মঞ্জুৰী।

৬১। সংঘৰ অধীনস্থ কৰ্মচাৰীসকলৰ সম্বন্ধত হোৱা ঔদ্যোগিক বিবাদ।

৬২। এই সংবিধানৰ প্ৰাৰম্ভণিত ৰাষ্ট্ৰীয় পুথিভঁৰাল, ভাৰতীয় সংগ্ৰহালয়, সাম্ৰাজ্যিক যুদ্ধ-সংগ্ৰহালয়, ভিক্টোৰিয়া-স্মাৰক আৰু ভাৰতীয় যুদ্ধ-স্মাৰক নামে জ্ঞাত সংস্থাসমূহ আৰু ভাৰত চৰকাৰৰ দ্বাৰা সম্পূৰ্ণ বা আংশিকভাৱে অৰ্থ-সাহায্য দিয়া আৰু সংসদে বিধিৰ দ্বাৰা জাতীয় মহত্বপূৰ্ণ সংস্থা বুলি ঘোষিত কৰা সংস্থাসমূহ।

৬৩। এই সংবিধানৰ প্ৰাৰম্ভণিত বেনাৰস হিন্দু বিশ্ববিদ্যালয়, আলিগড় মুছলিম বিশ্ববিদ্যালয় আৰু [১][দিল্লী বিশ্ববিদ্যালয়; অনুচ্ছেদ ৩৭১(ঙ) অনুসৰি স্থাপিত বিশ্ববিদ্যালয়] নামে জ্ঞাত সংস্থাসমূহ আৰু সংসদে বিধিৰ দ্বাৰা জাতীয় মহত্বপূৰ্ণ সংস্থা বুলি ঘোষিত কৰা আন কোনো সংস্থা।

---

[১] সংবিধান (৩২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৩-ৰ ধাৰা ৪-ৰ দ্বাৰা "আৰু দিল্লী বিশ্ববিদ্যালয়"ৰ সলনি প্ৰতিস্থাপিত (১-৭-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(সপ্তম অনুসূচী)

৬৪। ভাৰত চৰকাৰৰ দ্বাৰা সম্পূৰ্ণ বা আংশিকভাৱে অৰ্থ-সাহায্য দিয়া আৰু সংসদে বিধিৰ দ্বাৰা ৰাষ্ট্ৰীয় মহত্বপূৰ্ণ সংস্থা বুলি ঘোষণা কৰা বৈজ্ঞানিক বা কাৰিকৰী শিক্ষাৰ সংস্থাসমূহ।

৬৫। সংঘ অভিকৰণ আৰু সংস্থাসমূহ য'ত –

(ক) আৰক্ষী পদাধিকাৰীসকলৰ প্ৰশিক্ষণকে ধৰি বৃত্তিগত, ব্যৱসায়িক বা কাৰিকৰী প্ৰশিক্ষণ দিয়া হয়; অথবা

(খ) বিশেষ অধ্যয়ন বা গৱেষণাৰ উন্নয়ন কৰা হয়; অথবা

(গ) অপৰাধৰ অনুসন্ধান বা অপৰাধ ধৰা পেলোৱাৰ বাবে বৈজ্ঞানিক বা কাৰিকৰী সাহায্য দিয়া হয়।

৬৬। উচ্চ-শিক্ষাৰ বা গৱেষণাৰ সংস্থাসমূহৰ আৰু বৈজ্ঞানিক আৰু কাৰিকৰী সংস্থাসমূহৰ সমন্বয়ন আৰু মান নিৰ্ধাৰণ।

৬৭। [1][সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা তাৰ অধীনত ৰাষ্ট্ৰীয় মহত্বপূৰ্ণ বুলি ঘোষিত] প্ৰাচীন আৰু ঐতিহাসিক স্মৃতি স্তম্ভ আৰু অভিলেখসমূহ আৰু পুৰাতাত্বিক স্থান আৰু ধংসাৱশেষসমূহ।

৬৮। ভাৰতৰ জৰীপ, ভূ-তাত্বিক, উদ্ভিদবিদ্যা বিষয়ক, প্ৰাণীবিদ্যা বিষয়ক আৰু নৃতত্ব বিষয়ক ভাৰতৰ জৰীপসমূহ, অন্তৰীক্ষবিদ্যা সম্বন্ধীয় সংগঠনসমূহ।

৬৯। লোকপিয়ল।

৭০। সংঘৰ লোকসেৱাসমূহ, সৰ্বভাৰতীয় সেৱাসমূহ, সংঘৰ লোকসেৱা আয়োগ।

৭১। সংঘৰ অৱসৰ বেতনসমূহ, অৰ্থাৎ ভাৰত চৰকাৰৰ দ্বাৰা বা ভাৰতৰ সঞ্চিত নিধিৰ পৰা দিবলগীয়া অৱসৰ বেতনসমূহ।

৭২। সংসদলৈ, ৰাজ্যসমূহৰ বিধানমণ্ডলসমূহলৈ আৰু ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ পদৰ বাবে নিৰ্বাচনসমূহ, নিৰ্বাচন আয়োগ।

৭৩। সংসদৰ সদস্যসকলৰ, ৰাজ্যসভাৰ সভাপতি আৰু উপ-সভাপতিৰ আৰু লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ বেতন আৰু ভাট্টাসমূহ।

৭৪। সংসদৰ প্ৰত্যেকটো সদনৰ, প্ৰত্যেক সদনৰ সদস্যসকলৰ আৰু সমিতিসমূহৰ ক্ষমতা, বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ, সংসদৰ সমিতিসমূহত বা সংসদৰ দ্বাৰা নিযুক্ত আয়োগৰ আগত সাক্ষ্য দিবলৈ বা দস্তাবেজ দাখিল কৰিবলৈ ব্যক্তিসকলৰ উপস্থিতি বাধ্য কৰোৱা।

৭৫। ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালসকলৰ উপলব্ধিসমূহ, ভাট্টাসমূহ, বিশেষাধিকাৰসমূহ আৰু অনুপস্থিতিৰ ছুটী সম্বন্ধীয় অধিকাৰসমূহ, সংঘৰ মন্ত্ৰীসকলৰ বেতন আৰু ভাট্টাসমূহ; নিয়ন্ত্ৰক-মহালেখা পৰীক্ষকৰ বেতন, ভাট্টা আৰু অনুপস্থিতিৰ ছুটী সম্বন্ধীয় অধিকাৰসমূহ আৰু অন্যান্য সেৱা-চৰ্তসমূহ।

---

[1] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৭-ৰ দ্বাৰা "সংসদৰ দ্বাৰা বিধিৰ দ্বাৰা ঘোষিত"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

৭৬। সংঘ আৰু ৰাজ্যসমূহৰ হিচাপ পৰীক্ষা।

৭৭। উচ্চতম ন্যায়ালয়ৰ গঠন, সংগঠন, ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা (তেনে ন্যায়ালয়ক অৱমাননা কৰাৰ ক্ষেত্ৰত থকা ক্ষমতাক সামৰি) আৰু তাত লোৱা মাচুল; উচ্চতম ন্যায়ালয়ত ওকালতি কৰিবলৈ যোগ্যতাপ্ৰাপ্ত ব্যক্তিসকল।

৭৮। উচ্চ ন্যায়ালয়সমূহৰ পদাধিকাৰী আৰু সেৱকসকলৰ বাবে কৰা উপবন্ধৰ বাহিৰে উচ্চ ন্যায়ালয়সমূহৰ গঠন আৰু সংগঠন [1][বন্ধৰ দিনক সামৰি]; উচ্চ ন্যায়ালয়ত ওকালতি কৰিবলৈ যোগ্যতাপ্ৰাপ্ত ব্যক্তিসকল।

[2][৭৯। কোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ যিকোনো সংঘ ৰাজ্যক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰা বা তেনে কোনো ৰাজ্যক্ষেত্ৰ কোনো উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ পৰা বহিৰ্ভূত কৰা।]

৮০। কোনো ৰাজ্যৰ আৰক্ষী বাহিনীৰ সদস্যসকলৰ ক্ষমতা আৰু ক্ষেত্ৰাধিকাৰ সেই ৰাজ্যৰ বহিৰ্ভূত কোনো অঞ্চললৈ সম্প্ৰসাৰণ, কিন্তু এখন ৰাজ্যৰ আৰক্ষী বাহিনীয়ে সেই ৰাজ্যৰ বহিৰ্ভূত কোনো অঞ্চলত সেই অঞ্চল অন্তৰ্ভুক্ত থকা ৰাজ্যখনৰ চৰকাৰৰ সন্মতি অবিহনে তেওঁলোকৰ ক্ষমতা আৰু ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিবলৈ সমৰ্থবান নকৰাকৈ; যিকোনো ৰাজ্যৰ আৰক্ষী বাহিনীৰ সদস্যসকলৰ ক্ষমতা আৰু ক্ষেত্ৰাধিকাৰ সেই ৰাজ্যৰ বাহিৰৰ ৰেল-পথ অঞ্চললৈ সম্প্ৰসাৰণ।

৮১। আন্তঃৰাজ্যিক প্ৰব্ৰজন; আন্তঃৰাজ্যিক সংসৰ্গৰোধ।

৮২। কৃষিজাত আয়ৰ বাহিৰে আন আয়ৰ ওপৰত কৰ।

৮৩। ৰপ্তানি-শুল্কক অন্তৰ্ভুক্ত কৰি সীমা শুল্কসমূহ।

[3][৮৪। ভাৰতত নিৰ্মিত বা উৎপাদিত ধপাত আৰু অন্যান্য বস্তুৰ ওপৰত উৎপাদন শুল্ক, যাৰ ভিতৰত আছে –

(ক) অপৰিশোধিত খাৰুৱা তেল;

(খ) হাই স্পীড ডিজেল;

(গ) মটৰ স্পিৰিট (সাধাৰণতে পেট্ৰল নামেৰে পৰিচিত);

(ঘ) প্ৰাকৃতিক গেছ;

(ঙ) বিমান টাৰ্বাইন ইন্ধন; আৰু

(চ) ধঁপাত আৰু ধঁপাত-জাতীয় সামগ্ৰী

৮৫। নিগমৰ ওপৰত ধাৰ্য কৰ।

---

[1] সংবিধান (১৫ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৩-ৰ ধাৰা ১২-ৰ দ্বাৰা অন্তঃস্থাপিত (পূৰ্বৱৰ্তীভাৱে কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা প্ৰৱিষ্টি ৭৯-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(ক)(i)-ৰ দ্বাৰা প্ৰৱিষ্টি ৮৪-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

৮৬। ব্যক্তিসকল আৰু কোম্পানীসমূহৰ কৃষি-ভূমিৰ বাহিৰে সম্পত্তিৰ মূলধন মূল্যৰ ওপৰত কৰ; কোম্পানীসমূহৰ মূলধনৰ ওপৰত কৰ।

৮৭। কৃষি-ভূমিৰ বাহিৰে অন্যান্য সম্পত্তি সম্বন্ধীয় সম্পদ-শুল্ক।

৮৮। কৃষি-ভূমিৰ বাহিৰে অন্যান্য সম্পত্তিৰ উত্তৰাধিকাৰ সম্বন্ধীয় শুল্ক।

৮৯। ৰেল-পথ, সমুদ্ৰ পথ বা আকাশী পথেৰে কঢ়িওৱা বস্তু অথবা যাত্ৰীৰ ওপৰত সীমা কৰ, ৰেলৰ যাত্ৰী ভাড়া আৰু বস্তু ভাড়াৰ ওপৰত কৰ।

৯০। ষ্টক একচেঞ্জ আৰু ভৱিষ্যত বজাৰৰ লেনদেনৰ ওপৰত মুদ্ৰা-শুল্কৰ বাহিৰে অন্য কৰসমূহ।

৯১। বিনিময়-পত্ৰ, চেক, বচন-পত্ৰ, বহন-পত্ৰ, প্ৰত্যয়-পত্ৰ, বীমা-পলিচি, অংশ হস্তান্তৰণ, অংশীদাৰী প্ৰমাণপত্ৰ, প্ৰতি-পত্ৰ আৰু ৰচিদসমূহৰ সম্বন্ধত মুদ্ৰা-শুল্কৰ হাৰ।

[১][৯২। * * * *]

[২][৯২ক। বাতৰি কাকতৰ বাহিৰে আন বস্তুৰ বিক্ৰয় বা ক্ৰয়ৰ ওপৰত কৰ, যেতিয়া নেকি এনে বিক্ৰয় বা ক্ৰয় আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্য অনুসৰি হয়।]

[৩][৯২খ। বস্তুৰ চালানৰ ওপৰত কৰ (লাগিলে সেই চালান প্ৰদানকাৰীসকলে তেওঁলোকলৈকে পঠাওক বা আন কোনো ব্যক্তিলৈকে পঠাওক) যেতিয়া নেকি এনে চালান আন্তঃৰাজ্যিক বেপাৰ বা বাণিজ্য অনুসৰি হয়।]

[৪][৯২গ। * * * *]

৯৩। এই সূচীত থকা যিকোনো বিষয়ৰ সম্বন্ধত থকা বিধিৰ বিৰুদ্ধে কৰা অপৰাধসমূহ।

৯৪। এই সূচীত থকা যিকোনো বিষয়ৰ প্ৰয়োজনৰ বাবে কৰা অনুসন্ধান, সমীক্ষা আৰু পৰিসংখ্যা।

৯৫। এই সূচীত থকা বিষয়সমূহৰ যিকোনো বিষয়ৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ বাহিৰে, আন ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতা; নৌঅধিকৰণ বিষয়ৰ ক্ষেত্ৰাধিকাৰ।

৯৬। এই সূচীত থকা বিষয়সমূহৰ যিকোনো বিষয়ৰ সম্বন্ধত দিবলগীয়া মাচুল, কিন্তু কোনো ন্যায়ালয়ত লোৱা মাচুল ইয়াৰ অন্তৰ্ভুক্ত নহয়।

৯৭। সূচী – ২ বা সূচী – ৩-ৰ ক'তো উল্লেখ নকৰা যিকোনো কৰসহ এই সূচীসমূহত অন্তৰ্ভুক্ত নোহোৱা আন যিকোনো বিষয়।

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) আইন, ২০১৬-ৰ ধাৰা ১৭(ক)(ii)-ৰ দ্বাৰা প্ৰৱিষ্টি ৯২ বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (১১-৯-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৪৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮২-ৰ ধাৰা ৫-ৰ দ্বাৰা অন্তঃস্থাপিত (২-২-১৯৮৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৮৩ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৯২গ অন্তঃস্থাপিত (বলবৎ কৰা নহ'ল), আৰু সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(ক)(ii)-ৰ দ্বাৰা বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(সপ্তম অনুসূচী)

## সূচী - ২ - ৰাজ্য সূচী

১। ৰাজহুৱা ব্যৱস্থা (কিন্তু অসামৰিক প্ৰশাসনৰ সাহায্যৰ বাবে [১][সংঘৰ নৌ, স্থল বা বিমান বাহিনীৰ বা আন কোনো সশস্ত্ৰ বাহিনীৰ অথবা সংঘৰ নিয়ন্ত্ৰণাধীন আন যিকোনো বাহিনীৰ বা তাৰ কোনো দল বা গোটৰ প্ৰয়োগ] অন্তৰ্ভুক্ত নকৰাকৈ)।

[২][২। সূচী – ১-ৰ প্ৰৱিষ্টি ২ক-ৰ উপবন্ধাৱলী সাপেক্ষে (ৰেল-আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীকে ধৰি) আৰক্ষী।]

৩। [৩]*** উচ্চ ন্যায়ালয়ৰ পদাধিকাৰী আৰু সেৱকসকল; ভাড়া আৰু ৰাজহ ন্যায়ালয়সমূহৰ প্ৰক্ৰিয়া, উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন সকলোবোৰ ন্যায়ালয়ত লোৱা মাচুলসমূহ।

৪। কাৰাগাৰ, সংশোধনাগাৰ, বৰ্ষ্টেল সংস্থাসমূহ আৰু তদ্ৰূপ আন সংস্থাসমূহ আৰু তাত আৱদ্ধ কৰি ৰখা ব্যক্তিসকল; কাৰাগাৰ আৰু আন আন সংস্থাসমূহৰ ব্যৱহাৰৰ বাবে আন ৰাজ্যৰ লগত বন্দোবস্ত।

৫। স্থানীয় শাসন, অৰ্থাৎ পৌৰ-নিগম, উন্নয়ন ন্যাস, জিলা-বোৰ্ড, খনি-বসতি প্ৰাধিকাৰী আৰু স্থানীয় স্বায়ত্ত-শাসন বা গ্ৰাম্য-প্ৰশাসনৰ বাবে অন্যান্য স্থানীয় প্ৰাধিকাৰসমূহৰ গঠন আৰু ক্ষমতাসমূহ।

৬। জন-স্বাস্থ্য আৰু স্বাস্থ্য ৰক্ষা ব্যৱস্থা; চিকিৎসালয় আৰু ঔষধালয়সমূহ।

৭। ভাৰতৰ বাহিৰৰ স্থানলৈ যোৱা তীৰ্থযাত্ৰাৰ বাহিৰে অন্যান্য তীৰ্থযাত্ৰীসমূহ।

৮। নিচাযুক্ত পানীয়, অৰ্থাৎ মাদক দ্ৰব্যৰ উৎপাদন, প্ৰস্তুতকৰণ, দখল স্বত্ব, পৰিবহন, ক্ৰয় আৰু বিক্ৰয়।

৯। অক্ষম আৰু নিয়োগৰ অযোগ্যসকলৰ সাহায্য।

১০। সমাধিস্থ কৰা আৰু সমাধিস্থল; শৱদাহ আৰু শ্মশান।

[৪][১১ * * *]

১২। ৰাজ্যৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু ৰাজ্যৰ পৰা অৰ্থসাহায্য প্ৰাপ্ত পুথিভঁৰাল, সংগ্ৰহালয় আৰু অন্যান্য তেনে সংস্থাসমূহ; [৫][সংসদত প্ৰণীত বিধিৰ দ্বাৰা বা বিধিৰ অধীনত] ৰাষ্ট্ৰীয় মহত্বপূৰ্ণ বুলি ঘোষিতসমূহৰ বাহিৰে আন আন প্ৰাচীন আৰু ঐতিহাসিক স্মাৰক আৰু অনুষ্ঠান।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা কিছুমান শব্দৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰৱিষ্টি ২-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ৫৭-ৰ দ্বাৰা কিছুমান শব্দ বিলোপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰৱিষ্টি ১১ বিলোপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৭-ৰ দ্বাৰা “সংসদৰ দ্বাৰা বিধিৰ দ্বাৰা ঘোষিত” এই শব্দসমূহৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(সপ্তম অনুসূচী)

১৩। যাতায়ত ব্যৱস্থা, অৰ্থাৎ সূচী – ১-ত নিৰ্দিষ্ট নকৰা পথ, দলং, ফেৰীঘাট আৰু যোগাযোগৰ অন্যান্য উপায়সমূহ; পৌৰ ট্ৰামপথ; ৰজ্জুপথ; অন্তৰ্দেশীয় জলপথ সম্বন্ধত সূচী – ১ আৰু সূচী – ৩-ৰ উপবন্ধাৱলী সাপেক্ষে অন্তৰ্দেশীয় জলপথ আৰু সেই জলপথত কৰা যাতায়ত; যন্ত্ৰ-চালিত যানৰ বাহিৰে আন যান-বাহনসমূহ।

১৪। কৃষি শিক্ষা আৰু গৱেষণা, কীটৰ পৰা ৰক্ষা আৰু ৰোগৰ পৰা উদ্ভিদৰ ৰক্ষাক অন্তৰ্ভুক্ত কৰি কৃষিক্ষেত্ৰ।

১৫। পশুধনৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ আৰু উন্নয়ন আৰু পশু-ৰোগৰ নিবাৰণ; পশু চিকিৎসা প্ৰশিক্ষণ আৰু প্ৰয়োগ।

১৬। পশুৰ খোৱাৰসমূহ আৰু গৰু-ম'হ আদিৰ অনধিকাৰ প্ৰৱেশ নিবাৰণ।

১৭। পানী, অৰ্থাৎ সূচী - ১-ৰ প্ৰবিষ্টি ৫৬-ৰ উপবন্ধাৱলী সাপেক্ষে জল সৰবৰাহ, জলসিঞ্চন আৰু নলা, নৰ্দমা আৰু বান্ধসমূহ, জল সঞ্চয়ন আৰু জল-বিদ্যুৎ।

১৮। ভূমি, অৰ্থাৎ ভূমিত বা ভূমিৰ ওপৰত অধিকাৰ, জমিদাৰ আৰু ৰায়তৰ সম্বন্ধ অন্তৰ্ভুক্ত কৰি মাটিৰ গৰাকী আৰু খাজনা সংগ্ৰহ; কৃষি-ভূমিৰ হস্তান্তৰণ আৰু অন্য সংক্ৰমণ, ভূমি-উন্নয়ন আৰু কৃষি ঋণ, ঔপনিবেশন।

[১][১৯* * * * *

[২০* * * * *]

২১। মীনমহল।

২২। সূচী – ১-ৰ প্ৰৱিষ্টি ৩৪-ৰ উপবন্ধাৱলী সাপেক্ষে প্ৰতিপালক প্ৰাধিকৰণ; দায়গ্ৰস্ত আৰু ক্ৰোক কৰা সম্পদ।

২৩। সংঘৰ নিয়ন্ত্ৰণৰ অধীনত নিয়ন্ত্ৰণ আৰু উন্নয়ন সম্বন্ধে সূচী – ১-ত থকা উপবন্ধাৱলী সাপেক্ষে খনিৰ নিয়ন্ত্ৰণ আৰু উন্নয়ন।

২৪। সূচী – ১-ৰ [২][প্ৰৱিষ্টি ৭ আৰু ৫২]-ৰ উপবন্ধাৱলী সাপেক্ষে উদ্যোগসমূহ।

২৫। গেছ আৰু গেছ-কাৰখানাসমূহ।

২৬। সূচী – ৩-ৰ প্ৰৱিষ্টি ৩৩-ৰ উপবন্ধাৱলী সাপেক্ষে ৰাজ্যখনৰ ভিতৰত ব্যৱসায় আৰু বাণিজ্য।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰৱিষ্টি ১৯ আৰু ২০ বিলোপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৮-ৰ দ্বাৰা প্ৰৱিষ্টি ৫২-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(সপ্তম অনুসূচী)

২৭। সূচী – ৩-ৰ প্ৰৱিষ্টি ৩৩-ৰ উপবন্ধাৱলী সাপেক্ষে বস্তুৰ উৎপাদন, সৰবৰাহ আৰু বিতৰণ।

২৮। বজাৰ আৰু মেলাসমূহ।

[1][২৯* * * *]

৩০। মহাজনী আৰু মহাজন; কৃষি-ঋণগ্ৰস্ততাৰ পৰা মুক্তি।

৩১। পান্থশালা আৰু পান্থশালাপালন।

৩২। সূচী - ১-ত নিৰ্দিষ্ট নিগমসমূহৰ বাদে আন নিগমসমূহৰ আৰু বিশ্ববিদ্যালয়সমূহৰ অন্তৰ্ভুক্তিকৰণ, নিয়ন্ত্ৰণ আৰু পৰিসমাপন; অন্তৰ্ভুক্ত নোহোৱা, সাহিত্য সম্পৰ্কীয়, বিজ্ঞান সম্বন্ধীয়, ধৰ্মীয় আৰু আন আন সমিতি আৰু সংস্থাসমূহ; সমবায় সমিতিসমূহ।

৩৩। নাট্যশালা আৰু নাটকীয় অভিনয়সমূহ; সূচী – ১-ৰ প্ৰৱিষ্টি ৬০-ৰ উপবন্ধাৱলী সাপেক্ষে চলচিত্ৰ, খেল-ধেমালি, মনোৰঞ্জন আৰু আমোদ-প্ৰমোদ।

৩৪। পণ ৰখা আৰু জুৱাখেলা।

৩৫। ৰাজ্যত ন্যস্ত হোৱা বা ৰাজ্যৰ অধীনত থকা কাৰখানা, ভূমি আৰু ভৱনসমূহ।

[2][৩৬* * * *]

৩৭। সংসদৰ দ্বাৰা প্ৰণীত কোনো বিধি সাপেক্ষে ৰাজ্যৰ বিধানমণ্ডললৈ নিৰ্বাচন।

৩৮। ৰাজ্যৰ বিধানমণ্ডলৰ সদস্যসকল, বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু যদি বিধান পৰিষদ থাকে তেনেহ'লে তাৰ সভাপতি আৰু উপসভাপতিৰ বেতন আৰু ভাট্টা।

৩৯। বিধানসভাৰ আৰু ইয়াৰ সদস্যসকলৰ আৰু সমিতিসমূহৰ, আৰু যদি বিধান পৰিষদ থাকে তেনেহ'লে সেই পৰিষদৰ আৰু তাৰ সদস্যসকল আৰু সমিতিসমূহৰ ক্ষমতা বিশেষাধিকাৰ আৰু নিষ্কৃতিসমূহ; ৰাজ্য বিধানমণ্ডলৰ সমিতিসমূহত সাক্ষ্য দিবলৈ বা দস্তাবেজ দাখিল কৰিবলৈ ব্যক্তিসকলৰ উপস্থিতি বাধ্য কৰোৱা।

৪০। ৰাজ্যৰ মন্ত্ৰীসকলৰ বেতন আৰু ভাট্টা।

৪১। ৰাজ্যৰ লোকসেৱাসমূহ; ৰাজ্যৰ লোকসেৱা আয়োগ।

৪২। ৰাজ্যৰ অৱসৰ বেতন, অৰ্থাৎ ৰাজ্যৰ দ্বাৰা বা ৰাজ্যৰ একত্ৰিকৃত নিধিৰ পৰা দিবলগীয়া অৱসৰ বেতনসমূহ।

৪৩। ৰাজ্যৰ ৰাষ্ট্ৰ-ঋণ।

৪৪। মাটিৰ তলত পোৱা ধন-সম্পদ।

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰৱিষ্টি ২৯ বিলোপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৬-ৰ দ্বাৰা প্ৰৱিষ্টি ৩৬ বিলোপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

৪৫। ৰাজহ নির্ধাৰণ আৰু সংগ্রহক সামৰি ভূ-ৰাজহ, ভূ-অভিলেখ ৰক্ষা, ৰাজহ আৰু অধিকাৰ-অভিলেখৰ প্রয়োজনৰ বাবে জৰীপ আৰু ৰাজহৰ অন্য সংক্রমণ।

৪৬। কৃষিজাত আয়ৰ ওপৰত কৰ।

৪৭। কৃষি-ভূমিৰ উত্তৰাধিকাৰ সম্পর্কীয় শুল্ক।

৪৮। কৃষি-ভূমিৰ সম্পর্কত সম্পদ শুল্ক।

৪৯। ভূমি আৰু ভৱনৰ ওপৰত কৰ।

৫০। খনিজ উন্নয়নৰ সম্বন্ধত সংসদে বিধিৰ দ্বাৰা আৰোপ কৰা কোনো পৰিসীমা সাপেক্ষে খনিজ সম্পদৰ অধিকাৰৰ ওপৰত কৰ।

৫১। ৰাজ্যত প্রস্তুত বা উৎপাদিত নিম্নলিখিত বস্তুসমূহৰ ওপৰত উৎপাদন শুল্ক আৰু ভাৰতৰ অন্য ঠাইত প্রস্তুত বা উৎপাদিত অনুৰূপ বস্তুসমূহৰ ওপৰত সেই একে হাৰত বা তাতকৈ কম হাৰত ধার্য কৰা প্রতিশুল্ক -

(ক) মানুহৰ উপভোগৰ বাবে সুৰাজাতীয় পানীয়;

(খ) আফিং, ভাং আৰু অন্যান্য নিচাযুক্ত দ্রব্য আৰু নিচাযুক্ত ঔষধসমূহ;

কিন্তু মাদক দ্রব্য অথবা এই প্রৱিষ্টিৰ উপপেৰেগ্রাফ (খ)-ত অন্তর্ভুক্ত যিকোনো পদার্থ সম্বলিত ঔষধীয় আৰু প্রসাধনীয় প্রস্তুতি ইয়াৰ অন্তর্ভুক্ত নহ'ব।

[১][৫২। * * * *]

৫৩। বিজুলী শক্তিৰ উপভোগ বা বিক্রীৰ ওপৰত কৰ।

[২][৫৪। অপৰিশোধিত খনিজ তেল, হাইস্পিড ডিজেল, মটৰ স্পিৰিট (সাধাৰণতে পেট্রল নামেৰে পৰিচিত), বিমান টার্বাইন ইন্ধন আৰু মানুহৰ ভোগ্য সুৰাজাতীয় পানীয়ৰ বিক্রীৰ ওপৰত লগোৱা কৰ, যিবোৰে আন্তঃৰাজ্যিক বাণিজ্য বা ব্যৱসায় বা আন্তঃৰাষ্ট্রীয় বাণিজ্য বা ব্যৱসায়ৰ ক্ষেত্রত হোৱা বিক্রীক সামৰি নলয়।

[৩][৫৫। * * * *]

৫৬। ৰাস্তাৰে বা অন্তর্দেশীয় জলপথেৰে কঢ়িওৱা বস্তু আৰু যাত্রীৰ ওপৰত কৰ।

---

[১] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(খ)(i)-ৰ দ্বাৰা প্রৱিষ্টি ৫২ বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[২] সংবিধান (৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২-ৰ দ্বাৰা প্রতিস্থাপিত আৰু সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(খ)(ii)ৰ দ্বাৰা পুনৰ প্রতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

[৩] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(খ)(iii)-ৰ দ্বাৰা প্রৱিষ্টি ৫৫ বিলোপিত (১৬-৯-২০১৬-ৰ পৰা কার্যকৰী হোৱাকৈ)।

৫৭। সূচী-৩ ৰ প্ৰৱিষ্টি ৩৫-ৰ উপবন্ধাৱলী সাপেক্ষে, ট্ৰামগাড়ীক অন্তৰ্ভুক্ত কৰি ৰাস্তাৰ ওপৰত চলোৱাৰ উপযোগী যান-বাহনৰ ওপৰত কৰ - তেনে যান-বাহন যন্ত্ৰ-চালিত হওক বা নহওক।

৫৮। জন্তু আৰু নৌকাৰ ওপৰত কৰ।

৫৯। পথ কৰ।

৬০। বৃত্তি, বেপাৰ, জীৱিকা আৰু নিযুক্তিৰ ওপৰত কৰ।

৬১। জনমূৰি কৰ।

[1][৬২। কোনো পঞ্চায়ত বা পৌৰ নিকায় বা আঞ্চলিক পৰিষদ বা জিলা পৰিষদে মনোৰঞ্জন আৰু আমোদ-প্ৰমোদৰ ওপৰত ধাৰ্য আৰু সংগ্ৰহ কৰা কৰ।]

৬৩। মুদ্ৰা-শুল্কৰ সম্পৰ্কত সূচী – ১-ৰ উপবন্ধাৱলীত নিৰ্দিষ্ট নথিসমূহৰ বাহিৰে আন নথিৰ সম্বন্ধত মুদ্ৰা-শুল্কৰ নিৰিখ।

৬৪। এই সূচীৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত থকা বিধিৰ বিৰুদ্ধে কৰা অপৰাধসমূহ।

৬৫। এই সূচীৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ বাদে আন ন্যায়ালয়সমূহৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতাসমূহ।

৬৬। যিকোনো ন্যায়ালয়ত লোৱা মাচুলৰ বাহিৰে, এই সূচীৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত লোৱা মাচুল।

## সূচী - ৩ - উমৈহতীয়া সূচী

১। দণ্ডবিধি, এই সংবিধানৰ প্ৰাৰম্ভণিতে ভাৰতীয় দণ্ড সংহিতাত অন্তৰ্ভুক্ত সকলো বিষয় সামৰি, কিন্তু সূচী – ১ আৰু সূচী – ২-ৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত থকা বিধিৰ বিৰুদ্ধে কৰা অপৰাধসমূহৰ বাদে আৰু অসামৰিক প্ৰশাসনৰ সাহায্যৰ অৰ্থে নৌ, স্থল বা বিমান বাহিনীৰ অথবা আন কোনো সশস্ত্ৰ বাহিনীৰ প্ৰয়োগৰ বাদে।

২। দণ্ড প্ৰক্ৰিয়া, এই সংবিধানৰ প্ৰাৰম্ভণিতে দণ্ড-প্ৰক্ৰিয়া সংহিতাত অন্তৰ্ভুক্ত সকলো বিষয় সামৰি।

৩। কোনো ৰাজ্যৰ সুৰক্ষাৰ লগত, সামুহিক ব্যৱস্থা অটুট ৰখাৰ লগত, অথবা সমাজৰ বাবে আৱশ্যকীয় সৰবৰাহ আৰু সেৱাসমূহ অটুট ৰখাৰ লগত সংযুক্ত কাৰণসমূহৰ বাবে কৰা প্ৰতিৰোধমূলক আটক, এনেদৰে আটকাধীন ব্যক্তিসকল।

৪। কয়দী, অভিযুক্ত ব্যক্তিসকল আৰু এই সূচীৰ প্ৰৱিষ্টি ৩-ত উল্লেখ থকা নিৰ্দিষ্ট কাৰণসমূহৰ বাবে প্ৰতিৰোধমূলক আটক হোৱা ব্যক্তিসকলক এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ স্থানান্তৰ।

---

[1] সংবিধান (১০১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৬-ৰ ধাৰা ১৭(খ)(iv)-ৰ দ্বাৰা প্ৰৱিষ্টি ৬২-ৰ সলনি প্ৰতিস্থাপিত (১৬-৯-২০১৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(সপ্তম অনুসূচী)

৫। বিৱাহ আৰু বিৱাহ-বিচ্ছেদ; শিশু আৰু নাবালক; দত্তক; ইচ্ছাপত্ৰসমূহ, ইচ্ছাপত্ৰবিহীনতা আৰু উত্তৰাধিকাৰ; যৌথ পৰিয়াল আৰু বিভাজন; এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যিবোৰ ন্যায়িক কাৰ্য্যবাহীৰ পক্ষ তেওঁলোকৰ ব্যক্তিগত বিধিৰ অধীনস্থ আছিল তেনে সকলোবোৰ বিষয়।

৬। কৃষি-ভূমিৰ বাহিৰে আন সম্পত্তিৰ হস্তান্তৰণ; দলিল আৰু নথিসমূহৰ পঞ্জীয়ন।

৭। বন্দোবস্তিসমূহ, ভাগীদাৰী, অভিকৰণ, পৰিবহন বন্দোবস্তি, আৰু অন্যান্য বিশেষ ধৰণৰ বন্দোবস্তিসমূহক অন্তৰ্ভুক্ত কৰি, কিন্তু কৃষি-ভূমি সম্পৰ্কীয় বন্দোবস্তিসমূহৰ বাদে।

৮। দণ্ডনীয় অপৰাধ।

৯। দেউলীয়া আৰু পৰিশোধৰ অক্ষমতা।

১০। ন্যাস আৰু ন্যাস ৰক্ষক।

১১। মহা-প্ৰশাসক আৰু চৰকাৰী ন্যাস ৰক্ষক।

[১][১১ক। ন্যায় প্ৰশাসন; উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ বাহিৰে আন সকলোবোৰ ন্যায়ালয়ৰ গঠন আৰু সংগঠন।]

১২। সাক্ষ্য আৰু শপত; বিধিসমূহৰ, চৰকাৰী কাৰ্য্যসমূহ আৰু অভিলেখসমূহ আৰু ন্যায়িক কাৰ্য্যক্ৰমণিকাসমূহৰ স্বীকৃতি।

১৩। এই সংবিধানৰ প্ৰাৰম্ভণিত দেৱানী প্ৰক্ৰিয়া সংহিতাত অন্তৰ্ভুক্ত সকলো বিষয়কে ধৰি দেৱানী প্ৰক্ৰিয়া, পৰিসীমা আৰু মধ্যস্থতা।

১৪। ন্যায়ালয় অৱমাননা, কিন্তু উচ্চতম ন্যায়ালয়ৰ অৱমাননা ইয়াৰ অন্তৰ্ভুক্ত নহয়।

১৫। অঘৰী, যাযাবৰ আৰু প্ৰব্ৰজনকাৰী জনজাতিসমূহ।

১৬। উন্মাদতা আৰু মানসিক ভাৰসাম্যহীনতা, উন্মাদ আৰু মানসিকভাৱে ভাৰসাম্যহীনসকল ৰখা অথবা চিকিৎসা কৰা স্থানসমূহক সামৰি।

১৭। পশুৰ প্ৰতি নিষ্ঠুৰতা নিবাৰণ।

[১][১৭ক। বন।

১৭খ। বন্য জীৱ-জন্তু আৰু পক্ষীৰ সংৰক্ষণ।]

১৮। খাদ্যদ্ৰব্য আৰু আন বস্তুৰ অপমিশ্ৰণ।

১৯। আফিঙৰ সম্বন্ধত সূচী – ১-ৰ প্ৰৱিষ্টি ৫৯-ত থকা উপবন্ধাৱলী সাপেক্ষে ভেষজ আৰু বিষাক্ত দ্ৰব্য।

২০। আৰ্থিক আৰু সামাজিক যোজনা।

[১][২০ক। জনসংখ্যা নিয়ন্ত্ৰণ আৰু পৰিয়াল পৰিকল্পনা।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰৱিষ্টি ১১ক, ১৭ক, ১৭খ আৰু ২০ক অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

২১। বাণিজ্যিক আৰু ঔদ্যোগিক একাধিপত্য, সমবায় আৰু ন্যাসসমূহ।

২২। ট্ৰেড ইউনিয়নসমূহ; ঔদ্যোগিক আৰু শ্ৰম বিবাদসমূহ।

২৩। সামাজিক নিৰাপত্তা আৰু সামাজিক বীমা; নিয়োগ আৰু নিবনুৱা।

২৪। কামৰ চৰ্তসমূহ; ভৱিষ্য-নিধি, নিয়োজকৰ দায়িত্ব, কৰ্মীসকলৰ ক্ষতিপূৰণ, অসমৰ্থতা আৰু বাৰ্ধক্য অৱসৰ বেতন আৰু প্ৰসূতি-সুবিধাক অন্তৰ্ভুক্ত কৰা শ্ৰম-কল্যাণ।

[১][২৫। সূচী – ১-ৰ প্ৰৱিষ্টি ৬৩, ৬৪, ৬৫ আৰু ৬৬-ৰ উপবন্ধাৱলী সাপেক্ষে কাৰিকৰী শিক্ষা, চিকিৎসা বিজ্ঞান শিক্ষা আৰু বিশ্ববিদ্যালয়সমূহক অন্তৰ্ভুক্ত কৰি শিক্ষা; শ্ৰমিকসকলৰ ব্যৱসায়িক আৰু কাৰিকৰী প্ৰশিক্ষণ।]

২৬। আইনী বৃত্তি, চিকিৎসা-বৃত্তি আৰু অন্যান্য বৃত্তিসমূহ।

২৭। ভাৰত আৰু পাকিস্তান ডমিনিয়ন গঠন হোৱাৰ কাৰণবশতঃ মূল বাসস্থানৰ পৰা স্থানচ্যুত হোৱা ব্যক্তিসকলৰ বাবে সাহায্য আৰু পুনৰবসতিৰ ব্যৱস্থা।

২৮। দান আৰু দাতব্য প্ৰতিষ্ঠানসমূহ, দাতব্য আৰু ধৰ্মীয় অনুদানসমূহ আৰু ধৰ্মীয় প্ৰতিষ্ঠানসমূহ।

২৯। মানুহ, পশু আৰু উদ্ভিদ আক্ৰান্ত হোৱা সংক্ৰামক বা সোঁচৰা ব্যাধিসমূহ আৰু কীট-পতংগ এখন ৰাজ্যৰ পৰা আন এখনলৈ বিয়পি পৰাৰ পৰা নিবাৰণ।

৩০। জন্ম-মৃত্যুৰ পঞ্জীয়নক অন্তৰ্ভুক্ত কৰি জীৱন সম্বন্ধীয় পৰিসংখ্যাসমূহ।

৩১। সংসদৰ দ্বাৰা প্ৰণীত বিধি বা প্ৰচলিত বিধিৰ দ্বাৰা বা অধীনত প্ৰধান বন্দৰ বুলি ঘোষিত বন্দৰসমূহৰ বাহিৰে আন বন্দৰসমূহ।

৩২। ৰাষ্ট্ৰীয়-জলপথৰ সম্বন্ধত সূচী – ১-ৰ উপবন্ধাৱলী সাপেক্ষে, অন্তৰ্দেশীয় জলপথত যন্ত্ৰ চালিত জলযান সম্বন্ধীয় নৌ-বহন আৰু নৌ-পৰিবহন, তেনে জলপথসমূহত চলাচলৰ নিয়ম আৰু অন্তৰ্দেশীয় জলপথত যাত্ৰী আৰু বস্তু কঢ়িওৱা ব্যৱস্থাসমূহ।

[২][৩৩। নিম্নোক্তসমূহৰ বেপাৰ আৰু বাণিজ্য আৰু তাৰ উৎপাদন, সৰবৰাহ আৰু বিতৰণ –

(ক) যি উদ্যোগৰ নিয়ন্ত্ৰণ জনস্বাৰ্থৰ বাবে সংঘৰ দ্বাৰা হোৱাটো সমীচীন বুলি সংসদে বিধিৰ দ্বাৰা ঘোষিত কৰে, তেনে কোনো উদ্যোগৰ উৎপাদনসমূহ; আৰু তেনে উৎপাদন হিচাপে তেনে ধৰণৰ আমদানি কৰা বস্তু;

(খ) খাদ্যৰূপে ব্যৱহাৰ হোৱা তেলৰ গুটি আৰু তেলকে ধৰি খাদ্য দ্ৰব্যসমূহ;

(গ) খলিহৈ আৰু অন্যান্য ঘনীভূত দ্ৰব্যকে ধৰি জন্তুৰ শুকান খাদ্য;

(ঘ) কেঁচা কপাহ - ধুনাই হওক বা নুধুনাই হওক, আৰু কপাহ গুটি; আৰু

(ঙ) কেঁচা মৰাপাট।]

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৪-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৩৩-ৰ সলনি প্ৰতিস্থাপিত (২২-২-১৯৫৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][৩৩ক। মান নিৰ্ণয় নকৰাকৈ অন্তৰ্ভুক্ত কৰা ওজন আৰু জোখ-মাপ।]

৩৪। মূল্য-নিয়ন্ত্ৰণ।

৩৫। যন্ত্ৰচালিত যানসমূহ – যানসমূহৰ ওপৰত কৰ আৰোপ কৰাক সামৰি।

৩৬। কাৰখানাসমূহ।

৩৭। বয়লাৰসমূহ।

৩৮। বিদ্যুৎ।

৩৯। বাতৰিকাকত, কিতাপ আৰু মুদ্ৰণালয়সমূহ।

৪০। [২][সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত] ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বুলি ঘোষিতসমূহৰ বাদে আন পুৰাতত্ব সম্বন্ধীয় স্থান আৰু ভগ্নাৱশেষবিলাক।

৪১। বিধিৰ দ্বাৰা উচ্ছেদিত সম্পত্তি বুলি ঘোষিত সম্পত্তিৰ (কৃষিভূমিক সামৰি) জিম্মা, পৰিচালনা আৰু নিষ্পত্তিকৰণ।

[৩][৪২। সম্পত্তিৰ অৰ্জন আৰু অধিগ্ৰহণ।]

৪৩। বাকী থকা ভূ-ৰাজহ আৰু এনে বাকী থকা ভূ-ৰাজহ ৰূপে আদায়যোগ্য ধন অন্তৰ্ভুক্ত কৰি ৰাজ্যখনৰ বাহিৰত উদ্ভৱ হোৱা কৰ সম্বন্ধীয় দাবী আৰু অন্যান্য চৰকাৰী দাবীসমূহৰ সেই ৰাজ্যত আদায় কৰা।

৪৪। ন্যায়িক-মুদ্ৰাযোগে সংগৃহীত শুল্ক আৰু মাচুলৰ বাহিৰে আন মুদ্ৰা-শুল্কসমূহ, কিন্তু মুদ্ৰা-শুল্কৰ নিৰিখ ইয়াৰ ভিতৰত নপৰে।

৪৫। সূচী - ২ বা সূচী – ৩-ত নিৰ্দিষ্ট বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ প্ৰয়োজনৰ বাবে কৰা অনুসন্ধান আৰু পৰিসংখ্যা।

৪৬। এই সূচীৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন সকলো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আৰু ক্ষমতাসমূহ।

৪৭। এই সূচীৰ বিষয়সমূহৰ ভিতৰত যিকোনো বিষয়ৰ সম্বন্ধত দিবলগীয়া মাচুল, কিন্তু কোনো ন্যায়ালয়ত লোৱা মাচুল ইয়াৰ অন্তৰ্ভুক্ত নহয়।

---

[১] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৫৭-ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৬-ৰ ধাৰা ২৭-ৰ দ্বাৰা "সংসদৰ দ্বাৰা বিধিৰ দ্বাৰা ঘোষিত"-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২৬-ৰ দ্বাৰা প্ৰৱিষ্টি ৪২-ৰ সলনি প্ৰতিস্থাপিত (১-১১-১৯৫৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# অষ্টম অনুসূচী

## [অনুচ্ছেদ ৩৪৪(১) আৰু ৩৫১]

### ভাষাসমূহ

১। অসমীয়া।

২। বঙালী।

[১][৩। বড়ো।

৪। ডোগৰী।]

[২][৫।] গুজৰাটী।

[৩][৬।] হিন্দী।

[৩][৭।] কান্নাড়া।

[৩][৮।] কাশ্মীৰী।

[৪][[৩][৯।] কোংকনী।]

[১][১০। মৈথিলী।]

[৫][১১।] মালয়ালম।

[৪][[৬][১২।] মণিপুৰী।]

[৬][১৩।] মাৰাঠী।

[৪][[৬][১৪।] নেপালী।]

[৬][১৫।] [৭][উড়িয়া।]

[৬][১৬।] পঞ্জাৱী।

[৬][১৭।] সংস্কৃত।

---

[১] সংবিধান (৯২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৩-ক প্ৰৱিষ্টি ৫ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৪-ৰ পৰা ৭-ক প্ৰৱিষ্টি ৬-ৰ পৰা ৯ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] সংবিধান (৭১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৩১-৮-১৯৯২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৫] সংবিধান (৯২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৮-ক প্ৰৱিষ্টি ১১ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৬] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৯-ৰ পৰা ১৪-ক প্ৰৱিষ্টি ১২-ৰ পৰা ১৭ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৭] সংবিধান (৯৬ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১১-ৰ ধাৰা ২-ৰ দ্বাৰা "উৰিয়া"-ৰ সলনি প্ৰতিস্থাপিত (২৩-৯-২০১১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[১][১৮। চান্তালী।]

[২][[৩][১৯।] সিন্ধী।]

[৪][২০।] তামিল।

[৪][২১।] তেলুগু।

[৪][২২।] উৰ্দু।

---

[১] সংবিধান (৯২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা অন্তঃস্থাপিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (২১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৭-ৰ ধাৰা ২-ৰ দ্বাৰা সংযোজিত (১০-৪-১৯৬৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৩] সংবিধান (৯২ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ১৫-ক প্ৰৱিষ্টি ১৯ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[৪] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ১৬-ৰ পৰা ১৮-ক প্ৰৱিষ্টি ২০-ৰ পৰা ২২ ৰূপে পুনঃক্ৰমাংকিত (৭-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## [1][নৱম অনুসূচী

## (অনুচ্ছেদ ৩১খ)

১। বিহাৰ ভূমি সংস্কাৰ অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ বিহাৰ অধিনিয়ম XXX)।

২। মুম্বাই অভিধৃতি আৰু কৃষি ভূমি অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ মুম্বাই অধিনিয়ম LXVII)।

৩। বোম্বাই মালিকী কাৰ্যকাল বিলুপ্তি অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ বোম্বাই অধিনিয়ম LXI)।

৪। বোম্বাই তালুকদাৰী কাৰ্যকাল বিলুপ্তি অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ বোম্বাই অধিনিয়ম LXII)।

৫। পঞ্চ মহল মেহৱাসী কাৰ্যকাল বিলুপ্তি অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ বোম্বাই অধিনিয়ম LXIII)।

৬। বোম্বাই খোটি বিলুপ্তি অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ বোম্বাই অধিনিয়ম VI)।

৭। বোম্বাই পৰগণা আৰু কুলকাৰ্ণী ৱাতান বিলুপ্তি অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ বোম্বাই অধিনিয়ম LX)।

৮। মধ্য প্ৰদেশ স্বত্বাধিকাৰ বিলুপ্তি (সম্পত্তি, মহল, মালিকীস্বত্ব হস্তান্তৰকৃত ভূমি) অধিনিয়ম, ১৯৫০ (১৯৫১ চনৰ মধ্য প্ৰদেশ অধিনিয়ম I)।

৯। মাদ্ৰাজ ইষ্টেটচ (বিলুপ্তি আৰু ৰায়তৱাৰীলৈ ৰূপান্তৰ) অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ মাদ্ৰাজ অধিনিয়ম XXVI)।

১০। মাদ্ৰাজ ইষ্টেটচ (বিলুপ্তি আৰু ৰায়তৱাৰীলৈ ৰূপান্তৰ) সংশোধনী অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ মাদ্ৰাজ অধিনিয়ম I)।

১১। উত্তৰ প্ৰদেশ জমিদাৰী বিলুপ্তি আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৫০ (১৯৫১ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম I)।

১২। হায়দৰাবাদ (জাগীৰ বিলুপ্তি) নিয়মাৱলী, ১৩৫৮এফ (১৩৫৮-ৰ নং LXIX, ফাছলি)।

১৩। হায়দৰাবাদ জাগীৰ (কমিউটেচন) নিয়মাৱলী, ১৩৫৯এফ (১৩৫৯-ৰ নং XXV, ফাছলি)।

[2][১৪। বিহাৰ স্থানচ্যুত ব্যক্তি পুনৰ্সংস্থাপন (ভূমি অধিগ্ৰহণ) অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ বিহাৰ অধিনিয়ম XXXVIII)।

১৫। ইউনাইটেড প্ৰভিন্সৰ ভূমি অধিগ্ৰহণ (শৰণাৰ্থীসকলৰ পুনৰ্সংস্থাপন) অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম XXVI)।

১৬। স্থানচ্যুত ব্যক্তিৰ পুনৰ্সংস্থাপন (ভূমি অধিগ্ৰহণ) অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ অধিনিয়ম LX)।

১৭। বীমা অধিনিয়ম, ১৯৩৮ (১৯৩৮-ৰ অধিনিয়ম IV) ধাৰা ৫২ক-ৰ পৰা ৫২ছ), বীমা (সংশোধনী) অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ অধিনিয়ম XLVII)ৰ ধাৰা ৪২-ৰ দ্বাৰা অন্তৰ্ভুক্ত কৰা অনুসৰি।

১৮। ৰেল কোম্পানী (জৰুৰীকালীন ব্যৱস্থা) অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ অধিনিয়ম LI)।

---

[1] সংবিধান (১ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১৪-ৰ দ্বাৰা নৱম অনুসূচী (প্ৰৱিষ্টি ১-ৰ পৰা ১৩-লৈ) সংযোজিত (১৮-৬-১৯৫১-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৫৫-ৰ ধাৰা ৫-ৰ দ্বাৰা নৱম অনুসূচী (প্ৰৱিষ্টি ১৪-ৰ পৰা ২০-লৈ) সংযোজিত (২৭-৪-১৯৫৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অনুসূচী)

১৯। উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ অধিনিয়ম LXV)-ৰ অধ্যায় III-ক, উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী অধিনিয়ম, ১৯৫৩ (১৯৫৩ চনৰ অধিনিয়ম XXVI)-ৰ ধাৰা ১৩-ৰ দ্বাৰা অন্তৰ্ভুক্ত কৰা অনুসৰি।

২০। পশ্চিম বংগ ভূমি উন্নয়ন আৰু পৰিকল্পনা অধিনিয়ম, ১৯৪৮ (১৯৪৮ চনৰ পশ্চিম বংগ অধিনিয়ম XXI), ১৯৫১ চনৰ পশ্চিম বংগ অধিনিয়ম XXIX-ৰ দ্বাৰা সংশোধিত অনুসৰি।]

[১][২১। কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমাৰ ওপৰত অন্ধ্ৰপ্ৰদেশ অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ অন্ধ্ৰপ্ৰদেশ অধিনিয়ম X)।

২২। অন্ধ্ৰপ্ৰদেশ (তেলেংগানা এলেকা) ভাড়াতীয়া আৰু কৃষিভূমি (বৈধকৰণ) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ অন্ধ্ৰপ্ৰদেশ অধিনিয়ম XXI)।

২৩। অন্ধ্ৰপ্ৰদেশ (তেলেংগানা এলেকা) ইজাৰা আৰু কৌলী ভূমিৰ অনিয়মীয়া পট্টা বাতিল আৰু ৰেহাই মূল্যায়ন অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ অন্ধ্ৰপ্ৰদেশ অধিনিয়ম XVI)।

২৪। ৰাজহুৱা প্ৰকৃতিৰ ধৰ্মীয় বা দাতব্য প্ৰতিষ্ঠানৰ সৈতে জড়িত ভূমিৰ অসম ৰাজ্যৰ অধিগ্ৰহণ অধিনিয়ম, ১৯৫৯, (১৯৬১ চনৰ অসম অধিনিয়ম IX)

২৫। বিহাৰ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৫৩ (১৯৫৪ চনৰ বিহাৰ অধিনিয়ম XX)।

২৬। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) অধিনিয়ম, ১৯৬১ (১৯৬২ চনৰ বিহাৰ আইন XII), এই অধিনিয়মৰ ধাৰা ২৮-ৰ বাহিৰে।

২৭। বোম্বাই তালুকদাৰী কাৰ্যকাল বিলুপ্তি (সংশোধনী) অধিনিয়ম, ১৯৫৪ (১৯৫৫ চনৰ বোম্বাই অধিনিয়ম I)।

২৮। বোম্বাই তালুকদাৰী কাৰ্যকাল বিলুপ্তি (সংশোধনী) অধিনিয়ম, ১৯৫৭ (১৯৫৮ চনৰ বোম্বাই অধিনিয়ম XVIII)।

২৯। বোম্বাই ইনামচ (কচ্ছ এলেকা) বিলুপ্তি অধিনিয়ম, ১৯৫৮ (১৯৫৮ চনৰ বোম্বাই অধিনিয়ম XCVIII)।

৩০। বোম্বাই ভাড়াতীয়া আৰু কৃষিভূমি (গুজৰাট সংশোধনী) অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ গুজৰাট অধিনিয়ম XVI)।

৩১। গুজৰাট কৃষি ভূমিৰ সৰ্বোচ্চ সীমা অধিনিয়ম, ১৯৬০ (১৯৬১ চনৰ গুজৰাট অধিনিয়ম XXVI)।

৩২। চাগবাৰা আৰু মেহৱাচী ইষ্টেটচ (স্বত্বাধিকাৰ বিলুপ্তি ইত্যাদি) নিয়ন্ত্ৰণ, ১৯৬২ (১৯৬২ চনৰ গুজৰাট নিয়মাৱলী I)।

---

[১] সংবিধান (১৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬৪-ৰ ধাৰা ৩-ৰ দ্বাৰা প্ৰৱিষ্টি ২১-ৰ পৰা ৬৪-লৈ আৰু *ব্যাখ্যা*) সংযোজিত (২০-৬-১৯৬৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## (নৱম অনুসূচী)

৩৩। গুজৰাট প্ৰচলিত মালিকীস্বত্ব হস্তান্তৰকৰণ বিলুপ্তি অধিনিয়ম, ১৯৬৩ (১৯৬৩ চনৰ গুজৰাট অধিনিয়ম XXXIII), এই আইনৰ ধাৰা ২-ৰ দফা (৩)-ৰ উপ-দফা (ঘ)-ত উল্লেখ কৰা এক মালিকীস্বত্ব হস্তান্তৰণৰ সৈতে সম্পৰ্কিত হোৱাৰ বাহিৰে।

৩৪। মহাৰাষ্ট্ৰ কৃষি ভূমি (মালিকীস্বত্বৰ সৰ্বোচ্চ সীমা) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXVII)।

৩৫। হায়দৰাবাদ ভাড়াতীয়া আৰু কৃষি ভূমি (পুনৰ-প্ৰণয়ন, বৈধকৰণ আৰু পৰৱৰ্তী সংশোধনী) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XLV)।

৩৬। হায়দৰাবাদ ভাড়াতীয়া আৰু কৃষি ভূমি অধিনিয়ম, ১৯৫০ (১৯৫০ চনৰ হায়দৰাবাদ অধিনিয়ম XXI)।

৩৭। জেনমিকাৰাম পৰিশোধ (বিলুপ্তি) অধিনিয়ম, ১৯৬০ (১৯৬১ চনৰ কেৰালা অধিনিয়ম III)।

৩৮। কেৰালা ভূমি কৰ অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ কেৰালা অধিনিয়ম XIII)।

৩৯। কেৰালা ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬৩ (১৯৬৪ চনৰ কেৰালা অধিনিয়ম I)।

৪০। মধ্যপ্ৰদেশ ভূমি ৰাজহ কোড, ১৯৫৯ (১৯৫৯ চনৰ মধ্য প্ৰদেশ অধিনিয়ম XX)।

৪১। কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমাৰ ওপৰত মধ্যপ্ৰদেশ অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ মধ্যপ্ৰদেশ অধিনিয়ম XX)।

৪২। মাদ্ৰাজ খেতি কৰা ভাড়াতীয়া সুৰক্ষা অধিনিয়ম, ১৯৫৫ (১৯৫৫ চনৰ মাদ্ৰাজ অধিনিয়ম XXV)।

৪৩। মাদ্ৰাজ খেতি কৰা ভাড়াতীয়া (ন্যায্য ভাড়া পৰিশোধ) অধিনিয়ম, ১৯৫৬ (১৯৫৬ চনৰ মাদ্ৰাজ অধিনিয়ম XXIV)।

৪৪। মাদ্ৰাজ কুডিয়েৰুপ্পুৰ অধিভাগী (উচ্ছেদৰ পৰা সুৰক্ষা) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মাদ্ৰাজ অধিনিয়ম XXXVIII)।

৪৫। মাদ্ৰাজ ৰাজহুৱা ন্যাস (কৃষিভূমি প্ৰশাসনৰ নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মাদ্ৰাজ অধিনিয়ম LVII)।

৪৬। মাদ্ৰাজ ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মাদ্ৰাজ অধিনিয়ম LVIII)।

৪৭। মহীশূৰ ভাড়াতীয়া অধিনিয়ম, ১৯৫২ (১৯৫২ চনৰ মহীশূৰ অধিনিয়ম XIII)।

৪৮। কুৰ্গ ভাড়াতীয়া অধিনিয়ম, ১৯৫৭ (১৯৫৭ চনৰ মহীশূৰ অধিনিয়ম XIV)।

৪৯। মহীশূৰ গাওঁ কাৰ্যালয় বিলুপ্তি অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মহীশূৰ অধিনিয়ম XIV)।

৫০। হায়দৰাবাদ ভাড়াতীয়া আৰু কৃষিভূমি (বৈধকৰণ) অধিনিয়ম, ১৯৬১ (১৯৬১ চনৰ মহীশূৰ অধিনিয়ম XXXVI)।

৫১। মহীশূৰ ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬১ (১৯৬২ চনৰ মহীশূৰ অধিনিয়ম X)।

(নৱম অনুসূচী)

৫২। উৰিষ্যা ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ উৰিষ্যা অধিনিয়ম XVI)।

৫৩। উৰিষ্যা চামিলকৃত ৰাজ্যক্ষেত্ৰসমূহ (গাওঁ কাৰ্যালয় বিলুপ্তি) অধিনিয়ম, ১৯৬৩ (১৯৬৩ চনৰ উৰিষ্যা অধিনিয়ম X)।

৫৪। পঞ্জাৱ ভূমি-দখল অধিকাৰ সুৰক্ষা অধিনিয়ম, ১৯৫৩ (১৯৫৩ চনৰ পঞ্জাৱ অধিনিয়ম X)।

৫৫। ৰাজস্থান ভাড়াতীয়া অধিনিয়ম, ১৯৫৫ (১৯৫৫ চনৰ ৰাজস্থান অধিনিয়ম III)।

৫৬। ৰাজস্থান জমিদাৰী আৰু বিচৱেদাৰী বিলুপ্তি অধিনিয়ম, ১৯৫৯ (১৯৫৯ চনৰ ৰাজস্থান অধিনিয়ম VIII)।

৫৭। কুমাউন আৰু উত্তৰাখণ্ড জমিদাৰী বিলুপ্তি আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম XVII)।

৫৮। উত্তৰ প্ৰদেশ ভূমি ধাৰণৰ সৰ্বোচ্চ সীমা আৰোপ অধিনিয়ম, ১৯৬০ (১৯৬১ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম I)।

৫৯। পশ্চিম বংগ ইষ্টেটচ অধিগ্ৰহণ অধিনিয়ম, ১৯৫৩ (১৯৫৪ চনৰ পশ্চিম বংগ অধিনিয়ম I)।

৬০। পশ্চিম বংগ ভূমি সংস্কাৰ অধিনিয়ম, ১৯৫৫ (১৯৫৬ চনৰ পশ্চিম বংগ অধিনিয়ম X)।

৬১। দিল্লী ভূমি সংস্কাৰ অধিনিয়ম, ১৯৫৪ (১৯৫৪ চনৰ দিল্লী অধিনিয়ম VIII)।

৬২। দিল্লী ভূমি দখল (সৰ্বোচ্চ সীমা) অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ কেন্দ্ৰীয় অধিনিয়ম ২৪)।

৬৩। মণিপুৰ ভূমি ৰাজহ আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩৩)।

৬৪। ত্ৰিপুৰা ভূমি ৰাজহ আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬০ (১৯৬০ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৪৩)।

[১][৬৫। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ কেৰালা অধিনিয়ম ৩৫)।

৬৬। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ কেৰালা অধিনিয়ম ২৫)।

[২][৬৭। অন্ধ্ৰপ্ৰদেশ ভূমি সংস্কাৰ (কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমা) আইন, ১৯৭৩ (১৯৭৩ চনৰ অন্ধ্ৰপ্ৰদেশ আইন ১)।

৬৮। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ বিহাৰ অধিনিয়ম I)।

---

[১] সংবিধান (২৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭২-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৬৫ আৰু ৬৬ অন্তঃস্থাপিত (৯-৬-১৯৭২-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[২] সংবিধান (৩৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৪-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ৬৭-ৰ পৰা ৮৬-লৈ অন্তঃস্থাপিত (৭-৯-১৯৭৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অনুসূচী)

৬৯। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ বিহাৰ অধিনিয়ম IX)।

৭০। বিহাৰ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ বিহাৰ অধিনিয়ম V)।

৭১। গুজৰাট কৃষি ভূমিৰ সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ গুজৰাট অধিনিয়ম ২)।

৭২। হাৰিয়ানা ভূমি ধাৰণৰ সৰ্বোচ্চ সীমা অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ হাৰিয়ানা অধিনিয়ম ২৬)।

৭৩। হিমাচল প্ৰদেশ ভূমি ধাৰণৰ সৰ্বোচ্চ সীমা অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ হিমাচল প্ৰদেশ অধিনিয়ম ১৯)।

৭৪। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ কেৰালা অধিনিয়ম ১৭)।

৭৫। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১২)।

৭৬। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমা (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১৩)।

৭৭। মহীশূৰ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৩ (১৯৭৪ চনৰ কৰ্ণাটক অধিনিয়ম ১)।

৭৮। পঞ্জাৱ ভূমি সংস্কাৰ অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ পঞ্জাৱ অধিনিয়ম ১০)।

৭৯। ৰাজস্থান কৃষিমূলক ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা আৰোপ অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ ৰাজস্থান অধিনিয়ম ১১)।

৮০। গুডালুৰ জন্মম ইষ্টেটচ (বিলুপ্তি আৰু ৰায়তৱাৰীলৈ ৰূপান্তৰ) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ তামিলনাডু অধিনিয়ম ২৪)।

৮১। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ পশ্চিম বংগ অধিনিয়ম XII)।

৮২। পশ্চিম বংগ ইষ্টেটচ অধিগ্ৰহণ (সংশোধনী) অধিনিয়ম, ১৯৬৪ (১৯৬৪ চনৰ পশ্চিম বংগ অধিনিয়ম XXII)।

৮৩। পশ্চিম বংগ ইষ্টেটচ অধিগ্ৰহণ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ পশ্চিম বংগ অধিনিয়ম XXXIII)।

৮৪। বোম্বাই ভাড়াতীয়া আৰু কৃষিভূমি (গুজৰাট সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ গুজৰাট অধিনিয়ম ৫)।

৮৫। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ উৰিষ্যা অধিনিয়ম ৯)।

৮৬। ত্ৰিপুৰা ভূমি ৰাজহ আৰু ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ ত্ৰিপুৰা অধিনিয়ম ৭)।

## (নৱম অনুসূচী)

[1][[2]৮৭ * * * *]

৮৮। উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৬৫)।

৮৯। স্থাৱৰ সম্পত্তিৰ দাবী আৰু অধিগ্ৰহণ অধিনিয়ম, ১৯৫২ (১৯৫২ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩০)।

৯০। খনি আৰু খনিজ (নিয়ন্ত্ৰণ আৰু উন্নয়ন) অধিনিয়ম, ১৯৫৭ (১৯৫৭ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৬৭)।

[*]৯১। একচেটিয়া আৰু প্ৰতিবন্ধক বাণিজ্য পদ্ধতি অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৪)।

[2][৯২ * * * *]

৯৩। কোকিং কয়লা খনি (জৰুৰীকালীন ব্যৱস্থা) অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৬৪)।

৯৪। কোকিং কয়লা খনি (ৰাষ্ট্ৰীয়কৰণ) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩৬)।

৯৫। সাধাৰণ বীমা ব্যৱসায় (ৰাষ্ট্ৰীয়কৰণ) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৭)।

৯৬। ভাৰতীয় তাম কৰ্পৰেচন (প্ৰতিষ্ঠান অধিগ্ৰহণ) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৮)।

৯৭। ৰুগীয়া বস্ত্ৰ প্ৰতিষ্ঠান (ব্যৱস্থাপনা অধিগ্ৰহণ) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৭২)।

৯৮। কয়লা খনি (ব্যৱস্থাপনা অধিগ্ৰহণ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম ১৫)।

৯৯। কয়লা খনি (ৰাষ্ট্ৰীয়কৰণ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম ২৬)।

[**]১০০। বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰণ অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৪৬)।

১০১। এলকক এছডাউন কোম্পানী লিমিটেড (প্ৰতিষ্ঠান অধিগ্ৰহণ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৬)।

---

[1] সংবিধান (৩৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৫-ৰ ধাৰা ৫-ৰ দ্বাৰা প্ৰৱিষ্টি ৮৭-ৰ পৰা ১২৪-লৈ অন্তঃস্থাপিত (১০-৮-১৯৭৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৪-ৰ দ্বাৰা প্ৰৱিষ্টি ৮৭ আৰু ৯২ বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] প্ৰতিযোগিতা অধিনিয়ম, ২০০২ (২০০৩-ৰ ১২)-ৰ ধাৰা ৬৬-ৰ দ্বাৰা ৰদকৰণ (১-৯-২০০৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[**] বৈদেশিক বিনিময় পৰিচালনা অধিনিয়ম, ১৯৯৯ (১৯৯৯-ৰ ৪২) ধাৰা ৪৯-ৰ দ্বাৰা ৰদকৰণ (১-৬-২০০০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

## (নৱম অনুসূচী)

১০২। কয়লা খনি (সংৰক্ষণ আৰু উন্নয়ন) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম ২৮)।

১০৩। অতিৰিক্ত পৰিশোধ (বাধ্যতামূলক জমা) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩৭)।

১০৪। বৈদেশিক মুদ্ৰা সংৰক্ষণ আৰু চোৰাং ব্যৱসায় প্ৰতিৰোধ কাৰ্যকলাপ অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫২)।

১০৫। ৰুগীয়া বস্ত্ৰ প্ৰতিষ্ঠান (ৰাষ্ট্ৰীয়কৰণ) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৭)।

১০৬। মহাৰাষ্ট্ৰ কৃষি ভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৬৪ (১৯৬৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XVI)।

১০৭। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৬৫ (১৯৬৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXXII)।

১০৮। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৬৮ (১৯৬৮ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XVI)।

১০৯। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৬৮ (১৯৬৮ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXXIII)।

১১০। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXXVII)।

১১১। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXXVIII)।

১১২। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXVII)।

১১৩। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XIII)।

১১৪। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম L)।

১১৫। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৫ (১৯৬৫ চনৰ উৰিষ্যা অধিনিয়ম ১৩)।

১১৬। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৬ (১৯৬৬ চনৰ উৰিষ্যা অধিনিয়ম ৮)।

১১৭। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৭ (১৯৬৭ চনৰ উৰিষ্যা অধিনিয়ম ১৩)।

(নৱম অনুসূচী)

১১৮। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ উৰিষ্যা অধিনিয়ম ১৩)।

১১৯। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ উৰিষ্যা অধিনিয়ম ১৮)।

১২০। উত্তৰ প্ৰদেশ ভূমি ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা আৰোপ (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ১৮)।

১২১। উত্তৰ প্ৰদেশ ভূমি ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা আৰোপ (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৫ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ২)।

১২২। ত্ৰিপুৰা ভূমি ৰাজহ আৰু ভূমি সংস্কাৰ (তৃতীয় সংশোধনী) অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ ত্ৰিপুৰা অধিনিয়ম ৩)।

১২৩। দাদৰা আৰু নগৰ হাভেলি ভূমি সংস্কাৰ নিয়মাৱলী, ১৯৭১ (১৯৭১ চনৰ ৩)।

১২৪। দাদৰা আৰু নগৰ হাভেলি ভূমি সংস্কাৰ (সংশোধনী) নিয়মাৱলী, ১৯৭৩ (১৯৭৩ চনৰ ৫)।

[১][১২৫। মটৰ বাহন অধিনিয়ম, ১৯৩৯[*]-ৰ ধাৰা ৬৬ক আৰু চতুৰ্থ-ক অধ্যায় (১৯৩৯ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৪)।

১২৬। অত্যাৱশ্যকীয় সামগ্ৰী অধিনিয়ম আইন, ১৯৫৫ (১৯৫৫ চনৰ কেন্দ্ৰীয় অধিনিয়ম ১০)।

১২৭। চোৰাং ব্যৱসায়ী আৰু বৈদেশিক মুদ্ৰা প্ৰৱঞ্চক (সম্পত্তি জব্দ) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ১৩)।

১২৮। দাসত্ববদ্ধ শ্ৰমিক প্ৰণালী (বিলুপ্তি) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ১৯)।

১২৯। বৈদেশিক মুদ্ৰা সংৰক্ষণ আৰু চোৰাং ব্যৱসায় প্ৰতিৰোধ কাৰ্যকলাপ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ২০)।

[২]১৩০।* * * * *

১৩১। লেভি চেনী মূল্য সমকৰণ পুঁজি অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩১)।

১৩২। নগৰভূমি (সৰ্বোচ্চ সীমা আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৩৩)।

---

[১] সংবিধান (৪০ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬-ৰ ধাৰা ৩-ৰ দ্বাৰা প্ৰৱিষ্টি ১২৫-ৰ পৰা ১৮৮-লৈ অন্তঃস্থাপিত (২৭-৫-১৯৭৬-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[*] এতিয়া মটৰ বাহন আইন, ১৯৮৮ (১৯৮৮-ৰ ৫৯)-ৰ প্ৰাসংগিক ব্যৱস্থাসমূহ চাওঁক।

[২] সংবিধান (৪৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৮-ৰ ধাৰা ৪৪-ৰ দ্বাৰা প্ৰৱিষ্টি ১৩০ বিলোপিত (২০-৬-১৯৭৯-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

১৩৩। কেন্দ্ৰীয় একাউন্টৰ বিভাগীয়কৰণ (কৰ্মচাৰী স্থানান্তৰ) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ৫৯)।

১৩৪। ভূমি ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা নিৰ্ধাৰণ অধিনিয়ম, ১৯৫৬ (১৯৫৭ চনৰ অসম অধিনিয়ম I)।

১৩৫। বোম্বাই ভাড়াতীয়া আৰু কৃষিভূমি (বিদৰ্ভ অঞ্চল) অধিনিয়ম, ১৯৫৮ (১৯৫৮ চনৰ বোম্বাই অধিনিয়ম XCIX)।

১৩৬। গুজৰাট ব্যক্তিগত বন (অধিগ্ৰহণ) অধিনিয়ম, ১৯৭২ (১৯৭৩ চনৰ গুজৰাট অধিনিয়ম ১৪)।

১৩৭। হাৰিয়ানা ভূমি ধাৰণৰ সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ হাৰিয়ানা অধিনিয়ম ১৭)।

১৩৮। হিমাচল প্ৰদেশ ভাড়াতীয়া আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ হিমাচল প্ৰদেশ অধিনিয়ম ৮)।

১৩৯। হিমাচল প্ৰদেশ গাঁও উমৈহতীয়া ভূমি ন্যস্ত আৰু ব্যৱহাৰ অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ হিমাচল প্ৰদেশ অধিনিয়ম ১৮)।

১৪০। কৰ্ণাটক ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী আৰু বিবিধ ব্যৱস্থা) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কৰ্ণাটক অধিনিয়ম ৩১)।

১৪১। কৰ্ণাটক ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কৰ্ণাটক অধিনিয়ম ২৭)।

১৪২। কেৰালা উচ্ছেদ প্ৰতিৰোধ অধিনিয়ম, ১৯৬৬ (১৯৬৬ চনৰ কেৰালা অধিনিয়ম ১২)।

১৪৩। থিৰুপ্পুৰৱাম পৰিশোধ (বিলুপ্তি) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ কেৰালা অধিনিয়ম ১৯)।

১৪৪। শ্ৰীপাদম ভূমি বিমুক্তি অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ কেৰালা অধিনিয়ম ২০)।

১৪৫। শ্ৰী পাণ্ডাৰাভাকা ভূমি (ন্যস্ত আৰু বিমুক্তি) অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ কেৰালা অধিনিয়ম ২০)।

১৪৬। কেৰালা ব্যক্তিগত বনাঞ্চল (ন্যস্ত আৰু আৱণ্টন) অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ কেৰালা অধিনিয়ম ২৬)।

১৪৭। কেৰালা কৃষি কৰ্মী অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেৰালা অধিনিয়ম ১৮)।

১৪৮। কেৰালা কাজু কাৰখানা (অধিগ্ৰহণ) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ কেৰালা অধিনিয়ম ২৯)।

১৪৯। কেৰালা চিট্টিজ অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ কেৰালা অধিনিয়ম ২৩)।

১৫০। কেৰালা অনুসূচীত জনজাতি (ভূমি হস্তান্তৰ আৰু মালিকীস্বত্ব হস্তান্তৰকৃত ভূমি পুনৰুদ্ধাৰৰ ওপৰত প্ৰতিবন্ধকতা) অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ কেৰালা অধিনিয়ম ৩১)।

(নৱম অনুসূচী)

১৫১। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেৰালা অধিনিয়ম ১৫)।

১৫২। কানম ভাড়াতীয়া বিলুপ্তি অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেৰালা অধিনিয়ম ১৬)।

১৫৩। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ ওপৰত সীমা (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ২০)।

১৫৪। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৭৫ (১৯৭৬ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ২)।

১৫৫। পশ্চিম খানদেশ মেহৱাচী ইষ্টেটচ (স্বত্বাধিকাৰ বিলুপ্তি ইত্যাদি) বিধিনিয়ম, ১৯৬১ (১৯৬২ চনৰ মহাৰাষ্ট্ৰ বিধিনিয়ম ১)।

১৫৬। মহাৰাষ্ট্ৰ অনুসূচীত জনজাতিৰ বাবে ভূমি পুনৰুদ্ধাৰ অধিনিয়ম, ১৯৭৪ (১৯৭৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XIV)।

১৫৭। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা হ্ৰাস) আৰু (সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXI)।

১৫৮। মহাৰাষ্ট্ৰ ব্যক্তিগত বন (অধিগ্ৰহণ) অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XXIX)।

১৫৯। মহাৰাষ্ট্ৰ কৃষিভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা হ্ৰাস) আৰু (সংশোধনী) সংশোধনী অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম XLVII)।

১৬০। মহাৰাষ্ট্ৰ কৃষি ভূমি (ধাৰণৰ সৰ্বোচ্চ সীমা) (সংশোধনী) অধিনিয়ম, ১৯৭৫ (১৯৭৬ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম ২)।

১৬১। উৰিষ্যা ইষ্টেটচ বিলুপ্তি অধিনিয়ম, ১৯৫১ (১৯৫২ চনৰ উৰিষ্যা অধিনিয়ম I)।

১৬২। ৰাজস্থান উপনিবেশ অধিনিয়ম, ১৯৫৪ (১৯৫৪ চনৰ ৰাজস্থান অধিনিয়ম XXVII)।

১৬৩। ৰাজস্থান ভূমি সংস্কাৰ আৰু ভূমি-মালিক ইষ্টেটচ অধিগ্ৰহণ অধিনিয়ম, ১৯৬৩ (১৯৬৪ চনৰ ৰাজস্থান অধিনিয়ম ১১)।

১৬৪। ৰাজস্থান কৃষিমূলক ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা আৰোপ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ ৰাজস্থান অধিনিয়ম ৮)।

১৬৫। ৰাজস্থান ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ ৰাজস্থান অধিনিয়ম ১২)।

১৬৬। তামিলনাড়ু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা হ্ৰাস) অধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ তামিলনাড়ু অধিনিয়ম ১৭)।

১৬৭। তামিলনাড়ু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ তামিলনাড়ু অধিনিয়ম ৪১)।

১৬৮। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ তামিলনাডু অধিনিয়ম ১০)।

১৬৯। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ তামিলনাডু অধিনিয়ম ২০)।

১৭০। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) তৃতীয় সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ তামিলনাডু অধিনিয়ম ৩৭)।

১৭১। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) চতুৰ্থ সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ তামিলনাডু অধিনিয়ম ৩৯)।

১৭২। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) ষষ্ঠ সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ তামিলনাডু অধিনিয়ম ৭)।

১৭৩। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) পঞ্চম সংশোধনী অধিনিয়ম, ১৯৭২ (১৯৭৪ চনৰ তামিলনাডু অধিনিয়ম ১০)।

১৭৪। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ তামিলনাডু অধিনিয়ম ১৫)।

১৭৫। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) তৃতীয় সংশোধনী অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ তামিলনাডু অধিনিয়ম ৩০)।

১৭৬। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ তামিলনাডু অধিনিয়ম ৩২)।

১৭৭। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ তামিলনাডু অধিনিয়ম ১১)।

১৭৮। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ তামিলনাডু অধিনিয়ম ২১)।

১৭৯। উত্তৰ প্ৰদেশ ভূমি আইন (সংশোধনী) অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ২১) আৰু উত্তৰ প্ৰদেশ ভূমি আইন (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ৩৪)-ৰ দ্বাৰা উত্তৰ প্ৰদেশ জমিদাৰী বিলুপ্তি আৰু ভূমি সংস্কাৰ অধিনিয়ম, ১৯৫০ (১৯৫১ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম I)-ত কৰা সংশোধনী।

১৮০। উত্তৰ প্ৰদেশ ভূমি ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা আৰোপ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ২০)।

১৮১। পশ্চিম বংগ ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭২ (১৯৭২ চনৰ পশ্চিম বংগ অধিনিয়ম XXVIII)।

১৮২। পশ্চিম বংগ মালিকীস্বত্ব হস্তান্তৰকৃত ভূমি পুনৰুদ্ধাৰ অধিনিয়ম, ১৯৭৩ (১৯৭৩ চনৰ পশ্চিম বংগ অধিনিয়ম XXIII)।

(নৱম অনুসূচী)

১৮৩। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ পশ্চিম বংগ অধিনিয়ম XXXIII)।

১৮৪। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৫ (১৯৭৫ চনৰ পশ্চিম বংগ অধিনিয়ম XXIII)।

১৮৫। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ পশ্চিম বংগ অধিনিয়ম XII)।

১৮৬। দিল্লী ভূমি ধাৰণ (সৰ্বোচ্চ সীমা) সংশোধনী অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম ১৫)।

১৮৭। গোৱা, দমন আৰু দিউ মুণ্ডকাৰ (উচ্ছেদৰ পৰা সুৰক্ষা) অধিনিয়ম, ১৯৭৫ (১৯৭৬ চনৰ গোৱা, দমন আৰু দিউ অধিনিয়ম ১)।

১৮৮। পণ্ডিচেৰী ভূমি সংস্কাৰ (ভূমিৰ ওপৰত সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) অধিনিয়ম, ১৯৭৩ (১৯৭৪ চনৰ পণ্ডিচেৰী অধিনিয়ম ৯)।]

[১][১৮৯। অসম (অস্থায়ীভাৱে বসতি স্থাপন কৰা এলেকা) ভাড়াতীয়া অধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ অসম অধিনিয়ম XXIII)।

১৯০। অসম (অস্থায়ীভাৱে নিষ্পত্তি কৰা এলেকা) ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৭৪ (১৯৭৪ চনৰ অসম অধিনিয়ম XVIII)।

১৯১। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) সংশোধন অধিনিয়ম, ১৯৭৪ (১৯৭৫ চনৰ বিহাৰ অধিনিয়ম ১৩)।

১৯২। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ বিহাৰ অধিনিয়ম ২২)।

১৯৩। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ বিহাৰ অধিনিয়ম VII)।

১৯৪। ভূমি অধিগ্ৰহণ (বিহাৰ সংশোধনী) আইন, ১৯৭৯ (১৯৮০ চনৰ বিহাৰ অধিনিয়ম ২)।

১৯৫। হাৰিয়ানা ভূমি ধাৰণৰ সৰ্বোচ্চ সীমা (সংশোধনী) আইন, ১৯৭৭ (১৯৭৭ চনৰ হাৰিয়ানা অধিনিয়ম ১৪)।

১৯৬। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ তামিলনাডু অধিনিয়ম ২৫)।

১৯৭। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৭৯ (১৯৭৯ চনৰ তামিলনাডু অধিনিয়ম ১১)।

---

[১] সংবিধান (৪৭ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৪-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ১৮৯-ৰ পৰা ২০২-লৈ অন্তঃস্থাপিত (২৬-৮-১৯৮৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অনুসূচী)

১৯৮। উত্তৰ প্ৰদেশ জমিদাৰী বিলুপ্তি আইন (সংশোধনী) অধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ১৫)।

১৯৯। পশ্চিম বংগ বিচ্ছিন্ন ভূমি পুনৰুদ্ধাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ পশ্চিম বংগ অধিনিয়ম XXIV)।

২০০। পশ্চিম বংগ বিচ্ছিন্ন ভূমি পুনৰুদ্ধাৰ (সংশোধনী) অধিনিয়ম, ১৯৮০ (১৯৮০ চনৰ পশ্চিম বংগ অধিনিয়ম LVI)।

২০১। গোৱা, দমন আৰু দিউ কৃষি ভাড়াতীয়া অধিনিয়ম, ১৯৬৪ (১৯৬৪ চনৰ গোৱা, দমন আৰু দিউ অধিনিয়ম ৭)।

২০২। গোৱা, দমন আৰু দিউ কৃষি ভাড়াতীয়া (পঞ্চম সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ গোৱা, দমন আৰু দিউ আইন ১৭)।]

[১][২০৩। অন্ধ্ৰ প্ৰদেশ অনুসূচীত এলেকা ভূমি স্থানান্তৰ বিধিনিয়ম, ১৯৫৯ (১৯৫৯ চনৰ অন্ধ্ৰ প্ৰদেশ বিধিনিয়ম ১)।

২০৪। অন্ধ্ৰ প্ৰদেশ অনুসূচীত এলেকা আইন (সম্প্ৰসাৰণ আৰু সংশোধনী) বিধিনিয়ম, ১৯৬৩ (১৯৬৩ চনৰ অন্ধ্ৰ প্ৰদেশ বিধিনিয়ম ২)।

২০৫। অন্ধ্ৰ প্ৰদেশ অনুসূচীত এলেকা ভূমি হস্তান্তৰ (সংশোধনী) বিধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ অন্ধ্ৰ প্ৰদেশ বিধিনিয়ম ১)।

২০৬। অন্ধ্ৰ প্ৰদেশ অনুসূচীত এলেকা ভূমি হস্তান্তৰ (সংশোধনী) বিধিনিয়ম, ১৯৭১ (১৯৭১ চনৰ অন্ধ্ৰ প্ৰদেশ বিধিনিয়ম ১)।

২০৭। অন্ধ্ৰ প্ৰদেশ অনুসূচীত এলেকা ভূমি হস্তান্তৰ (সংশোধনী) বিধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ অন্ধ্ৰ প্ৰদেশ বিধিনিয়ম ১)।

২০৮। বিহাৰ ভাড়াতীয়া অধিনিয়ম, ১৯৮৫ (১৯৮৫ চনৰ বিহাৰ অধিনিয়ম ৮)।

২০৯। চোটা নাগপুৰ ভাড়াতীয়া অধিনিয়ম, ১৯০৮ (১৯০৮ চনৰ বেংগল অধিনিয়ম ৬) (অষ্টম অধ্যায় - ধাৰা ৪৬, ৪৭, ৪৮, ৪৮ক আৰু ৪৯; দশম অধ্যায় - ধাৰা ৭১, ৭১ক আৰু ৭১খ; আৰু অষ্টম অধ্যায় - ধাৰা ২৪০, ২৪১ আৰু ২৪২)।

২১০। সান্তাল পাৰগাণা ভাড়াতীয়া (পৰিপূৰক ব্যৱস্থা) অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ বিহাৰ অধিনিয়ম ১৪) ধাৰা ৫৩-ৰ বাহিৰে।

২১১। বিহাৰ অনুসূচীত এলেকা বিধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ বিহাৰ বিধিনিয়ম ১)।

২১২। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৮২ (১৯৮২ চনৰ বিহাৰ অধিনিয়ম ৫৫)।

---

[১] সংবিধান (৬৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯০-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ২০৩-ৰ পৰা ২৫৭-লৈ অন্তঃস্থাপিত (৭-৬-১৯৯০-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অনুসূচী)

২১৩। গুজৰাট দেৱস্থান ইনাম বিলুপ্তি অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ গুজৰাট অধিনিয়ম ১৬)।

২১৪। গুজৰাট ভাড়াতীয়া আইন (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ গুজৰাট অধিনিয়ম ৩৭)।

২১৫। গুজৰাট কৃষিভূমিৰ সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ ৰাষ্ট্ৰপতি অধিনিয়ম ৪৩)।

২১৬। গুজৰাট দেৱস্থান ইনাম বিলুপ্তি (সংশোধনী) অধিনিয়ম, ১৯৭৭ (১৯৭৭ চনৰ গুজৰাট অধিনিয়ম ২৭)।

২১৭। গুজৰাট ভাড়াতীয়া আইন (সংশোধনী) অধিনিয়ম, ১৯৭৭ (১৯৭৭ চনৰ গুজৰাট অধিনিয়ম ৩০)।

২১৮। বোম্বাই ভূমি ৰাজহ (গুজৰাট দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৮০ (১৯৮০ চনৰ গুজৰাট অধিনিয়ম ৩৭)।

২১৯। বোম্বাই ভূমি ৰাজহ সংহিতা আৰু ভূমি ম্যাদ বিলুপ্তি আইন (গুজৰাট সংশোধনী) অধিনিয়ম, ১৯৮২ (১৯৮২ চনৰ গুজৰাট অধিনিয়ম ৮)।

২২০। হিমাচল প্ৰদেশ ভূমি স্থানান্তৰ (নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৬৮ (১৯৬৯ চনৰ হিমাচল প্ৰদেশ অধিনিয়ম ১৫)।

২২১। হিমাচল প্ৰদেশ ভূমি স্থানান্তৰ (বিধিনিয়ম) (সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬ চনৰ হিমাচল প্ৰদেশ অধিনিয়ম ১৬)।

২২২। কৰ্ণাটক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিৰ্দিষ্ট ভূমি হস্তান্তৰ নিষিদ্ধকৰণ) অধিনিয়ম, ১৯৭৮ (১৯৭৯ চনৰ কৰ্ণাটক অধিনিয়ম ২)।

২২৩। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৮ (১৯৭৮ চনৰ কেৰালা অধিনিয়ম ১৩)।

২২৪। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ কেৰালা অধিনিয়ম ১৯)।

২২৫। মধ্য প্ৰদেশ ভূমি ৰাজহ সংহিতা (তৃতীয় সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ৬১)।

২২৬। মধ্য প্ৰদেশ ভূমি ৰাজহ সংহিতা (সংশোধনী) অধিনিয়ম, ১৯৮০ (১৯৮০ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১৫)।

২২৭। মধ্য প্ৰদেশ অকৃষিমূলক ধাৰণৰ উচ্চতম সীমা অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১১)।

২২৮। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমা (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৮৪ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১)।

২২৯। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৮৪ (১৯৮৪ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ১৪)।

(নৱম অনুসূচী)

২৩০। মধ্য প্ৰদেশ কৃষিমূলক ধাৰণৰ ওপৰত সৰ্বোচ্চ সীমা (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ মধ্য প্ৰদেশ অধিনিয়ম ৮)।

২৩১। মহাৰাষ্ট্ৰ ভূমি ৰাজহ সংহিতা, ১৯৬৬ (১৯৬৬ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম ৪১), ধাৰা ৩৬, ৩৬ক আৰু ৩৬খ।

২৩২। মহাৰাষ্ট্ৰ ভূমি ৰাজহ সংহিতা আৰু মহাৰাষ্ট্ৰ অনুসূচীত জনজাতিৰ বাবে ভূমি পুনৰুদ্ধাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৭ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম ৩০)।

২৩৩। মহাৰাষ্ট্ৰ কিছুমান ভূমিত খনি আৰু খনিজ পদাৰ্থৰ ওপৰত বিদ্যমান স্বত্বাধিকাৰীমূলক অধিকাৰ বিলুপ্তি অধিনিয়ম, ১৯৮৫ (১৯৮৫ চনৰ মহাৰাষ্ট্ৰ অধিনিয়ম ১৬)

২৩৪। উৰিষ্যা অনুসূচীত এলেকাবোৰ স্থাৱৰ সম্পত্তি স্থানান্তৰ (অনুসূচীত জনজাতিৰ দ্বাৰা) বিধিনিয়ম, ১৯৫৬ (১৯৫৬ চনৰ উৰিষ্যা বিধিনিয়ম ২)।

২৩৫। উৰিষ্যা ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৫ (১৯৭৬ চনৰ উৰিষ্যা অধিনিয়ম ২৯)।

২৩৬। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ উৰিষ্যা অধিনিয়ম ৩০)।

২৩৭। উৰিষ্যা ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৭৬ (১৯৭৬ চনৰ উৰিষ্যা অধিনিয়ম ৪৪)।

২৩৮। ৰাজস্থান উপনিবেশ (সংশোধনী) অধিনিয়ম, ১৯৮৪ (১৯৮৪ চনৰ ৰাজস্থান অধিনিয়ম ১২)।

২৩৯। ৰাজস্থান ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৮৪ (১৯৮৪ চনৰ ৰাজস্থান অধিনিয়ম ১৩)।

২৪০। ৰাজস্থান ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৮৭ (১৯৮৭ চনৰ ৰাজস্থান অধিনিয়ম ২১)।

২৪১। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৭৯ (১৯৮০ চনৰ তামিলনাডু অধিনিয়ম ৮)।

২৪২। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৮০ (১৯৮০ চনৰ তামিলনাডু অধিনিয়ম ২১)।

২৪৩। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ তামিলনাডু অধিনিয়ম ৫৯)।

২৪৪। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৮৩ (১৯৮৪ চনৰ তামিলনাডু অধিনিয়ম ২)।

২৪৫। উত্তৰ প্ৰদেশ ভূমি আইন (সংশোধনী) অধিনিয়ম, ১৯৮২ (১৯৮২ চনৰ উত্তৰ প্ৰদেশ অধিনিয়ম ২০)

(নৱম অনুসূচী)

২৪৬। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৫ (১৯৬৫ চনৰ পশ্চিম বংগ অধিনিয়ম ১৮)।

২৪৭। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৬৬ (১৯৬৬ চনৰ পশ্চিম বংগ অধিনিয়ম ১১)।

২৪৮। পশ্চিম বংগ ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৬৯ (১৯৬৯ চনৰ পশ্চিম বংগ অধিনিয়ম ২৩)।

২৪৯। পশ্চিম বংগ সম্পত্তি অধিগ্ৰহণ (সংশোধনী) অধিনিয়ম, ১৯৭৭ (১৯৭৭ চনৰ পশ্চিম বংগ অধিনিয়ম ৩৬)।

২৫০। পশ্চিম বংগ ভূমি ধাৰণ ৰাজহ অধিনিয়ম, ১৯৭৯ (১৯৭৯ চনৰ পশ্চিম বংগ অধিনিয়ম ৪৪)।

২৫১। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮০ (১৯৮০ চনৰ পশ্চিম বংগ অধিনিয়ম ৪১)।

২৫২। পশ্চিম বংগ ভূমি ধাৰণ ৰাজহ (সংশোধনী) অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ পশ্চিম বংগ অধিনিয়ম ৩৩)।

২৫৩। কলিকতা থিক্কা ভাড়াতীয়া (অধিগ্ৰহণ আৰু নিয়ন্ত্ৰণ) অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ পশ্চিম বংগ অধিনিয়ম ৩৭)।

২৫৪। পশ্চিম বংগ ভূমি ধাৰণ ৰাজহ (সংশোধনী) অধিনিয়ম, ১৯৮২ (১৯৮২ চনৰ পশ্চিম বংগ অধিনিয়ম ২৩)।

২৫৫। কলিকতা থিক্কা ভাড়াতীয়া (অধিগ্ৰহণ আৰু নিয়ন্ত্ৰণ) (সংশোধনী) অধিনিয়ম, ১৯৮৪ (১৯৮৪ চনৰ পশ্চিম বংগ অধিনিয়ম ৪১)।

২৫৬। মাহে ভূমি সংস্কাৰ অধিনিয়ম, ১৯৬৮ (১৯৬৮ চনৰ পণ্ডিচেৰী অধিনিয়ম ১)।

২৫৭। মাহে ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮০ (১৯৮১ চনৰ পণ্ডিচেৰী অধিনিয়ম ১)।]

[১][২৫৭ক। তামিলনাডু পিছপৰা শ্ৰেণী, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (শিক্ষানুষ্ঠানত আসন সংৰক্ষণ আৰু ৰাজ্যৰ অধীনৰ সেৱাসমূহত নিযুক্তি বা পদৰ সংৰক্ষণ) অধিনিয়ম, ১৯৯৩ (১৯৯৪ চনৰ তামিলনাডু অধিনিয়ম ৪৫)।

---

[১] সংবিধান (৭৬ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৪-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ২৫৭ক অন্তঃস্থাপিত (৩১-৮-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[1][২৫৮। বিহাৰ সুবিধাপ্ৰাপ্ত ব্যক্তিগৃহ ভাড়াতীয়া অধিনিয়ম, ১৯৪৭ (১৯৪৮ চনৰ বিহাৰ অধিনিয়ম ৪)।

২৫৯। বিহাৰ ধাৰণ একত্ৰীকৰণ আৰু বিভাজন প্ৰতিৰোধ অধিনিয়ম, ১৯৫৬ (১৯৫৬ চনৰ বিহাৰ অধিনিয়ম ২২)।

২৬০। বিহাৰ ধাৰণ একত্ৰীকৰণ আৰু বিভাজন প্ৰতিৰোধ (সংশোধনী) অধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ বিহাৰ অধিনিয়ম ৭)।

২৬১। বিহাৰ সুবিধাপ্ৰাপ্ত ব্যক্তিগৃহ ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৭০ (১৯৭০ চনৰ বিহাৰ অধিনিয়ম ৯)।

২৬২। বিহাৰ ধাৰণ একত্ৰীকৰণ আৰু বিভাজন প্ৰতিৰোধ (সংশোধনী) অধিনিয়ম, ১৯৭৩ (১৯৭৫ চনৰ বিহাৰ অধিনিয়ম ২৭)।

২৬৩। বিহাৰ ভূমি ধাৰণ একত্ৰীকৰণ আৰু বিভাজন প্ৰতিৰোধ (সংশোধনী) অধিনিয়ম, ১৯৮১ (১৯৮২ চনৰ বিহাৰ অধিনিয়ম ৩৫)।

২৬৪। বিহাৰ ভূমি সংস্কাৰ (সৰ্বোচ্চ সীমা নিৰ্ধাৰণ আৰু অতিৰিক্ত ভূমি অধিগ্ৰহণ) (সংশোধনী) অধিনিয়ম, ১৯৮৭ (১৯৮৭ চনৰ বিহাৰ অধিনিয়ম ২১)।

২৬৫। বিহাৰ সুবিধাপ্ৰাপ্ত ব্যক্তিগৃহ ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ বিহাৰ অধিনিয়ম ১১)।

২৬৬। বিহাৰ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৯০ চনৰ বিহাৰ অধিনিয়ম ১১)।

২৬৭। কৰ্ণাটক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিৰ্দিষ্ট ভূমি হস্তান্তৰ নিষিদ্ধকৰণ) (সংশোধনী) অধিনিয়ম, ১৯৮৪ (১৯৮৪ চনৰ কৰ্ণাটক অধিনিয়ম ৩)।

২৬৮। কেৰালা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ কেৰালা অধিনিয়ম ১৬)।

২৬৯। কেৰালা ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৯০ চনৰ কেৰালা অধিনিয়ম ২)।

২৭০। উৰিষ্যা ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৯০ চনৰ উৰিষ্যা অধিনিয়ম ৯)।

২৭১। ৰাজস্থান ভাড়াতীয়া (সংশোধনী) অধিনিয়ম, ১৯৭৯ (১৯৭৯ চনৰ ৰাজস্থান অধিনিয়ম ১৬)।

২৭২। ৰাজস্থান উপনিবেশ (সংশোধনী) অধিনিয়ম, ১৯৮৭ (১৯৮৭ চনৰ ৰাজস্থান আ অধিনিয়ম ইন ২)।

২৭৩। ৰাজস্থান উপনিবেশ (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ ৰাজস্থান অধিনিয়ম ১২)

---

[1] সংবিধান (৭৮ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯৫-ৰ ধাৰা ২-ৰ দ্বাৰা প্ৰৱিষ্টি ২৫৮-ৰ পৰা ২৮৪-লৈ অন্তঃস্থাপিত (৩০-৮-১৯৯৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(নৱম অনুসূচী)

২৭৪। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৮৩ (১৯৮৪ চনৰ তামিলনাডু অধিনিয়ম ৩)।

২৭৫। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) সংশোধনী অধিনিয়ম, ১৯৮৬ (১৯৮৬ চনৰ তামিলনাডু অধিনিয়ম ৫৭)।

২৭৬। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) দ্বিতীয় সংশোধনী অধিনিয়ম, ১৯৮৭ (১৯৮৮ চনৰ তামিলনাডু অধিনিয়ম ৪)।

২৭৭। তামিলনাডু ভূমি সংস্কাৰ (ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ) (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ তামিলনাডু অধিনিয়ম ৩০)।

২৭৮। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮১ (১৯৮১ চনৰ পশ্চিম বংগ অধিনিয়ম ৫০)।

২৭৯। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬ চনৰ পশ্চিম বংগ অধিনিয়ম ৫)।

২৮০। পশ্চিম বংগ ভূমি সংস্কাৰ (দ্বিতীয় সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬ চনৰ পশ্চিম বংগ অধিনিয়ম ১৯)।

২৮১। পশ্চিম বংগ ভূমি সংস্কাৰ (তৃতীয় সংশোধনী) অধিনিয়ম, ১৯৮৬ (১৯৮৬ চনৰ পশ্চিম বংগ অধিনিয়ম ৩৫)।

২৮২। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৮৯ (১৯৮৯ চনৰ পশ্চিম বংগ অধিনিয়ম ২৩)।

২৮৩। পশ্চিম বংগ ভূমি সংস্কাৰ (সংশোধনী) অধিনিয়ম, ১৯৯০ (১৯৯০ চনৰ পশ্চিম বংগ অধিনিয়ম ২৪)।

২৮৪। পশ্চিম বংগ ভূমি সংস্কাৰ ন্যায়াধিকৰণ অধিনিয়ম, ১৯৯১ (১৯৯১ চনৰ পশ্চিম বংগ অধিনিয়ম ১২)।]

*ব্যাখ্যা*: ৰাজস্থান ভাড়াতীয়া অধিনিয়ম, ১৯৫৫ (১৯৫৫ চনৰ ৰাজস্থান অধিনিয়ম ৩)-ৰ অধীনত, অনুচ্ছেদ ৩১ক-ৰ ধাৰা (১)-ৰ দ্বিতীয় ব্যতিক্ৰম উলংঘন কৰি, সমাধা কৰা যিকোনো অধিগ্ৰহণ উলংঘনৰ মাত্ৰা পৰ্যন্ত বাতিল হ’ব।]

# [1][দশম অনুসূচী]

## [অনুচ্ছেদ ১০২(২) আৰু ১৯১(২)]

### দল পৰিৱৰ্তনৰ আধাৰত অৰ্হতাহীনতাৰ উপবন্ধাৱলী

১। **নিৰ্বচন** - প্ৰসংগক্ৰমে অন্যথা অপেক্ষিত নহ'লে, এই অনুচ্ছেদত -

(ক) "সদন" বুলিলে সংসদৰ যিকোনো এখন সদন বা কোনো ৰাজ্যৰ বিধানসভাৰ সদন বা বিধানমণ্ডলৰ, যিটোৱেই প্ৰযোজ্য, যিকোনো এখন সদনক বুজাব;

(খ) পেৰেগ্ৰাফ ২ বা [2]**** পেৰেগ্ৰাফ ৪-ৰ উপবন্ধাৱলী অনুসৰি যিকোনো ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত হোৱা কোনো সদনৰ কোনো সদস্যৰ সম্পৰ্কত "বিধায়িনী দল" মানে সেইসময়ত থকা সেই সদনৰ এনে সকলো সদস্যৰে গঠিত এটা উপদলক বুজাব যিসকল সদস্য উক্ত উপবন্ধাৱলী অনুসৰি সেই ৰাজনৈতিক দলৰ সদস্য হয়;

(গ) কোনো সদনৰ কোনো সদস্যৰ সম্পৰ্কত "মূল ৰাজনৈতিক দল" মানে পেৰেগ্ৰাফ ২-ৰ উপদফা (১)-ৰ প্ৰয়োজনৰ বাবে তেওঁ যি ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত সেই ৰাজনৈতিক দল বুজাব;

(ঘ) "পেৰেগ্ৰাফ" মানে এই অনুসূচীৰ কোনো পেৰেগ্ৰাফক বুজাব।

**২৷ দল পৰিৱৰ্তনৰ আধাৰত অৰ্হতাহীনতা** - (১) [3][পেৰেগ্ৰাফ ৪ আৰু ৫]-ৰ উপবন্ধাৱলী সাপেক্ষে, কোনো সদনৰ এনে কোনো সদস্য যি কোনো ৰাজনৈতিক দলৰ সদস্য হয়, সেই সদনৰ সদস্য হ'বলৈ অযোগ্য হ'ব - (ক) যদি তেওঁ ইচ্ছাকৃতভাৱে তেনে ৰাজনৈতিক দলৰ সদস্যতা ত্যাগ কৰে; বা

(খ) যদি তেওঁ যি ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত সেই ৰাজনৈতিক দলৰ দ্বাৰা অথবা তেনে দলৰ দ্বাৰা সেই মৰ্মে প্ৰাধিকৃত কোনো ব্যক্তি বা প্ৰাধিকাৰীৰ দ্বাৰা দিয়া কোনো নিৰ্দেশৰ বিৰুদ্ধে, যিকোনোটো ক্ষেত্ৰতে তেনে ৰাজনৈতিক দল, ব্যক্তি বা প্ৰাধিকাৰীৰ পূৰ্ব অনুমতি অবিহনে তেনে সদনত ভোটদান কৰে বা ভোটদানৰ পৰা বিৰত থাকে, আৰু তেনে ৰাজনৈতিক দল, ব্যক্তি বা প্ৰাধিকাৰীৰ দ্বাৰা তেনে ভোটদান বা ভোটদানৰ পৰা বিৰত থকা কাৰ্য্য তেনে কৰাৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ ভিতৰত ক্ষমা কৰা নহয়।

*ব্যাখ্যা* - এই উপপেৰেগ্ৰাফৰ প্ৰয়োজনৰ বাবে, -

(ক) কোনো সদনৰ নিৰ্বাচিত এজন সদস্য যি ৰাজনৈতিক দলৰ দ্বাৰা তেওঁক তেনে সদস্য ৰূপে নিৰ্বাচনৰ বাবে প্ৰাৰ্থী হিচাপে থিয় কৰোৱা হৈছিল তেনে দল থাকিলে, সেই ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত বুলি গণ্য কৰা হ'ব।

(খ) কোনো সদনৰ কোনো মনোনীত সদস্যই -

---

[1] সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ ধাৰা ৬-ৰ দ্বাৰা দশম অনুসূচী সংযোজিত (১-৩-১৯৮৫-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৫-ৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট শব্দ বিলোপিত (১-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[3] উক্ত অধিনিয়মৰ ধাৰা ৫-ৰ দ্বাৰা "পেৰেগ্ৰাফ ৩, ৪ আৰু ৫"-ৰ সলনি প্ৰতিস্থাপিত (১-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

(i) যি ক্ষেত্ৰত তেওঁ তেনে সদস্য ৰূপে মনোনীত হোৱা তাৰিখত কোনো ৰাজনৈতিক দলৰ সদস্য হৈ থাকে, তেনেক্ষেত্ৰত তেওঁ তেনে ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত বুলি গণ্য কৰা হ'ব;

(ii) আন যিকোনো ক্ষেত্ৰত তেওঁ অনুচ্ছেদ ৯৯ বা অনুচ্ছেদ ১৮৮-ৰ, যিটোৱেই প্ৰযোজ্য, প্ৰয়োজনীয়তাসমূহ অনুপালন কৰাৰ পিছত নিজ আসন গ্ৰহণ কৰা তাৰিখৰ পৰা ছমাহ কাল অতিবাহিত হোৱাৰ পূৰ্বে ৰাজনৈতিক দলৰ সদস্য হয় বা প্ৰথমবাৰৰ বাবে, যিটোৱেই প্ৰযোজ্য, সদস্য বুলি গণ্য কৰা হ'ব।

(২) যদি কোনো সদনৰ কোনো নিৰ্বাচিত সদস্য কোনো ৰাজনৈতিক দলৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচিত নহৈ অন্যথা এনে সদস্য ৰূপে নিৰ্বাচিত হয় আৰু যদি তেনে নিৰ্বাচনৰ পিছত তেওঁ কোনো ৰাজনৈতিক দলত যোগদান কৰে, তেনেহ'লে তেওঁ সেই সদনৰ সদস্য হ'বলৈ অযোগ্য হ'ব।

(৩) যদি কোনো সদনৰ কোনো মনোনীত সদস্যই অনুচ্ছেদ ৯৯ বা অনুচ্ছেদ ১৮৮-ৰ, যিটোৱেই প্ৰযোজ্য, প্ৰয়োজনীয়তাসমূহ অনুপালন কৰাৰ পিছত নিজ আসন গ্ৰহণ কৰা তাৰিখৰ পৰা ছমাহ কাল অতিবাহিত হোৱাৰ পিছত যদি কোনো ৰাজনৈতিক দলত যোগদান কৰে, তেনেহ'লে তেওঁ তেনে সেই সদনৰ সদস্য হ'বলৈ অযোগ্য হ'ব।

(৪) এই পেৰেগ্ৰাফৰ পূৰ্বৱৰ্তী উপবন্ধাৱলীত যি কথাই উল্লেখ নাথাকক কিয়, ই এনে কোনো ব্যক্তি যি সংবিধান (৫২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৮৫-ৰ প্ৰাৰম্ভণিত কোনো সদনৰ সদস্য (লাগিলে এনেদৰে নিৰ্বাচিতই হওক বা মনোনীতই হওক) হয়, -

(i) যি ক্ষেত্ৰত তেওঁ এনে প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে কোনো ৰাজনৈতিক দলৰ সদস্য আছিল, তেনে ক্ষেত্ৰত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ প্ৰয়োজনীয়তাৰ বাবে, তেওঁ এনে ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰূপে এনে সদনৰ সদস্য নিৰ্বাচিত হোৱা বুলি গণ্য কৰা হ'ব;

(ii) আন যিকোনো ক্ষেত্ৰত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ প্ৰয়োজনীয়তাৰ বাবে তেওঁ কোনো ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰূপে নিৰ্বাচিত নহৈ অন্যথা এনেদৰে নিৰ্বাচিত হ'লে এনে সদনৰ সদস্য ৰূপে নিৰ্বাচিত হোৱা বুলি গণ্য কৰা হ'ব, বা এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (৩)-ৰ প্ৰয়োজনীয়তাৰ বাবে, যিটোৱেই প্ৰযোজ্য, সেই সদনৰ মনোনীত সদস্য বুলি গণ্য কৰা হ'ব।

[১]* * * * *

**৪। দল পৰিৱৰ্তনৰ আধাৰত হোৱা অৰ্হতাহীনতা চামিলকৰণৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব** - (১) সদনৰ কোনো সদস্য পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত অযোগ্য নহ'ব যদি তেওঁৰ মূল ৰাজনৈতিক দলটো আন এটা ৰাজনৈতিক দলৰ লগত চামিল হয় আৰু তেওঁ দাবী কৰে যে তেওঁ আৰু তেওঁৰ মূল ৰাজনৈতিক দলৰ আন কোনো সদস্য –

(ক) তেনে আন ৰাজনৈতিক দলটোৰ সদস্য হৈছে অথবা তেনে চামিলকৰণৰ দ্বাৰা গঠিত কোনো নতুন ৰাজনৈতিক দলৰ, যিটোৱেই প্ৰযোজ্য, সদস্য হৈছে; অথবা

(খ) চামিলকৰণ মানি লোৱা নাই আৰু এক পৃথক উপদল হিচাবে কাৰ্য্য কৰিবলৈ সিদ্ধান্ত লৈছে,

---

[১] সংবিধান (৯১ সংখ্যক সংশোধনী) অধিনিয়ম, ২০০৩-ৰ ধাৰা ৫-ৰ দ্বাৰা পেৰেগ্ৰাফ ৩ বিলোপিত (১-১-২০০৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

আৰু এনে চামিলকৰণৰ সময়ৰ পৰা তেনে আন ৰাজনৈতিক দল বা নতুন ৰাজনৈতিক দল বা উপদল, যিটোৱেই প্ৰযোজ্য, পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (১)-ৰ প্ৰয়োজনীয়তাৰ বাবে এনে ৰাজনৈতিক দল বুলি গণ্য কৰা হ'ব যি দলৰ তেওঁ অন্তৰ্ভুক্ত হয় আৰু এই উপপেৰেগ্ৰাফৰ প্ৰয়োজনৰ বাবে তেনে দলক তেওঁৰ মূল ৰাজনৈতিক দল বুলি গণ্য কৰা হ'ব।

(২) এই পেৰেগ্ৰাফৰ উপ পেৰেগ্ৰাফ (১)-ৰ প্ৰয়োজনীয়তাৰ বাবে কোনো সদনৰ কোনো সদস্যৰ মূল ৰাজনৈতিক দলৰ চামিল হোৱা বুলি গণ্য কৰা হ'ব যদিহে সংশ্লিষ্ট বিধায়নী দলৰ সদস্যসকলৰ অন্যূন দুই-তৃতীয়াংশই তেনে চামিলকৰণত সন্মতি প্ৰকাশ কৰে।

**৫৷ ৰেহাই** - এই অনুসূচীত যি কথাই উল্লেখ নাথাকক কিয়, লোকসভাৰ অধ্যক্ষ বা উপাধ্যক্ষ বা ৰাজ্যসভাৰ উপ-সভাপতি অথবা কোনো ৰাজ্যৰ বিধান পৰিষদৰ সভাপতি বা উপ-সভাপতি অথবা কোনো ৰাজ্যৰ বিধানসভাৰ অধ্যক্ষ বা উপাধ্যক্ষ পদৰ বাবে নিৰ্বাচিত হোৱা কোনো ব্যক্তি এই অনুসূচীৰ অধীনত অযোগ্য নহ'ব, -

(ক) যদি তেনে পদৰ বাবে নিৰ্বাচিত হোৱাৰ কাৰণবশতঃ তেনে নিৰ্বাচনৰ ঠিক পূৰ্বে তেওঁ যি দলৰ অন্তৰ্ভুক্ত, সেই দলৰ সদস্যতা ত্যাগ কৰে, আৰু তাৰপিছত যিমান দিন তেওঁ সেই পদ ধাৰণ কৰি থাকে সিমান দিন পুনৰ সেই দলত যোগদান নকৰে অথবা আন কোনো ৰাজনৈতিক দলৰ সদস্য নহয়; বা

(খ) যদি তেওঁ তেনে পদৰ বাবে নিৰ্বাচিত হোৱাৰ কাৰণবশতঃ তেনে নিৰ্বাচনৰ ঠিক পূৰ্বে যি দলৰ অন্তৰ্ভুক্ত আছিল, সেই দলৰ সদস্যতা ত্যাগ কৰি তেনে পদ ধাৰণ কৰি নথকা অৱস্থাত পুনৰ তেনে ৰাজনৈতিক দলত যোগদান কৰে।

**৬৷ দল পৰিৱৰ্তনৰ আধাৰত অৰ্হতাহীন হোৱাৰ সম্পৰ্কত প্ৰশ্নৰ সিদ্ধান্ত** - (১) যদি কোনো সদনৰ কোনো সদস্য এই অনুসূচীৰ অধীনত অযোগ্য হয়নে নহয় সেই বিষয়ে কোনো প্ৰশ্নৰ উদ্ভৱ হয়, তেনেহ'লে তেনে প্ৰশ্ন সিদ্ধান্তৰ বাবে তেনে সদনৰ সভাপতি বা অধ্যক্ষলৈ, যিটোৱেই প্ৰযোজ্য, প্ৰেৰণ কৰা হ'ব আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত হ'ব:

কিন্তু, যেতিয়া কোনো সদনৰ সভাপতি বা অধ্যক্ষ এনে অযোগ্যতাৰ অধীন হয়নে নহয় সেই বিষয়ে কোনো প্ৰশ্নৰ উদ্ভৱ হয়, তেনেহ'লে প্ৰশ্নটো সিদ্ধান্তৰ কাৰণে সদনৰ এনে সদনলৈ প্ৰেৰণ কৰা হ'ব যাক সদনে এই মৰ্মে নিৰ্বাচিত কৰে আৰু তেওঁৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(২) এই অনুসূচীৰ অধীনৰ কোনো সদস্যৰ অযোগ্যতাৰ বিষয়ে কোনো প্ৰশ্নৰ সম্বন্ধত এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনস্থ সকলো কাৰ্য্যক্ৰমণিকা অনুচ্ছেদ ১২২-ৰ অৰ্থমতে সংসদৰ কাৰ্য্যক্ৰমণিকা বুলি বা অনুচ্ছেদ ২১২-ৰ অৰ্থমতে, যিটোৱেই প্ৰযোজ্য, কোনো ৰাজ্যৰ বিধানমণ্ডলৰ কাৰ্য্যক্ৰমণিকা বুলি গণ্য কৰা হ'ব।

*৭। **ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰত বাধানিষেধ** - এই সংবিধানত যি কথাই উল্লেখ নাথাকক কিয়, এই অনুসূচীৰ অধীনত কোনো সদনৰ কোনো সদস্যৰ অযোগ্যতা সম্পৰ্কীয় কোনো বিষয়ৰ সম্বন্ধত কোনো ন্যায়ালয়ৰ কোনো ক্ষেত্ৰাধিকাৰ নাথাকিব।

৮। **নিয়মাৱলী** - (১) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (২)-ৰ উপবন্ধাৱলী সাপেক্ষে কোনো সদনৰ সভাপতি বা অধ্যক্ষই এই অনুসূচীৰ উপবন্ধাৱলী কাৰ্য্যান্বিত কৰিবৰ অৰ্থে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে, আৰু বিশেষকৈ, আৰু পূৰ্ব্বৱৰ্তী উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে –

(ক) সদনৰ বিভিন্ন সদস্যসকল অন্তৰ্ভুক্ত হোৱা ৰাজনৈতিক দলবোৰৰ বিষয়ে পঞ্জী বা আন অভিলেখ ৰখাৰ বিষয়ে;

(খ) কোনো সদনৰ কোনো সদস্যৰ সম্পৰ্কত বিধায়নী দলৰ কোনো নেতাৰ দ্বাৰা সেই সদস্যৰ সম্বন্ধত পেৰেগ্ৰাফ ২-ৰ উপপেৰেগ্ৰাফ (১)-ৰ দফা (খ)-ত উল্লিখিত প্ৰকৃতিৰ কোনো ক্ষমাৰ সম্বন্ধত দিবলগীয়া প্ৰতিবেদন, কোনো সময়ৰ ভিতৰত আৰু কোনো প্ৰাধিকাৰীৰ ওচৰত তেনে প্ৰতিবেদন দিব লাগিব সেই বিষয়ে;

(গ) সদনৰ কোনো সদস্যক কোনো ৰাজনৈতিক দলৰ ভৰ্তিকৰণৰ সম্বন্ধত কোনো ৰাজনৈতিক দলে দিবলগীয়া প্ৰতিবেদন আৰু সদনৰ কোনো পদাধিকাৰীৰ ওচৰত তেনে প্ৰতিবেদন দাখিল কৰা হ'ব সেই বিষয়ে; আৰু

(ঘ) এনে প্ৰশ্নৰ ক্ষেত্ৰত সিদ্ধান্তৰ উদ্দেশ্যে কৰিবলগীয়া কোনো অনুসন্ধানৰ প্ৰক্ৰিয়াক অন্তৰ্ভুক্ত কৰি পেৰেগ্ৰাফ ৬-ৰ উপপেৰেগ্ৰাফ (১)-ত উল্লিখিত কোনো প্ৰশ্নৰ ক্ষেত্ৰত সিদ্ধান্তৰ বাবে প্ৰক্ৰিয়াৰ বিষয়ে, বিধানিত কৰিব পাৰে।

(২) এই পেৰেগ্ৰাফৰ উপপেৰেগ্ৰাফ (১)-ৰ অধীনত কোনো সদনৰ সভাপতি বা অধ্যক্ষৰ দ্বাৰা প্ৰণীত নিয়মাৱলী সেইবিলাক প্ৰণয়ন কৰাৰ পিছত যথাসম্ভৱ শীঘ্ৰে সদনত মুঠ ত্ৰিশ দিন সময়কালৰ বাবে উপস্থাপন কৰিব লাগিব আৰু উক্ত ত্ৰিশ দিন, এক বা দুই বা ততোধিক ক্ৰমাগত অধিবেশনত হ'ব পাৰে আৰু উক্ত ত্ৰিশ দিন সময়কালৰ সমাপ্তিত কাৰ্য্যকৰী হ'ব, যদিহে তাৰ আগেয়ে সেই নিয়মাৱলী সংশোধন সহ বা বিনা সংশোধনে অনুমোদিত নহয় বা সদনৰ দ্বাৰা অননুমোদিত হয় আৰু যি ক্ষেত্ৰত এনেদৰে অনুমোদন কৰা হয়, যি ধৰণে উপস্থাপন কৰা হৈছিল, সেই ৰূপত বা তেনে সংশোধিত ৰূপত, যিটোৱেই প্ৰযোজ্য, কাৰ্য্যকৰী হ'ব আৰু যিক্ষেত্ৰত অননুমোদিত হয়, তেনে ক্ষেত্ৰত কাৰ্য্যকৰী নহ'ব।

(৩) সদনৰ সভাপতি বা অধ্যক্ষই, অনুচ্ছেদ ১০৫ বা অনুচ্ছেদ ১৯৪-ৰ, যিটোৱেই প্ৰযোজ্য, উপবন্ধাৱলীৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ আৰু তেওঁ এই সংবিধানৰ অধীনত তেওঁৰ থাকিব পৰা অন্যান্য ক্ষমতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ নিৰ্দেশ দিব পাৰে যে এই দফাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ কোনো ব্যক্তিৰ দ্বাৰা ইচ্ছাকৃত উলংঘনৰ বিষয়ত সদনৰ বিশেষাধিকাৰ ভংগৰ সদৃশ ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব।]

---

* *কিহোটো হোলোহন বনাম জাচিলহু আৰু অন্যান্য* এ.আই.আৰ. ১৯৯৩ এছ.চি. ৪১২-ত সংখ্যাগৰিষ্ঠ মতামতৰ দ্বাৰা অনুচ্ছেদ ৩৬৮-ৰ ধাৰা (২) অনুসৰি অনুমোদনৰ অভাৱৰ বাবে অনুচ্ছেদ ৭-ক অবৈধ ঘোষণা কৰা হৈছে।

# [1][একাদশ অনুসূচী

## [অনুচ্ছেদ ২৪৩ব]

১। কৃষি, কৃষিমূলক বিস্তাৰক সামৰি।
২। ভূমি বিকাশ, ভূমি সংস্কাৰৰ কাৰ্য্যকৰীকৰণ, একীকৃতকৰণ আৰু ভূমি সংৰক্ষণ।
৩। ক্ষুদ্ৰ জলসিঞ্চন, জল ব্যৱস্থাপন আৰু জল বিভাজক ক্ষেত্ৰৰ বিকাশ।
৪। পশুপালন, ডায়েৰী উদ্যোগ আৰু হাঁহ-কুকুৰা পালন।
৫। মীনপালন।
৬। সামাজিক বনানীকৰণ আৰু ফাৰ্ম বনানীকৰণ।
৭। ক্ষুদ্ৰ বন উপজাত দ্ৰব্য।
৮। ফুড প্ৰচেচিং উদ্যোগসমূহক সামৰি ক্ষুদ্ৰ উদ্যোগসমূহ।
৯। খাদী, গ্ৰামোদ্যোগ আৰু কুটীৰ উদ্যোগ।
১০। গ্ৰামীণ আবাসন।
১১। খোৱা পানী।
১২। ইন্ধন আৰু ঘাঁহ।
১৩। পথ, পুল, দলং, পাৰঘাট, জলপথ আৰু যোগাযোগৰ আন ব্যৱস্থা।
১৪। বিদ্যুৎ বিতৰণক সামৰি গ্ৰামীণ বিদ্যুতীকৰণ।
১৫। অপৰম্পৰাগত শক্তিৰ উৎস।
১৬। দৰিদ্ৰতা দূৰীকৰণ কাৰ্য্যক্ৰম।
১৭। প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহক অন্তৰ্ভুক্ত কৰি শিক্ষা।
১৮। কাৰিকৰী প্ৰশিক্ষণ আৰু ব্যৱসায়িক শিক্ষা।
১৯। প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা।
২০। পুথিভঁৰাল।
২১। সাংস্কৃতিক কাৰ্যকলাপ।
২২। বজাৰ আৰু মেলা।
২৩। চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ঔষধালয়ক সামৰি স্বাস্থ্য আৰু অনাময় ব্যৱস্থা।
২৪। পৰিয়াল কল্যাণ।
২৫। মহিলা আৰু শিশু বিকাশ।
২৬। বিকলাংগ আৰু মানসিক বিকাৰগ্ৰস্ত ব্যক্তিসকলৰ কল্যাণক সামৰি সমাজ কল্যাণ।
২৭। দুৰ্বল শ্ৰেণীৰ আৰু বিশেষতঃ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণ।
২৮। সাৰ্বজনিক বিতৰণ প্ৰণালী।
২৯। সমূহীয়া সম্পত্তিৰ ৰক্ষণ।]

---

[1] সংবিধান (৭৩ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ৪-ৰ দ্বাৰা একাদশ অনুসূচী সংযোজিত (২৪-৪-১৯৯৩-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

# [1][দ্বাদশ অনুসূচী

## [অনুচ্ছেদ ২৪৩ব]

১। নগৰ পৰিকল্পনাক সামৰি চহৰ পৰিকল্পনা।

২। ভূমি ব্যৱহাৰৰ বিনিয়মন আৰু ভৱন নির্মাণ।

৩। আর্থিক আৰু সামাজিক বিকাশ যোজনা।

৪। পথ আৰু দলং।

৫। ঘৰুৱা, ঔদ্যোগিক আৰু ব্যৱসায়িক প্রয়োজনৰ বাবে পানী যোগান।

৬। জনস্বাস্থ্য, অনাময় পৰিষ্কাৰকৰণ আৰু জাৱৰ-জোথৰ নিষ্কাষণ ব্যৱস্থা আদি।

৭। অগ্নি নির্বাপক সেৱাসমূহ।

৮। নগৰীয়া বনানীকৰণ, পর্য্যাৱৰণৰ সংৰক্ষণ, আৰু পাৰিপার্শ্বিক অৱস্থাৰ অভিবৃদ্ধি।

৯। বিকলাংগ আৰু মানসিক বিকাৰগ্রস্ত ব্যক্তিসকলক সামৰি সমাজৰ দুর্বল শ্রেণীৰ স্বার্থৰ ৰক্ষণাবেক্ষণ।

১০। বস্তি অঞ্চলৰ উন্নতি সাধন আৰু ক্রমোন্নয়ন।

১১। নগৰীয়া দৰিদ্রতা দূৰীকৰণ।

১২। পার্ক, উদ্যান, ক্রীড়াংগন আদিৰ নগৰীয়া সুখ-সুবিধা আৰু সা-সুবিধাৰ ব্যৱস্থা।

১৩। সাংস্কৃতিক, শৈক্ষিক আৰু সৌন্দর্য্যাত্মক অৱস্থাৰ অভিবৃদ্ধি।

১৪। কবৰ, সমাধিক্ষেত্র, শ-দাহ আৰু শ্মশান আৰু বৈদ্যুতিক শৱদাহন গৃহ।

১৫। খোৱাৰ আৰু জীৱ-জন্তুৰ প্রতি নিষ্ঠুৰতা নিবাৰণ।

১৬। জন্ম আৰু মৃত্যুৰ পঞ্জীয়নক সামৰি জন্ম, মৃত্যুৰ সংখ্যা।

১৭। পথ আলোকিতকৰণ, পার্কিং স্থান, বাছ ষ্টপ আৰু ৰাজহুৱা সা-সুবিধা অন্তর্ভুক্ত কৰি লোক সুখ-সুবিধাসমূহ।

১৮। কচাইখানা আৰু চর্ম শিল্পালয়সমূহৰ বিনিয়মন।

---

[1] সংবিধান (৭৪ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৯২-ৰ ধাৰা ৪-ৰ দ্বাৰা দ্বাদশ অনুসূচী সংযোজিত (১-৬-১৯৯৩-ৰ পৰা কার্যকৰী হোৱাকৈ)।

# পৰিশিষ্ট - I

## সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫

[২৮ মে, ২০২৫]

ভাৰত আৰু বাংলাদেশ চৰকাৰৰ মাজত স্বাক্ষৰিত হোৱা চুক্তি আৰু ইয়াৰ প্ৰট'কল অনুসৰি ভাৰতৰ দ্বাৰা ৰাজ্যক্ষেত্ৰ অধিগ্ৰহণ আৰু কিছুমান ৰাজ্যক্ষেত্ৰ বাংলাদেশলৈ স্থানান্তৰ কৰাৰ বাবে ভাৰতৰ সংবিধান সংশোধন কৰাৰ বাবে এক অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ ছয়ষষ্ঠি সংখ্যক বৰ্ষত সংসদৰ দ্বাৰা তলত দিয়া ধৰণে প্ৰণয়ন কৰা হৈছে:

**১। সংক্ষিপ্ত শিৰোনাম** - এই অধিনিয়মক সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫ বুলি অভিহিত কৰা হ'ব।

**২। সংজ্ঞাসমূহ** - এই অধিনিয়মত

(ক) "অধিগ্ৰহণ কৰা ৰাজ্যক্ষেত্ৰ"ৰ অৰ্থ হৈছে ভাৰত-বাংলাদেশ চুক্তি আৰু দফা (গ)-ত উল্লেখ কৰা ইয়াৰ প্ৰট'কলত অন্তৰ্ভুক্ত আৰু প্ৰথম অনুসূচীত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সেইসমূহ, যিবোৰ চুক্তি আৰু ইয়াৰ প্ৰট'কল অনুসৰণ কৰি বাংলাদেশৰ পৰা অধিগ্ৰহণ কৰাৰ উদ্দেশ্যে নিৰ্ধাৰণ কৰা হৈছে;

(খ) *"নিৰ্ধাৰিত দিন"ৰ অৰ্থ হৈছে সেইটো তাৰিখ, যি কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত জাননীৰ দ্বাৰা, ভাৰত-বাংলাদেশ চুক্তি আৰু ইয়াৰ প্ৰট'কল অনুসৰি বাংলাদেশৰ পৰা ৰাজ্যক্ষেত্ৰসমূহ অধিগ্ৰহণ আৰু বাংলাদেশলৈ ৰাজ্যক্ষেত্ৰসমূহ স্থানান্তৰ কৰাৰ তাৰিখ হিচাপে নিৰ্ধাৰণ কৰিব পাৰে, যাৰ ফলত ৰাজ্যক্ষেত্ৰসমূহ প্ৰথম অনুসূচী আৰু দ্বিতীয় অনুসূচীত উল্লেখ কৰা অনুসৰি অধিগ্ৰহণ আৰু স্থানান্তৰ কৰা হ'ব পাৰে আৰু এই উদ্দেশ্যৰ বাবে নিৰ্ধাৰণ কৰা হ'ব পাৰে;

(গ) "ভাৰত-বাংলাদেশ চুক্তি"ৰ অৰ্থ হৈছে ভাৰত আৰু বাংলাদেশৰ মাজত স্থল সীমা নিৰ্ধাৰণ আৰু সম্পৰ্কিত বিষয়ৰ ওপৰত ভাৰত গণৰাজ্য আৰু বাংলাদেশ গণৰাজ্যৰ চৰকাৰৰ মাজত ১৯৭৪ চনৰ ১৬ মে তাৰিখে সম্পাদিত চুক্তি, ২৬ ডিচেম্বৰ, ১৯৭৪, ৩০ ডিচেম্বৰ, ১৯৭৪, ৭ অক্টোবৰ, ১৯৮২, ২৬ মাৰ্চ, ১৯৯২ তাৰিখৰ চিঠি বিনিময়, আৰু ভাৰত আৰু বাংলাদেশ চৰকাৰৰ মাজত স্বাক্ষৰিত ৬ চেপ্তেম্বৰ, ২০১১ তাৰিখৰ উক্ত চুক্তিৰ প্ৰট'কল, যাৰ প্ৰাসংগিক উদ্ধৃতি তৃতীয় অনুসূচীত নিৰ্ধাৰণ কৰা হৈছে;

---

* ৩১ জুলাই, ২০১৫, অধিসূচনা নং এছ অ' ২০৯৪(ই), তাৰিখ - ৩১ জুলাই, ২০১৫।

(ঘ) "স্থানান্তৰিত ৰাজ্যক্ষেত্ৰ"-ৰ অৰ্থ হ'ল ভাৰত-বাংলাদেশ চুক্তি আৰু ইয়াৰ প্ৰট'কলত অন্তৰ্ভুক্ত আৰু দ্বিতীয় অনুসূচীত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সিমানখিনি ৰাজ্যক্ষেত্ৰ, যিবোৰ চুক্তি আৰু দফা (গ)-ত উল্লেখ কৰা ইয়াৰ প্ৰট'কল অনুসৰি ভাৰতে বাংলাদেশলৈ স্থানান্তৰ কৰাৰ উদ্দেশ্যে নিৰ্ধাৰণ কৰা হৈছে।

**৩। সংবিধানৰ প্ৰথম অনুসূচী সংশোধনী** - সংবিধানৰ প্ৰথম অনুসূচী সংশোধনীত, নিৰ্ধাৰিত দিনৰ পৰা -

(ক) অসম ৰাজ্যৰ ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত পেৰেগ্ৰাফত, শব্দ, বন্ধনী আৰু সংখ্যাসমূহ "আৰু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ প্ৰথম অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ, সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ দফা (ক)-ত যি কথাই উল্লেখ নাথাকক কিয়, ই সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ প্ৰথম অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত হ'লে" শেষত যোগ কৰা হ'ব;

(খ) পশ্চিম বংগ ৰাজ্যৰ ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত পেৰেগ্ৰাফত, শব্দ, বন্ধনী আৰু সংখ্যাসমূহ "আৰু লগতে সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ তৃতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ তৃতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ ব্যতিৰেকে, সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ দফা (ক)-ত যি কথাই উল্লেখ নাথাকক কিয়, ই সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ তৃতীয় অংশ আৰু দ্বিতীয় অনুসূচীৰ তৃতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত হ'লে" শেষত যোগ কৰা হ'ব;

(গ) মেঘালয় ৰাজ্যৰ ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত পেৰেগ্ৰাফত, শব্দ, বন্ধনী আৰু সংখ্যাসমূহ "আৰু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ প্ৰথম অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ, কিন্তু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ দ্বিতীয় অনুসূচীৰ দ্বিতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ ব্যতিৰেকে", শেষত যোগ কৰা হ'ব;

(ঘ) ত্ৰিপুৰা ৰাজ্যৰ ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত পেৰেগ্ৰাফত, শব্দ, বন্ধনী আৰু সংখ্যাসমূহ "আৰু সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ দ্বিতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহ, সংবিধান (৯ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৬০-ৰ ধাৰা ৩-ৰ দফা (ঘ)-ত যি কথাই উল্লেখ নাথাকক কিয়, ই সংবিধান (১০০ সংখ্যক সংশোধনী) অধিনিয়ম, ২০১৫-ৰ প্ৰথম অনুসূচীৰ দ্বিতীয় অংশত উল্লেখ কৰা ৰাজ্যক্ষেত্ৰসমূহৰ সৈতে সম্পৰ্কিত হ'লে" শেষত যোগ কৰা হ'ব;

(পৰিশিষ্ট - I)

## প্ৰথম অনুসূচী

[ধাৰা ২(ক), ২(খ) আৰু ৩ চাওঁক]

### প্ৰথম অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ৩ (I) (খ) (ii) (iii) (iv) (v)-ৰ সন্দৰ্ভত অধিগ্ৰহণ কৰা ৰাজ্যক্ষেত্ৰ।

### দ্বিতীয় অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ৩ (I) (গ) (i)-ৰ সন্দৰ্ভত অধিগ্ৰহণ কৰা ৰাজ্যক্ষেত্ৰ।

### তৃতীয় অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ১(১২) আৰু ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ২ (II), ৩ (I) (ক) (iii) (iv) (v) (vi)-ৰ সন্দৰ্ভত অধিগ্ৰহণ কৰা ৰাজ্যক্ষেত্ৰ।

## দ্বিতীয় অনুসূচী

[ধাৰা ২(খ), ২(ঘ) আৰু ৩ চাওঁক]

### প্ৰথম অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ৩ (I) (ঘ) (i) (ii)-ৰ সন্দৰ্ভত স্থানান্তৰিত ৰাজ্যক্ষেত্ৰ।

### দ্বিতীয় অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ৩ (I) (খ) (i)-ৰ সন্দৰ্ভত স্থানান্তৰিত ৰাজ্যক্ষেত্ৰ।

### তৃতীয় অংশ

১৬ মে, ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ 1(12) আৰু ২ আৰু ৬ চেপ্তেম্বৰ, ২০১১ চনৰ প্ৰট’কলৰ অনুচ্ছেদ ২ (II), ৩ (I) (ক) (i) (ii) (vi)-ৰ সন্দৰ্ভত স্থানান্তৰিত ৰাজ্যক্ষেত্ৰ।

(পৰিশিষ্ট - I)

## তৃতীয় অনুসূচী

[ধাৰা ২(গ) চাওঁক]

**I. ভাৰত আৰু বাংলাদেশৰ মাজত স্থল সীমা নিৰ্ধাৰণ আৰু সম্পৰ্কিত বিষয়সমূহ সন্দৰ্ভত ভাৰত গণৰাজ্যৰ চৰকাৰ আৰু বাংলাদেশ গণপ্ৰজাতন্ত্ৰ চৰকাৰৰ মাজত ১৬ মে, ১৯৭৪ চনত সম্পাদিত হোৱা চুক্তিৰ পৰা আহৰণ কৰা হৈছে৷**

অনুচ্ছেদ ১ (১২): **অন্তঃক্ষেত্ৰসমূহ**

পেৰেগ্ৰাফ ১৪-ত উল্লেখ কৰা অন্তঃক্ষেত্ৰসমূহৰ বাহিৰে বাংলাদেশলৈ যোৱা অতিৰিক্ত এলেকাৰ বাবে কোনো ক্ষতিপূৰণ দাবী নকৰাকৈ বাংলাদেশৰ ভাৰতীয় অন্তঃক্ষেত্ৰ আৰু ভাৰতৰ বাংলাদেশীয় অন্তঃক্ষেত্ৰসমূহ দ্ৰুততাৰে বিনিময় কৰিব লাগে।

অনুচ্ছেদ ২:

ভাৰত আৰু বাংলাদেশ চৰকাৰ এই কথাত সন্মত হৈছে যে ইতিমধ্যে নিৰ্ধাৰিত ৰাজ্যক্ষেত্ৰসমূহৰ প্ৰতিকূল দখলত থকা অঞ্চলসমূহ, যাৰ সীমাৱৰ্তীৰ মানচিত্ৰ ইতিমধ্যে প্ৰস্তুত কৰা হৈছে, কৰ্তৃত্ব-প্ৰাপ্ত বিভাগ বা ব্যক্তিৰ দ্বাৰা সীমাৱৰ্তী মানচিত্ৰ স্বাক্ষৰ কৰাৰ ছমাহৰ ভিতৰত বিনিময় কৰা হ'ব। তেওঁলোকে প্ৰাসংগিক মানচিত্ৰসমূহ যিমান সম্ভৱ সোনকালে স্বাক্ষৰ কৰিব পাৰে, আৰু ই যিকোনো ক্ষেত্ৰতেই ৩১ ডিচেম্বৰ, ১৯৭৪-ৰ পিছত নহ'ব। ইতিমধ্যে সীমা নিৰ্ধাৰণ হোৱা আন ক্ষেত্ৰসমূহৰ সন্দৰ্ভত মানচিত্ৰ মুদ্ৰণ কৰাৰ বাবে প্ৰাৰম্ভিক ব্যৱস্থা লোৱা উচিত। এইসমূহ ৩১ মে, ১৯৭৫-ৰ ভিতৰত মুদ্ৰণ কৰিব লাগে আৰু তাৰপিছত কৰ্তৃত্বপ্ৰাপ্ত বিভাগ বা ব্যক্তিয়ে স্বাক্ষৰ কৰিব লাগে যাতে এই অঞ্চলবোৰত প্ৰতিকূল দখলত থকা সম্পত্তিৰ বিনিময় ৩১ ডিচেম্বৰ, ১৯৭৫-ৰ ভিতৰত সম্পন্ন হ'ব পাৰে। নিৰ্ধাৰণ হ'বলৈ বাকী থকা অঞ্চলসমূহত, সংশ্লিষ্ট সীমাৱৰ্তীৰ মানচিত্ৰত কৰ্তৃত্বপ্ৰাপ্ত বিভাগ বা ব্যক্তিয়ে স্বাক্ষৰ কৰাৰ ছমাহৰ ভিতৰত ৰাজ্যক্ষেত্ৰীয় অধিকাৰ স্থানান্তৰ হ'ব পাৰে।

**II. ভাৰত আৰু বাংলাদেশৰ মাজত স্থল সীমা নিৰ্ধাৰণ আৰু সম্পৰ্কিত বিষয়সমূহ সন্দৰ্ভত ভাৰত গণৰাজ্যৰ চৰকাৰ আৰু বাংলাদেশ গণপ্ৰজাতন্ত্ৰৰ চৰকাৰৰ মাজত ৬ চেপ্তেম্বৰ, ২০১১ চনত সম্পাদিত হোৱা চুক্তিৰ প্ৰট'কলৰ পৰা আহৰণ কৰা হৈছে।**

অনুচ্ছেদ ২:

(II) ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ১ দফা ১২ নিম্নলিখিত ধৰণে কাৰ্যকৰী কৰা হ'ব:

(পৰিশিষ্ট - I)

*অন্তঃক্ষেত্ৰসমূহ*

১৯৯৭ চনৰ এপ্ৰিল মাহত যুটীয়াভাৱে সত্যাপিত আৰু ডিজিএলআৰ-আৰু-এছ, বাংলাদেশ আৰু ডিএলআৰ-আৰু-এছ, পশ্চিম বংগ (ভাৰত)-ৰ পৰ্যায়ত স্বাক্ষৰিত পৰিমাপিত অন্তঃক্ষেত্ৰৰ মানচিত্ৰ অনুসৰি বাংলাদেশৰ ১১১ টা ভাৰতীয় অন্তঃক্ষেত্ৰ আৰু ভাৰতৰ ৫১ টা বাংলাদেশীয় অন্তঃক্ষেত্ৰ বাংলাদেশলৈ যোৱা অতিৰিক্ত অঞ্চলসমূহৰ বাবে কোনো ক্ষতিপূৰণৰ দাবী নকৰাকৈ হস্তান্তৰ কৰা হ'ব।

অনুচ্ছেদ ৩:

(II) ১৯৭৪ চনৰ চুক্তিৰ অনুচ্ছেদ ২ নিম্নলিখিত ধৰণে কাৰ্যকৰী কৰা হ'ব:

ভাৰত চৰকাৰ আৰু বাংলাদেশ চৰকাৰ সন্মত হৈছে যে যুটীয়া জৰীপৰ জৰিয়তে নিৰ্ধাৰণ কৰা অনুসৰি প্ৰতিকূল দখলত থকা ৰাজ্যক্ষেত্ৰসমূহৰ বাবে সীমা নিৰ্ধাৰণ কৰা হ'ব আৰু দুয়োখন দেশৰ ভূমি ৰেকৰ্ড আৰু জৰীপ বিভাগৰ দ্বাৰা ২০১০ চনৰ ডিচেম্বৰ আৰু ২০১১ চনৰ আগষ্ট মাহৰ ভিতৰত চূড়ান্ত কৰা সংশ্লিষ্ট প্ৰতিকূল ভূমিক্ষেত্ৰ সূচী মানচিত্ৰ (এপিএল মানচিত্ৰ)-ত সম্পূৰ্ণৰূপে দেখুওৱা হ'ব, যিবিলাক তলৰ ধাৰা (ক)-ৰ পৰা (ঘ)-ত সম্পূৰ্ণৰূপে বৰ্ণনা কৰা হৈছে -

**(ক) পশ্চিম বংগ খণ্ড**

*(i) বৌচমাৰী- মধুগৰী – (কুশতিয়া-নাডিয়া) অঞ্চল*

২০১১ চনৰ জুন মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি, ১৯৬২ চনৰ একত্ৰীকৰণ মানচিত্ৰত দেখুওৱাৰ দৰে মাথাভংগা নদীৰ পুৰণি সুতিৰ কেন্দ্ৰক অনুসৰণ কৰি বৰ্তমানৰ সীমা স্তম্ভ নং ১৫৪/৫-এছ-ৰ পৰা সীমা স্তম্ভ নং ১৫৭/১-এছ-লৈ সীমা অংকন কৰা হ'ব।

*(ii) অন্ধাৰকোটা (কুশতিয়া-নাডিয়া) অঞ্চল*

২০১১ চনৰ জুন মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি বৰ্তমানৰ মাথাভংগা নদীৰ কাষক অনুসৰণ কৰি বৰ্তমানৰ সীমা স্তম্ভ নং ১৫২/৫-এছ-ৰ পৰা সীমা স্তম্ভ নং ১৫৩/১-এছ-লৈ সীমা অংকন কৰা হ'ব।

*(iii) পাকুৰিয়া (কুশতিয়া-নাডিয়া) অঞ্চল*

২০১১ চনৰ জুন মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি মাথাভংগা নদীৰ কাষক অনুসৰণ কৰি বৰ্তমানৰ সীমা স্তম্ভ নং ১৫১/১-এছ-ৰ পৰা সীমা স্তম্ভ নং ১৫২/২-এছ-লৈ সীমা অংকন কৰা হ'ব।

*(iv) চাৰ মহিষকুণ্ডি (কুশতিয়া-নাডিয়া) অঞ্চল*

২০১১ চনৰ জুন মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি মাথাভংগা নদীৰ কাষক অনুসৰণ কৰি বৰ্তমানৰ সীমা স্তম্ভ নং ১৫৩/৫-এছ-ৰ পৰা সীমা স্তম্ভ নং ১৫৩/৯-এছ-লৈ সীমা অংকন কৰা হ'ব।

*(v) হৰিপাল/খুটাদহ/বাটলি/চপামেৰী/এলএনপুৰ(পটাৰী) (নাওগাও-মালদা) অঞ্চল*

২০১১ চনৰ জুন মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি বৰ্তমানৰ সীমা স্তম্ভ নং ২৪২/এছ/১৩-ৰ পৰা সীমা স্তম্ভ নং ২৪৩/৭-এছ/৫-লৈ সংযোগ কৰা ৰেখা ৰূপে সীমা অংকন কৰা হ'ব।

*(vi) বেৰুবাৰী (পঞ্চগড়-জলপাইগুৰি) অঞ্চল*

বাংলাদেশৰ হাতত প্ৰতিকূলভাৱে থকা বেৰুবাৰী (পঞ্চগড়-জলপাইগুৰি) অঞ্চলৰ সীমা আৰু ভাৰতৰ হাতত প্ৰতিকূলভাৱে থকা বেৰুবাৰী আৰু সিংঘপাৰা-খুদিপাৰা (পঞ্চগড়-জলপাইগুৰি) অঞ্চলৰ সীমা, ১৯৯৬-১৯৯৮ চনত যুটীয়াভাৱে নিৰ্ধাৰণ কৰা অনুসৰি অংকন কৰা হ'ব।

**(খ) মেঘালয় খণ্ড**

*(i) ল'বাচেৰা-নুনচেৰা*

২০১০ চনৰ ডিচেম্বৰ মাহত সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি লাইলং-বালিচেৰাত বৰ্তমানৰ সীমা স্তম্ভ নং ১৩১৫/৪-এছ-ৰ পৰা ১৩১৫/১৫-এছ-লৈ সীমা, লাইলং-নুনচেৰাত বৰ্তমানৰ সীমা স্তম্ভ নং ১৩১৬/১-এছ-ৰ পৰা ১৩১৬/১১-এছ-লৈ সীমা, লাইলং-লাহিলিঙত বৰ্তমানৰ সীমা স্তম্ভ নং ১৩১৭-ৰ পৰা ১৩১৭/১৩-এছ-লৈ সীমা আৰু লাইলং-ল'ভাচেৰাত বৰ্তমানৰ সীমা স্তম্ভ নং ১৩১৮/১-এছ-ৰ পৰা ১৩১৮/২-এছ-লৈ সীমা চাহবাগিছাৰ সীমা অনুসৰণ কৰি নিৰ্ধাৰণ কৰা হ'ব।

*(ii) পাইৰডিৰা-পাডুৰা অঞ্চল*

বৰ্তমানৰ সীমা স্তম্ভ নং ১২৭০/১-এছ্-ৰ পৰা সীমা স্তম্ভ নং ১২৭১/১-টি লৈকে যুটীয়াভাৱে সম্পন্ন কৰা জৰীপ আৰু পাৰস্পৰিকভাৱে সন্মত হোৱা ৰেখা অনুসৰি সীমা অংকন কৰা হ'ব। দুয়োটা পক্ষ সন্মত হৈছে যে পাইৰডিৰা গাঁৱৰ ভাৰতীয় নাগৰিকসকলক সন্মত মানচিত্ৰৰ ৬ নং বিন্দুৰ ওচৰত পিয়াং নদীৰ পৰা পানী আহৰণ কৰিবলৈ অনুমতি দিয়া হ'ব।

*(iii) লিংখাট অঞ্চল*

*(কক) লিংখাট-I/*কুলুমচেৰা *আৰু লিংখাট-II/কুলুমচেৰা*

যুটীয়াভাৱে সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি বৰ্তমানৰ সীমা স্তম্ভ নং ১২৬৪/4-এছ্-ৰ পৰা সীমা স্তম্ভ নং ১২৬৫ আৰু সীমা স্তম্ভ নং ১২৬৫/৬-এছ্-লৈ সংযোগ কৰা ৰেখা ৰূপে সীমা অংকন কৰা হ'ব।

*(কখ) লিংখাট-III/সোনাৰহাট*

বৰ্তমানৰ সীমা স্তম্ভ নং ১২৬৬/১৩-এছ্-ৰ পৰা নলাৰ দক্ষিণ দিশে সীমা অংকন কৰা হ'ব, যেতিয়ালৈকে ই পূব-পশ্চিম দিশত আন এটা নলাৰ সৈতে লগ নালাগে, তাৰপিছত সীমা পূৱত থকা নলাৰ উত্তৰ কাষে কাষে থাকিব, যেতিয়ালৈকে ই সন্দৰ্ভ স্তম্ভ নং ১২৬৭/4-আৰ-বি আৰু ১২৬৭/৩-আৰ-I-ৰ উত্তৰে বিদ্যমান আন্তৰ্জাতিক সীমাৰ সৈতে লগ নালাগে।

*(iv) ডাউকি/তামাবিল অঞ্চল*

সীমাটো বৰ্তমানৰ সীমা স্তম্ভ নং ১২৭৫/১-এছ্-ৰ পৰা সীমা স্তম্ভ নম্বৰ ১২৭৫/৭-এছ্-লৈ সংযোগ কৰি এক সৰল ৰেখাৰ দ্বাৰা অংকন কৰা হ'ব। পক্ষসমূহে এই ক্ষেত্ৰত 'জিৰো লাইন'ত বেৰ বা ফেঞ্চিং নিৰ্মাণ কৰিবলৈ সন্মত হৈছে।

*(v) নলজুৰি/শ্ৰীপুৰ অঞ্চল*

*(কক) নলজুৰি I*

সীমাটো দক্ষিণ দিশত থকা সীমা স্তম্ভ নং ১২৭৭/২-এছ-ৰ পৰা তিনিটা প্লটলৈকে এডাল ৰেখা হ'ব, যিডাল ষ্ট্ৰিপ মেপ নং ১৬৬-ত দেখুওৱা হৈছে আৰু ই সীমা স্তম্ভ নং ১২৭৭/৫-টিৰ পৰা থকা নলাসমূহৰ সৈতে মিলিত নোহোৱালৈকে অব্যাহত থাকিব, তাৰপিছত ই বাংলাদেশৰ ফালে ২ টা প্লটলৈকে দক্ষিণ দিশত নলাৰ পশ্চিম প্ৰান্তেদি যাব, তাৰপিছত ই ১২৭৭/৪-এছ সীমা স্তম্ভৰ পৰা দক্ষিণ দিশত অঁকা এডাল ৰেখাৰ সৈতে মিলিত নোহোৱালৈকে পূৱ দিশে অব্যাহত থাকিব।

*(কক) নলজুৰি III*

সীমাটো বৰ্তমানৰ সীমা স্তম্ভ নং ১২৭৮/২-এছৰ পৰা ১২৭৯/৩-এছ-ৰ সীমা স্তম্ভলৈ এক সৰল ৰেখাৰে আঁকিব লাগিব।

*(vi) মুক্তাপুৰ/দিবিৰ হাওৰ অঞ্চল*

পক্ষসমূহ সন্মত হৈছে যে ভাৰতীয় নাগৰিকসকলক কালী মন্দিৰ ভ্ৰমণ কৰিবলৈ অনুমতি দিয়া হ'ব আৰু মুক্তাপুৰৰ পাৰটোৰ দিশৰ পৰা মুক্তাপুৰ/দিবিৰ হাওৰ অঞ্চলৰ জলাশয়ৰ পৰা পানী সংগ্ৰহ আৰু মাছ ধৰাৰ অধিকাৰ প্ৰদান কৰা হ'ব।

**(গ) ত্ৰিপুৰা খণ্ড**

*ত্ৰিপুৰাৰ চন্দননগৰ-চম্পৰাই চাহ বাগিচা অঞ্চল/মৌলৱী বজাৰ খণ্ড*

২০১১ চনৰ জুলাই মাহত যুটীয়াভাৱে সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি সীমাটো সীমা স্তম্ভ নং ১৯০৪-ৰ পৰা সীমা স্তম্ভ নং ১৯০৫-লৈ সোণাৰাইচেৰা নদীৰ কাষেৰে অংকন কৰা হ'ব।

**(ঘ) অসম খণ্ড**

*(i) অসম খণ্ডৰ কলাবাৰী (বৰৈবাৰী) অঞ্চল*

২০১১ চনৰ আগষ্ট মাহত যুটীয়াভাৱে সম্পন্ন কৰা জৰীপ আৰু সন্মত হোৱা অনুসৰি সীমাটো বৰ্তমানৰ সীমা স্তম্ভ নং ১০৬৬/২৪-টি-ৰ পৰা সীমা স্তম্ভ নং ১০৬৭/১৬-টি-লৈ অংকন কৰা হ'ব।

*(ii) অসম খণ্ডৰ পাল্লথাল অঞ্চল*

চাহ বাগিচাৰ বাহিৰৰ কাষদি সীমা স্তম্ভ নং ১৩৭০/৩-এছ-ৰ পৰা ১৩৭১/৬-এছ-লৈ আৰু আৰু পান বাগানৰ বাহিৰৰ কাষেদি সীমা স্তম্ভ নং ১৩৭২ ৰ পৰা ১৩৭৩/২-এছ-লৈ সীমা অংকন কৰা হ'ব।

**III. ১৯৭৪ চনৰ ১৬ মে তাৰিখৰ চুক্তিৰ অনুচ্ছেদ ১ (১২) আৰু ২০১১ চনৰ ৬ ছেপ্টেম্বৰ তাৰিখৰ চুক্তিৰ প্ৰট'কল অনুসৰি ভাৰত আৰু বাংলাদেশৰ মাজত অন্তঃক্ষেত্ৰসমূহ বিনিময়ৰ তালিকা**

**ক. বাংলাদেশত থকা বিনিময়যোগ্য ভাৰতীয় অন্তঃক্ষেত্ৰসমূহ, এলেকাৰ সৈতে**

| ক্ৰমাংক | ছিটসমূহৰ নাম | ছিটসমূহৰ সংখ্যা | বাংলাদেশৰ পুলিচ ষ্টেছনৰ ভিতৰত অৱস্থিত | পশ্চিম বংগৰ পুলিচ ষ্টেছনৰ ভিতৰত অৱস্থিত | এলেকা (একৰ) |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| | | *ক। স্বতন্ত্ৰ ছিটসমূহৰ সৈতে অন্তঃক্ষেত্ৰসমূহ* | | | |
| ১ | গাৰাটী | ৭৫ | পোচাগড় | হালধিবাৰী | ৫৮.২৩ |
| ২ | গাৰাটী | ৭৬ | পোচাগড় | হালধিবাৰী | ০.৭৯ |
| ৩ | গাৰাটী | ৭৭ | পোচাগড় | হালধিবাৰী | ১৮ |
| ৪ | গাৰাটী | ৭৮ | পোচাগড় | হালধিবাৰী | ৯৫৮.৬৬ |
| ৫ | গাৰাটী | ৭৯ | পোচাগড় | হালধিবাৰী | ১.৭৪ |
| ৬ | গাৰাটী | ৮০ | পোচাগড় | হালধিবাৰী | ৭৩.৭৫ |
| ৭ | বিংগিমাৰী অংশ-I | ৭৩ | পোচাগড় | হালধিবাৰী | ৬.০৭ |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৮ | নাজিৰগঞ্জ | ৪১ | বোডা | হালধিবাৰী | ৫৮.৩২ |
| ৯ | নাজিৰগঞ্জ | ৪২ | বোডা | হালধিবাৰী | ৪৩৪.২৯ |
| ১০ | নাজিৰগঞ্জ | ৪৪ | বোডা | হালধিবাৰী | ৫৩.৪৭ |
| ১১ | নাজিৰগঞ্জ | ৪৫ | বোডা | হালধিবাৰী | ১.০৭ |
| ১২ | নাজিৰগঞ্জ | ৪৬ | বোডা | হালধিবাৰী | ১৭.৯৫ |
| ১৩ | নাজিৰগঞ্জ | ৪৭ | বোডা | হালধিবাৰী | ৩.৮৯ |
| ১৪ | নাজিৰগঞ্জ | ৪৮ | বোডা | হালধিবাৰী | ৭৩.২৭ |
| ১৫ | নাজিৰগঞ্জ | ৪৯ | বোডা | হালধিবাৰী | ৪৯.০৫ |
| ১৬ | নাজিৰগঞ্জ | ৫০ | বোডা | হালধিবাৰী | ৫.০৫ |
| ১৭ | নাজিৰগঞ্জ | ৫১ | বোডা | হালধিবাৰী | .৭৭ |
| ১৮ | নাজিৰগঞ্জ | ৫২ | বোডা | হালধিবাৰী | ১.০৪ |
| ১৯ | নাজিৰগঞ্জ | ৫৩ | বোডা | হালধিবাৰী | ১.০২ |
| ২০ | নাজিৰগঞ্জ | ৫৪ | বোডা | হালধিবাৰী | ৩.৮৭ |
| ২১ | নাজিৰগঞ্জ | ৫৫ | বোডা | হালধিবাৰী | ১২.১৮ |
| ২২ | নাজিৰগঞ্জ | ৫৬ | বোডা | হালধিবাৰী | ৫৪.০৪ |
| ২৩ | নাজিৰগঞ্জ | ৫৭ | বোডা | হালধিবাৰী | ৮.২৭ |
| ২৪ | নাজিৰগঞ্জ | ৫৮ | বোডা | হালধিবাৰী | ১৪.২২ |
| ২৫ | নাজিৰগঞ্জ | ৬০ | বোডা | হালধিবাৰী | ০.৫২ |
| ২৬ | পুতিমাৰী | ৫৯ | বোডা | হালধিবাৰী | ১২২.৮ |
| ২৭ | দাইখাটা ছাট | ৩৮ | বোডা | হালধিবাৰী | ৪৯৯.২১ |
| ২৮ | শালবাৰী | ৩৭ | বোডা | হালধিবাৰী | ১১৮.৯৩ |
| ২৯ | কাজল দিঘী | ৩৬ | বোডা | হালধিবাৰী | ৭৭১.৪৪ |
| ৩০ | নাটাকটোকা | ৩২ | বোডা | হালধিবাৰী | ১৬২.২৬ |
| ৩১ | নাটাকটোকা | ৩৩ | বোডা | হালধিবাৰী | ০.২৬ |
| ৩২ | বেউলাদাংগা ছাট | ৩৫ | বোডা | হালধিবাৰী | ০.৮৩ |
| ৩৩ | বালাপাৰা ইয়াগ্ৰাবাৰ | ৩ | দেৱীগঞ্জ | হালধিবাৰী | ১৭৫২.৪৪ |
| ৩৪ | বৰা খানকিখাৰিজা চিতলদাহা | ৩০ | ডিমলা | হালধিবাৰী | ৭.৭১ |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৩৫ | বৰা খানকিখাৰিজা চিতলদাহা | ২৯ | ডিমলা | হালধিবাৰী | ৩৬.৮৩ |
| ৩৬ | বৰাখানগিৰ | ২৮ | ডিমলা | হালধিবাৰী | ৩০.৫৩ |
| ৩৭ | নগৰজিকোবাৰী | ৩১ | ডিমলা | হালধিবাৰী | ৩৩.৪১ |
| ৩৮ | কুচলিবাৰী | ২৬ | পটগ্ৰাম | মেকলিগঞ্জ | ৫.৭৮ |
| ৩৯ | কুচলিবাৰী | ২৭ | পটগ্ৰাম | মেকলিগঞ্জ | ২.০৪ |
| ৪০ | বৰা কুচলিবাৰী | পি.এছ. মেকলিগঞ্জৰ জে.এল.১০৭-ৰ অংশ | পটগ্ৰাম | মেকলিগঞ্জ | ৪.৩৫ |
| ৪১ | জামালদহ – বালাপুখাৰী | ৬ | পটগ্ৰাম | মেকলিগঞ্জ | ৫.২৪ |
| ৪২ | উপনচৌকি কুচলিবাৰী | ১১৫/২ | পটগ্ৰাম | মেকলিগঞ্জ | ০.৩২ |
| ৪৩ | উপনচৌকি কুচলিবাৰী | ৭ | পটগ্ৰাম | মেকলিগঞ্জ | ৪৪.০৪ |
| ৪৪ | ভৌথনৰী | ১১ | পটগ্ৰাম | মেকলিগঞ্জ | ৩৬.৮৩ |
| ৪৫ | বালাপুখাৰী | ৫ | পটগ্ৰাম | মেকলিগঞ্জ | ৫৫.৯১ |
| ৪৬ | বৰাখানগিৰ | ৪ | পটগ্ৰাম | মেকলিগঞ্জ | ৫০.৫১ |
| ৪৭ | বৰাখানগিৰ | ৯ | পটগ্ৰাম | মেকলিগঞ্জ | ৮৭.৪২ |
| ৪৮ | ছাট বগডোক্ৰা | ১০ | পটগ্ৰাম | মেকলিগঞ্জ | ৪১.৭ |
| ৪৯ | ৰত্নপুৰ | ১১ | পটগ্ৰাম | মেকলিগঞ্জ | ৫৮.৯১ |
| ৫০ | বগডোক্ৰা | ১২ | পটগ্ৰাম | মেকলিগঞ্জ | ২৫.৪৯ |
| ৫১ | ফুলকেৰ ডাব্ৰী | পি.এছ. মেকলিগঞ্জৰ জে.এল.১০৭-ৰ অংশ | পটগ্ৰাম | মেকলিগঞ্জ | ০.৮৮ |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৫২ | খাৰখাৰিয়া | ১৫ | পটগ্ৰাম | মেকলিগঞ্জ | ৬০.৭৪ |
| ৫৩ | খাৰখাৰিয়া | ১৩ | পটগ্ৰাম | মেকলিগঞ্জ | ৫১.৬২ |
| ৫৪ | লোটামাৰী | ১৪ | পটগ্ৰাম | মেকলিগঞ্জ | ১১০.৯২ |
| ৫৫ | ভটবাৰী | ১৬ | পটগ্ৰাম | মেকলিগঞ্জ | ২০৫.৪৬ |
| ৫৬ | কোমাত চাংৰাবন্ধা | ১৬ক | পটগ্ৰাম | মেকলিগঞ্জ | ৪২.৮ |
| ৫৭ | কোমাত চাংৰাবন্ধা | ১৭ক | পটগ্ৰাম | মেকলিগঞ্জ | ১৬.০১ |
| ৫৮ | পানীশালা | ১৭ | পটগ্ৰাম | মেকলিগঞ্জ | ১৩৭.৬৬ |
| ৫৯ | দ্বাৰিকামাৰী খাচবাচ | ১৮ | পটগ্ৰাম | মেকলিগঞ্জ | ৩৬.৫ |
| ৬০ | পানীশালা | ১৫৩/পি | পটগ্ৰাম | মেকলিগঞ্জ | ০.২৭ |
| ৬১ | পানীশালা | ১৫৩/অ’ | পটগ্ৰাম | মেকলিগঞ্জ | ১৮.০১ |
| ৬২ | পানীশালা | ১৯ | পটগ্ৰাম | মেকলিগঞ্জ | ৬৪.৬৩ |
| ৬৩ | পানীশালা | ২১ | পটগ্ৰাম | মেকলিগঞ্জ | ৫১.৪ |
| ৬৪ | লোটামাৰী | ২০ | পটগ্ৰাম | মেকলিগঞ্জ | ২৮৩.৫৩ |
| ৬৫ | লোটামাৰী | ২২ | পটগ্ৰাম | মেকলিগঞ্জ | ৯৮.৮৫ |
| ৬৬ | দ্বাৰিকামাৰী | ২৩ | পটগ্ৰাম | মেকলিগঞ্জ | ৩৯.৫২ |
| ৬৭ | দ্বাৰিকামাৰী | ২৫ | পটগ্ৰাম | মেকলিগঞ্জ | ৪৫.৭৩ |
| ৬৮ | ছাট ভোথাত | ২৪ | পটগ্ৰাম | মেকলিগঞ্জ | ৫৬.১১ |
| ৬৯ | বাকতা | ১৩১ | পটগ্ৰাম | হাতাভংগা | ২২.৩৫ |
| ৭০ | বাকতা | ১৩২ | পটগ্ৰাম | হাতাভংগা | ১১.৯৬ |
| ৭১ | বাকতা | ১৩০ | পটগ্ৰাম | হাতীভংগা | ২০.৪৮ |
| ৭২ | ভোগৰামগুৰি | ১৩৩ | পটগ্ৰাম | হাতীভংগা | ১.৪৪ |
| ৭৩ | চেনাকাটা | ১৩৪ | পটগ্ৰাম | মেকলিগঞ্জ | ৭.৮১ |
| ৭৪ | বাশঁকাটা | ১১৯ | পটগ্ৰাম | মাথাভংগা | ৪১৩.৮১ |
| ৭৫ | বাশঁকাটা | ১২০ | পটগ্ৰাম | মাথাভংগা | ৩০.৭৫ |
| ৭৬ | বাশঁকাটা | ১২১ | পটগ্ৰাম | মাথাভংগা | ১২.১৫ |
| ৭৭ | বাশঁকাটা | ১১৩ | পটগ্ৰাম | মাথাভংগা | ৫৭.৮৬ |
| ৭৮ | বাশঁকাটা | ১১২ | পটগ্ৰাম | মাথাভংগা | ৩১৫.০৪ |
| ৭৯ | বাশঁকাটা | ১১৪ | পটগ্ৰাম | মাথাভংগা | ০.৭৭ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৮০ | বাশঁকাটা | ১১৫ | পটগ্ৰাম | মাথাভংগা | ২৯.২ |
| ৮১ | বাশঁকাটা | ১২২ | পটগ্ৰাম | মাথাভংগা | ৩৩.২২ |
| ৮২ | বাশঁকাটা | ১২৭ | পটগ্ৰাম | মাথাভংগা | ১২.৭২ |
| ৮৩ | বাশঁকাটা | ১২৮ | পটগ্ৰাম | মাথাভংগা | ২.৩৩ |
| ৮৪ | বাশঁকাটা | ১১৭ | পটগ্ৰাম | মাথাভংগা | ২.৫৫ |
| ৮৫ | বাশঁকাটা | ১১৮ | পটগ্ৰাম | মাথাভংগা | ৩০.৯৮ |
| ৮৬ | বাশঁকাটা | ১২৫ | পটগ্ৰাম | মাথাভংগা | ০.৬৪ |
| ৮৭ | বাশঁকাটা | ১২৬ | পটগ্ৰাম | মাথাভংগা | ১.৩৯ |
| ৮৮ | বাশঁকাটা | ১২৯ | পটগ্ৰাম | মাথাভংগা | ১.৩৭ |
| ৮৯ | বাশঁকাটা | ১১৬ | পটগ্ৰাম | মাথাভংগা | ১৬.৯৬ |
| ৯০ | বাশঁকাটা | ১২৩ | পটগ্ৰাম | মাথাভংগা | ২৪.৩৭ |
| ৯১ | বাশঁকাটা | ১২৪ | পটগ্ৰাম | মাথাভংগা | ০.২৮ |
| ৯২ | গোটামাৰী ছিট | ১৩৫ | হাতীবন্ধা | শীতলকুচি | ১২৬.৫৯ |
| ৯৩ | গোটামাৰী ছিট | ১৩৬ | হাতীবন্ধা | শীতলকুচি | ২০.০২ |
| ৯৪ | বনপাচাই | ১৫১ | লালমণিৰহাট | দিনহাটা | ২১৭.২৯ |
| ৯৫ | বনপাচাই ভিতৰকুঠী | ১৫২ | লালমণিৰহাট | দিনহাটা | ৮১.৭১ |
| ৯৬ | দাচিয়েৰ চাহাৰা | ১৫০ | ফুলবাৰী | দিনহাটা | ১৬৪৩.৪৪ |
| ৯৭ | ডাকুৰহাট-ডাকিনিৰকুঠী | ১৫৬ | কুৰিগ্ৰাম | দিনহাটা | ১৪.২৭ |
| ৯৮ | কলামাটি | ১৪১ | ভুৰুংগামাৰী | দিনহাটা | ২১.২১ |
| ৯৯ | ভাহবগঞ্জ | ১৫৩ | ভুৰুংগামাৰী | দিনহাটা | ৩১.৫৮ |
| ১০০ | বাউটিকুৰ্ছা | ১৪২ | ভুৰুংগামাৰী | দিনহাটা | ৪৫.৬৩ |
| ১০১ | বৰা কোচ্চুলকা | ১৪৩ | ভুৰুংগামাৰী | দিনহাটা | ৩৯.৯৯ |
| ১০২ | গাওচুলকা II | ১৪৭ | ভুৰুংগামাৰী | দিনহাটা | ০.৯ |
| ১০৩ | গাওচুলকা I | ১৪৬ | ভুৰুংগামাৰী | দিনহাটা | ৮.৯২ |
| ১০৪ | দীঘলটাৰি II | ১৪৫ | ভুৰুংগামাৰী | দিনহাটা | ৮.৮১ |
| ১০৫ | দীঘলটাৰি I | ১৪৪ | ভুৰুংগামাৰী | দিনহাটা | ১২.৩১ |
| ১০৬ | চোট গৰালঝোৰা II | ১৪৯ | ভুৰুংগামাৰী | দিনহাটা | ১৭.৮৫ |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ১০৭ | ছোট গৰালঝৰা I | ১৪৮ | ভুৰুংগামাৰী | দিনহাটা | ৩৫.৭৪ |
| ১০৮ | দক্ষিণত নাম আৰু জেএল নম্বৰ অবিহনে আৰু জেএল নং ৩৮ আৰু দক্ষিণ আৰু জেএল নং ৩৯-ৰ ১ টা ছিট* (স্থানীয়ভাৱে অশোকবাৰী** নামেৰে জনাজাত ) | | পটগ্ৰাম | মাথাভংগা | ৩.৫ |
| | *আংশিক ছিটৰ সৈতে অন্তঃক্ষেত্ৰসমূহ* | | | | |
| ১০৯ | (i) বেউলাদংগা | ৩৪ | হালধিবাৰী | বড়া | ৮৬২.৪৬ |
| | (ii) বেউলাদংগা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| ১১০ | (i) কোটভজনী | ২ | হালধিবাৰী | দেৱীগঞ্জ | ২০১২.২৭ |
| | (ii) কোটভজনী | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | (iii) কোটভজনী | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | (iv) কোটভজনী | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| ১১১ | (i) দাহালা | খাগ্ৰাব্ৰি | হালধিবাৰী | দেৱীগঞ্জ | ২৬৫০.৩৫ |
| | (ii) দাহালা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | (iii) দাহালা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | (iv) দাহালা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |

* ২০০২ চনৰ ২৯ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰ তাৰিখলৈ কলকাতাত অনুষ্ঠিত ১৫০ সংখ্যক (৫৪ সংখ্যক) ভাৰত-বাংলাদেশ সীমা সন্মিলনৰ যোগেদি সংশোধন কৰা হৈছে।

** ২০০২ চনৰ ১৮-২০ ছেপ্টেম্বৰত ভাৰতৰ কোচবিহাৰত অনুষ্ঠিত ১৫২ সংখ্যক (৫৬ সংখ্যক) ভাৰত-বাংলাদেশ সীমা সন্মিলনৰ যোগেদি সংশোধন কৰা হৈছে।

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| | (v) দাহালা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | (vi) দাহালা | অংশ | হালধিবাৰী | দেৱীগঞ্জ | |
| | | | | | ১৭১৬০.৬৩ |

১৯৯৬ চনৰ ৯-১২ অক্টোবৰত কলিকতাত অনুষ্ঠিত ভাৰত-বাংলাদেশ সন্মিলনৰ সময়ত আৰু লগতে ১৯৯৬ চনৰ ২১-২৪ নৱেম্বৰত জলপাইগুৰি (পশ্চিম বংগ) পঞ্চগড় (বাংলাদেশ) খণ্ডত যুটীয়া ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত ভাৰত আৰু বাংলাদেশৰ হাতত থকা অভিলেখৰ সৈতে উপৰোক্ত অন্তঃক্ষেত্ৰসমূহৰ বিৱৰণ যুটীয়াভাৱে তুলনা আৰু মিলাই লোৱা হৈছে।

*টোকা:* ওপৰৰ ক্ৰমিক নং ১০৮-ত অন্তঃক্ষেত্ৰৰ নাম ১৯৯৬-৯৭ বৰ্ষৰ ক্ষেত্ৰ জৰীপৰ সময়ত যুটীয়া ভূমি প্ৰমাণীকৰণৰ দ্বাৰা অশোকবাৰী বুলি চিনাক্ত কৰা হৈছে।

ব্ৰিগেডিয়াৰ জে. আৰ. পিটাৰ
নিৰ্দেশক ভূমি ৰেকৰ্ড আৰু জৰীপ
(*পদেন*) পশ্চিম বংগ, ভাৰত আৰু
নিৰ্দেশক, ইষ্টাৰ্ণ চাৰ্কল চাৰ্ভে অফ
ভাৰত, কলিকতা।

মঃ শফি উদ্দিন
সঞ্চালক প্ৰধান, ভূমি ৰেকৰ্ড
আৰু জৰীপ, বাংলাদেশ।

**খ. ভাৰতত থকা বিনিময়যোগ্য বাংলাদেশৰ অন্তঃক্ষেত্ৰসমূহ, এলেকাৰ সৈতে**

| ক্ৰমাংক | ছিটসমূহৰ নাম | পশ্চিম বংগৰ পুলিচ ষ্টেছনৰ ভিতৰত অৱস্থিত | বাংলাদেশৰ পুলিচ ষ্টেছনৰ ভিতৰত অৱস্থিত | জে.এল নং | এলেকা (একৰ) |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| | | ক। *স্বতন্ত্ৰ ছিটসমূহৰ সৈতে অন্তঃক্ষেত্ৰসমূহ* | | | |
| ১ | ছিট কুচলিবাৰী | মেকলিগঞ্জ | পটগ্ৰাম | ২২ | ৩৭০.৬৪ |
| ২ | কুচলিবাৰীৰ ছিট ভূমি | মেকলিগঞ্জ | পটগ্ৰাম | ২৪ | ১.৮৩ |
| ৩ | বালাপুখাৰী | মেকলিগঞ্জ | পটগ্ৰাম | ২১ | ৩৩১.৬৪ |
| ৪ | পানবাৰীৰ ছিট ভূমি নং ২ | মেকলিগঞ্জ | পটগ্ৰাম | ২০ | ১.১৩ |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৫ | ছিট পানবাৰী | মেকলিগঞ্জ | পটগ্ৰাম | ১৮ | ১০৮.৫৯ |
| ৬ | ধবলসতী মিৰ্গিপুৰ | মেকলিগঞ্জ | পটগ্ৰাম | ১৫ | ১৭৩.৮৮ |
| ৭ | বামগুল | মেকলিগঞ্জ | পটগ্ৰাম | ১১ | ২.২৪ |
| ৮ | ছিট ধবলসতী | মেকলিগঞ্জ | পটগ্ৰাম | ১৪ | ৬৬.৫৮ |
| ৯ | ধাবালসতী | মেকলিগঞ্জ | পটগ্ৰাম | ১৩ | ৬০.৪৫ |
| ১০ | শ্ৰীৰামপুৰ | মেকলিগঞ্জ | পটগ্ৰাম | ৮ | ১.০৫ |
| ১১ | জোতে নিজামা | মেকলিগঞ্জ | পটগ্ৰাম | ৩ | ৮৭.৫৪ |
| ১২ | জগতবেৰৰ ছিট ভূমি নং ৩ | মাথাভংগা | পটগ্ৰাম | ৩৭ | ৬৯.৮৪ |
| ১৩ | জগতবেৰৰ ছিট ভূমি নং ১ | মাথাভংগা | পটগ্ৰাম | ৩৫ | ৩০.৬৬ |
| ১৪ | জগতবেৰৰ ছিট ভূমি নং ২ | মাথাভংগা | পটগ্ৰাম | ৩৬ | ২৭.০৯ |
| ১৫ | ছিট ককোৱাবাৰী | মাথাভংগা | পটগ্ৰাম | ৪৭ | ২৯.৪৯ |
| ১৬ | ছিট ভাণ্ডাৰদাহা | মাথাভংগা | পটগ্ৰাম | ৬৭ | ৩৯.৯৬ |
| ১৭ | ধবলগুৰি | মাথাভংগা | পটগ্ৰাম | ৫২ | ১২.৫ |
| ১৮ | ছিট ধবলগুৰি | মাথাভংগা | পটগ্ৰাম | ৫৩ | ২২.৩১ |
| ১৯ | ধবলগুৰিৰ ছিট ভূমি নং ৩ | মাথাভংগা | পটগ্ৰাম | ৭০ | ১.৩৩ |
| ২০ | ধবলগুৰিৰ ছিট ভূমি নং ৪ | মাথাভংগা | পটগ্ৰাম | ৭১ | ৪.৫৫ |
| ২১ | ধবলগুৰিৰ ছিট ভূমি নং ৫ | মাথাভংগা | পটগ্ৰাম | ৭২ | ৪.১২ |
| ২২ | ধবলগুৰিৰ ছিট ভূমি নং ১ | মাথাভংগা | পটগ্ৰাম | ৬৮ | ২৬.৮৩ |
| ২৩ | ধবলগুৰিৰ ছিট ভূমি নং ২ | মাথাভংগা | পটগ্ৰাম | ৬৯ | ১৩.৯৫ |
| ২৪ | মহিশমাৰী | শীতলকুচি | পটগ্ৰাম | ৫৪ | ১২২.৭৭ |
| ২৫ | বুৰা চাৰাডুবি | শীতলকুচি | হাতীবান্ধা | ১৩ | ৩৪.৯৬ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ২৬ | ফালনাপুৰ | শীতলকুচি | পটগ্ৰাম | ৬৪ | ৫০৫.৫৬ |
| ২৭ | আমঝোল | শীতলকুচি | হাতীবন্ধা | ৫৭ | ১.২৫ |
| ২৮ | কিছমত বত্ৰিগাচ্ছ | দিনহাটা | কালীগঞ্জ | ৮২ | ২০৯.৯৫ |
| ২৯ | দুৰ্গাপুৰ | দিনহাটা | কালীগঞ্জ | ৮৩ | ২০.৯৬ |
| ৩০ | বনচুয়া খামাৰ গীতালদাহ | দিনহাটা | লালমণিৰহাট | ১ | ২৪.৫৪ |
| ৩১ | পোয়াতুৰকুথি | দিনহাটা | লালমণিৰহাট | ৩৭ | ৫৮৯.৯৪ |
| ৩২ | পশ্চিম বাকালিৰ চাৰা | দিনহাটা | ভুৰুংগামাৰী | ৩৮ | ১৫১.৯৮ |
| ৩৩ | মধ্য বাকালিৰ চাৰা | দিনহাটা | ভুৰুংগামাৰী | ৩৯ | ৩২.৭২ |
| ৩৪ | পূৰ্ব বাকালিৰ চাৰা | দিনহাটা | ভুৰুংগামাৰী | ৪০ | ১২.২৩ |
| ৩৫ | মধ্য মাচালদংগা | দিনহাটা | ভুৰুংগামাৰী | ৩ | ১৩৬.৬৬ |
| ৩৬ | মধ্য ছিট মাচালদংগা | দিনহাটা | ভুৰুংগামাৰী | ৮ | ১১.৮৭ |
| ৩৭ | পশ্চিম ছিট মাচালদংগা | দিনহাটা | ভুৰুংগামাৰী | ৭ | ৭.৬ |
| ৩৮ | উত্তৰ মাচালদংগা | দিনহাটা | ভুৰুংগামাৰী | ২ | ২৭.২৯ |
| ৩৯ | কাচুৰা | দিনহাটা | ভুৰুংগামাৰী | ৫ | ১১৯.৭৪ |
| ৪০ | উত্তৰ বংশজানি | তুফানগঞ্জ | ভুৰুংগামাৰী | ১ | ৪৭.১৭ |
| ৪১ | ছট তিলাই | তুফানগঞ্জ | ভুৰুংগামাৰী | ১৭ | ৮১.৫৬ |
| | খ। *আংশিক ছিটৰ সৈতে অন্তঃক্ষেত্ৰসমূহ* | | | | |
| ৪২ | (i) নলগ্ৰাম | শীতলকুচি | পটগ্ৰাম | ৬৫ | ১৩৯৭.৩৪ |
| | (ii) নলগ্ৰাম (অংশ) | শীতলকুচি | পটগ্ৰাম | ৬৫ | |
| | (iii) নলগ্ৰাম (অংশ) | শীতলকুচি | পটগ্ৰাম | ৬৫ | |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৪৩ | (i) ছিট নলগ্ৰাম | শীতলকুচি | পটগ্ৰাম | ৬৬ | ৪৯.৫ |
| | (ii) ছিট নলগ্ৰাম (অংশ) | শীতলকুচি | পটগ্ৰাম | ৬৬ | |
| ৪৪ | (i) বত্ৰিগাছ্ছ | দিনহাটা | কালীগঞ্জ | ৮১ | ৫৭৭.৩৭ |
| | (ii) বত্ৰিগাছ্ছ (অংশ) | দিনহাটা | কালীগঞ্জ | ৮১ | |
| | (iii) বত্ৰিগাছ্ছ (অংশ) | দিনহাটা | ফুলবাৰী | ৯ | |
| ৪৫ | (i) কাৰালা | দিনহাটা | ফুলবাৰী | ৯ | ২৬৯.৯১ |
| | (ii) কাৰালা (অংশ) | দিনহাটা | ফুলবাৰী | ৯ | |
| | (iii) কাৰালা (অংশ) | দিনহাটা | ফুলবাৰী | ৮ | |
| ৪৬ | (i) চিপপ্ৰসাদ মুস্তাতি | দিনহাটা | ফুলবাৰী | ৮ | ৩৭৩.২ |
| | (ii) চিপপ্ৰসাদ মুস্তাতি (অংশ) | দিনহাটা | ফুলবাৰী | ৬ | |
| ৪৭ | (i) দক্ষিণ মাচালডাংগা | দিনহাটা | ভুৰুংগামাৰী | ৬ | ৫৭১.৩৮ |
| | (ii) দক্ষিণ মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৬ | |
| | (iii) দক্ষিণ মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৬ | |
| | (iv) দক্ষিণ মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৬ | |
| | (v) দক্ষিণ মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৬ | |
| | (vi) দক্ষিণ মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৬ | |

(পৰিশিষ্ট - I)

| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
|---|---|---|---|---|---|
| ৪৮ | (i) ) পশ্চিম মাচালডাংগা | দিনহাটা | ভুৰুংগামাৰী | ৪ | ২৯.৪৯ |
| | (ii) পশ্চিম মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ৪ | |
| ৪৯ | (i) পূৰ্ব ছিট মাচালডাংগা | দিনহাটা | ভুৰুংগামাৰী | ১০ | ৩৫.০১ |
| | (ii) পূৰ্ব ছিট মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ১০ | |
| ৫০ | (i) পূৰ্ব মাচালডাংগা | দিনহাটা | ভুৰুংগামাৰী | ১১ | ১৫৩.৮৯ |
| | (ii) পূৰ্ব মাচালডাংগা (অংশ) | দিনহাটা | ভুৰুংগামাৰী | ১১ | |
| ৫১ | (i) উত্তৰ ধলদংগা | তুফানগঞ্জ | ভুৰুংগামাৰী | ১৪ | ২৪.৯৮ |
| | (ii) উত্তৰ ধলদংগা (অংশ) | তুফানগঞ্জ | ভুৰুংগামাৰী | ১৪ | |
| | (iii) উত্তৰ ধলদংগা (অংশ) | তুফানগঞ্জ | ভুৰুংগামাৰী | ১৪ | |
| | মুঠ এলেকা | | | | ৭১১০.০২ |

১৯৯৬ চনৰ ৯-১২ অক্টোবৰত কলিকতাত অনুষ্ঠিত ভাৰত-বাংলাদেশ সন্মিলনৰ সময়ত আৰু লগতে ১৯৯৬ চনৰ ২১-২৪ নৱেম্বৰত জলপাইগুৰি (পশ্চিম বংগ) - পঞ্চগড় (বাংলাদেশ) খণ্ডত যুটীয়া ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত ভাৰত আৰু বাংলাদেশৰ হাতত থকা অভিলেখৰ সৈতে উপৰোক্ত অন্তঃক্ষেত্ৰসমূহৰ বিৱৰণ যুটীয়াভাৱে তুলনা আৰু মিলাই লোৱা হৈছে।

ব্ৰিগেডিয়াৰ জে. আৰ. পিটাৰ
নিৰ্দেশক ভূমি ৰেকৰ্ড আৰু জৰীপ
(*পদেন*) পশ্চিম বংগ, ভাৰত আৰু
নিৰ্দেশক, ইষ্টাৰ্ণ চাৰ্কল চাৰ্ভে অফ
ভাৰত, কলিকতা।

মঃ শফি উদ্দিন
সঞ্চালক প্ৰধান, ভূমি ৰেকৰ্ড
আৰু জৰীপ, বাংলাদেশ।

# পৰিশিষ্ট - II

## [1]সংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ২০১৯

## সংবিধান আদেশ ২৭২

সংবিধানৰ ৩৭০ অনুচ্ছেদৰ দফা (১)-ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা ব্যৱহাৰ কৰি ৰাষ্ট্ৰপতিয়ে জম্মু আৰু কাশ্মীৰৰ ৰাজ্য চৰকাৰৰ সন্মতিৰ সৈতে নিম্নলিখিত আদেশটো জাৰি কৰিবলৈ পাই আনন্দিত হৈছে -

১। (১) এই আদেশক সংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ২০১৯ বুলি কোৱা হ'ব।

(২) ই তৎক্ষণাত কাৰ্যকৰী হ'ব, আৰু তাৰপিছত সময়ে সময়ে সংশোধিত সংবিধান (জম্মু আৰু কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য) আদেশ, ১৯৫৪-ক প্ৰতিস্থাপিত কৰিব।

২। সময়ে সময়ে সংশোধিত সংবিধানৰ সকলো উপবন্ধাৱলী জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সন্দৰ্ভত প্ৰযোজ্য হ'ব আৰু সেইসমূহ প্ৰযোজ্য হ'বলগীয়া ব্যতিক্ৰম আৰু সংশোধনসমূহ নিম্নলিখিত ধৰণৰ হ'ব -

অনুচ্ছেদ ৩৬৭-ত, নিম্নলিখিত দফাটো যোগ কৰা হ'ব, অৰ্থাৎ -

"(৪) এই সংবিধানৰ, যিদৰে ই জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ সন্দৰ্ভত প্ৰযোজ্য হয়, উদ্দেশ্যৰ বাবে

(ক) এই সংবিধানৰ প্ৰসংগ বা ইয়াৰ উপবন্ধাৱলীৰ প্ৰসংগসমূহক এই ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া সংবিধান বা ইয়াৰ উপবন্ধাৱলীৰ প্ৰসংগ বুলি গণ্য কৰা হ'ব;

(খ) ৰাজ্যখনৰ বিধানসভাৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে বৰ্তমানৰ বাবে জম্মু-কাশ্মীৰৰ সদৰ-ই-ৰিয়াছত হিচাপে স্বীকৃতি দিয়া ব্যক্তিজনৰ সন্দৰ্ভত, বৰ্তমান কাৰ্যকালৰ বাবে ৰাজ্যখনৰ মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰি, জম্মু আৰু কাশ্মীৰৰ ৰাজ্যপালৰ প্ৰসংগ হিচাপে গণ্য কৰা হ'ব;

(গ) উক্ত ৰাজ্যখনৰ চৰকাৰৰ প্ৰসংগসমূহ জম্মু আৰু কাশ্মীৰৰ ৰাজ্যপালে তেওঁৰ মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰি কাম কৰাৰ প্ৰসংগ সামৰি লোৱা বুলি গণ্য কৰা হ'ব; আৰু

(ঘ) এই সংবিধানৰ ৩৭০ অনুচ্ছেদৰ দফা (৩)-ৰ ব্যতিক্ৰমত, "দফা (২)-ত উল্লেখ কৰা ৰাজ্যৰ সংবিধান সভা" অভিব্যক্তিত "ৰাজ্যৰ বিধানসভা" ৰূপে পঢ়া হ'ব।

---

[1] বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ সৈতে প্ৰকাশিত, (বিধান বিভাগ) অধিসূচনা নং - জি.এছ.আৰ. ৫৫১ (ই), তাৰিখ ৫ আগষ্ট, ২০১৯, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় খণ্ড, ধাৰা ৩, উপ-ধাৰা (i)।

# পৰিশিষ্ট - III

## [1]সংবিধানৰ অনুচ্ছেদ ৩৭০(৩)ৰ অধীনত ঘোষণা

## সংবিধান আদেশ ২৭৩

ৰাষ্ট্ৰপতিয়ে সংসদৰ পৰামৰ্শ অনুসৰি ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩৭০-ৰ দফা (১)-ৰ সৈতে পঠিত অনুচ্ছেদ ৩৭০-ৰ দফা (৩)-ৰ দ্বাৰা প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ঘোষণা কৰিছে যে ৬ আগষ্ট, ২০১৯ তাৰিখৰ পৰা, উক্ত অনুচ্ছেদ ৩৭০-ৰ সকলো দফা, নিম্নলিখিতসমূহৰ বাহিৰে যিসমূহ নিম্নলিখিত অনুসৰি হ'ব, কাৰ্যকৰী হোৱা বন্ধ হ'ব, অৰ্থাৎ -

"৩৭০। কোনো পৰিৱৰ্তন বা ব্যতিক্ৰম নোহোৱাকৈ সময়ে সময়ে সংশোধিত এই সংবিধানৰ সকলো উপবন্ধাৱলী, অনুচ্ছেদ ১৫২ বা অনুচ্ছেদ ৩০৮ বা সংবিধানৰ যিকোনো অনুচ্ছেদত থকা বা জম্মু আৰু কাশ্মীৰৰ সংবিধানত থকা কোনো অন্য উপবন্ধ, বা কোনো আইন, দলিল, ন্যায়-নিৰ্ণয়, অধ্যাদেশ, আদেশ, উপবিধি, নিয়ম, বিধান, জাননী, প্ৰথা বা অনুচ্ছেদ ৩৬৩-ত বা অন্যভাৱে উল্লেখ থকা ভাৰত ভূখণ্ডত থকা কোনো শক্তিৰ ব্যৱহাৰ, বা অন্য কোনো নিৰ্দেশনা, সন্ধি বা চুক্তি আদিত কোনো বিপৰীতমুখী বিষয় থাকিলেও জম্মু আৰু কাশ্মীৰত প্ৰয়োগ হ'ব।"

---

[1] বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ সৈতে প্ৰকাশিত, (বিধান বিভাগ) অধিসূচনা নং - জি.এছ.আৰ. ৫৬২ (ই), তাৰিখ ৬ আগষ্ট, ২০১৯, ভাৰত ৰাজপত্ৰ, অসাধাৰণ, দ্বিতীয় খণ্ড, ধাৰা ৩, উপ-ধাৰা (i)।

N T M

Language consultancy and translation facilitated by
National Translation Mission
Central Institute of Indian Languages, Mysore